PGAS S4 03 (Lang)

Exam Code : 129 N

উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা

চতুর্থ ষাণ্মাসিক

অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **মালিনী গোস্বামী,** অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° **উপেন ৰাভা হাকাচাম,** অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

ড° **খগেশ সেন ডেকা,** (অৱসৰপ্ৰাপ্ত) সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১ আৰু ২	ড° **দীপাঞ্জলি দাস গোস্বামী,** কটন বিশ্ববিদ্যালয়
৩, ৬, ১২, ১৩ আৰু ১৪	**নন্দিতা তালুকদাৰ, মৰিগাওঁ মহাবিদ্যালয়**
৪ আৰু ১০	**অৰ্ণৱ শৰ্মা, এছ্ বি** দেওৰা মহাবিদ্যালয়
৫	ড° **বিভা ভৰালী,** গুৱাহাটী বিশ্ববিদ্যালয়
৭	ড° **ৰাস্না দাস, কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়**
৮ আৰু ৯	ড° **মনোজ কুমাৰ দাস,** আৰ জি বৰুৱা মহাবিদ্যালয়
১১	**মাধৱ চন্দ্ৰ বৰুৱা, শিৱসাগৰ মহাবিদ্যালয়**

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° **বিভা ভৰালী, গুৱাহাটী বিশ্ববিদ্যালয়**
অধ্যায় ঃ **১, ২, ৩, ৪, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩** আৰু ১৪
ড° **দীপাঞ্জলি দাস গোস্বামী,** কটন বিশ্ববিদ্যালয়
অধ্যায় ঃ ৫

গাঁথনিক সম্পাদনা ঃ ড° **নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১৮, দ্বিতীয় প্ৰকাশ ঃ চেপ্তেম্বৰ, ২০২১

ISBN : 978-93-87940-83-3

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/ For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

এই শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কাৰ্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in

মহানগৰ কাৰ্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২

পাঠ্যবিষয়ৰ পৰিচয় ঃ উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ চতুৰ্থ ষাণ্মাসিকৰ সংশোধিত আৰু পৰিবৰ্ধিত ভাষা শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয়। ভাষাবিজ্ঞানৰ ব্যাপক পৰিসৰৰ ভিতৰত উপভাষা বিজ্ঞান এটা আকৰ্ষণীয় বিষয়। কোনো এটা বিশেষ ভাষাৰ অন্তৰ্গত উপভাষাসমূহৰ অধ্যয়নে ভাষা বিশেষৰ নানা আঞ্চলিক ৰূপৰ ক্ৰমবিকাশ আৰু সেই সেই আঞ্চলিক ৰূপৰ মাজত নিহিত ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দ সম্ভাৰ আৰু বাক্য ৰীতিৰ বিশিষ্ট দিশৰ লগত পৰিচয় কৰাই দিয়ে। আমাৰ বিশ্ববিদ্যালয়ে আগবঢ়োৱা স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হোৱা 'উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা' শীৰ্ষক পাঠ্যবিষয় তেনে এক প্ৰয়াসৰ কাৰ্যকৰী ৰূপ।

'উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা'ৰ প্ৰথমটো অধ্যায়ৰ শিৰোনাম 'উপভাষা বিজ্ঞান'। ইয়াত ভাষা আৰু উপভাষাৰ মাজত থকা প্ৰভেদ, উপভাষাৰ গঠন, উপভাষাৰ শ্ৰেণীবিভাগ ইত্যাদি বিষয় আলোচিত হৈছে। দ্বিতীয় অধ্যায় 'উপভাষা অধ্যয়নৰ পদ্ধতি'ত উপভাষা অধ্যয়নৰ ইতিহাস, অধ্যয়নৰ প্ৰয়োজনীয়তা, উপভাষা জৰীপৰ পদ্ধতিৰ লগত জড়িত দিশসমূহৰ পুংখানুপুংখ আলোচনা আছে। তদুপৰি ইয়াত উপভাষা ভূগোলৰ ধাৰণাও আগবঢ়োৱা হৈছে। তৃতীয় অধ্যায় 'উপভাষাৰ শ্ৰেণী বিভাজন'ত উপভাষা অধ্যয়নৰ বিভিন্ন দিশ যেনে সমাজ ভাষাবিজ্ঞান, ডাইগ্লা'ছিয়া আদিৰ আলোচনা সন্নিৱিষ্ট হৈছে। চতুৰ্থ অধ্যায় 'অসমীয়া ভাষাৰ উপভাষা ঃ প্ৰাথমিক পৰিচয়'ত উজনি, মধ্য আৰু নামনি অসমৰ উপভাষাসমূহৰ প্ৰাথমিক ধাৰণা আগবঢ়োৱা হৈছে। পঞ্চম অধ্যায়ত 'কামৰূপী উপভাষা' এই বিশেষ উপভাষাটোৰ ধাৰণা আগবঢ়োৱা হৈছে। ষষ্ঠ অধ্যায়ত কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপভেদৰ আলোচনা কৰা হৈছে। সপ্তম অধ্যায় 'গোৱালপৰীয়া উপভাষা'ত গোৱালপৰীয়া উপভাষাৰ আলোচনা আগবঢ়োৱা হৈছে। অষ্টম অধ্যায়ৰ শিৰোনাম 'মধ্য অসমৰ উপভাষা'। ইয়াৰ অধ্যয়নৰ মাজেদি শিক্ষাৰ্থীয়ে মধ্য অসমৰ উপভাষাৰ চমু পৰিচয় লাভৰ লগতে ইয়াৰ ঐতিহাসিক ক্ৰমবিকাশ, ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহৰ লগত পৰিচিত হ'ব। নৱম অধ্যায়ত দৰঙী উপভাষাৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। দশম অধ্যায়ৰ শীৰ্ষক 'অসমীয়া উপভাষাৰ তুলনা'। ইয়াত অসমীয়া ভাষাৰ উপভাষাসমূহৰ মাজৰ পাৰস্পৰিক তুলনাৰ লগতে মান্য অসমীয়া ভাষাৰ লগত উপভাষাৰ তুলনা হৈছে। একাদশ অধ্যায়ৰ বিষয়বস্তু 'অসমৰ জনগোষ্ঠীয় মূলৰ নৃগোষ্ঠীয় উপভাষা'। ইয়াত অসমৰ নৃগোষ্ঠীয় উপভাষা যেনে ৰাভামিজ, তিৰামিজ, দেউৰীমিজ, মিচিংমিজ আৰু আহোমমিজ আদিৰ পৰিচয় আগবঢ়োৱা হৈছে। দ্বাদশ অধ্যায় 'অসমীয়া জাতিগত উপভাষা'ত বিভিন্ন অসমীয়া জাতিগত উপভাষা যেনে চিলেটীয়া, ভাটিয়া, সাদানি, নেপালি অসমীয়া আদিৰ আলোচনা সন্নিৱিষ্ট হৈছে। ত্ৰয়োদশ অধ্যায়টো হৈছে 'অসমৰ সংযোগী ভাষা'। ইয়াত অসমৰ কেইটামান উল্লেখযোগ্য সংযোজী ভাষা যেনে ৰাভামিজ, মিচিংমিজ আদিৰ আলোচনা আছে। চতুৰ্দশ অধ্যায় 'অসমীয়া ভাষাৰ সমকালীন ৰূপ'ত অসমীয়া ভাষাৰ সমকালীন ৰূপৰ এক থুলমূল আভাস দিয়া হৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **উপভাষা বিজ্ঞান** ৭ - ২৩

ভাষা আৰু উপভাষা; উপভাষাৰ গঠন; আঞ্চলিক উপভাষা, সামাজিক উপভাষা, সামাজিক শ্রেণীগত উপভাষা, সামাজিক জাতিগত উপভাষা, লিংগ ভেদে উপভাষা, পাৰম্পৰিক বোধগম্যতা; ব্যক্তিভাষা; মান্য ভাষা; পৰিস্থিতি নির্ধাৰক ভাষা

অধ্যায় ২ ঃ **উপভাষা অধ্যয়নৰ পদ্ধতি** ২৪ - ৩৬

উপভাষা অধ্যয়নৰ ইতিহাস; উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা; উপভাষা জৰীপৰ পদ্ধতি; প্রশ্নাৱলী, ভাষিক মানচিত্র, সামগ্রী দাতা, উপভাষা সীমা নির্দ্ধাৰক; উপভাষা ভূগোল; ভৌগোলিক উপভাষাৰ ধাৰাবাহিকতা, সূচক বা সামগ্রী দাতা

অধ্যায় ৩ ঃ **উপভাষাৰ শ্রেণী বিভাজন** ৩৭ - ৪৮

উপভাষা অধ্যয়নৰ বিভিন্ন দিশ ঃ সমাজ ভাষাবিজ্ঞান, ডাইগ্লশ্ছিয়া, স্থানীয় উপভাষা, নৃগোষ্ঠীয় উপভাষা, পিজিন আৰু ক্রেওল

অধ্যায় ৪ ঃ **অসমীয়া ভাষাৰ উপভাষা ঃ প্রাথমিক পৰিচয়** ৪৯ - ৫৫

অসমীয়া ভাষাৰ উপভাষা ঃ প্রাথমিক পৰিচয়, উজনি অসমৰ উপভাষা, মধ্য অসমৰ উপভাষা, নামনি অসমৰ উপভাষা, অসমৰ জনগোষ্ঠীয় উপভাষা; অসমৰ সংযোগী ভাষা

অধ্যায় ৫ ঃ **কামৰূপী উপভাষা** ৫৬ - ৯৮

কামৰূপী উপভাষা; কামৰূপী উপভাষাৰ স্থানীয় ৰূপভেদ, কামৰূপী উপভাষাৰ ঐতিহাসিক পটভূমি আৰু ঔপভাষিক বৈচিত্র্যৰ কাৰণ; প্রাচীন কামৰূপৰ শাসন ব্যৱস্থা আৰু স্থানীয় ৰূপৰ ভেদ, বিদেশী আক্রমণৰ প্রভাৱ, ভৌগোলিক ব্যৱধান, সুৰ বা সুৰ লহৰ, কামৰূপী উপভাষাৰ ভাষিক বৈশিষ্ট্য; ধ্বনিতাত্ত্বিক বৈশিষ্ট্য, ৰূপতাত্ত্বিক বৈশিষ্ট্য, শব্দগত বৈশিষ্ট্য

অধ্যায় ৬ ঃ **কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপভেদ** ৯৯ - ১১০

কামৰূপী উপভাষা ক্ষেত্র ঃ এটি পৰিচয়; কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপ; ধ্বনিতাত্ত্বিক তুলনা, ৰূপতাত্ত্বিক তুলনা, শব্দগত তুলনা

অধ্যায় ৭ ঃ **গোৱালপৰীয়া উপভাষা** ১১১ - ১৩৫

গোৱালপৰীয়া উপভাষা ঃ চমু পৰিচয়; গোৱালপৰীয়া উপভাষাৰ ঐতিহাসিক পটভূমি; গোৱালপৰীয়া উপভাষাৰ ভাষিক বৈশিষ্ট্য; মান্য অসমীয়াৰ সৈতে গোৱালপৰীয়া উপভাষাৰ প্রভেদ; কামৰূপী উপভাষাৰ সৈতে গোৱালপৰীয়া উপভাষাৰ প্রভেদ

অধ্যায় ৮ ঃ মধ্য অসমৰ উপভাষা ১৩৬ - ১৬০

মধ্য অসমৰ উপভাষা ঃ চমু পৰিচয়; মধ্য অসমৰ উপভাষা ঃ ঐতিহাসিক পটভূমি; মধ্য অসমৰ উপভাষাৰ ভাষিক বৈশিষ্ট্য; মধ্য অসমৰ উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য, মধ্য অসমৰ উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য, মধ্য অসমৰ উপভাষাৰ শব্দ সম্ভাৰ, মান্য অসমীয়াৰ সৈতে মধ্য অসমৰ উপভাষাৰ প্ৰভেদ

অধ্যায় ৯ ঃ দৰঙী উপভাষা ১৬১ - ১৮৪

দৰঙী উপভাষা ঃ চমু পৰিচয়; দৰঙী উপভাষা ঃ ঐতিহাসিক পটভূমি; দৰঙী উপভাষাৰ ভাষিক বৈশিষ্ট্য; দৰঙী উপভাষাৰ ধ্বনিতত্ত্ব, দৰঙী উপভাষাৰ ৰূপতত্ত্ব, দৰঙী উপভাষাৰ শব্দ সম্ভাৰ

অধ্যায় ১০ ঃ অসমীয়া ভাষাৰ উপভাষাৰ তুলনা ১৮৫ - ১৯৭

উপভাষা ঃ অসমীয়া ভাষাৰ উপভাষা ঃ উজনি, মধ্য আৰু কামৰূপী উপভাষাৰ এটি তুলনামূলক আলোচনা; কামৰূপী আৰু গোৱালপৰীয়া উপভাষাৰ তুলনা; দৰঙী উপভাষা আৰু মান্য অসমীয়াৰ লগত ইয়াৰ তুলনা; কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰ মাজত তুলনা

অধ্যায় ১১ ঃ অসমৰ জনগোষ্ঠীয় মূলৰ নৃগোষ্ঠীয় উপভাষা ১৯৮ - ২১৮

অসমৰ নৃগোষ্ঠীয় উপভাষাৰ চমু পৰিচয়; অসমৰ নৃগোষ্ঠীয় উপভাষা; ৰাভামিজ বা ৰাভা-অসমীয়া, তিৰামিজ বা তিৰা-অসমীয়া, দেউৰীমিজ বা দেউৰী-অসমীয়া, মিচিংমিজ বা মিচিং-অসমীয়া, আহোমমিজ বা টাই-অসমীয়া

অধ্যায় ১২ ঃ অসমীয়া জাতিগত উপভাষা ২১৯ - ২৪০

অসমীয়া জাতিগত উপভাষা ঃ চমু পৰিচয়; চিলেটীয়া, ভাটিয়া, সাদানি, নেপালী অসমীয়া, দেহান

অধ্যায় ১৩ ঃ অসমৰ সংযোগী ভাষা ২৪১ - ২৫২

সংযোগী ভাষা ঃ চমু পৰিচয়; অসমৰ সংযোগী ভাষা; নাগামিজ, নেফামিজ বা অৰুণাচলী-অসমীয়া, ৰাভামিজ

অধ্যায় ১৪ ঃ অসমীয়া ভাষাৰ সমকালীন ৰূপ ২৫৩ - ২৬১

অসমীয়া ভাষাৰ সমকালীন ৰূপ ঃ চমু পৰিচয়; অসমীয়া ভাষাৰ সমকালীন ৰূপ ঃ ধ্বনিতাত্ত্বিক আলোচনা, ৰূপতাত্ত্বিক আলোচনা, শব্দতাত্ত্বিক আলোচনা

প্ৰসঙ্গ পুথি ২৬২ - ২৬৫

অধ্যায় ১ ঃ উপভাষা বিজ্ঞান

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ভাষা আৰু উপভাষা

১.৪ উপভাষাৰ গঠন

  ১.৪.১ আঞ্চলিক উপভাষা

  ১.৪.২ সামাজিক উপভাষা

  ১.৪.৩ সামাজিক শ্রেণীগত উপভাষা

  ১.৪.৪ সামাজিক জাতিগত উপভাষা

  ১.৪.৫ লিংগ ভেদে উপভাষা

১.৫ পাৰস্পৰিক বোধগম্যতা

১.৬ ব্যক্তিভাষা

১.৭ মান্য ভাষা

১.৮ পৰিস্থিতি নির্ধাৰক ভাষা

১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.১০ অধিক জানিবলৈ

১.১১ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১.১২ আর্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উপভাষা কাক বোলে তাক জানিব
- ব্যক্তিভাষা, উপভাষা আৰু ভাষাৰ মাজত থকা পার্থক্য বিচাৰ কৰিব পাৰিব
- উপভাষাৰ গঠন (সৃষ্টিৰ অন্তর্নিহিত কাৰণ) ব্যাখ্যা কৰিব পাৰিব
- উপভাষা বিভাগ সম্পর্কে আলোচনা কৰিব পাৰিব
- উপভাষাৰ লগত জড়িত কেইটামান মুখ্য বিষয়ৰ ধাৰণা আগবঢ়াব পাৰিব
- উপভাষা অধ্যায়ৰ প্রয়োজনীয়তাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়


স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন তৃতীয় পাঠ্যবিষয় 'উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা'। পাঠ্যবিষয়ৰ প্রথম অধ্যায় হিচাপে

ইয়াৰ নামকৰণ কৰা হৈছে 'উপভাষা বিজ্ঞান'। ইয়াৰ মাজেদি শিক্ষার্থীয়ে ভাষা আৰু উপভাষাৰ ভেদ জনাৰ লগতে উপভাষাৰ লগত জড়িত বিভিন্ন দিশৰ কথা জানিব।

উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যকেইখনৰ ভিতৰত অসম অন্যতম। অসমত প্রচলিত মুখ্য ভাষাটো অসমীয়া। আনুষ্ঠানিক মর্যাদা পোৱা 'অসমীয়া' মান্য ভাষা। কিন্তু মান্য অসমীয়া ভাষাটোৰ চাৰিওফালে মানুহৰ মুখত কিঞ্চিত পার্থক্য থকা অসমীয়া ভাষাৰ কথিত ৰূপ অহৰহ চলি আহিছে। এই পার্থক্য ধ্বনি উচ্চাৰণ, শব্দ, আৰু সুৰত পোৱা যায়। ভাষাৰ এই পার্থক্য বা ভিন্নতা কেৱল অসমতে নহয় পৃথিৱীৰ সকলো দেশৰে সকলো প্রান্তৰ ভাষাৰ মাজতেই পোৱা যায়। সর্বসাধাৰণ মানুহে বিষয়টো ইমান গুৰুত্ব নিদিলেও ভাষাৰ বিজ্ঞানসন্মত অধ্যয়ন কৰা লোকসকলৰ বাবে বিষয়টো গুৰুত্বপূর্ণ আৰু আকর্ষণীয়। ভাষাৰ ভিন্নতা আৰু বিভিন্নতাৰ ফলত সৃষ্টি হোৱা ভাষিক ৰূপৰ অধ্যয়ন এই অধ্যায়ৰ উদ্দেশ্য। মূলতঃ উপভাষাৰ সংজ্ঞা, সৃষ্টিৰ কাৰণ, উপভাষাৰ বৈশিষ্ট্য ইত্যাদি এই অধ্যায়ত আপোনাৰ বাবে আগবঢ়োৱা হ'ব।

১.৩ ভাষা আৰু উপভাষা

ভাষা ঃ মানৰ সমাজত যোগাযোগ বা জ্ঞাপনৰ এক অন্যতম আহিলা হৈছে ভাষা। ভাষাবৈজ্ঞানিক দৃষ্টিকোণৰ পৰা ভাষা হৈছে— মানুহৰ বাক্ ইন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত (নাদ) ধ্বনিয়ে যেতিয়া নির্দিষ্ট ক্রমত আবদ্ধ হৈ মনৰ ভাব প্রকাশ কৰে। কিন্তু মানুহৰ দৰে ন ন শব্দ উদ্ভাৱন কৰি ভিন্ ভিন্ অর্থ প্রকাশ কৰাৰ ক্ষমতা আন কাৰো নাই। পুলিচৰ হুইচেল; পথৰ কাষত থকা বিভিন্ন অর্থবোধক চিহ্নবোৰক কিন্তু ভাষা বোলা নহয়। গতিকে, ক'ব পাৰি যে বাক্ ইন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিৰ সুগঠিত ৰূপত ভাষাৰ সৃষ্টি হয়। ভাষাৰ এটা প্রণালী আছে। প্রণালীটো এটি চিত্রৰ সহায়েৰে দেখুওৱা হ'ল ঃ



চিত্র-১.১

ভাষাক চিহ্নৰ প্রণালী বুলিব পাৰি। এই চিহ্নৰ দুই ধৰণৰ ইঙ্গিত ভাষাবিজ্ঞানী Fardinand de Saussure-এ দিছে। পৰস্পৰ পৰিপূৰক এই সম্বন্ধ দুটা হৈছে— সহাৰদ্ধ (Syntagmatic) আৰু ক্রমাৰদ্ধ (Paradigmatic)



জানি থোৱা ভাল


'ভাষা সম্বন্ধে আলোচনাত Fardinand de Saussure, Leonard Bloomfield, Noam Shomskyৰ নাম আৰু তেওঁলোকৰ ভাষা সম্পর্কে ধাৰণা থাকিব লাগে।

উপভাষা ঃ ভাষা যিদৰে মানৱ বাক্‌ইন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিৰ এটা শৃঙ্খলিত, প্রণালীবদ্ধ ৰূপ; উপভাষায়ো ঠিক একেই। পার্থক্যটো হৈছে— ক্ষেত্রৰ বা শ্রেণীৰ বা জাতিৰ।

নির্দিষ্ট এক ভৌগোলিক আবেষ্টনীৰ মাজত কোনো জনসমষ্টিৰ প্রতি লক্ষ্য কৰিলে দেখা যাব সেই আবেষ্টনীৰ ভাষা ৰূপ একে নহয়। অর্থাৎ ক্ষেত্রৰ দূৰত্ব অনুযায়ী বা নির্দিষ্ট একো একোখন সমাজত ব্যক্তিসকলে কিন্তু একে ধৰণৰ কথা কয়। দূৰত্ব বাঢ়ি গ'লে বা সমাজখন বেলেগ হ'লে লোক সমাজে কিছু ভিন্ন শৈলীৰ কথা কয়। এই ভিন্নতা ধ্বনিৰ উচ্চাৰণত, শব্দৰ প্রয়োগত, সুৰত হ'ব পাৰে। অসমৰ পূবৰ পৰা পশ্চিমলৈ গতি কৰিলে আমি ভাষাৰ কথিত ৰূপত, ক্ষেত্র অনুযায়ী হোৱা ভাষাগত পার্থক্যটো দেখিবলৈ পাম। ডিব্রুগড়ৰ লোকসকলৰ ভাষা, গোৱালপাৰাৰ লোকসকলৰ ভাষাত কৈ কিছু ভিন্ন। ভাষাৰ এই ক্ষেত্রভিত্তিক পার্থক্যটোৰে গঢ় দিয়া ভাষাৰ ৰূপটোকে উপভাষা বোলে।

উপভাষা ভাষাগত বিভিন্নতাৰ ফলত সৃষ্টি হয়। ভাষাৰ বিভিন্নতা প্রধানকৈ দুই প্রকাৰৰ ঃ (i) ভাষা কওঁতা অনুযায়ী বা প্রয়োগ কৰোতা অনুযায়ী (ii) ভাষা প্রয়োগ কৰা ধৰণ অনুযায়ী। উপভাষা প্রয়োগ কৰোতা অনুযায়ী সৃষ্টি হয়। কওঁতা অনুযায়ী এক নির্দিষ্ট খণ্ডৰ বা সমাজৰ মানুহখিনিয়ে প্রায় একে ধৰণৰ কথনশৈলী প্রয়োগ কৰে। কিন্তু সেই অঞ্চলৰ পৰা দূৰত অৱস্থিত লোকসকলে আকৌ বেলেগ কথনশৈলী প্রয়োগ কৰে; কিন্তু তেওঁলোকৰ মাজত ভাষাগত বোধগম্যতাৰ অভাৱ নহয়।

সমাজতত্ত্বৰ দিশৰ পৰা ভাষা হৈছে মানুহৰ বাচিক আচৰণ। এই আচৰণ এটি শিশুৱে (সুস্থ) সৰুৰে পৰা নিজৰ চাৰিওফালৰ পৰিৱেশৰ পৰা আহৰণ কৰি লয়। ভাষাৰ নিজস্ব এটা ৰূপ নাই; যিকোনো এটা উপভাষাৰ মাধ্যমেৰেই মানুহে মনৰ ভাব প্রকাশ কৰে। ভাষাৰ পৰিধিৰ ভিতৰত কেইবাটাও উপভাষা থাকিব পাৰে। উপভাষা কেৱল অঞ্চল বা ক্ষেত্র ভিত্তিক নহয়; পৰৱর্তী শাখাত এই বিষয়ে বহলাই আলোচনা কৰা হ'ব। তলত ভাষা আৰু উপভাষাৰ চিত্র এটি দিয়া হ'ল ঃ



চিত্র-১.২

উপভাষা বোলোতে প্রথমে কেৱল আঞ্চলিক উপভাষাৰ বিষয়েহে বুজাইছিল। 1876 চনৰ পৰা 1940-50 মানলৈকে উপভাষাৰ অধ্যয়ন কেৱল আঞ্চলিক উপভাষাৰ ক্ষেত্রতহে হৈছিল। উপভাষা ভূগোলৰ (Dialect Geography) এই অংশক (Traditional Dialectology) পৰম্পৰাগত উপভাষা অধ্যয়নৰ অন্তর্গত কৰিব পাৰি। 1876 চনত George Wenker ৰ হাতত যি উপভাষা ভূগোলৰ আৰম্ভণি হৈছিল; 1966 চনত William Labov য়ে 'The social

stratification of New York Speech'ৰ দ্বাৰা উপভাষা অধ্যয়নত এক নতুন দিশৰ সূচনা কৰে। সামাজিক কাৰণত যে উপভাষাৰ সৃষ্টি হ'ব পাৰে; সেই বিষয়টোত আলোকপাত কৰি Labov-এ ভাষা অধ্যয়নৰ দিশত সমাজৰ যি গুৰুত্ব সেয়া উল্লেখ কৰি সামাজিক উপভাষাৰ অধ্যয়নৰ আৰম্ভণি কৰে। ভাষা (উপভাষা) ই কেৱল আনৰ প্ৰতি ভাৱ সঞ্চালনেই নকৰে; সামাজিক সম্বন্ধও স্থাপন কৰে। সাম্প্ৰতিক উপভাষা অধ্যয়নত আঞ্চলিক দূৰত্বৰ লগে লগে সামাজিক কাৰণেও কিদৰে উপভাষা সৃষ্টি কৰিব পাৰে সেই বিষয়ে অধ্যয়ন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ উপভাষা কাক বোলে? ভাষাৰ লগত উপভাষাৰ সম্পৰ্ক সম্বন্ধে অতি চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

১.৪ উপভাষাৰ গঠন

ব্যক্তিৰ (কণ্ঠ) কথা কোৱা শৈলীৰ প্ৰতি লক্ষ্য কৰি উপভাষা গঠনত ব্যক্তিৰ ভূমিকা গুৰুত্বপূৰ্ণ। ব্যক্তি মিলি পৰিয়াল হয়, গতিকে ব্যক্তিৰ ওপৰত স্তৰটো হৈছে পৰিয়াল। পৰিয়ালবোৰ মিলি এটা ফৈদ হয় আৰু এই ফৈদটোৰ বাক্যভঙ্গীয়েই হয় উপভাষা। উপভাষা বা ভাষা একাধিক ব্যক্তিয়ে প্ৰয়োগ কৰা ৰূপ।

উপভাষা গঠনৰ অন্তৰালত কেইবাটাও কাৰণে ক্ৰিয়া কৰিব পাৰে। মূলতঃ আঞ্চলিক আৰু সামাজিক কাৰণত উপভাষা গঠন হ'ব পাৰে।

আঞ্চলিক উপভাষা সৃষ্টিৰ (গঠনত) কাৰণ হিচাপে ল'ব পাৰি প্ৰাকৃতিক বাধা; মিলামিচাৰ অভাৱ; ৰাজনৈতিক কাৰণ; প্ৰব্ৰজন আৰু বাণিজ্যিক পথ।

জনবসতিৰ গঠন প্ৰক্ৰিয়াৰ বাবেও উপভাষা সৃষ্টি হ'ব পাৰে— এই ধৰণৰ উপভাষাক জাতিগত বা নৃগোষ্ঠীয় উপভাষাৰ ভিতৰত পেলাব পাৰি। অৰ্থনৈতিক মানদণ্ডৰ ভিত্তিত শ্ৰেণীগত উপভাষা গঠন হ'ব পাৰে।

অতি চমুকৈ উপভাষা গঠনত ক্ৰিয়া কৰা দিশসমূহ ঃ

- নানান ভৌগোলিক কাৰণত উপভাষা সৃষ্টি হ'ব পাৰে।
- অৰ্থনৈতিক মানদণ্ডই সমাজত উপভাষাৰ সৃষ্টি কৰিব পাৰে।
- ৰাজনৈতিক দিশো উপভাষা সৃষ্টিৰ কাৰক হ'ব পাৰে।
- জনবসতিৰ গঠন প্ৰক্ৰিয়াই উপভাষা সৃষ্টি কৰিব পাৰে।
- কেতিয়াবা সমাজত পুৰুষ আৰু নাৰী সম্পৰ্কীয় কেতবোৰ বিশ্বাস, ৰীতি-নীতি, ইত্যাদি কাৰণেও কণ্ঠৰ ভিন্ন কথনৰীতিয়ে উপভাষা সৃষ্টি কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ উপভাষা গঠনত কোনবোৰ দিশে ক্রিয়া কৰে?

(১৫০টা শব্দৰ ভিতৰত)

.....



জানি থোৱা ভাল

উপভাষা অধ্যয়ন সমকালীন (Synchronic)

১.৪.১ আঞ্চলিক উপভাষা

কোনো এক বৃহত্তৰ ক্ষেত্রৰ ভাষালৈ (কথিত ৰূপৰ) মন কৰিলে দেখা যায় যে ক্ষেত্রৰ ইমূৰৰ পৰা সিমূৰলৈ ভাষাৰ ৰূপটোৰ কিছু ভিন্নতা আছে। এই ভিন্নতা কণ্ঠতা অনুযায়ী। বিভিন্ন কাৰণত এই ভিন্নতা হ'ব পাৰে। এটা অঞ্চলৰ কণ্ঠতাসকলে (Language User) সাধাৰণতে একে ধৰণৰ ধ্বনি উচ্চাৰণ কৰে; একে শব্দ প্রয়োগ কৰে; কেতিয়াবা সুৰ একে হয়; কিন্তু আন এটা অঞ্চলৰ কণ্ঠতাসকলে আকৌ কিছু বেলেগ সুৰত বা বেলেগ শব্দ প্রয়োগ কৰে। এই ভিন্নতা ভৌগোলিক দূৰত্ব অনুযায়ী বাঢ়ি যায়। অঞ্চলে অঞ্চলে হোৱা এই প্রভেদ অৱস্থাক ভৌগোলিক উপভাষা ধাৰাবাহিকতা (Geographical dialect continuam) বুলি কোৱা হয়। অঞ্চল অনুযায়ী হোৱা এই কথিত ৰূপক আঞ্চলিক উপভাষা বোলে। আঞ্চলিক উপভাষাৰ লগত 'ভৌগোলিক উপভাষা'ৰ ধাৰাবাহিকতাৰ উপৰিও আৰু কেইবাটাও বিষয় জড়িত হৈ থাকে। সেই বিষয়সমূহ ঃ

(i) ব্যক্তিভাষা (idiolect)
(ii) পাৰস্পৰিক বোধগম্যতা (Mutual intelligibility)
(iii) জটিল ভাষা সমষ্টি (Language complex)
(iv) অজটিল ভাষা সমষ্টি (Language simplex)
(v) সীমানির্ধাৰক (Isogloss)
(vi) ক্ষেত্র অধ্যয়ন প্রণালী (Field study)
(vii) ভাষিক মানচিত্র (Display map)

পৰৱর্তী অধ্যায়ত এই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হ'ব। এই অধ্যায়ত ইয়াৰ উল্লেখ মাত্র কৰা হ'ল।

- অসমত প্রচলিত মুখ্য ভাষাটো অসমীয়া। অসমীয়া ভাষা কোনটো বুলিলে আমি সাধাৰণতে মান্য ভাষাটোলৈ (Standard Language) আঙুলিয়াই দিম। ডিব্রুগড়ৰ

পৰা মানকাচাৰ-ধুবুৰীৰ ফাললৈ গতি কৰিলে দেখা যায় ডিব্রুগড়ৰ মানুহৰ কথিত ভাষা দৰঙৰ মানুহৰ কথিত ভাষাৰ লগত নিমিলে। দক্ষিণ পাৰৰ মানুহৰ ভাষা (কামৰূপৰ) উত্তৰ পাৰৰ মানুহৰ লগত নিমিলে। পৰস্পৰৰ মাজত ভাষাগত পার্থক্য আছে যদিও একেবাৰে অমিল নহয়। এই ভাষিক পার্থক্যই অসমৰ আঞ্চলিক উপভাষাৰ পৰিচয় বহন কৰিছে। অসমীয়া ভাষাৰ প্ৰধানকৈ তিনিটা আঞ্চলিক উপভাষা দেখা যায়। উজনিৰ উপভাষা, মধ্য অসমৰ উপভাষা আৰু নামনিৰ উপভাষা।

- নামনি অসমৰ উপভাষাক কামৰূপী উপভাষা আৰু গোৱালপৰীয়া উপভাষা এই দুটা ভাগত ভগাব পাৰি। দৰং অঞ্চলৰ প্ৰচলিত ভাষাটোক দৰঙীয়া উপভাষা বুলিব পাৰি। এই উপভাষাবোৰৰ নিজস্ব বৈশিষ্ট্য শব্দ প্ৰয়োগৰ ক্ষেত্ৰত দেখা যায়। সম্বন্ধবাচক শব্দৰ পৰা দৈনন্দিন জীৱনত প্ৰয়োগ হোৱা সৰু-বৰ শব্দত এই আঞ্চলিক বৈশিষ্ট্য সমূহ ধৰা পৰে। একো একোটা উপভাষাৰ আকৌ আঞ্চলিক ৰূপ থাকিব পাৰে। তাক স্থানীয় উপভাষা বোলে।


অসমৰ স্থানীয় অন্যতম এটা উপভাষা কামৰূপী উপভাষা। কামৰূপী উপভাষাৰ স্থানীয় উপভাষা কেইটা হৈছে ঃ



তালিকা- ১

সাধাৰণতে, আঞ্চলিক উপভাষাসমূহে বহুখিনি ভৌগোলিক সীমাৰেখা মানে বাবে ভৌগোলিক উপভাষা বুলিও আলোচনা কৰিব পাৰি।

- অসমৰ আঞ্চলিক উপভাষা আৰু তাৰ স্থানীয় উপভাষা কেইটাক এখনি তালিকাৰ সহায়েৰে দেখুৱাব যত্ন কৰা হ'ল ঃ



তালিকা-২



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ স্থানীয় উপভাষা বুলিলে কি বুজে?

.....

১.৪.২ সামাজিক উপভাষা

আঞ্চলিক উপভাষাৰ দৰে উপভাষাৰ আন এটা ভাগ হৈছে সামাজিক উপভাষা। সামাজিক কাৰণত সামাজিক উপভাষাৰ জন্ম হয়। এক বিশেষ ভূখণ্ডত সামাজিক কাৰণৰ বাবে যেতিয়া ভাষাগত বিভিন্নতাৰ সৃষ্টি হয় তেতিয়াই সামাজিক উপভাষাৰ জন্ম হয়।

- সামাজিক উপভাষা সৃষ্টিৰ কাৰণ ঃ

  (i) জাতি বা বর্ণগত দিশ

  (ii) নৃগোষ্ঠীয় দিশ

  (iii) অর্থনৈতিক দিশ বা শ্রেণীগত কাৰণ

  (iv) লিঙ্গগত ভেদ।

- সমাজত থকা সংৰক্ষণশীল মানসিকতা আৰু ওপৰত দিয়া কাৰণসমূহৰ বাবে যি ভাষিক বিভিন্নতাৰ সৃষ্টি হয় তাক আমি তলত দিয়া ধৰণেৰে দেখুৱাব পাৰো—

  (1) সামাজিক জাতিগত বা বর্ণগত উপভাষা।

  (2) নৃগোষ্ঠীয় উপভাষা।

  (3) সামাজিক শ্রেণীগত উপভাষা।

  (4) লিংগভেদে ভাষাৰ তাৰতম্যক 'ভাষা আৰু লিংগ' শিতানত আলোচনা কৰা হয়। সমাজভাষাবিজ্ঞানৰ আওতাতহে এই বিষয়টোৱে অধিক গুৰুত্ব পায়।

সামাজিক উপভাষা অধ্যয়ন বিষয়টো তুলনামূলকভাৱে অর্বাচীন। অসমীয়া ভাষাৰ সামাজিক উপভাষা অধ্যয়নৰ ক্ষেত্রখন বর্তমান নৃগোষ্ঠীয় উপভাষা অধ্যয়নেৰে আৰম্ভণি হৈছে বুলিলেও অত্যুক্তি কৰা নহ'ব।



জানি থোৱা ভাল

William Labov-নামৰ ভাষা ভাষাবিজ্ঞানীগৰাকীয়ে ১৯৬৬ চনত সামাজিক ভাষাবিজ্ঞানৰ অধ্যয়নৰ সূচনাৰে উপভাষা অধ্যয়নত 'সামাজিক উপভাষা'ৰ আৰম্ভণি কৰে।

১.৪.৩ সামাজিক শ্রেণীগত উপভাষা

শ্রেণীগত সামাজিক উপভাষাৰ নিদর্শন সাধাৰণতে উদ্যোগপ্রধান সমাজতহে দেখা যায়। ঔদ্যোগিক সমাজৰ লগত অর্থনৈতিক দিশ অতি ঘনিষ্ঠভাৱে জড়িত বাবে তেনে সমাজত উচ্চ শ্রেণী, মধ্যবিত্ত শ্রেণী, নিম্ন শ্রেণী, উচ্চ মধ্য শ্রেণী, মধ্য শ্রেণী, নিম্ন মধ্য শ্রেণী, নিম্ন শ্রেণী— এনেদৰে শ্রেণী সমাজৰ সৃষ্টি হয়। শ্রেণী সমাজত প্রত্যেক শ্রেণীৰ জীৱন ধাৰণ পদ্ধতি, শিক্ষা-দীক্ষা, সংস্কাৰ-ৰীতি-নীতিয়ে একোটা গোট সৃষ্টি কৰে। এই গোটসমূহৰ মাজত ভাষিক ভিন্নতা পৰিলক্ষিত হয়। উচ্চ আৰু নিম্ন শ্রেণী গোটৰ মাজত যথেষ্ট ভিন্নতা পৰিলক্ষিত হ'ব। শ্রেণীগত সামাজিক উপভাষা সদায় কর্মৰ লগত জড়িত। শ্রেণীগত সামাজিক উপভাষা শ্রেণীসমাজৰ ভাষাৰ লগত জড়িত।

১.৪.৪ সামাজিক জাতিগত উপভাষা

সামাজিক জাতিগত উপভাষা জন্মগত। বেদৰ সময়ৰ পৰা আমি মূলতঃ বৈশ্য, শূদ্র, ক্ষত্রিয় আৰু ব্রাহ্মণ এই চাৰিটা জাতিৰ বিষয়ে পাই আহিছো। বেদৰ সময়ত কর্মৰ ভিত্তিত এই চাৰিটা জাতি ভাগ কৰা হৈছিল যদিও পৰৱর্তী সময়ত এই জাতিভেদৰ মানসিকতা সমাজত অধিক দৃঢ় হৈছিল। জন্ম সূত্রে লাভ কৰা জাতিৰ মাপকাঠি সাধাৰণতে অপৰিৱর্তনীয়। প্রত্যেক জাতিয়ে নিজৰ নিজৰ নিয়ম নীতিৰে নিজকে লগতে নিজৰ ভাষা-সংস্কৃতিক বান্ধি ৰাখে আৰু সৃষ্টি হয় জাতিগত উপভাষাৰ। ভাৰতবর্ষৰ ব্রাহ্মণ আৰু অব্রাহ্মণ লোকসকলে (বিশেষকৈ তেলেগু আৰু কানাড়ী ভাষাৰ অন্তর্গত) প্রয়োগ কৰা ভাষাৰ ক্ষেত্রত জাতিগত উপভাষাৰ নিদর্শন পোৱা যায়। ধ্বনি, ৰূপ, বাক্য আৰু অর্থ-ভাষাৰ এই চাৰিওটা প্রণালীতে ভাষাগত বিভিন্নতা পৰিলক্ষিত হয়। ভাৰতত আন ৰাজ্যৰ তুলনাত অসমত জাতিভেদৰ তাৰতম্য কিছু কম। জাতিভেদৰ কটকটীয়া বান্ধোন নাই বাবে অসমত তেনে ধৰণৰ উপভাষা পোৱা নাযায়। অৱশ্যে দুই এটা বিষয়ত কৈৱর্ত লোকসকলৰ ভাষাত কেতবোৰ বিশেষত্ব পোৱা যায়। এই বিশেষত্ব ধ্বনিৰ ক্ষেত্রত মান্য অসমীয়াৰ খ>স হিচাপে প্রয়োগ হয়।

সামাজিক জাতিগত উপভাষা আৰু সামাজিক শ্রেণীগত উপভাষাৰ মাজত থকা মুখ্য পার্থক্যসমূহ ঃ

- সামাজিক শ্রেণীগত উপভাষা কর্ম ভিত্তিক আনহাতে সামাজিক জাতিগত উপভাষা জন্মগত।
- কর্মভিত্তিক হোৱা বাবে সামাজিক শ্রেণীগত উপভাষা পৰিৱর্তনীয়। জাতিভেদৰ কট্‌কটীয়া বান্ধোনে সমাজত একোটা গোট বা ফৈদৰ সৃষ্টি কৰে আৰু ৰক্ষণশীল

মানসিকতাই ইয়াৰ সৃষ্টিত সফলতা প্রদান কৰে; সেয়েহে জাতিগত উপভাষা সাধাৰণতে অপৰিৱর্তনীয়।

- সামাজিক শ্রেণীগত উপভাষা পৰিবর্তন হ'ব পাৰে বাবে সামাজিক জাতিগত উপভাষাতকৈ ইয়াৰ জটিলতা বেছি।
- সামাজিক শ্রেণীগত উপভাষাৰ বিভিন্নতা তুলনামূলকভাৱে জাতিগত উপভাষাৰ বিভিন্নতাতকৈ কম। সমাজভাষাবিজ্ঞান আৰু উপভাষাৰ পার্থক্য মাথোন অধ্যয়নকাৰীৰ দৃষ্টিভংগীৰ ওপৰত নির্ভৰ কৰে। উপভাষাই বহুক্ষেত্রত একোটা ফৈদৰ বিশিষ্ট গুণ ধৰি ৰাখি সংস্কৃতিৰ উপাদান হিচাপে পৰিচিত হয়।

১.৪.৫ লিংগ ভেদে উপভাষা

- উপভাষাৰ আলোচনাত লিঙ্গ (Gender)ৰ ভূমিকা সম্পর্কে আলোচনা প্রকৃততে সমাজভাষাবিজ্ঞানৰ দৃষ্টিৰেহে অধিককৈ কৰা হয়। সমাজত পুৰুষ আৰু নাৰীৰ অৱস্থান ভিন্ন। শিশু অৱস্থাতে দেখা যায় শিশুসকলে সাধুকথা ভাল পায়। সাধুকথাবোৰ বিশ্লেষণ কৰিলেও দেখা যায়— কিছুমান সাধু ৰাজকুমাৰী বিষয়ক; কিছুমান যুদ্ধ বিষয়ক। সাধাৰণতে ছোৱালীবোৰে 'ৰাজকুমাৰ-কুমাৰী'ৰ সাধুবোৰ শুনি ভাল পায়। পুতলা খেলি ভাল পায়; ল'ৰাবোৰে বন্দুক লয়— সৰুৰে পৰা সমাজত নাৰী-পুৰুষৰ এই মানসিকতা গঢ় লয়, সময়ে অৱশ্যে বহুখিনি ভাব-বিষয়ৰ পৰিৱর্তন কৰিছে। কিন্তু তথাপিও ভাৱধাৰাৰ ব্যৱধান আছেই। এই ব্যৱধানৰ উৎস আৱিস্কাৰৰ চেষ্টা সমাজ-বিজ্ঞানীসকলে কৰিয়েই আছে। সমাজবিজ্ঞানীসকলৰ মতে মূলতঃ সামাজিক-সাংস্কৃতিক পৰিৱেশে বিভিন্ন ক্ষেত্রত লিঙ্গ বৈষম্যৰ সৃষ্টি কৰে। এই ক্ষেত্রখন কেৱল শব্দ প্রয়োগ বা ভাষাৰ ক্ষেত্রত নহয়; শ্রম বিভাজনৰ ক্ষেত্রতো। শ্রমৰ লগত অর্থনৈতিক ক্ষেত্রৰ কথাও আহি পৰে। সমাজভাষাবিজ্ঞানে এই সকলোবোৰ আলোচনা কৰাৰ উপৰিও লিঙ্গভেদে ভাষা ব্যৱহাৰৰ পার্থক্যৰ বিষয়েও আলোচনা কৰে।

সমাজত নাৰী আৰু পুৰুষৰ ভাষাৰ মাজত হোৱা পার্থক্যৰ কাৰণ তলত দিয়া ধৰণে দেখুৱাব পাৰি ঃ

- নাৰী আৰু পুৰুষৰ দৈহিক পার্থক্যৰ লগে লগে মগজুৰ গঠনশৈলীবো পার্থক্য আছে।
- সামাজিক মানসিকতাৰ বাবে নাৰী আৰু পুৰুষৰ বাক্‌শৈলীৰ পার্থক্য আহে।

Otlo Jesperson (1860-1943)-এ নাৰী আৰু পুৰুষৰ ভাষাৰ মাজত থকা পার্থক্যৰ কথা প্রথম উল্লেখ কৰে। "Language Its Nature Development and Origin" (First published in 1922) - নামৰ গ্রন্থৰ Chapter XIII 'The Woman' নামৰ অধ্যায়টোত নাৰী আৰু পুৰুষৰ ভাষাত থকা পার্থক্যৰ বিষয়ে দিছে এইদৰে — "...the men have a great many expressions peculiar to

them, which the women understand but never pronounce themselves. On the otherhand, the women have words and phrases which the men never use..." (pg 237) পুৰুষ আৰু নাৰীৰ ভাষাৰ ক্ষেত্ৰত জেছপাৰছনে উল্লেখ কৰিছিল— 'There are very few traces of real sex dialect in our Aryan Languages, though we have the very curious rule in the old Indian drama that women talk Prakrit.... while men have the privilege of talking Sanskrit...."

সংস্কৃত নাটত প্ৰয়োগ হোৱা নাৰী-পুৰুষৰ এই ভাষাগত পাৰ্থক্যৰ ক্ষেত্ৰত ভাষাক এক মানদণ্ড হিচাপেও গণ্য কৰিছিল। নাৰী আৰু পুৰুষৰ এই ভাষাগত বিভিন্নতাৰ কাৰণ মূলত ঃ সামাজিক। ধ্বনি প্ৰয়োগ, শব্দ ব্যৱহাৰ, বাক্‌শৈলীৰ ভিন্নতাই যদি সমাজত এক সুকীয়া কথিত ভাষা ৰূপ গঢ় দিয়ে; সেয়ে হ'ব লিঙ্গ ভেদে উপভাষা।

- উপভাষা ৰূপে স্বীকৃতি পাবলৈ হ'লে কথিত ৰূপত ভাষা প্ৰয়োগৰ বিভিন্নতা চকুত পৰা বিধৰ হ'ব লাগিব। দুই এটা ধ্বনিতাত্ত্বিক পাৰ্থক্য বা দুই-এটা শব্দগত পাৰ্থক্যৰ বাবে কথিত ৰূপ এটা উপভাষাৰ স্বীকৃতি পাব নোৱাৰিব। উপভাষাৰ স্বীকৃতি পাবলৈ হ'লে কথিত ৰূপটোৰ ভিন্নত চকুত পৰা বিধৰ হ'ব লাগিব। লিঙ্গগত উপভাষাৰ উদাহৰণ ক'ৱাজাদি (Koasati) ভাষাৰ পৰা ল'ব পাৰি। আমেৰিকাৰ লউইছিয়ানাত কথিত আদিম ভাষাবৰ্গৰ মুছকোজিয়ান (Muskogean) ভাষাপৰিয়ালৰ অন্তৰ্গত ক'ৱাজাদি ভাষাত পুৰুষ আৰু তিৰোতাৰ ভাষাত ধ্বনিগত পাৰ্থক্য দেখা পোৱা যায়।

লিঙ্গভেদে উপভাষা সৃষ্টিৰ আন এটা কাৰণ হৈছে সামাজিক নিষেধ (Taboo)। নিষেধজনিত কাৰণত ভাষাগত ভিন্নতাৰ সৃষ্টি হয়।




অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ লিঙ্গভেদে ভাষাৰ ভিন্নতা হোৱাৰ দুটা কাৰণ উল্লেখ কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

১.৫ পাৰস্পৰিক বোধগম্যতা (Mutual intelligibility)

পাৰস্পৰিক বোধগম্যতাৰ সাধাৰণ অৰ্থ হৈছে -পাৰস্পৰিক বুজাপৰা অৰ্থাৎ ইটোৱে সিটোক জনা। পাৰস্পৰিক বোধগম্যতাৰ বিষয়ে প্ৰথমে আলোচনা কৰে Charles F. Hockett নামৰ এজন ভাষা বিজ্ঞানীয়ে। এটা চিত্ৰৰ সহায়ত এই 'পাৰস্পৰিক বোধগম্যতা' সম্পৰ্কে সুন্দৰকৈ বুজাব পাৰি। চিত্ৰ —



তালিকা - ৩

1, 2, 3, 4, 5, 6, 7, 8, 9, 10 আদি প্ৰত্যেকটো বিন্দু একোজন ব্যক্তি বা ব্যক্তি ভাষাৰ প্ৰতিনিধি। ওচৰত অৱস্থান কৰা ব্যক্তিৰ লগত পাৰস্পৰিক বুজা পৰা তুলনামূলকভাৱে অধিক। যিমানেই আঞ্চলিক দূৰত্ব বাঢ়ি যায় সিমানেই পৰস্পৰ বোধগম্যতা কমি যায়। চিত্ৰত থকা 1 আৰু 2ৰ; 2 আৰু 3ৰ; 1আৰু 3ৰ; 1 আৰু 4ৰ; 2 আৰু 5ৰ; 4 আৰু 5ৰ পাৰস্পৰিক বোধগম্যতা আছে। ঠিক সেইদৰে 4,5,6,7ৰ পাৰস্পৰিক বোধগম্যতা আছে; কিন্তু 1,2,3,4,5 আৰু 6,7,8ৰ পাৰস্পৰিক বোধগম্যতা নহ'বও পাৰে। 6,7,8 আৰু 8,9,10ৰ পাৰস্পৰিক বোধগম্যতা নহ'বও পাৰে। উদাহৰণ হিচাপে ল'ব পাৰি— সৰ্থেবাৰী, বৰপেটা, নলবাৰী অঞ্চলৰ স্থানীয় উপভাষা আৰু তেজপুৰ, শিৱসাগৰ অঞ্চলৰ ভাষা। সৰ্থেবাৰীৰ লোকৰ ভাষা আৰু শিৱসাগৰৰ লোকৰ ভাষাৰ মাজত পাৰস্পৰিক বোধগম্যতা তুলনামূলকভাৱে কম।

- পাৰস্পৰিক বোধগম্যতাৰ কেইটামান বৈশিষ্ট্য ঃ

  পাৰস্পৰিক বোধগম্যতা (Mutual inteligibility) ভৌগোলিক উপভাষাৰ ধাৰাবাহিকতাৰ লগত (Geographical dialect Continuam) জড়িত।

  পাৰস্পৰিক বোধগম্যতাৰ পৰা 'অজটিল ভাষা সমষ্টি' (Language Simplex বা L-Simplex) আৰু জটিল ভাষা সমষ্টিৰ (Language Complex বা L-Complex) সৃষ্টি হয়।

  'পাৰস্পৰিক বোধগম্যতা' উপভাষা ভূগোলৰ লগত জড়িত।


  পাৰস্পৰিক বোধগম্যতা ব্যক্তিভাষাৰ লগত অধিক জড়িত।

  উপভাষা সৃষ্টিত পাৰস্পৰিক বোধগম্যতাৰ প্ৰয়োজন। পাৰস্পৰিক বোধগম্যতা এটা তুলনামূলক ৰূপ বা মাত্ৰা।

১.৬ ব্যক্তি ভাষা (Idiolect)

মানুহে প্ৰতি মনটো, ধানটোৱে প্ৰতি কণটো।

এক বিস্তীৰ্ণ ভৌগোলিক এলেকাৰ ভিতৰত প্ৰত্যেক জন ব্যক্তিৰে ভাষাৰ তাৰতম্য দেখিবলৈ পোৱা যায়। ভাষাৰ সংকীৰ্ণতম ৰূপ হৈছে ব্যক্তিভাষা। যেনে ঃ



— ভাষা (Language)

— উপভাষা (Dialect)

— ব্যক্তিভাষা (Idiolect)

তালিকা - ৩

শিক্ষা-দীক্ষা, কর্মৰাজি; সমাজৰ বিভিন্ন প্ৰান্তৰ মানুহৰ লগত মিলামিছা ইত্যাদি নানান কাৰণত এজন ব্যক্তিৰ কথন শৈলী কিঞ্চিত সুকীয়া হয় আৰু এনে কাৰকবোৰে ব্যক্তিভাষাৰ সৃষ্টি কৰে। এখন সমাজত কিছুমান মানুহে নানান কর্মৰ তাড়নাত বিভিন্ন মানুহৰ সংস্পৰ্শলৈ আহিব পাৰে। সেই মানুহকেইজনৰ ভাষা কৃষি কর্মত ৰত কৃষক এজনৰ ভাষাতকৈ স্বাভাৱিকতে বেলেগ হ'ব। পুৰুষসকল মহিলাসকলতকৈ তুলনামূলকভাৱে কিছু মুক্তভাৱে বিচৰণ কৰে, গতিকে পুৰুষৰ আৰু মহিলা ব্যক্তিৰ ভাষাতো এটা ভাষাগত ভেদ পৰিলক্ষিত হয়। ব্যৱসায়, অর্থনৈতিক অৱস্থা আৰু ধর্ম অনুযায়ীও ভাষাৰ কিছু পার্থক্য ঘটে।

সূক্ষ্ম দৃষ্টিৰে চালে ব্যক্তিভাষাকো সকলো সময়তে একে ৰূপত পোৱা নাযায়। এজন মানুহে এটা পৰিৱেশত যি ধৰণেৰে কথা ক'ব; আন এটা পৰিৱেশত সেই মানুহজনেই বেলেগ শৈলীত কথা ক'ব পাৰে। কেতিয়াবা পৰিবেশেও ব্যক্তিভাষা গঢ় দিয়াত সহায় কৰে।

১.৭ মান্যভাষা (Standard Language)

মান্যভাষা, ব্যক্তিভাষা, উপভাষা আদি সকলোবোৰ ভাষা। মান্যভাষা হৈছে আনুষ্ঠানিক কার্যত প্রয়োগ হোৱা ভাষা। Edgar Howard Sturtevant (March 7,1875 -July 2, 1952 ৰ মতে, 'আন উপভাষা কোৱা লোকসকলৰ ওপৰত যিটো উপভাষা প্রসাৰিত হয় তাৰ নাম মান্য ভাষা।' মান্যভাষা এটা বিশেষ প্রক্রিয়াৰ দ্বাৰা উপভাষাবিলাকৰ মাজৰ পৰা নির্বাচন কৰা হয়।

উপভাষাবিলাকৰ ভিতৰত কেতিয়াবা কোনো এটা উপভাষাই ৰাজনৈতিক, সামাজিক আৰু ধার্মিক কাৰণবশত ঃ প্রাধান্য লাভ কৰে অর্থাৎ কোনো এসময়ত এডোখৰ ঠাইৰ কোনো এটা অঞ্চলত কিছুমান প্রভাৱশালী নেতা, সাহিত্যিক, সমাজসংস্কাৰক বা ধর্ম প্রচাৰকে জন্ম লাভ কৰি; সেই অঞ্চলৰ উপভাষাৰ মাধ্যমেৰে নিজৰ মতামত দাঙি ধৰে বা গ্রন্থপাতি ৰচনা কৰে নাইবা কোনো এক অঞ্চলত ৰাজধানী স্থাপন হয় আৰু গোটেইখন ঠাইৰ শাসন পদ্ধতি সেই অঞ্চলৰ ভাষাৰ মাধ্যমেৰে চলে। সময়ত এই উপভাষাটোৰ ওপৰত ভিত্তি কৰি আন কিতাপ পত্র ৰচনা কৰা হয়, বাতৰি কাকত আলোচনী আদি চলোৱা হয়, স্কুল কলেজৰ জৰিয়তে আন অঞ্চলতো তাক শিকোৱা হয়, ৰেডিঅ'ত সেই ভাষাৰেই বাতৰি প্রচাৰ হয় আৰু ৰাজহুৱা সভা সমিতিতো ব্যৱহাৰ কৰা হয়। এইদৰে আনুষ্ঠানিক কার্যত ব্যৱহাৰ হোৱা ভাষাটোৱেই মান্যভাষা।

মান্যভাষা ৰূপ দিয়া প্রক্রিয়া ঃ কোনো এক ভাষা সম্প্রদায়ৰ অন্তর্গত বিভিন্ন আঞ্চলিক বা সামাজিক ৰূপৰ মাজত এটা উপভাষাৰ মান্যতা প্রাপ্তিৰ যি কার্য প্রক্রিয়া তাকে কোৱা হয় মান্যতা প্রাপ্তিৰ কার্য্য প্রক্রিয়া' (Process of Standardization)।

মান্যতা প্রাপ্তিৰ কার্য প্রক্রিয়াত নিহিত থকা সমল কেইটা হৈছে ঃ

(ক) নির্বাচন (Selection)

(খ) মানভুক্তকৰণ (Codification)

(গ) কার্যকৰণ (Function)

(ঘ) গ্রহণযোগ্যতা (Acceptance)

(ক) নির্বাচন ঃ নির্বাচন বা বাছনি আঞ্চলিক, সামাজিক বা ৰাজনৈতিক যি কোনো কাৰণত হ'ব পাৰে। যেনে ঃ লণ্ডনত কোৱা ভাষাটোক King English বুলি কোৱা হয়। এইটো ৰাজনৈতিক কাৰণত হোৱা মান্য ভাষা।

(খ) মানভুক্তকৰণ ঃ যিটো উপভাষাক এটা মান্যভাষাৰ ৰূপ দিব বিচৰা হয় সেইটোক লিখিত ৰূপ দিবলৈ যত্ন কৰা হয়। কাব্য সাহিত্য চর্চ্চাত এই ভাষাটো প্রয়োগ কৰা হয়। ভাষাটোক সংৰক্ষণ কৰিবলৈ অভিধান আদি লিখা হয়। মান্যভাষাই সদায় লিখিত ৰূপৰ ওপৰত গুৰুত্ব দিয়ে আৰু উপভাষাই কথিত ৰূপত গুৰুত্ব দিয়ে।

(গ) গ্রহণযোগ্যতা ঃ যিটো উপভাষাক মান্য ভাষাৰ মর্যাদা দিয়া হয় তাৰ গ্রহণযোগ্যতা থাকিব লাগিব; অর্থাৎ সকলোবোৰ উপভাষীয়ে ভাষাটো গ্রহণ কৰি আনুষ্ঠানিক কার্যত সেইটো প্রয়োগ কৰিব লাগিব।

(ঘ) কার্যকৰণ (Function) ঃ সকলো আনুষ্ঠানিক কার্যত মান্য ভাষাক কার্যকৰী ৰূপত প্রয়োগ কৰা হয়।

উপভাষা আৰু মান্যভাষাৰ সম্পর্ক ঃ উপভাষা এটাৰ পৰাই মান্যভাষাৰ ৰূপ পাব পাৰি। উপভাষা এটাই নির্দিষ্ট প্রক্রিয়াৰ ভিত্তিত মান্য ভাষা হ'ব পাৰে, ঠিক সেইদৰে সময়ৰ লগে লগে মান্যভাষাটো পুনৰ উপভাষাত পৰিণত হ'ব পাৰে। ভাষাক বোৱঁতি নদীৰ লগত তুলনা কৰা হয়। জীৱন্ত ভাষাই সদায় ৰূপ সলায়। ভাষাৰ আভ্যন্তৰীণ পৰিৱর্তনৰ লগে লগে বিভিন্ন কাৰণত কেতিয়াবা মান্যভাষাৰ স্থান অন্য এটা উপভাষাই ল'ব পাৰে; তেতিয়াই মান্যভাষাটো উপভাষাত পৰিণত হ'ব। অসমীয়া ভাষাৰ ক্ষেত্রত এই উদাহৰণটো প্রযোজ্য হোৱা দেখা যায়। সোতৰ শতিকাৰ আগৰ কালছোৱাত অসমৰ নামনি অঞ্চল সাহিত্য-কলাৰ কেন্দ্রস্থল আছিল। এই অঞ্চলৰ ভাষাত মর্যাদা বাঢ়িছিল। প্রথম অসমীয়া কবি হেমসৰস্বতী, প্রাক্‌শঙ্কৰ যুগৰ কবি মাধৱ কন্দলি, মনসা কবি মনকৰ, দুর্গাবৰ, নাৰায়ণদেৱ; গদ্য সাহিত্যৰ জনক ভট্টদেৱৰ ৰচনাত নামনি অসমৰ ভাষাৰ সুন্দৰ চানেকী পোৱা যায়।

সাংস্কৃতিক প্রাধান্য পোৱা; কিতাপ-পত্রৰ মাজেৰে আনুষ্ঠানিক কার্য সম্পাদন কৰা এই ভাষাটো পুনৰ উপভাষা ৰূপেই দেখা দিলে সোতৰ শতিকাৰ পিছৰ পৰা। আহোম শাসনকর্তাই কামৰূপৰ সীমালৈকে ৰাজ্য বিস্তাৰ কৰি এক শাসনৰ অধীন কৰি সমগ্র খণ্ডটোক এক অঞ্চলৰ ভিতৰত কৰি লৈছিল। ভাষাটোও উমৈহতীয়া কৰি লৈছিল। আনহাতে নামনি অসমখন বিভিন্ন সৰু সৰু শাসনকর্তাৰ অধীনত সৰু সৰু অংশত বিভক্ত আছিল; কেইবাবাৰো বহিঃশত্রুৰ মুখা মুখি হৈছিল। শেষত ১৬৮২ চনত আহোমসকলে কোঁচ ৰাজ্য দখল কৰি আহোম ৰাজত্বৰ সীমা প্রসাৰ কৰে আৰু শিৱসাগৰ অঞ্চলৰ ৰাজনৈতিক আৰু সাংস্কৃতিক ক্রিয়াৰ ক্ষেত্র ৰূপে নির্বাচিত কৰে। ১৮২৬ চনত ইংৰাজে আহোম শাসনত অন্ত পেলাই অসম অধিকাৰ কৰে আৰু মিছনেৰীসকলে শিৱসাগৰ অঞ্চলকে নিজৰ কর্ম ক্ষেত্র হিচাপে ঠিক কৰি সেই অঞ্চলৰ উপভাষা শিকি ১৮৪৬ চনত প্রথম কাকত *অৰুণোদই* উলিয়ায়। এইদৰেই সময়ত নামনি অসমৰ গৌৰৱময় ভাষাটো পুনৰ উপভাষাত পৰিণত হয়। গতিকে, সাংস্কৃতিক কেন্দ্রৰ সাল সলনি, শাসনকর্তাৰ

আধিপত্য, সাহিত্য আৰু সাহিত্যিকৰ ভূমিকাই উপভাষা এটাক যিদৰে মান্যভাষাৰ ৰূপ প্ৰদান কৰিব পাৰে; ঠিক তেনেদৰে মান্যভাষাকো উপভাষাত পৰিণত কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ মান্যভাষা এটা পুনৰ উপভাষাৰ ৰূপ পাবলৈ কি কি ক্ৰিয়াই কেনে ধৰণৰ ভূমিকা গ্ৰহণ কৰিব পাৰে?

.....

১.৮ পৰিস্থিতি নিৰ্ধাৰক ভাষা

বিষয়টোৰ আৰম্ভণিতে এটি তালিকা আগবঢ়োৱা হ'ল—

ভাষাগত বিভিন্নতা

[Linguistic variation]

উপভাষা (Dialect)	পৰিস্থিতি নিৰ্ধাৰক ভাষা (Register)	(Diglossia)
[ভাষা ব্যৱহাৰ কৰোঁতা অনুযায়ী acording to user]	[ভাষা ব্যৱহাৰ কৰা অনুযায়ী acording to user]	

তালিকা-৪

— গতিকে, তালিকাখনৰ পৰা আমি স্পষ্ট ৰূপে অৱগত হ'লো যে ভাষাগত বিভিন্নতাৰ ফলত 'পৰিস্থিতি নিৰ্ধাৰক ভাষা'ৰ সৃষ্টি। ভাষা প্ৰয়োগ কৰাৰ ধৰণ অনুযায়ী প্ৰকৃততে পৰিস্থিতি নিৰ্ধাৰক ভাষাৰ সৃষ্টি হয়।

পৰিস্থিতি বা পৰিবেশ অনুযায়ী এজন বক্তাই বিভিন্ন শৈলীত ভাষা প্ৰয়োগ কৰিব পাৰে। অসমীয়া ভাষা কোৱা সমাজখনলৈ মন কৰিলে আমি দেখা পাওঁ ঘৰত ঘৰৰ নিকটতম ব্যক্তি কেইজনৰ লগত যি দৰে কথা পাতো, সৌজন্য প্ৰকাশ কৰিবলৈ অন্য ব্যক্তিৰ লগত (আলহী আদি) সেইদৰে কথা পতা নহয়।

'পানী'ক আমি বিজ্ঞানাগাৰত H_2O বুলিম। এইদৰে জীৱনৰ প্ৰত্যেক ক্ষণতে আমি পৰিস্থিতি অনুযায়ী এজন বক্তাই বিভিন্ন কথনশৈলী প্ৰয়োগ কৰা পোৱা যায়। বিভিন্ন সামাজিক অৱস্থাত ভাষা ব্যৱহাৰৰ এই ভিন্নতা প্ৰকট হয়।

মাইকেল হেলিডে (Michael Alexander Kiakwood Halliday 13 April, 1925-15 April 2018) —ই পৰিস্থিতি নিৰ্ধাৰক ভাষাৰ ক্ষেত্ৰত তিনিটা এলেকাৰ বিষয়ে উনুকিয়াইছে।

(ক) ক্ষেত্ৰ (Field) ঃ বক্তাৰ ভাব প্ৰকাশৰ উদ্দেশ্য আৰু বিষয়বস্তু ক্ষেত্ৰ নিৰূপণ কৰে।

(খ) ৰীতি বা ধৰণ (Mode) ঃ বিষয় অনুযায়ী ভাব ব্যক্ত কৰা-লিখা বা কোৱা ৰীতি বা ধৰণে ৰেজিষ্টাৰ গঢ় দিয়ে।

(গ) তাৎপর্য (Tenor) ঃ ব্যক্ত কৰিব বিচৰা ভাবটোৰ মর্ম কি সেইটোৱে বহুক্ষেত্রত ৰেজিষ্টাৰৰ সৃষ্টি কৰে। বক্তা-শ্রোতাৰ সম্বন্ধ এই কর্মত জড়িত থাকে।

ওপৰত প্রথমতে আৰম্ভ কৰোতেই আপোনাক উপভাষা আৰু পৰিস্থিতি নির্ধাৰক ভাষাৰ মাজত হ'ব লগা সম্বন্ধটোৰ বিষয়ে স্পষ্ট কৰি দিয়াই গৈছে, তথাপি কেতিয়াবা দুয়োটাৰ মাজত কিছু পৰিমাণে মিল আহি পৰাও পৰিলক্ষিত হ'ব পাৰে। সেইটো মান্যভাষা কোৱা বক্তা (সহজাত বক্তা) আৰু উপভাষা কোৱা বক্তা এজনে; যেতিয়া মান্যভাষা ক'ব তেতিয়া বা তেনে ক্ষেত্রত হ'ব পাৰে।



১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষা কাক বোলে সেই বিষয়ে ধাৰণা লাভ কৰিলোঁ।
- ভাষাৰ এটা প্রণালী আছে। তাৰ আলোচনা পঢ়িলোঁ।
- উপভাষা কাক বোলে আৰু কি কি কাৰণে উপভাষা সৃষ্টি হ'ব পাৰে তাৰ বিস্তৃত আলোচনা পঢ়িলোঁ।
- উপভাষা কেই প্রকাৰৰ হ'ব পাৰে তাৰ ধাৰণা লাভ কৰিলোঁ।
- উপভাষাও ভাষা; অঞ্চল বা সমাজৰ পৰিপ্রেক্ষিতত কথিত ৰূপ ভিন্ন হয়।
- মানভাষা এটাই নির্দিষ্ট প্রক্রিয়াৰ মাজেৰে গতি কৰি জন্ম লাভ কৰে।
- উপভাষা আৰু মান্যভাষা কোনোটোৱে স্থিৰ নহয়, সময়ত উপভাষা এটাই যিদৰে মান্যভাষা হ'ব পাৰে; সেইদৰে মান্যভাষা এটা পুনৰ উপভাষা হ'ব পাৰে।
- আঞ্চলিক উপভাষা, সামাজিক উপভাষাৰ মাজত থকা পার্থক্যসমূহ।
- শ্রেণীগত সামাজিক উপভাষা আৰু জাতিগত উপভাষাৰে মাজত থকা পার্থক্য।
- লিঙ্গইয়ো ভাষাৰ কথিত ৰূপত প্রভাৱ পেলাই উপভাষাৰ সৃষ্টি কৰিব পাৰে বা সামাজিক দৃষ্টিৰে পুৰুষ আৰু স্ত্রীৰ ভাষাশৈলীৰ পার্থক্য নির্ধাৰণ কৰে।
- পাৰস্পৰিক বোধগম্যতা আৰু ভাষাৰ কথিত ৰূপৰ বিষয়ে জানিলোঁ।
- ব্যক্তি ভাষা আৰু পৰিস্থিতি নির্ধাৰক ভাষাৰ বিষয়ে ধাৰণা লাভ কৰিলোঁ।



১.১০ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কাকতি, বাণীকান্ত (১৯৯৬) ঃ *অসমীয়া ভাষাৰ গঠন আৰু বিশাল;* অনু, বিশ্বেশ্বৰ হাজৰিকা, ববপেটা সাহিত্য সভাৰ হৈ বাণী প্রকাশ, গুৱাহাটী।

২) কোঁৱৰ, অৰ্পনা (১৯৯৭) ঃ *ভাষা সাহিত্যৰ বিবিধ চিন্তা*।

৩) গোস্বামী, উপেন্দ্রনাথ (১৯৬৪) ঃ *ভাষা বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৪) গোস্বামী, উপেন্দ্রনাথ (১৯৮৬) ঃ *অসমীয়া ভাষা আৰু উপভাষা;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৫) গোস্বামী, গোলোকচন্দ্র (১৯৯২) ঃ *ভাষা ভাষণিকা;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৬) দাস, বিশ্বজিৎ (২০১৫) ঃ *সমাজ ভাষা বিজ্ঞান;* নগাঁও ঃ Books and Beyond.

৭) পাঠক, ৰমেশ (২০০৮) ঃ *উপভাষা বিজ্ঞানৰ ভূমিকা;* ডিব্রুগড় ঃ বনলতা।

৮) বৰুৱা, ভীমকান্ত (১৯৯৭) ঃ *অসমীয়া ভাষা;* ডিব্রুগড় ঃ বনলতা।

৯) মৰল, দীপঙ্কৰ (১৯৯৭) ঃ *উপভাষা বিজ্ঞান;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্ৰ্।

১০) ৰাভা হাকাচাম, উপেন (২০১৪) ঃ *অসমীয়া আৰু অসমৰ ভাষা উপভাষা;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

১.১১ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ নির্দিষ্ট এটা ভৌগোলিক আবেষ্টনীৰ মাজত.....ক্ষেত্রৰ দূৰত্ব অনুযায়ী বা সমাজৰ বিভিন্নতা অনুযায়ী.....ভিন্ন শৈলীৰ প্রয়োগ দেখা যায়। এই ভিন্নতা.....এই পার্থক্যটোৱেই উপভাষা।

প্রত্যেকটো উপভাষাই ভাষা। ভাষা বুলিলে এক বৃহৎ পৰিসৰক সামৰে। ভিতৰত ব্যক্তিভাষা.....মান্যভাষা.....সকলো অন্তর্গত হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ উপভাষাৰ গঠনত প্রধানকৈ আঞ্চলিক আৰু সামাজিক দিশে ক্রিয়া কৰে। আঞ্চলিক উপভাষা সৃষ্টিৰ কাৰণ হিচাপে.....জনবসতিৰ গঠন প্রক্রিয়াৰ বাবেও উপভাষা সৃষ্টি হ'ব পাৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ একো একোটা আঞ্চলিক উপভাষাৰ স্থানীয় ক্ষেত্র অনুযায়ী একোটা ৰূপ থাকিব পাৰে, তাকে স্থানীয় উপভাষা বোলে। উপভাষা সৃষ্টিত যিবোৰ দিশে.....দিশে ক্রিয়া কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ লিঙ্গৰ ভেদে ভাষাৰ ভিন্নতা হোৱাৰ দুটা কাৰণ ঃ

(ক) লোক মানসিকতা

(খ) ভাষা বিষয় বা নিষেধ (Taboo)

৫ নং প্রশ্নৰ উত্তৰ ঃ সাংস্কৃতিক কেন্দ্রৰ সাল সলনি.....উপভাষাত পৰিণত কৰিব পাৰে।



১.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ চমু উত্তৰ লিখক ঃ (৫০ ৰ পৰা ১০০ টা শব্দৰ ভিতৰত)

(i) উপভাষা কাক বোলে?

(ii) ব্যক্তিভাষা কাক বোলে?

(iii) মান্যভাষা বুলিলে কি বুজে?

(iv) পাৰস্পৰিক বোধগম্যতা কি?

(v) ভৌগোলিক উপভাষাৰ ধাৰাবাহিকতা বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ (i) ভাষা, ব্যক্তিভাষা আৰু উপভাষাৰ মাজত সম্পৰ্ক নিৰূপণ কৰক।

(ii) ভাষাগত বিভিন্নতা বুলিলে কি বুজে? লিখক।

(iii) 'মান্যতা প্ৰাপ্তিৰ কাৰ্য প্ৰক্ৰিয়া' বুলিলে কি বুজে?

(iv) সামাজিক উপভাষা সম্পৰ্কে এটি টোকা আগবঢ়াওক।

(v) আঞ্চলিক উপভাষা সৃষ্টিৰ কাৰণ সমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ ব্যৱহাৰিক (Practical) দিশেৰে তলৰ প্ৰশ্ন কেইটাৰ উত্তৰ কৰিবলৈ যত্ন কৰক।

(i) অসমৰ যি কোনো এটা নৃগোষ্ঠীয় উপভাষাৰ বিষয়ে লিখক।

(ii) অসমীয়া সমাজত লিঙ্গভেদে ভাষাৰ প্ৰয়োগ আছেনে? এটি ধাৰণা দিবলৈ যত্ন কৰক।

*** ***** ***

অধ্যায় ২ ঃ উপভাষা অধ্যয়নৰ পদ্ধতি

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ উপভাষা অধ্যয়নৰ ইতিহাস

২.৪ উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা

২.৫ উপভাষা জৰীপৰ পদ্ধতি

২.৫.১ প্রশ্নাৱলী

২.৫.২ ভাষিক মানচিত্র

২.৫.৩ সামগ্রী দাতা

২.৬ উপভাষা সীমা নির্দ্ধাৰক

২.৭ উপভাষা ভূগোল

২.৭.১ ভৌগোলিক উপভাষাৰ ধাৰাবাহিকতা

২.৭.২ সূচক বা সামগ্রী দাতা

২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৯ অধিক জানিবলৈ

২.১০ অগ্রগতিৰ খতিয়ান (কৱল ৰূপৰেখা)

২.১১ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উপভাষা অধ্যয়নৰ ইতিহাস সম্বন্ধে জানিব পাৰিব
- উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা সম্পর্কে আলোচনা কৰিব পাৰিব
- উপভাষা জৰীপ কিদৰে কৰে তাৰ ধাৰণা লাভ কৰিব
- উপভাষা সীমা নির্দ্ধাৰকৰ বিষয়ে জানিব পাৰিব
- উপভাষা ভূগোলৰ বিষয়ে আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয় 'উপভাষাবিজ্ঞান আৰু অসমীয়া উপাভাষা'ৰ অন্তর্গত এইটো দ্বিতীয় অধ্যায়। অধ্যায়টোৰ নাম 'উপভাষা' অধ্যায়।

ভাষাগত বিভিন্নতাৰ ফলত সৃষ্টি হোৱা ভাষিক ৰূপৰ ভিতৰত অন্যতম এটি ৰূপ হৈছে— উপভাষা। উপভাষাৰ সংজ্ঞা, সৃষ্টিৰ কাৰণ ইত্যাদি সম্পর্কে থুলমূল আলোচনা প্রথম অধ্যায়ত কৰা হৈছে। উপভাষা অধ্যয়নৰ ইতিহাস, অধ্যয়নৰ প্রয়োজনীয়তা, উপভাষা, জৰীপ পদ্ধতি ইত্যাদি সম্পর্কে অৱগত কৰোৱাটো এই অধ্যায়ৰ উদ্দেশ্য।

২.৩ উপভাষা অধ্যয়নৰ ইতিহাস

প্রত্যেক ভাষা সম্প্রদায়ৰ মাজতে প্রাচীন কালৰে পৰা ভাষাগত বিভিন্নতা আছে। কিন্তু ভাষাগত এই বিশিষ্টতাৰ এক প্রণালীবদ্ধ আলোচনা ঊনবিংশ শতিকাৰ দ্বিতীয়ার্ধৰ পিছতহে আৰম্ভ হয়।

উপভাষা অধ্যয়নৰ এটি অন্যতম দিশ হৈছে— জৰীপমূলক কার্য। ১৮৭৬ খৃঃত George Wenkerৰ হাতত প্রথম জৰীপমূলক কার্য আৰম্ভ হৈছিল। মান্য-জার্মান ভাষাত কিছু সংখ্যক বাক্য লেখি সেইবোৰ জার্মানীৰ উত্তৰ অঞ্চলৰ স্কুলৰ শিক্ষকসকললৈ পঠিয়াইছিল (প্রায় ৫০,০০০ স্কুল শিক্ষকলৈ) তাৰে প্রায় ৪৫,০০০ খন ঘূৰাই পাইছিল। এইবোৰৰ মাজত কিছুমান শব্দৰ প্রয়োগগত বিভিন্নতা দেখা পাইছিল আৰু মানচিত্র অংকন কৰি বিশেষ চিহ্নৰে চিহ্নিত কৰি ৰূপসমূহ নির্দিষ্ট কৰিছিল। এইদৰে Wenker-এ তেতিয়াই 'Linguistic Survey Method'-ৰ শুভ আৰম্ভ কৰিছিল। Wenker-ক উপভাষাতত্ত্ব বা উপভাষা ভূগোলৰ জনক বুলিব পাৰি।



জানি থোৱা ভাল

George-Wenker-এ ১৮৮১ খৃঃত উপভাষাৰ আলোচনাৰে 'Sprachaltus des Deutschen Reichs'– নামৰ কিতাপ লিখে। এইখন প্রথম উপভাষা ভূগোলৰ কিতাপ।

Wenker-এ পিছত এই অধ্যয়ন অধিক ফলপ্রসু কৰিবলৈ W. Mitzka (Walther Mitzka; 1888-1976) ৰে ১৯৩৯ চনত প্রায় ২০০ মান শব্দ ৫০,০০০ স্কুল শিক্ষকলৈ পঠিয়াইছিল। তেওঁ কেৱল শব্দগত দিশত আবদ্ধ নহৈ ধ্বনিগত বিভিন্নতাখিনিও দেখুৱাবলৈ যত্ন কৰিছিল।

George-Wenker-ৰ সময়তে ডেনমার্কৰ এজন ভাষাবিদ Marious Kristensen-এ ডেনমার্কৰ ভাষাৰ উপভাষাৰ বিষয়ে জৰীপ কার্য আৰম্ভ কৰি ১৯১২ চনত কার্য সমাপ্ত কৰে। তেওঁ আৰম্ভ কৰা প্রকল্পটোও George Wenker-ৰ দৰেই আছিল।

১৮৯৬ চনত ফ্রান্সত জৰীপ কার্য আৰম্ভ কৰে Jules Gillieron-এ। তেওঁ Wenker-ৰ নীতিৰ উপৰিও কিছু নতুনত্ব আৰোপ কৰিছিল। ভাষা জৰীপৰ এই নতুনত্বৰ ক্ষেত্রত আগবঢ়োৱা অন্যতম অৱদান হৈছে— প্রশিক্ষণপ্রাপ্ত ক্ষেত্র-অনুসন্ধানকাৰীৰ (field-workers) প্রয়োগ। Gillieron-ৰ কার্য তলত দিয়াৰ দৰে দেখুৱাব পাৰি ঃ

(i) J. Gillieron-এ তেওঁৰ প্ৰশ্নমালাত ১৫০০ টা মান শব্দ ৰাখিছিল।

(ii) এই শব্দবিলাকক কি দৰে প্ৰতিনিধিত্ব কৰিব সেই সম্পৰ্কে কেতবোৰ চিহ্ন প্ৰশিক্ষণপ্ৰাপ্ত অনুসন্ধানকাৰীসকলক শিকাই দিছিল।

(iii) তেওঁ শ্ৰৱণ শক্তিৰ ওপৰত আৰু বাকধ্বনি উচ্চাৰণ কৰোঁতে বাকযন্ত্ৰৰ ভূমিকাৰ ওপৰত সম্পূৰ্ণ গুৰুত্ব দিছিল; কিয়নো সেই সময়ত বৰ্তমানৰ দৰে 'টেপ ৰেকৰ্ডাৰ'ৰ প্ৰয়োগ নাছিল।

(iv) Wenker-এ শব্দ লিখিছিল, কিন্তু এখেতে শব্দ বিলাকক প্ৰশ্ন আকাৰে সুধি তাৰ প্ৰকৃত ৰূপ অনুধাবন কৰিছিল। প্ৰশ্নসমূহ কি দৰে উপস্থাপন কৰিব সেই সম্বন্ধেও আলোচনা কৰিছিল।

(v) ভাষাৰ ক্ষেত্ৰত থকা আঞ্চলিক বৈষম্যসমূহ আলোচনা কৰি উপভাষা তত্ত্ব অধ্যয়নক নতুনত্ব দিছিল।

১৯০২ চনত আৰম্ভ কৰা এই জৰীপ কাৰ্যত জড়িত থকা প্ৰশিক্ষণপ্ৰাপ্ত এজন ব্যক্তি আছিল Edmond Edmont। ধ্বনিৰ প্ৰতিলেখন কাৰ্যত এওঁ অতি পাৰ্গত আছিল।

Edmond Edmont-ৰ লগতে নাম ল'ব পাৰি Karl Jabery আৰু Jakob Jud-ৰ। এওঁলোকে ইটালীয় উপভাষা আৰু দক্ষিণ ছুইজাৰলেণ্ডৰ উপভাষাৰ বিষয়ে কাম কৰি 'Sprachund Sochatlas–des Italiens und der sijtschweiz' নামেৰে তিনিটা খণ্ড প্ৰকাশ কৰে।

উপভাষা অধ্যয়নৰ ইতিহাসত আন এটা উল্লেখযোগ্য নাম হৈছে— Hans Kurath; Raven I. Medavid; Eugen Dieth আদি উপভাষা অধ্যয়নকাৰী পণ্ডিতসকল। ১৯৪৮ চনত 'Survey of English Dialects'-ৰ কাম আৰম্ভ হয় Eugen Dieth-ৰ তত্ত্বাৱধানত। এই অধ্যয়নত Eugen Dieth-ৰ লগত নাম ল'ব পাৰি আন এজন উপভাষা বিজ্ঞানীৰ; তেওঁ হ'ল— Harold Orton (1898-1975) আমেৰিকা আৰু ইংলণ্ডত উপভাষাৰ জৰীপ কাৰ্যত প্ৰথমবাৰৰ বাবে প্ৰয়োগ হৈছিল টেপ ৰেকৰ্ডাৰ। ক্ষেত্ৰ অনুসন্ধানকাৰীসকলে ৰেকৰ্ডাৰৰ জৰিয়তে ধ্বনিগত প্ৰতিলিপি শুদ্ধ ৰূপত চিহ্নিত কৰিব পাৰিছিল।



জানি থোৱা ভাল

- Survey of English Dialect-ক চমুকৈ SED বোলা হয়।
- I.P.A.= International Phonetic Alphabet.

১৯৩০ চনৰ পিছত উপভাষাৰ অধ্যয়নত প্ৰয়োগ হৈছিল টেপ ৰেকৰ্ডাৰৰ। ১৯৫১ চনত I.P.A.ৰ প্ৰথমখন ধ্বনিলিপি প্ৰকাশ হয়। টেপ ৰেকৰ্ডাৰৰ প্ৰয়োগে ধ্বনিগত প্ৰতিলিপি চিহ্নিত কৰাত পুনঃ পৰীক্ষা কৰাত সহায় কৰাই নহয় ভৱিষ্যতৰ বাবে সংৰক্ষণ কৰাৰ সুযোগো প্ৰদান কৰিছিল। পৰম্পৰাগত উপভাষা অধ্যয়নৰ জগতত আন এটা নৱ-পদক্ষেপৰ সৃষ্টি হৈছিল।

অসমীয়া ভাষাক্ষেত্রত উপভাষা অধ্যয়নৰ শুভ-আৰম্ভ কৰোঁতা জন হৈছে ভাষাতত্ত্ববিদ বাণীকান্ত কাকতি। ১৯৪১ চনত প্রকাশ হোৱা তেওঁৰ 'Assamese, its Formation and Development'- নামৰ গ্রন্থখনত মান্য অসমীয়া আৰু কামৰূপী উপভাষাৰ পার্থক্যৰ বিষয়ে আলোচনা কৰিছিল। পূব অসমৰ উপভাষা আৰু পশ্চিম অঞ্চলৰ উপভাষা বুলি অসমীয়া ভাষাৰ দুটা ঔপভাষিক ৰূপৰ উল্লেখ কৰি ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দগত পার্থক্য চমুকৈ আলোচনা কৰিছিল। কামৰূপী উপভাষা (পশ্চিম অঞ্চলৰ উপভাষা)ৰ ভিতৰত থকা আঞ্চলিক ৰূপৰ নিদর্শনো কাকতিয়ে তেওঁৰ গ্রন্থখনত দিছিল। বাণীকান্ত কাকতিৰ পিছত উপভাষাৰ আলোচক হিচাপে নাম ল'ব পাৰি উপেন্দ্রনাথ গোস্বামীৰ। কামৰূপী উপভাষাৰ বিস্তৃত আলোচনা তেওঁৰ A Study on Kamrupi, a dialect of Assammese নামৰ গ্রন্থত পোৱা যায়।

১৮৭৬ চনৰ পৰা ১৯৪০-৫০ চনলৈ উপভাষা অধ্যয়নৰ ইতিহাসত আঞ্চলিক উপভাষাৰ ক্ষেত্রখনত আবদ্ধ আছিল। বিংশ শতিকাৰ ষাঠিৰ দশকৰ পৰা ভাষাক সামাজিক দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰিবলৈ আৰম্ভ কৰিলে। সমাজৰ পৰিবেশৰ আঁওতাত এজন ব্যক্তিয়েই বিভিন্ন শৈলীত থকা ক'ব পাৰে, ভাৱ প্রকাশ কৰিব পাৰে। সামাজিক মানদণ্ডৰ বাবেও ভাষা-শৈলী ভিন্ন হ'ব পাৰে— এনে ধৰণৰ চিন্তা-চর্চাই ভাষাৰ অধ্যয়নত নতুন দিশৰ সূচনা কৰে। ১৯৬৬ চনত William Labov-এ ভাষিক সম্প্রদায়ৰ মাজত থাকিব পৰা বিভিন্নতৰ ৰূপক সামাজিক আৰু প্রাকৃতিক বিজ্ঞানৰ কৌশল অৱলম্বন কৰি অধ্যয়নৰ আৰম্ভণি কৰে। উপভাষা অধ্যয়নৰ ইতিহাসত এইদৰে সামাজিক উপভাষাৰ আলোচনাৰ সূত্রপাত হয়। 'The Social Stratification of New York Speech' নামৰ গ্রন্থৰ আলোচনাত সামাজিক বাধা আৰু দূৰত্বই ভাষাত কিদৰে বিভিন্নতাৰ সৃষ্টি কৰে— সেই দিশটো পোৱা যায়। বিভিন্ন সামাজিক কাৰণে ভাষাগত বিভিন্নতা সৃষ্টি কৰে আৰু সামাজিক উপভাষাৰ সৃষ্টি হয়। সমাজৰ মূল্যবোধ, সামাজিক পৰিবেশ, সমাজৰ অর্থনৈতিক মানদণ্ড, নৃগোষ্ঠীয় গঠন ইত্যাদি বিভিন্ন কাৰণত সামাজিক উপভাষা সৃষ্টি হ'ব পাৰে। এই কাৰণসমূহ অধ্যয়নেৰে সমাজ ভাষা বিজ্ঞানীকসকলে উপভাষা অধ্যয়ন ইতিহাসত সাম্প্রতিক উপভাষা অধ্যয়নৰ সূচনা কৰে। পাশ্চাত্যৰ দৰে প্রাচ্যতো বিশেষকৈ ভাৰতবর্ষ আৰু অসমতো সামাজিক উপভাষাৰ আলোচনা যথেষ্ট নহ'লেও আৰম্ভ হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আঞ্চলিক উপভাষা আৰু সামাজিক উপভাষাৰ মাজত তথা পার্থক্যসমূহ লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

২.৪ উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা

সাম্প্রতিক উপভাষা অধ্যয়নৰ ক্ষেত্রত উপভাষাৰ সংজ্ঞা কেৱল কোনো এক অঞ্চলৰ একেটা ভাষাৰ খণ্ড খণ্ড ৰূপৰ আলোচনাই নহয়; ভাষা সম্প্রদায় এটাৰ মাজত থকা সামাজিক

মূল্যবোধ আৰু বিচাৰশক্তিয়ে কৰি থকা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলত যি বিভিন্নতা সৃষ্টি হয়— সেই বিভিন্নতাইয়ো উপভাষা গঢ় দিয়ে। প্ৰকৃততে উপভাষা ভাষাৰ মূল সুঁতিৰ উপসুঁতিৰ দৰে; সেয়েহে ভাষাৰ সামগ্ৰিক অধ্যয়নত উপভাষাৰ যথেষ্ট গুৰুত্ব আছে।

- ভাষাৰ শৃংখলাবদ্ধ অধ্যয়ন কৰোঁতে প্ৰধানভাৱে ভাষাটোৰ অন্তৰ্গত আঞ্চলিক আৰু সামাজিক উপভাষাসমূহ অধ্যয়ন কৰাটোও গুৰুত্বপূৰ্ণ। ভাষাৰ সামগ্ৰিক জ্ঞান কেৱল লিখিত সাহিত্যৰ ভিতৰতেই পোৱা নাযায়, কথিত ৰূপৰ আলোচনাও প্ৰয়োজন। ভাষাৰ অখণ্ড ৰূপৰ জ্ঞানৰ বাবে সেয়েহে উপভাষা অধ্যয়ন অতিকৈ প্ৰয়োজন।
- উপভাষাসমূহ সাধাৰণতে কথিত ৰূপত থাকে; সেয়েহে ইয়াৰ অধ্যয়ন ইমান সহজ সাধ্য নহয়। তথাপিও উপভাষাৰ অধ্যয়নৰ মাজত কেৱল ভাষাগত দিশহে যে থাকে এনে নহয়; উপভাষাই নৃতাত্ত্বিক, সামাজিক আদি প্ৰমূল্যও বহন কৰে। ভাষা একোটাৰ সকলোবোৰ তথ্য পাবলৈ উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা আছে।
- উপভাষাৰ মাজত ভাষাৰ স্বাভাৱিক জীৱন নিহিত থাকে, কিয়নো উপভাষা সমাজৰ সৃষ্টি। সমাজত বসবাস কৰা বক্তাৰ কথা কোৱা ধৰণ অনুযায়ী বহুক্ষেত্ৰত উপভাষাৰ জন্ম হয়। বক্তাৰ কথা কোৱাৰ ধৰণৰ লগত সমাজত বক্তাৰ স্থান; অৰ্থনৈতিক অৱস্থা ইত্যাদিৰ দিশ নিহিত হৈ আছে অৰ্থাৎ উপভাষাই ভাষাৰ জ্ঞানৰ লগতে সমাজৰ বিভিন্ন দিশৰ জ্ঞানো দিয়ে।
- ভাষাৰ জন্ম, সমৃদ্ধি আৰু ক্ৰমবিকাশত উপভাষা অধ্যয়নৰ যথেষ্ট গুৰুত্ব আছে। বহুক্ষেত্ৰত দেখা যায় যে সংৰক্ষণশীল মনোবৃত্তি আৰু নিজ ভাষাৰ (কথিত ৰূপৰ) প্ৰতি পালন কৰি অহা উচ্চ মনোভাবে ভাষাৰ অখণ্ড ৰূপসমূহ জীয়াই ৰখাত সহায় কৰে। ভাষাৰ এই খণ্ড ৰূপসমূহৰ মাজত ভাষাৰ অতীতটো লুকাই থাকে। সময়ৰ সোঁতত নানান কাৰণত ভাষা এটাৰ পৰিৱৰ্তন হয়। অন্য ভাষাৰ প্ৰভাৱেও ভাষা পৰিৱৰ্তনত সহায় কৰে। ভাষা এটাৰ অতীতমুখী অধ্যয়নত সেয়েহে উপভাষাসমূহে এক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ ভাষা এটাৰ অতীতমুখী অধ্যয়নত উপভাষাসমূহে কি দৰে সহায় কৰে? (১৫০টা শব্দৰ ভিতৰত)

.....

- ভাষাবিজ্ঞানী লিওনার্ড ব্লুমফিল্ডে কৈছে যে ভাষাবিজ্ঞানী এজনৰ বাবে স্থানীয় উপভাষাবোৰৰ মূল্য যথেষ্ট। সেইবোৰে যে কেৱল ভাষাবিজ্ঞানীজনৰ কামৰ আহিলা যোগায় এনে নহয়, মান্য আৰু অৰ্ধমান্য ভাষাৰ মূল আৰু বুৰঞ্জী আঞ্চলিক উপভাষাবোৰৰ দ্বাৰাহে বুজিব পাৰি। ভাষা এটাই গ্ৰহণ কৰা নতুন নতুন শব্দৰাজিৰ

সময় নিৰূপণৰ ক্ষেত্ৰতো উপভাষা অধ্যয়নৰ প্ৰয়োজন। উপভাষা অধ্যয়ন কৰি তাক লিখিত ৰূপত সংৰক্ষণ কৰাটো অতিকৈ প্ৰয়োজন। ভৱিষ্যৎ গৱেষকসকলক এই দিশটোৱে যথেষ্ট সহায় কৰিব। উপভাষাসমূহে মান্য ভাষাৰ বিকাশৰ স্তৰ বিভাগবোৰ প্ৰতিনিধিত্ব কৰাৰ লগে লগে মান্যভাষাত ব্যৱহাৰ নোহোৱা শব্দ কিছুমান সংৰক্ষণ কৰি একোখন ঠাইৰ সাংস্কৃতিক সোঁতৰ গতিপথ নিৰ্ণয় কৰাত সহায় কৰে। কোনো ভাষাৰ শব্দতত্ত্ব অধ্যয়নৰ বাবেও উপভাষাৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে।

- উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তাৰ আন এটা লৌকিক দিশ দেখিবলৈ পোৱা যায়। সাধাৰণ লোকে ভাবে উপভাষা হৈছে সৰ্বসাধাৰণ, দুখীয়া, নিৰক্ষৰ লোকৰ ভাষা। এই ভাষা অশুদ্ধ, তেনে লোকে মান্য ভাষাকহে শুদ্ধ ভাষা হিচাপে জ্ঞান কৰে। এই ধাৰণা অমূলক। সমাজৰ প্ৰগতিত এনে ধাৰণা বা মনোভাৱে যথেষ্ট বাধাৰ সৃষ্টি কৰিব পাৰে। গতিকে উপভাষাৰ উদাহৰণৰ দ্বাৰা সৰ্বসাধাৰণৰ মনৰ এই ভ্ৰান্ত ধাৰণা আঁতৰ কৰাটো সকলো সচেতন, শিক্ষিত লোকৰে কৰ্তব্য। ইয়াৰ বাবে প্ৰয়োজন হ'ব— বিভিন্ন অঞ্চলৰ উপভাষাৰ লোককথা, লোকগীত আদিৰ প্ৰচলন; সাংস্কৃতিক আদান-প্ৰদান ইত্যাদিৰ। এই সমূহ কৰিবলৈ আগবাঢ়োতে উপভাষাৰ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ দিশটো আহি পৰিব।

ভাষাৰ খণ্ডৰূপ সৃষ্টিত সহায়কাৰী পৰিস্থিতিতকৈ ভাষাৰ অখণ্ডতাৰ সৃষ্টি সহায়কাৰী শক্তিৰ মাত্ৰা বেছি। ফলত উপভাষা মৃত্যুমুখতো পৰিব পাৰে। যি কোনো বিষয়ৰে মৃত্যু বা ধ্বংস ভয়ানক। সেয়েহে সংৰক্ষণৰ দ্বাৰা ভাষাৰ খণ্ড ৰূপকো ধৰি ৰাখিব পাৰিব লাগে।

২.৫ উপভাষা জৰীপৰ পদ্ধতি

উপভাষা জৰীপ কৰিবলৈ নিৰ্দিষ্ট পদ্ধতিৰ প্ৰয়োজন; কিয়নো ভৌগোলিক বা ৰাজনৈতিক মানচিত্ৰ চাই উপভাষাৰ ক্ষেত্ৰ সীমা নিৰূপণ কৰিব নোৱাৰি। উপভাষা নিৰূপণ কৰিবলৈ (সীমা) যি পদ্ধতি অৱলম্বন কৰা হয় তাকে উপভাষা জৰীপ (Dialect Survey Method) পদ্ধতি বোলে। উপভাষা জৰীপ পদ্ধতিৰ দ্বাৰা কথিত ভাষা গঠন পদ্ধতি নিৰ্ণয় কৰিব পাৰি আৰু উপভাষাৰ সীমা নিৰ্দ্ধাৰণ কৰিব পাৰি।

উপভাষা জৰীপ পদ্ধতিৰ আৰম্ভণিত দুটা প্ৰধান দিশ হ'ল ঃ

(ক) ভাষা বিজ্ঞানৰ বৰ্ণনা আৰু বিশ্লেষণ প্ৰক্ৰিয়াত প্ৰশিক্ষণপ্ৰাপ্ত অথবা অৰ্হতাসম্পন্ন ভাষাবিজ্ঞানী।

(খ) নিৰ্দিষ্ট এখন ক্ষেত্ৰ। ক্ষেত্ৰখন, ভাষাবিজ্ঞানীজনে আঞ্চলিক বা সামাজিক দুয়োটা দিশৰ বা যি কোনো এটা দিশৰ ল'ব পাৰে।

মানসিক আৰু শাৰীৰিকভাৱে সক্ষম আৰু প্ৰস্তুত হৈ ভাষাবিজ্ঞানীজনে নিৰ্দিষ্ট আলোচনা কৰিবলগীয়া ক্ষেত্ৰখনৰ পৰা সামগ্ৰী গোটাবলৈ উপযুক্ত সূচক বা সামগ্ৰী দাতাৰ সহায় ল'ব লাগে।

উপভাষা জৰীপ কৰিবলৈ ভাষাবিজ্ঞানীজনে তিনিটা উপাদানৰ প্ৰতি চকু দিব লাগে। উপাদান তিনিটা হৈছে— (ক) প্ৰশ্নমালা (খ) ভাষিক মানচিত্ৰ (গ) সামগ্ৰী দাতা

২.৫.১ প্ৰশ্নাৱলী (Questionnaire)

জৰীপ কাৰ্য নিয়াৰিকৈ সম্পাদন কৰিবলৈ জৰীপকাৰীজনে সামগ্ৰী দাতাৰ পৰা তথ্য সংগ্ৰহ কৰিবলৈ উপযুক্তভাৱে (অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য অনুযায়ী) প্ৰশ্নমালা প্ৰস্তুত কৰি ল'ব লাগিব। প্ৰশ্নসমূহ প্ৰত্যক্ষ আৰু পৰোক্ষ দুই ধৰণৰ হ'ব পাৰে। প্ৰত্যক্ষ প্ৰশ্নসমূহ পোনপটীয়া হয়, যেনে ঃ 'নাৰিকল'ক কি কয়? 'যঁতৰ'টো দেখুৱাই প্ৰশ্ন কৰিব পাৰে— শালৰ এই সঁজুলি বিধৰ নাম কি? পৰোক্ষ প্ৰশ্ন হ'লে সামগ্ৰী দাতাজনক সুধিব পাৰে— খেতি-বাতিৰ লগত জড়িত সঁজুলিসমূহৰ নাম কোৱা; তাঁত শালৰ লগত জড়িত সঁজুলিবোৰৰ নাম কোৱা ইত্যাদি।

- প্ৰশ্নসমূহ সংজ্ঞা জ্ঞাপক হ'ব পাৰে নতুবা পূৰ্ণতা জ্ঞাপক প্ৰশ্ন হ'ব পাৰে। এজন সামগ্ৰী দাতাৰ জৰিয়তে পোৱা কোনো প্ৰশ্নৰ উত্তৰেই হৈছে সংজ্ঞা জ্ঞাপক প্ৰশ্ন। সংজ্ঞা জ্ঞাপক প্ৰশ্নসমূহ বাৰ্তামূলক আৰু বিপৰীতমূলক হ'ব পাৰে।

পূৰ্ণতা জ্ঞাপক প্ৰশ্ন খালী ঠাই পূৰণ কৰিবলৈ দিয়াৰ দৰে সোধা হয় যেনে ঃ

(i) সূৰ্য — ওলায় আৰু — মাৰ যায়।

(ii) গাখীৰৰ ৰং —।

(iii) কাউৰীৰ ৰং — । — ইত্যাদি।

২.৫.২ ভাষিক মানচিত্ৰ (Linguistic map)

ভৌগোলিক পৰিপ্ৰেক্ষাত জৰীপ কাৰ্য সম্পন্ন কৰিবলগীয়া স্থানৰ মানচিত্ৰ অংকন কৰি তথ্যসমূহ যি যি ক্ষেত্ৰৰ পৰা পাইছিল তাত বহুৱাই যাব লাগে। তথ্যসমূহ ধ্বনি, শব্দ, ৰূপ, বাক্য সকলো বিষয়ৰ হ'ব পাৰে বা কোনো নিৰ্দিষ্ট এটা বিষয়ৰো হ'ব পাৰে। মানচিত্ৰত ভাষাগত বিভিন্নতাসমূহ চিহ্নিত কৰাৰ পিছত উপভাষাৰ সীমা নিৰ্দ্ধাৰণ কৰি ভাষিক মানচিত্ৰখন তৈয়াৰ কৰা হয়।

২.৫.৩ সামগ্ৰী দাতা (Informant)

যিজন ব্যক্তিয়ে সামগ্ৰী বা তথ্য দিয়ে তেওঁৰেই সামগ্ৰী দাতা। ভাষিক আলোচনাত তথ্য বা মুখ্য সামগ্ৰী হৈছে মুখেৰে কোৱা কথা। সামগ্ৰী দাতাজন সাধাৰণ ব্যক্তি হোৱা উচিত; পুৰুষ বা মহিলা যি কোনো হ'ব পাৰে। কিন্তু সামাজিক উপভাষা অধ্যয়নৰ ক্ষেত্ৰত লিঙ্গ বৈষম্যই সামগ্ৰী সংগ্ৰহত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। ভাষা-জৰীপ কৰিবলৈ যোৱা ভাষা বিজ্ঞানীজনে বিভিন্ন বিষয় অৱতাৰণা

কৰিলেও সামগ্ৰী দাতাজনৰ পৰা প্ৰয়োজনীয় তথ্যসমূহহে সংগ্ৰহ কৰিব লাগে।

- উপভাষা জৰীপ কাৰ্যত প্ৰয়োজনীয় দাতা ঠাইতে ধৰি আনিবলৈ টেপৰেকৰ্ডাৰ প্ৰয়োগ কৰা হয়। ভাষাবিজ্ঞানীজনে ভাষাবিজ্ঞানাগাৰলৈ আহি টেপৰেকৰ্ডাৰৰ সহায়ত বা চাক্ষুস ৰেকৰ্ডিঙৰ সহায়ত দাতা বা তথ্য সমূহ পুনঃ পুনঃ বিচাৰ কৰিব পাৰে।

এইদৰে ভাষাবিজ্ঞানীজনে উপভাষা জৰীপ কাৰ্য সমাধা কৰি উপভাষা সীমা নিৰ্দ্ধাৰণৰ দ্বাৰা একোটা উপভাষিক ক্ষেত্ৰ নিৰ্দ্ধাৰণ কৰে। উপভাষা জৰীপ কাৰ্য আঞ্চলিক আৰু সামাজিক উপভাষাৰ চিনাক্তকৰণত প্ৰয়োগ কৰা হয়। উপভাষা জৰীপ কাৰ্যৰ লগত জড়িত দিশসমূহ ঃ

- দক্ষ বা অৰ্হতা সম্পন্ন ভাষাবিজ্ঞানী।
- সামগ্ৰী দাতা।
- ভৌগোলিক মানচিত্ৰ আৰু ভাষিক মানচিত্ৰ।
- উপভাষা সীমা নিৰ্ধাৰণ।
- দাতা সংগ্ৰহৰ লগত জড়িত নিৰ্দিষ্ট প্ৰশ্নাৱলী, প্ৰয়োজনীয় আধুনিক যন্ত্ৰপাতি ইত্যাদি।
- তাত্ত্বিক জ্ঞানৰ লগতে প্ৰায়োগিক জ্ঞানৰ প্ৰয়োজন।
- ভাষা গৱেষণাগাৰ।

২.৬ উপভাষা সীমা নিৰ্দ্ধাৰক (Isogloss)

'Isogloss' শব্দৰ প্ৰতিশব্দ হিচাপে অসমীয়াত 'উপভাষা সীমা নিৰ্দ্ধাৰক'ৰে বুজোৱা হয়। ভাষাবিজ্ঞানী উপেন্দ্ৰ নাথ গোস্বামীয়ে ইয়াক 'শব্দৰেখা' বুলিছে।

Isogloss শব্দটো ১৮৯২ খৃষ্টাব্দত J.G.A. Bielenstein নামৰ এজন লাটভিয়া (Latavia)ৰ উপভাষা বিজ্ঞানীয়ে প্ৰথম প্ৰয়োগ কৰিছিল। বতৰ বিজ্ঞানত প্ৰয়োগ হোৱা Isotherm শব্দটোৰ লগত মিলাই Isogloss শব্দটোৰ সৃষ্টি কৰিছিল। Isotherm শব্দটোৱে 'সম উষ্ম ৰেখা' বুজায় আনহাতে Isogloss হৈছে দুটা অঞ্চলৰ ভাষাগত তাৰতম্য বা পাৰ্থক্যৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা সীমা। এই ভাষাগত পাৰ্থক্য ধ্বনি, ৰূপ, শব্দ, বাক্য সকলো স্তৰৰ হ'ব পাৰে। ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা এই উপভাষা সীমা নিৰ্দ্ধাৰক পোৱা যায়। এইটো এটা পাৰিভাষিক শব্দ। ভাষাৰ যিকোনো উপাদানৰ বিস্তৃতি দেখাই টনা কাল্পনিক ৰেখা। উপভাষা সীমা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত পাৰস্পৰিক বোধগম্যতাৰ অতিকৈ প্ৰয়োজন।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৩ ঃ Isogloss সম্পৰ্কে লিখক। (২০০টা শব্দৰ ভিতৰত)

.....

অঞ্চল বিশেষে যেতিয়া শব্দৰ ক্ষেত্রত বা ভাষাৰ আন যিকোনো উপাদান (ৰূপ, ধ্বনি, বাক্য)ৰ ক্ষেত্রত অমিল দেখা যায়, তেতিয়া এডাল কাল্পনিক শব্দৰেখা টনা হয় আৰু এই ৰেখাডালে দুটা ভিন্ন শব্দ কোৱা অঞ্চলৰ সৃষ্টি কৰে বা নির্দেশ কৰে। অসমীয়া ভাষাৰ অন্তর্গত কামৰূপী উপভাষাৰ পৰা উদাহৰণ ল'ব পাৰি। কামৰূপ অঞ্চলত 'জোক' শব্দটো, পশ্চিম অঞ্চলত 'জুক' দক্ষিণ অঞ্চলত 'ঝুক' বুলি উচ্চাৰণ কৰে। এইদৰে শব্দ, ধ্বনিৰ পার্থক্য আৰু সাদৃশ্যৰ ভিত্তিত সীমাৰেখা টানি কামৰূপ অঞ্চলৰ ভাষাক তিনিটা আঞ্চলিক উপভাষাত ভাগ কৰিছে। উপভাষা সীমা নির্দ্ধাৰক সাধাৰণতে উপভাষা ভূগোলৰ লগত জড়িত।

২.৭ উপভাষা ভূগোল (Dialect Geography)


'উপভাষা ভূগোল'— নামটোৰ লগত দুটা বিষয় জড়িত আছে— উপভাষা আৰু ভূগোল। আমি ইতিমধ্যেই আপোনালোকক উপভাষা সম্পর্কে অৱগত কৰি আহিছোঁ। উপভাষাৰ দুটা মুখ্য ভাগৰ অন্যতম এটা হৈছে আঞ্চলিক উপভাষা। কোনো এক ভূখণ্ডৰ নির্দিষ্ট এলেকা হৈছে একোটা অঞ্চল। অঞ্চলৰ লগত ভৌগোলিক বাতাবৰণ জড়িত হৈ আছে। বিশিষ্ট ভাষাবিজ্ঞানী উপেন্দ্রনাথ গোস্বামীয়ে তেওঁৰ গ্রন্থত ভাষাবিজ্ঞান 'উপভাষা ভূগোল'ৰ সংজ্ঞা প্রসঙ্গত আলোচনা কৰিছে— "যেতিয়া কোনো এঠাইৰ ভাষাৰ কোনো এটা আঞ্চলিক ৰূপৰ বিভিন্ন পার্থক্যৰ অৱস্থিতি, প্রকাৰ আৰু বিস্তৃতিৰ অধ্যয়ন কৰা হয় তেতিয়া তাক উপভাষা ভূগোল আৰু সমগ্র ভাষাটোৰ তেনে অধ্যয়নক ভাষা ভূগোল বুলিব।"

"উপভাষা ভূগোল'— শিতানত সেয়েহে আঞ্চলিক উপভাষাৰ বিষয়েই অৱতাৰণা কৰা হয়। (ইতিমধ্যে আলোচনা কৰা হৈছে) উপভাষা ভূগোলৰ লগত 'পাৰস্পৰিক বোধগম্যতা' আৰু 'ভৌগোলিক উপভাষাৰ ধাৰাবাহিকতা (Geographical Dialect Continuum) এই দুটা বিষয় অন্তর্গত হৈ আছে।

২.৭.১ ভৌগোলিক উপভাষাৰ ধাৰাবাহিকতা

আঞ্চলিক উপভাষাৰ ক্ষেত্রতহে ভৌগোলিক উপভাষাৰ ধাৰাবাহিকতা পোৱা যায়। 'ভাষা প্রত্যেক দহ মাইলৰ অন্তৰে অন্তৰে সলনি হয়।'— বুলি এযাৰ বাক্য পোৱা যায়।

ওচৰা-ওচৰিকৈ থকা ব্যক্তি ভাষাৰ মাজত সম্বন্ধ বেছি, যিমানেই দূৰলৈ যোৱা হয় সিমানেই ভাষাৰ মাজৰ পার্থক্য পৰিলক্ষিত হয়। যেনে ঃ



চিত্র-১

1, 2, 3, 4, 5, 6, 7, 8, 9 -এই প্ৰত্যেকটোকে একোটা অঞ্চল বুলি ধৰি ল'লে— 1-2, 2-3, 3-4, 4-5, 5-6, 6-7, 7-8, 8-9 ৰ মাজত যি পাৰস্পৰিক বোধগম্যতা আছে (নিকটৱৰ্তী অৱস্থান হেতুকে) '1-4'ৰ মাজত পাৰস্পৰিক বোধগম্যতা কম; সেইদৰে '1-9'ৰ মাজত আৰু কম বা পাৰস্পৰিক বোধগম্যতা নাথাকিবও পাৰে। এই দূৰত্ব অনুযায়ী অঞ্চলবিলাকৰ মাজত হোৱা পাৰস্পৰিক বোধগম্যতা বা অভাৱকে Geographical dialect continuum বোলা হয়। 'ভৌগোলিক উপভাষাৰ ধাৰাবাহিকতা'ই কোনো জাতিভেদ, উচ্চ-নীচ মনোবৃত্তি আদি নামানে।

উপভাষা জৰীপ উপভাষা ভূগোলৰ অন্তৰ্গত বিষয়। উপভাষা জৰীপৰ লগত জড়িত দিশকেইটা প্ৰশ্নাৱলী; সামগ্ৰীদাতা বা সূচক; ভাষিক মানচিত্ৰ।

২.৭.২ সূচক বা সামগ্ৰী দাতা

প্ৰশ্নাৱলী আৰু ভাষিক মানচিত্ৰৰ বিষয়ে ইতিমধ্যে আলোচনা কৰা হৈছে; সেয়েহে এই অংশত সামগ্ৰী দাতা বা সূচকৰ বিষয়ে কিছু কথা অৱগত কৰোৱা হ'ব।

ভাষাৰ ক্ষেত্ৰ অধ্যয়ন বা ভাষা জৰীপ কাৰ্যৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈছে সামগ্ৰী দাতা বা সূচকজন বা সকল। সূচক এজনো হ'ব পাৰে প্ৰয়োজন সাপেক্ষে অধিক জনো হ'ব পাৰে। বচনৰ ক্ষেত্ৰত যিদৰে কোনো নিৰ্দিষ্ট সীমা নাই। সেইদৰে লিঙ্গৰ ক্ষেত্ৰতো কোনো ধৰা বন্ধা নিয়ম নাই; পুৰুষ বা মহিলা যিকোনো হ'ব পাৰে। কিন্তু সামগ্ৰী দাতাজনৰ কেতবোৰ বিশিষ্ট গুণ কথাটো প্ৰয়োজন। সেই কেইটা ঃ

(i) সূচকজন বয়সস্থ ব্যক্তি হ'ব নালাগিব। বাকযন্ত্ৰ সম্পূৰ্ণ সুস্থ হ'ব লাগিব।

(ii) শাৰীৰিক আৰু মানসিকভাৱে সুস্থ হ'ব লাগিব।

(iii) সূচক জন একভাষী হোৱাটো ভাল।

(iv) পুৰুষ বা মহিলা যি কোনো হ'ব পাৰে।

- ভাষা জৰীপ বা ক্ষেত্ৰ অধ্যয়নত মূল শব্দ ভাণ্ডাৰৰ অধ্যয়ন বৰ প্ৰয়োজন কিয়নো মূল শব্দ-ভাণ্ডাৰৰ পৰিৱৰ্তন সাধাৰণতে খুব কম হয়। যিটো অঞ্চলৰ ভাষাৰ অধ্যয়ন কৰা হয়, সেই অঞ্চলৰ ভাষাৰ মূল শব্দ ভাণ্ডাৰৰ (Basic Vocabulary) এখন তালিকা যুগুত কৰিব লাগে বা গোটাব লাগে।
- উপভাষা ভূগোল আৰু উপভাষা বিজ্ঞানৰ মাজত পাৰ্থক্য আছে। মৌলিক পাৰ্থক্যটো হৈছে পৰিসৰৰ। উপভাষা ভূগোল'-এ আঞ্চলিক উপভাষাক বুজায় বা আঞ্চলিক উপভাষা সম্পৰ্কে আলোচনা কৰে। কিন্তু উপভাষা বিজ্ঞানত আঞ্চলিক আৰু সামাজিক দুয়োবিধ উপভাষাৰ অধ্যয়ন পোৱা যায়। উপভাষা ভূগোলত সাধাৰণতে অঞ্চলটোত ব্যক্তিসকলে কেনে ধৰণেৰে ভাষাটো ব্যৱহাৰ কৰে সেই সম্পৰ্কে আলোচনা থাকে।

উপভাষা বিজ্ঞানত ভাষা এটাৰ প্ৰয়োগত সমাজৰ ভূমিকা, অৰ্থনৈতিক মানদণ্ডই ভাষাৰ বিভিন্নতা কিদৰে আনে ইত্যাদি সকলো দিশ সামৰি অধ্যয়ন কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ উপভাষা বিজ্ঞান আৰু উপভাষা ভূগোলৰ মাজৰ পাৰ্থক্য কি? (১৫০টা শব্দৰ ভিতৰত)

.....



২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উপভাষা অধ্যয়নৰ আৰম্ভণি কেনেদৰে হৈছিল তাৰ ধাৰণা লাভ কৰিলোঁ।
- প্ৰাচ্য বিশেষকৈ অসমত উপভাষা অধ্যয়ন কেনেদৰে আৰম্ভ হৈছিল সেই লেখ পালোঁ।
- আঞ্চলিক উপভাষা বা উপভাষা ভূগোলৰ অধ্যয়নৰ পৰিসৰ সম্বন্ধে জানিলোঁ।
- উপভাষা ভূগোলৰ লগত জড়িত ভৌগোলিক উপভাষাৰ ধাৰাবাহিকতা কি তাৰ ধাৰণা লাভ কৰিলোঁ।
- ভাষা জৰীপ পদ্ধতিৰ সম্যক পৰিচয় লাভ কৰিলোঁ।
- উপভাষাৰ সীমা নিৰ্ধাৰণ কৰা ৰেখাৰ বিষয়ে জানিবলৈ পালোঁ।
- উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা কি তাক জানিলোঁ।
- উপভাষা ভূগোল আৰু উপভাষা বিজ্ঞানৰ পাৰ্থক্য কি তাৰ আলোচনা কৰিব পাৰিলোঁ।



২.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কাকতি, বাণীকান্ত (১৯৯৬) ঃ *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* অনু. বিশ্বেশ্বৰ হাজৰিকা, বৰপেটা সাহিত্য সভাৰ হৈ বাণী প্ৰকাশ, গুৱাহাটী।

২) গোস্বামী, উপেন্দ্ৰনাথ (১৯৬৪) ঃ *ভাষা বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (১৯৮৬) ঃ *অসমীয়া ভাষা আৰু উপভাষা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৪) দাস, বিশ্বজিৎ (২০১৫) ঃ *সমাজ ভাষা বিজ্ঞান;* নগাঁও ঃ Books and Beyond.

৫) পাঠক, ৰমেশ (২০১৩) ঃ *উপভাষা বিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৬) মৰল, দীপঙ্কৰ (১৯৯৭) ঃ *উপভাষা বিজ্ঞান;* গুৱাহাটী ঃ ষ্টুডেণ্ট ষ্ট'ৰচ্।

৭) ৰাভা হাকাচাম, উপেন (২০১৪) ঃ *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ অঞ্চল অনুযায়ী হোৱা ভাষিক ৰূপৰ বিস্তৃত আলোচনা.....সমাজে ভাষা কওঁতাক কিদৰে প্রভাৱান্বিত কৰি ভাষিক ভিন্নতাৰ সৃষ্টি কৰে।

২নং প্রশ্নৰ উত্তৰ ঃ উপভাষাসমূহ সাধাৰণতে কথিত ৰূপৰ.....অনানুষ্ঠানিক কার্যত প্রয়োগ হয়.....সংৰক্ষণশীল মনোভাৱে সমাজৰ বিভিন্ন দিশ ধৰি ৰাখি উপভাষাৰ উপাদান হিচাপে প্রয়োগ হয়.....উপভাষাৰ মাজত থকা শব্দভাণ্ডাৰ.....ধ্বনি উচ্চাৰণ.....সুৰ আদিয়ে ভাষা এটাৰ অতীত মুখি অধ্যয়নত.....সহায় কৰে।

৩নং প্রশ্নৰ উত্তৰ ঃ Isogloss শব্দৰ অসমীয়া প্রতিশব্দ.....ইয়াৰ আৰম্ভণি.....প্রয়োগ.....উদাহৰণ ইত্যাদি।

৪নং প্রশ্নৰ উত্তৰ ঃ উপভাষা ভূগোল আৰু উপভাষাবিজ্ঞান পার্থক্য.....পৰিসৰ সম্পর্কে.....বিষয়বস্তু সম্পর্কে লিখিব লাগিব।

২.১১ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ চমু উত্তৰ লিখা ঃ

(ক) উপভাষা তত্ত্ব বা উপভাষা ভূগোলৰ জনক কোন?

(খ) Jules Gillieron-এ ভাষা জৰীপ কার্যত কি নতুনত্ব আনিছিল?

(গ) I.P.A. বুলিলে কি বুজে?

(ঘ) I.P.A.-ৰ প্রথমখন ধ্বনিলিপি কোন চনত প্রকাশ হয়?

(ঙ) অসমীয়া ভাষাৰ উপভাষা অধ্যয়ন প্রথমে কোনে কৰিছিল?

প্রশ্ন নং ২ ঃ চমু টোকা লিখক ঃ

(ক) ভাষা জৰীপ কার্য

(খ) সামগ্রী দাতা বা সূচক

(গ) ভাষিক মানচিত্র

(ঘ) প্রশ্নমালা

(ঙ) মূল শব্দ ভাণ্ডাৰ।

প্রশ্ন নং ৩ ঃ ৩৫০ টাৰ পৰা ৫০০ টা শব্দৰ ভিতৰত উত্তৰ সমূহ দিবলৈ যত্ন কৰক—

(ক) উপভাষা অধ্যয়নৰ ইতিহাস সম্পর্কে লিখক।

(খ) উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা সম্পর্কে আপোনাৰ মত আগবঢ়াওক।

(ঘ) 'ক্ষেত্র অধ্যয়ন'-শীর্ষক এটি প্রৱন্ধ যুগুত কৰক।

(ঙ) 'উপভাষা ভূগোল'ৰ আলোচনাৰ পৰিসৰ সম্পর্কে এখনি চিত্র অংকন কৰক।

*** ***** ***

অধ্যায় ৩ ঃ উপভাষাৰ শ্ৰেণী বিভাজন

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ উপভাষা অধ্যয়নৰ বিভিন্ন দিশ

৩.৩.১ সমাজ ভাষাবিজ্ঞান

৩.৩.২ ডাইগ্লশ্বিয়া

৩.৩.৩ স্থানীয় উপভাষা

৩.৩.৪ নৃগোষ্ঠীয় উপভাষা

৩.৩.৫ পিজিন আৰু ক্ৰেওল

৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৫ অধিক জানিবলৈ

৩.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৩.৭ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উপভাষা অধ্যয়নৰ বিভিন্ন দিশৰ বিষয়ে বিতংভাৱে জানিব পাৰিব
- সমাজ ভাষাবিজ্ঞান কাক বোলে জানিব
- ডাইগ্লশ্বিয়া সম্পৰ্কে আলোচনা কৰিব পাৰিব
- স্থানীয় উপভাষা কাক বোলে সেই সম্পৰ্কে জানিব
- নৃগোষ্ঠীয় উপভাষা সম্পৰ্কে ধাৰণা আগবঢ়াব পাৰিব।

৩.২ পৰিচয়

স্নাতকোত্তৰ তৃতীয় ষাণ্মাষিকৰ ভাষা শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা এইখন পাঠ্যবিষয় 'উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা'। পাঠ্য বিষয়ৰ তৃতীয় অধ্যায় হিচাপে ইয়াৰ নামকৰণ কৰা হৈছে 'উপভাষাৰ শ্ৰেণী বিভাজন'। অধ্যায়টিৰ মাজেদি শিক্ষাৰ্থীয়ে বিভিন্ন শ্ৰেণীৰ উপভাষাৰ বিষয়ে জানিব।

উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম ৰাজ্য অসমৰ ৰাজ্যিক ভাষা অসমীয়া। অসমৰ সকলো জাতি-জনগোষ্ঠীৰ লোকে অসমীয়া ভাষা ব্যৱহাৰ কৰে। বিস্তীৰ্ণ এলেকা বিয়পি থকা মান্য ৰূপৰ অসমীয়া ভাষাটো ব্যৱহাৰ কৰোতে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ মাজত কিছু পৃথক

ৰূপ লোৱা দেখা যায়, যাক কথিত ভাষা বুলি কোৱা হয়। সমাজভেদে, অঞ্চলভেদে থকা পৃথক ভাৰ্ষিক ৰূপভেদক উপভাষা বুলি কোৱা হয়। দৰাচলতে মানুহে উপভাষা বা কথিত দৈনন্দিন জীৱনত ব্যৱহাৰ কৰে, কাৰণ মান্য ভাষাটো কেৱল ৰূপসম্পন্ন ৰূপটোহে লিখা মেলা তথা আনুষ্ঠানিক ক্ষেত্ৰতহে ব্যৱহাৰ হয়। গতিকে মানৱ সমাজত উপভাষাৰ গুৰুত্ব সর্বাধিক। উপভাষাৰ এনে বিস্তৃত দিগন্তলৈ লক্ষ্য কৰি উপভাষাৰ অধ্যয়ন কৰোতে ইয়াক শ্রেণীবিভাজন কৰি প্রণালীবদ্ধভাৱে অধ্যয়ন কৰা হয়। সর্বসাধাৰণ মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ভাষাৰ এই দিশটোৰ বিজ্ঞানসন্মত অধ্যয়নে মানুহক নিজে ব্যৱহাৰ কৰা ভাষাৰূপটোৰ বিষয়ে জনাত সহায় কৰিব আৰু ভাষাবিজ্ঞানীসকলৰ বাবেও বিজ্ঞানসন্মত অধ্যয়ন কৰাটো গুৰুত্বপূর্ণ। এখন সমাজত উপভাষা সৃষ্টিৰ কাৰণ, বিভিন্ন শ্রেণীৰ উপভাষা ইত্যাদিৰ বিষয়ে বিতং আলোচনা এই অধ্যায়ত আগবঢ়োৱা হৈছে।

৩.৩ উপভাষা অধ্যয়নৰ বিভিন্ন দিশ

উপভাষা বুলি ক'লে সাধাৰণতে ভাষাৰ মান্য বা শিষ্ট ৰূপটোৰ পৰা অলপ আঁতৰৰ কথিত ৰূপক বুজা যায়। চাবলৈ গ'লে দেখা যায় যে যি অঞ্চলক কেন্দ্র কৰি এটা ভাষাৰ মানবিশিষ্ট ৰূপটো নির্ধাৰণ কৰা হয় সেই অঞ্চলবাসীয়েও কথিত ভাষাহে ব্যৱহাৰ কৰে। গতিকে যিকোনো এটা জনসমূদায়ে নির্দিষ্ট একোটা ভাষাৰ কথিত ৰূপটোহে ব্যৱহাৰ কৰে। সেয়ে ভাষাক উপভাষাৰ সমষ্টি বুলি ক'লেও ভুল কোৱা নহ'ব।

কোনো এটা নির্দিষ্ট ভাষাৰ বিভিন্নতাক ব্যৱহাৰ কৰাৰ ধৰণ অনুযায়ী দুটা প্রধান ভাগত ভাগ কৰিব পৰা যায় ঃ- ক) আঞ্চলিক আৰু খ) সামাজিক। ইয়াক তলত দিয়া ৰেখাচিত্রৰে বুজাই দিব পাৰি ঃ



আনুভূতিকভাৱে থকা ৰেখাত আমি ভাষা এটাৰ আঞ্চলিক বিভিন্নতাক দেখা পাম আৰু লম্বভাৱে থকা ৰেখাত আমি সামাজিক বিভিন্নতা বা সামাজিক উপভাষা দেখিবলৈ পাওঁ। একোটা নির্দিষ্ট ভাষাৰ ব্যৱহাৰ কৰা বৃহৎ অঞ্চলৰ ভৌগোলিক পৰিসীমাৰ মাজত অঞ্চলভেদে দেখা পোৱা ধ্বনিগত, ৰূপগত আৰু শব্দগত বিভিন্নতাৰ ভিত্তিত বিভিন্ন ঔপভাষিক অঞ্চল চিনাক্ত কৰা হয়। কিন্তু ভাষাৰ এই আঞ্চলিক বিভিন্নতা বা উপভাষাক কেৱল ভৌগোলিক অঞ্চল অনুযায়ী সম্পূর্ণ ৰূপত আলোচনা কৰিব নোৱাৰি। ভাষাৰ আঞ্চলিক বিভিন্নতাৰ মাজত আকৌ সামাজিক গাঁথনিৰ সম্বন্ধ থাকে। কাৰণ, সামাজিক শ্রেণী অনুসৰি নির্দিষ্ট ভাষাটোৰ ধ্বনিগত, শব্দগত আৰু ৰূপগত বিভিন্নতাই দেখা দিয়ে। সেয়ে আঞ্চলিক উপভাষাৰ সৈতে লম্বভাৱে থকা ভাষাৰ সামাজিক উপভাষাকো আলোচনালৈ আনিব লগা হয়।

ভাষা ব্যৱহাৰৰ বিভিন্নতাৰ ভিত্তিত উপভাষাৰ অধ্যয়নক বিভক্ত কৰা দুটা প্ৰধান দিশ বা ভাগৰ অন্তৰ্গত আকৌ বিভিন্ন দিশ আছে। উপভাষাৰ অধ্যয়নৰ এই বিভিন্ন দিশবিলাকৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

৩.৩.১ সমাজ ভাষাবিজ্ঞান

ভাষা আৰু সমাজৰ নিবিড় সম্পৰ্ক আছে। সমাজক বাদ দি ভাষাৰ কথা কল্পনাই কৰিব নোৱাৰি আৰু ভাষাক বাদ দিও সমাজৰ কথা কল্পনা কৰিব নোৱাৰি। ভাষা আৰু সমাজৰ এই অঙ্গাঙ্গী সম্বন্ধৰ ভিত্তিত ভাষাবিজ্ঞানৰ যিটো গুৰুত্বপূৰ্ণ শাখাৰ সৃষ্টি হয় তাকে সমাজ ভাষাবিজ্ঞান বোলে। ভাষা বিজ্ঞানৰ এই শাখাত ভাষাৰ সামাজিক বিভিন্নতা আৰু স্তৰ, সামাজিক কোনো ফৈদৰ ভাষিক বিশেষত্ব, ভাষাৰ প্ৰতি সামাজিক মনোভাব, বহুভাষিক পৰিস্থিতিৰ সামাজিক ভিত্তি ইত্যাদিৰ অধ্যয়ন সামৰি লোৱা হয়।

ভাষাৰ দুটা দিশৰ ওপৰত সমাজ ভাষাবিজ্ঞান প্ৰতিষ্ঠিত— কওঁতা অনুযায়ী আৰু কোৱা ধৰণ অনুযায়ী। এখন সমাজত এজন ব্যক্তিয়ে একেটা কথাৰ বিভিন্ন ক্ষেত্ৰত বিভিন্ন ধৰণেৰে ভাব প্ৰকাশ কৰিব পাৰে। যেনে— শিক্ষিত লোকৰ সৈতে বার্তালাপ কৰিলে মার্জিত ভাষা ব্যৱহাৰ কৰিব আকৌ নিম্ন স্তৰৰ শ্ৰমিক শ্ৰেণীৰ লোকৰ সৈতে বার্তালাপত একে ধৰণৰ ভাষাৰ ব্যৱহাৰ বা প্ৰকাশভঙ্গী ভিন ভিন হোৱাটো স্বাভাৱিক। ব্যক্তিৰ ভাষাৰ ব্যৱহাৰৰ এই দুটা দিশ ভাষা প্ৰণালীৰ সকলো স্তৰতে অর্থাৎ ধ্বনিত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু শব্দতত্ত্ব বা অর্থগত সকলো ক্ষেত্ৰতে দেখিবলৈ পোৱা যায়। সমাজ ভাষাবিজ্ঞানৰ এই শাখাত সমাজ ভাষাবিজ্ঞানীয়ে সমাজৰ বিভিন্ন স্তৰত বিভিন্ন ৰূপেৰে আত্মপ্ৰকাশ কৰা ভাষিক বিভিন্নতাৰ বিচাৰ বিশ্লেষণ কৰিবলৈ যত্ন কৰে।

সমাজ ভাষা বিজ্ঞান ভাষা বিজ্ঞানৰ এটা স্বতন্ত্ৰ শাখা হিচাপে আত্মপ্ৰকাশ কৰাৰ আগতে ভাষা-বিজ্ঞানৰ মাজতে এই বিষয়টো সাঙোৰ খাই আছিল। ভাষা-বিজ্ঞানীয়ে সমাজত বসবাস কৰা মানুহে মনৰ ভাব আদান-প্ৰদানৰ উদ্দেশ্য ব্যৱহাৰ কৰা ভাষাক আধাৰ হিচাপে লৈহে বৈজ্ঞানিক চিন্তা-চর্চাৰ পাতনি মেলিছিল। গতিকে স্বাভাৱিকভাৱেই ভাষাৰ অধ্যয়নত সামাজিক দিশটো সাঙোৰ খাই আছিল। কিন্তু কুৰি শতিকাৰ পঞ্চাশৰ দশকমানত ভাষা-বিজ্ঞানৰ এটা স্বতন্ত্ৰ শাখা হিচাপে সমাজ ভাষাবিজ্ঞানে আত্মপ্ৰকাশ কৰে। সমাজ ভাষাবিজ্ঞানৰ পৰিসৰত পূৰ্বৰ দৰে ভাষাৰ লগত সমাজৰ অধ্যয়ন কৰাৰ লগতে ভাষিক বিভিন্নতা সৃষ্টিৰ কাৰণ, তাক প্ৰভাৱিত কৰা বিভিন্ন কাৰক, সমাজ পৰিৱর্তনৰ লগে লগে ভাষিক পৰিৱর্তনৰ প্ৰকৃতি আদিৰ বিষয়ে অনুসন্ধান কৰি বিশ্লেষণ কৰিবলৈ লোৱা হয়। অর্থাৎ সমাজৰ সম্বন্ধত ভাষাৰ অধ্যয়নে গভীৰতা লাভ কৰে।

১৯৬৬ চনত William Labov-এ সমাজ ভাষা-বিজ্ঞানৰ এটা নতুন দিগন্ত উন্মোচন কৰে। তেওঁ দেখুৱায় যে সামাজিক বাধা আৰু দূৰত্বই ভাষাত বিভিন্নতাৰ সৃষ্টি কৰে। এই ভাষাগত বিভিন্নতাৰ ভিত্তিত তেওঁ সামাজিক উপভাষাসমূহ নির্ণয় কৰিছিল। Labov ৰ এই নতুন প্ৰথা পৰিৱৰ্তনৰ কৌশল আৰু পদ্ধতিয়ে সমাজ ভাষা-বিজ্ঞানীসকলৰ মাজত কৌতুহলৰ সৃষ্টি কৰিছিল।

সমাজ ভাষা ব্যক্তিয়ে ভাব প্ৰকাশ কৰিবলৈ আৰু মত বিনিময় কৰিবলৈ ব্যৱহাৰ কৰে। কিন্তু ব্যক্তিয়ে কাক, কিয়, কেতিয়া, ক'ত, কেনেকৈ আৰু কি ধৰণে ভাষা ক'ব লাগে তাক সমাজে নির্ণয় কৰে। বক্তাই কেনে ধৰণেৰে, কেনে মর্যাদাৰে কথা কয় তাৰ মাজত সামাজিক পৰিচয় আৰু মূল্যবোধ পৰিস্ফুট হয়। উদাহৰণ স্বৰূপে অসমীয়া ভাষাত ব্যৱহাৰ কৰা সর্বনামসমূহক সমাজৰ লগত সম্বন্ধযুক্ত কৰিব পাৰি। উদাহৰণ স্বৰূপে—

দ্বিতীয় পুৰুষৰ সর্বনাম ঃ

একবচন	বহুবচন
তই খা	তহঁতে খা
তুমি খোৱা	তোমালোকে খোৱা
আপুনি খাওঁক	আপোনালোকে খাওঁক

তৃতীয় পুৰুষৰ সর্বনাম ঃ

একবচন	বহুবচন
তেওঁ বহে, সি বহে (পুং)	সিহঁত বহে (পুং, বা স্ত্ৰী উভয়তে
তাই বহে (স্ত্ৰীলিংগ)	তেওঁলোক বহে
তেখেত বহে	তেখেতসকল বহে।

ওপৰৰ বাক্যসমূহৰ পৰা এইটো স্পষ্ট যে অসমীয়া ভাষাৰ দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সর্বনামসমূহ সামাজিক অৱস্থানৰ দ্বাৰা নিৰূপিত হয়। ভাষিক আৰু সামাজিক গঠনৰ এই সম্বন্ধ স্থাপন কৰাটোৱে সমাজ ভাষাবিজ্ঞানৰ প্ৰধান উদ্দেশ্য।

সমাজৰ লগত ভাষাৰ সম্বন্ধৰ কেইটামান উল্লেখযোগ্য দিশ তলত আলোচনা কৰা হ'ল—

ক) ভাষাই অকল ব্যক্তি মনৰ ভাব প্ৰকাশ কৰাকে নুবুজায়; এখন সমাজত বসবাস কৰা আন লোকৰ লগত সম্বন্ধ স্থাপন আৰু ৰক্ষা কৰাৰো ই এক প্ৰধানতম আহিলা।

খ) ভাষাৰ সামাজিক দৃষ্টিকোণৰ পৰা দুটা দিশ আৱশ্যকীয়— প্ৰথম হ'ল ব্যক্তিয়ে পৰস্পৰৰ লগত সামাজিক সম্বন্ধ স্থাপন আৰু দ্বিতীয়টো হ'ল আনৰ প্ৰতি মনৰ ভাব ব্যক্ত কৰাৰ ধৰণ।

গ) সমাজৰ পৰিৱৰ্তনৰ লগে লগে ভাষাৰো পৰিৱৰ্তন হয়। উদাহৰণ স্বৰূপে বৰ্তমান অসমীয়া সমাজত একক পৰিয়ালৰ ধাৰণা গঢ় লৈ উঠিছে। এনে পৰিস্থিতিত ককা-আইতা, পেহা-পেহী, যুড়া-খুড়ী আদি জাতীয় শব্দ কমি আহিছে আৰু ফলস্বৰূপে ভাষাতো পৰিৱৰ্তনে দেখা দিছে। ইয়াৰ একমাত্ৰ কাৰণটোৱে হ'ল সামাজিক পৰিৱৰ্তনে জনসাধাৰণক সৰু সৰু পৰিয়ালত ভাগ হৈ জীৱন নিৰ্বাহ কৰিবলৈ শিকোৱাটো।

ঘ) সমাজ এখনৰপাৰিপাৰ্শ্বিক পৰিৱেশ ভাষাত কিদৰে প্ৰতিফলিত হৈছে তাৰ ওপৰত ভিত্তি কৰি ভাষাত সমাজৰ প্ৰভাৱ লক্ষ্য কৰা যায়। এনে প্ৰতিফলন ঘাইকৈ ঘটে শব্দ সম্ভাৰত।

ঙ) সমাজৰ মূল্যবোধেও ভাষাত প্ৰতিক্ৰিয়া কৰিব পাৰে। ভাষা একোটাৰ 'নিষেধ' শব্দ হিচাপে বিবেচিত অনৈতিক, গোপনীয় বা অনুপযুক্ত বুলি ভবা কিছুমান শব্দ থাকে। এনে নিষেধজনক শব্দ বা বাক্যংশৰ মুকলি প্ৰচলন নথকাটোৱে ভাষা কোৱা সমাজখনৰ উন্নত মূল্যবোধ সুন্দৰ ৰূপত ফুটাই তোলে। ভাষাত প্ৰচলিত এনে শব্দবোৰ এফালে ভাষাৰ অন্তৰ্গত আকৌ আনফালে সামাজিক চৰিত্ৰ প্ৰকাশক। এই শব্দবোৰক ভাব প্ৰকাশৰ শক্তিশালী আহিলা হ'লেও ভাষাত শুদ্ধ প্ৰয়োগ বুলি গণ্য নকৰাৰ মূল কাৰণটোৱে হ'ল সামাজিক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাষা আৰু সমাজৰ সম্বন্ধৰ বিভিন্ন দিশৰ বিষয়ে বহলাই আলোচনা কৰক (১৫০টা মান শব্দৰ ভিতৰত)

.....

৩.৩.২ ডাইগ্লশ্বিয়া

পৃথিৱীৰ প্ৰায় অধিকাংশ ভাষা সম্প্ৰদায়ৰ ভাষাত দেখা যায় যে মান্য ভাষাটোৰ উপৰিও নিজ নিজ উপভাষা ব্যৱহাৰ কৰা হয়। সকলো আনুষ্ঠানিক কাৰ্যত মান্য ভাষাটো আৰু অনানুষ্ঠানিক ঘৰুৱা পৰিবেশত বা একেখন উপভাষা ক্ষেত্ৰৰ ব্যক্তিৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ উপভাষাহে ব্যৱহাৰ কৰা হয়। মান্য ভাষা আৰু উপভাষা— ভাষাৰ দুটা ভিন্ন ৰূপ যদিও ইহঁতৰ মাজত পাৰস্পৰিক বোধগম্যতা থাকে। কিন্তু পৃথিৱীত এনেকুৱা কিছুমান ভাষা আছে য'ত দুয়ো ধৰণৰ ভাষা সমান্তৰালভাৱে ব্যৱহাৰ হয়। মান্য ভাষা আৰু উপভাষাৰ মাজত ইমানেই বিভিন্নতাই থাকে যে দুয়োটাকে সম্পূৰ্ণ বেলেগ ভাষা বুলি ক'লে ভুল কৰা নহয় অৰ্থাৎ এটাৰ লগত আনটোৰ পাৰস্পৰিক বোধগম্যতা অতি নগণ্য। ভাষাৰ এনেকুৱা পৰিস্থিতিক

ডাইগ্লা'ছিয়া (Diglossia) বা দ্বিপার্শ্বী বুলি কোৱা হয়। এই DIGLOSSIA শব্দটো ফৰাচী 'Diglossic' ভাষাৰ শব্দৰ পৰা উৎপত্তি হৈছে।

ডাইগ্লা'ছিয়া বা দ্বিপার্শ্বী পৰিস্থিতিত ভাষা এটাৰ দুটা ৰূপ থাকে— এটা উচ্চ আৰু আনটো নিম্ন। উচ্চ ৰূপটো আনুষ্ঠানিক বা সাহিত্যিক ক্ষেত্ৰত ব্যৱহাৰ কৰা হয় আৰু নিম্ন ৰূপটো অনানুষ্ঠানিক ক্ষেত্ৰতহে ব্যৱহাৰ কৰা হয়। নিম্ন ভাষা বুলিলে সেই ভাষাটোৰ উপভাষিক ৰূপসমূহক বুজোৱা হৈছে। সেয়ে ডাইগ্লা'ছিয়া বা দ্বিপার্শ্বী পৰিস্থিতিৰ অন্যতম বৈশিষ্ট্য হৈছে উচ্চ আৰু নিম্ন ভাষাৰ কার্য।

ডাইগ্লা'ছিয়া বা দ্বিপার্শ্বী পৰিস্থিতিৰ কার্যৰ উপৰিও আন আন ক্ষেত্ৰত লেখত ল'বলগীয়া বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল—

ক) মর্যাদা ঃ ডাইগ্লা'ছিয়া পৰিস্থিতিত উচ্চ ভাষাটোৰ মর্যাদা থাকে আৰু নিম্ন প্ৰকাৰৰ ভাষাটোক উচ্চ ভাষাটোৰ তুলনাত হেয় জ্ঞান কৰা হয়। কওঁতাসকলেও উচ্চ ভাষাটোহে শুদ্ধ ভাষা বুলি জ্ঞান কৰে। আনকি নিম্ন ভাষাটোক ভাষাৰ মর্যাদা দিবলৈও কুণ্ঠাবোধ কৰে।

খ) সাহিত্যিক ঐতিহ্য ঃ ডাইগ্লা'ছিয়া পৰিস্থিতিত উচ্চ প্ৰকাৰৰ ভাষাটোৰহে সুসংগঠিত লিখিত ৰূপ থাকে। এই লিখিত ৰূপটোৰ ঐতিহ্য আৰু ইতিহাসো আছে। উচ্চ প্ৰকাৰৰ ভাষাতহে সাহিত্য কর্ম সৃষ্টি হয়। নিম্ন প্ৰকাৰৰ ভাষাটোৰ লিখিত পৰম্পৰা নাথাকে। লিখাৰ প্ৰয়োজন হ'লে নিম্ন ভাষা বা কথিত ভাষা ব্যৱহাৰ কৰা লোকসকলেও উচ্চ প্ৰকাৰৰ ভাষাতহে লিখে।

গ) আয়ত্তকৰণ ঃ ডাইগ্লা'ছিয়া পৰিস্থিতিত নিম্ন প্ৰকাৰৰ ভাষাটোহে শিশুসকলে স্বাভাৱিক আয়ত্তকৰণ পদ্ধতিৰে আয়ত্ত কৰে। সেয়ে নিম্ন ভাষাটোক মাতৃভাষাৰ মর্যাদা দিয়া হয়। যদি শিশুসকলে উচ্চ ভাষাটোৱে আয়ত্ত কৰিব খোজে আনুষ্ঠানিক প্ৰক্ৰিয়াটোৰেহে আয়ত্ত কৰিব লাগে। বিদ্যালয়ৰ শিক্ষকৰ সহায়তহে এই উচ্চ প্ৰকাৰৰ ভাষাটো আয়ত্ত কৰিব লাগে। অৱশ্যে উচ্চ প্ৰকাৰৰ ভাষাটো তেওঁলোকৰ বাবে একেবাৰে অচিনাকিও নহয়; কাৰণ নিম্ন ভাষা কোৱা বয়স্কসকলৰ মাজত উচ্চ ভাষাটোৰ বহুল প্ৰয়োগ দেখা যায়।

ঘ) ব্যাকৰণ ঃ ডাইগ্লা'ছিয়া পৰিস্থিতিত উচ্চ আৰু নিম্ন প্ৰকাৰৰ উভয় ৰূপতে ব্যাকৰণগত বৈশিষ্ট্য হৈছে— উচ্চ প্ৰকাৰৰ ভাষাটোৰ বিশেষ্য আৰু ক্ৰিয়াসমূহৰ এটা সুসংগঠিত বিভক্তিমূলক প্ৰণালী আছে, যিটো নিম্ন প্ৰকাৰৰ ভাষাটোৰ নাই।

ঙ) শব্দ ভাণ্ডাৰ ঃ ডাইগ্লা'ছিয়া পৰিস্থিতিত উচ্চ আৰু নিম্ন প্ৰকাৰৰ দুয়োটা ভাষাতেই শব্দ ভাণ্ডাৰৰ পার্থক্য মন কৰিবলগীয়া। একে অর্থ বুজাবলৈ উচ্চ আৰু নিম্ন উভয় ভাষাৰূপতে বেলেগ বেলেগ শব্দৰ প্ৰয়োগ হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ ডাইগ্লশ্ছিয়া বা দ্বিপাৰ্শ্বী পৰিস্থিতি সম্পৰ্কে বহলাই লিখক। (১৫০টা মান শব্দৰ ভিতৰত)

.....

৩.৩.৩ স্থানীয় উপভাষা

ভাষা একোটাৰ অঞ্চল ভিত্তিত দেখা দিয়া ৰূপভেদক বা ভিন্নতাক উপভাষা বুলি কোৱা হয়। আঞ্চলিক উপভাষাসমূহৰ মাজত পাৰস্পৰিক বোধগম্যতা থাকে. অর্থাৎ এজনে কোৱা উপভাষা আন উপভাষা কোৱা ব্যক্তি এজনে কোনো খোকোজা নলগাকৈ বুজি পায়। এই আঞ্চলিক উপভাষাসমূহ যেতিয়া এটা বিস্তীর্ণ এলেকাত বিয়পি থাকে তেতিয়া একেটা আঞ্চলিক উপভাষাৰে এলেকা বা ঠাই বিশেষে ধ্বনিগত ৰূপগত, শব্দগত আৰু বাক্যগত পার্থক্য দেখা যায়। এই স্থানীয় ৰূপবোৰৰ ভিতৰতো আকৌ ঠাইভেদে কিছু কিছু নিজস্ব বৈশিষ্ট্য পৰিলক্ষিত হয়। কেতিয়াবা আকৌ একেটা অঞ্চলৰে বিভিন্নজনৰ ভাষিক কথ্যৰূপত ভাষাগত বিভিন্নতা থাকে। একেটা উপভাষাৰ অন্তর্গত স্থানীয় ৰূপবোৰত সাধাৰণতে ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্যগত পার্থক্যতকৈ মাত-কথা আৰু ঠাঁচ বা সুৰৰ ক্ষেত্রতহে পার্থক্য থাকে। তদুপৰি মান্য আৰু উপভাষাৰ মাজত থকা পার্থক্যৰ তুলনাত উপভাষা আৰু স্থানীয় উপভাষাৰ মাজত থকা পার্থক্য যথেষ্ট কম। কেতিয়াবা আকৌ দুটা স্থানীয় উপভাষাৰ সীমামূৰীয়া অঞ্চলত মিশ্রিত কথ্যৰূপবো ব্যৱহাৰ হয়।

সাধাৰণতে স্থানীয় উপভাষাৰ সীমাৰেখা নির্ণয় কৰাটো কঠিন নহয়। একেটা উপভাষিক অঞ্চলৰ অন্তর্গত একোটা সৰু সৰু এলেকাত ব্যৱহাৰ হোৱা স্থানীয় ৰূপটোৰ সঠিক সীমাৰেখা নির্ণয় কৰিব পৰা নাযায়; কাৰণ দুই স্থানীয় উপভাষা ব্যৱহাৰ কৰা অঞ্চলৰ মাজত ভাষাগত পার্থক্য কম হোৱা কাৰণে সীমামূৰীয়া অঞ্চলসমূহে সমস্যাৰ সৃষ্টি কৰে। কেতিয়াবা এটা স্থানীয় উপভাষাৰ লগত সাদৃশ্য অধিক হোৱা দেখা যায়। আকৌ একোটা স্থানীয় উপভাষাৰ মাজত ভাষাগত বৈষম্য দেখা যায়। ইয়াৰ মূল কাৰণ হ'ল সামাজিক। কাৰণ একেখন সমাজত বসবাস কৰা বিভিন্ন শ্রেণীৰ লোকৰ মাজত সামাজিক যোগাযোগ নথকা বাবে বা কম হোৱা বাবে তেওঁলোকৰ মাজত ভাষাগত পার্থক্যই গা কৰি উঠে।

অসমীয়া ভাষাৰ অন্যতম উপভাষা কামৰূপী উপভাষাৰ উদাহৰণৰ জৰিয়তে স্থানীয় ৰূপৰ বিষয়ে স্পষ্ট ধাৰণা লাভ কৰিব পৰা যাব। বহুলভাৱে অবিভক্ত কামৰূপী জিলাত প্রচলিত কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহক দুটা ভাগত ভাগ কৰিব পাৰি— উত্তৰ কামৰূপী আৰু দক্ষিণ কামৰূপী। উত্তৰ কামৰূপীক আকৌ উত্তৰ-পূব

আৰু উত্তৰ-পশ্চিম কামৰূপী নামেৰে আৰু দক্ষিণ কামৰূপীক আকৌ দক্ষিণ-পূব আৰু দক্ষিণ-পশ্চিম উপভাগত ভাগ কৰা হৈছে। এতিয়া কামৰূপী উপভাষাৰ উত্তৰ আৰু দক্ষিণ কামৰূপী উপভাষাৰ মাজত থকা ভাষাগত পাৰ্থক্যতকৈ উত্তৰ-পূব আৰু উত্তৰ-পশ্চিম স্থানীয় ৰূপৰ মাজত বা দক্ষিণ-পূব আৰু দক্ষিণ-পশ্চিম স্থানীয় ৰূপৰ মাজত ভাষাগত পাৰ্থক্য কম হ'ব। সেইদৰে স্থানীয় ভাষা প্ৰচলিত একেখন সমাজতে সামাজিক শ্ৰেণী যেনে ঃ ব্ৰাহ্মণ, কৈৱৰ্ত আদি বিভিন্ন বৃত্তি তথা শ্ৰেণী অনুসৰি ভাষাগত পাৰ্থক্য থাকিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ স্থানীয় উপভাষাৰ বিষয়ে বহলাই আলোচনা কৰক। (১৫০টা মান শব্দৰ ভিতৰত)

.....

৩.৩.৪ নৃগোষ্ঠীয় উপভাষা

নৃগোষ্ঠীয় উপভাষা হৈছে এক উল্লেখযোগ্য সামাজিক উপভাষা। নৃগোষ্ঠীয় উপভাষা বুলিলে দুই বা ততোধিক ভাষা একেখন ভাষাগত ক্ষেত্ৰত দীৰ্ঘদিন ধৰি সহাৱস্থান কৰাৰ ফলত সৃষ্টি হোৱা এটা বিশেষ জনগোষ্ঠীয় লোকৰ উপভাষাক বুজা যায়। ইয়াত দুটা ভাষাৰ ৰূপ কম-বেছি পৰিমাণে সাঙোৰ খাই থাকে যদিও মূল আধাৰ ভাষাটোৰ মৌলিক বৈশিষ্ট্য সম্পূৰ্ণৰূপে ৰক্ষিত হয়। অৱশ্যে মূল আধাৰ ভাষাটোৰ লগত জনগোষ্ঠীয় ভাষাটোৰ ভাষাগত উপাদান (ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্যগত) সোমাই মূল আধাৰ ভাষাটোৰ কথিত ৰূপক এক স্বকীয়তা প্ৰদান কৰে। বিভিন্ন উপভাষাৰ দৰে নৃগোষ্ঠীয় উপভাষাৰো এক স্থায়ী ৰূপ আৰু সুদৃঢ় ভেটি থাকে, যিটো সেই জনগোষ্ঠীয় লোকসকলৰ ভাষিক বৈশিষ্ট্যৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। নৃগোষ্ঠীয় উপভাষাৰ গুৰুত্ব এখন সমাজত সৰ্বাধিক হৈ পৰা দেখা যায়। কাৰণ মূল জনগোষ্ঠীয় ভাষাটো সেই জনগোষ্ঠীয় লোকসকলে কেৱল নিজৰ মাজতহে ব্যৱহাৰ কৰিব পাৰে। গতিকে আনুষ্ঠানিক ক্ষেত্ৰত বা ওচৰ-পাজৰত বসবাস কৰা অন্য জনগোষ্ঠীয় লোকৰ লগত নৃগোষ্ঠীয় উপভাষাটোহে ব্যৱহাৰ কৰে। নৃগোষ্ঠীয় উপভাষাৰ প্ৰভাৱ কেতিয়াবা একোটা জনগোষ্ঠীৰ মাজত ইমানে বাঢ়ি যায় যে মূল জনগোষ্ঠীয় ভাষাটোতকৈ নৃগোষ্ঠীয় উপভাষাটোৱেহে বেছি প্ৰাধান্য লাভ কৰে। কাৰণ আনুষ্ঠানিক শিক্ষা লাভৰ ক্ষেত্ৰত তথা অন্য জনগোষ্ঠীৰ লোকৰ লগত সততে নৃগোষ্ঠীয় উপভাষাটো ব্যৱহাৰ কৰাৰ ফলত ভাষাটোৰ প্ৰয়োজনীয়তাৰ প্ৰতি তেওঁলোক সচেতন হয়।

৩.৩.৫ পিজিন আৰু ক্ৰেওল

বিভিন্ন কাৰণবশতঃ বিশেষকৈ ব্যৱসায় বাণিজ্যৰ কাৰণে দুটা ভিন্ন ভাষা ব্যৱহাৰ কৰা লোকে পৰস্পৰৰ মাজত যোগাযোগ স্থাপন কৰিবলগা হয়। কিন্তু ভাষাই তেওঁলোকৰ মাজত প্ৰত্যাহ্বানৰূপে থিয় দিয়ে। এনে পৰিস্থিতিত শক্তিশালী ভাষাটোক মূল ভিত্তি হিচাপে লৈ কিছু সৰল ৰূপত ভাষিক ৰূপ এটি সৃষ্টি কৰি লয় আৰু দুৰ্বল ভাষাটোৰ পৰা ধ্বনিগত, সুৰ-লহৰ আৰু শব্দ গঠনজনিত কিছু উপাদান সংযোগ কৰি উভয়ে ভাব বিনিময় কৰিবলৈ লয়। কেতিয়াবা আকৌ দুৰ্বল ভাষাটোৰ ধ্বনি, সুৰ-লহৰ আৰু শব্দগঠনজনিত বৈশিষ্ট্য নোসোমোৱাকৈয়ে মূল ভাষাটোৰ ধ্বনি, ৰূপ আৰু শব্দ গঠনৰ কিছু সাল-সলনি কৰি মূল ভাষাটোৰ ভগ্ন ৰূপতে নতুন উপাদান সংযোগ কৰি ব্যৱহাৰ কৰা হয়। ভাষাৰ এই ৰূপক পিজিন বুলি কোৱা হয়। অসমীয়া ভাষাত ইয়াক ভগ্নমিশ্ৰ বা দোৱান ভাষা বুলি কোৱা হয়। উত্তৰ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত দুটা উল্লেখযোগ্য পিজিন হ'ল নাগামিজ আৰু নেফামিজ। নাগামিজ ভাষা প্ৰথমতে অসম নাগালেণ্ডৰ সীমান্তৱৰ্তী অঞ্চলত ব্যৱহাৰ কৰা হৈছিল যদিও পিজিনটোৱে সমগ্ৰ নাগালেণ্ডৰ বিভিন্ন ভাষা ব্যৱহাৰ কৰা জনগোষ্ঠীৰ উমৈহতীয়া ভাষা হৈ পৰে। নাগামিজ ভাষাটোৰ মূল জঁকাটো অসমীয়া ভাষাৰ আৰু তাত নগা ভাষাৰ কিছু উপাদান সংযোগ হৈছে। সেইদৰে নেফামিজ ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ আন এটা উল্লেখযোগ্য পিজিন।

ক্ৰেওল বুলিলে ভগ্ন মিশ্ৰ বা দোৱান ভাষাৰ স্থিৰ ৰূপক বুজা যায়। যেতিয়া এটা পিজিন বা ভগ্ন মিশ্ৰ ভাষা দীৰ্ঘদিন ধৰি এটা অঞ্চলত যোগাযোগৰ মুখ্য মাধ্যম হিচাপে প্ৰচলিত হৈ থাকে তেতিয়া পিজিন ভাষাটো সেই অঞ্চলৰ লোকৰ বাবে মাতৃভাষা হৈ পৰে কিয়নো সেই অঞ্চলৰ নতুন প্ৰজন্মৰ লোকে পিজিন ৰূপটোকে মাতৃভাষা হিচাপে আহৰণ কৰে। স্থিৰ ৰূপ লাভ কৰা এই পিজিন ৰূপটোৰ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি কেতিয়াবা চৰকাৰেও চৰকাৰী ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰে। চৰকাৰী বিভিন্ন কাম তথা শিক্ষাৰ বিকল্প মাধ্যম হৈ পৰে। তেতিয়া ভাষাটো ভগ্ন মিশ্ৰ ভাষা বা পিজিন হৈ নাথাকে আৰু সি ক্ৰেওল নাম পায়। ক্ৰেওল ভাষাত সাহিত্য, কথাছবি আদি সৃষ্টি হ'ব পাৰে আৰু ইয়ে এক পৰম্পৰাৰ সৃষ্টি কৰি ভাষাটোক দীৰ্ঘজীৱী কৰি তোলাত ভূমিকা লোৱা দেখা যায়। প্ৰথমে উদ্দেশ্যপ্ৰণোদিতভাৱে সৃষ্টি হোৱা পিজিন ভাষাৰূপটিয়ে পিছত মানুহৰ আবেগ-অনুভূতিৰ লগত সংপৃক্ত হৈ ক্ৰেওল নাম পায়। গতিকে সমাজ ভাষাবৈজ্ঞানিক দৃষ্টিকোণৰ পৰা ক্ৰেওল ভাষা ৰূপৰ যথেষ্ট গুৰুত্ব আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ পিজিন আৰু ক্ৰেওল বুলিলে কি বুজায়?
(১০০টা শব্দৰ ভিতৰত লিখক)

.....



৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উপভাষা বুলি ক'লে ভাষাৰ মান্য বা শিষ্ট ৰূপটোৰ পৰা অলপ আঁতৰৰ কথিত ৰূপক বুজা যায়।
- কোনো নিৰ্দিষ্ট ভাষা ভিন্নতাক ব্যৱহাৰৰ ধৰণ অনুযায়ী দুটা ভাগত ভাগ কৰিব পাৰি— ক) আঞ্চলিক আৰু খ) সামাজিক।
- ভাষা আৰু সমাজৰ সম্বন্ধৰ বিষয়ে ভাষা বিজ্ঞানৰ যিটো শাখাত অধ্যয়ন কৰা হয় তাকে সমাজ ভাষাবিজ্ঞান বোলে। সমাজ ভাষা বিজ্ঞানে ভাষা আৰু সমাজৰ সম্বন্ধৰ সকলোবোৰ দিশ অধ্যয়ন কৰে।
- সমাজত ব্যক্তিয়ে মনৰ ভাব প্ৰকাশ কৰিবলৈ ভাষা ব্যৱহাৰ কৰে। কিন্তু ব্যক্তিয়ে কাক, ক'ত, কেতিয়া, কিয়, কেনেকৈ আৰু কি ধৰণে মনৰ ভাব ব্যক্ত কৰিব তাক সমাজে নিৰ্ণয় কৰে। ভাষা আৰু সমাজৰ এনে গুৰুত্বপূৰ্ণ সম্বন্ধৰ কেইটামান দিশ পাঠটোত আলোচনা কৰা হৈছে।
- পৃথিৱীত এনেকুৱা কিছুমান ভাষা আছে য'ত মান্য আৰু উপভাষাৰ মাজত ইমানেই বিভিন্নতা থাকে যে ইহঁতক দুটা ভিন্ন ভাষা বুলি ক'লেও ভুল কোৱা নহ'ব। ইহঁতৰ মাজত পাৰস্পৰিক বোধগম্যতা নাথাকে আৰু মান্য ৰূপটোক উচ্চ আৰু ঔপভাষিক ৰূপটোক নিম্ন বুলি গণ্য কৰা হয়। ভাষাৰ এনে পৰিস্থিতিৰ এনে কাৰ্যৰ উপৰিও আন আন কাৰ্য কিছুমান হ'ল— ক) মৰ্যাদা, খ) লিখিত ঐতিহ্য, গ) আয়ত্তকৰণ, ঘ) ব্যাকৰণ আৰু ঙ) শব্দভাণ্ডাৰ।
- একোটা আঞ্চলিক উপভাষাই যেতিয়া বিস্তীৰ্ণ অঞ্চল বিয়পি পৰে তেতিয়া একোটা আঞ্চলিক উপভাষাৰে এলেকা বা ঠাই ভেদে ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্য গাঁথনিগত পাৰ্থক্য দেখা যায়। স্থানীয় উপভাষাবোৰৰ মাজত পাৰ্থক্য সাধাৰণতে কম হয়। সেয়ে দুটা স্থানীয় উপভাষা ব্যৱহাৰ হোৱা এলেকাৰ সীমামূৰীয়া অঞ্চলত ইহঁতৰ মাজৰ পাৰ্থক্য কমি গৈ এক মিশ্ৰ স্থানীয় ঔপভাষিক ৰূপৰ সৃষ্টি হয়। এনে কাৰণতে দুটা স্থানীয় উপভাষাৰ ভৌগোলিক সীমা নিৰ্ণয় কৰা কঠিন হৈ পৰে।

- দুই বা ততোধিক ভাষাগোষ্ঠীৰ লোক দীৰ্ঘদিন ধৰি একেখন ভাষাগত ক্ষেত্ৰত সহাৱস্থান কৰি থকাৰ ফলত শক্তিশালী ভাষাটোৰ বা মূল আধাৰ ভাষাটোৰ ধ্বনিগত, শব্দগত, ৰূপগত আৰু বাক্য গাঁথনিগত উপাদান আৰু জনগোষ্ঠীয় ভাষাটোৰ ধ্বনি, সুৰ-লহৰ আদিৰ মিশ্ৰণ হৈ যি উপভাষাৰ সৃষ্টি হয় তাকে নৃগোষ্ঠীয় উপভাষা বোলে। অৱশ্যে কেতিয়াবা জনগোষ্ঠীয় ভাষাটোৰ ধ্বনি, সুৰ-লহৰ আদি যোগ নোহোৱাকৈ মূল ভাষাটোৰ ভগ্ন ৰূপতো নৃগোষ্ঠীয় উপভাষাৰ সৃষ্টি হোৱা দেখা যায়।



৩.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১। কাকতি, বাণীকান্ত (১৯৯৬) ঃ *অসমীয়া ভাষাত গঠন আৰু বিকাশ*; অনু. বিশ্বেশ্বৰ হাজৰিকা, বৰপেটা সাহিত্য সভাৰ হৈ বাণী প্ৰকাশ, গুৱাহাটী।

২। গোস্বামী, উপেন্দ্ৰনাথ (১৯৬৪) ঃ *ভাষা-বিজ্ঞান*; মণিমাণিক প্ৰকাশ।

৩। দাস, বিশ্বজিৎ (২০১৫) ঃ *সমাজ ভাষা-বিজ্ঞান*; নগাঁও। Books and Beyond.

৪। পাঠক, ৰমেশ (২০০২) ঃ *উপভাষা বিজ্ঞানৰ ভূমিকা*; ডিব্ৰুগড় ঃ বনলতা।

৫। মৰল, দীপঙ্কৰ (১৯৯৭) ঃ *উপভাষা বিজ্ঞান*; গুৱাহাটী ষ্টুডেণ্টছ ষ্টৰ্'ৰচ্।

৬। ৰাভা হাকাচাম, উপেন (২০১৪) ঃ *অসমীয়া আৰু অসমৰ ভাষা উপভাষা*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।



৩.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ এটা ভাষাই যেতিয়া বিস্তীৰ্ণ অঞ্চল বিয়পি পৰে তেতিয়া অঞ্চল বিশেষে ভাষাটোৰ ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্যগত বিভিন্নতাৰ সৃষ্টি হয়। অঞ্চল বিশেষে সৃষ্টি হোৱা ভাষাৰ এই বিভিন্নতাক উপভাষা বোলে। ভাষা ব্যৱহাৰ বিভিন্নতাৰ ভিত্তিত সৃষ্টি হোৱা দুই প্ৰকাৰৰ উপভাষা হ'ল— আঞ্চলিক আৰু সামাজিক।

২নং প্ৰশ্নৰ উত্তৰ ঃ ভাষা আৰু সমাজ পৰস্পৰ ওতঃপ্ৰোতভাৱে সম্পৰ্কিত। সমাজত ভাষাৰ সৃষ্টি হয় আৰু ভাষাক বাদ দিও সমাজৰ কথা কল্পনা কৰিব নোৱাৰি। সমাজৰ লগত ভাষাৰ সম্বন্ধৰ কথা সমাজ ভাষাবিজ্ঞান অধ্যয়ন কৰা হয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ পৃথিৱীত এনেকুৱা কিছুমান ভাষা আছে যিবোৰ ভাষাৰ উপভাষা আৰু মান্য ভাষাৰ মাজত পাৰস্পৰিক বোধগম্যতা নগণ্য। ভাষাৰ এনেকুৱা পৰিস্থিতিক ডাইগ্লচ্'ছিয়া বুলি কোৱা হয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ এটা বিস্তীৰ্ণ এলেকাত বিয়পি থকা উপভাষাৰ অঞ্চল বা ঠাই বিশেষে ভাষাগত (ধ্বনি, ৰূপ, শব্দ, বাক্য) দিশত কিছু বিভিন্নতাই দেখা দিয়ে। উপভাষাৰ এই ঠাই বিশেষে গঢ় লৈ উঠা ৰূপক স্থানীয় উপভাষা বুলি কোৱা হয়।



৩.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ উপভাষা বুলিলে কি বুজায়?

প্ৰশ্ন ২ ঃ ভাষা আৰু উপভাষাৰ মাজৰ পাৰ্থক্য লিখক।

প্ৰশ্ন ৩ ঃ সমাজৰ লগত ভাষাৰ সম্বন্ধৰ কেইটামান উল্লেখযোগ্য দিশ বহলাই আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ডাইগ্লচিয়া বা দ্বিপাৰ্শ্বী পৰিস্থিতিৰ কাৰ্যৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ ডাইগ্লচিয়া পৰিস্থিতিৰ চাৰিটা বৈশিষ্ট্যৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ স্থানীয় উপভাষাৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ নৃগোষ্ঠীৰ উপভাষাৰ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

*** ***** ***

অধ্যায় ৪ ঃ অসমীয়া ভাষাৰ উপভাষা ঃ প্ৰাথমিক পৰিচয়

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ উজনি অসমৰ উপভাষা
৪.৪ মধ্য অসমৰ উপভাষা
৪.৫ নামনি অসমৰ উপভাষা
৪.৬ অসমৰ নৃ-গোষ্ঠীয় উপভাষা
৪.৭ অসমৰ সংযোগী ভাষা
৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৯ অধিক জানিবলৈ
৪.১০ অগ্ৰগতিৰ নিৰীক্ষণ (কেৱল ৰূপৰেখা)
৪.১১ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি--

- উজনি অসমৰ উপভাষা বা মান্য ভাষাৰ বিষয়ে অৱগত হ'ব পাৰিব
- নামনি আৰু মধ্য অসমৰ উপভাষাৰ বিষয়ে ধাৰণা লাভ কৰিব
- অসমৰ নৃগোষ্ঠীয় উপভাষা আৰু সংযোগী উপভাষাৰ বিষয়ে জানিব পাৰিব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষান্মাসিকৰ ভাষা শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা এইটো চতুৰ্থ অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অসমীয়া ভাষাৰ উপভাষা ঃ প্ৰাথমিক পৰিচয়'। কোনো এটা ভাষা বিস্তৃত অঞ্চলত বিয়পি পৰাৰ পিছত ভৌগোলিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক কাৰণত সেই ভাষা সম্প্ৰদায়ৰ এটা অঞ্চলত আন এটা অঞ্চলৰ সহজ আৰু সঘন মিলামিছা হৈ নাথাকিলে সময়ত গৈ একেটা ভাষাৰ কিছুমান আঞ্চলিক ৰূপৰ সৃষ্টি হয়। এই আঞ্চলিক ৰূপবোৰে হ'ল সেই ভাষাটোৰ উপভাষা। আন ভাষাৰ দৰে অসমীয়া ভাষাৰো বিভিন্ন ঔপভাষিক ৰূপ আছে। এই অধ্যায়ত সেই ৰূপবোৰৰ এটি প্ৰাথমিক পৰিচয় প্ৰদান কৰা হ'ব ।

৪.৩ উজনি অসমৰ উপভাষা

উজনি অসমৰ উপভাষাটো মান্য অসমীয়া ভাষা হিচাপে স্বীকৃত। শিৱসাগৰ অঞ্চলৰ

যি কথিত ৰূপ, সেই কথিত ৰূপক ভিত্তি কৰি ওপৰতে বৰ্তমান অসমৰ মান্য ভাষাটো গঢ় লৈ উঠিছে। যিকোনো ভাষাৰ মান্য ভাষাও সেই ভাষাটোৰ উপভাষাই হয়। বিভিন্ন সাংস্কৃতিক, ৰাজনৈতিক তথা ভৌগোলিক কাৰণত কোনো এটা ভাষাৰ নিৰ্দিষ্ট এটা ঔপভাষিক ৰূপৰ প্ৰাধান্য বৃদ্ধি পালে সেই উপভাষাটোক মান্য ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰা হয়। বৃটিছসকল অসমলৈ অহাৰ পূৰ্বে নামনি অসম শিক্ষাৰ কেন্দ্ৰস্থল আছিল। শংকৰদেৱ আৰু তেওঁৰ ছায়া-প্ৰচ্ছায়াৰ কবিসকলে নামনি অসমত সাহিত্য চৰ্চা কৰিছিল। সপ্তদশ শতিকাৰ পৰা আহোম ৰাজসভাতো আহোম আৰু টাই-ভাষাত সাহিত্য চৰ্চা হ'বলৈ আৰম্ভ কৰিছিল। কিন্তু সেয়া হ'লেও নামনি অসমৰ প্ৰভাৱ হ্ৰাস পোৱা নাছিল। ১৮৩৬ চনত আমেৰিকাৰ বেপ্তিষ্ট মিছনাৰীসকলে শিৱসাগৰক কেন্দ্ৰস্থল হিচাপে নিৰ্বাচন কৰি তাৰ ভাষিক ৰূপটো আয়ত্ব কৰি অসমীয়া ভাষাৰ ব্যাকৰণ আৰু অভিধান প্ৰণয়ন কৰিছিল। ১৮৪৬ চনত 'অৰুণোদই' বাৰ্তালোচনী প্ৰকাশ পোৱাৰ পিছত উজনি অসমৰ ভাষা সামূহিক কাম-কাজ চলাবৰ বাবে মান্যৰূপ হোৱাটো নিশ্চিত হয়। তদুপৰি উজনি অসমৰ পৰাও বহু কেইজন লেখকে এই সময়ছোৱাত আত্মপ্ৰকাশ কৰে। ফলত উজনিৰ ভাষাৰূপেই মান্যভাষা ৰূপে স্বীকৃত হয়।

আকৌ, ৰাজনৈতিক আৰু ভৌগোলিক কাৰকেও উজনিৰ উপভাষাক মান্য ভাষা হিচাপে স্বীকৃত পোৱাৰ ক্ষেত্ৰত ভূমিকা পালন কৰিছিল। চুকাফাৰ নেতৃত্বত আহোমসকলে চৰাইদেউত ৰাজধানী স্থাপন কৰাৰ পিছৰ পৰা শিৱসাগৰ অঞ্চলটো ৰাজনৈতিক অঞ্চল হিচাপে পৰিগণিত হয়। পৰৱৰ্তী সময়ত চৰগুৱা, গড়গাওঁ, ৰংপুৰ আদি ঠাইলৈ ৰাজধানী স্থানান্তৰিত হ'লেও আটাইবোৰ ঠাই উজনি অসমত, বিশেষকৈ শিৱসাগৰৰ আশে-পাশে হোৱা বাবে শিৱসাগৰ তথা সমগ্ৰ উজনি অসমখনে প্ৰাধান্য পাবলৈ ধৰে। আকৌ ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পিছত বৃটিছে উজনি অসমকে ৰাজনৈতিক কেন্দ্ৰ হিচাপে বাচি লয়। বেপ্তিষ্ট মিছনাৰীসকলেও উজনি অসমকে ধৰ্মচৰ্চাৰ কেন্দ্ৰ হিচাপে নিৰ্বাচন কৰে। এনেবোৰ কাৰণত শিৱসাগৰীয় উপভাষাই মান্য ভাষা হোৱাৰ পথত বলিষ্ঠ খোজ পেলায়।

এটা উপভাষাই মান্য ভাষাৰ মৰ্যাদা পোৱা মানে এইটো নহয় যে আন উপভাষাবোৰ সেই ভাষাটোৰ তুলনাত নিম্নখাপৰ। ভাষাবৈজ্ঞানিক দৃষ্টিকোণৰ পৰা সকলো ভাষাৰে মৰ্যাদা আৰু গুৰুত্ব একে। কেৱল কিছুমান সাংস্কৃতিক, ৰাজনৈতিক বা ভৌগোলিক কাৰণতহে ভাষিক ৰূপটো মান্য ভাষা ৰূপে স্বীকৃত হয়। মান্য ভাষা হিচাপে স্বীকৃত হোৱাৰ পিছত সেই উপভাষাটোত ব্যৱহৃত শব্দ, বাক্য, জতুৱা ঠাঁচ আদিবোৰ সাহিত্য চৰ্চা, লিখা-মেলা বা কৰ্মস্থানত ব্যৱহাৰ হয়। শিৱসাগৰৰ উপভাষাৰ আধাৰতে মান্য ভাষাটো গঢ় লৈ উঠিলেও এই অঞ্চলটোৰ মানুহৰ কথিত ভাষাটোৰ ৰূপৰ পৰিৱৰ্তন ঘটি থাকে। বিভিন্ন সম্প্ৰদায়ে অসমীয়াক মাতৃভাষা হিচাপে গ্ৰহণ কৰিলেও নিজৰ নিজৰ সাংস্কৃতিক বৈশিষ্ট্য তেওঁলোকে জীয়াই ৰাখিব বিচাৰে। ফলত সম্প্ৰদায়বোৰৰ নিজৰ ভাষাৰ প্ৰভাৱ কথিত ভাষাটোৰ ওপৰত পৰে আৰু সম্প্ৰদায় ভেদে ভাষিক পাৰ্থক্য সৃষ্টি হোৱা পৰিলক্ষিত হয়।

৪.৪ মধ্য অসমৰ উপভাষা

বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ উপভাষাক দুটা প্ৰধান ভাগত ভাগ কৰিছে -- পূব ভাৰতৰ অসমৰ ভাষা আৰু পশ্চিম অসমৰ ভাষা। পৰৱৰ্তী সময়ত ভাষাবিদ গোলোকচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষাৰ তিনিটা উপভাষাৰ কথা উল্লেখ কৰি উপভাষা তিনিটাৰ সীমা এনেদৰে দেখুৱাইছে -- 'উজনিৰ উপভাষা দক্ষিণে বৰ্তমান নগাওঁ জিলা আৰু উত্তৰে শোণিতপুৰ জিলালৈকেহে মাথোন বিস্তৃত হ'ব। নামনিৰ উপভাষাৰ সীমা হ'ব পশ্চিমে গোৱালপাৰা জিলাৰ পৰা পূবে কামৰূপ জিলাৰ গুৱাহাটীলৈ আৰু এই দুই অঞ্চলৰ মাজৰ এলেকাটোৱেই হ'ব মধ্য অসমীয়া উপভাষাৰ ঠাই। অৰ্থাৎ উত্তৰে দৰং জিলা, দক্ষিণ-পূবে মৰিগাওঁ জিলা আৰু দক্ষিণ-পশ্চিমে কামৰূপ জিলা।' গতিকে মধ্য অসমৰ উপভাষাটো উজনি অসম আৰু নামনি অসমৰ মধ্যৱৰ্তী উপভাষা হিচাপে স্বীকৃত। সেয়েহে মধ্য অসমৰ উপভাষাৰ কিছুমান বৈশিষ্ট্য উজনি অসমৰ উপভাষাৰ লগত আৰু আন কিছুমান বৈশিষ্ট্য নামনি অসমৰ উপভাষাৰ লগত মিলে। লগতে মধ্য অসমৰ উপভাষাটোৰ কিছুমান সুকীয়া লক্ষণো আছে। এই ক্ষেত্ৰত ক'ব পাৰি যে মধ্য অসমৰ জনগাঁথনিয়েও মধ্য অসমৰ ভাষাত সুকীয়া বৈশিষ্ট্য ৰক্ষিত হোৱাত অৰিহণা যোগাইছে। ইয়াত বসবাস কৰি থকা তিৱা, কাৰ্বি, ৰাভা, বডো, কোচ, গাৰো আদি জনগোষ্ঠীৰ অধিকাংশই নিজৰ ভাষা পৰিহাৰ কৰি অসমীয়া ভাষা গ্ৰহণ কৰাৰ ফলত তেওঁলোকৰ ভাষাগত বৈশিষ্ট্যও মধ্য অসমৰ উপভাষাত প্ৰৱেশ কৰিছে। তদুপৰি এটা উপভাষাৰ ভিতৰত বহুতো সুকীয়া আঞ্চলিক ৰূপ সোমাই থাকে। মধ্য অসমৰ উপভাষাতো অঞ্চলভেদে সুকীয়া সুকীয়া আঞ্চলিক ৰূপ নিহিত হৈ থকা পৰিলক্ষিত হৈছে। সেয়া হ'লেও এই আঞ্চলিক ৰূপ আৰু মূল উপভাষাটোৰ মাজৰ বৈসাদৃশ্যতকৈ সাদৃশ্যৰ পৰিমাণ অধিক বাবে আঞ্চলিক ৰূপবোৰক একেখন উপভাষা ক্ষেত্ৰৰ অন্তৰ্ভুক্ত কৰা হৈছে।

৪.৫ নামনি অসমৰ উপভাষা

অসমীয়া ভাষাটো মগধীয় ৰূপৰ পৰা ৰূপান্তৰিত হৈ পশ্চিম দিশেদি অসমত সোমায় আৰু অসমৰ নামনি অঞ্চলত সুকীয়া ভাষা ৰূপে গঢ় লয়। পিছত ভাষাটো ক্ৰমে উজনি অঞ্চলত বিয়পি পৰে। ১২২৮ চনত আহোমসকলে অসমৰ পূব অঞ্চল অধিকাৰ কৰি শিৱসাগৰত ৰাজধানী পাতে। লাহে-লাহে তেওঁলোকৰ ৰাজ্য বাঢ়ি কামৰূপ সীমা পায়হি। সেয়েহে উজনি অসমখন এক শাসনৰ অধীন হয় আৰু তাৰ ভাষাটোৱে এক বিশেষ গঢ় লয়। নামনি অসমখন অতি প্ৰাচীন কালৰ পৰা বিভিন্ন সময়ত বিভিন্ন ৰাজ্যৰ অধীনত আছিল। দুয়োটা অঞ্চলৰ ভিতৰত যাতায়াতৰ অসুবিধা, কোনো ডাঙৰ মেলা বা ধাৰ্মিক উৎসৱ-পৰ্ব আদিৰ অভাৱ, বিয়া-বাৰুৰ প্ৰচলন নথকা আদি কাৰণত উজনি আৰু নামনি অঞ্চলৰ লোকসকলৰ মাজত মিলামিছা হোৱা নাছিল। সেই হেতুকে নামনি অঞ্চলৰ ভাষাটোৱে এটা সুকীয়া সাঁচ ল'বলৈ সুবিধা পালে।

অৰ্থাৎ অসমীয়া ভাষাটোৰ প্ৰধানকৈ দুটা আঞ্চলিক ৰূপ বা উপভাষা পোৱা গ'ল। এটা পূব অঞ্চলৰ বা উজনিৰ উপভাষা আৰু আনটো পশ্চিম অঞ্চলৰ বা নামনিৰ উপভাষা। গ্ৰিয়াৰ্ছনে লিখিছে যে --'অসমীয়া ভাষাৰ মান্য উপভাষাটো হৈছে শিৱসাগৰ আৰু তাৰ আশে-পাশে কোৱা উপভাষাটো। অসম উপত্যকাৰ উজনি অঞ্চলত ভাষাটোৰ সকলো ঠাইত ৰূপ একেটাই। যিমানেই আমি পশ্চিমৰ পিনলৈ গতি কৰোঁ, সিমানেই এটা স্পষ্ট উপভাষা পাওঁ। মই তাক পশ্চিম অঞ্চলৰ অসমীয়া নাম দিছোঁ। এই উপভাষাটো কামৰূপ জিলা আৰু পূব গোৱালপাৰাৰ মানুহবোৰে কয়।'

বৰ্তমান অসমীয়া মান্য ভাষাটো পূব অঞ্চলৰ অৰ্থাৎ শিৱসাগৰ অঞ্চলত কোৱা উপভাষাটোৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা। নামনি অসমত কোচ ৰাজ্য ধ্বংস হোৱাত আহোম ৰজাসকলৰ তত্ত্বাৱধানত শিৱসাগৰ জিলা অঞ্চল সাংস্কৃতিক কেন্দ্ৰত পৰিণত হয়। লগে-লগে এই অঞ্চলৰ লোকসকলে সাহিত্যসেৱাৰো সুযোগ পায়। আহোমসকলৰ ছশ বছৰীয়া ৰাজত্বৰ অন্ত পৰাৰ পিছত অসমৰ শাসনভাৰ ইংৰাজৰ হাতলৈ যায় আৰু ১৮৩৬ চনত আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰীসকলে আহি শিৱসাগৰ অঞ্চলকে নিজৰ কাৰ্যৰ কেন্দ্ৰস্থল হিচাপে লয়। তেওঁলোকে সেই অঞ্চলৰ উপভাষা শিকি তাত কিতাপ-পত্ৰ ৰচনা কৰিবলৈ আৰম্ভ কৰে। ১৮৪৬ চনত মাহেকীয়া আলোচনী 'অৰুণোদই' প্ৰকাশ পায়। তাৰ পিছত অসমীয়া আৰু অভিধান ছপা কৰে। এনেদৰে উজনি অঞ্চলৰ উপভাষাটোৱে অসমত মান্য ভাষা হিচাপে মৰ্যাদা লাভ কৰে।

নামনি অসমৰ কামৰূপী উপভাষাৰ কিছুমান আঞ্চলিক ৰূপ পোৱা যায়। সেইবোৰক বিভিন্ন জন ভাষাবিদে বিভাজন কৰি দেখুৱাইছে। তাৰ ভিতৰত উপেন্দ্ৰ নাথ গোস্বামী, ৰমেশ পাঠক, খগেন সেন ডেকা আৰু ড° বিভা ভৰালীয়ে দেখুওৱা বিভাজন উল্লেখযোগ্য।

উপেন্দ্ৰ নাথ গোস্বামীয়ে কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপক তিনিটা ভাগত ভাগ কৰিছে- (ক) পশ্চিম (খ) মধ্য আৰু (গ) দক্ষিণ। বৰপেটা আৰু ওচৰ-পাজৰৰ ঠাইবোৰক সামৰি পশ্চিম অঞ্চল, নলবাৰী আৰু ওচৰ-পাজৰৰ ঠাইবোৰক সামৰি মধ্য অঞ্চল আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ ছয়গাওঁ, বকো অঞ্চল বা দক্ষিণ অঞ্চল।

ৰমেশ পাঠকে কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপ চাৰিটা ভাগত ভাগ কৰিছে- (ক) বৰপেটীয়া, (খ) নলবৰীয়া (গ) পাতিদৰঙীয়া আৰু (গ) পলাশবৰীয়া ছয়গঞা। তেওঁৰ মতেক্ষেত্ৰী আৰু ডিমৰীয়া অঞ্চলৰ ৰূপটোকো কামৰূপী উপভাষাৰ কেন্দ্ৰীয় শাখাত ধৰিব পাৰি। ভাষাবিদ খগেশ সেন ডেকাই নামনি অসমৰ উপভাষা বা কামৰূপী উপভাষাক পাঁচটা অঞ্চলত ভাগ কৰিছে ---

ক) বৰপেটাকেন্দ্ৰিক অঞ্চল


খ) নলবাৰীকেন্দ্ৰিক অঞ্চল

গ) বাইহাটা চাৰিআলিকেন্দ্ৰিক উত্তৰ-পূব অঞ্চল

ঘ) পলাশবাৰী, ছয়গাওঁ আৰু বকোকেন্দ্ৰিক দক্ষিণ অঞ্চল

ঙ) সোণাপুৰ, ক্ষেত্ৰীকেন্দ্ৰিক দক্ষিণ-পূব অঞ্চল

বিভা ভৰালীয়ে কামৰূপী উপভাষাৰ স্থানীয় ৰূপক তলত দিয়া ধৰণে শ্ৰেণীবিভাজন কৰিছে



৪.৬ অসমৰ নৃগোষ্ঠীয় উপভাষা


নৃগোষ্ঠীয় উপভাষা বুলিলে সাধাৰণতে বিশেষ জনগোষ্ঠীৰ দ্বাৰা কথিত মাতৃভাষাক বুজা যায়, য'ত দুটা ভাষাৰ ৰূপ কম-বেছি পৰিমাণে সাঙুৰ খাই থাকে। দুই বা ততোধিক ভাষাৰ সহ-অৱস্থানত সৃষ্টি হোৱা এটা বিশেষ জনগোষ্ঠীৰ মাজত প্ৰচলিত উপভাষা হিচাপে ইয়াত মূল ভাষাৰ মৌলিক বৈশিষ্ট্য ৰক্ষিত হৈ থাকে। এই ভাষা ক্ৰেওলীয় ৰূপৰ হয়। এই ভাষাৰ একোটা স্থায়ী আৰু সুদৃঢ় ভেঁটি আছে। যিটো সেই জনগোষ্ঠীৰ পূৰ্বৰ ভাষিক বৈশিষ্ট্যৰ দ্বাৰা নিয়ন্ত্রিত। অসমৰ কিছুমান নৃগোষ্ঠীয় উপভাষা হ'ল --- ৰাভাসকলৰ মাজত প্ৰচলিত ৰাভা-অসমীয়া, মিচিং সকলৰ মাজত প্ৰচলিত মিচিং-অসমীয়া, দেউৰীসকলৰ মাজত প্ৰচলিত দেউৰী অসমীয়া, তিৰাসকলৰ মাজত প্ৰচলিত তিৰা-অসমীয়া আদি।

৪.৭অসমৰ সংযোগী ভাষা

বহু ক্ষেত্ৰত দেখা যায় যে ভৌগোলিকভাৱে একেটা অঞ্চলত এটাতকৈ অধিক ভাষিক গোষ্ঠীয়ে বসবাস কৰিলে আৰু তেওঁলোকৰ এটা গোষ্ঠীৰ ভাষা আন এটা গোষ্ঠীয়ে নুবুজিলে ভাবৰ আদান-প্ৰদানৰ জৰিয়তে যোগাযোগ স্থাপন কৰাটো কঠিন হৈ পৰে। এনে ক্ষেত্ৰত এটা ভাষা সম্প্ৰদায়ৰ লগত আন এটা ভাষা সম্প্ৰদায় সংস্পৰ্শলৈ অহাৰ বাবে দুয়োটা ভাষাৰ মিশ্ৰণৰ ফলত সকলোৱে বুজিব পৰাকৈ সহজ ভাষাৰূপ এটাৰ সৃষ্টি হয়। এই নতুন ভাষিক ৰূপটোক সংযোগী ভাষা বা পিজিন আখ্যা দিয়া হয়। সাধাৰণতে ব্যৱসায়সূত্ৰে এটা নতুন ভাষিক গোট যেতিয়া অন্য এটা অঞ্চলত থিতাপি লয়, তেতিয়া উভয় পক্ষৰ ভাষাৰ সংমিশ্ৰণত এটা নতুন অথচ সৰল ভাষাৰূপ গঠন হয়। এই ভাষাটোৰ মাধ্যমেৰে উভয় ভাষাগোষ্ঠীৰ মাজত সংযোগ ৰক্ষিত হয়। ইউৰোপীয় জাতিবোৰে যেতিয়া উপনিৱেশ বিস্তাৰ কৰিছিল, তেতিয়াই অধিকাংশ পিজিনৰ সৃষ্টি হৈছিল।

একেখন ঠাইতে বসবাস কৰা হেতুকে বিভিন্ন ব্যৱসায়িক কাৰণতে হওক বা অন্য কাৰণতেই হওক ভিন্-ভিন্ ভাষিক গোষ্ঠীৰ লোক পৰস্পৰে-পৰস্পৰৰ সংস্পৰ্শলৈ আহিবলৈ বাধ্য হয়।

উভয়ৰে কথিত ভাষা পৃথক হোৱা বাবে তেওঁলোকে ভাষিক সংমিশ্ৰণ কৰিবলৈ বাধ্য হয়। এনে ক্ষেত্ৰত আপেক্ষিকভাৱে মৰ্যাদাসম্পন্ন হিচাপে গণ্য কৰা ভাষাটোক ভিত্তি হিচাপে লৈ তাৰ কিছু সৰল ৰূপৰ সৃষ্টি হয় আৰু এই ৰূপটোত আপেক্ষিকভাৱে কম মৰ্যাদাসম্পন্ন হিচাপে চিহ্নিত ভাষাটোৰো ধ্বনি, শব্দ, বাক্য, সুৰ লহৰ সন্নিৱিষ্ট হয়। এনেদৰে দুটা ভাষাৰ উপাদান সংযোগ কৰি কাম চলাবলৈ নিৰ্মাণ কৰা ভাষাটোৱেই হ'ল পিজিন। পিজিন বহু পৰিমাণে অস্থিতিশীল (Unstable) ভাষা। কিয়নো পিজিন ভাষাৰূপ সামাজিক পৰিস্থিতি বা প্ৰয়োজনীয়তাৰ তাগিতাতহে গঢ় লৈ উঠে। সেয়েহে স্থায়িত্বও নাথাকে। কিন্তু যেতিয়া প্ৰয়োজনীয়তাৰ খাতিৰত সৃষ্টি হোৱা এনে ভাষা এটা বৃহৎ অঞ্চলৰ মুখ্য কথিত ভাষাৰ ৰূপ গ্ৰহণ কৰে, তেতিয়া ই স্থিৰ ৰূপ লাভ কৰে। আকৌ স্থিতিশীল অৱস্থা পোৱাৰ পিছত পিজিন যেতিয়া কোনো গোষ্ঠীৰ মাতৃভাষাত পৰিণত হয়, তেতিয়া তাক ক্ৰেওল বোলা হয়। ক্ৰেওললৈ গতি কৰিলে সেই ভাষা ৰূপটো পিজিনৰ দৰে সহায়ক ভাষাৰূপ হৈ নাথাকে। নাগামিজ, নেফামিজ বা অৰুণাচলী অসমীয়া আদি অসমৰ উল্লেখযোগ্য সংযোগী ভাষা।



অগ্ৰগতি নিৰীক্ষণ

১. পিজিন আৰু ক্ৰেওল বুলিলে কি বুজা যায়? কেতিয়া এটা পিজিনে ক্ৰেওলৰ ৰূপ লাভ কৰে? (১০০ টা শব্দৰ ভিতৰত)

.....



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি --

. উজনি অসমৰ উপভাষা বা মান্য ভাষাৰ বিষয়ে অৱগত হ'ব পাৰিলে।

. নামনি আৰু মধ্য অসমৰ উপভাষাৰ বিষয়ে ধাৰণা লাভ কৰিলে।

. অসমৰ নৃগোষ্ঠীয় উপভাষা আৰু সংযোগী উপভাষাৰ বিষয়ে জানিব পাৰিলে।



৪.৯ অধিক জানিবলৈ

১. পাটগিৰি, দীপ্তি ফুকন (২০০৭), *অসমীয়া ভাষাৰ উপভাষা*, বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

২. পাঠক, ৰমেশ (২০১৩), *অসমীয়া ভাষাৰ ইতিহাস*, অশোক বুক ষ্টল, গুৱাহাটী

৩. পাঠক, ৰমেশ (২০১৩), *উপভাষা বিজ্ঞানৰ ভূমিকা*, অশোক বুক ষ্টল, গুৱাহাটী

৪. মৰল, দীপাংকৰ (২০০৭) *উপভাষা-বিজ্ঞান*, বনলতা, গুৱাহাটী

৫. শৰ্মা, অনুৰাধা (২০১৬), *সমাজ আৰু ভাষা - সমাজভাষাবিজ্ঞানৰ পৰিচয়*, বান্ধৱ, গুৱাহাটী।

৬. হাকাচাম, উপেন ৰাভা, (২০১৪), *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা*, জ্যোতি প্ৰকাশন, গুৱাহাটী।



৪.১০ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ -- আৰম্ভণি -- পিজিন আৰু ক্ৰেওলৰ পৰিচয় - ক্ৰেওলীকৰণৰ ভিত্তি -- সামৰণি



৪.১১ আৰ্হি প্ৰশ্ন

১. অসমীয়া ভাষাৰ প্ৰধান উপভাষাকেইটা কি কি? এটি পৰিচয় প্ৰদান কৰক।

২. কি কি কাৰণত উজনি অসমৰ উপভাষাই মান্য ভাষাৰ মৰ্যাদা লাভ কৰিলে? আলোচনা কৰক।

৩. চমুটোকা লিখক

ক) উজনি অসমৰ উপভাষা

খ) মধ্য অসমৰ উপভাষা

গ) নামনি অসমৰ উপভাষা

ঘ) পিজিন আৰু ক্ৰেওল

ঙ) নৃগোষ্ঠীয় উপভাষা

অধ্যায় ৫ঃ কামৰূপী উপভাষা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ কামৰূপী উপভাষা
৫.৪ কামৰূপী উপভাষাৰ ঐতিহাসিক পটভূমি আৰু ঔপভাষিক বৈচিত্ৰ্যৰ কাৰণ
৫.৪.১ প্ৰাচীন কামৰূপৰ শাসন ব্যৱস্থা আৰু স্থানীয় ৰূপৰ ভেদ
৫.৪.২ বিদেশী আক্ৰমণৰ প্ৰভাৱ
৫.৪.৩ ভৌগোলিক ব্যৱধান
৫.৪.৪ সুৰ বা সুৰ লহৰ
৫.৫ কামৰূপী উপভাষাৰ ভাষিক বৈশিষ্ট্য
৫.৫.১ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য
৫.৫.২ ৰূপতাত্ত্বিক বৈশিষ্ট্য
৫.৫.৩ শব্দগত বৈশিষ্ট্য
৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৭ অধিক জানিবলৈ
৫.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৫.৯ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কামৰূপী উপভাষাৰ সাধাৰণ পৰিচয় লাভ কৰি এই উপভাষাৰ বিষয়ে আলোচনা কৰিব পাৰিব
- কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহৰ লগত পৰিচিত হৈ সেইবোৰৰ বিৱৰণ আগবঢ়াব পাৰিব
- পুৰণি কামৰূপৰ শাসন ব্যৱস্থা, বিদেশী আক্ৰমণৰ প্ৰভাৱ, ভৌগোলিক ব্যৱধান, সুৰ বা লহৰৰ প্ৰভাৱ আদি বিভিন্ন কাৰকৰ বাবে কেনেদৰে কামৰূপী উপভাষাটিৰ স্থানীয় ৰূপসমূহৰ সৃষ্টি হৈছে সেই বিষয়ে অৱগত হৈ বিশ্লেষণ আগবঢ়াব পাৰিব
- কামৰূপী উপভাষাৰ স্বৰ আৰু ব্যঞ্জন ধ্বনিসমূহৰ লগত পৰিচিত হৈ সিবোৰৰ প্ৰয়োগ বিশ্লেষণ কৰিব পাৰিব
- কামৰূপী উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য, যেনে— পদ প্ৰকৰণ, লিংগ, বচন,

নির্দিষ্টতাবাচক প্রত্যয়, কাৰক আৰু শব্দ বিভক্তি আদিৰ বিষয়ে অধ্যয়ন কৰি এই দিশসমূহৰ ব্যাখ্যা আগবঢ়াব পাৰিব

- কামৰূপী উপভাষাৰ শব্দগত বৈশিষ্ট্যসমূহৰ বিৱৰণ দাঙি ধৰিব পাৰিব।

৫.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া, চতুর্থ যাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় 'উপভাষাবিজ্ঞান আৰু অসমীয়া উপভাষা'-ৰ অন্তর্গত এইটো পঞ্চম অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'কামৰূপী উপভাষা'।

অসমীয়া ভাষাটোৰ এটা উল্লেখযোগ্য উপভাষা হ'ল অবিভক্ত কামৰূপ জিলাত প্রচলিত কামৰূপী উপভাষা। গোৱালপাৰা জিলাৰ পূব দিশৰ পৰা মধ্য অসমলৈকে সমগ্র ব্রহ্মপুত্র উপত্যকাত এই কামৰূপী উপভাষা বিস্তৃত হৈ আছে। যদিও এই উপভাষাক সামগ্রিকভাৱে এই অঞ্চলৰ উমৈহতীয়া কথিত ভাষা বুলি ক'ব পাৰি, দৰাচলতে অঞ্চলটোৰ পূব, পশ্চিম, উত্তৰ, দক্ষিণ আদি বিভিন্ন খণ্ডত স্থানীয় ৰূপৰ প্রচলন আছে। পুৰণি কামৰূপৰ শাসন ব্যৱস্থা, বিদেশী আক্রমণৰ প্রভাৱ, ধর্মীয় ধাৰা, জনবসতিৰ গঠন প্রক্রিয়া, সামাজিক শ্রেণীবিন্যাস, অর্থনৈতিক শ্রেণীবিভাজন, ভৌগোলিক ব্যৱধান, সুৰ বা লহৰৰ প্রভাৱ আদি বিভিন্ন কাৰকৰ বাবে উপভাষাটিৰ স্থানীয় ৰূপৰ বৈচিত্র্য লক্ষ্য কৰা যায়। এই বিভাগটিত এই আটাইবোৰ দিশ পুংখানুপুংখভাৱে পর্যালোচনা কৰা হৈছে।

৫.৩ কামৰূপী উপভাষা


অবিভক্ত কামৰূপ জিলাৰ উপভাষা বা কামৰূপী উপভাষা অসমীয়া ভাষাৰ এটা প্রধান উপভাষা। ছাৰ আব্রাহাম গ্রীয়াৰ্ছনৰ *The Linguistic Survey of India* গ্রন্থত অসমীয়া ভাষাৰ পশ্চিমীয়া উপভাষাৰ ভিতৰত কামৰূপ জিলা আৰু চুবুৰীয়া অঞ্চলৰ কথিত উপভাষাৰ নিদর্শন আৰু বিৱৰণ দিয়া হৈছে। ভাষাতত্ত্ববিদ বাণীকান্ত কাকতিয়ে কামৰূপী উপভাষাক পশ্চিম অসমৰ অসমীয়া ভাষাৰ এটি অন্যতম আঞ্চলিক ৰূপ বুলি অভিহিত কৰিছে। এফালে উজনিৰ সাধুভাষা আৰু আনফালে গোৱালপৰীয়া উপভাষা, ইয়াৰ মাজতে অবিভক্ত কামৰূপ জিলাত কামৰূপী উপভাষাৰ প্রচলন আছে। একেটা উপভাষাৰে আকৌ কিছুমান স্থানীয় উপভাষা থাকে। স্থানীয় উপভাষাসমূহৰ মাজৰ ভাষাগত ভিন্নতা বা বৈষম্য উপভাষাৰ মাজৰ ভাষাগত ভিন্নতাতকৈ স্বাভাৱিকতে কম হয়। 'অসমীয়া ভাষাৰ ক্ষেত্রত উজনি আৰু নামনিৰ বিভিন্ন অঞ্চলত স্থানগতভাৱে, জনগোষ্ঠীগতভাৱে, বৃত্তিগতভাৱে বা অন্যান্য ধৰণে সংবদ্ধ সমূহবিলাকে ভাষাটোক কোৱাৰ সুকীয়া সুকীয়া বৈশিষ্ট্য। অৱশ্যে ইয়াৰ ভিতৰত অঞ্চলগত বা স্থানগত বৈশিষ্ট্যসমূহেই অধিক প্রকট।' অসমীয়া ভাষাৰ উজনিৰ উপভাষাটোৱে সাধু বা মান্য ভাষাৰ মর্যাদা লাভ কৰিছে। উজনি অসমৰ (শিৱসাগৰ, যোৰহাট, ডিব্রুগড়, লক্ষীমপুৰ আদি পূব অসমৰ আৰু তেজপুৰ,

নগাঁও আদি মধ্য অসমৰ অঞ্চলবোৰ) কথিত ভাষাসমূহৰ মাজত ভাষাগত সমৰূপতা আছে আৰু সেই আটাইবোৰত মান্য অসমীয়াৰ ৰূপেই পৰিলক্ষিত হয়। আনহাতে কিন্তু নামনিৰ এলেকাত কেইবাটাও আঞ্চলিক বা স্থানীয় উপভাষা পোৱা যায়। এইটো ঐতিহাসিক সত্য যে অসমীয়া ভাষাৰ প্ৰাথমিক গঠন আৰু বিকাশৰ কালত ইয়াৰ বিস্তাৰ হৈছিল ক্ৰমে পশ্চিমৰ পৰা পূবলৈ; মধ্যযুগত অসমীয়া ভাষাৰ কেন্দ্ৰস্থল আছিল নামনি অসম। ভাষাতত্ত্ববিদ উপেন্দ্ৰনাথ গোস্বামীৰ মতে, 'সোতৰ শতিকাৰ আগৰ কালছোৱাত অসমৰ নামনি অঞ্চলতে সাহিত্য কলাৰ কেন্দ্ৰ গঢ়ি উঠিছিল। কবি আৰু লেখকসকলো এই অঞ্চলৰ পৰাই ওলাইছিল আৰু এই অঞ্চলৰ ভাষাৰো মৰ্যাদা বাঢ়িছিল। কমতাপুৰ, জয়ন্তীপুৰ আৰু কোচবিহাৰৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত প্ৰাচীন অসমীয়া সাহিত্যৰ এই অঞ্চলতে সৃষ্টি হৈছিল। প্ৰথম অসমীয়া কবি হেম সৰস্বতী, অপ্ৰমাদী কবি মাধৱ কন্দলী, মনসা কবি মনকৰ, দুৰ্গাবৰ, নাৰায়ণদেৱ আনকি শংকৰদেৱ, মাধৱদেৱ, অসমীয়া গদ্য-সাহিত্যৰ জনক ভট্টদেৱ আদিৰ ৰচনাত নামনি অঞ্চলত, বিশেষকৈ অবিভক্ত কামৰূপ জিলাত এতিয়াও কোৱা ভাষাৰ সুন্দৰ চানেকি পোৱা যায়।' গতিকে মধ্যযুগত অন্ততঃ সাহিত্য ৰচনাৰ ক্ষেত্ৰত নামনিৰ ভাষাৰেই মান্যতা অধিক আছিল। চতুৰ্দশ শতিকাৰ পৰা প্ৰায় অষ্টাদশ শতিকালৈ ৰচিত পুৰণি অসমীয়া সাহিত্যত ৰক্ষিত ভাষিক ৰূপে এইটো প্ৰতীয়মান কৰে যে অষ্টদশ শতিকালৈকে নামনি অসমৰ বিভিন্ন অঞ্চলৰ ভাষাত সমৰূপতা আছিল। প্ৰায় সপ্তদশ-অষ্টাদশ শতিকালৈকে ভাষিক সমৰূপতা বিৰাজ কৰা নামনি অসমৰ অঞ্চলসমূহত পাছলৈ আঞ্চলিক বৈষম্য প্ৰকট হৈ পৰাটো বিশেষ তাৎপৰ্যপূৰ্ণ কথা। মধ্যযুগত, সাংস্কৃতিক কেন্দ্ৰৰ সালসলনি, এক দীৰ্ঘকালীন সুস্থিৰ প্ৰশাসনৰ অভাৱ, সময় বিশেষে ভিন্ ভিন্ অঞ্চলত বিভিন্ন ৰাজকীয় শাসনৰ উত্থান, বিদেশী শক্তিৰ সঘন আক্ৰমণ আদিয়ে নামনিৰ ঔপভাষিক ৰূপবোৰৰ সমৰূপতাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিলে। এইবোৰকে মুখ্য কৰি আন বহুতো কাৰণেও নামনি অসমৰ অঞ্চল বিশেষে ভাষাগত ব্যৱধান সৃষ্টি হোৱাত অৰিহণা যোগাইছে।

নামনি অসমৰ অবিভক্ত কামৰূপ জিলাত প্ৰচলিত কামৰূপী উপভাষা অসমীয়া ভাষাৰে এটি অন্যতম আঞ্চলিক ৰূপ। সোতৰ শতিকালৈকে কথিত আৰু সাহিত্যিক দুয়োটা ভাষাৰে স্থান অধিকাৰ কৰা কামৰূপী ভাষাই পাছলৈ কথিত উপভাষাৰ ৰূপ পৰিগ্ৰহণ কৰিলে। কামৰূপী উপভাষা বিভিন্ন বৈশিষ্ট্যৰে সমৃদ্ধ কথিত উপভাষা। অবিভক্ত কামৰূপ জিলাৰ অঞ্চল বিশেষে বহুতো থলুৱা ঔপভাষিক বৈশিষ্ট্য পোৱা যায়। এটা অঞ্চলৰে এখন ঠাইৰ লগত আন এখন ঠাইৰ ভাষাৰ ধ্বনিগত, ৰূপগত, শব্দগত বা বাক্যগত পাৰ্থক্য দেখা যায়। আঞ্চলিক বা স্থানীয় ৰূপবোৰৰ ভিতৰতো আকৌ ঠাই ভেদে কিছু কিছু নিজস্ব বৈশিষ্ট্য পৰিলক্ষিত হয়। কেতিয়াবা একেটা অঞ্চলৰে বিভিন্নজনৰ ভাষিক কথ্যৰূপত ভাষাগত বিভিন্নতা দেখা যায়। ভাষাতত্ত্ববিদ দীপংকৰ মৰলে *উপ-ভাষাবিজ্ঞান*ৰ পাতনিত এনেদৰে উল্লেখ কৰিছে— "Kamrupi dialect of Assamese does not mean that only one dialect is spoken in Kamrup nor does it mean that there is no variation in Kamrupi dialect, but it means

that the dialects of Assamese in the Kamrup region share certain distinguishing characteristic features which mark it different from other regional dialects of Assamese.''

কামৰূপী উপভাষাক যদিও সামগ্রিকভাৱে সংশ্লিষ্ট অঞ্চলটোৰ উমৈহতীয়া কথিত ভাষা বুলি ক'ব পাৰি, দৰাচলতে অঞ্চলটোৰ পূব, পশ্চিম, উত্তৰ, দক্ষিণ আদি বিভিন্ন খণ্ডত বিভিন্ন স্থানীয় ৰূপৰ প্রচলন আছে। বিভিন্ন খণ্ডৰ স্থানীয় ৰূপসমূহৰ কথনভংগীৰ সুকীয়া বৈশিষ্ট্য আছে আৰু উপভাষা কওঁতাসকল নিজেই এই স্থানীয় ভাষাগত বৈশিষ্ট্য সম্পর্কে সচেতন। কোনো কোনো স্থানীয় ৰূপৰ মাত-কথাত আকৌ একোটা সুকীয়া ঠাঁচ আৰু সুৰ আছে। কোনোবাটো স্থানীয় ৰূপত মিশ্রিত কথ্যৰূপৰো ব্যৱহাৰ হয়। এইফালৰ পৰা কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহৰ ঔপভাষিক সীমাৰেখা নির্ণয় কৰাটো কঠিন। কেতিয়াবা উত্তৰ অঞ্চলৰ কোনো এটি স্থানীয় ৰূপৰ লগত দক্ষিণ অঞ্চলৰ এটি স্থানীয় ৰূপৰ অধিক সাদৃশ্য দেখা যায়। কেতিয়াবা আকৌ একেটা অঞ্চলৰে স্থানীয় ৰূপৰ মাজত ভাষাগত বৈষম্য দেখা যায়। ইয়াৰ মূল কাৰণ হ'ল ভৌগোলিক আৰু সামাজিক ব্যৱধান। স্থানীয় উপভাষাসমূহৰ সীমা নির্ণয়ত ভৌগোলিক ব্যৱধানতকৈ সামাজিক ব্যৱধানে গুৰুত্বপূর্ণ ভূমিকা লয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কামৰূপী উপভাষাৰ কি কি আঞ্চলিক ভেদ পোৱা যায় ফঁহিয়াই দেখুৱাওক। (১০০ টা শব্দৰ ভিতৰত)

.....

৫.৪ কামৰূপী উপভাষাৰ ঐতিহাসিক পটভূমি আৰু ঔপভাষিক বৈচিত্র্যৰ কাৰণ

৫.৪.১ প্রাচীন কামৰূপৰ শাসন ব্যৱস্থা আৰু স্থানীয় ৰূপৰ ভেদ

ঐতিহাসিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে বিভিন্ন জনগোষ্ঠী অধ্যুষিত অঞ্চল হিচাপে প্রাচীন কামৰূপত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ প্রত্যেকৰে নিজা নিজা ভাষা আছিল আৰু এই সকলোবিলাকেই আছিল আর্য-বহির্ভূত ভাষা। শেহতীয়া প্রব্রজনকাৰী হিচাপে কামৰূপ ৰাজ্যলৈ অহা আর্যগোষ্ঠীৰ লগত স্থানীয় আর্যভিন্ন বিভিন্ন গোষ্ঠীৰ লোকৰ একপ্রকাৰ অবিচ্ছেদ্য সম্পর্ক স্থাপন হৈছিল। আর্যসকলৰ ভাষা-সংস্কৃতিৰ ক্রমাগত প্রসাৰণৰ লগে লগে আর্যভিন্ন লোকসকল হিন্দুধর্মৰ প্রতি আকৃষ্ট হৈছিল আৰু তাৰ লগে লগে ঐতিহাসিক 'আর্যীকৰণ' প্রক্রিয়া এটাও আৰম্ভ হৈছিল। আর্যগোষ্ঠীপ্রসূত ব্রাহ্মণসকলে আর্যেতৰ মুখিয়ালসকলক হিন্দুধর্মত দীক্ষিত

কৰে আৰু আর্য ৰাজতন্ত্ৰৰ নীতি অনুসৰি আর্যভিন্ন ৰজাক 'আর্যীকৃত' ক্ষত্রিয় কৰি এক দৈৱীক সূত্রৰ লগত তেওঁলোকক সংযুক্ত কৰা হৈছিল। আর্য-অনার্যৰ মাজত সাংস্কৃতিক বিনিময়ৰ লগতে বৈবাহিক সম্পর্কও স্থাপিত হৈছিল। তেওঁলোকৰ পাৰস্পৰিক ভাব বিনিময়ৰ মাধ্যমো হৈছিল আর্য-অনার্যৰ উমৈহতীয়া মিশ্রভাষা। আর্যভিন্ন জনগোষ্ঠীৰ লোকসকলৰ ভিতৰত খ্ৰীঃপূঃ এহেজাৰ-ডেৰহাজাৰ বছৰৰ আগতে মেছী নদীৰ পাৰৰ পৰা আহি প্রাচীন কামৰূপত বসতি কৰা কোচসকলেই হ'ল আর্য ফৈদলৈ অহা প্রথম জনগোষ্ঠী। পাছলৈ কামৰূপত শালস্তম্ভ আৰু পাল বংশৰ ৰজাসকলৰ ৰাজত্ব কাললৈকে এই 'আর্যীকৰণ' প্রক্রিয়া অব্যাহত থাকে। ৰজা আৰু আর্য পুৰোহিত শ্রেণীৰ সংযোগকাৰী ভাষা হিচাপে মধ্যযুগৰ প্রথম অৱস্থাৰ পৰাই কামৰূপৰ ভাষাই সুকীয়া গঢ় ল'বলৈ আৰম্ভ কৰে।

ত্রয়োদশ শতিকাটো প্রাচীন কামৰূপৰ ইতিহাসৰ এক উল্লেখযোগ্য কাল। এই শতিকাৰ মাজভাগত প্রাচীন কামৰূপ ৰাজ্য খণ্ড-বিখণ্ড হৈ পশ্চিমত নতুনকৈ কমতাপুৰ ৰাজ্য গঠিত হয়। কামৰূপৰ পাল ৰাজবংশৰ পতনৰ পাছত ১২৬০ খ্ৰীঃত ৰজা সন্ধাই বর্তমানৰ উত্তৰ গুৱাহাটীৰ পৰা কমতাপুৰলৈ ৰাজ্য স্থানান্তৰ কৰে। কোনো কোনো ঐতিহাসিকে এই ৰাজ্যক কামৰূপ-কমতা বুলি কয়। এই কামৰূপ-কমতা ৰাজ্যৰ ভিতৰত আছিল বর্তমানৰ ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ, বৰপেটা, বঙাইগাঁও, নলবাৰী, জলপাইগুৰি আৰু বাংলাদেশৰ ৰংপুৰ আৰু মৈমনসিংহ জিলা। লগতে বংগদেশৰ উত্তৰ-পূব অঞ্চলো প্রাচীন কামৰূপ-কমতা ৰাজ্যৰ ভিতৰুৱা আছিল। ষোড়শ শতিকাৰ আৰম্ভণিতে এই কমতা ৰাজ্যত মংগোলীয় জনগোষ্ঠীৰ কোচসকলে ৰাজ্য প্রতিষ্ঠা কৰি পশ্চিমে উত্তৰ বংগৰ বর্তমান কোচবিহাৰ আৰু উত্তৰে নেপাল-ভূটানৰ সীমা পর্যন্ত এই ভূখণ্ড অধিকাৰ কৰি লয়। 'ইতিহাসবিদ° যদুনাথ সৰকাৰৰ মতে কৰতোৱা নদীৰ পৰা আৰম্ভ কৰি বড়নদীলৈকে কামতা ৰাজ্য বিস্তৃত আছিল।' প্রাচীন কমতা ৰাজ্যত একাদিক্রমে কেবাটাও ফৈদৰ কোচ ৰজাই ৰাজত্ব কৰিছিল। কোচ ৰাজ্যৰ দৰেই ত্রয়োদশ শতিকাৰ পাছৰ পৰাই সমগ্র উত্তৰ-পূর্বাঞ্চলত কেইবাখনো নতুন জনজাতীয় ৰাজ্য গঠনৰ প্রক্রিয়া আৰম্ভ হয়। উজনিৰ ব্রহ্মপুত্র উপত্যকাত আহোম, চুতীয়াসকলে ৰাজ্য স্থাপন কৰে। ব্রহ্মপুত্রৰ দক্ষিণ পাৰে আহোমসকলৰ সীমা পর্যন্ত এই বিস্তীর্ণ অঞ্চলত কছাৰী জনজাতিসকলে ৰাজ্য প্রতিষ্ঠা কৰে। তদুপৰি জয়ন্তীয়াসকলে বর্তমানৰ মেঘালয় আৰু দাঁতিকাষৰীয়া অঞ্চলক লৈ জয়ন্তীয়া ৰাজ্য গঠন কৰে। জনজাতিসকলৰ ৰাজ্য প্রতিষ্ঠাৰ আঁৰত আছিল একো একোজন গোষ্ঠীপতি বা জনজাতীয় মুৰব্বীৰ আৱির্ভাৱ। আর্থ-সামাজিক কাৰণত কেতিয়াবা গোষ্ঠীজনতাৰ ওপৰত একোজন মুৰব্বীৰ আধিপত্য বিস্তাৰ হয়। এনে একোজন মুৰব্বীৰ অধীনলৈ সময়ত চুবুৰীয়া কেইবাটাও দুর্বল গোষ্ঠী অহাৰ লগে লগে এক বহল অঞ্চলৰ সৰহ সংখ্যক লোকৰ ওপৰত একোজন জনজাতীয় নেতা বা মুখিয়ালৰ সৃষ্টি হয়। এনে এগৰাকী জনজাতীয় মুৰব্বী আছিল

কোচ দলপতি বিশু; এই বিশুৰেই হ'ল কোচ ৰাজ্যৰ প্ৰতিষ্ঠাতা বিশ্বসিংহ। বিশুৰে আনুমানিক ১৫১৫ খ্ৰীঃত কোচ আৰু মেচ জনজাতীয় লোকসকলক এক গোট কৰি কোচৰাজ্যৰ ভেটি প্ৰতিষ্ঠা কৰে। অৱশ্যে খাঁ চৌধুৰী আমানতউল্লাই তেওঁৰ *কোচবিহাৰৰ ইতিহাস*-ত এনেদৰে মন্তব্য দিছে, "আনুমানিক ১৫০৫ খ্ৰীষ্টাব্দত কামৰূপ ৰাজ্যৰ আটগাঁও নিবাসী পাঠান প্ৰতিনিধি তুৰুকা কোতোয়ালেৰ সংগে বিশ্বসিংহেৰ যুদ্ধ হয়। এই যুদ্ধত বিশ্বসিংহই তুৰুকা কোতোয়ালাক পৰাজিত ও নিহত কৰি কামৰূপেৰ অধীশ্বৰ বুলি পৰিচিত হয়।" উজনিত আহোমসকলে যেতিয়া চুতীয়া আৰু কছাৰী ৰাজ্য অধিকাৰ কৰি তেওঁলোকৰ ৰাজনৈতিক আধিপত্য সুদৃঢ় কৰাত লাগিছিল, সেই সময়ত কোচ ৰজা বিশ্বসিংহই নামনিৰ স্থানীয় ভূঞাসকলক দমন কৰি তেওঁলোকৰ অধীনৰ অঞ্চলবোৰ নিজ ৰাজ্যৰ ভিতৰুৱা কৰিছিল। বিশ্বসিংহৰ ৰাজ্য ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে পশ্চিমে কৰতোৱাৰ পৰা পূবে বৰনদীলৈ বিস্তৃত হৈ পৰিছিল। ভূঞাসকলৰ উপৰি নামনি অসমৰ বিভিন্ন অঞ্চলত সেই সময়ত জনজাতীয় জমিদাৰ বা সামন্তসকলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য আছিল। বিশ্বসিংহই সামন্তসকলকো জয় কৰি তেওঁৰ তলতীয়া কৰি লৈছিল। "ৰাজ্যৰ ওচৰ-চুবুৰীয়া অঞ্চল ডিমৰিৱা, বেলতলা, ৰাণী, লুকী, বকাই, পান্থান, বকো, বনগাঁও, মৈৰাপুৰ, ভোলাগাঁও, ছয়গাঁও, বাইনগৰ, দৰঙ্গ, কড়াইবাড়ী, আঠিয়াবাৰী, কামতাবাড়ী, বলৰামপুৰ ইত্যাদিৰ মুখ্য বা প্ৰধানসকলক বিশ্বসিংহই সামন্ত মুখ্যৰ (সামন্ত ৰজা) পদ দান কৰিছিল।" তেওঁৰ সময়ত বজালীত গন্ধৰ্ব ভূঞা, ফুলগুৰি বিজনীত ৰেংকটগিৰী ভূঞা আৰু ভূটানৰ পাদদেশত থকা বৰবিজনী ৰাজ্যৰ উত্তৰখণ্ডত লক্ষ্মীনাৰায়ণ ভূঞাই শাসন কৰিছিল বুলি বুৰঞ্জীত উল্লেখ পোৱা যায়। গেইট চাহাবে বিশ্বসিংহৰ ৰাজ্যৰ বিস্তৃতি সম্পৰ্কে এনেদৰে লিখিছে, "He (i.e. Biswasingha) subdued the Chiefs of Phulguri Bijni and other places, and gradually extended his rule as far as the Karatoya in the West and the Bara Nadi in the East." পাছত বিশ্বসিংহই কোচবেহাৰত নতুন ৰাজধানী প্ৰতিষ্ঠা কৰে। শাসনকাৰ্য পৰিচালনা কৰিবলৈ বিশ্বসিংহই কিছুমান নতুন বিষয়বাবৰ সৃষ্টি কৰিছিল। প্ৰত্যেক কুৰিজনৰ ওপৰত 'ঠাকুৰীয়া', এশজনৰ ওপৰত 'শইকীয়া', এহেজাৰজনৰ ওপৰত 'হাজৰিকা', তিনি হেজাৰৰ ওপৰত 'উমৰাহ' আৰু ষাঠি হাজাৰ পাইকৰ (যোদ্ধা শ্ৰমিক) ওপৰত আছিল 'নবাব' নামৰ কৰ্মচাৰী বা সেনাধ্যক্ষ। ৰজা বিশ্বসিংহক হিন্দুধৰ্মত দীক্ষিত প্ৰথম কোচ বুলি ঐতিহাসিকসকলে কয়। তেওঁ ৰজা হোৱাৰ পাছতে পশ্চিমৰ ব্ৰাহ্মণ্য হিন্দুধৰ্ম আৰু আৰ্য সংস্কৃতিৰ কেন্দ্ৰস্থান কনৌজ, কাশীৰ পৰা ব্ৰাহ্মণ আনি দীক্ষা গ্ৰহণ কৰিছিল আৰু তেওঁলোকক ব্ৰহ্মোত্তৰ মাটি দান কৰি ধৰ্ম বা ৰাজ্য শাসন-বিষয়ত উপদেষ্টা নিয়োগ কৰিছিল। বিশ্বসিংহৰ পুত্ৰ মহাৰাজ নৰনাৰায়ণে আনুমানিক ১৫৫৫ খ্ৰীঃত কামৰূপলৈ আহি বৰপেটা চহৰৰ পৰা আঠ মাইলমান উত্তৰে বৰজানৰ (মানাহ নদী) পাৰত বৰনগৰ নাম দি এখন অস্থায়ী ৰাজধানী পাতিছিল। পাছলৈ এই বৰনগৰৰ নাম

অনুসৰি বেকী নদীৰ পশ্চিম পাৰৰ বিস্তৃত অঞ্চলটোৰ নামো বৰনগৰ হয়গৈ। *দৰঙ্গ ৰাজবংশাৱলী* মতে মহাৰাজ নৰনাৰায়ণ বৰনগৰত থাকোঁতে শংকৰদেৱ প্ৰমুখ্যে বিদ্বান পণ্ডিতসকলক মাতি নি ধৰ্মশাস্ত্ৰ প্ৰণয়নৰ বাবে আদেশ দিছিল। ষোড়শ শতিকাৰ শেষভাগত কামৰূপৰ ৰাজনৈতিক ক্ষেত্ৰখনত ভালেখিনি পৰিৱৰ্তনৰ সূচনা হয়। এই সময়ছোৱাত চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱ নাৰায়ণৰ বিদ্রোহৰ হেতু কোচৰাজ্য ভাগি দুখণ্ডত পৰিণত হয়। বুৰঞ্জীত দুখন কোচ ৰাজ্যৰ উল্লেখ পোৱা যায়— পশ্চিমখনৰ নাম কোচবিহাৰ (বেহাৰ) আৰু পূবখনৰ নাম কোচ-হাজো (কামৰূপ)। বৰ্তমান দৰং জিলাৰ ভৰলী নদীলৈকে কামৰূপ আৰু গোৱালপাৰা জিলা, গাৰো পাহাৰ আৰু ব্ৰহ্মপুত্ৰৰ পুৰণি সুঁতিটোৰ মাজৰ মৈমনসিংহ জিলাৰ উত্তৰ অংশখিনি কোচ-হাজোৰ ভিতৰত পৰিছিল। কোচবিহাৰ আৰু দিনাজপুৰৰ কিছু অংশ, জলপাইগুৰি আৰু ৰংপুৰ জিলা কোচবিহাৰৰ অন্তৰ্ভুক্ত আছিল। এই বিভাজনৰ ফলত পাছলৈ দুইখণ্ড কোচ ৰাজ্যৰ মাজত সঘনে সংঘৰ্ষ হৈ পৰস্পৰে পৰস্পৰৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰে। ফলস্বৰূপে কামৰূপৰ পূব আৰু পশ্চিম অংশৰ মাজত যোগাযোগ নাইকিয়া হৈ পৰে আৰু ইয়ে মধ্যযুগৰ কামৰূপৰ সামাজিক-সাংস্কৃতিক জীৱনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়। নৰনাৰায়ণৰ পুত্ৰ লক্ষ্মীনাৰায়ণৰ দিনত তেওঁৰ দুৰ্বলতাৰ হেতু কোচবেহাৰ ৰাজ্য মোগল সাম্ৰাজ্যবাদী নীতিৰ বলি হ'বলগা হয়। পাছলৈ এই ৰাজ্যখণ্ড মোগল শাসনৰ অধীন বংগদেশৰ লগত মিলি যায়। ভাতৃ সংঘৰ্ষৰ পৰিণতি হিচাপে ৰঘুদেৱৰ পুত্ৰ পৰীক্ষিত নাৰায়ণৰ দিনত সমগ্ৰ কোচ-হাজো ৰাজ্যক বিলাত (বিলায়ত) হিচাপে ধৰি এই ৰাজ্যত মোগলৰ শাসন প্ৰৱৰ্তন কৰা হয়। এই বিলাতখনক চাৰিখন চৰকাৰত ভাগ কৰি প্ৰত্যেক চৰকাৰৰে তলত কেইবাখনকৈ পৰগণাৰ সৃষ্টি কৰা হৈছিল। ইয়াৰ ফলস্বৰূপে কোচ-হাজোৰ বিভিন্ন অঞ্চলত আঞ্চলিক বৈষম্য প্ৰকট হৈ পৰিছিল। পূবৰ আহোম আৰু পশ্চিমৰ মোগল ৰাজশক্তিৰ প্ৰসাৰণবাদী অগ্ৰগতিয়ে কোচবেহাৰ আৰু কোচ-হাজো ৰাজ্যৰ অস্তিত্ব সম্পূৰ্ণৰূপে বিপন্ন কৰে। কোচ-হাজোৰ পতনৰ পিছত দীৰ্ঘকাল জুৰি আহোম আৰু মোগলৰ সংঘৰ্ষ হয়। আহোম ৰজা প্ৰতাপসিংহৰ দিনত ১৬৩৯ খ্ৰীঃত হোৱা আহোম-মোগলৰ সন্ধিমতে গুৱাহাটীকে ধৰি সমগ্ৰ নামনি খণ্ড মোগলৰ হাতলৈ যায়। সপ্তদশ শতিকাৰ শেষভাগত বিখ্যাত শৰাইঘাটৰ যুদ্ধৰ পাছত কামৰূপত মোগল ৰাজশক্তিৰ পতন হয়। শৰাইঘাটৰ যুদ্ধৰ পৰৱৰ্তী দশকটোত (১৬৭১-১৬৮১) কামৰূপৰ ইতিহাসত এক ৰাজনৈতিক সংকটে দেখা দিছিল। আহোম ৰাজত্বৰ এই ৰাজনৈতিক অস্থিৰতাৰ সময়ছোৱাতেই লালুকসোলা বৰফুকনৰ দিনত গুৱাহাটীসহ নামনি অঞ্চল পুনৰ মোগলৰ অধীনলৈ যায়। পিছত তুংখুঙীয়া ফৈদৰ গদাধৰ সিংহই (১৬৮১-১৬৯৬) মোগলৰ হাতৰ পৰা নামনি অঞ্চল উদ্ধাৰ কৰে আৰু ৰাজনৈতিক অস্থিৰতাৰ কিছু পৰিমাণে অৱসান ঘটায়। গদাধৰ সিংহৰ বংশধৰসকলে আহোম ৰাজত্বৰ শেষলৈকে ৰাজত্ব কৰিছিল। আহোমসকলে প্ৰাচীন কামৰূপ আৰু কামৰূপ-কমতা ৰাজ্যসহ

সমসাময়িক সকলো জনজাতীয় ৰাজ্য আৰু ভূঞা আদি সামন্ত জমিদাৰসকলৰ অধীনত থকা অঞ্চলসমূহ ক্ৰমান্বয়ে একেলগ কৰি এখন নতুন শক্তিশালী ৰাজ্য গঢ়ি তুলিছিল। কামৰূপ অঞ্চলত আহোম শাসন ব্যৱস্থা সম্পূৰ্ণৰূপে বলৱৎ কৰা নাছিল। নামনি খণ্ড ৰাজ্য বৰফুকনৰ অধীনত দিছিল আৰু ইয়াক কেবাটাও পৰগণা বা জিলাত ভাগ কৰিছিল। প্ৰতি পৰগণাতে একোজনকৈ সামন্ত জমিদাৰ স্বৰূপ 'চৌধুৰী' বা 'চৌধাৰী' আছিল। তেওঁৰ অধীনত তালুকদাৰ, পাটোৱাৰী, ঠাকুৰীয়া, পাটগিৰি আদি কনিষ্ঠ বিষয়া আছিল। চৌধুৰীৰ পৰা আৰম্ভ কৰি পাটগিৰিলৈকে সকলো বিষয়াই মাটিৰ একো একোটা অংশ নিজাববীয়াকৈ পাইছিল। ইয়াৰ উপৰি আহোম শাসনৰ অধীনত নামনিখণ্ডত বেলতলা, ৰাণী, লুকী, ডিমৰুৱা আদি বহুতো জনজাতীয় ৰাজ্য আছিল। কোচ ৰাজশক্তিৰ উত্থানৰ প্ৰাৰম্ভণত নামনি অঞ্চল এক সুস্থিৰ প্ৰশাসনৰ অধীনত থকাৰ বিপৰীতে পাছলৈ সৃষ্টি হোৱা গৃহ বিবাদৰ হেতু আৰু সময়বিশেষে মোগল আৰু আহোমে এই অঞ্চল অধিকাৰ কৰাৰ ফলস্বৰূপে এনেদৰে বিভিন্ন সময়ত প্ৰাচীন কামৰূপৰ বিভিন্ন অঞ্চল বিভিন্ন ৰাজনৈতিক গোটৰ শাসনাধীন হৈছিল। গতিকে কামৰূপৰ বিভিন্ন অঞ্চল, বিভিন্ন সময়ত সুকীয়া সুকীয়া ৰাজনৈতিক গোটৰ অধীনত থকা ঐতিহাসিক সত্যতাই অঞ্চল বিশেষে সুকীয়া ভাষিক ৰূপ সৃষ্টিৰ প্ৰামাণ্যকেই প্ৰতিপন্ন কৰে।

৫.৪.২ বিদেশী আক্ৰমণৰ প্ৰভাৱ

বিদেশী শক্তিৰ আক্ৰমণে পৰোক্ষভাৱে কামৰূপৰ অঞ্চল বিশেষে ভাষাগত বৈষম্যৰ সৃষ্টিত অৰিহণা যোগাইছিল। ত্ৰয়োদশ শতিকাৰ প্ৰাৰম্ভণৰ পৰা সপ্তদশ শতিকাৰ শেষলৈকে মোগল সৈন্যই প্ৰায় লেথেৰি নিছিগাকৈ প্ৰাচীন কামৰূপ ৰাজ্য আক্ৰমণ কৰিছিল। কামৰূপৰ নামনি অঞ্চল প্ৰায় ছাব্বিশ বছৰ কাল ছেগাচোৰোকাকৈ মোগলে শাসন কৰিছিল। এই প্ৰসংগত গুণাভিৰাম বৰুৱাই 'আসাম বুৰঞ্জী'ত এনেদৰে উল্লেখ কৰিছে— "মুসলমানৰ অসম আক্ৰমণৰ সময়ত কামৰূপৰ ৰাজধানী গুৱাহাটীত নাছিল, ভাটী অঞ্চলত আছিল। প্ৰায় ৩০ বছৰ কাল সমগ্ৰ কামৰূপ মুসলমানৰ অধীনত আছিল। শাসনকৰ্তাসকলে ৰঙ্গামাটি, হাজো, গুৱাহাটী আদিত থাকিয়েই দেশ শাসন কৰিছিল। দৰঙ্গী ৰজাৰ ফৈদ স্বাধীন থাকিলেও মুসলমানৰ কৰতলীয়া যে আছিল, কোনো সংশয় নাই। ইফালে বিজনীৰ ৰজা আৰু সমুদায় গুৱালপাৰা জিলা মুসলমানৰ অধীন আছিল।"

১২০৫-০৬ খ্ৰীষ্টাব্দত বংগদেশৰ শাসনকৰ্তা মহম্মদ-বিন্-বখতিয়াৰে প্ৰথম কামৰূপ ৰাজ্য আক্ৰমণ কৰে। এই আক্ৰমণত আক্ৰমণকাৰীসকল নিজেই বিধ্বস্ত হয় যদিও মহম্মদ-বিন্-বখতিয়াৰৰ লগত অহা বহুখিনি মুছলমান সৈন্য নিগাজীকৈ কামৰূপত থাকি যায় বুলি বুৰঞ্জীত উল্লেখ আছে। ১২২৭ খ্ৰীষ্টাব্দত মুছলমানসকলে কামৰূপৰাজ পৃথুৰ দিনত দ্বিতীয়বাৰ কামৰূপ ৰাজ্য আক্ৰমণ কৰে। বংগদেশৰ বিদ্ৰোহী শাসনকৰ্তা ঘিয়াছুদ্দিন ইৱাজে এই আক্ৰমণ চলাইছিল যদিও ৰজা পৃথুই এই আক্ৰমণ প্ৰতিৰোধ

কৰিবলৈ সমর্থ হয়। অৱশ্যে ১২২৮ খ্ৰীঃত বংগৰ শাসনকর্তা নাছিৰুদ্দিনে কামৰূপ আক্রমণ কৰাত পৃথু ৰজাই পৰাজয় বৰণ কৰে আৰু পৃথুৰ উত্তৰাধিকাৰী এজনে দিল্লীৰ চুলতানৰ কৰতলীয়া হিচাপে কামৰূপ ৰাজ্যৰ শাসনভাৰ গ্রহণ কৰে। ১২৫৭ খ্ৰীষ্টাব্দত বংগৰ চুলতান উজবেক টুঘ্রিল খাঁই পুনৰ কামৰূপ ৰাজ্য আক্রমণ কৰাৰ সময়ত কামৰূপৰ ৰজা আছিল সন্ধ্যা। ব্রহ্মপুত্রৰ উত্তৰ পাৰত অৱস্থিত ৰাজধানী কামৰূপ নগৰ (উত্তৰ গুৱাহাটী) পর্যন্ত মুছলমান সৈন্য আগবাঢ়ি অহাত ৰজা সন্ধ্যাই ৰাজধানী এৰি পলাই যায় যদিও বাৰিষাকালত কামৰূপৰ সৈন্যবাহিনীৰ ৰণকৌশলত তিষ্ঠিব নোৱাৰি মুছলমান সেনা নগৰ এৰি গুচি যায়। এই আক্রমণৰ পিছতেই ৰজা সন্ধ্যাই উত্তৰ গুৱাহাটীৰ পৰা কমতাপুৰলৈ ৰাজ্য স্থানান্তৰ কৰে।

টুঘ্রিল খাঁৰ পৰাজয়ৰ পাছৰ পৰা পঞ্চদশ শতিকাৰ শেষলৈ কামৰূপত বিদেশীৰ আক্রমণ হোৱা নাছিল। পঞ্চদশ শতিকাৰ শেষভাগত (১৪৯৮ খ্ৰীঃ) কমতাৰাজ নীলাম্বৰৰ দিনত গৌড়ৰ নবাব হুছেইন ছাহে কমতা ৰাজ্য আক্রমণ কৰে আৰু পুতেক দানিয়েলক হাজোৰ শাসনকর্তা পাতি গৌড়লৈ উভতি যায়। নীলাম্বৰৰ পতনৰ লগে লগে কামৰূপত কমতাৰ পতন হয়। পাছত স্থানীয় ভূঞা নায়ক আৰু জনজাতীয় সামন্তসকলে একত্রিত হৈ দানিয়েলৰ দুর্গ আক্রমণ কৰি দানিয়েলক পৰাস্ত কৰে। হুছেইন ছাহৰ কমতা ৰাজ্য আক্রমণৰ সময়তে কামৰূপৰ হাজো আৰু তাৰ ওচৰে-পাঁজৰে বহু মুছলমান লোক ৰৈ যায়। সেয়ে হাজোক কেন্দ্র কৰি তাৰ ওচৰ-পাঁজৰৰ অঞ্চলৰ ভাষাত আৰবী, পার্চী আৰু তুর্কী ভাষাৰ প্রভাৱ অধিক। কামৰূপত ৰৈ যোৱা মুছলমানবিলাক পাছলৈ বিয়া-বাৰু কৰাই অসমীয়া মানুহৰ লগত মিলি যায়।

ষোড়শ শতিকাৰ প্রথমভাগত কোচ ৰজা বিশ্বসিংহৰ ৰাজত্বকালত মুছলমানে পুনৰ কামৰূপ আক্রমণ কৰে। সমসাময়িক সময়ছোৱাত মুছলমানসকলে পূবৰ আহোম ৰাজ্যও আক্রমণ কৰে। সপ্তদশ শতিকাৰ শেষভাগ পর্যন্ত আহোম আৰু কোচ ৰজাসকলৰ লগত বংগদেশ আৰু দিল্লীৰ মুছলমান ৰজাসকলৰ সামৰিক সংঘর্ষ চলি থাকে। সপ্তদশ শতিকাৰ শেষভাগত (১৬৮২ খ্ৰীঃ) হোৱা ইটাখুলিৰ ৰণত আহোমে মোগলক সম্পূর্ণৰূপে পৰাস্ত কৰে আৰু মানাহ নদী পাৰ কৰি থৈ আহে। সোতৰ শতিকাত মুছলমানৰ কোচ ৰাজ্য আৰু আহোম ৰাজ্য আক্রমণৰ সময়ত দুয়োখন কোচ ৰাজ্য আৰু আহোম ৰাজ্যত যি বিশৃংখলতাৰ সৃষ্টি হৈছিল, তাৰে সুযোগ লৈ ভুটীয়াবিলাকে ক্রমান্বয়ে দক্ষিণফালে নামনিলৈ তেওঁলোকৰ ৰাজ্য বহলাবলৈ চেষ্টা কৰে। ফলত সপ্তদশ শতিকাৰ মাজভাগত কামৰূপ আৰু দৰং জিলাৰ উত্তৰে গোহাঁইকমল আলিলৈকে এই সমস্ত ঠাইখিনি ভুটীয়াবোৰে দখল কৰি লয়। পাছত দৰঙৰ ৰজা সমুদ্রনাৰায়ণে ভুটীয়াসকলক বশ কৰে।

অষ্টাদশ শতিকাৰ আগভাগত আহোমসকলৰ ৰজাঘৰীয়া গৃহকন্দলৰ সুযোগ লৈ ব্রহ্মদেশৰ পৰা মান সৈন্য অসমত প্রৱেশ কৰে আৰু ১৮১৯ খ্ৰীঃৰ পৰা ১৮২১

খ্ৰীঃলৈ সমগ্ৰ অসম দেশ মানে অধিকাৰ কৰি লয়। বৃটিছে অসম অধিকাৰ কৰাৰ আগলৈকে (১৮২৬ খ্ৰীঃ) মানসকলে অসমৰ বিভিন্ন ঠাইত নানা অত্যাচাৰ-উপদ্ৰৱ কৰি অসমীয়া মানুহক হাৰাশাস্তি কৰাটো সৰ্বজনবিদিত। নামনি অসমৰো বিভিন্ন অঞ্চলত মানসকলে উপদ্ৰৱ কৰিছিল বুলি বুৰঞ্জীত উল্লেখ আছে। গুৱাহাটীৰ ৰণত জিকি মান সৈন্য দুভাগ হৈ এভাগ ব্ৰহ্মপুত্ৰৰ ঘাই সুঁতিয়েদি আৰু এভাগ হাজোৰ পৰা চাউলখোৱা নদীয়েদি নাৱেৰে ভটিয়াই আহিছিল। বৰপেটা অঞ্চলৰ বিভিন্ন ঠাইত তেওঁলোকে গাঁও-ভূঁই লুটপাত কৰিছিল বুলি জনা যায়। তৎকালীন বৰপেটা নগৰৰ উত্তৰ দিশত থকা যুগীৰপামৰ হলকান্ত বৰুৱাই হাউলীৰ আহোম ৰজাৰ দুৱৰীয়া বৰুৱা চণ্ডী বৰুৱাৰ লগত থকা শত্ৰুতাৰ পোতক তুলিবলৈ মান সেনাপতি মিঙ্গিমাহাক সহায় কৰাৰ কথা উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ *মনোমতী* উপন্যাসত উল্লেখ আছে। বজালী, হাউলী, বৰনগৰ, ৰূপসী আদি অঞ্চলো মান সৈন্যৰ কবলত পৰিছিল।

এনেদৰে ত্ৰয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ আৰম্ভণিলৈকে বিভিন্ন বিদেশী শক্তিৰ আক্ৰমণৰ ফলত নামনি অঞ্চলত এক সুস্থিৰ প্ৰশাসনৰ অভাৰ ঘটিছিল। বিভিন্ন শ্ৰেণী আৰু গোষ্ঠীৰ সংমিশ্ৰিত সমাজখনত তাৰ ফলস্বৰূপে অঞ্চলবিশেষে ভাষাগত ব্যৱধান স্পষ্ট হৈ পৰিছিল।

৫.৪.৩ ভৌগোলিক ব্যৱধান

প্ৰাকৃতিক বা ভৌগোলিক ব্যৱধানেও কামৰূপী উপভাষাৰ স্থানীয় ৰূপৰ বৈচিত্ৰ্য সৃষ্টিত কিছু পৰিমাণে অৰিহণা যোগাইছে। উত্তৰ কামৰূপ আৰু দক্ষিণ কামৰূপৰ মাজত প্ৰবহমান বিশাল ব্ৰহ্মপুত্ৰ নদীয়ে দুই পাৰৰ অঞ্চলৰ লোকক অতীজৰে পৰা বিচ্ছিন্ন কৰি ৰাখিছে। পুৰণি কালত, যোগাযোগৰ কাৰণে দুই পাৰৰ লোকৰ মাজত আজিকালিৰ দৰে উন্নত ব্যৱস্থা নাছিল। সুচল বাট-পথ অবিহনে কামৰূপৰ আন অঞ্চলৰ লগত দক্ষিণ কোল বা দক্ষিণ কামৰূপৰ যোগাযোগ যে বিচ্ছিন্ন আছিল, সেই কথা উইলনক্সৰ Asiatic Research-ৰ 7th Volume-ত উল্লিখিত 'Which had been twenty five days between Goalpara and Nagarbera a distance of thirty miles' মন্তব্যযাৰৰ পৰা জানিব পাৰি। বিপৰীতমুখী বতাহৰ অবিহনে স্বাভাৱিক বতৰত গোৱালপাৰাৰ পৰা নগৰবেৰালৈ ৩০ মাইল দূৰত্বৰ জলপথ অতিক্ৰম কৰোঁতে ২৫ দিন অতিবাহিত হৈছিল কেৱল প্ৰকৃতিগত বাধা-বিঘিনিৰ ফলস্বৰূপে।

পুৰণি অবিভক্ত কামৰূপৰ বিভিন্ন অঞ্চলৰ মাজত ডাঙৰ পৰ্বত-পাহাৰ বা অটব্য হাবি-বননিয়ে যোগাযোগ ব্যাহত কৰা নাই যদিও চাউলখোৱা, বেকী, পোমাৰা, কালদিয়া, পাগলাদিয়া, পুঠিমাৰী, বুঢ়াদিয়া, শিংৰা, বকো, কুলসী, ভৰলু আদি বিভিন্ন নদী-

উপনদীসমূহে যে অঞ্চলগতভাৱে মানুহৰ ভাব আদান-প্রদানৰ ক্ষেত্রত বাধাৰ সৃষ্টি কৰিছিল, সেই কথা স্বীকার্য।

৫.৪.৪ সুৰ বা সুৰলহৰ

অসমীয়া ভাষাটোৰ সুৰ বা সুৰলহৰ বৈশিষ্ট্যপূর্ণ। উজনিৰ উপভাষাটোত ভাষিক সুৰৰ সমৰূপতা আছে; আনহাতে নামনিৰ সুৰলহৰৰ বিভিন্নতা অধিক। আনকি কামৰূপী উপভাষাৰ অন্তর্গত স্থানীয় ৰূপসমূহৰ মাজতো ভাষিক ঠাঁচ বা সুৰৰ পার্থক্য পৰিলক্ষিত হয়। কামৰূপী উপভাষাৰ বিভিন্ন আঞ্চলিক ৰূপৰ ভাষিক সুৰলহৰৰ বিভিন্নতা নির্ণয় কৰা কিছু জটিল যদিও অনুমানসাপেক্ষ। ভাষাৰ সুৰ বা সুৰলহৰৰ ক্ষেত্রত জনবসতিৰ গঠন-প্রক্রিয়াৰ অন্তৰালত সামাজিক-সাংস্কৃতিক পটভূমিৰ ওতঃপ্রোত সম্পর্ক বিৰাজমান। কামৰূপৰ উত্তৰ-পশ্চিম অঞ্চলৰ বৰপেটীয়া স্থানীয় উপৰূপৰ ভাষিক সুৰ বিশেষ লক্ষ্যণীয়। বৰপেটা অঞ্চলৰ মানুহে কথা-বতৰা পাতোঁতে শব্দবোৰ (বিশেষকৈ শব্দৰ শেষৰ স্বৰবোৰ) বা বাক্যবোৰ লেনিয়াই দীঘলকৈ উচ্চাৰণ কৰে যিটো 'ধেক' (সুৰ) অন্য স্থানীয় ৰূপসমূহত দেখা নাযায়। সত্রীয়া সংস্কৃতিৰ প্রাণকেন্দ্র হিচাপে বৰপেটীয়া উপৰূপত ভকতীয়া সুৰৰ প্রাধান্য আছে। দ্রাবিড় গোষ্ঠীৰ বংশধৰ হিচাপে পৰিচিত কৈৱর্ত সম্প্রদায়ৰ স্বকীয় ভাষিক ঠাঁচ বা সুৰৰ প্রভাৱো বৰপেটীয়া উপৰূপত অনুভূত হয়।

একে ঔপভাষিক অঞ্চলৰে বজালী আৰু তাৰ ওচৰ-পাঁজৰৰ ঠাইবোৰৰ ভাষাৰ সুৰ খহটা হোৱাৰ ক্ষেত্রত এই অঞ্চলৰ লোকৰ সামাজিক-অর্থনৈতিক আদি অৱস্থাৰ কথা সাঙোৰ খাই থকা বুলি অনুমান কৰিব পাৰি। বজালী অঞ্চলৰ লোকসকলে বহু যুগ আগৰে পৰাই কৃষিকেই জীৱন-নির্বাহৰ ভিত্তি হিচাপে গ্রহণ কৰিছিল। বেপাৰ-বাণিজ্যৰ বাবে এই অঞ্চলৰ লোকসকল বিভিন্ন ঠাইলৈ যাবলগীয়া হোৱা নাছিল। ব্যৱসায়িক লেনদেনৰ পৰা বিচ্ছিন্ন হৈ কেৱল খেতিৰ ওপৰত আত্মনির্ভৰশীল হৈ জীৱিকা নির্বাহ কৰা এই অভ্যাসেই হয়তো ইয়াৰ ভাষিক ৰূপত প্রভাৱ পেলায় আৰু বাগ্‌ভংগী খহটা আৰু দ্রুততৰ কৰি তোলে। নলবাৰী, ৰঙিয়া, পাতিদৰং আদি উত্তৰ-কামৰূপৰ অন্তর্গত অঞ্চলসমূহৰ ব্যৱসায়-বাণিজ্য আৰু অন্যান্য সংক্রান্তত বৃহত্তৰ গুৱাহাটী আৰু অন্যান্য ব্যৱসায়িক অঞ্চলৰ লগত যোগাযোগ হৈ থকা বাবে এই অঞ্চলৰ ভাষাই থলুৱা আৰু অন্যান্য জাতিৰ সংমিশ্রণত এটি নতুন ৰূপ লাভ কৰিছে। ফলস্বৰূপে এই অঞ্চলৰ ঔপভাষিক ৰূপত বড়ো, কছাৰী, ৰাভা আৰু কোচ-ৰাজবংশী ভাষাৰ এটা মিশ্রিত সুৰ পোৱা যায়।

বৃহত্তৰ গুৱাহাটীৰ ভাষিক সুৰটিও বৈশিষ্ট্যপূর্ণ। বিভিন্ন ঠাইৰ পৰা জাতি, ধর্ম, সম্প্রদায়ৰ লোকৰ জনসমাগমৰ বাবে গুৱাহটীয়া ভাষাৰ সুৰে স্বতন্ত্র ৰূপে আত্মপ্রকাশ কৰিছে। বিভিন্ন ভাষা-সম্প্রদায়ৰ মানুহে নিজৰ মানুহৰ লগত নিজস্ব বাগ্‌ভংগীৰে কথা

পাতে যদিও উমৈহতীয়া কাম-কাজ বা সামাজিক যোগাযোগৰ ক্ষেত্ৰত মান্য অসমীয়াৰ ৰূপটোকে গ্ৰহণ কৰে। অৱশ্যে উজনি অসমৰ ভাষিক সুৰে গুৱাহটীয়া ঔপভাষিক ৰূপক বেছি পৰিমাণে প্ৰভাৱান্বিত কৰা নাই। উজনি আৰু নামনিৰ ঔপভাষিক ৰূপৰ সুসমন্বয়ে গুৱাহটীয়া ভাষিক সুৰক স্বকীয় ব্যঞ্জনা প্ৰদান কৰিছে।

৫.৫ কামৰূপী উপভাষাৰ ভাষিক বৈশিষ্ট্য

ইয়াৰ আগৰ শাখাটোত কামৰূপী উপভাষাৰ সাধাৰণ পৰিচয় দাঙি ধৰা হৈছে। এই শাখাটিৰ আলোচনাৰ বিষয় হ'ল— 'কামৰূপী উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য'। এই ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ ধ্বনিগত, ৰূপগত আৰু শব্দগত এই তিনিটা শিতানত আলোচনা কৰা হৈছে। ধ্বনিতাত্ত্বিক দিশত কামৰূপী উপভাষাৰ স্বৰ আৰু ব্যঞ্জন ধ্বনিসমূহ উল্লেখ কৰি ইবোৰৰ প্ৰয়োগ বিশ্লেষণ দেখুওৱা হৈছে। কামৰূপী উপভাষাৰ ধ্বনি-পৰিৱৰ্তনৰ প্ৰক্ৰিয়াসমূহো এই শিতানত আলোচিত হৈছে। ৰূপতত্ত্ব শিতানত পদ, লিংগ, বচন, নিৰ্দিষ্টতাবাচক প্ৰত্যয়, কাৰক আৰু শব্দ বিভক্তি আদি দিশসমূহ অন্তৰ্ভুক্ত হৈছে। শব্দগত শিতানত অতি চমুকৈ মান্যভাষাৰ লগত কামৰূপী উপভাষাৰ পাৰ্থক্য দাঙি ধৰা হৈছে।

৫.৫.১ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

অসমীয়া ভাষাৰ বৰ্ণৰ সংস্থান মান্য অসমীয়া ভাষাত উচ্চাৰিত বৰ্ণ অনুযায়ীহে নিৰ্ণয় কৰা হৈছে যদিও প্ৰকৃতপক্ষে অসমীয়া ভাষাৰ ঔপভাষিক ৰূপসমূহত বৰ্ণৰ সংস্থাপন সুকীয়া সুকীয়া। উপেন্দ্ৰনাথ গোস্বামীৰ মতে কামৰূপী উপভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা সাতোটা ঃ ই, এ', এ, আ, অ, ও, উ। তেওঁৰ মতে মান্য অসমীয়াত থকা অ' (ɔ) ধ্বনিটো কামৰূপী উপভাষাত পোৱা নাযায়। গোলোকচন্দ্ৰ গোস্বামীৰ মতেও মান্য ভাষাৰ অ আৰু অ'ৰ মাজত থকা বিৰোধ পশ্চিম অসমৰ ভাষাত নাই। অৰ্থাৎ পূব আৰু মধ্য অসমৰ ভাষাত থকা আঠোটা স্বৰধ্বনিৰ ঠাইত পশ্চিম অসমৰ ভাষাত মাত্ৰ সাতোটা স্বৰধ্বনিহে আছে। কামৰূপী উপভাষাত স্বৰধ্বনিৰ সংখ্যা সাতোটা বুলি পণ্ডিতসকলে মত দিছে যদিও স্থানীয় ৰূপভেদে এই সংখ্যাৰ তাৰতম্যও দেখা যায়। উদাহৰণ স্বৰূপে পূব কামৰূপী স্থানীয় ৰূপতে মান্য অসমীয়া ভাষাত উচ্চাৰিত অ' ধ্বনিৰ উচ্চাৰণ আছে। তেনেদৰে মান্য অসমীয়াত ব্যৱহৃত একৈশটা ব্যঞ্জনধ্বনিৰ উচ্চাৰণ ঔপভাষিক ৰূপসমূহত আছে যদিও মান্য অসমীয়াত নথকা ব্যঞ্জনধ্বনিৰ উচ্চাৰণো কামৰূপী উপভাষাত পোৱা যায়। নিদৰ্শনস্বৰূপে, মান্য অসমীয়াত নথকা দন্তমূলীয় উষ্ম সঘোষ মহাপ্ৰাণ 'ঝ' (Z^h) ধ্বনিৰ উচ্চাৰণ দক্ষিণ কামৰূপী ঔপভাষিক ৰূপত আছে। কোনো কোনো স্থানীয় ৰূপত আকৌ তালব্য উষ্ম অঘোষ শ (s) ধ্বনিৰ উচ্চাৰণো পোৱা যায়।

সি যি কি নহওক, কামৰূপী উপভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা আঠোটা আৰু বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা তেইশটা। উচ্চাৰণৰ দিশৰ পৰা স্বৰ ধ্বনিসমূহক তলত দিয়া ধৰণে দেখুৱাব পাৰি—

বিশিষ্ট ধ্বনি	বিৱৰণ
/ই/	প্রান্তীয় উচ্চ বিবৃতৌষ্ঠ্য স্বৰধ্বনি
/এ'/	প্রান্তীয় মধ্যসম বিবৃতৌষ্ঠ স্বৰধ্বনি
/এ/	প্রান্তীয় মধ্যাভাস বিবৃতৌষ্ঠ স্বৰধ্বনি
/আ/	কেন্দ্রীয় নিম্ন সংবৃতৌষ্ঠ্য স্বৰধ্বনি
/অ/	মূলীয় নিম্ন সংবৃতৌষ্ঠ স্বৰধ্বনি
/অ'/	মূলীয় মধ্যাভাস সংবৃতৌষ্ঠ্য স্বৰধ্বনি
/ও/	মূলীয় মধ্যসম সংবৃতৌষ্ঠ্য স্বৰধ্বনি
/উ/	মূলীয়া উচ্চ সংবৃতৌষ্ঠ স্বৰধ্বনি

বিশিষ্ট স্বৰধ্বনিৰ প্রয়োগ ঃ কামৰূপী উপভাষাত আটাইকেইটা বিশিষ্ট স্বৰধ্বনি শব্দৰ আদ্য, মধ্য আৰু অন্ত্য অৱস্থানত প্রয়োগ হয়। অৱশ্যে অ' আৰু এ ধ্বনিৰ প্রয়োগৰ ক্ষেত্রত সীমাবদ্ধতা আছে। শব্দৰ সকলো স্থানত উচ্চাৰিত এই স্বৰধ্বনিসমূহৰ উদাহৰণ তলত দিয়া হ'ল—

বিশিষ্ট ধ্বনি	আদ্যস্থানত	মধ্যস্থানত	অন্ত্যস্থানত
/ই/	ইতা/ইতিয়া/ইতেন	কাইতা/কাইতে	কাথি, গৰাই/গৰেই
/এ/	একে/এনে	তেঙেৰা	চেলে/চিলে
/এ'/	এ'ক, এ'ৰি	কে'জাং/কে'জেং	কেচে'/কচে'
/আ/	আগহাত/আগহে'ত	চতাল/চুতাল	হৰ্কলা/হাৰ্কলা
/অ/	অত/অথ	চতল, বৰ	দঅ/দোঅ
/অ'/	অ'ইত্কা/অ'ইত্কে	চ'ল, প'ত	
/ও/	ওখুদ/ওখুধ	জোল, কোল	আদো/দো
/উ/	উকা/উকে	কুক্, কুকি	মানু, পউ/পোউ

বিশিষ্ট ব্যঞ্জনধ্বনি ঃ কামৰূপী উপভাষাত ব্যৱহাৰ হোৱা বিশিষ্ট ব্যঞ্জনধ্বনিবোৰৰ বিৱৰণ তলত দিয়া হৈছে।

বিশিষ্ট ধ্বনি	বিৱৰণ
/প/	ঔষ্ঠ্য অঘোষ অল্পপ্রাণ স্পর্শ ব্যঞ্জন ধ্বনি
/ফ/	ঔষ্ঠ্য অঘোষ মহাপ্রাণ স্পর্শ ব্যঞ্জনধ্বনি
/ব/	ঔষ্ঠ্য সঘোষ অল্পপ্রাণ স্পর্শ ব্যঞ্জনধ্বনি
/ভ/	ঔষ্ঠ্য সঘোষ মহাপ্রাণ স্পর্শ ব্যঞ্জনধ্বনি
/ত/	দন্তমূলীয় অঘোষ অল্পপ্রাণ স্পর্শ ব্যঞ্জনধ্বনি

/থ/	দন্তমূলীয় অঘোষ মহাপ্রাণ স্পর্শ ব্যঞ্জনধ্বনি
/দ/	দন্তমূলীয় সঘোষ অল্পপ্রাণ স্পর্শ ব্যঞ্জনধ্বনি
/ধ/	দন্তমূলীয় সঘোষ মহাপ্রাণ স্পর্শ ব্যঞ্জনধ্বনি
/ক/	পশ্চ তালব্য অঘোষ অল্পপ্রাণ স্পর্শ ব্যঞ্জনধ্বনি
/খ/	পশ্চ তালব্য অঘোষ মহাপ্রাণ স্পর্শ ব্যঞ্জনধ্বনি
/গ/	পশ্চ তালব্য সঘোষ অল্পপ্রাণ স্পর্শ ব্যঞ্জনধ্বনি
/ঘ/	পশ্চ তালব্য সঘোষ মহাপ্রাণ স্পর্শ ব্যঞ্জনধ্বনি
/চ/	দন্তমূলীয় অল্পপ্রাণ অঘোষ উষ্ম ব্যঞ্জনধ্বনি
/জ/	দন্তমূলীয় অল্পপ্রাণ সঘোষ উষ্ম ব্যঞ্জনধ্বনি
/ঝ/	দন্তমূলীয় মহাপ্রাণ সঘোষ উষ্ম ব্যঞ্জনধ্বনি
/শ/	তালব্য অঘোষ উষ্ম ব্যঞ্জনধ্বনি
/স/	পশ্চ তালব্য অঘোষ উষ্ম ব্যঞ্জনধ্বনি
/হ/	কণ্ঠ্য সঘোষ উষ্ম ব্যঞ্জনধ্বনি
/ম/	ওষ্ঠ্য সঘোষ নাসিক্য ব্যঞ্জনধ্বনি
/ন/	দন্তমূলীয় সঘোষ নাসিক্য ব্যঞ্জনধ্বনি
/ঙ/	পশ্চ তালব্য সঘোষ নাসিক্য ব্যঞ্জনধ্বনি
/ল/	দন্তমূলীয় সঘোষ পার্শ্বিক ব্যঞ্জনধ্বনি
/ৰ/	দন্তমূলীয় সঘোষ কম্পিত ব্যঞ্জনধ্বনি

বিশিষ্ট ব্যঞ্জনধ্বনিৰ প্রয়োগ ঃ কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহত 'ঙ'ৰ বাহিৰে আটাইবোৰ ব্যঞ্জনধ্বনি শব্দৰ সকলো স্থানতে উচ্চাৰিত হয়। 'ঙ' ধ্বনিৰ শব্দৰ আদি অৱস্থানত উচ্চাৰণ নহয়। তলত শব্দৰ স্থান অনুসৰি বিশিষ্ট ব্যঞ্জনধ্বনিসমূহৰ প্রয়োগৰ উদাহৰণ দাঙি ধৰা হ'ল—

বিশিষ্ট ধ্বনি	আদ্যস্থানত	মধ্যস্থানত	অন্ত্যস্থানত
/প/	পাতা	আপা	পাপ
/ফ/	ফাতা	আফাল	ভাফ
/ব/	বাতা	আবা	গাব
/ভ/	ভাতাৰ	আভা	লাভ
/ত/	তাৰা	আতা	হাত
/থ/	থাৰা	আথা	হাথ
/দ/	দাৰা	আদা	সদ
/ধ/	ধাৰা	আধা	সাধ
/ক/	কাতা	আকা	জক
/খ/	খাতা	আখা	জখ
/গ/	গাতা	পাগা	মাগ

/ঘ/	ঘাতা	পাঘা	মাঘ
/চ/	চাল	অচা	বাচ
/জ/	জাল	অজা	বাজ
/ঝ/	ঝাল	এঝাৰ	মাঝ
/শ/	শাদা	আশাৰ	মাশ
/স/	সাধা	এসাৰ	মাস
/হ/	হাথা	বেহাৰ	মাহ
/ম/	মাথা	বেমাৰ	পাম
/ন/	নাতা	ধনা	পান
/ঙ/	—	ধঙা	পাঙ
/ৰ/	ৰাগ	জাৰা	মাৰ
/ল/	লাগ	জালা	মাল

কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহত উমৈহতীয়া ধ্বনিতাত্ত্বিক বৈশিষ্ট্য যেনেদৰে আছে, তেনেদৰে স্থানীয় ৰূপ বিশেষে সুকীয়া সুকীয়া ধ্বনিগত বৈশিষ্ট্যও আছে। সামগ্রিকভাৱে কামৰূপী উপভাষাৰ ঊমৈহতীয়া ধ্বনগত বিশেষত্বসমূহ মান্য অসমীয়াৰ লগত তুলনামূলক আলোচনাৰ আধাৰত তলত আলোচনা কৰা হ'ল।

শ্বাসাঘাত ঃ অসমীয়া ভাষাৰ শ্বাসাঘাতৰ প্রসংগত ভাষাতত্ত্ববিদ কাকতিয়ে উল্লেখ কৰিছে যে উজনি অসমৰ উপভাষাত শ্বাসাঘাত উপধা অক্ষৰত পৰে আৰু নামনি অসমৰ উপভাষাত শ্বাসাঘাত সদায় শব্দৰ আদি অক্ষৰত পৰে। গোলোকচন্দ্র গোস্বামীৰ মতে, "আধুনিক অসমীয়া সাধু ভাষাটোত সকলো ফালৰ পৰা দুয়োটা উপভাষাৰ মিশ্রণ ঘটিব ধৰিছে। শ্বাসাঘাতৰ ক্ষেত্রতো স্পষ্ট প্রভাৱ দেখা গৈছে। সম্ভৱ সেই কাৰণেই, সাধুভাষাতো গুৰু শ্বাসাঘাত শব্দৰ প্রথম অথবা দ্বিতীয় অক্ষৰৰ পৰা পিছলৈ যোৱা দেখা নাযায়।" কামৰূপী উপভাষাত শ্বাসাঘাত সদায় শব্দৰ আদি অক্ষৰত পৰে। আন এগৰাকী ভাষাতত্ত্ববিদ উপেন্দ্রনাথ গোস্বামীৰ মতে, "কামৰূপী উপভাষাত শ্বাসাঘাত অবিশিষ্ট বিজ্ঞাত। দ্বিঅক্ষৰী শব্দৰ প্রথম অক্ষৰত আৰু দুটাতকৈ অধিক অক্ষৰযুক্ত শব্দৰ দ্বিতীয় অক্ষৰত বেছি জোৰে শ্বাসাঘাত পৰে।" কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহত শ্বাসাঘাত সাধাৰণতে শব্দৰ প্রথম নাইবা দ্বিতীয় অক্ষৰত পৰে আৰু ই স্থানীয় ৰূপসমূহৰ উমৈহতীয়া ধ্বনিগত বৈশিষ্ট্য। শাব্দিক শ্বাসাঘাতৰ মাত্রা গুৰু হোৱা বাবে স্থানীয় ৰূপসমূহত সংযুক্ত ব্যঞ্জন, দ্বিস্বৰ আৰু ত্রিস্বৰৰ সংখ্যা বৃদ্ধি পাইছে।

বাণীকান্ত কাকতিয়ে কামৰূপীৰ আদ্য শ্বাসাঘাতৰ উৎস অজ্ঞাত বুলি মন্তব্য দিছে, অৱশ্যে এই প্রসংগত *Assamese, Its Formation and Development* গ্রন্থত তেওঁ এগুৰ্চনৰ বঙলা ভাষাৰ শ্বাসাঘাত সম্পর্কে দিয়া উদ্ধৃতিৰ অৱতাৰণা কৰিছে— "Anderson supposes that the Bengali initial stress can have

come from one of the three following sources : (1) Parent Magadhi pkt.; (2) Some Dravidian tongue; (3) Some Tibeto-Burma language. He considers the third as the most likely sources as most of Bengali was once included in the Koch Kingdom and Koch accent was initial. Kamrup or Western Assam also was for a considerable length of time within the Koch Kingdoms, and the effects of the Koch accent may by presumed on the Kamrupi dialect also."

নামনি অসমৰ আদি অক্ষৰৰ শ্বাসাঘাতৰ উৎস সাধাৰণতে ভোট-বর্মীয় ভাষা বুলি কোৱা হয় যদিও কোনো কোনো পণ্ডিতৰ মতে প্ৰকৃতপক্ষে ই দ্ৰাবিড়ীয় ভাষাৰ প্ৰভাৱো হ'ব পাৰে। অতি প্ৰাচীন কালৰে পৰা দ্ৰাবিড়ীয় ভাষাবোৰত আদি অক্ষৰত বলবান শ্বাসাঘাত পৰাৰ নিয়ম চলি আহিছে। জনপ্ৰব্ৰজনৰ ইতিহাসৰ পৰা জনা যায় যে এসময়ত নামনি অসম দ্ৰাবিড়ীয় ভাষাগোষ্ঠীৰ সংস্পৰ্শলৈ আহিছিল। সেই ফালৰ পৰা অসমীয়া ভাষাৰ ওপৰত দ্ৰাবিড়ীয় ভাষাৰ প্ৰভাৱ পৰাৰ সম্ভাৱনাৰ কথা কোনো কোনো পণ্ডিতে স্বীকাৰ কৰে। আমাৰ অনুমান, নামনি অসমৰ কোনো ঠাইত দ্ৰাবিড় প্ৰজাতিৰ এটা উপাদান সোমাই পৰিলেও, সামগ্ৰিকভাৱে নামনিৰ শ্বাসাঘাত পদ্ধতিৰ আমূল পৰিৱৰ্তন ঘটাব পৰাকৈ দ্ৰাবিড়ীয় ভাষাৰ প্ৰভাৱ নিশ্চয় ইমান ব্যাপক নাছিল। ইয়াৰ বিপৰীতে উত্তৰ বংগকে ধৰি সমগ্ৰ পশ্চিম অসমত মংগোলীয় গোষ্ঠীৰ কোচ ভাষাৰ প্ৰভাৱ আছিল অধিক শক্তিশালী। প্ৰাচীন কামৰূপৰ শাসন ব্যৱস্থাৰ পর্যালোচনাৰ পৰা দেখা যায় যে ত্ৰয়োদশ শতিকাৰ পাছৰ সময়ছোৱাত উজনি অসমত আহোম, চুতীয়া, কছাৰীসকলৰ শাসনৰ বিপৰীতে নামনি অসমত আছিল কোচ ৰাজত্বৰ উত্থান আৰু প্ৰভুত্ব। সেই সময়ত কোচবিহাৰকে ধৰি সমগ্ৰ উত্তৰ-বংগ, জলপাইগুৰি, ৰংপুৰ, মৈমন সিংহ জিলাকে ধৰি পশ্চিম অসমত অসংখ্য কোচ জনগোষ্ঠীৰ লোকে বসবাস কৰিছিল আৰু তেওঁলোকৰ ভাষাও আছিল কোচভাষা। এই কোচভাষী লোকসকলৰ লগত নিঃসন্দেহে অন্য ভাষা-ভাষী লোকৰ সাংস্কৃতিক বিনিময়ৰ লগতে বৈবাহিক সম্পর্কও ঘটিছিল। ফলস্বৰূপে প্ৰাচীন কামৰূপৰ ভাষা এক উমৈহতীয়া মিশ্ৰভাষাত পৰিণত হৈছিল। যিহেতু প্ৰাচীন কামৰূপ-কামতা ৰাজ্যই সমগ্ৰ পশ্চিম অসমৰ লগতে বংগদেশৰ উত্তৰ-পূব অঞ্চল, বাংলাদেশৰ ৰংপুৰ আৰু মৈমন সিংহ জিলাকো সামৰি লৈছিল, সেই হেতুকে কোচ জনজাতি অধ্যুষিত অঞ্চল হিচাপে এই অঞ্চলসমূহত কোচ ভাষাৰ প্ৰভাৱ আছিল অতি ব্যাপক আৰু বিস্তৃত। এই দিশৰ পৰা কোচ ভাষাৰ আদ্য শ্বাসাঘাতৰ প্ৰভাৱেই নামনি অসমৰ ভাষাক (আনকি বঙলা ভাষাকো) প্ৰভাৱিত কৰিছিল বুলি ভাবিব পাৰি। এই মন্তব্যৰ সমর্থনত বাণীকান্ত কাকতিৰ এটা উক্তি প্ৰণিধানযোগ্য—

"...in the Pre-Assamese stage when a certain Sanskrit– like language was developing into Assamese, it carried a system of penultimate stress. In Western Assam, perhaps in contact with some people

speaking a language with a strong initial stress, the penultimate stress of the primitive language got shifted to the initial syllable. In Eastern Assam, the original penultimate stress persisted."

মান্য অসমীয়া ভাষাত একেটা শব্দতে সচৰাচৰ ওচৰা-উচৰিকৈ দুটা 'আ' ধ্বনি নবহে। পৰৱৰ্তী অক্ষৰৰ 'আ'ৰ প্ৰভাৱত পূৰ্বৱৰ্তী অক্ষৰৰ 'আ' ধ্বনি 'অ' বা 'এ'লৈ ৰূপান্তৰিত হয়। কামৰূপীত হ'লে দুটা 'আ' ধ্বনি ওচৰা-উচৰিকৈ থাকিব পাৰে। মান্য অসমীয়াৰ দৰে পূৰ্বৱৰ্তী 'আ' ধ্বনি 'অ'লৈ পৰিৱৰ্তন হোৱাও দেখা যায়। যেনে—

ৰজা/ৰাজা (ৰজা); কনা/কানা (কণা); তলা/তালা (তলা); তৰা/তাৰা (তৰা)

মান্য অসমীয়াৰ দ্বিঅক্ষৰযুক্ত শব্দৰ দ্বিতীয় অক্ষৰত থকা 'অ' ধ্বনি কামৰূপীত 'আ' বা 'এ'লৈ পৰিৱৰ্তন হয়। যেনে—

দিঘাল/দিঘে'ল (দীঘল); গৰাম/গৰে'ম (গৰম); ভিতাৰ/ভিতে'ৰ (ভিতৰ)

মান্য অসমীয়াৰ উচ্চ-মধ্য 'এ', 'ও' স্বৰ কামৰূপী উপভাষাত সাধাৰণতে উচ্চস্বৰত পৰিণত হয়। যেনে—

কাপুৰ/কপুৰ (কাপোৰ); তামুল/তমুল (তামোল); ইন্দুৰ/ইনুৰ (এন্দুৰ)

একাক্ষৰী শব্দৰ বাহিৰে মান্য অসমীয়াৰ আন শব্দৰ শেষত থকা দ্বিস্বৰ ধ্বনি আই/ঐ/ঔ ক্ৰমে 'এ' আৰু 'ও'/'উ' হয়। যেনে—

কাৰে (কৰাই); চৰে (চৰাই); কএ/কাএ/কাউএ (কাৰৈ); তাএ/তাউএ (তাৰৈ)

শব্দৰ আদি অক্ষৰত থকা 'এ'/'এ" ধ্বনি 'আ' ধ্বনিলৈ পৰিৱৰ্তন হয়। যেনে—

আন্ধাৰ/আন্হাৰ (এন্ধাৰ); আন্ধু/আন্হু (এলান্ধু); আঙাৰ/আঙ্ৰা (এঙাৰ)

মান্য অসমীয়াৰ কোনো কোনো শব্দৰ শেষত থকা 'ই' ধ্বনি 'আ'/'এ' হয়। যেনে—

চাতা/চতা (ছাতি); ধাৰা/ধৰা (ঢাৰি); থাৰা/থৰা (ঠাৰি); বালা/বালে (বালি)

দ্বিঅক্ষৰযুক্ত শব্দৰ প্ৰতি প্ৰৱণত কামৰূপী উপভাষাৰ এটা বিশেষ ভাষাগত বৈশিষ্ট্য। মান্য অসমীয়াৰ বহুতো একাক্ষৰী শব্দৰ পাছত 'আ' ধ্বনি এটা আগম হৈ কামৰূপী উপভাষাত দ্বিঅক্ষৰযুক্ৰ শব্দলৈ ৰূপান্তৰ হৈছে। যেনে—

গাতা/গেতা (গাঁত); মুৰা/মোৰা (মূৰ); কাহা/কেহা (কাঁহ); পুকা/পোকা (পোক)।

মান্য অসমীয়াৰ শব্দৰ আদিত থকা 'ই' বা 'ইআ' ধ্বনিগোট কামৰূপীত এ'লৈ পৰিৱৰ্তন হয়। যেনে—

এ'হাত/এ'ইহাত/এ'হঁত (ইহঁত); এ'ত/এ'তে (ইয়াত); এ'ক/এ'কে (ইয়াক); এ'ৰ/এ'ৰে (ইয়াৰ)।

মান্য অসমীয়াৰ দ্বিঅক্ষৰযুক্ত শব্দৰ প্ৰথম অক্ষৰত 'ও' আৰু দ্বিতীয় অক্ষৰত 'আ' ধ্বনি থাকিলে কামৰূপী উপভাষাত 'ও' ধ্বনি 'অ' ধ্বনিলৈ পৰিবৰ্তন হয়। যেনে—

অজা (ওজা); খপা (খোপা); চলা (চোলা); কলা (কোলা); কঙা (কোঙা)।

আদি অক্ষৰত থকা 'ও' ধ্বনি কেতিয়াবা 'উ' ধ্বনিলৈ পৰিবৰ্তন হয়। যেনে—

মূৰ (মোৰ); চুৰ (চোৰ); তুৰ (তোৰ); জুৰ (যোৰ); জুগাৰ (যোগাৰ)।

মান্য অসমীয়াৰ কিছুমান একাক্ষৰী শব্দৰ মধ্য অৱস্থানত থকা 'অ' ধ্বনি কামৰূপীত 'আ' হয়। যেনে—

খান (খন); দাম/দামা (দম); গাচ (গছ); গাজ (গজ/অংকুৰিত হ); কাচ (কঁচ)

কেতিয়াবা অৱশ্যে 'অ' ধ্বনি 'উ'লৈ পৰিৱৰ্তিত হোৱাও দেখা যায়। যেনে—

বুন (বন); মুচ (মচ); ঘুঁহ (ঘঁহ); ঘুত, ঘত/উপার্জন কৰ)

মান্য অসমীয়াৰ দ্বিঅক্ষৰযুক্ত শব্দৰ শেষৰ অক্ষৰৰ 'অ' কামৰূপীত 'আ'লৈ ৰূপান্তৰ হয়। কোনো কোনো শব্দত প্ৰথম অক্ষৰৰ 'অ' ধ্বনি 'আ' ধ্বনিলৈ পৰিৱৰ্তন হয়। যেনে—

কদাম/কাদাম (কদম); কৰাত/কাৰাত (কৰত); জগাৰ/জাগাৰ (জগৰ); বতৰ/বাতাৰ (বতৰ)।

কামৰূপী উপভাষাত শব্দৰ শেষত থকা 'অ' ধ্বনি 'আ', 'ও' বা 'উ' ধ্বনিলৈ পৰিৱৰ্তিত হয়। যেনে—

কিআ/কিও (কিয়); থিআ/থিও (থিয়); গাধা/গাধো (গাধ); কাচু/কাচো (কাছ)।

কেতিয়াবা আকৌ পদান্ত 'উ'>'আ' আৰু 'ই'>'উ' হয়। যেনে—

সাধা (সাধু); পেতা (পেটু); আমলোখু (আমলখি)।

মান্য অসমীয়াৰ কিছুমান শব্দৰ আদি অক্ষৰত থকা 'উ' ধ্বনি কামৰূপীত 'অ' বা 'ও' ধ্বনিলৈ পৰিবৰ্তন হয়। যেনে—

নম্‌লা/নোম্‌লা (নুমলীয়া); খচ্‌ৰি/খোচ্‌ৰি (খুচৰি); থত্‌ৰি/ধথ্‌ৰি/ধোথ্‌ৰি (থুঁতৰি)।

মান্য অসমীয়াৰ শব্দৰ আদি অক্ষৰত থকা 'ও' ধ্বনি কামৰূপীত প্ৰায়ে 'অ' হয়। যেনে—

অচৰ/অচাৰ (ওচৰ); অকনি/অক্‌নি (ওকণি); তপ্‌লা/তপলা (টোপোলা)।

কেতিয়াবা দ্বিঅক্ষৰযুক্ত শব্দৰ শেষৰ অক্ষৰৰ 'ও' ধ্বনি 'আ' হয়। যেনে—

আঘান (আঘোণ); লঘান (লঘোণ); আপান (আপোন)।

মান্য অসমীয়াৰ কিছুমান একাক্ষৰী ক্ৰিয়া শব্দৰ অন্তত থকা 'অই' (অয়) আৰু 'আই' (আয়) কামৰূপীত 'এ' হয়। যেনে—

কোএ/কএ/কউএ (কয়/কঅই); লোএ/লএ/লউএ (লয়/লঅই); থোএ/থএ/থিউএ (থয়)।

অৱশ্যে কেতিয়াবা কিছুমান দ্বিঅক্ষৰী ক্রিয়া শব্দৰ শেষত থকা 'আই' ধ্বনিগোট 'ওই' হয়। যেনে—

কৰোই/কোৰোই (কৰায়); ওলোই/অলোই (ওলায়); বাজোই/বজোই (বজায়)।

অনুনাসিকতা (Nasalization) ঃ অনুনাসিকত্ব অর্থাৎ চন্দ্রবিন্দু অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনিগুণ অর্থাৎ বর্ণ। অর্থাৎ অসমীয়া ভাষাত অনুনাসিকতাৰ প্রয়োগত শব্দৰ অর্থৰ পার্থক্য ঘটে। কামৰূপী উপভাষাত অনুনাসিকতা বিশিষ্ট ধ্বনি। অনুনাসিকত্ব বহন কৰা ধ্বনিটোৰ ওপৰত চন্দ্রবিন্দু (ঁ) দি অনুনাসিকতা ধ্বনিগুণ বুজোৱা হয়।

কামৰূপী উপভাষাত অনুনাসিকতাৰ বর্ণগত মর্যাদা আছে। তলত কেইটামান উদাহৰণ দিয়া হ'ল।

/ই/ ঃ /ইঁ/	/কইআ/'কিয়া'	/কইঁআ/'কিঞা'
	/তইআ/'তিয়া'	/তইঁআ/'তিয়াঁহ'
	/চই-চই/'ছি-ছি'	/চইঁ-চইঁ/'চিঁ-চিঁ'
/এ'/ ঃ /এঁ'/	/চএ'ই/'চেই'	/চএঁ'ই/'চেঁই'
	/সএ'তআ/'শেঁতা'	/সএঁ'তআ/'সেওঁতা'
/এ/ ঃ /এঁ/	/ফএচ-ফএচআ	/ফেচ-ফেচা 'বৰকৈ কথা কৈ থকা'
	/ফএঁচআ/'ফেঁচা'	/বএহউ/বেহু 'বিহলঙনি'
	/বএঁহউচ/বেঁহুচ 'এবিধ ৰোগ'	
/আ/ ঃ /আঁ/	/সআ/'চা'	/সআঁ/'ছাঁ'
	/কআহই/কাহি 'কহুঁৰা বন'	/কআঁহই/'কাঁহী'
/অ/ ঃ /অঁ/	/অ/'আবেগসূচক অর্থত'	/অঁ/'সমর্থনসূচক অর্থত'
	/খঅহআ/খহা 'সুলকি পৰা'	/খঅঁহআ/খঁহা 'খোঁচা'
/ও/ ঃ /ওঁ/	/কওহ/কোহ 'কোৱা'	/কওঁহ/কোঁহ 'কঠাল আদি ফলৰ ভিতৰত থকা একোটা গুটিক আৱৰি থকা ভাগ'
/উ/ ঃ /উঁ/	/উথ/'থিয় হোৱা'	/উঁথ/'ওঁঠ'
	/খউচই/খুচি 'ইচ্ছা'	/খউঁচই/খুঁচি 'বিন্ধাই দিয়া'

কামৰূপীত মান্য অসমীয়াৰ বেছিভাগ স্বৰৰ অনুনাসিকতাই অনুনাসিকতাবিহীন (denasalization) হিচাপে উচ্চাৰিত হয়। যেনে—

গাতা/গাত (গাঁত); ঘৰা/ঘোৰা (ঘোঁৰা); আজ্‌লি/আজলি/আজেলি (আঁজলি); কাক্‌ৰা/কাকৰ/কেকেৰা (কেকোঁৰা); সঁচা/সাচা (সঁচা) ইত্যাদি।

সংস্কৃতৰ উষ্মধ্বনি স, শ, ষ অসমীয়া ভাষাত অঘোষ পশ্চতালব্য স (x) হিচাপে উচ্চাৰিত হয়। পৰিবেশভেদে এই 'স' (x) ধ্বনি 'চ' (s) বা 'হ' (h) ধ্বনিলৈও পৰিৱর্তিত হয়। কামৰূপীত ই খ (k^h) আৰু হ (h) ধ্বনিৰূপে উচ্চাৰিত হয়। যেনে—

অখত/অখাত অক্‌খত (অসৎ); আখা/আখে (আশা); পাখা/পাশে (পাশা); ওখুৰ/অখুৰ (অসুৰ) ইত্যাদি।

মান্য অসমীয়াৰ শব্দত ব্যৱহাৰ হোৱা ক্ষ ধ্বনি কামৰূপী উপভাষাত 'খ' বা 'ক্‌খ' ৰূপে উচ্চাৰণ হয়। যেনে—

খেমা/খমা (ক্ষমা);, খিন (ক্ষীণ); খোতি/খতি (ক্ষতি); খেন/খন (ক্ষণ); সাক্‌খি/সাখি (সাক্ষী) ইত্যাদি।

মান্য অসমীয়াৰ কোনো কোনো শব্দত থকা 'ন' ধ্বনিৰ ঠাইত কামৰূপীত 'ল' ধ্বনিৰ ব্যৱহাৰ হয়। যেনে—

লুম/লোম (নোম); লেজ/লেঝ (নেজ); লাঙল/লাঙাল (নাঙল); লাঙ্‌তা/লেঙ্‌তা (নাঙঠ) ইত্যাদি।

কেতিয়াবা মান্য অসমীয়াৰ 'ৱ' ধ্বনিৰ সলনি 'ল' ধ্বনিৰ প্রয়োগ হোৱা দেখা যায়। যেনে—

জৰুল/জোৰুল (জৰুৰ); সৰিল/সোৰিল (শৰীৰ); আউলা/আল/আলা/আলৱা (চাউল); আৰৈ (চাউল) ইত্যাদি।

কামৰূপী উপভাষাৰ কোনো কোনো উপৰূপত কেতিয়াবা কোনো ধ্বনি নিয়মৰ অন্তর্গত নোহোৱাকৈ মান্য অসমীয়াৰ কিছুমান ধ্বনি আন ধ্বনিলৈ ৰূপান্তৰিত হয়। নিদর্শন স্বৰূপে—

ক > থ ঃ যেনে— সেম্‌থা/চেম্‌থা (সেমেকা); গ > ঙ ঃ যেনে— লেঙুৰ/লেতু (নেগুৰ); দ > জ ঃ যেনে— মুজি (মুদি); ধ > ঘ ঃ যেনে— ঘোত/ঘুত (ঢোক) ইত্যাদি।

অয়ত বিকল্প প্রয়োগ (Free Variation) ঃ কামৰূপী উপভাষাত আংশিক অয়ত বিকল্প প্রয়োগৰ নিদর্শন আছে। অর্থাৎ ঔপভাষিক ৰূপসমূহত বিভিন্ন পৰিবেশত বর্ণ বা বিশিষ্ট ধ্বনিৰ মাজত অয়ত বিকল্পৰ প্রয়োগ হয়। শব্দৰ কোনো এটা অৱস্থানত বিৰোধী প্রয়োগ হোৱা ধ্বনিৰ আন অৱস্থানত হোৱা অয়ত বিকল্পই হ'ল আংশিক অয়ত বিকল্প।

ক) কোনো কোনো স্থানীয় ৰূপত শব্দৰ আদ্য অৱস্থানত স (x) আৰু খ (k^h) বর্ণৰ মাজত অয়ত বিকল্পৰ প্রয়োগ হয়। যেনে—

সউম ~ খউম— 'শুম'; সউতআ ~ খউতআ— 'খুটা' ইত্যাদি।

খ) কেতিয়াবা শব্দৰ মধ্য আৰু অন্ত্য অৱস্থানত ক (k) আৰু খ (k^h) বর্ণৰ অয়ত বিকল্প প্রয়োগ হয়। যেনে—

সউকআন ~ সউখআন— 'শুকান'; ভওক ~ ভওখ— 'ভোক' ইত্যাদি।

গ) শব্দৰ অন্ত্য অৱস্থানত স (x) হ (h) বর্ণৰ মাজত বিকল্প হয়। যেনে—

বইস ~ বইহ— 'বিষ'; জঅস ~ জঅহ— 'যশ' ইত্যাদি।

ঘ) কেতিয়াবা জ (z) আৰু চ (s) বৰ্ণৰ মাজত শব্দৰ অন্ত্য অৱস্থানত বিকল্প প্ৰয়োগ হয়। যেনে—

তএজ ~ তএচ— 'তেজ'; পইআজ ~ পইআচ— 'পিয়াজ' ইত্যাদি।

ধ্বনি পৰিৱৰ্তনৰ প্ৰক্ৰিয়া ঃ মান্য অসমীয়াত প্ৰয়োগ হোৱা ধ্বনি পৰিৱৰ্তনৰ প্ৰক্ৰিয়াসমূহ কামৰূপী উপভাষাতো প্ৰযোজ্য। উচ্চাৰণগত বিভিন্নতাৰ বাবে অঞ্চলবিশেষে এনে পৰিৱৰ্তনত কিছু পাৰ্থক্য লক্ষ্য কৰা যায়। তলত তাৰ আভাস দাঙি ধৰা হৈছে।

স্বৰ-সংগতি (Vowel Harmony) ঃ স্বৰ-সংগতিৰ ফলত কামৰূপী উপভাষাত পৰৱৰ্তী অক্ষৰত থকা উচ্চ স্বৰধ্বনিৰ প্ৰভাৱত পূৰ্বৱৰ্তী অক্ষৰত থকা নিম্ন স্বৰধ্বনি উচ্চ স্বৰধ্বনিলৈ অথবা নিম্নস্বৰধ্বনিৰ প্ৰভাৱত উচ্চ স্বৰধ্বনি নিম্নস্বৰধ্বনিলৈ পৰিৱৰ্তিত হোৱা দেখা যায়। যেনে—

অৰ্হি/অৰেহি (উৰহী); ইন্দুৰ/ইনুৰ (এন্দুৰ); চামেনি/চেমেনি (চামনি); কুচ্তি/কুচ্থি (কোষ্ঠী) ইত্যাদি।

সমীভৱন (Assimilation) ঃ কামৰূপী উপভাষাৰ ধ্বনি পৰিৱৰ্তনৰ ক্ষেত্ৰত সমীভৱন প্ৰক্ৰিয়াৰ বিশেষ ভূমিকা লক্ষ্য কৰা যায়।

ক) **স্বৰ-সমীভৱন**

উমঅ'নই (উমনি) > উমউনই (উমুনি)

চইকঅ'নই (চিকনি) > চইকইনই (চিকিনি) ইত্যাদি।

খ) **ব্যঞ্জন-সমীভৱন**

মান্য অসমীয়াৰ যুগ্ম-ব্যঞ্জনধ্বনি কামৰূপীত সমীভূত হৈ প্ৰয়োগ হয়। যেনে—

দজ্জা/দোজ্জা (দৰ্জা); তিন্নাথ (ত্ৰিনাথ); নিদ্দয় (নিৰ্দয়) ইত্যাদি।

কেতিয়াবা মান্য ভাষাৰ একক ব্যঞ্জনো সমীভূত হোৱা দেখা যায়। যেনে—

বল্লি/বাল্লি (বৰালি); জিল্লা (জিলা); বজ্জনি/বজ্জেনি (বৰজনী); বদ্দেকা (বৰডেকা) ইত্যাদি।

বিষমীভৱন (Dissimilation) ঃ বিষমীভৱনৰ ফলতো মান্য অসমীয়া ভাষাৰ কিছুমান শব্দৰ ধ্বনিৰ পৰিবৰ্তন হৈ কামৰূপী উপভাষাত ব্যৱহাৰ হয়। যেনে—

সৰিল/সোৰিল (শৰীৰ); জোৰুল/জৰুল (জৰুৰ); তিকিৎচা/তিকিচা (চিকিৎসা) ইত্যাদি।

অপিনিহিতি (Epenthesis) ঃ অপিনিহিতি কামৰূপী উপভাষাৰ ধ্বনি পৰিৱৰ্তনৰ এক বিশিষ্ট নিয়ম। বাণীকান্ত কাকতিৰ মতে, 'It may even be said that epenthesis wherever admissible is the rule in the Kamrupi dialects.' (B. K. Kakati : *Assamese Its Formation and Developmnt,* p. 17)। অৱশ্যে তুলনামূলকভাৱে দক্ষিণ কামৰূপীতকৈ উত্তৰ কামৰূপীত অপিনিহিতিৰ প্ৰয়োগ

কিছু বেছি। তলত উদাহৰণ দিয়া হ'ল—

এইৰা/এইৰে (এৰী); কাইজা/কাইজে (কাজিয়া); নাইৰকল/নাইৰকেল (নাৰিকল), বইনা/ইনে (বণিয়) ইত্যাদি।

ধ্বনি-বিপর্যাস (Metathesis) ঃ ধ্বনি-বিপর্যাস প্রক্রিয়াৰে মান্য অসমীয়াৰ কোনো শব্দৰ বিভিন্ন স্থানত থকা ধ্বনিৰ পাৰস্পৰিক স্থান পৰিৱর্তন হৈও কামৰূপীত ব্যৱহাৰ হয়। যেনে—

মান্হু/মাহ্নু (মানুহ); উৰ্মাল/উৰ্মেল (ৰুমাল); ওথিতি/অথিতি (অতিথি); লোচকান (লোকচান) ইত্যাদি।

স্বৰভক্তি (Anaptyxis) ঃ স্বৰভক্তিৰ জৰিয়তে হোৱা পৰিৱর্তন কামৰূপী উপভাষাত লক্ষ্য কৰিব পাৰি। মান্য অসমীয়াত ব্যৱহৃত তৎসম শব্দ আৰু বিদেশী ইংৰাজী শব্দ কামৰূপী উপভাষাত স্বৰভক্তিৰ দ্বাৰা সৰলীকৃত হৈ উচ্চাৰিত হয়। যেনে—

পোদুম/পদুম (পদ্ম); ভুৰু (ভ্রূ); গিআন (জ্ঞান); ভাদৰ/ভাদাৰ (ভাদ্র) ইত্যাদি।

উচ্চাৰণৰ সুবিধাৰ কাৰণে মান্য অসমীয়াৰ দৰে কামৰূপী উপভাষাতো শব্দৰ বিভিন্ন অৱস্থানত স্বৰধ্বনিৰ আগম হোৱা দেখা যায়। যেনে—

লুহা/লহা (লো); সনা/সোনা (সোণ); উখ্নি/উঘ্নি/উখুনি/উঘুনি (ওখোন) ইত্যাদি।

কোনো শব্দৰ ধ্বনি বা অক্ষৰ লোপৰ ফলতো ভাষাত ধ্বনিৰ পৰিৱর্তন ঘটে। ধ্বনি-পৰিবর্তনত 'লোপ'ৰ বিশেষ ভূমিকা আছে। কামৰূপী উপভাষাৰ স্থানীয় ৰূপত কেতিয়াবা শ্বাসাঘাতৰ প্রভাৱত শব্দৰ ভিন্ন ভিন্ন স্থানত থকা ধ্বনি বা অক্ষৰ লোপ হোৱাৰ উদাহৰণ পোৱা যায়। যেনে—

আন্ধু (এলান্ধু); হেলা (অৱহেলা); গোলি (গোহালি); নাইকল (নাৰিকল)।

কামৰূপী উপভাষাত কেতিয়াবা অভিশ্রুতি (Umlaut) প্রক্রিয়াৰে স্বৰধ্বনিৰ পৰিৱর্তন হয়। নগেন ঠাকুৰৰ মতে "এই পৰিৱর্তন অপিনিহিতিৰ প্রসাৰতেই ঘটে। শব্দৰ মাজৰ বা শেষৰ ই বা উ পূর্বলৈ আহি পূর্বস্থিত অ, আ বা অন্যস্বৰৰ লগত মিলি যি সংযুক্ত স্বৰ সৃষ্টি কৰে, সি পুনৰাই এক নতুন স্বৰৰ সৃষ্টি কৰি শব্দৰ পৰিৱর্তন সাধন কৰে।" কামৰূপী উপভাষাত পোৱা তেনে উদাহৰণ কিছুমান হ'ল—

চুআলি (ছোৱালী); জঙাই (জোঁৱাই); অমৈতা (অমিতা); মৈৰা (ময়ূৰ) ইত্যাদি।

কামৰূপী উপভাষাত মান্য অসমীয়াৰ কিছুমান শব্দৰ অল্পপ্রাণ ধ্বনি মহাপ্রাণ ধ্বনিলৈ ৰূপান্তৰিত হয়। উপেন্দ্রনাথ গোস্বামীৰ মতে, "কামৰূপী উপভাষাত মহাপ্রাণ ধ্বনিৰ প্রয়োগ বেছি। আনকি একে অক্ষৰতেই দুটা মহাপ্রাণ ধ্বনি থাকিব পাৰে।" কামৰূপীত মহাপ্রাণীভৱন বা মহাপ্রাণতা (Aspiration)ৰ কিছুমান উদাহৰণ হ'ল—

চখু/চোখু (চকু); চখা/চোখা (চোকা); হাথ্ৰি/হাথুৰি (হাতুৰী); ফফ্লা/ফোফোলা (ফোপোলা) ইত্যাদি।

মান্য অসমীয়াৰ মহাপ্ৰাণ ধ্বনি কামৰূপীত অল্পপ্ৰাণ ধ্বনিলৈ পৰিৱৰ্তিত হোৱাৰ উদাহৰণ কিছু সীমিত। মহাপ্ৰাণ ধ্বনি অল্পপ্ৰাণ ধ্বনিত পৰিণত হোৱা এই প্ৰক্ৰিয়াই হ'ল 'অল্পপ্ৰাণতা' বা 'মহাপ্ৰাণহীনতা' (Deaspiration)। কামৰূপীত এনে উদাহৰণ—

বোইনি/ব'নি (ভনী); জিবা (জিভা); জল্‌পে/জিল্‌পে/জুল্‌পে/জল্‌পাই (জলফাই) ইত্যাদি।

সঘোষীভৱন (Vocalisation) প্ৰক্ৰিয়াৰে মান্য অসমীয়াৰ কোনো শব্দত ব্যৱহাৰ হোৱা অঘোষ ধ্বনি কামৰূপীত কেতিয়াবা সঘোষ ধ্বনিলৈ পৰিৱৰ্তিত হোৱা দেখা। যেনে—

ধথ্‌ৰি/ধুথ্‌ৰি/ধুথুৰি (থুঁতৰি); আজ্‌নি/আজেনি (আঁচিনাই); ভুঁইকুব/ভুঁইকব (ভূঁইকঁপ) ইত্যাদি।

সন্নিহিত অঘোষ ধ্বনিৰ প্ৰভাৱত বা স্বতঃস্ফূৰ্তভাৱে অঘোষীভৱন (Devoicing) প্ৰক্ৰিয়াৰে কামৰূপীত কেতিয়াবা শব্দৰ মাজৰ কোনো সঘোষ ধ্বনি অঘোষ ধ্বনিলৈ ৰূপান্তৰিত হৈ ব্যৱহাৰ হয়। যেনে—

গথালি/গুথালি (গোহালি); চৰ্‌পত/চৰ্‌পাত (চৰবত); পিআচ/পিএচ (পিয়াঁজ) ইত্যাদি।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ২ ঃ কামৰূপী উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যবোৰ উল্লেখ কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৩ ঃ কামৰূপী উপভাষা আৰু মান্য অসমীয়াৰ ধ্বনিতাত্ত্বিক পাৰ্থক্যবোৰ ফঁহিয়াই আলোচনা কৰক।

(১০০টা শব্দৰ ভিতৰত)

.....

৫.৫.২ ৰূপতাত্ত্বিক বৈশিষ্ট্য

কামৰূপী উপভাষা যিহেতু অসমীয়া ভাষাৰ এটি প্ৰধান উপভাষা, সেইফালৰ পৰা কামৰূপী উপভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ অসমীয়া ভাষাৰ গাঁথনিক ৰূপৰ বিশ্লেষণৰ লগত অংগাংগীভাৱে জড়িত। মান্য অসমীয়াৰ লগত কামৰূপী উপভাষাৰ ৰূপ-গঠন প্ৰণালী একে যদিও অঞ্চলবিশেষে কেতিয়াবা সুকীয়া ৰূপৰ ব্যৱহাৰ হয় আৰু কেতিয়াবা এইবোৰৰ প্ৰয়োগিক বৈশিষ্ট্য সুকীয়া হয়। ৰূপতত্ত্বৰ তুলনামূলক আলোচনাত মান্য অসমীয়াৰ ৰূপৰ লগত কামৰূপী উপভাষাৰ পাৰ্থক্য বিশ্লেষণ কৰি ৰূপগত বিশেষত্ববোৰ

নির্ণয় কৰিবলৈ যত্ন কৰা হৈছে।

পদ গঠন ঃ গঠনৰ দৃষ্টিকোণৰ পৰা বাক্যত ব্যৱহাৰ হোৱা পদসমূহক প্ৰধানকৈ দুভাগত ভাগ কৰিব পাৰি— (ক) সব্যয় (Declinables) আৰু (খ) অব্যয় (Indeclinables)।

সব্যয় পদত বিভিন্ন বিভক্তি যোগ হয় আৰু বিভিন্ন বাক্যত বিভিন্ন ৰূপত ব্যৱহাৰ কৰি বিভিন্ন অর্থ প্ৰকাশ কৰিব পাৰি। অব্যয় পদত বিভক্তি যোগ নহয় আৰু পদসমূহৰ ৰূপৰ কোনো সালসলনি নহয়।

অসমীয়া ভাষাত সব্যয় পদসমূহক দুটা ভাগত ভাগ কৰা হৈছে— (ক) নামপদ (Nominals) আৰু (খ) ক্ৰিয়াপদ (Verbals)।

নামপদৰ শ্ৰেণীবিভাগ ঃ অসমীয়া ভাষাত নামপদক তিনিটা শ্ৰেণীত ভাগ কৰা হৈছে ঃ (ক) বিশেষ্য (Nouns), (খ) বিশেষণ (Adjectives) আৰু (গ) সর্বনাম (Pronouns)। কামৰূপী উপভাষাত ব্যৱহাৰ হোৱা নামশব্দসমূহক তলত দেখুওৱা ধৰণে বিশ্লেষণ কৰি দেখুৱাব পাৰি—

বিশেষ্য শব্দ ঃ মান্য অসমীয়াত ব্যৱহাৰ নোহোৱা কিছুমান পৃথক বিশেষ্য শব্দ কামৰূপী উপভাষাত পোৱা যায়। নিদর্শন হিচাপে তলত তেনে শব্দ কেইটামান উল্লেখ কৰা হ'ল, যেনে— আগ্ৰুন (ডাঙৰ ৰুমাল), আঙ্থ (ডাঙৰ জাল), তিপ্তিপলি (টিপচি), উৰিয়াম (মধুৰীআম), ওচিনা (পানীপোতা), কথেলি (হেতা), কধ্ৰা (আধাৰি), কাইমা (সেউজীয়া), লেৰক (লালুকী), কাইতা (বেঁকা), কোৰি (টিং), খাদা (পাচি), গাইৰা (এলেহুৱা), গাৰি (টোলোঠা), চক্ৰি (পখিলা), জাল্লে' (তৰকাৰী), পঘে' (উঘা), বৰান্তি (বহনী মাৰি), মোক্চা (গামোচা), দিমা (কণী), ধুমা (ডাঙৰ), সোনত্রা (সুমথিৰা), লাক্ৰা (কোৰোকা), লুক্ৰ (জুমুঠি), লেতু (নেজ) ইত্যাদি।

গঠন অনুযায়ী বিশেষ্য শব্দবোৰক স্বৰান্ত আৰু ব্যঞ্জনান্ত— এই দুটা ভাগত ভাগ কৰিব পাৰি। স্বৰান্ত বিশেষ্য শব্দবোৰক অ-কাৰান্ত, আ-কাৰান্ত, ই-কাৰান্ত আৰু উ-কাৰান্ত— এনেদৰে ভাগ কৰি দেখুৱাব পাৰি। উদাহৰণ স্বৰূপে—

অ-কাৰান্ত ঃ আঙ্অ (এঁৰা), আলঅ (আৰৈ), কেৰুন্দ (কেৰেলুৱা), চাৰ্অ (ওখ), জুকুন্দ (জুমুঠি), পান্ধ (সৰু কাঁহী) ইত্যাদি।

আ-কাৰান্ত ঃ আতা (ককা), আপা (ল'ৰা), কাল্লা (কাঢ়লী), খাতা (চুটি), গত্না (বুটা), গাইৰা (এলেহুৱা), গেৰা (বেয়া), ঘাথা (তিল), চাউলা (পূৰঠ), মুখুৰা (সাঁফৰ) ইত্যাদি।

ই-কাৰান্ত ঃ আলানি (নষ্ট), কাথি (পিৰালি), গলি/গধালি (গোহালি), পখ্লি (খুবলি) ইত্যাদি।

উ-কাৰান্ত ঃ আমথু (আমৰ গুটি), চেচু (আমৰ এঠা), ফোফলু (বৰকথীয়া), লেথু (বুঢ়া আঙুলি) ইত্যাদি।

কামৰূপী উপভাষাত অনেক ব্যঞ্জনান্ত বিশেষ্য শব্দৰ প্ৰয়োগ আছে। অৱশ্যে স্বৰান্ত বিশেষ্যতকৈ ব্যঞ্জনান্ত বিশেষ্যৰ প্ৰয়োগ আপেক্ষিকভাৱে কম।

বিশেষণ শব্দ ঃ কামৰূপী উপভাষাত ব্যৱহাৰ হোৱা বিশেষণবোৰক পাঁচোটা ভাগত ভাগ কৰিব পাৰি ঃ (ক) সাধাৰণ বিশেষণ, (খ) ক্রিয়া বিশেষণ (গ) বিশেষণীয় বিশেষণ (ঘ) গুণবাচক বিশেষণ আৰু (চ) পৰিমাণবাচক বিশেষণ।

ক) **সাধাৰণ বিশেষণ শব্দ ঃ** সচৰাচৰ কথা-বতৰা পাতোঁতে বিশেষ্য শব্দৰ আগত বহি বিশেষ্য শব্দটোৰ লগত এটা বিশেষ সম্বন্ধ স্থাপন কৰা বিশেষণ শব্দবোৰক এই ভাগত ধৰা হৈছে। যেনে— আউলা (আৰৈ চাউল); আদ্‌ধউতা (বদমাচ); ক'ল্‌চা/কুলা (ক'লা); থোগা/থৌগা (ধুনীয়া) ইত্যাদি।

খ) **ক্রিয়া বিশেষণ ঃ** ক্রিয়া বিশেষণবোৰে ক্রিয়াৰ আগত বহি ক্রিয়াৰ কার্যক বিশেষভাৱে প্রকাশ কৰে। কিছুমান ক্রিয়া বিশেষণ বিভিন্ন প্রত্যয়ৰ যোগত গঠন কৰা হয়। যেনে—

ই ঃ চাই-চাই, বহি-বহি, ভুৰ্‌কাই (ঠগাই)

এ ঃ আল্‌গে-আল্‌গে (ক'তো স্পর্শ নকৰাকৈ), দিনক-দিনে (দিনে দিনে) সন্‌কালে/সঙ্‌কালে (সোনকালে)

আই ঃ থিয়াই-থিয়াই, ধম্‌-ধমাই (ডাঙৰকৈ)
লপ্‌-লপাই (লপ্‌লপ্‌কৈ) ইত্যাদি।

কিছুমান ক্রিয়া বিশেষণ কোনো প্রত্যয়ৰ যোগ নোহোৱাকৈ ব্যৱহাৰ হয়।

গ) **বিশেষণীয় বিশেষণ ঃ** বিশেষণকে অধিক বিশেষভাৱে বুজোৱা বিশেষণ শব্দৰ প্রয়োগ স্থানীয় ৰূপত আছে। এনে বিশেষণীয় বিশেষণ কিছুমান হ'ল—
মস্ত মাদা (অতিশয় শকত), কিচ্‌কিচা ক'লা (কিচকিচিয়া ক'লা), ফল্‌-ফইলা বগা (অতিশয় বগা), এমান লেধেমা (অতি লেধা) ইত্যাদি।

ঘ) **গুণবাচক বিশেষণৰ উদাহৰণ ঃ**
এনা/এন্‌কা/এংকা/এইচন (এনেকুৱা); এ-কম/ৰকম, একম/এৰকম; সেনা/তেনা/তেন্‌কা/সে-কম/ৰকম (তেনেকুৱা) ইত্যাদি।

ঙ) **পৰিমাণবাচক বিশেষণৰ উদাহৰণ ঃ**
এমান/ইমান/ইমেন/এনাম (ইমান); সেমান/সিনাম/সিমেন/সেনাম (সিমান); কেমান/কিনাম/কিনেম (কিমান) ইত্যাদি।

সর্বনাম শব্দ ঃ সর্বনাম পদে বিশেষ পদৰ সলনি বহি পৰোক্ষভাৱে বিশেষ্য পদৰ কার্য সম্পাদন কৰে। মান্য অসমীয়াৰ দৰে কামৰূপী উপভাষাতো সর্বনাম শব্দবোৰে বচন, লিংগ, পুৰুষ আৰু মর্যাদা অনুসৰি ভিন্ন ৰূপ গ্রহণ কৰে যদিও এইবোৰৰ নিজস্ব বৈশিষ্ট্য আছে। কামৰূপী উপভাষাত ব্যৱহৃত সর্বনামসমূহক কেইটামান ভাগত ভগাই আলোচনা কৰিব পাৰি ঃ (ক) পুৰুষবাচক বা ব্যক্তিবাচক সর্বনাম, (খ) নির্দেশক সর্বনাম, (গ) সম্বন্ধবাচক সর্বনাম, (ঘ) প্রশ্নবাচক সর্বনাম, (ঙ) আত্মবাচক সর্বনাম, (চ) সমষ্টিবাচক সর্বনাম আৰু (ছ) অনির্দিষ্টতাবাচক সর্বনাম। তলত সর্বনাম শব্দবোৰ তালিকাৰ সহায়ত দেখুওৱা হ'ল—

ক) পুৰুষবাচক বা ব্যক্তিবাচক সর্বনাম ঃ

পুৰুষ	একবচন	তির্যক ৰূপ	বহুবচন	তির্যক ৰূপ
উত্তম পুৰুষ	মই/মোই/আমি	মো-, মু-, ম-	আমি আমা-	
মধ্যম পুৰুষ তুচ্চ	তই/তোই	তু-, ত-, তো- তহঁত/তহন্তে/ তন্তে/তন্থে	তুহুন, তুহাতি তুহাতো-, তহন্ত-, তন্ত-	তুহা-, তন্হা-
মধ্যম পুৰুষ মান্য	তুমি	তুমা-	তুমিআহুন/ তুহুনা-/তন্হা- তোমালোক	তো-, তুহা- তুমাআহা-
অধিক মান্য	আপ্নি/আপুনি	আপ্না- আপুনা-	আপনালোক আপনাসকল আপুনাহঁত	আপ্নালোকো- আপ্নাসকলো- আপুনাহঁতো-
নামপুৰুষ	সি/তাই	তা-, সিআ-	তাহাত/ তাইহাত/ তাহ্নতে/ তাহুন	তাহাতো- আহন্তো- তাহা- সিহন্ত-, সিন্ত-

প্রয়োগ ঃ উত্তৰ পুৰুষ

একবচনৰ ৰূপ ঃ

মোই/মই ঃ মই/মোই কি কৰিম?

আমি ঃ আমি নকৰু দে।

মো-/মু-/ম ঃ এতু মোৰ/মুৰ/মৰ/বস্তু।

আমা- ঃ কাপুৰোৰ দৰকাৰ নাই আমাক।

বহুবচনৰ ৰূপ ঃ

আমি ঃ আমি চোব লগ হৈ জাম।

আমা- ঃ আমাৰ ইয়াত সি নাইচুন?

মধ্যম পুৰুষ

একবচনৰ ৰূপ ঃ

তই/তোই/তুমি ঃ তই/তোই/তুমি কোৰ্বাদে কামতু।

তু-/ত-/তো- ঃ তুৰ/তৰ/তোৰ লগোত নোৰি আৰো।

আপ্নি/আপুনি ঃ আপ্নি/আপুনি কামতু কৰ্বোনে/কৰিবানে?

আপ্না-/আপুনা ঃ আপ্নাৰ/আপুনাৰ ঘৰোত থাকিম।

বহুবচনৰ ৰূপ ঃ

তুমি আহুন/তুহুন ঃ তুমি আহুন/তুহুন জাবিনে?

তুমা আহা-/তুহা- ঃ তুমা আহাৰ/তুহাৰ ভাল কিজানি।
আপ্নালোক/আপুনাহঁত ঃ আপ্নালোকে/আপুনাহঁতে কৰ্পেৰে আহিচে?
আপ্নালোকো/আপুনাহঁতোঃ আপ্নালোকক/আপুনাহঁতোক মাতিচে।

নামপুৰুষ

একবচনৰ ৰূপ ঃ

সি/তাই ঃ সি/তাই ভাত খাবো।
তা-/সিআ- ঃ তাৰ/সিআৰ কথা নুসুন্বি।

বহুবচনৰ ৰূপ ঃ

তাহুন/তাহাত/সিহন্তে ঃ তাহুন/তাহাতে/সিহন্তে খাই আচে।
তাহা/তাহাতো/সিহন্ত ঃ তাহাৰ/তাহাতোৰ/সিহন্তৰ ঘৰত মানুহ নাই।

খ) **নির্দেশক সর্বনাম ঃ** নির্দেশক সর্বনামৰ ভাগ দুটা ঃ নিকটৱর্তী সর্বনাম আৰু দূৰৱর্তী সর্বনাম।

নিকটৱর্তী সর্বনামৰ তালিকা ঃ

একবচন	তির্যক ৰূপ	বহুবচন	তির্যক ৰূপ
ই	ইয়া-, এ°-	আহুন/ইহুন/এহাঁত	আহা-, ইন্ত-
		ইন্তে/ইহন্তে/এহুন্তে	ইহন্ত-, এহুন্তো-, এহাতো-
এই	—	এহাঁত/ইহুন/	এহুন্তো-, এহাতো-
		এহুন্তে/এহাতে	আহা-, ইহন্ত-
ইতু/এতু	এইতু-	ইমাখা/এইগিলা	ইমাখা-, এইগিলা-
		এইমখা/এইখবা/	এইমখা-, এইখবা-,
		এ'লা/এ'লাখান/	এ'লাখানো-,
		ইলাখেন/ইগ্লাখেন/	ইলাখেনো-,
		ইগিলাখান/ইগিলা	ইগ্লাখোনো-ইগিলাখানো-
এ'ই/এ'উঙ	—	এহুন/এঁ'উআহুন/	এহা-, এঁ'উআহা-,
		এউঙ্আহুন/এহেনা	এউঙ্আহা-

দূৰৱর্তী সর্বনামৰ তালিকা ঃ

একবচন	তির্যক ৰূপ	বহুবচন	তির্যক ৰূপ
সি	তা-	তাহুন/তাহাত	তাহা-, তাহাতো-
		তাহুন্তে/ সেন্থে	তাহুন্তো-, সেন্থো-
তাই	—	তাহুন/তাহাত/	তাহা-, তাহাতো-
		তাহুন্তে/তাইহাঁত	তাহুন্তো-, তাইহাঁতো-
সেতু/সিতু	—	সে'লা/ সে'লাখান/	সে'লাখানো-,
		সিলা/সিলাখেন	সিলাখেনো-

সেই	—	সেইমখা/সেমখা/ সেখবা/সেগেলাক/ সে'ঙ্লা/সে'ঙ্লাখান	সেমখা-, সেখবা-, সেগেলাক- সে'ঙ্লাখানো-
সিখিনি/ সে'খনি	—	সেগ্লা/সেগ্লাখান/ সিগ্লাখেন/সিগ্লা/ সিগিলাখান	সেগ্লাখানো-, সিগ্লাখেনো-, সিগিলাখানো-
তেঁউ/ তেউঙ	—	তাহ্ন/তেঁউআহ্ন/ তেউঙ্আহ্ন	তাহা, -তেঁউআহা-, তেউঙ্আহা-

গ) সম্বন্ধবাচক সর্বনাম ঃ

একবচন	**তির্যক ৰূপ**	**বহুবচন**	**তির্যক ৰূপ**
জি/ঝি (যি)	জা-, ঝা-	জিগ্লা/জিগিলা/ জিগ্লাখান/জিগ্লাখেন ঝিমখা/ঝিখবা ঝিগেলাক	জিগ্লাখানো-, জিগ্লাখেনো-, ঝিমখা-, ঝিখবা-, ঝিগেলাক-
জুনি/জোন	—	জুন্গিলা/জোন্গিলা/ জুন্গে'লা/জুন্গে'লাখান	জুন্গিলাখেনো-, জুন্গে'লাখানো-
জিহ (যিহ)	—	জিগ্লা/জিগ্লাখেন/ জিগ্লাখান/জিগ্লে'/ জিগিলে	জিগ্লাখেনো-, জিগ্লাখানো-

ঘ) প্রশ্নবাচক সর্বনাম ঃ

একবচন	**তির্যক ৰূপ**	**বহুবচন**	**তির্যক ৰূপ**
কি	কো-	কি কি	কো- কো-
কাএ' (কোন)	কা-	কাএ' কাএ'	কা- কা-
কিহ	—	কিহ্ কিহ্	কিহো- কিহো-
কুনি (কোন)	—	কুনি কুনি/ কুন্লে'গা	কা- কা-, কুনগে'লাখানো-
কিত/কিতিয়া (কেতিয়া)	—	—	—
কাই (কোনে)	কা-	কাঁই কাঁই	কা- কা-
কুন্তু	—	কুন্তু কুন্তু	—

ঙ) আত্মবাচক সর্বনাম ঃ

একবচন	তির্যক ৰূপ	বহুবচন	তির্যক ৰূপ
নিজ	নিজো-	নিজ নিজ	নিজো- নিজো-
নিজে	নিজ-	নিজে নিজে	নিজ- নিজ-
আপ্না	আপ্না-	আপ্না আপ্নি	—

চ) সমষ্টিবাচক সর্বনাম ঃ

একবচন	তির্যক ৰূপ	বহুবচন	তির্যক ৰূপ
চব/চোব (সকলো)	—	চব্গিলা/ চোব্গিলান	চবগিলা- চোবগিলানো-
গতে/গতাই (গোটেই)	—	গতাইগেলাক/ গতেমাখা/ গতাইমখা	গতাইগেলাক-, গতাইমাখা-, গতেমাখা-
লকাই	—	লকাইহঁত	—

ছ) অনির্দিষ্টতাবাচক সর্বনাম ঃ

একবচন	তির্যক ৰূপ	বহুবচন	তির্যক ৰূপ
কুনো/কুইনো (কোনো)	—	কুইনো কুইনো/	কাবা- কাবা-
কুনবা (কোনোবা)	—	কুন্বা কুন্বা/	
কুম্বা (কোনোবা)	—	কুম্বা কুম্বা	
ঐকো/আকো (একো)	—	—	—
কিবা	—	কিবা কিবা	—
কাইও (কেও)	—	কাইও কাইও	—
কিচু (কিছু)	—	—	—
কাবাৰ (কাৰোবাৰ)	—	কাবাৰ কাবাৰ	—

বচন ঃ মান্য অসমীয়াত একবচন বুজাবলৈ বচন নিৰপেক্ষ ৰূপটোৰ লগত টো, জন, জনী, খন, ডাল আদি যোগ হয় আৰু বহুবচন বুজাবলৈ বোৰ, বিলাক, হঁত, সকল, লোক, মখা, সোপা, জাক আদি বচনবাচক প্রত্যয়সমূহ যোগ হয়। কামৰূপী উপভাষাত মান্য অসমীয়াৰ বচনবাচক প্রত্যয়বোৰৰ কিছুমান ৰূপ পৰিৱর্তিত হৈ ব্যৱহাৰ হয় আৰু কিছুমান সুকীয়া বচনাত্মক প্রত্যয়ো প্রয়োগ হয়। কামৰূপী উপভাষাত অঞ্চলবিশেষে ব্যৱহৃত বহুবচনমূলক প্রত্যয়সমূহ তলত উল্লেখ কৰা হ'ল। এই প্রত্যয়সমূহ বিশেষ্য, সর্বনাম আৰু কেতিয়াবা বিশেষণৰ পাছতো যোগ হয়।

উত্তৰ কামৰূপীৰ পূব অঞ্চলত ব্যৱহৃত বহুবচনৰ প্রত্যয় ঃ -গিলে/ -ইলে/ -গিলা/ -ইগ্লে/ -ইংলে (বিলাক); -হাত/ -হেনা/ -হনা (হঁত, লোক); -হাম্বা/ -হোম্বা/ -হেমেৰা

(হঁত); -সোপা/ -সোপ্ৰা (সোপা); -মখা/ -মাখা (জাক); -সকাল (সকল); -তু (টো)।

উত্তৰ কামৰূপীৰ পশ্চিম অঞ্চলত ব্যৱহৃত বহুবচনৰ প্ৰত্যয় ঃ -হাঁত (হঁত); -গিলা/ -গিলান/ -গিলাখেন/ -গ্লা (বিলাক); -আহুন/ -হুন/ -আহুন/ -হুন/ -আহুঙ/ -হুঙ (লোক, হঁত); -চোব (বোৰ); -মাখা (বোৰ); -সপা/ -হপা/ -সপ্ৰা/ -হপ্ৰা (বোৰ) ইত্যাদি।

পূব আৰু পশ্চিম অঞ্চলত প্ৰয়োগ হোৱা কিছুমান বহুবচনমূলক সর্বনাম হ'ল ঃ তাহুং/তাহুন (সিহঁত); তেংআহুং/তেংআহুন (তেওঁলোক); আপ্নিআহুং/আপ্নিআহুন (আপোনালোক); ইগ্লা (ইবোৰ, এইবোৰ); সিগ্লা (সিবোৰ, সেইবোৰ) ইত্যাদি।

দক্ষিণ কামৰূপীৰ পূব অঞ্চলত প্ৰচলিত বহু বচনৰ প্ৰত্যয় কিছুমান হ'ল ঃ -মাখা/ -মখা/ -গেলা/ -গিলা/ -গিলাক/ (বোৰ, বিলাক); -হঁত/ -হাঁত (হঁত); -হন্তে/ -হিন্তে (হঁত) ইত্যাদি।

এই ঔপভাষিক ৰূপত সিন্তে (সিহঁত), ইন্তে (ইহঁত) আদি বহুবচনাত্মক সর্বনাম ৰূপৰ প্ৰয়োগ হয়।

দক্ষিণ কামৰূপীৰ পশ্চিম অঞ্চলত ব্যৱহৃত বহুবচনৰ প্ৰত্যয় ঃ -গিলা/ -গেলা/ -গিলাং/ -মাখা/ -মাখান (বোৰ, বিলাক); -হানা/ -নাহা (হঁত); -হাম্ৰা/ -হাম্লা/ -হামাৰা/ -সাম্ৰা/ সামাৰা (বোৰ, বিলাক) ইত্যাদি।

লিংগ ঃ অসমীয়া ভাষাত লিংগ স্বাভাৱিক আৰু অর্থগত। লিংগভেদ বুজাবলৈ মান্য অসমীয়া ভাষাত তিনিটা উপায় অৱলম্বন কৰা হয়।

১। কিছুমান পুৰুষ বা স্ত্রী বুজোৱা শব্দ বা কিছুমান নির্দিষ্টতাবাচক প্ৰত্যয় ব্যৱহাৰ কৰি,

২। ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰি,

৩। কিছুমান প্ৰত্যয় যোগ কৰি; এই প্ৰত্যয়বোৰক স্ত্রী প্ৰত্যয় বোলা হয়।

মান্য অসমীয়াৰ দৰে কামৰূপী উপভাষাতো সাধাৰণ শব্দৰ আগত মতা-মাইকীসূচক শব্দ প্ৰয়োগ কৰি বা নির্দিষ্টবাচক প্ৰত্যয় যোগ কৰি, পুংলিংগ স্ত্রীলিংগভেদে ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰি আৰু স্ত্রী-প্ৰত্যয় সংযোগ কৰি লিংগভেদ কৰা হয়। লিংগভেদৰ প্ৰণালী একেই যদিও কামৰূপী উপভাষাৰ বিভিন্ন স্থানীয় ৰূপত সামান্যভাৱে হোৱা ধ্বনি পৰিৱর্তনৰ বাবে শব্দৰূপবোৰ সুকীয়া সুকীয়া হয়। ইয়াৰ ফলত অৱশ্যে শব্দৰ অর্থৰ কোনো পৰিৱর্তন নহয়।

কামৰূপী উপভাষাৰ লিংগভেদৰ উদাহৰণ ঃ

ক) মূল শব্দৰ আগত মতা-মাইকীসূচক শব্দ প্ৰয়োগ কৰি—

মাতা হাঁহ (মতা হাঁহ) — মাতি হাঁহ (মাইকী হাঁহ)

আপাচোলি (ল'ৰা) — আপিচোলি (ছোৱালী) ইত্যাদি।

খ) **ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰি—**

কাকা (ককাইদেউ) — বৌ (নবৌ)

বৰ (দৰা) — কোইনা (কইনা)

লালেক (গিৰীয়েক) — মাইন্হেক/মইন্হেক (ঘৈণীয়েক) ইত্যাদি।

গ) **স্ত্রীপ্রত্যয় যোগ কৰি—**

-ই প্রত্যয়যুক্ত ঃ লেঙা (লিংলিঙীয়া, ওখ) — লেঙি

ফেদ্লা (ফেদেলা) — ফেদ্লি।

উত্তৰ-পূব কামৰূপীৰ পাতিদৰঙীয়া স্থানীয় ৰূপত স্ত্রীপ্রত্যয় -ই কেতিয়াবা এ'/এই/ঐ হয়, যেনে—

ঐ বা এ'/এ'ই ৰূপে প্রয়োগ হয়, যেনে—

মোহ্তা (মহা) — মাহৈ (মাহী)

জেচ্তা (জেঠা) — জিথে'/জিথেই (জেঠী)।

-নি প্রত্যয়যুক্ত ঃ বদ্দেকা (বৰডেকা) — বৰ্দেক্নি

গৈৰা (গড়ীয়া) — গৈৰেনি (গালি অর্থত)।

-ৰি প্রত্যয়যুক্ত ঃ কালা (কলা) — কালেৰি (কালৰী)

বেঙা — বেঙেৰী (বেঙুৰী)

-এনি প্রত্যয়যুক্ত ঃ কোল্তা (কলিতা) — কোল্তেনি

ভকত (ভক্ত) — ভক্তেনি।

বিয়াৰ পাছত গাঁৱৰ নামৰ শেষত স্ত্রীবাচক -এনি (মা. অস. — অনী) প্রত্যয় যোগ দি তিৰোতা মানুহক মতাটো উত্তৰ-পূব কামৰূপীৰ পাতিদৰঙীয়া আৰু উত্তৰ-পশ্চিম কামৰূপীৰ বৰপেটীয়া স্থানীয় ৰূপৰ বৈশিষ্ট্য। যেনে—

মুক্তাপুৰ (মুক্তাপুৰ) — মুক্তাপুৰেনি

পাতালপুৰ (পাত্রপুৰ) — পাতাল্পুৰেনি।

কেতিয়াবা গাঁৱৰ নামৰ পিছত -জে'ক (জীয়েক) শব্দ লগ লগোৱা হয়। যেনে—

কৰৰা — কৰেৰেনি/কৰেল্জে'ক।

বৰপেটীয়া স্থানীয় ৰূপত আকৌ স্ত্রীপ্রত্যয় যোগ হোৱা দ্বিত্ব স্ত্রীলিংগ ৰূপৰ শব্দও দুই-এটা পোৱা যায়। যেনে—

ধেম্না (বিয়া নকৰোৱাকৈ অনা তিৰোতা) —ধেম্নি

বেইচ্চা (বেশ্যা) — বেইচ্চেনি।

নির্দিষ্টতাবাচক প্রত্যয় ঃ কোনো বস্তু বা বিষয়ক নির্দিষ্টকৈ বুজাবলৈ অসমীয়া ভাষাত বিশেষ্য, বিশেষণ, সর্বনাম আৰু সংখ্যাবাচক শব্দৰ পিছত কিছুমান নির্দিষ্টবাচক ৰূপ যোগ হয়। উপেন্দ্রনাথ গোস্বামী আৰু বাণীকান্ত কাকতিৰ মতেও কোনো বস্তুক নির্দিষ্টকৈ

বুজাবলৈ কামৰূপী উপভাষা আৰু মান্যভাষাত বিশেষ্য, বিশেষণ আৰু সংখ্যাবাচক শব্দৰ উপৰি প্ৰথম আৰু দ্বিতীয় পুৰুষৰ বাহিৰে কিছুমান সর্বনাম শব্দৰ পাছত কিছুমান প্ৰত্যয় বা শব্দ যোগ দিয়াটো ভাষাটোৰ এটা অন্যতম বৈশিষ্ট্য। এই প্ৰত্যয়বোৰ ৰূপসাপেক্ষ। এইবোৰক বচনবাচক প্ৰাকৃতি বোলা হয়। কিয়নো এই ৰূপসমূহে বচন নিৰপেক্ষ ৰূপৰ লগত যোগ হৈ একবচন অথবা বহুবচনৰ অর্থ প্ৰকাশ কৰে।

কামৰূপী উপভাষাত ব্যৱহাৰ হোৱা নির্দিষ্টতাবাচক ৰূপসমূহ মান্য অসমীয়াতকৈ সুকীয়া যদিও অর্থগত ভিন্নতা নাই। এই উপভাষাত মান্য অসমীয়াৰ লগত মিল নথকা নির্দিষ্টতাবাচক প্ৰত্যয়সমূহৰ প্ৰয়োগৰ লগতে কিছুমান মান্য অসমীয়াৰ লগত মিল থকা আৰু সামান্যভাৱে ধ্বনি পৰিৱর্তন হৈ ব্যৱহাৰ হোৱা নির্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰো আছে। কামৰূপী উপভাষাত প্ৰয়োগ হোৱা কেতবোৰ প্ৰত্যয়ৰ উদাহৰণ তলত দাঙি ধৰা হ'ল—

-তো/-তু/-তা	ঃ	তিৰিতো, কুকুৰ্তু, মানুহতা 'মানুহগৰাকী', 'কুকুৰটো', 'মানুহজন'।
-থপা	ঃ	ফুলথপা 'ফুলথোপা'
-মুথা	ঃ	সাক মুথা 'শাকমুঠি'
-মুন/-মোন	ঃ	বেহাৰমুন, ধানমোন 'সৰিয়হমোন', 'ধানমোন'
-পালি	ঃ	ওখুদ/অসুত পালি 'ঔষধপালি'
-পাল	ঃ	মুইহপাল 'ম'হপাল'
-পাত	ঃ	কৰচপাত 'হেতাখন'
-জাক	ঃ	চৰে/চৰেইজাক 'চৰাইজাক'
-তকুৰ/-তুক্‌ৰা	ঃ	মাচতকুৰ/মাচতুক্‌ৰা 'মাছডোখৰ'
-তপা/-তেপা	ঃ	ভাততপা/ভাততেপা 'ভাতগৰাহ'
-দাল	ঃ	গাচদাল 'গছডাল'
-তাৰ	ঃ	বান্‌নিতাৰ 'বাঢ়নীটাঁৰ'
-খান	ঃ	বোথিখান 'মৈদাখন'
-কচা	ঃ	চুলিকচা 'চুলিকোছা' ইত্যাদি।

কাৰক আৰু কাৰক বিভক্তি ঃ বাক্যত ব্যৱহাৰ হোৱা যিটো পদৰ (যিহৰ) লগত ক্ৰিয়াৰ সম্বন্ধ স্থাপন হয়, সেয়াই কাৰক। অর্থাৎ ক্ৰিয়া ৰূপৰ সৈতে কাৰকৰ অন্বয় হয়। আনহাতে যিবোৰ ৰূপে বাক্যত ব্যৱহৃত শব্দবোৰক পদৰ মর্যাদা প্ৰদান কৰে আৰু পদসমূহৰ মাজত পাৰস্পৰিক সম্বন্ধ সূচিত কৰে। সেয়ে বিভক্তি। 'অসমীয়াত কাৰকৰ ভাব প্ৰকাশ কৰিবলৈ অর্থাৎ বাক্যত ব্যৱহৃত শব্দক ক্ৰিয়াৰ লগত সংগতি স্থাপন কৰিবলৈ বা শব্দক শব্দৰ লগত সম্বন্ধ ৰাখি বাক্য পদৰূপে ব্যৱহাৰ কৰিবলৈ ছবিধ বিভক্তি ব্যৱহাৰ কৰা হয় আৰু সেইবোৰ একবচন আৰু বহুবচনত থাকে'। কাৰক আৰু সম্বন্ধ পদ অনুযায়ী

স্বৰান্ত আৰু ব্যঞ্জনান্ত শব্দৰ পাছত ব্যৱহাৰ হোৱা বিভক্তিৰ চানেকিখন তলত দিয়া হ'ল—

কাৰক	বিভক্তি	স্বৰান্ত শব্দৰ পাছত	ব্যঞ্জনান্ত শব্দৰ পাছত
কর্তা	প্রথমা	-০, -এ (ই = য়)	-০, -এ
কর্ম	দ্বিতীয়া	-০, -ক	-০, -অক
কৰণ	তৃতীয়া	-এ, -ৰে	-এৰে
নিমিত্ত	চতুর্থী	-লৈ	-অলৈ
অধিকৰণ	সপ্তমী	-ত, -এ	-অত, -এ
সম্বন্ধ পদ	ষষ্ঠী	-ৰ	-অৰ

সাধাৰণতে কাৰকৰ সম্বন্ধ দেখুৱাবলৈ মান্য অসমীয়াত দুটা উপায় অৱলম্বন কৰা হয়—

ক) মূল শব্দৰ লগত কাৰক বিভক্তি যোগ কৰি

খ) কাৰক বিভক্তিৰ পিছত অনুসর্গ ব্যৱহাৰ কৰি।

কাৰক আৰু বিভক্তি প্রয়োগৰ ক্ষেত্রত মান্য অসমীয়াৰ লগত কামৰূপী উপভাষাৰ বিশেষ পার্থক্য পৰিলক্ষিত নহয়। মান্য অসমীয়াৰ লগত কাৰকবাচক ৰূপসমূহৰ অর্থগত প্রভেদ নাই; কেৱল ৰূপগঠনহে সুকীয়া হয়। কামৰূপী উপভাষাতো মান্য অসমীয়াৰ দৰেই বিভক্তি যোগ কৰি আৰু বিভক্তিৰ পিছত অনুসর্গ ব্যৱহাৰ কৰি কাৰক সাধন কৰা হয়। তলত এই বিষয়ে আলোচনা কৰা হৈছে।

কর্তাকাৰক ঃ কর্তা কাৰকৰ লগত প্রথমা বিভক্তি যোগ হয়। সকর্মক ক্রিয়াপদৰ কর্তাৰ লগত '-এ' আৰু অকর্মক ক্রিয়াপদৰ লগত 'শূন্য বিভক্তি'ৰ প্রয়োগ হয়। যেনে—

'হৰি গেইচে।' (শূন্য বিভক্তি)

'আয়ে (আই -এ) মাতি আচে।' ('এ' বিভক্তি)।

কর্মকাৰক ঃ কর্মকাৰকৰ লগ দ্বিতীয়া বিভক্তি যোগ হয়। কর্ম অপ্রাণীবাচক হ'লে অথবা প্রাণীবাচক কর্মটো নির্দিষ্টবাচক নহ'লে কর্মকাৰকত 'শূন্য বিভক্তি' যোগ হয়। যেনে—

'সি পানী খালা/খালাক।' ('শূন্য' বিভক্তি)

'মই/মুই ৰামোক গালি দিচু।' ('ক' বিভক্তি)

'হৰিয়ে জিবনক কোবাইছে।' ('অক' বিভক্তি)

কৰণকাৰক ঃ কৰণকাৰকৰ লগত তৃতীয় বিভক্তি যোগ হয়। যেনে—

'মই কতাৰিৰে তামুল কাতিচু।' ('ৰে' বিভক্তি)

'হাতে কাতা কাপুৰ।' (এ বিভক্তি)

কেতিয়াবা কৰণকাৰকৰ তৃতীয় বিভক্তি '-ৰে', '-এৰে'ৰ ঠাইত '-দি' যোগ হয়। যেনে—

লোৰু -দি লোৰুইদি 'এচাৰিৰে'

কাত্ৰি -দি কাত্ৰিদি 'কটাৰীৰে'।

নিমিত্তকাৰক ঃ নিমিত্ত বা নিমিত্তার্থক কাৰকত চতুর্থী বিভক্তি যোগ কৰি লক্ষ্য, উদ্দেশ্য, দিশ, নিমিত্ত আদি অর্থ প্রকাশ কৰা হয়। কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহত বহুক্ষেত্রত অধিকৰণ কাৰকৰ সপ্তমী বিভক্তি '-ত' আৰু কর্মকাৰকৰ দ্বিতীয় বিভক্তি '-ক' প্রয়োগ কৰিও নিমিত্তার্থ বুজোৱা হয়। যেনে—

'কোত জা?' 'ক'লৈ যোৱা?'

'কোক আইচা?' 'ক'লৈ আহিছ?'

নিমিত্তকাৰকত কেতিয়াবা শূন্যবিভক্তি প্রয়োগ হয়। যেনে—

'মই ইচ্কুল জাং।' 'মই স্কুললৈ যাওঁ।'

কেতিয়াবা নিমিত্ত অর্থত -লাগি, -লাগিনি, -থাত আদি ৰূপ ব্যৱহাৰ হোৱা উদাহৰণো স্থানীয় ৰূপত আছে। যেনে—

'অলপ বাজাৰলাগিনি জাউ।' 'অলপ বজাৰলৈ যাওঁ।'

অপাদান কাৰক ঃ অসমীয়া ভাষাত অপাদান কাৰক আছে যদিও অপাদান কাৰকৰ সুকীয়া এটা বিভক্তি নাই। সেয়ে ষষ্ঠী বিভক্তিযুক্ত সম্বন্ধ পদৰ 'ৰ' বিভক্তিৰ পিছত 'পে', 'পেৰে' 'পাৰা', 'পাই' অনুসর্গ যোগ কৰি সেই কাৰকৰ অর্থ প্রকাশ কৰা হয়। কেতিয়াবা শূন্য বিভক্তিৰ দ্বাৰাও অপাদান কাৰক সাধন কৰা হয়। যেনে—

'পোখ্ৰিৰ পে মাচ আনিচু।' 'পুখুৰীৰ পৰা মাছ আনিছো।'

'মেম্বৰৰ পুতাকে ফুল আনি দিচে।' 'মেম্বৰৰ পুতেকে ফুল আনি দিছে।'

অধিকৰণ কাৰক ঃ অধিকৰণ কাৰকত সপ্তমী বিভক্তি -ত আৰু -অত, -অতে যথাক্রমে স্বৰান্ত আৰু ব্যঞ্জনান্ত শব্দৰ পাছত যোগ হয়। যেনে—

'পানিত মাচ থাকে।' 'পানীত মাছ থাকে।'

'আকাখত তাৰা আচে।' 'আকাশত তৰা আছে।'

অধিকৰণ কাৰকত কেতিয়াবা '-এ' বিভক্তি যুক্ত হয়। যেনে—

'অফিচোৰ সন্মুখে গহেঘৰতু।' 'অফিচৰ সন্মুখত নামঘৰটো।'

অনুসর্গ ঃ মান্য অসমীয়াৰ দৰে কামৰূপী উপভাষাতো কাৰকৰ ভাব প্রকাশ কৰিবলৈ বিভক্তিৰ পিছত কিছুমান অনুসর্গ ব্যৱহাৰ কৰা হয়। অৱশ্যে সকলো কাৰকতে অনুসর্গ যোগ নহয়। কৰণ কাৰক, নিমিত্ত কাৰক, অপাদান কাৰক আৰু অধিকৰণ কাৰকত অনুসর্গ যোগ হয়। যেনে—

ক) কৰণ কাক ঃ দি, লগত, লগোত, হোতি

যেনে— 'সি জখলাদি গাচত উইথ্চে।' 'সি জখলাৰে গছত উঠিছে।'

'গোৰুতুক লোৰুইদি কুইবেচি।' 'গৰুজনীক এচাৰিৰে কোবাইছে।'

'মোৰ লগোত কাইজা নকইব্বি।' 'মোৰ লগত কাজিয়া নকৰিবি।'

'মোই/মোৰ হোতি নাইহ্বি।' 'মোৰ লগত নাহিবি।'

খ) নিমিত্ত কাৰক ঃ লোগি, লেগি, গেলি, কেলি

যেনে— 'মোক লোগি কি আন্চা?' 'মোলৈ কি আনিছা?'

'ঘৰোক লেগি জা চুন।' 'ঘৰলৈ যোৱাচোন।'

'তাক গেলি আন্‌বি।' 'তাৰলৈ আনিবি।'

'সি খাবাক্‌কেলি গেল।' 'সি খাবলৈ গ'ল।'

গ) অপাদান কাৰক ঃ পে, পেৰে, পাৰা, পাই

যেনে— 'সি তলোৱ্‌পে চাই আচে।' 'সি তলৰ পৰা চাই আছে।'

'তুমি কোৱ্‌পেৰে আইচা?' 'তুমি ক'ৰপৰা আহিছা?'

'ৰামৰপাই ফুল লইচু।' 'ৰামৰ পৰা ফুল লৈছো।'

লক্‌ৰ পাৰা আনা বস্তু (লোকৰ পৰা অনা বস্তু)।

ঘ) অধিকৰণ কৰক ঃ থাকি, কোৰি

যেনে— 'মোত থাকি সি দাহাৰ।' 'মোতকৈ সি ডাঙৰ।'

'ৰামোত কোৰি হৰি ভাল।' 'ৰামতকৈ হৰি ভাল।'

পুৰুষবাচক বিভক্তি ঃ মান্য অসমীয়াৰ দৰে কামৰূপী উপভাষাতো পুৰুষবাচক বিভক্তিৰ প্ৰয়োগ আছে যদিও অঞ্চল বিশেষে বিভক্তিৰ ৰূপসমূহ সুকীয়া হয়। সামগ্ৰিকভাৱে এই উপভাষাত প্ৰয়োগ হোৱা পুৰুষবাচক বিভক্তিৰ তালিকা এখন তলত দিয়া হ'ল।

পুৰুষ	**উত্তম পুৰুষ**	**মধ্যম মান্য পুৰুষ/ মধ্যম তুচ্চ পুৰুষ**	**নামপুৰুষ**
	মোৰ/মৰ/মুৰ	তুমাৰ/তোৰ/তৰ/তুৰ	তাৰ/তাইৰ/তেঁউৰ/তেওঁৰ
বিভক্তি	- ϕ (শূন্য)	-এ, -এৰে, -এৰ	-অক,/-আক,/-এ'ক
সম্বন্ধবাচক বিশেষ্য শব্দ			
মাই	মাই -ϕ	মাই -এৰে (মায়েৰে) মাই -এৰ (মায়েৰ)	মাই -অক (মায়ক) মাই -আক (মায়াক)
মামা	মামা -ϕ	মামা -এ (মামে)	মামা -এ'ক (মামেক)
খুৰি	খুৰি -ϕ	খুৰি -এ (খুইৰে) খুৰি -এৰে (খুইৰেৰে)	খুৰি -অক (খুৰিয়ক) খুৰি -এ'ক (খুইৰেক)
মাহি/	মাহি -ϕ	মাহি -এ (মাইহে)	মাহি -এ'ক (মাইহেক)
মাহু/	মাহু -ϕ	মাউহে -এৰে (মাউহেৰে)	মাহু -আক (মাউহাক)
মাউহে	মাউহে -ϕ	মাউহে -এৰ (মাউহেৰ)	মাউহে -অক (মাউহাক)

ক্ৰিয়াপদ ঃ কামৰূপী উপভাষাত মান্য অসমীয়াৰ দৰে ক্ৰিয়াৰ ভাব দুটা— নিৰ্দেশক ভাব আৰু অনুজ্ঞা ভাব। মান্য অসমীয়াত ব্যৱহাৰ হোৱা ক্ৰিয়া-বিভক্তিবোৰ কিছুমান ক্ষেত্ৰত মাত্ৰ ধ্বনিগত পৰিৱৰ্তন হৈ কামৰূপী উপভাষাত পাঁচটা কাল আৰু দশাক্ৰিয়া ৰূপ গঠন কৰিবলৈ প্ৰয়োগ হয়। এই পাঁচোটা কাল হ'ল— বৰ্তমান, ভূত, ভৱিষ্যৎ, পূৰ্ণ-বৰ্তমান আৰু পূৰ্ণভূত। এই কাল অনুযায়ী ক্ৰিয়াৰ ৰূপৰ সালসলনি হয়।

উপভাষাটোত স্বৰান্ত আৰু ব্যঞ্জনান্ত উভয়বিধ ধাতু আছে। স্বৰান্ত ধাতুৰ আকৌ অ-কাৰান্ত, ই-কাৰান্ত আৰু উ-কাৰান্ত ধাতু আছে। বিভক্তিযুক্ত হ'লে স্বৰান্ত আৰু ব্যঞ্জনান্ত অনুসাৰে ধাতুবোৰৰ ৰূপ বেলেগ বেলেগ হয়। আকৌ, কোনো কোনো কালৰ পুৰুষত বিভক্তি যোগ নোহোৱাকৈ অকল ধাতুটোৱে ব্যৱহাৰ হয়।

ধাতু ঃ উৎপত্তি আৰু গঠনৰ ফালৰ পৰা কামৰূপী উপভাষাত ব্যৱহাৰ হোৱা ধাতুসমূহক তিনিটা ভাগত ভাগ কৰিব পাৰি— (ক) মৌলিক ধাতু, (খ) সাধিত ধাতু, (গ) যৌগিক ধাতু।

ক) মৌলিক ধাতু ঃ মান্য অসমীয়াত ব্যৱহাৰ হোৱা বেছিভাগ মৌলিক ধাতুৱেই কামৰূপী উপভাষাত ব্যৱহাৰ হয়। কামৰূপী উপভাষাত প্ৰয়োগ হোৱা মৌলিক ধাতুৰ কেতবোৰ উদাহৰণ তলত দিয়া হ'ল—

অঁচা (খাই মুখ ধো), আখ্‌ল (ধো, পখাল), আজ্‌ৰা (খালী কৰ), উক্‌ৰ (মহুৰা আদিৰ সূতা ওলোটাই টানি আন), উহা (পানী সিজা, উখুৰা), কত্‌ল (বাঁহ, গছ আদিৰ ডাল কাট), কাচ্‌ (নিছিগাকৈ ৰেপি কাট), খচ্‌ (গচক), খিচ্‌ (নিন্দা কৰ, তিৰস্কাৰ কৰ), ঘাত্‌ (পৰাজিত হ), ঘুমা (শো), চত্‌ক (গচক), চিৰ্‌হ (চিঞৰ মাৰ), চুচ্‌ (মূৰ আঁচোৰ) ইত্যাদি।

খ) সাধিত ধাতু ঃ সাধিত ধাতুক তিনিটা ভাগত ভগাব পাৰি— (১) পাঁচনী ধাতু, (২) নাম ধাতু আৰু (৩) ধ্বন্যাত্মক ধাতু।

১) **পাঁচনী ধাতু ঃ** কামৰূপী উপভাষাত ব্যৱহাৰ হোৱা পাঁচনী ধাতুৰ উদাহৰণ তলত দিয়া হ'ল। যেনে— আকাঙ্‌ (অকাওঁ), কান্দুৱা (কন্দুৱা), আনাঙ্‌ (অনাওঁ), ঘাউতাঙ্‌ (ঘটুৱাওঁ), উলিয়াঙ্‌ (উলিয়াওঁ), নাউচাঙ্‌ (নচুৱাওঁ), কৰাঙ্‌ (কৰাওঁ), পাউহ্‌ৰাঙ্‌ (পাহৰাওঁ), কনুৱাং (কন্দুৱাওঁ), বাউগ্‌ৰাঙ্‌ (বগৰাও), কাতাং (কটাওঁ), ভোউৰঙ্‌/ভোউৰাঙ্‌ (পুৰাওঁ), খুৱাং (খুৱাওঁ), সাউথ্‌ৰাঙ্‌ (সাঁতোৰাওঁ), খচাং (গচকাওঁ), হাঁহুৱাঙ (হঁহুৱাওঁ) ইত্যাদি।

২) **নাম ধাতু ঃ** মান্য অসমীয়াৰ দৰে কামৰূপী উপভাষাতো কিছুমান প্ৰত্যয়যুক্ত আৰু কিছুমান প্ৰত্যয়বিহীন নামধাতুৰ প্ৰয়োগ হয়। যেনে—

আইতা (বান্ধ দিয়া), থুত্‌ থুইৰা (থুতুৰিয়া), কুবা (কোবোৱা), খিৰা (খীৰা), দামা (দম কৰা, দমা), খুইন্দা (খুন্দিয়া) নিকা (নিৰা, ধান নিৰা) ইত্যাদি।

৩) **ধ্বন্যাত্মক ধাতু ঃ** কামৰূপী উপভাষাত মান্য অসমীয়াৰ লগত মিল থকা আৰু মিল নথকা অসংখ্য ধ্বন্যাত্মক ধাতুৰ ব্যৱহাৰ আছে। উদাহৰণ স্বৰূপে কেইটামান উল্লেখ কৰা হ'ল। যেনে—

কলকলা (কল্‌ কলা), ফুচ্‌ফুচা (ফুচ্‌ফুচা), কেক্‌কেকা (কেকা), ভুকা (ভুকা), কিন্‌কিনা (কিন্‌কিনা), সলক্‌-ঝলক্‌ (সোলোক-ঢোলোক), খল্‌খলা (খলখলা), সিৰ্‌সিৰা (সিৰ্‌সিৰা) ইত্যাদি।

আক্‌ বাৰ্‌ (আগ বাঢ়), আচাৰানি মাৰ্‌ (আচাৰকণি মাৰ), আদায় কৰ্‌ (শেষ

কৰ), আলানি কৰ্ (নষ্ট কৰ) ইত্যাদি।

ক্রিয়া বিভক্তি ঃ কামৰূপী উপভাষাত ঔপভাষিক অঞ্চল বিশেষে ক্রিয়া-বিভক্তিৰ সংযোগেৰে গঠন হোৱা ক্রিয়াৰূপবোৰত ধ্বনিগত প্রভেদ লক্ষ্য কৰা যায়। তথাপিও সামগ্রিকভাৱে আমি এই উপভাষাত ৰূপগতভাৱে কাল আৰু দশাবাচক কৃৎ প্রত্যয়ৰ পিছত যুক্ত হোৱা ক্রিয়া-বিভক্তিৰ তালিকাখন এনেধৰণে দেখুৱাব পাৰোঁ—

কাল আৰু দশা	কালবাচক প্রত্যয়	পুৰুষ অনুযায়ী ক্রিয়া বিভক্তি				
		উত্তম পুৰুষ	মধ্যম পুৰুষ		নাম পুৰুষ	
			মান্য	তুচ্চ	ব্যঞ্জনান্ত আৰু অন্য স্বৰান্ত ধাতুত	আ-স্বৰান্ত ধাতুত
		-ওঁ	-আ	-ও	-এ	-এ, -ই
বর্তমান কাল	—	-উ	-অ	-আ		
নির্দেশক ভাব		-অঙ্/-ঙ্	-ϕ	-অ -ϕ		
বর্তমান কাল			-অ	-উ	-অক	-ক্,
অনুজ্ঞা ভাব			-অ -ϕ	-ও -অউ		-অক
ভূত কাল	-ল -ইল্	-ওঁ -উ -অঙ্	-ই -আ	-ই	-আ- -এ’ -এক্ -আক্	-আ -আক
ভৱিষ্যৎ কাল	-ই -ইব -ব	-ম (ইব+ওঁ) ইবওঁ>ইবোঁ ইম্>ম	-ই -আ	-ই	-ও -উ	-ও -অউ (ঔ)
পূর্ণবর্তমান	-চ	-উ	-আ	-অ	-ই	ই
কাল	-ইচ্	-ও -অঙ্	-অআ -এ’আ	-আ -এহ্	-এ	-এ
পূর্ণভূত কাল	চ্-ইল্	-উ	-ই	-ই	-ϕ	-ϕ
	ইচ্-ইল্	ও	আ		-আ	-আ

কামৰূপী উপভাষাৰ ক্ৰিয়াৰূপৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল— ক্ৰিয়াৰূপৰ লগত মধ্যম পুৰুষৰ সৰ্বনামৰ তুচ্চার্থে, মান্যার্থে আৰু অধিক সন্মানার্থে বিভিন্ন কালত একে বিভক্তি যোগ হয়। অর্থাৎ ক্ৰিয়াৰ ৰূপৰ ব্যৱহাৰত তুচ্চার্থ-মান্যার্থৰ প্ৰভেদ ৰখা নহয়। যেনে—

তুচ্চার্থে ঃ তই > খা, খাচা, খালি, খাচিলি, খাবি

মান্যার্থে ঃ তুমি > খা, খাচা, খালি, খাচিলি খাবি

অধিক সন্মানার্থে ঃ আপ্‌নি > খা, খাচা, খালি, খাচিলি খাবি।

অৱশ্যে কেতবোৰ স্থানীয় ৰূপত, বিশেষকৈ কামৰূপৰ পূব দিশৰ পাতিদৰং অঞ্চলত সামান্য প্ৰভেদেৰে মান্য অসমীয়াৰ নিয়মকে মানি চলা হয়।

ক্ৰিয়া বিশেষণ ঃ কামৰূপী উপভাষাত ব্যৱহাৰ হোৱা ক্ৰিয়া বিশেষণসমূহক সামগ্ৰিকভাৱে তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাব পাৰি—

ক) কালবাচক ক্ৰিয়া বিশেষণ ঃ

থন/ইথে'ন/ইতিয়া/ইতা/ইথান/এথান/এলা (এতিয়া)
তিথন/তিথেন/তিথান/তিতেন/তিত্‌তে/তিতা/তেলা/তিতান (তেতিয়া)
কিথন/কিতান/কিতিয়া/কিতা/কিত্‌তে/কিথেন/কেথান (কেতিয়া)
জিথন/জিতান/জেথেন/জিতিয়া/জিতা/জিথে'ন/জিত্‌তে/
জিথান (যেতিয়া) ইত্যাদি।

খ) স্থানবাচক ক্ৰিয়া বিশেষণ ঃ

অঁহে/অহঁয়/অহাঁয়/উহুঁই/ওঁহাই/অহন্দি/উহুন্দি/ইপুন্দি/ইপোনে/উপুন্দি/
ইফ্‌লে/ইফালে/এপোনে/ইগিদি (এইপিনে/এইফালে)
সঁহই/সঁহে/সিগিদি/সেপোনে/সুঁহুই/সোঁহাই/সহন্দি/সুহন্দি/সিপুন্দি/
সুপুন্দি/সঁহাই/সিপোনে/সিফ্‌লে/সিফালে (সেইফালে/সেইপিনে)
কোম্‌ফালে/কুন্‌গিদি/কুন্‌ফালে/কোম্‌পিনে (কোনফালে)।

গ) লক্ষণবাচক ক্ৰিয়া বিশেষণ ঃ

এ'ন্‌কে/এ'ঙ্‌কে/এঙ্‌কা/অঙ্‌কা/এন্‌কা/এনেইকে (এনেকৈ)
তে'ন্‌কে/তে'ঙ্‌কে/তেঙকা/তেন্‌কা/তেনেইকে (তেনেকৈ)
জে'ঙ্‌কে/জেন্‌কে/জেনেইকে (যেনেকৈ)
কেন্‌কে/কেঙ্‌কে/কেনেকে/কেনেইকে (কেনেকৈ) ইত্যাদি।

ঘ) বিবিধ বিষয়ক ক্ৰিয়া বিশেষণ ঃ ভুৰ্‌কাই/ভুৰ্‌কে (ঠগোৱা), চিকিনাই থৌ (কঁটলা), আলা-মালাকে (পালমৰা ধৰণৰ), আকু (আৰু), আগলিলা (বেছি হোৱা), কিয়া (কিয়), আইলং-বাইলং কুব (যা-তা কথা কোৱা), উক্‌তি ফেল (ছেদেলি-ভেদেলি কৰ), খখ্‌খখ্‌কে (খাওঁতে কৰা লৰালৰি), খাং-খিং লাগ (উৰুঙা উৰুঙা লাগ), জুক্‌তি কৰ (আয়োজন কৰা) ইত্যাদি।

অব্যয় পদ ঃ কামৰূপী উপভাষাত ব্যৱহৃত অব্যয়বোৰক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি— (ক) সংযোজক অব্যয়, (খ) পৃথকবোধক অব্যয়, (গ) সন্দেহবোধক অব্যয়, (ঘ) ভাববোধক অব্যয়, (ঙ) সম্বোধনবোধক অব্যয় আৰু (চ) সমিধানবোধক অব্যয়।

ক) সংযোজক অব্যয় ঃ

আৰু/আৰো/আৰ (আৰু), তেনেহলি/তেহলি/সেনেহোলি (তেনেহ'লে) জেনাকে/জেনেকে (যেনেকৈ), তেনাকে/সেনাকে/তেন্‌কে/সেন্‌কে (তেনেকৈ) ইত্যাদি।

খ) পৃথকবোধক অব্যয় ঃ


বা ঃ 'সি বা মই জাম।' (সি বা মই যাম।), কি ঃ 'কইৰ্‌বি কি নকইৰ্‌বি?' (কৰিবি নে নকৰ?), কিন্তু ঃ 'তই নাখালিও মই কিন্তু খাম।' (তই নাখালেও মই কিন্তু খাম।) ইত্যাদি।

গ) সন্দেহবোধক অব্যয় ঃ জোদি/জুদি/ঝিদি (যদি), জানু/জানুক (জানো) ইত্যাদি।

ঘ) ভাববোধক অব্যয় ঃ ইচ্‌ ঃ 'ইচ্‌ বৰ লাজোৰ কথা হল।' (ইচ্‌ বৰ লাজৰ কথা হ'ল), আউ ঃ আউ, কোৰ্‌পে ওলালি?' (আৰে, ক'ৰপৰা ওলালি?), উহ্‌ ঃ 'উহ্‌! বিৰাত তপাত হৈচে গাতু।' (উহ্‌ বৰ গৰম হৈছে গাটো।), হাইনু ঃ 'হাইনু, এনাম থোউগা আপি।' (বাহ্‌, ইমান ধুনীয়া ছোৱালী।) ইত্যাদি।

ঙ) সম্বোধনবোধক অব্যয় ঃ কামৰূপী উপভাষাত ঐ, অই, ও, হে, হেৰি, হেৰা, এ, এই, ওই, হো আদি সম্বোধনবোধক অব্যয়ৰ ব্যৱহাৰ হয়।

চ) সমিধানবোধক অব্যয় ঃ কামৰূপীত ব্যৱহাৰ হোৱা সমিধানবোধক অব্যয়বোৰ এনে ধৰণৰ ঃ অঁ, আ, হুঁ, উঁ, উহু, কি, হ'ব, হোই, নোহেই, নহবো, অহো ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ কামৰূপী উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যবোৰ ফঁহিয়াই বিচাৰ কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

৫.৫.৩ শব্দগত বৈশিষ্ট্য

মান্য ভাষাৰ তুলনাত শব্দগত দিশত কামৰূপী উপভাষাত কেতবোৰ পার্থক্য পৰিলক্ষিত হয়। মান্য ভাষাৰ 'ভাই-ভনী' আদি শব্দৰ নিচিনাকৈ কামৰূপী উপভাষাত

'ভায়াক-বইনাক' আদি শব্দৰ প্ৰয়োগ আছে। 'ল'ৰা-ছোৱালী' বুজাবলৈ কামৰূপীত 'ছলি' শব্দৰ প্ৰয়োগ হয়। 'ল'ৰা' বুজাবলৈ 'আপা-ছলি' আৰু 'ছোৱালী' বুজাবলৈ 'আপি-ছলি'ৰ প্ৰয়োগ বিশেষ বৈশিষ্ট্যপূৰ্ণ। তদুপৰি মান্য ভাষাৰ কেতবোৰ শব্দ বুজাবলৈ কামৰূপীত সুকীয়া শব্দৰ ব্যৱহাৰ হয়। যেনে— জলকীয়া বুজাবলৈ 'ভজ্‌লুক', অমিতা বুজাবলৈ 'মোইদফাল', বোকা বুজাবলৈ 'পেক' বা 'পোত' আদি শব্দৰ প্ৰয়োগে কামৰূপী উপভাষাৰ শব্দগত বিচিত্ৰতা প্ৰকাশ কৰিছে। আন কিছুমান কামৰূপী শব্দ হ'ল— লান (কুৰা), গেচ (চাকি), পাইনপেলি/পানপিপেলি (শেৰালি), গেন্ধে (নাৰ্জি), গাৰি (টোলোঠা), বৰ (দৰা), খিচাগিদ (নিন্দাগীত), তেলোৰ ভাৰ (জোৰোণ) ইত্যাদি।

অনুশীলনী

১) কামৰূপী উপভাষা আৰু মান্য সমীয়াৰ স্বকীয় শব্দবোৰৰ দুখন তালিকা প্ৰস্তুত কৰক।



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ পৰা আমি গম পালো যে অসমীয়া ভাষাৰ এটি অন্যতম উপভাষা হ'ল কামৰূপী উপভাষা। অবিভক্ত কামৰূপ জিলাত এই উপভাষাটিৰ প্ৰচলন আছে।
- সামগ্ৰিকভাৱে যদিও সমগ্ৰ কামৰূপ অঞ্চলৰ কথিত ৰূপটিক কামৰূপী উপভাষা নামে জনা যায় তথাপি এই উপভাষাটিৰ ভালেকেইটা স্থানীয় ৰূপ আছে। প্ৰধানকৈ উত্তৰ-পূব, উত্তৰ-পশ্চিম, দক্ষিণ-পূব আৰু দক্ষিণ-পশ্চিম— এই চাৰিটা ঔপভাষিক ৰূপত বিভক্ত এই উপভাষাটিৰ বৰপেটা, নলবাৰী, পাতিদৰং সৰ্থেবাৰী, পলাশবাৰী, বকো, গুৱাহাটী, ডিমৰীয়া আদি অঞ্চলৰ স্থানীয় ৰূপ সততে লক্ষ্য কৰা যায়।
- এই অঞ্চলৰ বিভিন্ন খণ্ডত ভিন্ ভিন্ ৰাজবংশৰ শাসন, সততে এই অঞ্চলত হৈ থকা মুছলমানৰ আক্ৰমণ আদিয়ে এই অঞ্চলটিত স্থানীয় ৰূপবোৰৰ সৃষ্টিত অৰিহণা যোগাইছে।
- তদুপৰি অঞ্চলটিত বিভিন্ন ধৰ্মৰ প্ৰাধান্য, বিভিন্ন জনগোষ্ঠীৰ বসবাস, সামাজিক শ্ৰেণীবিন্যাস আদিয়েও স্থানীয় ৰূপসমূহৰ সৃষ্টিত আগভাগ লৈছে।
- বিশাল ব্ৰহ্মপুত্ৰ অঞ্চলটিৰ মাজেৰে বৈ যোৱাৰ উপৰি অন্যান্য নদীৰ অৱস্থিতি, বাট-পথৰ অসুচল পৰিস্থিতিয়ে বিভিন্ন অঞ্চলৰ মাজত যোগাযোগৰ অভাৱ ঘটাইছে। তাৰ

ফলতো অঞ্চলভেদে স্থানীয় ৰূপসমূহে মূৰ দাঙি উঠিছে। বিভিন্ন অঞ্চলত প্ৰচলিত ভাষিক ঠাঁচ বা সুৰৰ পাৰ্থক্যও এই ক্ষেত্ৰত এটি কাৰক হিচাপে ক্ৰিয়া কৰিছে।

- মান্য অসমীয়াৰ সৈতে কামৰূপী উপভাষাৰ ভালেমান ক্ষেত্ৰত পাৰ্থক্য আছে।



৫.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) খাঁ চৌধুৰী, আমানতউল্লা; (১৯৩৬) ঃ *কোচবিহাৰৰ ইতিহাস;* (প্ৰথম খণ্ড)

২) গোস্বামী, উপেন্দ্ৰনাথ; (১৯৬৪) ঃ *ভাষা-বিজ্ঞান;* গুৱাহাটী, মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (১৯৮৬) ঃ *অসমীয়া ভাষা আৰু উপভাষা;* গুৱাহাটী, মণি-মাণিক প্ৰকাশ।

৪) গোস্বামী, গোলোকচন্দ্ৰ; (১৯৯২) ঃ *ভাষা-ভাষাণিকা;* গুৱাহাটী, বীণা লাইব্ৰেৰী।

৫) গুহ, অমলেন্দু; (১৯৯৬) ঃ *বৈষ্ণৱবাদৰ পৰা মায়ামৰীয়া বিদ্ৰোহলৈ*।

৬) চৌধুৰী, অম্বিকাচৰণ; (১৯৯৩) ঃ *কোচ ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি;*

৭) দাস, ভুবন মোহন; (১৯৭৪) ঃ *'জনগোষ্ঠীত প্ৰজাতীয় উপাদান', অসমীয়া জাতিৰ ইতিবৃত্ত,* গিৰিধৰ শৰ্মা (সম্পা.) ঃ যোৰহাটী, অসম সাহিত্য সভা।

৮) নাথ, ডম্বৰুধৰ; (১৯৯৬) ঃ *অসম বুৰঞ্জী;*

৯) পাঠক, ৰমেশ; (১৯৯০) ঃ *অসমীয়া ভাষাৰ ইতিহাস;* নলবাৰী, জাৰ্ণাল এম্প'ৰিয়াম।

১০) বৰুৱা, গুণাভিৰাম; (১৯৭২) ঃ *আসাম বুৰঞ্জী;* গুৱাহাটী, অসম প্ৰকাশন পৰিষদ।

১১) ভৰালী, বিভা; (২০১৮) ঃ *কামৰূপী উপভাষা;* গুৱাহাটী, প্ৰাগজ্যোতিষ মহাবিদ্যালয়।

১২) মৰল, দীপংকৰ; (১৯৯১) ঃ *উপভাষা-বিজ্ঞান;* গুৱাহাটী, মণি-মাণিক প্ৰকাশ।

ইংৰাজী গ্ৰন্থ ঃ

১৩) Barua, K. L; (1988) *Early History of Kamrupa;* Guwahati, LBS.

১৪) Gait, Edward; (1990) *A History of Assam;* Guwahati, LBS.

১৫) Goswami, U. N; (1970) *A Study on Kamrupi : A Dialect of Assamese;* Gauhati, DHAS.

১৬) Grierson, G. A; (1963) *The Linguistic Survey of India;* Vol. V, Part I, Delhi, MBD.

১৭) Kakati, Banikanta; (1941) *Assamese, Its Formation and Development;* Gauhati, DHAS.



৫.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ কামৰূপী উপভাষাৰ .... আঞ্চলিক ভেদ পোৱা যায়।

২নং প্ৰশ্নৰ উত্তৰ ঃ কামৰূপী উপভাষাত .... স্বৰধ্বনি .... ব্যঞ্জনধ্বনিৰ প্ৰয়োগ পোৱা যায়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ কামৰূপী উপভাষা আৰু মান্য অসমীয়াৰ .... ধ্বনিগত প্ৰভেদ লক্ষ্য কৰা যায়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ৰূপগত দিশত .... পদৰ গঠন .... লিংগ .... বচন .... কাৰক আৰু শব্দ বিভক্তি ... ক্ৰিয়া আৰু ক্ৰিয়া-বিভক্তি আদিৰ ক্ষেত্ৰত কামৰূপী উপভাষাৰ স্বকীয়ত্ব লক্ষ্য কৰা যায়।



৫.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ 'কামৰূপী উপভাষা' শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ কামৰূপী উপভাষাৰ বিভিন্ন আঞ্চলিক ৰূপবোৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহৰ সৃষ্টিত কি কি কাৰকে প্ৰভাৱ পেলাইছে পৰ্যালোচনা কৰক।

প্ৰশ্ন ৪ ঃ 'পুৰণি কামৰূপৰ শাসন ব্যৱস্থাই কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহৰ সৃষ্টিত প্ৰভূত প্ৰভাৱ পেলাইছিল।' আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ বিদেশী আক্ৰমণৰ ফলত কামৰূপী উপভাষাৰ কেনেদৰে পৰিৱৰ্তন সাধিত হৈছিল ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ কামৰূপী উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ মান্য অসমীয়া আৰু কামৰূপী উপভাষাৰ এটি তুলনামূলক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৮ ঃ ভাষাতাত্ত্বিক দিশত কামৰূপী উপভাষাই কি কি দিশত মান্য ভাষাৰ পৰা আঁতৰি আহিছে? পৰ্যালোচনা কৰক।

প্ৰশ্ন ৯ ঃ কামৰূপী উপভাষাৰ ধ্বনি পৰিৱৰ্তনৰ প্ৰক্ৰিয়াসমূহ বহলাই আলোচনা কৰক।

প্ৰশ্ন ১০ ঃ কামৰূপী উপভাষাৰ ৰূপতত্ত্ব সম্পৰ্কে এটি প্ৰবন্ধ লিখক।

প্ৰশ্ন ১১ ঃ চমুটোকা লিখক ঃ

(ক) কামৰূপী উপভাষাৰ বিশিষ্ট ধ্বনি, (খ) কামৰূপী উপভাষাৰ শ্বাসাঘাত
(গ) কামৰূপী উপভাষাৰ কাৰক-বিভক্তি, (ঘ) মান্য অসমীয়া আৰু কামৰূপীৰ সৰ্বনাম,
(ঙ) কামৰূপী উপভাষাৰ শব্দগত বৈশিষ্ট্য।

*** ***** ***

অধ্যায় ৬ ঃ কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপভেদ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ কামৰূপী উপভাষাৰ ক্ষেত্র ঃ এটি পৰিচয়
৬.৪ কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপ
৬.৪.১ ধ্বনিতাত্ত্বিক তুলনা
৬.৪.২ ৰূপতাত্ত্বিক তুলনা
৬.৪.৩ শব্দগত তুলনা
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কামৰূপী উপভাষাৰ ভৌগোলিক ক্ষেত্র সম্পর্কে সাধাৰণ ধাৰণা লাভ কৰি এই উপভাষাটোৰ বিষয়ে আলোচনা কৰিব পাৰিব
- কামৰূপী উপভাষাৰ স্থানীয় ৰূপ বা আঞ্চলিক ৰূপসমূহৰ লগত পৰিচিত হৈ সিবোৰৰ বিৱৰণ আগবঢ়াব পাৰিব
- কামৰূপী উপভাষাৰ স্থানীয় ৰূপবোৰৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ লগত পৰিচিত হৈ সিবোৰৰ প্রয়োগ সম্পর্কে আলোচনা আগবঢ়াব পাৰিব
- কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰ লগত পৰিচিত হৈ সিবোৰৰ মাজত থকা ভাষাতাত্ত্বিক (ধ্বনিগত, ৰূপগত আৰু শব্দগত) বৈশিষ্ট্যবোৰৰ মাজত থকা পার্থক্যবোৰ ফঁহিয়াই আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

স্নাতকোত্তৰ চতুর্থ যাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয়ৰ ‘উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা’ৰ ষষ্ঠ অধ্যায়টো হৈছে “কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপভেদ।”

অসমীয়া ভাষাৰ এটা প্ৰধান উপভাষা হ'ল— কামৰূপী উপভাষা। অবিভক্ত কামৰূপ জিলাত প্ৰচলিত কামৰূপী উপভাষাটো বৰ্তমান নামনি অসমৰ কেইবাখনো জিলাত প্ৰচলিত। কামৰূপী উপভাষাৰ বৃহত্তৰ ভৌগোলিক ক্ষেত্ৰখনত অঞ্চল বিশেষে কিছুমান আঞ্চলিক ৰূপে গা কৰি উঠিছে। কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপক তিনিটা ভাগত ভাগ কৰা হয়— পশ্চিম কামৰূপী, মধ্য কামৰূপী আৰু দক্ষিণ কামৰূপী। কামৰূপী উপভাষাৰ এই তিনিটা স্থানীয় উপভাষাৰ মাজত প্ৰধান পাৰ্থক্য দেখা যায় বাগ্‌ধ্বনিৰ উচ্চাৰণ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত। কামৰূপী উপভাষাৰ ক্ষেত্ৰ আৰু ইয়াৰ আঞ্চলিক ৰূপৰ বিষয়ে এই অধ্যায়টিত পুংখানুপুংখভাৱে পৰ্যালোচনা কৰা হৈছে।

৬.৩ কামৰূপী উপভাষাৰ ক্ষেত্ৰ ঃ এটি পৰিচয়

অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে প্ৰচলিত অসমীয়া ভাষাটো অসমৰ ৰাজ্যিক ভাষা। বৃহত্তৰ ভূমিখণ্ডত প্ৰচলিত অসমীয়া ভাষাটোৰ কেইবাটাও ঔপভাষিক ৰূপ প্ৰচলিত আছে। অসমীয়া ভাষাৰ দুটা প্ৰধান ঔপভাষিক অঞ্চল হ'ল উজনি আৰু নামনি। নামনি অসমৰ অসমীয়া ভাষাৰ আকৌ দুটা ঔপভাষিক ৰূপ আছে— কামৰূপী আৰু গোৱালপৰীয়া। কামৰূপী উপভাষা নামনি অসমৰ অবিভক্ত কামৰূপ জিলাত প্ৰচলিত। গোৱালপাৰা জিলাৰ পূব দিশৰপৰা মধ্য অসমলৈ সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত এই কামৰূপী উপভাষা বিস্তৃত হৈ আছে। বৰ্তমান নামনি অসমৰ নলবাৰী, বৰপেটা, কামৰূপ (গ্ৰাম্য) আদিকে ধৰি কেইবাখনো জিলাত এই ঔপভাষিক ৰূপটো সিঁচৰতি হৈ আছে। পুৰণি কামৰূপৰ ভৌগোলিক ব্যৱধান, জনবসতিৰ গঠন প্ৰক্ৰিয়া, সামাজিক আৰু অৰ্থনৈতিক শ্ৰেণী বিন্যাস আদি বিভিন্ন কাৰকৰ বাবে কামৰূপী উপভাষাৰ ক্ষেত্ৰখনত বৈচিত্ৰ্য লক্ষ্য কৰা যায়। কামৰূপী উপভাষাৰ ক্ষেত্ৰখনত কিছুমান স্থানীয় উপভাষা আছে। স্থানীয় উপভাষাসমূহৰ মাজত থকা ভাষাগত ভিন্নতা বা বৈষম্য ভাষা আৰু উপভাষাৰ মাজত থকা ভাষাগত ভিন্নতাতকৈ কিছু কম। কামৰূপী উপভাষা প্ৰচলিত উপভাষা ক্ষেত্ৰখনত থকা তিনিটা প্ৰধান স্থানীয় উপভাষাৰ ভিতৰত অঞ্চলগত বা স্থানগত বৈশিষ্ট্যসমূহেই অধিক প্ৰকট। ধ্বনিতাত্ত্বিক বৈশিষ্ট্যবোৰৰ ক্ষেত্ৰত দেখা যায় যে একেখিনি সাধাৰণ স্বৰধ্বনিয়েই কামৰূপৰ পূব, পশ্চিম আৰু মধ্য অঞ্চলত ভিন্ন উচ্চাৰণ বৈশিষ্ট্যৰ কাৰণে ভিন্ন ৰূপ লৈছে. এই ক্ষেত্ৰত উল্লেখনীয় যে দুই-এটা ধ্বনিতাত্ত্বিক পৰিৱৰ্তনৰ ক্ষেত্ৰত তেতিয়াবা পূব কামৰূপীৰ লগত মধ্য কামৰূপীৰ, কেতিয়াবা পশ্চিম কামৰূপীৰ লগত পূব কামৰূপীৰ বিশেষ সাদৃশ্য দেখা যায়। অৱশ্যে এইটোৱো সত্য যে ধ্বনিতত্ত্বৰ ক্ষেত্ৰত কামৰূপী উপভাষাৰ আঞ্চলিক ভাষাকেইটাৰ মাজত মিলতকৈ অমিলৰ মাত্ৰাই অধিক। এনেবোৰ কাৰণতে কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰ মাজত সীমা নিৰ্ধাৰণ কৰাটো অতি জটিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কামৰূপী উপভাষা ক'ত প্রচলিত?

(২৫টা মান শব্দৰ ভিতৰত লিখক)

.....

৬.৪ কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপ

নামনি অসমৰ অবিভক্ত কামৰূপ জিলা আৰু বর্তমানৰ কেইবাখনো জিলাত প্রচলিত কামৰূপী উপভাষাটো অসমীয়া ভাষাৰ এটি উল্লেখযোগ্য উপভাষা। সোতৰ শতিকালৈ সাহিত্যিক আৰু কথিত উভয় ভাষাৰ মর্যাদা লাভ কৰা কামৰূপী ভাষাটিয়ে পিছত বিভিন্ন কাৰণবশতঃ উপভাষাৰ ৰূপ পৰিগ্রহণ কৰে। সেয়ে অসমীয়া ভাষাৰ এটি সমৃদ্ধ উপভাষা হিচাপে কামৰূপী উপভাষাৰ বৈশিষ্ট্যই ইয়াৰ অধ্যয়ন আৰু চর্চাৰ প্রতি ভাষাবিদসকলৰ দৃষ্টি আকর্ষণ কৰে। অসমীয়া ভাষাৰ উপভাষা সম্পর্কে বিজ্ঞানসন্মত আলোচনাৰ দিশলৈ পোনপ্রথমে আঙুলিয়ায় বাণীকান্ত কাকতিয়ে। তেওঁ অসমীয়া ভাষাৰ দুটা আঞ্চলিক ৰূপ নিৰূপণ কৰিছে— ক) Eastern Assamese অর্থাৎ পূবৰ অসমীয়া আৰু খ) Western Assamese অর্থাৎ পশ্চিমৰ অসমীয়া।

কাকতিয়ে কাটি দিয়া বাটেৰে গৈ কামৰূপী উপভাষাৰ ভাষাবৈজ্ঞানিক অধ্যয়ন কাম পোনপ্রথমে আৰম্ভ কৰে ভাষাচার্য উপেন্দ্রনাথ গোস্বামীয়ে। গোস্বামীয়ে তেওঁৰ গৱেষণা গ্রন্থ 'A Study on Kamrupi : A Dialect of Assamese'ত কামৰূপী উপভাষাক এনেদৰে তিনিটা আঞ্চলিক উপভাষাত ভাগ কৰি দেখুওৱাইছে ঃ

ক) পশ্চিম কামৰূপী ঃ (বৰপেটা, সুন্দৰীদিয়া, পাটবাউসী, ভবানীপুৰ আদিৰ কথ্যভাষা)

খ) মধ্য কামৰূপী ঃ (নলবাৰী আৰু ইয়াৰ ওচৰ-পাজৰৰ কথ্যভাষা)

গ) দক্ষিণ কামৰূপী ঃ (পলাশবাৰী, ছয়গাঁও, বকো আদি ঠাইৰ কথ্যভাষা)

উপেন্দ্রনাথ গোস্বামীয়ে অগ্রসৰ হোৱা বাটেৰে আগবাঢ়ি গৈ কামৰূপী উপভাষাৰ আঞ্চলিক উপভাষাৰ বিষয়ে পৰৱর্তী ভাষাবিদসকলে বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰিবলৈ লয়। বিভিন্ন ভাষাবিদে বিভিন্ন ধৰণে কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰক শ্রেণীভুক্ত কৰিছে যদিও আমাৰ আলোচনাত গোস্বামীয়ে কৰা কামৰূপী উপভাষাৰ তিনিটা আঞ্চলিক ৰূপৰ ভিত্তিত সেই কেইটাৰ ভাষাগত বৈশিষ্ট্যবোৰৰ আলোচনা আগবঢ়োৱা হ'ব।

৬.৪.১ ধ্বনিতত্ত্বৰ তুলনা

বাগ্‌ধ্বনিৰ ক্ষেত্রত কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰ মাজত প্রধান

পার্থক্য দেখা যায় নিম্নমধ্য বা মধ্যসম অ' ধ্বনিৰ ব্যৱহাৰত। কামৰূপী উপভাষাৰ পশ্চিম আৰু মধ্য কামৰূপী এই স্বৰধ্বনিটোৰ ব্যৱহাৰ নাই; কেৱল পূব কামৰূপীতহে অ' স্বৰধ্বনিটোৰ শব্দৰ আটাইকেইটা অৱস্থানতে (আদি, মধ্য আৰু অন্ত্য স্থান) ব্যৱহাৰ দেখা যায়। যেনে ঃ অ'মুৰি, গ'ল, হাল' আদি।

কামৰূপী উপভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা আঠোটা— ই, উ, এ', ও, এ অ', অ, আ। অসমীয়া ভাষাৰ মান্য ৰূপত প্রচলিত এই আটাইকেইটা বিশিষ্ট স্বৰধ্বনি কামৰূপী উপভাষাত আঞ্চলিক উচ্চাৰণ বৈশিষ্ট্যৰ কাৰণে শব্দৰ বিভিন্ন অৱস্থানত পূব, পশ্চিম আৰু মধ্য কামৰূপীত ঠায়ে ঠায়ে বিভিন্ন ৰূপ লৈছে। উল্লিখিত স্বৰধ্বনিকেইটা পূব, পশ্চিম আৰু মধ্য কামৰূপী স্থানীয় উপভাষাত এনেদৰে পৰিৱর্তন হৈছে ঃ

ক) মান্য অসমীয়া ভাষাৰ উচ্চ স্বৰধ্বনিৰ আগত থকা নিম্ন, আদ্য 'অ' ধ্বনি স্বৰৰ, সংগতিৰ মধ্য কামৰূপীত 'ও' হয়; কিন্তু পূব আৰু পশ্চিম কামৰূপীত ক্রমে 'অ' আৰু 'অ' হয়। যেনে ঃ

পূব	পশ্চিম	মধ্য
ক'ৰি	কৰি	কোৰি
ঘ'ৰি	ঘৰি	ঘোৰি (ঘড়ী)

কিন্তু পশ্চিম কামৰূপীৰ সর্থেবাৰীত অ আৰু ও দুয়োটা স্বৰৰ ব্যৱহৃত দেখা যায়। যেনে— কৰি, ধৰি, হোৰি, সোতি (সতী) আদি।

খ) মান্য অসমীয়াৰ মধ্য অ' ধ্বনি পূব আৰু মধ্য কামৰূপীত আ আৰু পশ্চিম কামৰূপীত এ হয়। যেনে—

পূব	পশ্চিম	মধ্য
দিঘাল	দিঘে'ল	দিঘাল 'দীঘল'
পুৰাণ	পুৰে'ণ/পুৰণ	পুৰাণ

গ) মান্য ভাষাৰ বিপৰীতে কামৰূপী উপভাষাত একেটা শব্দতে দুটা আ স্বৰধ্বনিৰ ওচৰা-ওচৰিকৈ ব্যৱহৃত হ'ব পাৰে। যেনে ঃ ৰাজা, তাৰা, তালা আদি।

কিন্তু পূব কামৰূপী কথ্যৰূপৰ কিছুমান শব্দত মান্য ভাষাৰ ৰীতিহে ৰক্ষিত হৈছে। ফলত মান্য ভাষাৰ ৰঙা, কলা, অজলা, কজলা আদি শব্দ পূব কামৰূপীত একেদৰে ব্যৱহৃত হয়।

ঘ) মান্য ভাষাৰ আদ্যাৱস্থানত থকা নিম্ন 'অ' পূব কামৰূপীত ও আৰু পশ্চিম আৰু মধ্য কামৰূপীত আ হয়। যেনে—

পূব	পশ্চিম	মধ্য	মান্য
কোপাল	কাপাল	কাপাল	কপাল
কোঁকাল	কাকাল	কাকাল	ককাঁল

ঙ) মধ্য স্বৰ লোপ পালে মান্য ভাষাৰ অন্ত্য আ পশ্চিম আৰু মধ্য কামৰূপীত অপৰিৱর্তিত থাকে, কিন্তু পূব কামৰূপীত অ হয়। যেনে—

পূব	পশ্চিম	মধ্য
কুক্ৰ	কুক্ৰা	কুক্ৰা
কুম্ৰা	কুম্ৰা	কুম্ৰা
গধ্ল	গ'ধ্লা	গধ্লা

চ) মান্য অসমীয়া ভাষাৰ আদ্য উ ধ্বনি পূব কামৰূপীত অ আৰু পশ্চিম আৰু মধ্য কামৰূপীত ও হয়। যেনে— নমেলে (পূঃ), নোম্লা।

ছ) মধ্য ব্যঞ্জন লোপৰ কাৰণে কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপত দ্বিস্বৰ আৰু ত্রিস্বৰৰ প্রচুৰ প্রয়োগ দেখা যায়। যেনে— মোউইআ 'অতি ওচৰ বা মিঠা সম্পর্ক'।

জ) মান্য অসমীয়া ভাষাৰ নাসিক্য ঙ ধ্বনিটো দক্ষিণ কামৰূপী উপভাষাত উচ্চাৰিত নহয়। দক্ষিণ কামৰূপীত ঙ যুক্ত টেঙা, চিঙা, ডাঙৰ আদি শব্দ ক্রমে তেঁৰা, চিৰাঁ, দাহাঁৰ— এনেদৰে উচ্চাৰণ হয়।

ঝ) মান্য অসমীয়া ভাষাত উচ্চাৰিত নোহোৱা বা ধ্বনি দক্ষিণ কামৰূপীত জ ধ্বনিৰ বিকল্পৰূপে সঘনাই প্রয়োগ হয়। যেনে— ঝালা/ঝলা (জালা/জলা), ঝাড়ু (জাৰু)।

ঞ) কামৰূপী উপভাষাত অন্তঃস্থ ব্যঞ্জন ৰ আৰু য় ধ্বনি উচ্চাৰিত নহয়। মধ্য আৰু অন্ত্য স্থানত এই ধ্বনি দুটা লোপ হৈ তাৰ ঠাইত অন্য স্বৰধ্বনি ব্যৱহৃত হয় আৰু আদ্য অৱস্থানত মান্য ভাষাৰ দৰে ৰ ধ্বনি ব ৰূপে আৰু য় ধ্বনি জ ৰূপে লিখা আৰু উচ্চাৰণ কৰা হয়। মধ্য আৰু অন্ত্য অৱস্থানত থকা ৰ আৰু য় ধ্বনি পূব, পশ্চিম আৰু মধ্য কামৰূপী উপভাষাত এনেদৰে ব্যৱহাৰ হয় ঃ

পূব	পশ্চিম	মধ্য
ধোহা	ধঙা	ধহা 'ধোৱা'
বোএ'নি	বুএনি	বুএনি' 'বোৱনি'
কে	কিও	কিআ 'কিয়' ইত্যাদি।

ট) বিভিন্ন ধ্বনিগত প্রক্রিয়াৰ কাৰণে বিশেষকৈ ঘোষীভৱন, মহাপ্রাণীভৱন, বর্ণ বিপর্যয়, অপিনিহিতি, সমীভৱন, বিষমীভৱন আদি ধ্বনি পৰিৱর্তনৰ বিভিন্ন প্রক্রিয়াৰ কাৰণে কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰত মান্য অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিবোৰে বিভিন্ন ৰূপ পৰিগ্রহণ কৰিছে। উদাহৰণ স্বৰূপে অপিনিহিতি অর্থাৎ মান্য ভাষাৰ মধ্য বা অন্ত্য ব্যঞ্জনৰ লগত থকা ই বা উ ধ্বনি ব্যঞ্জনৰ আগলৈ আহি উচ্চাৰিত হোৱা ৰীতি কামৰূপী উপভাষাৰ এটি বিশেষ বৈশিষ্ট্য। এই বৈশিষ্ট্যৰ কাৰণেই কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰত একেটা শব্দই ভিন্ন ৰূপ লৈছে।

যেনে—

পূব	পশ্চিম	মধ্য
কুইহেৰ	কোঁইহাৰ	কোইহাৰ 'কুঁহিয়াৰ'
পইথ্‌লে	পাইথ্‌লা	পাইথ্‌লা 'পথালি'
কইল্‌জে	কোইল্‌জা	কোইল্‌জা 'কলিজা' আদি।

ঠ) বাগ্‌ধ্বনিৰ ক্ষেত্ৰত কামৰূপী উপভাষাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো হৈছে সন্ধি। মধ্য ধ্বনি লোপৰ কাৰণে কামৰূপীৰ স্থানীয় বা আঞ্চলিক উপভাষাবোৰত সংযুক্ত ব্যঞ্জন ধ্বনি বা ব্যঞ্জন বহিৰ্সন্ধিৰ প্ৰচুৰ পৰিমাণে ব্যৱহাৰ হোৱা দেখা যায়। যেনে—

পূব	পশ্চিম	
চাত্‌তকা	চাইত্‌তাকা	'চাৰিটকা'
দদ্‌দাম	দদ্‌দাম	'দৰদাম'

এইদৰে বিচাৰ কৰিলে দেখা যায় যে কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰত মান্য ভাষাৰ স্বৰ আৰু ব্যঞ্জন ধ্বনিবোৰে অঞ্চলগত উচ্চাৰণ বৈশিষ্ট্যৰ কাৰণে ভিন্ ভিন্ ৰূপ লৈছে। কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবিলাকৰ ধ্বনিগত পৰিৱৰ্তনবোৰৰ অধ্যয়নে মান্যভাষাৰ বাগ্‌ধ্বনিৰ আলোচনাক পৰিপূৰ্ণতা দিব বুলি আশা কৰিব পাৰি।

৬.৪.২ ৰূপতাত্ত্বিক তুলনা

কামৰূপী উপভাষাৰ আঞ্চলিক উপভাষাবোৰৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যলৈ লক্ষ্য কৰিলে দেখা যায় যে ৰূপতাত্ত্বিক উপাদানবোৰৰ অধিকাংশই মান্য ভাষাৰ লগত একে, মাত্ৰ উচ্চাৰণগত বৈশিষ্ট্যৰ কাৰণে এইবোৰ পৃথক ৰূপ লৈছে। কামৰূপী উপভাষাৰ আঞ্চলিক উপভাষাত নতুনকৈ গঢ় লৈ উঠা ৰূপবোৰে সামান্য ধ্বনিগত পৰিৱৰ্তনৰ বাহিৰে প্ৰায়বোৰ স্থানীয় ৰূপতে একে ৰূপত পোৱা যায়। তাৰ মাজতো দুই-এটা স্থানীয় উপভাষাত একোটা নতুন ৰূপতাত্ত্বিক উপাদান লক্ষ্য কৰা যায়। বিভিন্ন ৰূপতাত্ত্বিক উপাদানবোৰে পূব, পশ্চিম আৰু মধ্য কামৰূপীত কেনে ৰূপ লৈছে তাক সংক্ষেপে আলোচনা কৰা হ'ল।

১। কামৰূপীৰ স্থানীয় উপভাষাকেইটাৰ লিঙ্গবাচক প্ৰত্যয়, নিৰ্দিষ্টতাবাচক আৰু অনিৰ্দিষ্টতাবাচক প্ৰত্যয়, কাৰক, বিভক্তি আদিলৈ লক্ষ্য কৰিলে দেখা যায় যে মান্য ভাষাত ব্যৱহৃত প্ৰায় আটাইবোৰ ৰূপেই ইয়াত কিছু ধ্বনিগত পৰিৱৰ্তন হৈ ভিন্ ভিন্ আঞ্চলিক উপভাষাত ব্যৱহৃত হৈছে।

কামৰূপী উপভাষাত ভিন্ন আঞ্চলিক আৰু স্থানীয় উচ্চাৰণ বৈশিষ্ট্যৰ কাৰণে

একেবোৰ নির্দিষ্টতা বা অনির্দিষ্টতাবাচক প্রত্যয়েই কামৰূপৰ আঞ্চলিক উপভাষাবোৰত বিভিন্ন ৰূপ লৈছে। উদাহৰণ,

পূব	পশ্চিম	মধ্য	
চোল	চোলু	চোলু	'চলু'
থোক্না/থপা	থপ্না	থপা	'থোপা'

কামৰূপীৰ স্থানীয় উপভাষাত নতুনকৈ গঢ় লৈ উঠা দুটামান নির্দ্দিষ্টতাবাচক প্রত্যয় হৈছে— খৰ/খৰা/খোৰা, তাঙেনি, খোম্তা/খুমতে। প্রথমটো দীঘল, লেহুকা বুজোৱা বস্তু বুজাবলৈ ব্যৱহাৰ হয়। যেনে, সাপখৰ বা সাপখৰা বা জুকখৰ। জুকখোৰা এইবোৰ কামৰূপৰ প্রায় কেইটা স্থানীয় বা আঞ্চলিক উপভাষাতে ব্যৱহাৰ হোৱা দেখা যায়। আনহাতে মুঠি বা কোচা বুজোৱা তাঙেনি (কুঁইহেৰতাঙেনি) আৰু চিকুট বা সামান্য বুজোৱা খোম্তা/খুম্তে (আকখোম্তা 'এক চিকুট) প্রত্যয় পূব কামৰূপতহে বিশেষভাৱে দেখা যায়। অৱশ্যে তাঙেনিটো তাংনি ৰূপত মধ্য কামৰূপীতো ব্যৱহাৰ হয়।

কাৰক-বিভক্তিৰ ক্ষেত্রতো মান্যভাষাৰ লগত কামৰূপীৰ আঞ্চলিক ৰূপকেইটাৰ বৰ বিশেষ পার্থক্য নাই। মাত্র নিমিত্ত কাৰক বুজাবলৈ ২য়া-ক/-ওক বিভক্তি আৰু - লেগি/-গেলি/-কেলি/-লোগি অনুপদৰ প্রয়োগ কামৰূপী উপভাষাৰ আঞ্চলিক উপভাষাকেইটাৰ মনকৰিবলগীয়া বিশেষত্ব। উল্লেখিত অনুপদকেইটাৰ ভিতৰত -লেগি/-গেলি/-কেলি সাধাৰণতে পূব কামৰূপত, -লেগি পশ্চিম কামৰূপত আৰু -গেলি মধ্য কামৰূপীত ব্যৱহৃত হয়। অপাদান কাৰক বুজাবলৈ আঞ্চলিক কামৰূপী উপভাষাকেইটাত বিভক্তিৰ সলনি কেইবাটাও অনুপদ আছে ঃ পূব কামৰূপীত— -পে/-পাৰাই/-পাই, মধ্য কামৰূপীত -পেৰে/-পেৰাই/-পাই আৰু পশ্চিম কামৰূপত— ঘাইকৈ -পে।

২। অসমীয়া ভাষাক মান্য ৰূপত বহুবচনৰ বিশুদ্ধ প্রত্যয় তিনিটা ঃ বোৰ, বিলাক আৰু হঁত। তাৰ বাহিৰে মখা, সোপা, বাহ, সকল আদি সমূহবাচক শব্দ বহুবচন বুজাবলৈ ব্যৱহৃত হয়। কামৰূপী উপভাষাত আঞ্চলিক ৰূপত হঁত বহুবচনবাচক ৰূপটো হত/হেত/হাত ৰূপত আৰু সমূহবাচক শব্দকেইটা মখা, সপা, বাহা, সকলে ৰূপত ৰক্ষিত হোৱাৰ উপৰি ভালেমান নতুন ৰূপ গঢ় লৈ উঠিছে। সেইবোৰ হৈছে ঃ

পূব	পশ্চিম	মধ্য
-গিলে/-গিলেখান	-গেলা/-গিলান/-গিলাখেন	-গিলা/-গেইলা
-গ্লে/-গ্লেখান	-গলা	-গিলাক/-গিলান
কিতে/-গিতে	-কেতা	-কেত্তি
হাত/-হাম্ৰা	-হত/-হাত	-হাত/-হাম্ৰা

-হেনা/-হ্না	-হুন/-হুং	-হানা
-থে/-ন্ধে	-থে/-থেক	-থে/-ন্থে

গতিকে দেখা যায় যে পূব কামৰূপীত ব্যৱহৃত গিতে (চলিগিতে 'ল'ৰাকেইটা') আৰু -ন্ধে (এন্ধে 'ইহঁতে', তন্ধে 'তহঁতে) ৰূপ আন কোনোটো আঞ্চলিক উপভাষাতে পোৱা নাযায়।

৩। কামৰূপী উপভাষাৰ আঞ্চলিক উপভাষাত ব্যৱহৃত সর্বনামসমূহলৈ লক্ষ্য কৰিলে দেখা যায় ইয়াৰ ব্যক্তিবাচক সর্বনামবোৰ মান্য ভাষাৰ লগত একে যদিও বহুবচনাত্মক প্রত্যয় লগ লাগিলে মান্য শব্দটোৰ পৰা বহুখিনি বেলেগ ৰূপৰ হৈ উঠে বা আচহুৱা যেন লাগে। যেনে— কামৰূপী উপভাষাৰ স্থানীয় উপভাষাসমূহত তৃতীয় পুৰুষৰ সর্বনাম সি, তাই, আপুনি আদিত বহুবচনবাচক -হুন প্রত্যয় লগ লাগিলে পশ্চিম কামৰূপীত এইকেইটাই ক্রমে তাহুন আৰু আহুন ৰূপ লয়। কিন্তু সর্বনামজাত বিশেষণ আৰু ক্রিয়াবিশেষণবোৰে স্থানীয় উচ্চাৰণ বৈশিষ্ট্যৰ কাৰণে কামৰূপী উপভাষাৰ স্থানীয় ৰূপত কিছু পৃথক ৰূপ লৈছে। যেনে—

পূব	পশ্চিম	মধ্য	
কিত্তি	কেত্তি	কিমান	'কিমান'
কেম্বা	কেন্বা	কেন্বা	'কেনেবা'
সিমেন	সিমেন	সিমান	'সিমান' ইত্যাদি।

কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰত ক্রিয়াবিশেষণবোৰো মন কৰিবলগীয়া। উচ্চাৰণগত ভিন্নতাৰ বাবে ইয়াতো একেটা শব্দই ভিন্ ভিন্ ৰূপ লৈছে। যেনে—

পূব	পশ্চিম	মধ্য	
তিতেন/তিথেনে	তিত্তে	তেইতে/তেইতা	'তেতিয়া'
জোহাই	জঁহে	জহাঁই	'যিফালে' আদি।

৪। মান্য ভাষাত সম্বন্ধবাচক শব্দত যোগ হোৱা পুৰুষবাচক প্রত্যয়ৰ দ্বিতীয় আৰু তৃতীয় পুৰুষত ক্রমে -এৰ/-ৰ, -এৰা/-ৰা আৰু -এক/-ক প্রত্যয়েই কামৰূপৰ স্থানীয় উপভাষাত কিছু ভিন্ন ৰূপত ৰক্ষিত হৈছে। যেনে—

	পূব	পশ্চিম	মধ্য
(তোৰ)	দাদেৰে	দাদে/খুইৰে	দাইদেৰে
(তাৰ)	দাদেক	দাদেক/খুইৰেক	বাইপেক

ৰূপতত্ত্বৰ অন্যান্য উপাদান যেনে, বিশেষণ, ক্রিয়া বিশেষণ, অব্যয়, ক্রিয়াপদ, ধাতু, অব্যয়, অনুপদ আৰু কৃদন্তকে ধৰি অন্যান্য অসমাপিকা ৰূপ আদিৰ ক্ষেত্রতো দেখা যায় যে একেটা ৰূপতাত্ত্বিক উপাদানে কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপত ভিন্ ভিন্ উচ্চাৰণ বৈশিষ্ট্যৰ কাৰণে ভিন্ ভিন্ ৰূপ লৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ উপেন্দ্রনাথ গোস্বামীয়ে কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰক কেনেদৰে শ্রেণীবিভাগ কৰিছে লিখক।
(১০০টা শব্দৰ ভিতৰত)

.....

৬.৪.৩ শব্দগত তুলনা

অসমীয়া ভাষাৰ এটি প্রধান উপভাষা হিচাপে কামৰূপী উপভাষাৰ শব্দগত বৈচিত্র্যও মন কৰিবলগীয়া। কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰ মাজত শব্দগত পার্থক্য প্রধানত ঃ ধ্বনিগতহে অর্থাৎ একেটা শব্দই আঞ্চলিক উচ্চাৰণ বৈশিষ্ট্যৰ কাৰণে ভিন্ন ৰূপ লৈছে; অৱশ্যে কেতিয়াবা আকৌ বেলেগ অঞ্চলত একেটা বস্তুকে বুজাবলৈ ভিন্ন শব্দ গঢ় লৈ উঠিছে। কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰত দেখা শব্দগত বৈশিষ্ট্যৰ আভাস দাঙি ধৰা হ'ল ঃ

পূব	**পশ্চিম**	**মধ্য**	
খাদ্‌গি	খাদ্‌ৰি	------	'খেজুৰ/খাজুৰি'
সফ্‌ৰেম	সফ্‌ৰি আম	সোইফ্রাম/উইৰাম	'মধুৰী আম
গলি	গোলি	গোলি	'গোহালি'
বাখাৰ	ধইনা	ধইনা	'ধনীয়া'
বগিধুলি	গামেৰি	গামেৰি	'গমাৰী'
ম'দ্‌দেল	মোত্‌ফল	মোইদ্‌ফাল	'অমিতা'
ৰহুন	লোহুৰ	নেহুৰ	'নহৰু'
মহ্‌ৰ	মোউহ্‌ৰা	মোউহ্‌ৰা	'মহুৰা'

ইয়াৰোপৰি ব্যৱসায়ৰ বাবে বিখ্যাত কামৰূপ অঞ্চলত প্রচলিত কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰত ব্যৱসায়কেন্দ্রিক নতুন শব্দৰ সৃষ্টি হৈছে। উদাহৰণ স্বৰূপে— সর্থেবাৰীৰ কাঁহ-শালৰ সঁজুলি আৰু কাঁহৰ বাচনৰ নামৰ কথা উল্লেখ কৰিব পাৰি। সর্থেবাৰীত ব্যৱহৃত কাঁহৰ শালৰ সঁজুলি আৰু বাচন বুজোৱা আক (জুইত গলোৱা কাঁহখিনি ঢালি দিয়া সঁচাখন), আকৰ (কঁহাৰৰ কাৰখানাৰ জুই), কুন (কাঁহ ঘূৰাই ঘূৰাই কাটি গঢ় লগোৱা যন্ত্র), চেনা (কাঁহ কটা সৰু বঁটালীৰ নিচিনা এবিধ অস্ত্র), বেতকেইনা বাতি, সিজুপেইতা বাতি আদি শব্দ কামৰূপৰ অন্যান্য অঞ্চলত বিৰল। গতিকে দেখা যায় যে কামৰূপী উপভাষাৰ স্থানীয় বা আঞ্চলিক ৰূপবোৰে ঔপভাষিক বৈচিত্র্য প্রদান কৰাৰ লগতে অসমীয়া শব্দ ভাণ্ডাৰো সমৃদ্ধ কৰি তুলিছে।



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ দুটা ঔপভাষিক অঞ্চলৰ কথা কৈছে— ক) Eastern Assamese (পূবৰ অসমীয়া) আৰু খ) Western Assamese (পশ্চিমৰ অসমীয়া)। উপেন্দ্রনাথ গোস্বামীয়ে অসমীয়া ভাষাৰ উপভাষা সম্পৰ্কে বিস্তৃত অধ্যয়ন দুটা ঔপভাষিক অঞ্চলৰ কথা কৈছে— কামৰূপী আৰু গোৱালপৰীয়া। কামৰূপী উপভাষাৰ বহল ক্ষেত্রখনত থকা স্থানীয় বৈশিষ্ট্যৰ ভিত্তিত গোস্বামীয়ে কামৰূপী উপভাষাৰ তিনিটা আঞ্চলিক ৰূপৰ কথা কৈছে—

  ক) পূব কামৰূপী (বৰপেটা, সুন্দৰীদিয়া, পাটাবাউসী, ভৱানীপুৰ আদিৰ কথ্যভাষা)

  খ) মধ্য কামৰূপী (নলবাৰী আৰু ইয়াৰ ওচৰ-পাজৰৰ কথ্যভাষা)

  গ) দক্ষিণ কামৰূপী (পলাশবাৰী আৰু ছয়গাঁও, বকো আদি ঠাইৰ কথ্যভাষা)
- কামৰূপী উপভাষা পুৰণি অসমৰ অবিভক্ত কামৰূপ জিলাত প্রচলিত আছিল। বর্তমান নামনি অসমৰ নলবাৰী, বৰপেটাকে আদি কৰি বহুকেইখন জিলাত প্রচলিত আছে।
- এসময়ত সাহিত্যিক আৰু কথিত উভয় ভাষাৰ মর্যাদা লাভ কৰা কামৰূপী উপভাষাটোৰ অঞ্চল বিশেষে দেখা দিয়া আঞ্চলিক বৈশিষ্ট্যৰ ভিত্তিত ইহঁতৰ ধ্বনিগত, ৰূপগত আৰু শব্দগত বৈশিষ্ট্যবোৰৰ পার্থক্য প্রকট হৈ উঠিছে। কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপ হিচাপে দাবী কৰিব পৰাকৈ দেখা পোৱা ভাষাগত বৈশিষ্ট্যবোৰৰ তুলনামূলক আলোচনা অধ্যায়টোত কৰা হৈছে।
- কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যৰ তুলনামূলক আলোচনাৰ পৰা দেখা যায় যে ইহঁতৰ মাজত থকা পার্থক্য প্রধানতঃ উচ্চাৰণগত। উচ্চাৰণৰ কাৰণে শব্দৰ বিভিন্ন অৱস্থানত পূব, পশ্চিম আৰু মধ্য কামৰূপীত ঠায়ে ঠায়ে ভিন্ন ৰূপ লৈছে।
- কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যলৈ লক্ষ্য কৰিলে দেখা যায় ৰূপতাত্ত্বিক উপাদানবোৰৰ অধিকাংশই মান্য ভাষাৰ লগত একে, মাত্র উচ্চাৰণগত বৈশিষ্ট্যৰ কাৰণে এইবোৰে পৃথক ৰূপ লৈছে। ৰূপতাত্ত্বিক বৈশিষ্ট্যবোৰৰ মাজত থকা উচ্চাৰণগত পার্থক্যৰ বিষয়ে পাঠটোত আলোচনা কৰা হৈছে।
- কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰ শব্দ ভাণ্ডাৰলৈ লক্ষ্য কৰিলে দেখা যায় যে কেতিয়াবা একেটা শব্দই উচ্চাৰণ বৈশিষ্ট্যৰে ভিন্ন ৰূপ লৈছে আৰু কেতিয়াবা বেলেগ বেলেগ অঞ্চলত একেটা বস্তুকে বুজাবলৈ ভিন্ন শব্দ গঢ় লৈ উঠিছে।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। কাকতি, বাণীকান্ত (১৯৯৬) ঃ *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ*; অনু, বিশ্বেশ্বৰ হাজৰিকা, বৰপেটা সাহিত্য সভাৰ হৈ বাণী প্ৰকাশ, গুৱাহাটী।

২। ভৰালী, বিভা (২০০৮) ঃ *কামৰূপী উপভাষা ঃ এটি অধ্যয়ন*; বাজবংশী, বিকুণ্ঠ, প্ৰাগজ্যোতিষ কলেজ, গুৱাহাটী।

৩। গোস্বামী, উপেন্দ্ৰনাথ (২০১৪) ঃ *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ*; গুৱাহাটী, মণি-মাণিক প্ৰকাশ।

৪। মৱল, দীপংকৰ (১৯৯১) ঃ *উপভাষা বিজ্ঞান*; গুৱাহাটী, মণি-মাণিক প্ৰকাশ।

৫। শইকীয়া, লীলাৱতী (২০১০) ঃ *ভাষা-সাহিত্য-বিচিত্ৰা*; গুৱাহাটী, চন্দ্ৰ প্ৰকাশ।



৬.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ অবিভক্ত কামৰূপ.....প্ৰচলন আছিল। বৰ্তমান নামনি অসমৰ.....কেইবাখনো জিলাত কামৰূপী.....।

২নং প্ৰশ্নৰ উত্তৰ ঃ উপেন্দ্ৰনাথ গোস্বামীয়ে.....তিনিটা ভাগত ভাগ কৰিছে — (ক) পূব কামৰূপী..... খ) পশ্চিম কামৰূপী..... গ) মধ্য কামৰূপী.....।



৬.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ নামনি অসমত প্ৰচলিত অসমীয়া ভাষাৰ প্ৰধান উপভাষা দুটা কি কি?

প্ৰশ্ন ২ ঃ বৰ্তমান সময়ত কামৰূপী উপভাষা ক'ত প্ৰচলিত?

প্ৰশ্ন ৩ ঃ কামৰূপী উপভাষাৰ ক্ষেত্ৰখনত কিহে বৈচিত্ৰ্য আনিছে?

প্ৰশ্ন ৪ ঃ কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰ মাজত কি কাৰণে সীমা নিৰ্ধাৰণ কৰাটো জটিল হৈ পৰে?

প্ৰশ্ন ৫ ঃ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ কেইটা আঞ্চলিক ৰূপৰ কথা কৈছে আৰু কি কি?

প্ৰশ্ন ৬ ঃ উপেন্দ্ৰনাথ গোস্বামীৰ গৱেষণা গ্ৰন্থখনৰ নাম কি?

প্ৰশ্ন ৭ ঃ "কামৰূপী উপভাষাৰ ক্ষেত্ৰ"— শীৰ্ষক বিষয়ে এটি প্ৰবন্ধ লিখক।

প্ৰশ্ন ৮ ঃ কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰ ধ্বনিতত্ত্বৰ তুলনামূলক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৯ ঃ কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য সম্পৰ্কে এটি তুলনামূলক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ১০ ঃ কামৰূপী উপভাষাৰ শব্দতাত্ত্বিক বৈশিষ্ঠ্য সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ১১ ঃ চমুটোকা লিখক ঃ

ক) কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপ

খ) কামৰূপী উপভাষাৰ শব্দভাণ্ডাৰ

গ) কামৰূপী উপভাষাৰ চাৰিসীমা

ঘ) কামৰূপী উপভাষাৰ স্বৰধ্বনি

ঙ) কামৰূপী উপভাষাৰ ব্যঞ্জন ধ্বনি।

*** ***** ***

অধ্যায় ৭ ঃ গোৱালপৰীয়া উপভাষা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ গোৱালপৰীয়া উপভাষা ঃ চমু পৰিচয়
৭.৪ গোৱালপৰীয়া উপভাষাৰ ঐতিহাসিক পটভূমি
৭.৫ গোৱালপৰীয়া উপভাষাৰ ভাষিক বৈশিষ্ট্য
৭.৬ মান্য অসমীয়াৰ সৈতে গোৱালপৰীয়া উপভাষাৰ প্ৰভেদ
৭.৭ কামৰূপী উপভাষাৰ সৈতে গোৱালপৰীয়া উপভাষাৰ প্ৰভেদ
৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৯ অধিক জানিবলৈ
৭.১০ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৭.১১ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গোৱালপৰীয়া উপভাষা সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব
- গোৱালপৰীয়া উপভাষাৰ ভৌগোলিক অৱস্থান আৰু ইয়াৰ ঐতিহাসিক পটভূমি সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিব
- গোৱালপৰীয়া উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহৰ লগত পৰিচিত হৈ এই বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- উপভাষাটোৰ আঞ্চলিক ভেদ সম্পৰ্কে পণ্ডিতসকলে আগবঢ়োৱা মতামতসমূহ জনাৰ লগতে এই বিষয়ে পৰ্যালোচনা কৰিব পাৰিব
- মান্য অসমীয়া ভাষাৰ লগত এই উপভাষাটোৰ ধ্বনিগত, ৰূপগত আৰু শব্দগত পাৰ্থক্যসমূহ অনুধাৱন কৰি এইবোৰ বিশ্লেষণ কৰি দেখুৱাব পাৰিব
- কামৰূপী উপভাষাৰ সৈতে গোৱালপৰীয়া উপভাষাটোৰে ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দতাত্ত্বিক দিশৰ পাৰ্থক্যসমূহ ফঁহিয়াই দেখুৱাব পাৰিব।

৭.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া, চতুৰ্থ ষাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয় 'উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা'ৰ অন্তৰ্গত এইটো সপ্তম অধ্যায়।

ইয়াৰ শিৰোনাম 'গোৱালপৰীয়া উপভাষা'। ইতিমধ্যে ইয়াৰ আগৰকেইটাৰ অধ্যায়ৰ আলোচনাৰ পৰা আপুনি উপভাষা বিজ্ঞানৰ সাধাৰণ পৰিচয় লাভ কৰাৰ লগতে অসমীয়া উপভাষা বিজ্ঞান আৰু অন্য এটা উল্লেখযোগ্য বিষয় অসমৰ কামৰূপী উপভাষাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলে। এই অধ্যায়ত অসমৰ অন্য এটা উল্লেখযোগ্য উপভাষা— গোৱালপৰীয়া উপভাষাৰ বিষয়ে সম্যক আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

নব্য ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত পূব ভাৰতৰ অন্যতম প্ৰধান ভাষা অসমীয়া বিভিন্ন উপভাষা আৰু স্থানীয় উপভাষাৰ এটি সংহত ৰূপ। এই ভাষাটিৰ অন্তৰ্গত উপভাষাসমূহক প্ৰধানভাৱে দুটা ভাগত ভাগব পাৰি— উজনিৰ উপভাষা আৰু নামনিৰ উপভাষা। নামনিৰ উপভাষাৰ এটা উল্লেখযোগ্য ঔপভাষিক ৰূপ হৈছে গোৱালপৰীয়া উপভাষা। অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত কথ্য ৰূপটোৱেই হৈছে গোৱালপৰীয়া উপভাষা। গোৱালপৰীয়া উপভাষা অসমীয়া ভাষাৰ এটি বৈচিত্ৰ্যপূৰ্ণ উপভাষা। পণ্ডিতসকলে এই উপভাষাটোৰ আঞ্চলিক ৰূপ, নামকৰণ সম্পৰ্কে বিভিন্ন প্ৰসংগত বিভিন্ন মন্তব্য আগবঢ়াইছে। মান্য অসমীয়া ভাষা আৰু নামনিৰ আন এটা উল্লেখনীয় ঔপভাষিক ৰূপ কামৰূপী উপভাষাৰ সৈতে এই উপভাষাটোৰ যথেষ্ট পাৰ্থক্য দেখা যায়।

৭.৩ গোৱালপৰীয়া উপভাষা ঃ চমু পৰিচয়

অসমৰ পশ্চিম প্ৰান্তত প্ৰচলিত অসমীয়া ভাষাটোৰ এটা প্ৰধান ঔপভাষিক ৰূপ হৈছে গোৱালপৰীয়া উপভাষা। গোৱালপৰীয়া উপভাষা নামটো অৰ্বাচীন। ৰাজনৈতিক কাৰণত ইংৰাজ শাসনকালত গোৱালপাৰা জিলা গঠন হোৱাৰ পিছত এই জিলাৰ নামেৰে ইয়াত প্ৰচলিত ভাষাটোক গোৱালপৰীয়া ভাষা বোলে। কিন্তু গোৱালপাৰাৰ স্থানীয় লোকসকলে এই ভাষাটোক গোৱালপৰীয়া ভাষা নোবোলে। গোৱালপাৰা অঞ্চলৰ অধিকাংশ লোকে এই ভাষাটোক 'দেশীভাষা' বুলিহে কয়। গোৱালপৰীয়া উপভাষাৰ নামকৰণ সন্দৰ্ভত পণ্ডিত, লেখক, গৱেষকসকল আজিলৈকে ঐকমত্যত উপনীত হ'ব পৰা নাই। বিভিন্নজনে ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা নিজৰ যুক্তিসমূহ আগবঢ়াই গোৱালপাৰা অঞ্চলত প্ৰচলিত কথিত অসমীয়া ভাষাটোৰ নাম প্ৰকৃততে কি হ'ব লাগে, সেই সম্পৰ্কে বিভিন্ন মত আগবঢ়াইছে। সেইবোৰৰ ভিতৰত ভাষাতত্ত্ববিদ গ্ৰীয়াৰ্ছন চাহাবে তেওঁৰ *The Linguistic Survey of India* নামৰ গ্ৰন্থখনত ভাষাটোক *বিশুদ্ধ বাজবংশী*, সুনীতিকুমাৰ চট্টোপাধ্যায়ে *বাংলাৰ উত্তৰাঞ্চলৰ উপভাষা*, সুকুমাৰ সেনে *উত্তৰবংগৰ উপভাষা*, উপেন্দ্ৰনাথ গোস্বামীয়ে *দেশীভাষা* বুলি মন্তব্য দিয়াটো এই প্ৰসংগত উল্লেখযোগ্য। পণ্ডিতসকলে আগবঢ়োৱা মতামতবোৰৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা অঞ্চলত প্ৰচলিত অসমীয়া ভাষাৰূপটোক *গোৱালপৰীয়া উপভাষা* বুলি নামকৰণ কৰাটো অধিক সমীচিন হয়।

গোৱালপৰীয়া উপভাষা বিভিন্ন স্বকীয় বৈশিষ্ট্যৰে গঢ় লৈ উঠা অসমীয়া ভাষাৰ এটা

কথিত উপভাষা। "কোচবংশৰ প্ৰত্যক্ষ শাসন, তিব্বত-বর্মীয় ভাষিক জনসংখ্যাৰ প্ৰাধান্য, পশ্চিমৰ বাংলা ভাষাৰ প্ৰভাৱ, অসমৰ পূব খণ্ডৰ সৈতে যাতায়াতৰ অসুবিধা ইত্যাদি কাৰণত গোৱালপৰীয়া উপভাষাৰ সৃষ্টি হৈছে।"

গোৱালপৰীয়া উপভাষাৰ ভৌগোলিক অৱস্থান ঃ অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত গোৱালপৰীয়া উপভাষাটোৰ উত্তৰ দিশত ভূটান, দক্ষিণত গাৰো পাহাৰ, পূবত কামৰূপ জিলা আৰু পশ্চিমত পশ্চিমবংগৰ জলপাইগুড়ি জিলা, কোচবেহাৰ জিলা আৰু বাংলাদেশৰ ৰংপুৰ জিলা অৱস্থিত। এসময়ত গোৱালপৰীয়া উপভাষাটোৱে অবিভক্ত গোৱালপাৰা জিলা, কোচবেহাৰ, সমগ্ৰ উত্তৰ-বংগৰ লগতে বর্তমানে বাংলাদেশ অন্তর্ভুক্ত ৰংপুৰ, দিনাজপুৰ জিলাকো সামৰি লৈছিল। ক'বলৈ গ'লে এসময়ত এটা বৃহৎ ভৌগোলিক অঞ্চলক প্ৰতিনিধিত্ব কৰা এই ভাষাৰূপটোৱে ভাষাৰ ভৌগোলিক দ্বীপ এটা গঠন কৰিছিল।বর্তমান গোৱালপৰীয়া উপভাষাটো ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ, বঙাইগাঁও আৰু চিৰাং জিলালৈকে পৰিব্যাপ্ত হৈ আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ গোৱালপৰীয়া উপভাষাৰ ভৌগোলিক অৱস্থান সম্পর্কে আলোচনা কৰক। (৩০টা শব্দৰ ভিতৰত)

.....

৭.৪ গোৱালপৰীয়া উপভাষাৰ ঐতিহাসিক পটভূমি

গোৱালপৰীয়া উপভাষাৰ ঐতিহাসিক পটভূমি বিচাৰ কৰিবলৈ যোৱাৰ আগতে অবিভক্ত গোৱালপাৰা জিলাৰ বিষয়ে জনাটো অতি প্ৰয়োজনীয়। ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায়, বৃটিছসকলে অসমৰ শাসনভাৰ লোৱাৰ সময়ত গোৱালপাৰা অসমৰ অধীন নাছিল। সেই সময়ত গোৱালপাৰা বর্তমান বাংলাদেশৰ ৰংপুৰ জিলাৰ অন্তর্গত আছিল। ১৮২৬ চনত বৃটিছসকলে অসমৰ শাসনভাৰ গ্ৰহণ কৰি ১৮৭৪ চনত গোৱালপাৰাক অসমৰ লগত চামিল কৰে। বর্তমান পুৰণি অবিভক্ত গোৱালপাৰা জিলাক মুঠ পাঁচখন জিলাত ভাগ কৰা হৈছে— গোৱালপাৰা, বঙাইগাঁও, ধুবুৰী, কোকৰাঝাৰ আৰু চিৰাং।

অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত অসমীয়া ভাষাৰ কথ্য ৰূপটোৱেই হৈছে গোৱালপৰীয়া উপভাষা। গোৱালপৰীয়া উপভাষা নামটো অর্বাচীন। ৰাজনৈতিক কাৰণত ইংৰাজ শাসন কালত গোৱালপাৰা জিলা গঠন হোৱাৰ পিছত এই জিলাৰ নামেৰে ইয়াত প্ৰচলিত অসমীয়া ভাষাটোক গোৱালপৰীয়া ভাষা বোলা হয়। অতীজতে নিশ্চয় এই ভাষাটোৰ নাম গোৱালপৰীয়া নাছিল। ভাষাটোৰ জন্ম কেতিয়া আৰু কেনেকৈ হ'ল তাক একে আষাৰে ক'ব পৰা নাযায়। বর্তমান গোৱালপাৰা জিলাৰ নাম অনুসৰিহে ইয়াত প্ৰচলিত ভাষাটোক গোৱালপৰীয়া ভাষা বোলা হৈছে। 'গোৱালপাৰা' নামটোৰ উৎপত্তিৰ লগত বিভিন্ন ধৰণৰ মতবাদ জড়িত হৈ আছে। '১১শ শতিকাৰ ১ম ভাগত এই ভূখণ্ড ঈশ্বৰ ঘোষ নামৰ এজন ব্ৰাহ্মণৰ

অধীনত আছিল। এই ধর্মপৰায়ণ ব্যক্তিজনে তেওঁৰ অধীনত থকা 'গাল্লিটিপ্যক'ৰ পৰা কিছু মাটি নির্বোক শর্মা নামৰ এজন ব্রাহ্মণক দান কৰিছিল। শেষত 'গাল্লিটিপ্যক'ৰ পৰাই গোৱালপাৰা নামৰ উৎপত্তি হ'ল।

আন এক তথ্য মতে, 'গুৱালটুলি' শব্দৰ পৰাও গোৱালপাৰা শব্দটোৰ উৎপত্তি হ'ব পাৰে। গুৱালসকলে বসবাস কৰা এটা অঞ্চলক বুজাবলৈ 'গুৱালটুলি' শব্দটোৰ প্রয়োগ কৰা হৈছিল। 'গোৱাল' শব্দটোৱে কালক্রমত 'গুৱাল'ত পৰিণত হয় আৰু অঞ্চলটোৰ নাম 'গুৱালটুলি' হয়। পৰৱর্তী সময়ত 'গুৱাল' শব্দৰ পৰাই 'গোৱাল' আৰু গাঁও অঞ্চল বুজাবৰ বাবে 'পাৰা' সংযোগ হৈ 'গোৱালপাৰা' হয়। 'গোৱালপাৰা' এই স্থানবাচক শব্দটোৱে বুজায় যে ই আদিতে এটা 'পাৰা' (চুবুৰী)হে আছিল। গোৱালসকলৰ পাৰা, অর্থাৎ য'ত গোৱালসকলে বসতি কৰিছিল— এনে অর্থত গুৱাল + পাৰা = গুৱালপাৰা > গোৱালপাৰা হয়।

অসমীয়া ভাষাৰ এটা বৈশিষ্ট্যপূর্ণ উপভাষা হ'ল অবিভক্ত গোৱালপাৰা জিলাত প্রচলিত গোৱালপৰীয়া উপভাষা। সমগ্র অবিভক্ত গোৱালপাৰা জিলাত কথিত গোৱালপৰীয়া উপভাষাটোৱে অসমীয়া ভাষাৰ বুৰঞ্জীত এক বিশেষ স্থান দখল কৰি আছে। গোৱালপৰীয়া উপভাষা মান্য অসমীয়াৰ পৰা বহু ক্ষেত্রত পৃথক হোৱাৰ লগতে কামৰূপী উপভাষাৰ পৰাও ভালেমান দিশত আঁতৰি আহিছে। এই ক্ষেত্রত পুৰণি গোৱালপাৰাৰ শাসন ব্যৱস্থা, ৰাজনৈতিক উত্থান-পতন, বিদেশী আক্রমণৰ প্রভাৱ, বিভিন্ন জনগোষ্ঠীৰ স্বকীয় কথন ভংগীৰ প্রভাৱ, জমিদাৰী শাসন ব্যৱস্থা, ভৌগোলিক ব্যৱধান, ঐতিহাসিক পটভূমি ইত্যাদি কাৰকবোৰৰ কথা বিশেষভাৱে উল্লেখযোগ্য।

অতি প্রাচীন কালৰে পৰাই অবিভক্ত গোৱালপাৰা জিলা বিভিন্ন শাসনকর্তাৰ অধীনত আছিল। সময়ে সময়ে বিভিন্ন ৰজাই প্রাচীন কামৰূপৰ পশ্চিম প্রান্তত অৱস্থিত এই অঞ্চলটো শাসন কৰিছিল। আকৌ সময় বিশেষে মোগলসকলেও এই অঞ্চল আক্রমণ কৰাৰ ফলস্বৰূপে বিভিন্ন অঞ্চল বিভিন্ন ৰাজনৈতিক গোটৰ শাসনাধীন হৈছিল। ৰাজনৈতিক উত্থান-পতনৰ প্রভাৱৰ বাবেই অঞ্চল বিশেষে ভাষাটো সুকীয়া সুকীয়া ৰূপত গঢ় লৈ উঠিছিল।

বিদেশী শক্তিৰ আক্রমণৰ প্রভাৱে পৰোক্ষভাৱে গোৱালপাৰাৰ অঞ্চল বিশেষে ভাষাগত বৈষম্য সৃষ্টিত অৰিহণা যোগাইছিল। সময়ে সময়ে হোৱা বিদেশী শক্তিৰ আক্রমণৰ বাবে গোৱালপাৰা অঞ্চলটো এক সুস্থিৰ প্রশাসনৰ পৰা বঞ্চিত হৈছিল। এইবোৰৰ বাবেও ভাষাটোৱে সুকীয়া ৰূপ লাভ কৰিছিল।

অতীজৰে পৰা গোৱালপাৰাত বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰি আহিছে। এই জনগোষ্ঠীসমূহৰ ভিতৰত বৰো, ৰাভা, কোচ-ৰাজবংশী, গাৰো, ব্রাহ্মণ, কায়স্থ, কলিতা, যোগী (নাথ), কৈৱর্ত, হীৰা, কুমাৰ, নাপিত, মুছলমান, শিখ, খ্রীষ্টান, হাজং আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এই বিভিন্ন জনগোষ্ঠীৰ লোকসকলৰ সংমিশ্রণতে বৃহৎ গোৱালপৰীয়া সংস্কৃতি গঢ় লৈ উঠিছে। গোৱালপাৰা অঞ্চলত বাস কৰা প্রত্যেকটো জনগোষ্ঠীৰে এটা নিজস্ব সুকীয়া ভাষা আছে। কিন্তু তেওঁলোকে প্রধান ভাষা হিচাপে অঞ্চলটোত প্রচলিত কথিত অসমীয়া

ভাষাকে ব্যৱহাৰ কৰে। ইয়াৰ ফলত তেওঁলোকৰ নিজস্ব ভাষাৰ প্ৰভাৱ পৰি গোৱালপৰীয়া উপভাষাটোৱে কিছু সুকীয়া ৰূপ পৰিগ্ৰহ কৰিছে।

প্ৰাচীন গোৱালপাৰাৰ জমিদাৰী শাসন ব্যৱস্থাৰ ফলস্বৰূপেও গোৱালপাৰাৰ উপভাষাটোৱে এটা সুকীয়া ৰূপ লাভ কৰা দেখা যায়। প্ৰাচীন গোৱালপাৰা জিলাত চিৰস্থায়ী বন্দবস্তীৰ মাধ্যমত মুঠ ছটা জমিদাৰী 'ইষ্টেট' আছিল— বিজনী, গৌৰীপুৰ, মেচপাৰা, চাপৰ, কৰাইবাৰী আৰু পৰ্বত জোৱাৰ। সাধাৰণতে এটা জমিদাৰী গোটৰ সাধাৰণ প্ৰজা আৰু আন এটা জমিদাৰী গোটৰ সাধাৰণ প্ৰজাৰ মাজত মিলামিছা হোৱা নাছিল। ইয়াৰ পৰিণতি স্বৰূপেও উপভাষাটোৱে সুকীয়া ৰূপ লাভ কৰিছিল বুলি ক'ব পাৰি।

ভৌগোলিক ব্যৱধানৰ কাৰণেও গোৱালপৰীয়া উপভাষাটোৱে কিছু স্বকীয় ৰূপ লাভ কৰিছে। এই ব্যৱধানৰ বাবে এটা অঞ্চলৰ মানুহৰ লগত আন এটা অঞ্চলৰ মানুহৰ সহজ যোগাযোগ সম্ভৱপৰ হোৱা নাছিল। ফলত উপভাষাটোৱে কিছু সুকীয়া গঢ় লৈছিল।

উপভাষাটোৱে সুকীয়াভাৱে গঢ় লোৱাৰ আঁৰত অঞ্চলটোৰ ঐতিহাসিক পটভূমিয়েও বিশেষ প্ৰভাৱ পেলাইছে; কাৰণ ইংৰাজসকলে অসমৰ শাসনভাৰ লোৱাৰ আগলৈকে বৰ্তমানৰ গোৱালপাৰা জিলা বংগৰ শাসনাধীন আছিল। অৰ্থাৎ অবিভক্ত গোৱালপাৰা জিলাৰ সীমান্তৰ এক বিশাল অঞ্চল বৰ্তমানৰ বাংলাদেশ আৰু পশ্চিমবংগৰ ভিতৰুৱা আছিল। পৰৱৰ্তী সময়ত ইংৰাজসকলে এই অঞ্চল অসমৰ লগত সংযোগ কৰিলেও পূৰ্বৰ ভাষাৰূপৰ প্ৰভাৱ পৰি গোৱালপৰীয়া উপভাষাটোৱে সুকীয়া ৰূপ লাভ কৰা বুলি ক'ব পাৰি।

মুঠতে, এই কথা ঠিক যে ওপৰত উল্লেখ কৰা কাৰকবোৰে অবিভক্ত গোৱালপাৰা জিলাত কথিত অসমীয়া ৰূপটোক এক স্বকীয় মৰ্যাদা প্ৰদান কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ গোৱালপৰীয়া উপভাষাৰ ঐতিহাসিক পটভূমিৰ আঁৰত কি কি দিশ জড়িত হৈ আছে আলোচনা কৰক।

(১০০টা শব্দৰ ভিতৰত)

.....

৭.৫ গোৱালপৰীয়া উপভাষাৰ ভাষিক বৈশিষ্ট্য

গোৱালপৰীয়া উপভাষা এক স্বকীয় বৈশিষ্ট্যসম্পন্ন উপভাষা। উপভাষাটোৰ ভাষিক বৈশিষ্ট্য বুলিলে প্ৰধানকৈ ধ্বনিগত, ৰূপগত আৰু শব্দগত বৈশিষ্ট্যৰ কথাই মনলৈ আহে। এইটো শিতানত আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে আলোচ্য উপভাষাটোৰ উল্লিখিত দিশসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

ধ্বনিগত বৈশিষ্ট্য ঃ

১) গোৱালপৰীয়া উপভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা সাতটা আৰু বিশিষ্ট ব্যঞ্জনধ্বনিৰ সংখ্যা ঊনত্রিশটা। সেইবোৰ হ'ল—

স্বৰধ্বনি ঃ অ, আ, ই, উ, এ', এ, ও

ব্যঞ্জনধ্বনি ঃ ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ট, ঠ, ড, ড়, ঢ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, ৰ, ল, শ, ষ, স

বিশিষ্ট স্বৰধ্বনিসমূহৰ প্রয়োগৰ উদাহৰণ ঃ

/অ/ তল
/আ/ বাগ
/ই/ তিল
/উ/ উকুন
/এ'/ বে'টা
/এ/ বেটি
/ও/ ওৰোশ

বিশিষ্ট ব্যঞ্জনধ্বনিসমূহৰ প্রয়োগৰ উদাহৰণ ঃ

/ক/ কাক্ৰা
/খ/ পাখ্ৰা
/গ/ গাম
/ঘ/ ঘৰ
/ঙ/ ঢোঙল
/চ/ চাটি
/ছ/ ছাটি
/জ/ আজলা
/ঝ/ ঝাল
/ট/ পাটা
/ঠ/ পাঠা
/ড/ ডাল
/ড়/ হাড়ি
/ঢ/ ঢাৰা
/ত/ তল
/থ/ থাল
/দ/ দুপৰ
/ধ/ বাধা
/ন/ চান

/প/ পাণ
/ফ/ ফৈলা
/ব/ বাশ
/ভ/ ভাৰা
/ম/ মৰুস
/ৰ/ গুআৰ
/ল/ সাগল
/শ/ মানুশ
/স/ মাস
/হ/ হাতা

২) উপভাষাটোত অনুনাসিকতা অর্থাৎ চন্দ্রবিন্দুৰ প্রয়োগেও বিশিষ্ট ধ্বনিৰ মর্যাদা লাভ কৰিছে। যেনে ঃ /ঁ/ গাঁও।

৩) গোৱালপৰীয়া উপভাষাত শব্দৰ আদি অক্ষৰত থকা 'ঔ' ধ্বনি 'ঐ' ধ্বনিলৈ পৰিৱর্তন হয়। যেনে ঃ গৌৰব—গৈৰব।

৪) দ্বিঅক্ষৰযুক্ত শব্দৰ শেষত আ ধ্বনি থাকিলে উপভাষাটোত 'আ' ধ্বনিৰ আগত 'য়' বা 'ই' ধ্বনিৰ আগম হয়। যেনে ঃ বায়া > বায়য়া > বাইয়া।

৫) ব্যঞ্জনৰ সৈতে 'ৰ' যুক্ত হ'লে, সেই সংযুক্ত ব্যঞ্জনটোৰ মাজলৈ এটা 'ৰ'-ৰ আগম হয় আৰু ধ্বনিটো সৰলীকৃত হয়, যেনে— প্রকাশ— পৰ্কাশ, প্রথম— পৰ্থম।

৬) 'ঝ' ধ্বনিটো গোৱালপৰীয়া উপভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি। যেনে ঃ
জাক — ঝাক
বোজা — বোঝা।

৭) উপভাষাটোত তালব্য 'শ' ধ্বনি, 'ত' দন্ত্য ধ্বনি আৰু 'ট' মূর্ধন্য ধ্বনিৰ উচ্চাৰণ পোৱা যায়।

৮) গোৱালপৰীয়া উপভাষাত চ, ছ ধ্বনি দুটা তালব্য ধ্বনিৰূপে উচ্চাৰিত হয়।

ৰূপগত বৈশিষ্ট্য ঃ ধ্বনিগত দিশৰ নিচিনাকৈ গোৱালপৰীয়া উপভাষাৰ ৰূপতাত্ত্বিক দিশতো কেতবোৰ সুকীয়া বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই বৈশিষ্ট্যসমূহ এনে ধৰণৰ—

১) **বহুবচনাত্মক প্রত্যয় ঃ** গোৱালপৰীয়া উপভাষাত কেতবোৰ সুকীয়া সুকীয়া বহুবচনাত্মক প্রত্যয়ৰ প্রয়োগ হোৱা দেখা যায়। এই প্রত্যয়বোৰ এনে ধৰণৰ—

-গুলা/-গুলে ঃ মান্শি গুলা/গুলে (মানুহবিলাক)
-গুলান ঃ গোৰুগুলান (গৰুবোৰ)
-হৰ/-ঘৰ ঃ চেংৰাহৰ (ল'ৰাহঁত), পুলুঘৰ (পুলুহঁত)
-ৰা ঃ তোম্ৰা (তুমি)
-আৰ ঃ উমাৰ (সিহঁতৰ)।

বহুত বুজাবলৈ 'মেল্লা' আৰু কুল্লে/কুল্যায়-ৰ ব্যৱহাৰ লক্ষ্যণীয়, যেনে— কুল্লে/কুল্যায় ধান (আটাইবোৰ ধান), মেল্লা মান্‌শি (বহুত মানুহ)।

২) **নির্দিষ্টতাবাচক প্রত্যয় ঃ** উপভাষাটোত প্রয়োগ হোৱা কেতবোৰ সুকীয়া নির্দিষ্টতাবাচক প্রত্যয় এনে ধৰণৰ—

-আটি ঃ খৰিআটি (খৰিকোছা)

-কিন্‌না ঃ মান্‌শিকিন্‌না (মানুহকেইটা)

-খোলা ঃ ধানখোলা (ধানখিনি)

-গো ঃ মান্‌শিগো (মানুহজন)

-গুইলা ঃ আগুনগুইলা (জুইকুৰা)

-ফাইলটা ঃ দুইফাইলটা (দুইফাল)

-বাদা ঃ কলবাদা (কলথোক)

৩) পুৰুষবাচক নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ গোৱালপৰীয়া উপভাষাত পোৱা নাযায়। যেনে ঃ মোৰ মা, তোৰ মা, উআৰ মা, উমাৰ মা।

৪) গোৱালপৰীয়া উপভাষাত কোনো শব্দৰ আগত মাত্রা (মতা), মাত্রি (মাইকী) শব্দৰ প্রয়োগ কৰি, প্রত্যয় সংযোগ কৰি আৰু ভিন্ন শব্দৰ প্রয়োগৰ দ্বাৰা লিংগ নিৰূপণ কৰা হয়। যেনে ঃ

মতা-মাইকী বুজোৱা শব্দ প্রয়োগৰ দ্বাৰা ঃ

মাত্রা কাউআ	—	মাত্রি কাউআ
মাত্রা কোইতৰ	—	মাত্রি কোইতৰ

প্রত্যয় সংযোগ কৰি ঃ

চেঙৰা	—	চেঙ্‌ৰী
পিশা	—	পিশি
পাইৰা	—	পাইৰি

ভিন্ন শব্দ প্রয়োগৰ দ্বাৰা ঃ

জুবান	—	গাবুৰ
দাম্‌ৰা	—	বকন

৫) **কাৰক আৰু শব্দ-বিভক্তি ঃ** গোৱালপৰীয়া উপভাষাত কাৰক ছয় প্রকাৰৰ ঃ কর্তা কাৰক, কর্ম কাৰক, কৰণ কাৰক, নিমিত্ত কাৰক, অপাদান কাৰক আৰু অধিকৰণ কাৰক। কিন্তু এই ছয় প্রকাৰৰ কাৰক আৰু সম্বন্ধ পদৰ অর্থ প্রকাশ কৰিবলৈ প্রয়োগ হোৱা বিভক্তি মাত্র চাৰিটা—

প্রথমা বিভক্তি— ϕ, এ দ্বিতীয় বিভক্তি— ϕ, -ক/-ওক,

ষষ্ঠী বিভক্তি— -ৰ/-এৰ সপ্তমী বিভক্তি— -ত/-ওত।

আনহাতে, উপভাষাটোত শব্দ বিভক্তিৰ পিছত কেতবোৰ পৰসর্গ লগ লগায়ো কাৰকৰ

অর্থ প্রকাশ কৰা হয়। উপভাষাটোত কৰণ কাৰকৰ অর্থ প্রকাশ কৰিবলৈ '-দিআ', '-দাৰা', নিমিত্ত কাৰকৰ অর্থ প্রকাশ কৰাৰ ক্ষেত্রত -'নাগি' আৰু '-জোইন্নে' আৰু অপাদান কাৰকৰ অর্থ প্রকাশ কৰিবলৈ '-থাকি' অথবা '-থাকিয়া' পৰসর্গৰ প্রয়োগ কৰা হয়।

৬) **সর্বনাম ঃ** গোৱালপৰীয়া উপভাষাত প্রয়োগ হোৱা সর্বনাম পদসমূহ এনে ধৰণৰ ঃ **পুৰুষবাচক সর্বনাম**— মুই, আম্ৰা, তুই, তুমাৰগুলা, তোম্ৰা, তোম্ৰাগুলা, উৱা/উৱাই, উম্ৰা, উম্ৰাগুলা; **নিশ্চয়বাচক সর্বনাম**— ইআ/ইএ'ই, ইম্ৰা, ইম্ৰাগুলা, এইটা, এইগুলা, এগুলা, ওইটো, এটা, ওইগুলা/ঐগুলা; **সম্বন্ধবাচক সর্বনাম**— জা/জাএ, জেইটা, জেগুলা; **প্রশ্নবাচক সর্বনাম**— কাই/কাএ, কি; **অনির্দিষ্টতাবাচক সর্বনাম**— কাও/কাইও, কাইবা/কওবা; **নিজবাচক সর্বনাম**— নিজ, নিজ নিজ।

৭) উপভাষাটোত বিভিন্ন পুৰুষ, কাল আৰু ভাব অনুসৰি ক্রিয়াৰূপৰ পৰিৱর্তন হয়। কিন্তু বচন অনুসৰি ক্রিয়া ৰূপৰ কোনো পৰিৱর্তন নহয়। এয়া উপভাষাটোৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য, যেনে ঃ

মুই খাং (মই খাওঁ) — আমাৰ খাই (আমি খাওঁ)

উল্লেখনীয় যে পুৰুষ প্রয়োগৰ ক্ষেত্রত উপভাষাটোত তৃতীয় পুৰুষত বচনভেদে ক্রিয়া ৰূপৰ কোনো পৰিৱর্তন নহয়। যেনে ঃ

উৱাই কৰে — উমৰা কৰে

৮) আকৌ, উপভাষাটোত ক্রিয়াৰ নঞর্থক ৰূপসমূহো সুকীয়া হোৱা দেখা যায়। যেনে ঃ

দেখুং	—	নাদেখুং
পাং	—	নাপাং
হই	—	নহই

৯) গোৱালপৰীয়া উপভাষাত প্রয়োগ হোৱা ক্রিয়াৰ তুমুনন্ত ৰূপ আৰু অসমাপিকা ক্রিয়া ৰূপবোৰ বিশেষ বৈশিষ্ট্যপূর্ণ। তেনে ৰূপসমূহ হ'ল ঃ

ক্রিয়াৰ তুমুনন্ত ৰূপ ঃ শুনিবৰ (শুনিবলৈ), নিবাৰ (নিবলৈ)

অসমাপিকা ক্রিয়া ৰূপ ঃ কৰিআ (কৰি), পাইলে (পালে)

১০) আনহাতে, উপভাষাটোত প্রয়োগ হোৱা ভৱিষ্যবাচক কৃদন্ত আৰু ভূতকালিক কৃদন্ত ৰূপসমূহো সুকীয়া ধৰণৰ ঃ

ভৱিষ্যবাচক কৃদন্ত ঃ কৰাৰ মতন (কৰিবলগীয়া), কওআৰ মতন (ক'বলগীয়া)

ভূতকালিক কৃদন্ত ঃ খাওআ (খোৱা), জাওআ (যোৱা)।

শব্দগত বৈশিষ্ট্য ঃ গোৱালপৰীয়া উপভাষা শব্দ-সম্ভাৰত অতি চহকী। উপভাষাটোৰ শব্দ-সম্ভাৰত তিব্বত-বর্মীয় বৰো, ৰাভা, তিৱা আৰু পশ্চিমবংগৰ বাংলা ভাষাৰ শব্দাৱলীৰ প্রভাৱ পৰা দেখা যায়। সেইবাবে শব্দ-সম্ভাৰত এনে কিছুমান শব্দ পোৱা যায়, যিবোৰ অসমীয়া ভাষাৰ অন্য ঔপভাষিক ৰূপত পোৱা নাযায়। তদুপৰি স্থানীয় অঞ্চলৰ কথ্য ভাষাতো একেটা ৰূপক বুজাবলৈ ভিন্ন শব্দৰ প্রয়োগ হোৱা দেখা যায়। তলত দিয়া উদাহৰণবোৰে সেই কথাৰ প্রমাণ

দাঙি ধৰিব—

জীৱ-জন্তুবাচক শব্দ ঃ

মেকুৰী	—	বিলাই/বিলেই
ম'হ	—	ভৈশ
ছাগলী	—	সাগল

চৰাই-চিৰিকটি, পোক-পৰুৱাবাচক শব্দ ঃ

দহিকতৰা	—	দৈঅল
কপৌ চৰাই	—	ঘুগু
পঁইতাচোৰা	—	তেলমু

গছ-গছনি, ফল-মূল, শাক-পাচলিবাচক শব্দ ঃ

মধুৰী আম	—	শুপৰি/শুপাৰি
তিয়ঁহ	—	শে'মাশ
বেঙেনা	—	বাইগন

কানি-কাপোৰ, বাচন-বর্তনবাচক শব্দ ঃ

চোলা	—	আঙ্সা/জামা
গামোচা	—	গাম্চা
কলহ	—	কোল্শি

মাছ-কাছবাচক শব্দ ঃ

গৰৈ	—	গৰাই
কান্দুলী	—	ফৈলা
ৰৌ	—	ৰুই

শৰীৰৰ অংগ-প্রত্যংগবাচক শব্দ ঃ

নখ	—	পাথোৰি/পাথোৰ
আঙুলি	—	নোগুল
তপিনা	—	চৰপটা

সম্বন্ধবাচক শব্দ ঃ

ককা	—	বুৰাবাপ/আজু
আইতা	—	আবো
মহা	—	মাইলা

দৈনন্দিন জীৱনত ব্যৱহৃত শব্দ ঃ

গোহালি	—	গোইল
কুঠাৰ	—	কুৰাল
দুৱাৰডলি	—	ডে'আতি

প্ৰকৃতি জগতত ব্যৱহৃত শব্দ ঃ

কুঁৱলী	—	কুআ/কুআশা
বোকা	—	কাদো/কাদং
বৰষুণ	—	ঝোৰি/পানী

বিবিধ শব্দ ঃ

আলহী	—	শাগাই
মাহী আই	—	শতনাও
উগাৰ	—	ঢেকুৰ

গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক ভেদ ঃ গোৱালপৰীয়া উপভাষা বিভিন্ন স্বকীয় বৈশিষ্ট্যৰে গঢ় লৈ উঠা অসমীয়া ভাষাৰ এক কথিত উপভাষা। উপভাষাটোৰ বিভিন্ন খণ্ডত বিভিন্ন স্থানীয় ৰূপৰ প্ৰচলন দেখা যায়। আনহাতে, বিভিন্ন খণ্ডৰ স্থানীয় ৰূপসমূহৰ মাজতো কিছুমান সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হোৱা দেখা যায়। গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক ভেদৰ প্ৰসংগত পণ্ডিতসকলে বিভিন্ন মত আগবঢ়াইছে। তাৰ ভিতৰত, ভাষাতত্ত্ববিদ উপেন্দ্ৰ নাথ গোস্বামীয়ে গোৱালপৰীয়া উপভাষাটোক দুটা ভাগত ভাগ কৰিছে—

পশ্চিমৰ গোৱালপৰীয়া আৰু পূবৰ গোৱালপৰীয়া।

পশ্চিমৰ গোৱালপৰীয়া উপভাষাটোৱে ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ দুয়োপাৰ জুৰি আছে। পূবৰ গোৱালপৰীয়াৰ ক্ষেত্ৰতো একে কথা। পূব গোৱালপৰীয়া উপভাষাটো ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বিলাসীপাৰাৰ পৰা বিজনীলৈকে আৰু দক্ষিণপাৰৰ উপভাষাটো লক্ষীপুৰৰ পৰা দুধনৈ পৰ্যন্ত বিয়পি আছে। পূব গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া ভাগ দুটাৰ প্ৰত্যেককে আকৌ দুটাকৈ উপভাগত ভগাব পাৰি। পশ্চিমৰ গোৱালপৰীয়াক পশ্চিম-পশ্চিমীয় আৰু পশ্চিমীয় আৰু পূব গোৱালপৰীয়াক পশ্চিম-পূৰ্বীয় আৰু পূৰ্বীয় বুলিব পাৰি। পশ্চিমৰ ভাগটো লক্ষীপুৰ, বিলাসীপাৰা, আৰু মুখীগাঁও অঞ্চললৈ বিস্তৃত। লক্ষীপুৰ, বিলাসীপাৰা, শালকোছা, চাপৰ আৰু মুখীগাঁও অঞ্চল পশ্চিম-পূৰ্বীয় বিভাগৰ অন্তৰ্গত। বাসুগাঁও, বঙাইগাঁও, বিজনী, কৃষ্ণাই আৰু দুধনৈ অঞ্চল পূৰ্বীয় বিভাগৰ ভিতৰুৱা।

ৰমেশ পাঠকেও গোৱালপৰীয়া উপভাষাক পূব গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া বুলি দুটা ভাগ কৰাৰ উপৰি দুয়োটা উপভাষাৰে আকৌ সৰু সৰু আঞ্চলিক ৰূপ আছে বুলিও উল্লেখ কৰিছে। তেওঁ পূব গোৱালপৰীয়া উপভাষাক অভয়াপুৰীয়া আৰু দুধনৈয়া আৰু পশ্চিমৰ গোৱালপৰীয়াক গৌৰীপুৰীয়া আৰু শালকোছীয়া বুলি দুটা ৰূপ উল্লেখ কৰিছে।

বীৰেন্দ্ৰ নাথ দত্তই গোৱালপৰীয়া উপভাষাক দুটা প্ৰধান আঞ্চলিক ৰূপত ভাগ কৰিছে— পূব গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া। পূব গোৱালপৰীয়া ভাগটোৱে পূৰ্বৰ গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা পূব খণ্ডক আৰু দক্ষিণ পাৰৰ পশ্চিম অংশটোক এৰি বাকী সমগ্ৰ খণ্ডকে সামৰি লয়; আনহাতে পশ্চিম গোৱালপৰীয়া ভাগটোৱে সামৰে উত্তৰপাৰে পূব খণ্ডক এৰি বাকী খণ্ড আৰু দক্ষিণপাৰে পশ্চিম প্ৰান্তৰ চুকটো। তেওঁ আকৌ এই দুয়োটা

উপভাষাৰ সংমিশ্ৰণ ঘটা দুই ঔপভাষিক ক্ষেত্ৰৰ মাজৰ এলেকাক মধ্য গোৱালপৰীয়া উপভাষা নাম দি আন এটা ভাগো নির্ণয় কৰিছে।

দত্তই ওপৰত উল্লেখ কৰা ভাগ দুটাৰ উপৰি অঞ্চল অনুসৰিও গোৱালপৰীয়া উপভাষাক কেইবাটাও ভাগত ভাগ কৰিছে। যেনে ঃ হাবৰাঘাটীয়া, বাউসীয়া, নামদানীয়া, বাৰোহাজাৰী।

ধীৰেন দাসে তেওঁৰ গৱেষণা গ্ৰন্থ *The Dialect of Goalpara and Kamrup : A Comparative Analysis*ত গোৱালপৰীয়া উফভাষাক তিনিটা ভাগত ভাগ কৰি দেখুৱাইছে ঃ ঘুল্লীয়া, চৰুৱা আৰু ঝাৰুৱা।

একেদৰে অনিমা চৌধুৰীয়েও তেওঁৰ গৱেষণা গ্ৰন্থ *Goalparia Dialects A Critical Study*ত গোৱালপৰীয়া উপভাষাক ধীৰেন দাসৰ দৰে ঘুল্লীয়া, ঝাৰুৱা, চৰুৱা নামে তিনিটা আঞ্চলিক ৰূপত ভাগ কৰি দেখুৱাইছে।

উপেন ৰাভা হাকাচামে তেওঁৰ *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা* নামৰ গ্ৰন্থখনত গোৱালপৰীয়া উপভাষাৰ কেইবাটাও আঞ্চলিক ৰূপ আছে বুলি উল্লেখ কৰিছে। এই আঞ্চলিক ৰূপ দুটাক পশ্চিম গোৱালপৰীয়া (পশ্চিম-পশ্চিমীয়া আৰু পশ্চিমীয়া) আৰু পূব গোৱালপৰীয়া (পশ্চিম পূৰ্বীয় আৰু পূৰ্বীয়)— এই দুটা প্ৰধান ভাগত বিভক্ত কৰা হয় যদিও ইয়াৰো প্ৰায় সাতোটামান স্থানীয় উপভাষা পোৱা যায়। তাৰ ভিতৰত ঘুল্লীয়া, চৰুৱা, ঝাৰুৱা, নামদানীয়া, বাউসীয়া, হাবৰাঘাটীয়া, বাৰহাজাৰীয়া অন্যতম। কোনো কোনোৱে গোৱালপৰীয়া উপভাষাক ভৌগোলিকভাৱে বিভাজন নকৰি ভাষা-গোষ্ঠীৰ (speech community) ভিত্তিত যথাক্ৰমে ৰাজবংশী অসমীয়া (দেশীভাষা), হাজং অসমীয়া (ঝাৰুৱা), ভাটীয়া অসমীয়া (চৰুৱা), উজানীয়া অসমীয়া (দেশী মুছলমানসকলৰ কথিত অসমীয়া), ৰাভা-অসমীয়া (ৰাভামিজ) ইত্যাদি নৃগোষ্ঠীয় উপভাষাত বিভক্ত কৰিব বিচাৰে।

সদানন্দ বেজবৰুৱাই গোৱালপৰীয়া উপভাষাক আকৌ চাৰিটা অঞ্চলত ভাগ কৰি দেখুৱাইছে— প্ৰথমটো ছত্ৰশাল, হালাকুৰাৰ পৰা (অবিভক্ত গোৱালপাৰাৰ উত্তৰ-পশ্চিমাঞ্চল) বিলাসীপাৰালৈ (বিলাসীপাৰাৰ ওচৰৰ গৌৰাংগ নদীৰ পশ্চিমাঞ্চল পৰ্যন্ত)। দ্বিতীয়টো মযদুৱাৰৰ পৰা (গৌৰাংগ নদীৰ পূবফালে) চাপৰ, বহলপুৰ, তালগুৰিলৈ (চম্পানদীৰ পূব অঞ্চল)। তৃতীয়টো বৈটামাৰী, উত্তৰ বৈটামাৰীৰ পৰা বঙাইগাঁও, বিজনী, অভয়াপুৰীলৈ (অবিভক্ত গোৱালপাৰা জিলাৰ পূব অঞ্চল) বাৰহাজাৰী উপভাষা (sub-dialect) কোৱা অঞ্চল। আৰু চতুৰ্থটো আগিয়াৰ পৰা (ব্ৰহ্মপুত্ৰৰ দক্ষিণ-পূব অঞ্চল) কৃষ্ণাই, দুধনৈ, ৰংজুলিলৈ হাবড়াঘাটীয়া উপভাষা কোৱা অঞ্চল।

ওপৰত উল্লেখ কৰা এই আটাইবোৰ বিভাজনৰ প্ৰতি লক্ষ্য ৰাখি আৰু গোৱালপাৰাৰ বিভিন্ন অঞ্চলৰ ভাষাগত বৈশিষ্ট্যলৈ চাই উপভাষাটোক ধুবুৰী/গৌৰীপুৰ অঞ্চল, মানকাচৰ/চাপৰ/অভয়াপুৰী/বিলাসীপাৰা/আগিয়া/কৃষ্ণাই অঞ্চল আৰু শালকোছা/ বঙাইগাঁও/কোকৰাঝাৰ/বিজনী/উত্তৰ শালমাৰা/বৈটামাৰী অঞ্চলৰ উপভাষা বুলি কেইবাটাও আঞ্চলিকৰূপত ভাগ কৰি দেখুৱাব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক ভেদ সম্পর্কত পণ্ডিতসকলে আগবঢ়োৱা মতামতসমূহ দাঙি ধৰি এটি টোকা যুগুত কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

৭.৬ মান্য অসমীয়াৰ সৈতে গোৱালপৰীয়া উপভাষাৰ প্রভেদ

মান্য অসমীয়াৰ সৈতে গোৱালপৰীয়া উপভাষাৰ ভালেমান দিশত পার্থক্য পৰিলক্ষিত হয়। আমাৰ এই আলোচনাত গোৱালপৰীয়া উপভাষাটোৰে ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দতাত্ত্বিক দিশত মান্য অসমীয়াৰ পৰা কিদৰে আঁতৰি আহিছে তাক পর্যালোচনা কৰা হ'ব।

ধ্বনিতাত্ত্বিক দিশ ঃ

১) মান্য অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি হৈছে আঠোটা ঃ

অ, অ', আ, ই, উ, এ, এ', ও। আনহাতে, গোৱালপৰীয়া উপভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা হৈছে সাতটা— অ, আ, ই, উ, এ', এ, ও। মান্য অসমীয়াৰ অ' স্বৰধ্বনিটোৰ প্রয়োগ উপভাষা গোৱালপৰীয়াত দেখা নাযায়।

২) মান্য অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি হৈছে একৈশটা ঃ

ক, খ, গ, ঘ, ঙ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, চ, জ, স, হ, ৰ, ল। এই একৈশটা ব্যঞ্জন ধ্বনিৰ লগত আৰু দুটা শ্রুতিধ্বনি পোৱা যায়— ৱ, য়।

আনহাতে, গোৱালপৰীয়া উপভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি ঊনত্রিশটা ঃ ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ট, ঠ, ড, ঢ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, ৰ, ল, শ, স, হ।

৩) মান্য অসমীয়াত একেটা শব্দতে ওচৰা-উচৰিকৈ দুটা 'আ' ধ্বনি নাথাকে। অর্থাৎ পৰৱর্তী অক্ষৰৰ 'আ'ৰ প্রভাৱত পূর্বৱর্তী অক্ষৰৰ 'আ' ধ্বনি 'অ' বা 'এ' লৈ ৰূপান্তৰিত হয়। কিন্তু গোৱালপৰীয়া উপভাষাত দুটা 'আ' ধ্বনি ওচৰা-উচৰিকৈ থকা দেখা যায়। যেনে ঃ

মান্য অসমীয়া	গোৱালপৰীয়া উপভাষা
মদাৰ	মাদাৰ
টকা	টাকা

৪) মান্য অসমীয়া ভাষাৰ শব্দৰ আদি অক্ষৰত থকা 'ল' ধ্বনিটো গোৱালপৰীয়া উপভাষাত 'ন' ধ্বনিলৈ ৰূপান্তৰ হোৱা দেখা যায়। যেনে ঃ

মান্য অসমীয়া	গোৱালপৰীয়া উপভাষা
লোণ/লৱণ	নুন/নবন

৫) আকৌ মান্য অসমীয়াৰ পদান্তৰ 'ৰ' ধ্বনিটো গোৱালপৰীয়াত 'ল' ধ্বনিলৈ পৰিৱৰ্তন হয়। যেনে ঃ

মান্য অসমীয়া	**গোৱালপৰীয়া উপভাষা**
শৰীৰ	শৰীল
সোণাৰু	শোনালু

৬) মান্য অসমীয়াত 'চ', 'ছ', 'ট', 'ত' ধ্বনিকেইটা দন্তমূলীয় ধ্বনি হিচাপে উচ্চাৰিত হোৱাৰ পৰিৱৰ্তে গোৱালপৰীয়াত 'চ', 'ছ' ধ্বনি দুটা তালব্য ধ্বনি আৰু 'ট' আৰু 'ত' ধ্বনি দুটা ক্ৰমান্বয়ে মূৰ্ধন্য আৰু দন্ত্য ধ্বনি হিচাপে উচ্চাৰিত হয়।

৭) মান্য অসমীয়া ভাষাত ব্যৱহাৰ হোৱা 'স' (x) ধ্বনিটো গোৱালপৰীয়া উপভাষাত পোৱা নাযায়। ইয়াৰ পৰিবৰ্তে 'শ' ধ্বনিৰহে প্ৰয়োগ পোৱা যায়। যেনে ঃ

মান্য অসমীয়া	**গোৱালপৰীয়া উপভাষা**
মনুষ্য	মানুশ
হংস	হাশ

ৰূপতাত্ত্বিক দিশ ঃ

১) **বহুবচনৰ প্ৰত্যয় ঃ** বহুবচনৰ প্ৰত্যয়ৰ প্ৰয়োগৰ ক্ষেত্ৰত মান্য অসমীয়া ভাষাৰ লগত গোৱালপৰীয়াৰ উপভাষাৰ ভালেমান প্ৰভেদ পৰিলক্ষিত হয়। মান্য অসমীয়া ভাষাৰ -বোৰ, -বিলাক, -হঁত প্ৰত্যয়কেইটা উপভাষাটোত -গুলা/-গুলে, -গুলান/-গিলান/-গিলাক/গিলাং, -হৰ/-ঘৰ/হলা ৰূপে প্ৰয়োগ হয়। যেনে ঃ

মান্য অসমীয়া	**গোৱালপৰীয়া উপভাষা**
মানুহবোৰ	মান্‌শিগুলা/গুলে
গৰুবিলাক	গোৰুগুলান/গিলান/গিলাক/গিলাং
ল'ৰাহঁত	চেংৰাহৰ/ঘৰ/হলা

২) **নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ** মান্য অসমীয়া ভাষাত প্ৰয়োগ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়সমূহ গোৱালপৰীয়া উপভাষাত সুকীয়া ৰূপত গঢ় লৈ উঠা দেখা যায়। উদাহৰণস্বৰূপে— মান্য অসমীয়াৰ -চকল, -জাক, -খন, -টো, -টুকুৰা, -সাজ, -আখি ইত্যাদি প্ৰত্যয়কেইটা গোৱালপৰীয়া উপভাষাত 'চাকা, -ঝাক, -খান, -টা, -টুক্‌ৰা, -শাজ, -হাতা ৰূপে প্ৰয়োগ হয় ঃ

মান্য অসমীয়া	**গোৱালপৰীয়া উপভাষা**
আমচকল	আমচাকা
চৰাইজাক	পোখিঝাক
হাতখন	হাতখান
মানুহটো	মান্‌শিটা
মাছটুকুৰা	মাচটুক্‌ৰা

ভাতসাঁজ	ভাতশাজ
কলআখি	কলাহাতা

৩) **কাৰক আৰু শব্দ বিভক্তি ঃ** মান্য অসমীয়া ভাষাত কাৰক ছয় প্ৰকাৰৰ ঃ কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ কাৰক। এই ছয় প্ৰকাৰৰ কাৰকৰ লগতে মান্য অসমীয়া ভাষাত সম্বন্ধ পদৰো আলোচনা কৰা হয়। কাৰক আৰু সম্বন্ধ পদৰ অৰ্থ প্ৰকাশ কৰিবলৈ অসমীয়া ভাষাত ছটা শব্দ বিভক্তিৰ প্ৰয়োগ হয়— প্ৰথমা, দ্বিতীয়া, তৃতীয়া, চতুৰ্থী, ষষ্ঠী আৰু সপ্তমী বিভক্তি। কৰ্তা কাৰকত প্ৰথমা বিভক্তি (-ϕ, -এ', -ই), কৰ্মকাৰকত দ্বিতীয়া বিভক্তি (ϕ, -ক/-অক), কৰণ কাৰকত তৃতীয় বিভক্তি (-ৰে/-এৰে), নিমিত্তি কাৰকত চতুৰ্থী বিভক্তি (-লৈ/-অলৈ), সম্বন্ধ পদত ষষ্ঠী বিভক্তি (-ৰ/-এৰ) আৰু অধিকৰণ কাৰকত সপ্তমী বিভক্তি (-ত/-অত)-ৰ প্ৰয়োগ হয়। মান্য অসমীয়া ভাষাত অপাদান কাৰক আছে কিন্তু ইয়াৰ অৰ্থ প্ৰকাশ কৰিবলৈ নিৰ্দিষ্ট কোনো পঞ্চমী বিভক্তি নাই। ষষ্ঠী বিভক্তি 'ৰ' পিছত -পৰা অনুপদ যোগ কৰিহে অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। অৰ্থাৎ মান্য অসমীয়া ভাষাত শব্দ বিভক্তি আৰু অনুপদ ব্যৱহাৰ কৰি কাৰক নিৰ্ণয় কৰা হয়।

আনহাতে, গোৱালপৰীয়া উপভাষাতো কাৰক ছয় প্ৰকাৰৰ ঃ কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ কাৰক। কিন্তু কাৰক আৰু সম্বন্ধ পদৰ অৰ্থ প্ৰকাশ কৰিবলৈ উপভাষাটোত মাত্ৰ চাৰিটা কাৰক বিভক্তিৰহে প্ৰয়োগ হয়— প্ৰথমা, দ্বিতীয়া, ষষ্ঠী আৰু সপ্তমী বিভক্তি। উপভাষাটোত কৰ্তা কাৰকত প্ৰথমা বিভক্তি (-ϕ, -এ), কৰ্ম কাৰকত দ্বিতীয় বিভক্তি (-ϕ, -ক/-অক), সম্বন্ধ পদত ষষ্ঠী বিভক্তি (-ৰ/-এৰ) আৰু অধিকৰণ কাৰকত সপ্তমী বিভক্তি (-ত/-ওত)ৰ প্ৰয়োগ হয়। কৰণ, নিমিত্ত আৰু অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈ উপভাষাটোত সুকীয়া কোনো বিভক্তি নাই। দ্বিতীয়া বিভক্তি আৰু ষষ্ঠী বিভক্তিৰ পিছত 'দিয়া' আৰু 'দাৰা' অনুপদ প্ৰয়োগ কৰি কৰণ কাৰক সাধন কৰা হয়। নিমিত্ত কাৰকৰ ক্ষেত্ৰত 'দ্বিতীয়া '-ক' বিভক্তিৰ পিছত '-নাগি' আৰু ষষ্ঠী 'ৰ' বিভক্তিৰ পিছত '-জোইন্নে, অনুপদৰ প্ৰয়োগ কৰা হয়। আনহাতে, ষষ্ঠী বিভক্তি '-ৰ' পিছত 'থাকি' বা 'থাকিয়া', 'হাতে' অনুপদ লগ লগাই অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। উপভাষাটোত অধিকৰণ কাৰকত সপ্তমী বিভক্তি '-ত/-ওত' প্ৰয়োগ হয় যদিও কিছুমান শব্দৰ ৰূপত -ত/-অত'-ৰ প্ৰয়োগ নহয়। যেনে ঃ মান্য অসমীয়াৰ 'সাপত বিশ্বাস নাই' কথাযাৰি উপভাষাটোত 'শাপেৰ বিস্সাস নাই'হে হয়।

৪) মান্য অসমীয়া ভাষাত পুৰুষবাচক নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ পোৱা যায়। কিন্তু গোৱালপৰীয়া উপভাষাত ইয়াৰ ব্যৱহাৰ পোৱা নাযায়। অৰ্থাৎ পুৰুষ অনুযায়ী উপভাষাটোত সম্বন্ধ পদৰ সৈতে কোনো প্ৰত্যয় যোগ নহয়। উদাহৰণস্বৰূপে, মান্য অসমীয়া ভাষাৰ 'মোৰ দেউতা', 'তোৰ দেউতাৰ', 'তোমাৰ দেউতাৰা', 'তাৰ দেউতাক'

—ইয়াৰ পৰিৱর্তে 'মোৰ বাবা', 'তোৰ বাবা', 'উআৰ বাবা' হে হয়।

৫) মান্য অসমীয়া ভাষাত পুৰুষ, কাল আৰু ভাব অনুযায়ী ক্রিয়াৰূপৰ পৰিৱর্তন হয়। কিন্তু বচন অনুযায়ী ক্রিয়াৰূপৰ কোনো পৰিবর্তন নহয়। কিন্তু গোৱালপৰীয়া উপভাষাত পুৰুষ, কাল, ভাব অনুযায়ী ক্রিয়াৰূপৰ পৰিৱর্তন হোৱাৰ উপৰি বচন অনুযায়ীও পৰিবর্তন হয়। যেনে ঃ

মুই খাং (মই খাওঁ) —আমৰা খাং/খাই (আমি খাওঁ)

৬) মান্য অসমীয়া ভাষাত ক্রিয়াৰ নঞৰ্থক ৰূপ বুজাবলৈ ক্রিয়া শব্দৰ আগত 'ন' যোগ কৰা হয় আৰু এই 'ন' মূল ক্রিয়া ৰূপটোত থকা স্বৰধ্বনিৰ সৈতে সমীভূত হয়। কিন্তু গোৱালপৰীয়া উপভাষাত অপৰিৱর্তনীয়ভাৱে ক্রিয়াৰ আগত 'না' যোগ হয়। যেনে ঃ

মান্য অসমীয়া ঃ ন-মৰ্-এ, নমৰে
ন-শুন্-এ, নুশুনে

গোৱালপৰীয়া উপভাষা ঃ না-দেং, নাদেং (নিদিওঁ)
না-কৰে, নাকৰে (নকৰে)

শব্দতাত্ত্বিক দিশ ঃ মান্য অসমীয়া ভাষাৰ লগত গোৱালপৰীয়া উপভাষাৰ ধ্বনিগত, ৰূপগত দিশত পার্থক্য থকাৰ দৰে শব্দগত দিশতো ভালেমান প্রভেদ পৰিলক্ষিত হয়। বিভিন্ন সম্বন্ধবাচক শব্দ, জীৱ-জন্তু বাচক শব্দ, ফল-মূল, শাক-পাচলি, গছ-গছনি বাচক শব্দ, চৰাই-চিৰিকটি, পোক-পৰুৱা, মাছ-কাছ, কানি-কাপোৰ, বাচন-বর্তন বাচক শব্দ, শৰীৰৰ অংগ-প্রত্যংগ, দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্রী, সংখ্যাবাচক, বিশেষণ, ক্রিয়া বিশেষণ আদি শব্দৰ ক্ষেত্রত এনে পার্থক্য সহজে চকুত পৰে, উদাহৰণস্বৰূপে—

মান্য অসমীয়া	গোৱালপৰীয়া উপভাষা
খুড়া	কাকা
বৰজনা	ভাশুৰ
মহা	মাউশা
তাৰৈ	তাৱাই
মেকুৰী	বিলাই/বিলেই
ম'হ	ভৈশ
গাহৰি	শুঅৰ/শুআৰ
কাউৰী	কাওআ
দহিকতৰা	দৈঅল
কর্দৈ	কাম্ৰঙা
ঔ (টেঙা)	পাসাখাল
শিলিখা	কমাল
জলকীয়া	মৰুস
শেৱালি	শেফালি
ভেন্দি	ঢেৰি/ঢেৰস
আৰি	আটিকা/আইৰ

কাৰৈ	কোই/কৈ
কান্দুলী	ফৈলা
ভৰিৰ কলাফুল	ডিমালি
তপিনা	চৰপটা
থুঁতৰি	হোতালি
মৈদা	বোটি
বতৰ	দেউআ
টাঙোন	ঠেঙা
দুৱাৰডলি	ডে'আতি
ভঁৰাল	গোলা/মাসা
তাঁতশাল	তানা
খুন্দনা	হামু
চাৰি	চাইৰ
ন	নই
কেঁহা	কশটা
বহল	ওশাৰ
এনেকৈ	এ'মনে/এ'মনকোৰি
ক'লৈ	কুটি/কোটাই
গুটি	বিসি
লতা	লেউআ
ওৰণি	ঘোমটা
বাট	ঘাটা
বৃহস্পতি	বিগুত
বিধৱা	আড়ি
যঁজা	জামা
কাঁহ	কাশা ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ৰূপতত্ত্বৰ কি কি দিশত মান্য অসমীয়াৰ লগত গোৱালপৰীয়া উপভাষাৰ পার্থক্য দেখা যায়? চমুকৈ আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

৭.৭ কামৰূপী উপভাষাৰ সৈতে গোৱালপৰীয়া উপভাষাৰ প্ৰভেদ

নব্য ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত পূব ভাৰতৰ অন্যতম ভাষা হ'ল অসমীয়া ভাষা। অসমীয়া ভাষা বিভিন্ন উপভাষা, স্থানীয় উপভাষাৰ এটি সংহত ৰূপ। অসমীয়া ভাষাৰ দুটা উল্লেখযোগ্য উপভাষা হ'ল কামৰূপী আৰু গোৱালপৰীয়া উপভাষা। অবিভক্ত কামৰূপ জিলাত প্ৰচলিত কথ্য ৰূপটোৱে কামৰূপী উপভাষা। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে ডিমৰীয়া অঞ্চলৰ পৰা আৰম্ভ কৰি বকৌলৈকে আৰু উত্তৰ পাৰে বৰপেটাৰ পৰা আৰম্ভ কৰি ডুমুনিচকী (কামৰূপ-দৰঙৰ সীমা)-লৈকে এই উপভাষাটোৰ পৰিসৰ আৰু বিস্তৃতি লক্ষ্য কৰা যায়। একেদৰে গোৱালপৰীয়া উপভাষাটি গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ, বঙাইগাঁও আৰু চিৰাং কিলালৈকে ব্যাপ্তি লাভ কৰি আছে। কামৰূপী আৰু গোৱালপৰীয়া দুয়োটা উপভাষাৰ মাজত ভালেমান দিশত প্ৰভেদ দেখা যায়। দৰাচলতে বিদেশী আক্ৰমণৰ প্ৰভাৱ, ধৰ্মীয় ধাৰা, জনবসতিৰ গঠন প্ৰক্ৰিয়া, সামাজিক শ্ৰেণীবিন্যাস, অৰ্থনৈতিক শ্ৰেণীবিভাজন, ভৌগোলিক ব্যৱধান, ৰাজনৈতিক শাসন ব্যৱস্থা, সুৰ বা লহৰৰ প্ৰভাৱ ইত্যাদি কাৰকৰ বাবেই দুয়োটা উপভাষাৰ মাজত ভাষাগত প্ৰভেদ ঘটা বুলি ক'ব পাৰি। এই শিতানটোত ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দতাত্ত্বিক দিশত দুয়োটা উপভাষাই কিদৰে পৃথকতা লাভ কৰিছে তাক আলোচনা কৰা হ'ব।

ধ্বনিতাত্ত্বিক দিশ ঃ

১। কামৰূপী উপভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা হৈছে আঠটা (অঞ্চল বিশেষে সাতোটা) ঃ ই, এ, এ', আ, অ, অ', ও, উ (কামৰূপৰ মধ্য অঞ্চলত অ' ধ্বনি পোৱা নাযায়)। আনহাতে, গোৱালপৰীয়া উপভাষাত বিশিষ্ট স্বৰধ্বনি হৈছে সাতটা— অ, আ, ই, উ, এ', এ, ও।

২। কামৰূপী উপভাষাত শ্ৰুতিধ্বনি দুটাক ধৰি বিশিষ্ট ব্যঞ্জনধ্বনি হৈছে তেইশটা— প, ফ, ব, ভ, ত, থ, দ, ধ, ক, খ, গ, ঘ, চ, জ, স, হ, ম, ন, ঙ, ৰ, ল, ৱ, য় (ঠায়ে ঠায়ে অৱশ্যে 'ঝ' ধ্বনিটোৰ প্ৰয়োগ পোৱা যায়)। আনহাতে গোৱালপৰীয়া উপভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি হৈছে ঊনত্ৰিশটা— ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ট, ঠ, ড, ঢ, ড়, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, ৰ, ল, শ, স, হ।

৩। 'চ' ধ্বনি কামৰূপী উপভাষাত দন্তমূলীয় ধ্বনিৰূপে উচ্চাৰিত হয়। কিন্তু গোৱালপৰীয়া উপভাষাত তালব্য ধ্বনিৰূপেহে উচ্চাৰিত হয়।

৪। আকৌ, কামৰূপী উপভাষাত 'ট' আৰু 'ত' একেটা দন্তমূলীয় ধ্বনিৰূপে উচ্চাৰিত হোৱাৰ পৰিৱৰ্তে গোৱালপৰীয়া উপভাষাত ক্ৰমান্বয়ে মূৰ্ধন্য আৰু দন্ত্য ধ্বনি হিচাপে উচ্চাৰিত হয়।

৫। মান্য অসমীয়াৰ অল্পপ্ৰাণ ধ্বনি দুয়োটা উপভাষাতে মহাপ্ৰাণ ধ্বনিৰূপে প্ৰয়োগ হয়। কিন্তু গোৱালপৰীয়া উপভাষাত কেতিয়াবা মহাপ্ৰাণ ধ্বনি অল্পপ্ৰাণ ধ্বনিলৈও পৰিৱৰ্তিত হোৱা দেখা যায়। যেনে ঃ

মান্য অসমীয়া	গোৱালপৰীয়া উপভাষা
লেঠা	নেটা
কথা	কতা
বিধৱা	বিদুৱা

ৰূপতাত্ত্বিক দিশ ঃ

১। **বহুবচনৰ প্রত্যয় ঃ** বহুবচনৰ প্রত্যয়ৰ প্রয়োগৰ ক্ষেত্রত কামৰূপী উপভাষাৰ সৈতে গোৱালপৰীয়া উপভাষাৰ ভালেমান প্রভেদ পৰিলক্ষিত হয়। বহুবচনৰ অর্থ প্রকাশ কৰিবলৈ দুয়োটা উপভাষাতে কিছুমান সুকীয়া সুকীয়া প্রত্যয়ৰ প্রয়োগ কৰা হয়। উদাহৰণস্বৰূপে—

কামৰূপী উপভাষা	গোৱালপৰীয়া উপভাষা	মান্য অসমীয়া
-চোব/-মাখা/-মোখা/-সপা/ -সপৱা/-হপা/-হপৱা/-খবা	-গুলা/গুলে/-গিলা/ -গিলে	-বোৰ
-গিলা/-গিলাক/-গিলাখান/-গ্লা/ -ইলে/-ইগ্‌লে/-ইংলে	-গিলান/-গিলাক/-গিলাং/ -গুলান	-বিলাক
-হাত/-হানা/-হনা/-হন্তে/-হিন্তে -হুন/-হুঙ/-হামলা/-হোম্‌ৱা	-হৱ/-ঘৱ/-হলা	-হঁত

২। **নির্দিষ্টতাবাচক প্রত্যয় ঃ** কামৰূপী আৰু গোৱালপৰীয়া উপভাষাত প্রয়োগ হোৱা নির্দিষ্টতাবাচক প্রত্যয়সমূহো সুকীয়া সুকীয়া। যেনে ঃ

কামৰূপী উপভাষা	গোৱালপৰীয়া উপভাষা	মান্য অসমীয়া
-টু ঃ মান্‌হুটু	-টা ঃ মানুশটা	-টো ঃ মানুহটো
-থুক/-থক ঃ তামুলথুক/-থক	-বাদা ঃ তামুলবাদা	-থোক ঃ তামোলথোক
-পাব ঃ বাহপাব	-পোৱ ঃ বাশপোৱ	-পাব ঃ বাঁহপাব
-খিনি ঃ মাচখিনি	-কোনা ঃ এইকোনা	-খিনি ঃ এইখিনি
	-গুটিক ঃ মাসগুটিক	মাছখিনি
-মুঠা ঃ চাউলমুঠা	-মুটা ঃ ছাউলমুটা	-মুঠা ঃ চাউলমুঠা
-চাক্‌লা ঃ আমচাক্‌লা	-চাকা ঃ আমচাকা	-চকল ঃ আমচকল
-টুপা ঃ পানিটুপা	-টুকা ঃ পানিটুকা	-টোপা/টুপি ঃ পানীটুপি
-কছা ঃ চুলিকচা	-আটি ঃ কৰিআটি	-কোছা ঃ খৰিকোছা
-দখৱ/দখৱা ঃ তিয়াহদখৱ/দখৱা	-চিৰ ঃ শেমাশচিৰ	-ডোখৰ ঃ তিয়ঁহডোখৰ
-আখা ঃ কলআখা	-হাতা ঃ কলহাতা	-আখি ঃ কলআখি

৩। **কাৰক আৰু শব্দ বিভক্তি ঃ** কাৰক আৰু সম্বন্ধ পদৰ বোধ জন্মোৱা কাৰক বিভক্তিৰ চিন আৰু সেইবোৰৰ প্রয়োগৰ ক্ষেত্রত দুয়োটা উপভাষাতে ভালেমান প্রভেদ পৰিলক্ষিত হয়। কামৰূপী উপভাষাত সম্বন্ধপদসহ ছটা কাৰকৰ অর্থ প্রকাশ কৰিবলৈ পাঁচটা কাৰক-

বিভক্তিৰ প্ৰয়োগ হয়। সেইকেইটা হ'ল ঃ প্ৰথমা বিভক্তি (-ϕ, -এ, -ই), দ্বিতীয়া বিভক্তি (-ϕ, -ক/-ওক), তৃতীয়া বিভক্তি (-দি/-এদি), ষষ্ঠী বিভক্তি (-ৰ/-ওৰ) আৰু সপ্তমী বিভক্তি (-ত/-ওত)। আনহাতে, গোৱালপৰীয়া উপভাষাত মাত্ৰ চাৰিটা বিভক্তিৰে ছটা কাৰক আৰু সম্বন্ধপদৰ অৰ্থ প্ৰকাশ কৰা হয়। উপভাষাটোত প্ৰয়োগ হোৱা বিভক্তিসমূহ এনে ধৰণৰ ঃ প্ৰথমা বিভক্তি (-ϕ, -এ), দ্বিতীয় বিভক্তি (-ϕ, -ক/-ওক), ষষ্ঠী বিভক্তি (-ৰ/-এৰ) আৰু সপ্তমী বিভক্তি (-ত/-ওত)।

৪। গোৱালপৰীয়া উপভাষাত পুংলিংগবাচক আৰু স্ত্ৰীলিংগবাচক শব্দৰ দুবাৰকৈ ব্যৱহাৰ কৰিও লিংগ নিৰূপণ কৰা হয়। কিন্তু কামৰূপী উপভাষাত এই বিশেষত্বটো দেখিবলৈ পোৱা নাযায়। যেনে ঃ বুৰাৰ বেটা — বুৰিৰ বেটি।

৫। ক্ৰিয়া বিভক্তিৰ ক্ষেত্ৰত দুয়োটা উপভাষাৰ মাজত ভালেমান প্ৰভেদ পৰিলক্ষিত হয়। কামৰূপী উপভাষাত বচন অনুসৰি ক্ৰিয়াৰূপৰ কোনো পৰিৱৰ্তন নহয়। কিন্তু গোৱালপৰীয়া উপভাষাত বচন অনুসৰি ক্ৰিয়াৰূপৰ পৰিৱৰ্তন হয়। যেনে ঃ
মুই খাং (মই খাওঁ) — আম্ৰা খাই (আমি খাওঁ)।

৬। পুৰুষ প্ৰয়োগৰ ক্ষেত্ৰতো দুয়োটা উপভাষাৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। কিয়নো গোৱালপৰীয়া উপভাষাত তৃতীয় পুৰুষত বচনভেদে ক্ৰিয়াৰূপৰ কোনো পৰিৱৰ্তন নহয়। যেনে ঃ উৱাই কৰে — উমৰা কৰে।

৭। কামৰূপী আৰু গোৱালপৰীয়া দুয়োটা উপভাষাতে প্ৰয়োগ হোৱা ক্ৰিয়াৰ নঞৰ্থক ৰূপসমূহো সুকীয়া সুকীয়া। যেনে ঃ
কামৰূপী উপভাষা ঃ নকঙ, নুসুনু, নাকাতু
গোৱালপৰীয়া উপভাষা ঃ নাপাঙ, নাদেখুঙ, নহই।

৮। দুয়োটা উপভাষাৰে তুমুনন্ত ক্ৰিয়া ৰূপসমূহো সুকীয়া সুকীয়া হোৱা দেখা যায়। যেনে ঃ
কামৰূপী উপভাষা ঃ খাবাক্‌কেলি গেলি (খাবলৈ), কবা/কবাক্‌লগিন/কবাক্‌কেলি গেলি (ক'বলৈ)
গোৱালপৰীয়া উপভাষা ঃ খাবাৰ (খাবলৈ), কবাৰ (ক'বলৈ)।

৯। আকৌ দুয়োটা উপভাষাতে প্ৰয়োগ হোৱা ক্ৰিয়া বিশেষণ পদসমূহো সুকীয়া সুকীয়া হোৱা দেখা যায়। উদাহৰণস্বৰূপে ঃ
কালবাচক ক্ৰিয়া-বিশেষণ ঃ
ইতে/ইতিয়া/ইতান (এতিয়া)
তিতে/তিতিয়া/তিতান (তেতিয়া) (কামৰূপী)
আল/এলা (এতিয়া)
বিকালে (আবেলি) (গোৱালপৰীয়া) বিয়লি।
স্থানবাচক ক্ৰিয়া-বিশেষণ ঃ
সহাই/সিপেনে/সেপুনদি (সেইপিনে)

অহাই/এপুনদি/ইপেনে (এইপিনে) (কামৰূপী)

এইতে/এইঠে (ইয়াত)

কুটি/কোটে (ক'ত) (গোৱালপৰীয়া)

লক্ষণবাচক ক্রিয়া-বিশেষণ ঃ

এ'নকে/এঙ্কে/এনাকে (এনেকৈ)

তেনেকে/তে'নকে/তেঙ্কে (তেনেকৈ) (কামৰূপী)

এমনকোৰি (এনেকৈ)

কেমনকোৰি (কেনেকৈ) (গোৱালপৰীয়া)

বিবিধ বিষয়কবাচক ক্রিয়া-বিশেষণ ঃ

অল্পা/আফিৰ (অলপ)

ভুৰকাই/ভুৰকে (ঠগোৱা) (কামৰূপী)

ইদি-উদি (কেতিয়াবা কেতিয়াবা)

জিদি-শিদি (যিফালে সিফালে) (গোৱালপৰীয়া)

শব্দতাত্ত্বিক দিশ ঃ কামৰূপী উপভাষাৰ লগত শব্দগত দিশত গোৱালপৰীয়া উপভাষাৰ ভালেমান দিশত পার্থক্য পৰিলক্ষিত হয়। বিভিন্ন সম্বন্ধবাচক শব্দ, জীৱ-জন্তু, চৰাই-চিৰিকটি, পোক-পৰুৱা, গছ-গছনি, ফল-মূল, দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্রী, সংখ্যাবাচক শব্দ, ইত্যাদিৰ ক্ষেত্রত এই পার্থক্য উল্লেখনীয়। উদাহৰণস্বৰূপে ঃ

মান্য অসমীয়া	কামৰূপী উপভাষা	গোৱালপৰীয়া উপভাষা
জোঁৱাই	জঁৱে জঙে/জাউঙে/জাঁউএ	জামাই
ভনী	বৈনী/বনী	বৈন
বৰজনা	ভাই-শহুৰ	ভাশুৰ
ম'হ	মুইহ/মুহ	ভৈশ
ছাগলী	ছাগল/ছাগাল	সাগল
কাউৰী	কাউৰ	কাওৱা
পঁইতাচোৰা	তেলভৌকা/তেলপকা	তেলমু
উৰহ	উৰাহ/উৰহ	ওৰোশ
মধুৰীআম	সোইফ্ৰাম/স'ফৰেম	শুপৰি/শুপাৰি
অমিতা	মইদ্ফল/মপ্ফেল	তোৰমূল/মোধুফল
মিছা মাছ	নিছ্লা	ইস্লা-মাস
গৰৈ	গৰে	গৰাই
হেতা	হাথা	হাতা
মৈদা	বোথি/ব'থি	বোটি
বোকা	পেক	কাদো/কাদং

পুৱা	পুৱা	বিহান/শকাল
নিয়ৰ	নিয়াৰ	শিত
বৰষুণ	বইৰহান/ব'হেন	ঝোৰি/পানী
গোহালি	গোলি/গ'লি	গোইল
কুঠাৰ	কুঠৰ	কুৰাল
টাঙোন	তাঙন	ঠেঙা
খালৈ	কোক/কুক	খলাই
লতা	লাতা/লতা	লেউআ
মাহীআই	সৈতামাই	শতমাও
আলহী	কুৰ্মা/অতিথি	শাগাই
হাঁকুটি	হাউঙ্তি/হাক্তি	কোটা
এচাৰি	লৰু	পেনটি
ওৰণি	ওৰেণি	ঘোম্টা
গছৰ পুলি	পোলি	নোকা
উগাৰ	উগাৰ	ঢেকুৰ
চপৰা	চাপ্ৰা	ইতা
যঁজা	জজা	জামা
হিকটি	হেক্টি	হিস্কি
সেঙুন	সিয়ান	শিএনি
বাহ	বাহা	ভাশা
চাৰি	চাৰি	চাইৰ
ধোঁৱা	ধোহা/ধঙা	ধুঙা/ধুমা
ঘা	ঘাঅ/ঘা	ঘাওআ
ছোৱালী	আপি	চেঙৰি
ল'ৰা	আপা	চে'ঙৰা
ম'হ-ৰখীয়া	মহৰগুৱাল	মৈশাল



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ কামৰূপী উপভাষাৰ লগত গোৱালপৰীয়া উপভাষাৰ ধ্বনিগত, ৰূপগত আৰু শব্দগত দিশৰ পার্থক্যসমূহ ফঁহিয়াই দেখুৱাওক। (১০০টা শব্দৰ ভিতৰত)

.....



৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাৰ এটা উল্লেখযোগ্য উপভাষা হ'ল গোৱালপৰীয়া উপভাষা।
- এই উপভাষাটো অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত।
- গোৱালপৰীয়া উপভাষা সৃষ্টিৰ মূল কাৰণসমূহ মূলতঃ এনে ধৰণৰ ঃ ৰাজনৈতিক উত্থান-পতন, বিদেশী শক্তিৰ আক্ৰমণ, বিভিন্ন জনগোষ্ঠীৰ স্বকীয় কথন-ভংগীৰ প্ৰভাৱ, পুৰণি গোৱালপাৰাৰ শাসন ব্যৱস্থা, জমিদাৰী শাসন ব্যৱস্থা, ভৌগোলিক ব্যৱধান ইত্যাদি।
- ধ্বনিগত, ৰূপগত আৰু শব্দগত দিশত উপভাষাটোৰ কিছুমান সুকীয়া ভাষিক বৈশিষ্ট্য লক্ষ্য কৰা যায়।
- সামগ্ৰিকভাৱে গোৱালপৰীয়া উপভাষাটো যদিওবা গোৱালপাৰা জিলাৰে কথ্য ভাষা, তথাপিও অঞ্চল অনুসৰি ভাষাৰূপ বেলেগ বেলেগ হোৱা দেখা যায়।
- মান্য অসমীয়া ভাষাৰ পৰা গোৱালপৰীয়া উপভাষাটো ধ্বনিগত, ৰূপগত আৰু শব্দগত দিশত বহুক্ষেত্ৰত পৃথক হৈ সুকীয়া ৰূপ লাভ কৰা দেখা যায়।
- আনহাতে, এই উপভাষাটো কামৰূপী উপভাষাৰ পৰাও ধ্বনিগত, ৰূপগত আৰু শব্দগত দিশত আঁতৰি আহি নিজস্ব ৰূপ লাভ কৰা দেখা যায়।



৭.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) খাখলাৰী, জ্ঞান শংকৰ; অনিল দাস অনিল (সম্পা.) (১৯৯১); *আগলতি;* অসম সাহিত্য সভাৰ সপ্তপঞ্চাশতম দুধনৈ অধিৱেশনৰ স্মৃতিগ্ৰন্থ।

২) গোস্বামী, উপেন্দ্ৰ নাথ (১৯৮৬); *অসমীয়া ভাষা আৰু উপভাষা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, পৃথ্বীশ নাৰায়ণ (১৯৯৩); *ঐতিহ্যমণ্ডিত গোৱালপাৰা;* কোকৰাঝাৰ ঃ এন. এল. পাব্লিকেশ্যন্চ।

৪) গোস্বামী, পৃথ্বীশ নাৰায়ণ (১৯৯৭); *গোৱালপৰীয়া সংস্কৃতিৰ ইতিহাসত এভুমুকি;* কোকৰাঝাৰ ঃ এন. এল. পাব্লিকেশ্যন্চ।

৫) চৰকাৰ, অম্বিকাচৰণ (সম্পা.) (১৯৭৭); *স্মৃতিগ্ৰন্থ;* অসম সাহিত্য সভাৰ ৪৪তম অভয়াপুৰী অধিৱেশনৰ স্মৃতিগ্ৰন্থ।

৬) দত্ত, বীৰেন্দ্ৰ নাথ (১৯৮২); *গোৱালপাৰাৰ লোকসংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অৱদান;* ধুবুৰী, ভোলানাথ কলেজ শিক্ষক গোট।

৭) দত্ত, বীৰেন্দ্ৰ নাথ (১৯৮৮); *ভাষা সাহিত্যৰ জলঙাইদি;* গুৱাহাটী ঃ গ্ৰন্থপীঠ।

৮) দাস, ধীৰেন (১৯৯৪); *গোৱালপাৰাৰ লোক-সংস্কৃতি আৰু লোকগীত;* গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

৯) নাথ, দ্বিজেন (২০০৮); *গোৱালপৰীয়া লোক-সংস্কৃতি;* গুৱাহাটী ঃ বনলতা।

১০) পাঠক, ৰমেশ (২০০০); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অসম অকাডেমিক চেণ্টাৰ।

১১) বৰ্মন, শান্ত (২০০৯); *গোৱালপাৰাৰ জন ইতিহাস;* গুৱাহাটী ঃ অশোক পাব্লিকেশ্যন্চ।

১২) ভৰালী, বিভা (২০০৪); *কামৰূপী উপভাষা ঃ এটি অধ্যয়ন;* গুৱাহাটী ঃ প্ৰাগজ্যোতিষ মহাবিদ্যালয়।

১৩) ভৰালী, বিভা আৰু কল্পনা তালুকদাৰ (সম্পা.) (২০০৯); *গোৱালপৰীয়া উপভাষা ঃ ৰূপ-বৈচিত্ৰ্য;* গুৱাহাটী ঃ শিৱ প্ৰকাশন।


১৪) শৰ্মা, নলিনী (সম্পা.) *চান্দৰ ডিঙা;* অসম সাহিত্য সভাৰ ৬৩তম বিলাসীপাৰা অধিৱেশনৰ স্মৃতিগ্ৰন্থ।

১৫) হাকাচাম, উপেন ৰাভা (২০০৯); *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

গৱেষণা গ্ৰন্থ ঃ

১৬) Choudhury Anima, *Goalpara Dialects A Critical Study;* Unpublished Thesis, G.U.

১৭) Das, Dhirendra, *The Dialects of Goalpara and Kamrup : A Comparative Analysis;* Unpublished Thesis, G.U.



৭.১০ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ গোৱালপৰীয়া উপভাষা... উত্তৰে ভূটানৰ... দক্ষিণে... পশ্চিমে... আৰু পূবলৈ... বিস্তৃত।

২নং প্ৰশ্নৰ উত্তৰ ঃ গোৱালপৰীয়া উপভাষাৰ ঐতিহাসিক পটভূমিৰ আঁৰত... দিশ জড়িত হৈ আছে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক ভেদ.... উপেন্দ্ৰনাথ গোস্বামীৰ মতে.... ৰমেশ পাঠকৰ মতে.... ধীৰেন্দ্ৰ নাথ দত্তৰ মতে.... ধীৰেন দাসৰ মতে.... অনিমা চৌধুৰীৰ মতে.... উপেন ৰাভা হাকাচামৰ মতে....।

৪নং প্ৰশ্নৰ উত্তৰ ঃ মান্য অসমীয়া আৰু গোৱালপৰীয়া উপভাষাৰ ৰূপতত্ত্বত.... ভেদ পোৱা যায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ কামৰূপী উপভাষা আৰু গোৱালপৰীয়া উপভাষাৰ.... পার্থক্যবোৰ হ'ল....।



৭.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া ভাষাৰ উপভাষাৰূপে গোৱালপৰীয়া উপভাষাৰ ভাষাগত বৈশিষ্ট্যসমূহ নিৰূপণ কৰি এটি চমু প্রবন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক ভেদসমূহৰ বিষয়ে পণ্ডিতসকলে আগবঢ়োৱা মতামতসমূহ দাঙি ধৰক।

প্রশ্ন ৩ ঃ মান্য অসমীয়াৰ সৈতে গোৱালপৰীয়া উপভাষাৰ ভাষাগত পার্থক্যসমূহ বিশ্লেষণ কৰি দেখুৱাওক।

প্রশ্ন ৪ ঃ কামৰূপী আৰু গোৱালপৰীয়া উপভাষাৰ মাজৰ প্রভেদসমূহ প্রকাশ পোৱাকৈ এটি নিবন্ধ যুগুত কৰক।

প্রশ্ন ৫ ঃ গোৱালপৰীয়া উপভাষাটো অসমৰ কোন অঞ্চলত প্রচলিত? এই উপভাষাটোৰ ভৌগোলিক অৱস্থান দাঙি ধৰি ভাষাটোৰ ঐতিহাসিক পটভূমি বিচাৰ কৰক।

*** ***** ***

অধ্যায় ৮ ঃ মধ্য অসমৰ উপভাষা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ মধ্য অসমৰ উপভাষা ঃ চমু পৰিচয়
৮.৪ মধ্য অসমৰ উপভাষা ঃ ঐতিহাসিক পটভূমি
৮.৫ মধ্য অসমৰ উপভাষাৰ ভাষিক বৈশিষ্ট্য
৮.৫.১ মধ্য অসমৰ উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য
৮.৫.২ মধ্য অসমৰ উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য
৮.৫.৩ মধ্য অসমৰ উপভাষাৰ শব্দ সম্ভাৰ
৮.৬ মান্য অসমীয়াৰ সৈতে মধ্য অসমৰ উপভাষাৰ প্ৰভেদ
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)
৮.১০ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ মধ্য অসমৰ উপভাষাৰ সৈতে পৰিচয় লাভ কৰিব
- মধ্য অসমৰ উপভাষাৰ ভাষাক্ষেত্ৰ, চাৰিসীমা আৰু ঐতিহাসিক পটভূমি সম্পৰ্কে জ্ঞাত হ'ব
- মধ্য অসমৰ উপভাষাটোৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য, ৰূপতাত্ত্বিক বৈশিষ্ট্য আৰু শব্দসম্ভাৰৰ বিষয়ে থুলমূলকৈ জানিব পাৰিব
- মান্য অসমীয়া ভাষাৰ সৈতে মধ্য অসমৰ উপভাষাটোৰ সম্পৰ্ক সন্দৰ্ভত ধাৰণা লাভ কৰিব
- অসমীয়া ভাষাৰ ঔপভাষিক অধ্যয়নৰ পৰিসৰৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

ইতিমধ্যে ইয়াৰ আগৰ চাৰিটা অধ্যায়ৰ মাজেদি আপুনি উপভাষাৰ ধাৰণা লাভ কৰাৰ লগতে কামৰূপী আৰু গোৱালপৰীয়া উপভাষাৰ বিষয়ে বিস্তৃতভাৱে জানিলে। এই অধ্যায়টোত আপুনি মধ্য অসমৰ উপভাষাৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব।

অসমীয়া ভাষাৰ উপভাষা সন্দর্ভত অধ্যয়ন কৰা ভাষাতত্ত্ববিদসকলে অসমীয়া ভাষাৰ তিনিখন ঔপভাষিক ক্ষেত্ৰ চিনাক্ত কৰিছে। এই ক্ষেত্ৰকেইখন হ'ল উজনি অসমৰ ঔপভাষিক ক্ষেত্ৰ, নামনি অসমৰ ঔপভাষিক ক্ষেত্ৰ আৰু মধ্য অসমৰ ঔপভাষিক ক্ষেত্ৰ। মধ্য অসমৰ ঔপভাষিক ক্ষেত্ৰখন অসমৰ মানচিত্ৰৰ ঠিক মধ্য অংশত অৱস্থিত, সেয়েহে এই উপভাষাটোক মধ্য অসমৰ উপভাষা বুলি নামকৰণ কৰা হৈছে। এই অধ্যায়টোত মধ্য অসমৰ উপভাষাটোৰ বিষয়ে আলোকপাত কৰা হৈছে।

৮.৩ মধ্য অসমৰ উপভাষা ঃ চমু পৰিচয়

অসমীয়া ভাষাৰ উপভাষাসমূহৰ ভিতৰত খুব কম চর্চিত উপভাষাটোৱেই হৈছে মধ্য অসমৰ উপভাষা। ভাষাবিদ গোলোক চন্দ্ৰ গোস্বামীয়ে সর্বপ্রথমে এই উপভাষাটোৰ অস্তিত্বৰ উমান দিয়ে আৰু ভাষাবিদ দীপঙ্কৰ মৰলে এই উপভাষাটোৰ স্বীকৃতি প্রদানত অৰিহনা যোগায়। ভাষাবিদ গোলোক চন্দ্ৰ গোস্বামীয়ে তেওঁৰ গৱেষণা গ্ৰন্থ Structure of Assameseত অসমীয়া ভাষাৰ তিনিটা উপভাষাৰ কথা উল্লেখ কৰে। তেওঁ পূব অসমৰ বা উজনি অসমৰ উপভাষাটোৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ সূক্ষ্ম পর্যবেক্ষণৰ ভিত্তিত উপভাষাটোক দুটা ভাগত বিভাজিত কৰি পূর্বী আৰু কেন্দ্ৰীয় উপভাষা নাম দিয়ে। তেওঁৰ এনে বিভাজনৰ দ্বাৰা অসমীয়া ভাষাৰ উপভাষাক পূর্বী, পশ্চিমা আৰু কেন্দ্ৰীয় বা মধ্যৱর্তী শাখা এই তিনিটা নতুন ৰূপত সজায়। গোলোক চন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰা অসমীয়া ভাষাৰ কেন্দ্ৰীয় উপভাষা বা মধ্যৱর্তী শাখাটোৰ অধ্যয়ন আৰম্ভ হয় ১৯৮৫ খ্ৰীষ্টাব্দত দীপঙ্কৰ মৰলৰ Dialect Survey and Study of the Asamiya Dialects of Mayong in Central Assam শীর্ষক গৱেষণা প্রকল্পটোৰ জৰিয়তে। এই মধ্যৱর্তী কেন্দ্ৰীয় শাখাটো মধ্য অসমৰ উপভাষা নামেৰে এক স্বতন্ত্ৰ উপভাষা ৰূপে স্বীকৃতি লাভ কৰে মৰলৰ গৱেষণা গ্ৰন্থ *Asamiya Dialect: Contemporary Standard and Mayong* আৰু *The Study of the Asamiya Dialect of Centyral Assam* জৰিয়তে। মণিৰাম কলিতাৰ ডিমৰীয়া অঞ্চলৰ কথিত অসমীয়া শীর্ষক গৱেষণা গ্ৰন্থখনেও মধ্য অসমৰ উপভাষাৰ স্থিতি সবল কৰি তোলে। পৰৱর্তী সময়ত বিভিন্ন গৱেষকে এই উপভাষাটোৰ বিভিন্ন আঞ্চলিক ৰূপৰ নানান দিশৰ ওপৰত আলোকপাত কৰি অধ্যয়ন আৰু গৱেষণা কৰি উপভাষাটোৰ স্থিতি সুদৃঢ় কৰে।

গোলোক চন্দ্ৰ গোস্বামীয়ে মধ্য অসমৰ উপভাষাৰ সীমা নির্ধাৰণ কৰিছে এনেদৰে- *উত্তৰে দৰং জিলা, দক্ষিণপূবে মৰিগাওঁ জিলা আৰু দক্ষিণ পশ্চিমে কামৰূপ জিলা*। দীপঙ্কৰ মৰলে মধ্য অসমৰ উপভাষাৰ প্রয়োগ ক্ষেত্ৰখনৰ সন্দর্ভত এনেদৰে উল্লেখ কৰিছে- *মধ্য অসমীয়া উপভাষাৰ প্রয়োগৰ ক্ষেত্ৰখন মূলতঃ নগাওঁ আৰু মৰিগাঁও জিলাত। ইয়াৰ উপৰিও শোণিতপুৰ, দৰং, যোৰহাট আৰু গোলাঘাট জিলাৰ কোনো কোনো অঞ্চলতো দেখা যায়*। ঔপভাষিক বৈশিষ্ট্যৰাজিলৈ চাই মধ্য অসমৰ উপভাষাটোৰ চাৰিসীমা তলত দিয়া ধৰণে দেখুৱাব পাৰি—

পূবে - নগাঁও জিলাৰ পশ্চিম অংশ

পশ্চিমে - কামৰূপ মহানগৰ জিলাৰ পশ্চিম অংশ।

উত্তৰে - ব্ৰহ্মপুত্ৰ নদী আৰু দৰং জিলা।

দক্ষিণে - মেঘালয় ৰাজ্য আৰু কাৰ্বি আংলং জিলাৰ উত্তৰ অংশ।

উক্ত চাৰিসীমাৰ ভিতৰতে মধ্য অসমৰ উপভাষাৰ ভাষিক ক্ষেত্ৰখন বিয়পি আছে। যদিও এই উপভাষাটোৰ আঞ্চলিক ৰূপ সন্দৰ্ভত সবিশেষ আলোচনা হোৱা নাই, তথাপি উপভাষাটোৰ কেইটিমান আঞ্চলিক ৰূপ চিনি উলিয়াব পাৰি। তেনে ক্ষেত্ৰত মধ্য অসমৰ উপভাষাটোৰ আঞ্চলিক ৰূপৰ সংখ্যা হ'ব চাৰিটা। এই চাৰিটা আঞ্চলিক ৰূপ হ'ব ক্ৰমে—

১) সোণাপুৰ - ডিমৰীয়া আঞ্চলিক ৰূপ

২) মৰিগাঁও নগৰ তথা পাৰ্শ্ববৰ্তী এলেকাৰ আঞ্চলিক ৰূপ।

৩) মায়ং অঞ্চলৰ আঞ্চলিক ৰূপ আৰু

৪) পূব নগাঁও-ৰহা ক্ষেত্ৰৰ আঞ্চলিক ৰূপ।

অৱশ্যে বৰ্তমানলৈ ভাষাবিজ্ঞানসন্মত ৰূপে প্ৰতিস্থা হোৱাকৈ এই আঞ্চলিক ৰূপবোৰৰ কোনো অধ্যয়ন হোৱা নাই। গতিকে, ভৱিষ্যতে মধ্য অসমৰ উপভাষাৰ আঞ্চলিক ৰূপৰ ৰেহৰূপ তথা সংখ্যাৰ পৰিৱৰ্তন নুই কৰিব নোৱাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মধ্য অসমৰ উপভাষাৰ চাৰিসীমা নিৰ্ধাৰণ কৰি উপভাষাটোৰ অধ্যয়নৰ ইতিহাস সম্পৰ্কে আলোচনা কৰক। (১০০ শব্দৰ ভিতৰত)

.....

৮.৪ মধ্য অসমৰ উপভাষা ঃ ঐতিহাসিক পটভূমি

মধ্য অসমৰ প্ৰাচীন বুৰঞ্জী সম্পৰ্কে বৰ বেছি তথ্য পোৱা নাযায়। নগাঁৱৰ সাতো ৰজা, পাঁচো ৰজা আৰু দাঁতিয়লীয়া ৰজাসকলৰ যৎকিঞ্চিত ইতিহাস আছে; সেয়েই মধ্য অসমৰ ইতিহাস বুলি ক'ব পাৰি। টোপাকুছিসহ বাৰপূজীয়া, সৰাগাঁও, খাইগড় আৰু মিকিৰ গাঁও পাঁচো ৰজাৰ অন্তৰ্গত আছিল। একেদৰে, তেতেলীয়া, কুমৈ, শুখনাগোগ, বঘৰা, ঘগুৱা, কুমৈ-কছাৰী আৰু তৰণী-কলবাৰী সাতো ৰজাৰ অন্তৰ্গত আছিল। লগতে গোভা, চহৰী, নেলী, খলা, খৈৰাম আৰু ডিমৰুৱা এই ৰাজ্যকেইখনক দাঁতিয়লীয়া ৰাজ্য বুলি কোৱা হৈছিল। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত কছাৰীয়ে আহোমৰ ৰাজ্য আক্ৰমণ কৰাত বঘৰা গাঁও সুৰক্ষা দিয়া, জাগী আৰু ৰহা চকী পুনৰ প্ৰতিষ্ঠা কৰাৰ বহু আগৰে পৰা এই সৰু সৰু ৰাজ্যবোৰ আছিল বুলি তথ্য পোৱা গৈছে যদিও ইবোৰেৰে পূৰ্ণাঙ্গ ইতিহাস নিৰ্মাণ এতিয়ালৈ হোৱা নাই। কুমৈ ৰাজ বংশাৱলীৰ মতে

আৰিমত্তৰ পুত্ৰ মৃগাংকী আৰু মৃগাংকীৰ পুত্ৰ হৰিচন্দ্ৰই কুমদাঙ্গ পাহাৰৰ ওচৰত কুমৈ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। পাচোঁৰজাসকলৰ ভিতৰত টোপাকুছি ৰাজ্য আটাইতকৈ প্ৰাচীন। বুৰঞ্জীত টোপাকুছিৰ ৰজাৰ বিষয়ে সঘনাই পোৱা যায়। যি কি নহওঁক, এই ৰজাসকলে পূৰ্বৰ পৰাই ৰাজ্য চলাই আছিল যদিও সাতোৰজা পাঁচোৰজা নামেৰে চিহ্নিত হয় স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনৰ পৰাহে। সাতোৰজা আৰু পাঁচোৰজাৰ ৰাজ্যৰ অন্তৰ্গত নোহোৱা অন্য দুখন ৰাজ্য হ'ল নায়ং আৰু দন্দুৱা। দাঁতিয়লীয়া ৰাজ্যৰ ৰজাসমূহৰ ভিতৰত ৰজা জোঙাল বলহু আৰু ডিমৰুৱাৰ ৰজাসকলৰ কথা অন্য ৰজাসমূহতকৈ ইতিহাসৰ পৃষ্ঠাত অধিক পোৱা যায়। মধ্য অসমৰ ইতিহাসত এনেধৰণৰ সৰু বৰ একাধিক ৰাজ্য দেখিবলৈ পোৱা যায় যদিও এই ৰাজ্যবোৰৰ মাজত শত্ৰুতাতকৈ মৈত্ৰী আৰু সমিল মিল অধিক আছিল। ৰাজনৈতিক, সামাজিক আৰু বাণিজ্যিক সহ-সম্বন্ধই এই অঞ্চলত শান্তি সম্প্ৰীতি বজাই ৰাখিছিল আৰু ইয়েই দীঘলীয়া পৰিক্ৰমাত ভাষিক সমতা স্থাপন কৰাত অৰিহণা যোগাইছিল বুলি ক'ব পাৰি।

সামাজিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে দেখা যায় যে মধ্য অসম মূলতঃ মঙ্গোলীয় গোষ্ঠীৰ জনজাতীয় লোকৰ আৱাসভূমি। তিৰা, কাৰ্বি আৰু কিছুসংখ্যক বড়ো জনসমষ্টিৰ লোকৰ সৈতে অতীজৰে পৰা কোছ, কলিতা, ব্ৰাহ্মণ, কায়স্থ, কৈৱৰ্ত লোকে এই ভূখণ্ডত সহবাস কৰি আহিছে। আনহাতে, অসম বৃটিছৰ অধীনলৈ যোৱাৰ পিছত ক্ৰমান্বয়ে এই অঞ্চললৈ মৈমনসিঙীয়া বঙালী আৰু নেপালী লোকৰ প্ৰব্ৰজন হৈছে। অনুমান কৰিব পাৰি যে মধ্য যুগত অসমীয়া ভাষাই এই অঞ্চলত সংযোগী ভাষা ৰূপে ব্যৱহৃত হৈছিল আৰু চৌপাশৰ তিব্বত-বর্মীয় ভাষা বৈশিষ্ট্যৰ দ্বাৰা প্ৰভাৱান্বিতও নোহোৱাকৈ থকা নাছিল। আনহাতে, পূবৰ উজনি অঞ্চলৰ আৰু পশ্চিমৰ নামনি অঞ্চলৰ অসমীয়া ভাষাৰ মাজতে অৱস্থান কৰা হেতুকে মধ্য অসমৰ অসমীয়া ভাষাটোৱে কম বেছি পৰিমাণে পূব আৰু পশ্চিম দুয়োটা অঞ্চলৰ ঔপভাষিক বৈশিষ্ট্যৰ মাজেৰেহে বিকাশ লাভ কৰিছিল। সেয়েহে এই উপভাষাটোত দুয়োটা উপভাষাৰে আংশিক প্ৰভাৱ দৃশ্যমান। আনহাতে, অধিক ক্ষেত্ৰত তিব্বত-বর্মীয় ভাষিক গোষ্ঠীৰ মুখত লালিত পালিত হোৱাত ভাষাটোৱে কেতবোৰ স্বকীয় বৈশিষ্ট্যও অৰ্জন কৰি মধ্য অসমৰ উপভাষা ৰূপে স্থিতি লাভ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ মধ্য অসমৰ উপভাষাটো গঢ়লৈ উঠাত ইয়াৰ ঐতিহাসিক পটভূমিৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

(১০০ শব্দৰ ভিতৰত)

.....

৮.৫ মধ্য অসমৰ উপভাষাৰ ভাষিক বৈশিষ্ট্য

ইতিমধ্যে উল্লেখ কৰা হৈছে যে উজনি অসমৰ উপভাষা আৰু নামনি অসমৰ

উপভাষাতকৈ মধ্য অসম অঞ্চলৰ অসমীয়া কথিত ৰূপটোত ভালেমান স্বকীয় বৈশিষ্ট্য বিৰাজমান হোৱা হেতুকে ভালেমান ভাষাতত্ত্ববিদে মধ্য অসম অঞ্চলৰ অসমীয়া ভাষাটোক অসমীয়া ভাষাৰ এটা সুকীয়া উপভাষা ৰূপে মান্যতা প্রদান কৰিছে। বিশেষ কেতবোৰ ধ্বনিতাত্ত্বিক-ৰূপতাত্ত্বিক আৰু শব্দসম্ভাৰগত বৈশিষ্ট্যই মধ্য অসমত প্রচলিত অসমীয়া ভাষাটোক এক উপভাষা ৰূপে স্বীকৃতি পোৱাত সহায় কৰিছে। এই অনুচ্ছেদত মধ্য অসমৰ উপভাষাটোৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দসম্ভাৰগত বিশেষ বৈশিষ্ট্যসমূহৰ ওপৰত আলোকপাত কৰা হৈছে।

৮.৫.১ মধ্য অসমৰ উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

মধ্য অসমৰ উপভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা ছয়টা। উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী বিশিষ্ট স্বৰধ্বনিসমূহৰ ধ্বনিগুণ তলত দিয়া ধৰণৰ—

ই ঃ প্রান্তীয় উচ্চ বিবৃতৌষ্ঠ্য স্বৰধ্বনি

এ’ ঃ প্রান্তীয় উচ্চমধ্য বিবৃতৌষ্ঠ্য স্বৰধ্বনি

এ ঃ প্রান্তীয় নিম্নমধ্য বিবৃতৌষ্ঠ্য স্বৰধ্বনি

আ ঃ কেন্দ্রীয় নিম্ন সংবৃতৌষ্ঠ্য স্বৰধ্বনি

অ ঃ পশ্চ নিম্ন সংবৃতৌষ্ঠ্য স্বৰধ্বনি

উ ঃ পশ্চ উচ্চ সংবৃতৌষ্ঠ্য স্বৰধ্বনি

এই স্বৰধ্বনিসমূহ উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী তলত উল্লেখ কৰাৰ দৰে তালিকাভুক্ত কৰিব পাৰি—

	প্রান্তীয় বিবৃতৌষ্ঠ্য	কেন্দ্রীয় সংবৃতৌষ্ঠ্য	পশ্চ সংবৃতৌষ্ঠ্য
উচ্চ	ই		উ
উচ্চমধ্য	এ’		
নিম্নমধ্য	এ		
নিম্ন		আ	অ

মধ্য অসমৰ উপভাষাৰ প্রতিটো বিশিষ্ট স্বৰধ্বনিৰ শব্দৰ আদ্য, মধ্য আৰু অন্ত্য অৱস্থানত প্রয়োগ হয় যদিও প্রান্তীয় বিবৃতৌষ্ঠ্য উচ্চমধ্য স্বৰ এ’ ৰ প্রয়োগৰ সীমাবদ্ধতা অধিক আৰু অন্ত্যস্থানত এই ধ্বনিৰ প্রয়োগ নাই।

এই বিশিষ্ট স্বৰধ্বনিকেইটাৰ ওপৰি মধ্য অসমৰ উপভাষাত ভালেমান দ্বিস্বৰ আৰু ত্রিস্বৰৰ প্রয়োগ বিচাৰি পোৱা যায়। এনে কেতবোৰ দ্বিস্বৰ আৰু ত্রিস্বৰ তলত উদাহৰণসহ উল্লেখ কৰা হ’ল—

অঅ ঃ বঅযুণ

আই ঃ লাই

অউ ঃ গউ

ইআ ঃ সিআ

ইঅ ঃ জিঅলু
ইউ ঃ চিউলি
এ'ই ঃ দে'ই
উআ ঃ উআল
উই ঃ ধুতুই
ইআই ঃ বিআই
অআই ঃ গআই ইত্যাদি।

মধ্য অসমৰ উপভাষাৰ সবাতোকৈ উল্লেখযোগ্য ধ্বনিতাত্ত্বিক বৈশিষ্ট্যটো হ'ল ইয়াত প্রতিটো স্বৰধ্বনিৰ একোটা দীর্ঘৰূপ পোৱা যায়। স্বৰধ্বনিৰ দৈর্ঘ্যতাৰ মূল কাৰণসমূহ বিশিষ্ট ভাষাতত্ত্ববিদ দীপঙ্কৰ মৰলে তলত উল্লেখ কৰা ধৰণে বিশ্লেষণ কৰি দেখুৱাইছে—

নিয়ম ১ ঃ অসমীয়া ভাষা উৎপত্তি হোৱা সংস্কৃত সদৃশ ভাষাটোৰ দ্বিত্ব ধ্বনিসমূহ কেৱল মধ্য অসমৰ উপভাষাত লুপ্ত হয়। এই লুপ্ত হোৱা কার্যৰ বাবে মূল শব্দৰ অনুৱর্তী হ্রস্ব স্বৰধ্বনিটো দীর্ঘ স্বৰলৈ পৰিৱর্তিত হয়। যেনে—

সংস্কৃত শব্দ *মূর্ত্তি*ৰ অসমীয়াত উচ্চাৰণ *মূর্তি*। এই মূর্তি উচ্চাৰণটো মধ্য অসমৰ উপভাষাত হয়গৈ *মূঃতি* (ঃ দীর্ঘতা বুজাইছে), অর্থাৎ ম-উঃ-ত-ই।

নিয়ম ২ ঃ উৎস ভাষাত শব্দৰ মধ্য স্থানত ব্যঞ্জনধ্বনিৰ সৈতে সংযুক্ত হৈ প্রয়োগ হোৱা দ্বৌষ্ঠ্য অর্ধস্বৰ ৱ মধ্য অসমৰ উপভাষাত লুপ্ত হয় আৰু ফলস্বৰূপে অনুৱর্তী হ্রস্বস্বৰ দীর্ঘলৈ ৰূপান্তৰিত হয়। অন্যান্য অসমীয়া উপভাষাত ই দ্বিত্ব ব্যঞ্জনলৈ ৰূপান্তৰিত হয়। যেনে—

সংস্কৃত শব্দ *ঋত্বিক*ৰ অসমীয়াত উচ্চাৰণ *ৰিত্তিক*। এই ৰিত্তিক উচ্চাৰণটো মধ্য অসমৰ উপভাষাত হয়গৈ *ৰিঃতিক* (ঃ দীর্ঘতা বুজাইছে), অর্থাৎ ৰ-ইঃ-ত-ই-ক।

নিয়ম ৩ ঃ উৎস ভাষাত শব্দৰ মধ্য স্থানত ব্যঞ্জন ধ্বনিৰ সৈতে সংযুক্ত হৈ প্রয়োগ হোৱা তালব্য অর্ধস্বৰ ধ্বনি য় মধ্য অসমৰ উপভাষাত লুপ্ত হয় আৰু তাৰ ফলস্বৰূপে অনুৱর্তী হ্রস্বধ্বনি দীর্ঘলৈ ৰূপান্তৰিত হয়। যেনে- সংস্কৃত *বাক্য* শব্দটোৰ অসমীয়া উচ্চাৰণ *বাইক্ক*। মধ্য অসমৰ উপভাষাত ই হয়গৈ *বাঃক*।

মধ্য অসমৰ উপভাষাত বিশিষ্ট্য ব্যঞ্জনধ্বনিৰ সংখ্যা বাইশটা। উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী বিশিষ্ট ব্যঞ্জনধ্বনিসমূহৰ ধ্বনিগুণ তলত দিয়া ধৰণৰ—

প ঃ নিয়ত অঘোষ অল্পপ্রাণ ঔষ্ঠ্য ব্যঞ্জনধ্বনি
ফ ঃ নিয়ত অঘোষ মহাপ্রাণ ঔষ্ঠ্য ব্যঞ্জনধ্বনি
ব ঃ নিয়ত ঘোষ অল্পপ্রাণ ঔষ্ঠ্য ব্যঞ্জনধ্বনি
ভ ঃ নিয়ত ঘোষ মহাপ্রাণ ঔষ্ঠ্য ব্যঞ্জনধ্বনি
ত ঃ নিয়ত অঘোষ অল্পপ্রাণ দন্তমূলীয় ব্যঞ্জনধ্বনি
থ ঃ নিয়ত অঘোষ মহাপ্রাণ দন্তমূলীয় ব্যঞ্জনধ্বনি

দ ঃ নিয়ত ঘোষ অল্পপ্রাণ দন্তমূলীয় ব্যঞ্জনধ্বনি

ধ ঃ নিয়ত ঘোষ মহাপ্রাণ দন্তমূলীয় ব্যঞ্জনধ্বনি

ক ঃ নিয়ত অঘোষ অল্পপ্রাণ পশ্চতালব্য ব্যঞ্জনধ্বনি

খ ঃ নিয়ত অঘোষ মহাপ্রাণ পশ্চ তালব্য ব্যঞ্জনধ্বনি

গ ঃ নিয়ত ঘোষ অল্পপ্রাণ পশ্চতালব্য ব্যঞ্জনধ্বনি

ঘ ঃ নিয়ত ঘোষ মহাপ্রাণ পশ্চ তালব্য ব্যঞ্জনধ্বনি

ম ঃ নাসিক্য ঘোষ ঔষ্ঠ্য ব্যঞ্জনধ্বনি

ন ঃ নাসিক্য দন্তমূলীয় ঘোষ ব্যঞ্জনধ্বনি

ঙ ঃ নাসিক্য পশ্চতালব্য ঘোষ ব্যঞ্জনধ্বনি

চ ঃ উষ্ম অল্পপ্রাণ দন্তমূলীয় অঘোষ ব্যঞ্জন ধ্বনি

জ ঃ উষ্ম অল্পপ্রাণ দন্তমূলীয় ঘোষ ব্যঞ্জন ধ্বনি

ঝ ঃ উষ্ম মহাপ্রাণ দন্তমূলীয় ঘোষ ব্যঞ্জন ধ্বনি

স ঃ উষ্ম অল্পপ্রাণ পশ্চতালব্য অঘোষ ব্যঞ্জন ধ্বনি

হ্ ঃ উষ্ম অল্পপ্রাণ কণ্ঠ্য ঘোষ ব্যঞ্জন ধ্বনি

ৰ ঃ কম্পিত দন্তমূলীয় ঘোষ ব্যঞ্জন ধ্বনি

ল ঃ পার্শ্বিক দন্তমূলীয় ঘোষ ব্যঞ্জন ধ্বনি

উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী এই বিশিষ্ট ব্যঞ্জনসমূহৰ এখন তালিকা তলত প্রস্তুত কৰা হৈছে—

	ঔষ্ঠ্য		দন্তমূলীয়		পশ্চতালব্য		কণ্ঠ্য	
	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ	অঘোষ	ঘোষ
নিয়ত অল্পপ্রাণ	প	ব	ত	দ	ক	গ		
নিয়ত মহাপ্রাণ	ফ	ভ	থ	ধ	খ	ঘ		
নাসিক্য		ম		ন		ঙ		
উষ্ম			চ	জ ঝ	স			হ
কম্পিত				ৰ				
পার্শ্বিক				ল				



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ মধ্য অসমৰ উপভাষাৰ ব্যঞ্জনধ্বনিসমূহৰ ধ্বনিগুণ উল্লেখ কৰি তালিকাসহ দেখুৱাওক। (১০০ শব্দৰ ভিতৰত)

.....

মধ্য অসমৰ উপভাষাত ও বিশিষ্ট স্বৰধ্বনি নহয় বাবে মূলৰ ও থকা শব্দ এই উপভাষাত প্ৰায় অ বা উ লৈ পৰিৱৰ্তন হোৱা দেখা পোৱা যায়। যেনে—

মান্য অসমীয়া ভাষা	মধ্য অসমৰ উপভাষা
জোক	জুক
তামোল	তামুল
দোকান	দুকান
জোঁৱাই	জঙাই

মধ্য অসমৰ উপভাষাত কম্পিত দন্তমূলীয় ৰ ব্যঞ্জনধ্বনিৰ প্ৰয়োগৰ সীমাবদ্ধতা অধিক। সেয়েহে, শব্দৰ মধ্য আৰু অন্ত্যস্থানত এই ধ্বনি লোপ পায় আৰু পৰৱৰ্তী স্বৰধ্বনিটোহে উচ্চাৰিত হয় আৰু স্বৰধ্বনিটোৱে দৈৰ্ঘতা লাভ কৰে। যেনে—

মান্য অসমীয়া ভাষা	মধ্য অসমৰ উপভাষা
জ্বৰ	জঃ
এন্দুৰ	ইন্দুঃ
ৰবৰ	লবঃ

মধ্য অসমৰ উপভাষাত প্ৰায়ে মূল অসমীয়া শব্দৰ ৰ আৰু ন ব্যঞ্জনধ্বনি পার্শ্বিক দন্তমূলীয় ল ব্যঞ্জনলৈ পৰিৱৰ্তিত হয়। যেনে—

মান্য অসমীয়া ভাষা	মধ্য অসমৰ উপভাষা
নোম	লুম
নেজ	লেজ
জৰুৱ	জৰুল
নাঙল	লাঙল

মধ্য অসমৰ উপভাষাত স আৰু খ; খ আৰু হ; তথা জ আৰু চ ব্যঞ্জনৰ মাজত অয়ত বিকল্প প্ৰয়োগ হোৱা দেখা যায়। যেনে—

মান্য অসমীয়া ভাষা	মধ্য অসমৰ উপভাষা
আখৰ	আখঃ আস
হিংসা	হিংখা হিংখা
মাজ	মাজ মাচ
যুঁজ	যুঁজ যুঁচ

৮.৫.২ মধ্য অসমৰ উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য

মধ্য অসমৰ উপভাষাত বহুপ্ৰকাৰ শব্দসাধনগত উপসৰ্গ আৰু পৰসৰ্গৰ প্ৰচলন আছে। তলত তেনে কেতবোৰ সৰ্গৰ উদাহৰণ আগবঢ়োৱা হৈছে—

অ - নিআই - অনিআই (অন্যায়)

আ- কাল - আকাল	(আকাল)
অনা-অসমীআ- অনাঅসমীআ	(অনাঅসমীয়া)
কু- বুদ্ধি - কুবুদ্ধি	(কুবুদ্ধি)
বে-ইমান - বেইমান	(বেইমান)
খেতি - অক - খেতিঅক	(খেতিয়ক)
ৰান্ধ - অন - ৰান্ধন	(ৰান্ধন)
নাচ - অনি - নাচনি	(নাচনি)
ক - অঙ্‌তা - কঙ্‌তা	(কওঁতা)
কলা - অঃই - কালঃই	(কালৰী)
তেল - ইআ - তেলিআ	(তেলীয়া) ইত্যাদি।

অসমীয়া ভাষাত বহুলভাৱে প্রচলিত অনুকাৰ আৰু অনুৰূপ শব্দবোৰ যৌগিক শব্দৰ অন্তর্ভুক্ত। এই শব্দবোৰ দুটা ৰূপৰ সংযোগত সৃষ্টি হয়। সদায় যোৰ পাতি ব্যৱহাৰ হয় কাৰণে এই শব্দবোৰক যুৰীয়া শব্দ বুলিও কোৱা হয়। মধ্য অসমৰ উপভাষাতো এনে ধৰণৰ ভালেমান অনুকাৰ -অনুৰূপ শব্দৰ প্রচলন থকা দেখা যায়। তলত তাৰ কেইটিমান উদাহৰণ উল্লেখ কৰা হৈছে—

কলকল	কুলকুল	কিটকিট	কুটকুট
কিচকিচ	কেলকেল	খটখট	কেনকেন
খিংখিং	গুণগুণ	গিজগিজ	টংটং
টনটন	মলমল	তিঃবিঃ	মিজিংমাজাং
কলম-চলম	বাচ-চাচ	মাছ-চাছ	চাবি-তাবি ইত্যাদি।

মধ্য অসমৰ উপভাষাৰ সাধাৰণ নামপদসমূহক বিশেষ্য, সর্বনাম, বিশেষণ আৰু সংখ্যাবাচক শব্দ, এই চাৰিটা ভাগত ভাগ কৰিব পাৰি। তলত প্রতি প্রকাৰ শব্দৰেই চমু আলোচনা আগবঢ়োৱা হৈছে।

বিশেষ্য পদ ঃ দৃষ্ট বা অদৃষ্ট, ইন্দ্রিয়গ্রাহ্য বা বহির্ভূত, প্রাণী বা অপ্রাণীবাচক যিকোনো পদার্থ বা ধাৰণাৰ নামেই বিশেষ্য। মধ্য অসমৰ উপভাষাৰ বিশেষ্য পদসমূহ তলত উল্লেখ কৰাৰ দৰে শ্রেণীভুক্ত কৰিব পাৰি—

সাধাৰণ সংজ্ঞাবাচক বিশেষ্য ঃ গঅউ (গৰু), ফুল, ৰাইজ্জ (ৰাজ্য), গছ, বিদেখ (বিদেশ) আদি।

বিশেষ সংখ্যাবাচক বিশেষ্য ঃ দন্দুআ, গুহাটী, কপিলী, পচতিয়া, কিঃষ্ণ আদি।

সমূহ বা সমষ্টিবাচক বিশেষ্য ঃ সভা, সমাজ, কমিটি আদি।

বস্তুবাচক বিশেষ্য ঃ মগ, চাবুন (চাবোন), ৰচি, চুলা (চোলা), গাখিঃ (গাখীৰ) আদি।

গুণবাচক বিশেষ্য ঃ শান্তি, কষ্ট, মঅঃম (মৰম) আদি।

সর্বনাম পদ ঃ বিশেষ্য পদৰ সলনি বহি পৰোক্ষভাৱে বিশেষ্য পদৰ কার্য সম্পাদনা কৰা পদবোৰেই সর্বনাম পদ। মধ্য অসমৰ উপভাষাৰ সর্বনাম পদবোৰক তলত দিয়া ধৰণে সাতভাগত ভগাই আলোচনা কৰিকব পাৰি—

ব্যক্তিবাচক সর্বনাম ঃ মই, সিহঁত, তাই, সি, তেঁউ (তেওঁ) আদি।

নির্দেশকবোধক সর্বনাম ঃ ই, এই, সেঃটো (সেইটো) আদি।

সকল্যবাচক সর্বনাম ঃ সকলো, সব, এটাই আদি।

সম্বন্ধ বা সঙ্গতিবাচক সর্বনাম ঃ যি, যেই আদি।

অনির্দষ্টতাবাচক সর্বনাম ঃ কুনু (কোনো), কুনুবা (কোনোবা), কিবা আদি।

প্রশ্নবোধক সর্বনাম ঃ কুন (কোন), কিঅ (কিয়), কেনেকে (কেনেকৈ) আদি।

আত্মবাচক সর্বনাম ঃ নিজ, আপুনা, আপুনি আদি।

বিশেষণ পদ ঃ মধ্য অসমৰ উপভাষাত প্রচলন থকা বিশেষণবোৰক বিশেষ্যৰ বিশেষণ, ক্রিয়া বিশেষণ, বিশেষণীয় বিশেষণ আৰু সর্বনামীয় বিশেষণ এই চাৰি ভগাই ভগাই দেখুৱাব পাৰি—

বিশেষ্যৰ বিশেষণ ঃ আকঃই ছুআলী (আকৰী ছোৱালী), ডেকা লআ (ডেকা ল'ৰা), দীঘল বাঁহ আদি।

ক্রিয়া বিশেষণ ঃ বেগাই, এনেকে, ভালকে, সুনকালে (সোনকালে) আদি।

বিশেষণীয় বিশেষণ ঃ বঃ সঃউ (বৰ সৰু), ইমান ধুনীয়া, বেচি ৰঙা আদি।

সর্বনামীয় বিশেষণ ঃ সি বেঙা, আপুনি ভাল আদি।

মধ্য অসমৰ উপভাষাত বিশেষণৰ তুলনা বুজাবলৈ হ'লে যাৰ লগত তুলনা কৰা হয় সেই প্রাণীবাচক বা অপ্রাণীবাচক শব্দটোৰ অধিকৰণ কাৰকৰ ৰূপৰ পিছত -কে বা কই প্রত্যয় যোগ দি তাৰ পিছত বিশেষণটো ব্যৱহাৰ কৰা হয়। যেনে—

তুত্কে মুঃ বেছি ধাঃ (তোতকৈ মোৰ অধিক ধাৰ)

ৰামতকে মধু বেছি অকজং (ৰামকতৈ মধু অধিক খঙাল) আদি।

কেতিয়াবা তুলনীয় ৰূপটোৰ পিছত -কউ যোগ দিও তুলনা বুজোৱা হয়। যেনে—

বাইড ছাঃতকেউ ভাল (বাইডেউ ছাৰতকৈও ভাল)

তুমি মুতকেউ উতিয়া (তুমি মোতকৈও এলেহুৱা) আদি।

বহুতৰ মাজত তুলনা কৰি এটাৰ উৎকর্ষ বা অপকর্ষ বুজাবলৈ *সকলু* (সকলো) আৰু *আটাই সব* শব্দগুচ্ছৰ অধিকৰণ ৰূপৰ পিছত -কে আৰু কেতিয়াবা *সব* শব্দত *-সে* যোগ দি বিশেষণটো পিছত ব্যৱহাৰ কৰা হয়। তুলনীয় ৰূপটো

অধিকৰণ কাৰকৰ ৰূপটোৰ আগতো বহে বা পিছতো বহে। যেনে—

নেতাগিলা সকলুতকে বদমাছ (নেতাবোৰ সকলোতকৈ ধূর্ত)

সকলুতকে দিগন্ত ধনী (সকলোতকৈ দিগন্ত ধনী)

সি সবতকে উতিয়া (সি আটাইতকৈ এলেহুৱা) আদি।

অব্যয় পদ ঃ বাক্যত ব্যৱহৃত যিবোৰ পদৰ কোনো অৱস্থাতে ৰূপৰ পৰিৱর্তন নহয় বা ক্ষয় নহয় তেনেবোৰ পদকে অব্যয় পদ বুলি কোৱা হয়। অব্যয় পদবোৰ কাৰক, পুৰুষ, বচন, লিঙ্গ ইত্যাদি অনুযায়ী ৰূপ নহয়। অর্থৰ দিশৰ পৰা মধ্য অসমৰ উপভাষাৰ অব্যয় পদবোৰক সাতোটা ভাগত ভাগ কৰিব পাৰি। এই ভাগসমূহ হ'ল—

সংযোজক অব্যয় ঃ আউ (আৰু), বাবে, তেনেহলি (তেনেহ'লে) আদি।

পৃথকবোধক অব্যয় ঃ নহলিবা (নহ'লেনো), কিন্তু, তথাপি আদি।

সন্দেহবোধক অব্যয় ঃ না, হবলে (হ'বলা), চাগে আদি।

ভাববোধক অব্যয় ঃ উহ, ইঁহ, ইচ্ আদি।

সম্বোধনবোধক অব্যয় ঃ হেআ, অ, অই আদি।

প্রশ্নবোধক অব্যয় ঃ কি, বুলে (বোলে) আদি।

সমিধানবোধক অব্যয় ঃ অ, উঁ, হই আদি।

বচন ঃ মধ্য অসমৰ উপভাষাত বিশেষ্য, সর্বনাম, সংখ্যাবাচক শব্দ আৰু বিশেষণ নামপদৰ বচন পোৱা যায়। এই বচন দুই প্রকাৰৰ— একবচন আৰু বহুবচন। মধ্য অসমৰ উপভাষাত কিছুমান সর্বনাম আৰু বিশেষ্য পদৰ একবচন আৰু বহুবচন ৰূপৰ বাদে এক প্রকাৰ বচন নিৰপেক্ষ ৰূপ পোৱা যায়। যেনে—

	একবচন	বহুবচন	বচন নিৰপেক্ষ ৰূপ	
বিশেষ্য ঃ	লআজন	লআহঁত	লআ	(ল'ৰা)
	কামিলাটু	কামিলাবুঃ	কামিলা	(কামিলা)
সর্বনাম ঃ	সিটু	সিবুঃ	সি	(সি)
	কুনখন	কুনবুঃ	কুন	(কোন)

মধ্য অসমৰ উপভাষাত কেইবা প্রকাৰেও বচন নির্ণয় কৰা হয়। এই উপায়বোৰ হ'ল—

ক) কেৱল সংজ্ঞাবাচক বিশেষ্য তথা ব্যক্তিবাচক আৰু নির্দেশবোধক সর্বনামৰ স্বতন্ত্র প্রয়োগৰ দ্বাৰা—

মই পহিছো (মই পঢ়িছোঁ)

তুমি খাইছা

ৰাম ঘঅত নাই (ৰাম ঘৰত নাই)

সি নাজানে আদি।

খ) এক সংখ্যা শব্দৰ এ- ৰ লগত -জন, -খন, -পাট আদি নির্দিষ্টতাবাচক

প্রত্যয় যোগ কৰি নামপদৰ আগত বা পাছত ব্যৱহাৰৰ দ্বাৰা—

এমাহ

এদিন

এবাঃ (এবাৰ)

এপাল আদি।

গ) বচন নিৰপেক্ষ ৰূপৰ পাছত নির্দিষ্টাবাচক সর্গ যোগৰ দ্বাৰা—

মানুহটু (মানুহটো)

কুকুঃটু (কুকুৰটো)

ছুৱালীজনী (ছোৱালীজনী)

ঘ) পতি বা পত্তেক শব্দৰ পাছত নির্দিষ্টতাবাচক প্রত্যয় যোগ কৰি নামপদৰ আগত বা পাছত বাৱহাৰৰ দ্বাৰা—

পতিজন (প্রতিজন)

পত্তেকখন (প্রত্যেকখন)

পত্তেকজন (প্রত্যেকজন)

ঙ) বিভিন্ন ধৰণৰ বহুবচনাত্মক প্রত্যয় সংযোগৰ দ্বাৰা মধ্য অসমৰ উপভাষাত বহুবচনৰ ধাৰণা আৰোপ কৰা হয়। যেনে—

প্রত্যয়	মধ্য অসমৰ উপভাষা	মান্য অসমীয়া
-বুঃ	মানুহবুঃ	বোৰ
	জন্তুবুঃ	
-বিলাক	চটাবিলাক	বিলাক
	গঃউবিলাক	
-হঁত	লআহঁত	হঁত
	সিহঁত	
-গিলা	এগিলা	—
	পুৱালীগিলা	
-সপা	কাপুঃসপা	সোপা
	পাণসপা	
-জাক	চআইজাক	জাক
	ছুৱালীজাক	আদি।

বহুবচনাত্মক প্রত্যয়ৰ ওপৰিও বহুবচনাত্মক বিশেষণ, সংখ্যাবাচক শব্দৰ পাছত নির্দিষ্টতাবাচক প্রত্যয়ৰ সংযোগ তথা বিভিন্ন পদৰ পুনৰুক্তিৰ দ্বাৰাও মধ্য অসমৰ উপভাষাত বহুবচনৰ অর্থ প্রকাশ কৰা হয়। যেনে—

বহুবচনাত্মক বিশেষণ ঃ বহুত মানুহ

ঢেঃ মাছ

কিছুমান কথা আদি।

সংখ্যাবাচক শব্দৰ পাছত নির্দিষ্টতাবাচক প্রত্যয়ৰ সংযোগ—

তিনিডাল কাঠ

দচটা ফুল


চাঃইজন বন্ধু আদি।

বিভিন্ন পদৰ পুনৰুক্তি—

ঘএ ঘএ

পকা পকা

দম দম আদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ মধ্য অসমৰ উপভাষাত বচন কেইটা ? বচন কিদৰে নির্ধাৰণ কৰা হয় আলোচনা কৰক। (১০০ শব্দৰ ভিতৰত)

.....

লিঙ্গ ঃ মধ্য অসমৰ উপভাষাত নামপদৰ লিঙ্গক পুংলিঙ্গ আৰু স্ত্রীলিংঙ্গ এই দুভাগত ভগাব পাৰি। আনহাতে কিছুমান ৰূপ লিঙ্গ নিৰপেক্ষ ৰূপে ব্যৱহৃত হয়। এই উপভাষাত লিঙ্গ নির্ণয় কৰা পদ্ধতিসমূহ তলত উল্লেখ কৰা হ'ল।

ক) পুৰুষ আৰু স্ত্রীৰ অর্থ প্রকাশ কৰা ভিন্ন শব্দৰ প্রয়োগৰ দ্বাৰা—

পুংলিঙ্গ	স্ত্রীলিঙ্গ
ককা	আইতা
ডেকা	গাভঃউ
বঃ	কইনা

খ) লিঙ্গ নিৰপেক্ষ ৰূপৰ আগত মতা - মাইকী বুজোৱা শব্দৰ প্রয়োগৰ দ্বাৰা—

পুংলিঙ্গ	স্ত্রীলিঙ্গ
মতা হাঁহ	মাইকী হাঁহ
মতা ঘুঁআ	মাইকী ঘুঁআ
মতা মুঃগী	মাইকী মুঃগী

গ) লিঙ্গ নিৰপেক্ষ ৰূপৰ পিছত -টু, -জন, -জনী প্রত্যয় সংযোগৰ দ্বাৰা—

পুংলিঙ্গ	স্ত্রীলিঙ্গ
গঅউটু	গঅউজনী
ছাগলটু	ছাগলীজনী

পুৱালীটু পুৱালীজনী

ঘ) মধ্য অসমৰ উপভাষাত কেইবাটাও স্ত্রীপ্রত্যয় আছে। এই প্রত্যয়বোৰ প্রয়োগ কৰিও স্ত্রীলিঙ্গ নির্ণয় কৰা হয়। যেনে—

	পুংলিঙ্গ	স্ত্রীলিঙ্গ
-ই	বুঃহা	বুঃহী
	কুমাঃ	কুমাঃই
-নি	বঃআ	বঃআনী
	গিহস্ত	গিহস্তনী
-ইনি	যখ	যখিনী
	পাপ	পাপিনী
-অনি	বঙাল	বঙালনী
	নাপিত	নাপিতনী
-উনী	ডুম	ডুমুনী
	চুঃ	চুঃউনী আদি।

নির্দিষ্টতাবাচক প্রত্যয় ঃ মধ্য অসমৰ উপভাষাত ভালেমান নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ আছে। তলত এই প্রত্যয়সমূহৰ কিছুমান উদাহৰণ দাঙি ধৰা হৈছে—

-টু	ঘটটু
	বগুলাটু
-খন	পাতখন
	ফলিখন
-খান	তিহিতাখান
	বিতলিখান
-চকল	আমচকল
	মাছচকল
-হালি	এহালি
	কেইহালি
-থআ	এইথআ
	আলহিথআ
-ডাল	ভালডাল
	চেপেটাডাল
-খিনি	চজনাখিনি
	ধানখিনি
-মুঠি	চাউলমুঠি

ভেনজাৰিমুঠি

-লেচা সুতালেচা

পাঁচলেচা

-জন কুনজন

বঃজন

-জনী চেউঃইজনী

সেইজনী আদি।

কাৰক আৰু শব্দবিভক্তি ঃ মধ্য অসমৰ উপভাষাত বিভিন্ন পদৰ ক্রিয়াৰ সৈতে সমন্বয় স্থাপনৰ বাবে কেতবোৰ বিভক্তি আৰু অনুপদৰ ব্যৱহাৰ কৰা হয়। এই বিভক্তিসমূহ কিছুমান মান্য অসমীয়া ভাষাৰ সৈতে একে আৰু কিছুমান সামান্য ধ্বনিগত পৰিৱর্তনৰ মাজেৰে ব্যৱহৃত হয়। অনুপদৰ ক্ষেত্রতো একেই কথা প্রযোজ্য। মধ্য অসমৰ উপভাষাত ব্যৱহৃত প্রতিটো কাৰক বিভক্তিৰ তলত উদাহৰণ প্রস্তুত কৰা হৈছে।

কর্তা কাৰক ঃ যি কৰে বা হয় সিয়েই কর্তা। মধ্য অসমৰ উপভাষাত কর্তা কাৰকত প্রথমা বিভক্তি -এ আৰু শূন্য বিভক্তি যোগ হয়। স্থান বিশেষে -এ ৰ তির্যক ৰূপ -ই যোগ হয়। যেনে—

সি গল।

চআইজনী মঃইল।

সিহঁতে খালে। আদি।

কর্ম কাৰক ঃ যাৰ ওপৰত ক্রিয়া হয় অথবা ক্রিয়াৰ ব্যাপ্য বা ইপ্সিত, তাকেই কর্ম কাৰক বোলে। এই উপভাষাত কর্ম কাৰকত দ্বিতীয়া বিভক্তি -কত আৰু শূন্য বিভক্তি যোগ হয়। যেনে—

সি ভাত খালা।

ৰামক পাতখান দে।

মুক নিবিনা। আদি।

কৰণ কাৰক ঃ ক্রিয়া নিষ্পত্তিৰ সর্বপ্রধান উপায়ে হ'ল কৰণ কাৰক। অর্থাৎ যাৰ বা যিহৰ দ্বাৰাই কর্তাই ক্রিয়া সম্পন্ন কৰে, সেইটোৱেই কৰণ কাৰক। এই উপভাষাত কৰণ কাৰকৰ অর্থ প্রকাশ কৰিবলৈ -এ আৰু কেতিয়াবা -এদি বিভক্তিৰ প্রয়োগ কৰা হয়। কেতিয়াবা কোনো বিভক্তি যোগ নকৰাকৈ সতে, দাআ আৰু হতুআই অনুপদ যোগ দিও কৰণ কাৰকৰ অর্থ প্রকাশ কৰা হয়। যেনে—

হাতেএ টান।

আমটু কটাইএ কাট।

কিহেঃ কইলি।

হাতেদি ভাঙ্।

কাঃ সতে যাং।

তা দাআ সুধিলং।

জুতি হতুৱাই খবঃটু পঠালুং। আদি।

নিমিত্ত কাৰক ঃ উদ্দেশ্য, লক্ষ্য, দিশ, নিমিত্ত আদি অর্থত ক্রিয়াৰ লগত যিবোৰ শব্দৰ সম্পর্ক ঘটে, সেইবোৰেই নিমিত্ত কাৰক। মধ্য অসমৰ উপভাষাত নিমিত্ত কাৰকৰ অর্থ প্রকাশ কৰিবলৈ চতুর্থী বিভক্তি ৰূপে -লে ব্যৱহাৰ কৰা হয়। তদুপৰি দ্বিতীয়া বিভক্তি -ক আৰু সপ্তমী -ত ব্যৱহাৰ কৰিও নিমিত্ত কাৰকৰ অর্থ প্রকাশ কৰা হয়। যেনে—

ঘঃঅলে কিতিআ যাবি।

তালে কিমান দুঃ।

তাঃ তাক যাং ৰ।

ঘঃক গইছিলং।

অপাদান কাৰক ঃ যাৰ পৰা বা যিহৰ পৰা উৎপন্ন হোৱা, আৰম্ভ হোৱা বা নিৰস্ত হোৱা, ভয় খোৱা, ৰক্ষা পোৱা, আঁতৰ হোৱা বুজায়, তাক অপাদান কাৰক বোলে। মধ্য অসমৰ উপভাষাত অপাদান কাৰকৰ অর্থ প্রকাশ কৰিবলৈ -পাই, -পে আৰু -পআ অনুপদ যোগ কৰা হয়। উল্লেখযোগ্য যে এই উপভাষাত অপাদান কাৰক বুজাবলৈ কোনো বিভক্তি ব্যৱহাৰ কৰা নহয়। উদাহৰণ—

মই বজাঃপে আনিলং।

জেগাখিনি কঃপাই আঃম্ভ হইছি।

তুঃপআ নাপালং দেই। আদি।

অধিকৰণ কাৰক ঃ স্থান, কাল আৰু পাত্র যিহৰ আধাৰ বা আশ্রয়ত ক্রিয়া সম্পাদিত হয় সিয়েই অধিকৰণ কাৰক। এই উপভাষাত অধিকৰণ কাৰকৰ অর্থ প্রকাশ কৰিবলৈ -ত বিবক্তি প্রয়োগ কৰা হয়। বাক্য বিশেষে -এ আৰু শূন্য বিভক্তিৰো প্রয়োগ কৰা হয়। যেনে—

সি চাঃইআলিত আছে।

দুকানে দুকানে ফুই থাক।

যুৱা বছঃ আহিছিল। আদি।

ক্রিয়াপদ ঃ ক্রিয়া সব্যয় পদৰ এটি ভাগ। কোনো কাম কৰা, হোৱা, ঘটা বুজোৱা পদবোৰকে ক্রিয়াপদ বুলি কোৱা হয়। ক্রিয়াৰ মূলক ধাতু বুলি কোৱা হয়। মধ্য অসমৰ উপভাষাত প্রয়োগ হোৱা ধাতুবোৰক মৌলিক ধাতু, সাধিত বা গৌণ ধাতু আৰু যৌগিক বা সংযুক্ত ধাতু এইকেইটা ভাগত ভগাব পাৰি। তলত মধ্য অসমৰ উপভাষাত প্রয়োগ হোৱা কেতবোৰ ধাতুৰ নমুনা পৰিচয়ৰ বাবে উল্লেখ কৰা হৈছে।

মৌলিক ধাতু ঃ	দেখ	বল	শুম	ফাল	থ	গা
	দে	কত	ল	কান্দ	হাঁহ	নাচ
	ধু	মঃ	জল	পলা	ক	চআ আদি।
সাধিত ধাতু ঃ	নচুৱা	শুনা	দেখা	গঅমা	পাচুৱা	পেনপেনা
	কেলকেলা	ফচফুচা		পেকপেকা	দপদপা	আদি।
যৌগিক ধাতু ঃ	লগ ধ	গালি পা		টানি আন		
	শেষ ক	মাই পেলা		কাষঃ হ আদি।		

ক্রিয়া পদ গঠন কৰিবলৈ ধাতুৰ পিছত পুৰুষ, কাল আৰু ভাৱ অনুযায়ী বিভিন্ন বিভক্তি যোগ দিয়া হয়। এই বিভক্তিসমূহক ক্রিয়াবিভক্তি বোলে। মধ্য অসমৰ উপভাষাত ব্যৱহাৰ হোৱা ক্রিয়াবিভক্তিসমূহ চিনাক্তকৰণৰ বাবে তলত তালিকা এখন কৰি দেখুৱা হৈছে।

কাল	ভাব	কালবাচক প্রত্যয়	পুৰুষবাচক বিভক্তি			
			প্রথম	দ্বিতীয়		তৃতীয়
				তুচ্ছ	মান্য	
	অনুজ্ঞা			শূন্য	-অ	-অক -উক
নিত্য বর্তমান			-উঁ -অং	-অ	-আ	-এ
স্বৰূপ বর্তমান		ইছ	-উঁ -অং	-অ -আ	-আ	-এ -আ
সাধাৰণ অতীত		-ইল -ল	-উঁ -অং	-ই	-আ	-আ শূন্য
অপূর্ণ অতীত		-হছ -ইল	-উঁ -অং	-ই	-আ	শূন্য
ভৱিষ্যত		ইব	-ম	-ই	-আ	-অ

৮.৫.৩ মধ্য অসমৰ উপভাষাৰ শব্দসম্ভাৰ

কোনো এটা ভাষাৰ প্রকাশিকা শক্তি প্রধানকৈ নির্ভৰ কৰে ভাষাটোৰ শব্দ ভাণ্ডাৰৰ ওপৰত। অসমীয়া ভাষাত ব্যৱহৃত সকলো শব্দকে সামৰি পূর্ণাঙ্গ সংগ্রহ এটা এতিয়ালৈ প্রকাশ হোৱা নাই। সেয়েহে, অসমীয়া ভাষাৰ প্রকৃত শব্দৰ সংখ্যা নির্ধাৰণ কৰিব পৰা নাযায়। অসমীয়া ভাষাৰ উপভাষাবোৰৰ ক্ষেত্রতো একেটা কথাই প্রযোজ্য। মান্য অসমীয়া ভাষাত ব্যৱহৃত প্রায়ভাগ শব্দই উপভাষাসমূহতো ব্যৱহাৰ হয় যদিও উপভাষা ভেদে কম বেছি পৰিমাণে এই শব্দবোৰৰ উচ্চাৰণ বিকৃতি ঘটা দেখা যায়। উচ্চাৰণ বিকৃতিৰ ফলত উপভাষাসমূহত তৎসম শব্দবোৰে অর্ধতৎসম ৰূপ পৰিগ্রহণ কৰিছে। আনহাতে, উপভাষাসমূহত মান্য ভাষাটোত নথকা বা লিখিত ৰূপত প্রয়োগ নোহোৱা বহুতো স্বকীয় শব্দ থাকে বিবোৰে উপভাষাটোক বিশিষ্টতা

প্রদান কৰি মান্য ভাষাটোৰ পৰা উপভাষাটোক পৃথক কৰে। মধ্য অসমৰ উপভাষাতো কেতবোৰ স্বকীয় শব্দ আছে যিবোৰৰ ব্যৱহাৰ মান্য অসমীয়া ভাষাত দেখা পোৱা নাযায়। তলত বিষয় অনুসাৰে এনে কিছুমান শব্দৰ উদাহৰণ আগবঢ়োৱা হৈছে।

সম্বন্ধসূচক শব্দ

মধ্য অসমৰ উপভাষা	মান্য অসমীয়া ভাষা
জঙাই	জোঁৱাই
আটা	ককাইদেউতা
বঃগিঃ	জেঠেৰী
ঘঃজিয়া	ঘৰজোঁৱাই
জীয়াচলি	জীয়ৰি ছোৱালী
বিএই	বিয়ৈ
মাহুই	মাহী
কামলা	চাকৰ
চেঙেআ	ডেকা ল'ৰা
মমইয়া	মাউৰা
বাইদ	বাইদেউ
পাপা	দেউতা
শুলালী	খুলশালী

অঙ্গ প্রত্যঙ্গ সম্পর্কীয় শব্দ

মধ্য অসমৰ উপভাষা	মান্য অসমীয়া ভাষা
কাহলতি	কাষলতি
কিলাকনি	কিলাকূটি
গলধনা	গলধন
গেঃউআ	গোৰোহা
ধুতুই	থুঁতৰি
কেঁয়া আউঁলি	কিনা আঙুলি
মাথা	মূৰ
লেয়াহাত	বাওঁহাত
লুম	নোম
কতি	পোকৰ

পক্ষী সম্পর্কীয় শব্দ

মধ্য অসমৰ উপভাষা	মান্য অসমীয়া ভাষা
কাউঃ	কাউৰী
ঘঃচিংকা	ঘৰচিৰিকা

মাছলংকা	মাছৰুকা
যমটকলা	বৰটোকোলা
শালিকা	শালিকী
তেমতিউ	ফেঁচা
কুপতি	কপৌ

শাক পাচলি সম্পৰ্কীয় শব্দ

মধ্য অসমৰ উপভাষা	মান্য অসমীয়া ভাষা
কলফুল	কলডিল
তিত্‌কেঃলা	তিতাকেৰেলা
নেওঁথনি	মাটি কাদুৰী
তেলভকুৰা	জিলমিল
গাজ	খৰিচা
ফঃফইয়া জলকীয়া	ভোত জলকীয়া
মমাদা	মৰাণ আদা

গছ-গছনি, ফুল, ফল-মূল সম্পৰ্কীয় শব্দ

মধ্য অসমৰ উপভাষা	মান্য অসমীয়া ভাষা
গেন্ধা	নাৰ্জি
দঃইআ	জবা
কঅবি	কৰবি
কাঠিফুল	নয়নতৰা
লইটেঙা	পৰামলখি
পিচফল	নৰাবগৰি
কতিকমলা	গৰুশিচ
তিহঁ	তিয়ঁহ
ভেনজাই	নৰসিংহ
চজনকাটা	বনগুটি
ভেটেৰা	বঙালি এৰা
মচকুঃই	নূনি
মইনগছ	কোটকৰা
পটা	মৰাপাট

জীৱ জন্তু সম্পৰ্কীয় শব্দ

মধ্য অসমৰ উপভাষা	মান্য অসমীয়া ভাষা

এঃআল	দৰখ
লেজ	নেজ
বআহ	গাহৰি
চেঙুঃই	চেঁউৰী
গঁঃহ	গঁড়
গালুৱা	নাকি

পোক পতঙ্গ সম্পৰ্কীয় শব্দ

মধ্য অসমৰ উপভাষা	মান্য অসমীয়া ভাষা
চকঃই	পখিলা
অকণি	ওকণি
কেনজুলিকা	কুমজেলেকুৱা
জনাকিপিপআ	জোনাকী পৰুৱা
ভঙআ	ভোঁমোৰা
কেউন্দা	কেৰেলুৱা

মাছ সৰীসৃপ সম্পৰ্কীয় শব্দ

মধ্য অসমৰ উপভাষা	মান্য অসমীয়া ভাষা
ৰৌমণি	সৰু ৰৌ
তেঙেআ	শিঙৰা
শলতেঙেআ	শলঠাৰি
নিচিলা	মিচামাছ
ভকুৱা	বাহু
জীয়ালু	শিঙিমাছ
লেতেকা বৰালি	বৰালি চিতিকা
কুৱাইটেপা	কাৱৈটিলা
হলিহনা	খলিহনা
তুই	তৰা
ফলিয়া	কান্দুলি

খাদ্য বস্ত্র সম্পৰ্কীয় শব্দ

মধ্য অসমৰ উপভাষা	মান্য অসমীয়া ভাষা
খুদি চাউল	খুদ চাউল
ককঃআ ভাত	পঁইতা ভাত
খাইতেল	মিঠাতেল
মিঠই	গুৰ

বেহাঃ	সৰিয়হ
নেউখনি	মাটিকাদুৰি
বুকাচাউল	কোমল চাউল
ফালি	গামোচা
বালিচ	গাৰু
তিহিতা	চাদৰ
অন্যান্য শব্দ	
মধ্য অসমৰ উপভাষা	মান্য অসমীয়া ভাষা
উটিয়া	এলেহুৱা
দং	নিজৰা
দুৱাগঃইয়া	দুৱাৰদলি
কাথি	পিৰালি
এহালি	এগণ্ডা
এদাং	আধা মোন
লঃউ	এচাৰি
বঃই	ওখ ঠাই
অকজং	অবুজন
অকচিটি	অকণমান
এতেইয়া	বেঁকা
তুংচি	চৰুৰ তলৰ ছাঁই
চিপিয়া	কৃপণ
ভেদেলা	অজলা
ধদঙা	অকর্মণ্য
গঙুৱা	খঙাল
ঘেঙা	সেঙুন
হাঠা	হেতা
অউজঙলীয়া	লেঠা উলিয়াই থকা
আদেমেদে	নেৰানেপেৰা
জুপজাপ	মুঠ
লুহিয়া	কেৰাহী
চঅগ	বজ্রপাত
বঠি	মৈদা
থথা	খোনা
সলুৱা	টুটকীয়া

জংকট	বেমেজালি
নাদ	কুঁৱা
ঘুম্‌টি	টোপনি
আটাহ	চিঞৰ ইত্যাদি।

৮.৬ মান্য অসমীয়াৰ সৈতে মধ্য অসমৰ উপভাষাৰ প্ৰভেদ

১) মধ্য অসমৰ উপভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা ছয়টা। এই ধ্বনিৰকেইটা হ'ল - অ আ ই উ এ আৰু এ'। আনহাতে, মান্য অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা আঠটা। মান্য অসমীয়া ভাষাত থকা নিম্নমধ্য সংবৃতৌষ্ঠ্য অ' আৰু উচ্চমধ্য সংবৃতৌষ্ঠ্য ও বিশিষ্ট স্বৰধ্বনি দুটা মধ্য অসমৰ উপভাষাত বিশিষ্ট নহয়।

২) মধ্য অসমৰ উপভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা বাইশটা। আনহাতে, মান্য অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা একৈশটা। মধ্য অসমৰ উপভাষাত দন্তমূলীয় উষ্ম ঝ ধ্বনিটো বিশিষ্ট ধ্বনিৰ মর্যাদাপ্রাপ্ত।

৩) মধ্য অসমৰ উপভাষাত দন্তমূলীয় কম্পিত ৰ ধ্বনিটোৰ প্রয়োগৰ সীমাবদ্ধতা অধিক। এই ধ্বনিটো শব্দৰ মধ্য আৰু অন্ত্য স্থানত প্রয়োগ নহয়। মান্য আসমীয়া ভাষাত ৰ ধ্বনিটোৰ প্রয়োগৰ সীমাবদ্ধতা কম আৰু শব্দৰ তিনিও স্থানতে ইয়াৰ প্রয়োগ বিচাৰি পোৱা যায়।

৪) মধ্য অসমৰ উপভাষাটোৰ অন্যতম বৈশিষ্ট্য হ'ল ইয়াৰ প্রতিটো স্বৰধ্বনিৰে একোটাকৈ দীর্ঘৰূপ পোৱা যায়। আনহাতে, মান্য অসমীয়া ভাষা বা অসমীয়া ভাষাৰ কোনো অন্য উপভাষাত এই বৈশিষ্ট্য বিচাৰি পোৱা নাযায়।

৫) মধ্য অসমৰ উপভাষাত শ্বাসাঘাত প্রথম বা দ্বিতীয় অক্ষৰত পৰে। মান্য অসমীয়া ভাষাত শ্বাসাঘাত উপধা অক্ষৰত পৰে।

৬) মধ্য অসমৰ উপভাষাত চ আৰু জ; স আৰু হ; স আৰু খ ৰ মাজত অয়ত বিকল্প প্রয়োগ দেখা পোৱা যায়, কিন্তু মান্য অসমীয়া ভাষাত এই প্রয়োগ অনুপস্থিত।

৭) মান্য অসমীয়া ভাষাৰ অন্যতম বৈশিষ্ট্য হৈছে সম্বন্ধবাচক পুৰুষবাচক বিভক্তিৰ প্রয়োগ। মধ্য অসমৰ উপভাষাত পুৰুষবাচক বিভক্তিৰ প্রয়োগ তেনেই সীমিত। কেৱল তৃতীয় পুৰুষত -এক বা -ক বিভক্তিৰ প্রযোগ দেখ পোৱা যায়।

৮) মান্য অসমীয়া ভাষাতকৈ মধ্য অসমৰ উপভাষাত ব্যৱহৃত বিভিন্ন ৰূপ বা প্রত্যয়সমূহ ভালেমান ক্ষেত্রত পৃথক। সর্বনামৰ ৰূপ, বিশেষণ বা বিশেষণৰ তুলনা বুজাবলৈ ব্যৱহাৰ কৰা ৰূপসমূহ মান্য অসমীয়াতকৈ কিছু সুকীয়া।

৯) মধ্য অসমৰ উপভাষাত প্রয়োগ হোৱা অধিকাংশ কাৰক বিভক্তিৰ ৰূপবোৰ মান্য অসমীয়্য ভাষাতকৈ কিছু ভিন্ন আৰু সংখ্যাৰ ফালৰ পৰাও কম।

১০) ক্রিয়াৰূপৰ ক্ষেত্রতো দেখা যায় যে মধ্য অসমৰ উপভাষাত ব্যৱহাৰ হোৱা অধিকাংশ ক্রিয়াবিভক্তি মান্য অসমীয়া ভাষাৰ ক্রিয়াবিভক্তিতকৈ কিছু বেলেগ।

১১) শব্দসম্ভাৰলৈ লক্ষ্য কৰিলে দেখা পোৱা যায় যে মধ্য অসমৰ উপভাষাত এনে ভালেমান শব্দৰ প্ৰয়োগ আছে যিবোৰ মান্য অসমীয়া ভাষাত পাবলৈ নাই।

১২) মধ্য অসমৰ উপভাষাত মান্য অসমীয়া ভাষাতকৈ অৰ্ধতৎসম শব্দৰ প্ৰয়োগ অধিক। একেদৰে মান্য অসমীয়া ভাষাত প্ৰয়োগ হোৱা ভালেমান তৎসম শব্দৰ ব্যৱহাৰ মধ্য অসমৰ উপভাষাত বিচাৰি পোৱা নাযায়।



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাৰ উপভাষা সন্দৰ্ভত অধ্যয়ন কৰা ভাষাতত্ত্ববিদসকলে অসমীয়া ভাষাৰ তিনিখন ঔপভাষিক ক্ষেত্ৰ চিনাক্ত কৰিছে। এই ক্ষেত্ৰকেইখন হ'ল উজনি অসমৰ ঔপভাষিক ক্ষেত্ৰ, নামনি অসমৰ ঔপভাষিক ক্ষেত্ৰ আৰু মধ্য অসমৰ ঔপভাষিক ক্ষেত্ৰ।
- অসমীয়া ভাষাৰ উপভাষাসমূহৰ ভিতৰত খুব কম চৰ্চিত উপভাষাটোৱেই হৈছে মধ্য অসমৰ উপভাষা। গোলোক চন্দ্ৰ গোস্বামীয়ে সৰ্বপ্ৰথমে এই উপভাষাটোৰ অস্তিত্বৰ উমান দিয়ে আৰু দীপঙ্কৰ মৰলে এই উপভাষাটোৰ স্বীকৃতি প্ৰদানত অৰিহনা যোগায়।
- মধ্য অসমৰ উপভাষাটো মূলতঃ নগাঁও মৰিগাঁও জিলা জুৰি বিয়পি আছে।
- মধ্য অসমৰ প্ৰাচীন বুৰঞ্জী সম্পৰ্কে বৰ বেছি তথ্য পোৱা নাযায়। নগাঁৱৰ সাতো ৰজা, পাঁচো ৰজা আৰু দাঁতিয়লীয়া ৰজাসকলৰ যৎকিঞ্চিত ইতিহাস আছে সেয়েই মধ্য অসমৰ ইতিহাস বুলি ক'ব পাৰি।
- পূবৰ উজনি অঞ্চলৰ আৰু পশ্চিমৰ নামনি অঞ্চলৰ অসমীয়া ভাষাৰ মাজতে অৱস্থান কৰা হেতুকে মধ্য অসমৰ উপভাষাটোত কম বেছি পৰিমাণে দুয়োটা উপভাষাৰে আংশিক বৈশিষ্ট্য বিচাৰি পোৱা যায়।
- মধ্য অসমৰ উপভাষাটোত ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দসম্ভাৰগত নিজস্ব বৈশিষ্ট্য বিচাৰি পোৱা যায় যদিও বাক্যৰ গঠনগত দিশত মান্য অসমীয়া বা অন্যান্য উপভাষাৰ লগত কোনো পাৰ্থক্য নাই।



৮.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কলিতা, মণিৰাম (২০০৭) ঃ *ডিমৰীয়া অঞ্চলৰ উপভাষা ঃ অসমীয়া ভাষাৰ এটি আঞ্চলিক ৰূপৰ বিশ্লেষণাত্মক অধ্যয়ন,* অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়।

২) কাকতি, বাণীকান্ত (১৯৯৬) ঃ *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ*, অনু. বিশ্বেশ্বৰ হাজৰিকা। ববপেটা সাহিত্য সভাৰ হৈ বাণী প্ৰকাশ, গুৱাহাটী।

৩) গোস্বামী, উপেন্দ্ৰ নাথ (২০০৪) ঃ *অসমীয়া ভাষা আৰু উপভাষা*, গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৪) গোস্বামী, গোলোক চন্দ্ৰ (১৯৯২) ঃ *ভাষা ভাষণিকা*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) দেউৰী মনেশ্বৰ (১৯৯৪) ঃ *মৰিগাঁও জিলাৰ লোকসংস্কৃতি*। আদৰণি সমিতি, ষাঠিতম্ অসম সাহিত্য সভা, মৰিগাঁও।

৬) নাথ, জীৱকান্ত (২০১৩) ঃ *মায়ঙীয়া উপভাষা*, মৰিগাঁও ঃ শ্বাশ্বত প্ৰকাশন।

৭) পাটগিৰি, দীপ্তি ফুকন (২০১০) ঃ *উপভাষা আৰু অসমৰ উপভাষা*, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী।

৮) মৰল, দীপঙ্কৰ (১৯৯৭) ঃ *উপভাষা-বিজ্ঞান*, গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ।

ইংৰাজী গ্ৰন্থ ঃ

৯) Goswami, Golok chandra (1982) : *Structure of Assamese*. Publication Department. Gauhati University. Guwahati.

১০) Kalita, D. B. & H. Sarmah (2010) : *The Tiwas (Lalungs) Profile of a Tribe*. Publication Committee, Department of History, Morigaon College. Morigaon.

১১) Moral, Dipankar (1992) : *Phonology of Asamiya Dialects: Contemporary Standard and Mayong*. Ph.D. dissertation. Deccan College Post Graduate and Research Institute. Poona.

৮.৯ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ উপভাষাটোৰ অৱস্থান আৰু চাৰিসীমা উল্লেখ কৰি কোনে প্ৰথমে উপভাষাটোৰ স্থিতি সম্পৰ্কে মত দিছিল উল্লেখ কৰিব লাগিব.....পিছত কোনে কোনে এই সন্দৰ্ভত অধ্যয়ন কৰিছে বৰ্ণনা কৰিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ মধ্য অসম অঞ্চলৰ ৰাজনৈতিক ইতিহাসৰ বিষয়ে লিখি অঞ্চলটোৰ শান্তি-সম্প্ৰীতি সম্বন্ধে বৰ্ণনা কৰিব লাগিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃউচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী প্ৰতিটো ব্যঞ্জনৰ ধ্বনিগুণসমূহ লিখি তালিকাখন অংকন কৰিব লাগিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ বচন কাক বোলে উল্লেখ কৰি মধ্য অসমৰ বচনৰ বিষয়ে লিখিব লাগিব আৰু উদাহৰণসহ বচন নিৰ্মাণৰ উপায়বোৰ আলোচনা কৰিব লাগিব।



৮.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ মান্য অসমীয়া ভাষাৰ সৈতে মধ্য অসমৰ উপভাষাটোৰ কি কি পাৰ্থক্য আছে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মধ্য অসমৰ উপভাষাটোৰ স্বৰধ্বনিসমূহৰ পৰিচয় দি এখন তালিকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ মধ্য অসমৰ উপভাষাটোত থকা দীৰ্ঘস্বৰধ্বনি সন্দৰ্ভত এটা বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ কোনে ক'ত পোন প্ৰথমে মধ্য অসমৰ উপভাষা সম্পৰ্কে উল্লেখ কৰিছিল? তাৰ পিছত আৰু কোন কোন ব্যক্তিৰ অধ্যয়নৰ মাজেৰে এই উপভাষাটোৰ চৰ্চা বিস্তাৰিত হয় আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ মধ্য অসমৰ উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ মধ্য অসমৰ উপভাষাত কাৰক বিভক্তিৰ ব্যৱহাৰ সম্পৰ্কে খৰচি মাৰি আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ মধ্য অসমৰ উপভাষাটোৰ নামপদ সম্পৰ্কে বৰ্ণনা কৰক।

প্ৰশ্ন ৮ ঃ ভাষাত শব্দসম্ভাৰৰ গুৰুত্ব সম্পৰ্কে বিচাৰ কৰি মধ্য অসমৰ উপভাষাটোৰ শব্দসম্ভাৰৰ পৰিচয় প্ৰদান কৰক।

*** ***** ***

অধ্যায় ৯ ঃ দৰঙী উপভাষা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ দৰঙী উপভাষা ঃ চমু পৰিচয়

৯.৪ দৰঙী উপভাষা ঃ ঐতিহাসিক পটভূমি

৯.৫ দৰঙী উপভাষাৰ ভাষিক বৈশিষ্ট্য

৯.৫.১ দৰঙী উপভাষাৰ ধ্বনিতত্ত্ব

৯.৫.২ দৰঙী উপভাষাৰ ৰূপতত্ত্ব

৯.৫.৩ দৰঙী উপভাষাৰ শব্দ সম্ভাৰ

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৭ অধিক জানিবলৈ

৯.৮ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ উপভাষা হিচাপে দৰঙ অঞ্চলৰ উপভাষাৰ সৈতে পৰিচয় লাভ কৰিব
- দৰঙী উপভাষাৰ ভাষাক্ষেত্র, চাৰিসীমা আৰু ঐতিহাসিক পটভূমি সম্পর্কে জ্ঞাত হ'ব
- দৰঙী উপভাষাটোৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য, ৰূপতাত্ত্বিক বৈশিষ্ট্য আৰু শব্দসম্ভাৰৰ বিষয়ে থুলমূলকৈ জানিব পাৰিব
- মান্য অসমীয়া ভাষাৰ সৈতে দৰঙী উপভাষাটোৰ সম্পর্ক সন্দর্ভত ধাৰণা লাভ কৰিব
- অসমীয়া ভাষাৰ ঔপভাষিক অধ্যয়নৰ পৰিসৰৰ বিষয়ে জানিব পাৰিব।

৯.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয় 'উপভাষা আৰু অসমীয়া উপভাষা'ৰ এইটো নৱম অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'দৰঙী উপভাষা'। ইয়াত অসমীয়া ভাষাৰ এটা উপভাষা দৰঙী উপভাষাৰ বিষয়ে সম্যক ধাৰণা আগবঢ়োৱা হৈছে।

অসমীয়া ভাষাৰ উপভাষা সন্দর্ভত অধ্যয়ন কৰা ভাষাতত্ত্ববিদসকলে অসমীয়া ভাষাৰ তিনিখন ঔপভাষিক ক্ষেত্র চিনাক্ত কৰিছে। এই ক্ষেত্রকেইখন হ'ল উজনি অসমৰ ঔপভাষিক

ক্ষেত্র, নামনি অসমৰ ঔপভাষিক ক্ষেত্র আৰু মধ্য অসমৰ ঔপভাষিক ক্ষেত্র। নামনি অসমৰ ঔপভাষিক ক্ষেত্রখনৰ একেবাৰে পূবত ব্রহ্মপুত্রৰ উত্তৰ পাৰত দৰং জিলাখন অৱস্থিত। এই দৰং জিলাখন আৰু ইয়াৰ আশে পাশে প্রচলিত অসমীয়া ভাষাৰ ৰূপটোকে দৰঙী উপভাষা বুলি কোৱা হয়। এই অধ্যায়টোত দৰঙী উপভাষাটোৰ বিষয়ে আলোকপাত কৰা হৈছে।

৯.৩ দৰঙী উপভাষা ঃ চমু পৰিচয়

অসমীয়া ভাষাৰ যিবোৰ ক্ষেত্রীয় বিশিষ্টতা আছে সেইবোৰৰ ভিতৰত দৰং আৰু দৰঙৰ আশে পাশে প্রচলিত অসমীয়া ৰূপটোৰ স্থান সুকীয়া বুলি ক'ব পাৰি। মূলতঃ নামনি অসমৰ উপভাষা ক্ষেত্রখনৰ অন্তর্ভুক্ত যদিও দৰঙৰ অসমীয়া ভাষাৰ ৰূপটো স্বকীয় উপভাষা ৰূপে প্রতিষ্ঠা লাভ কৰিবলৈ সকলো ধৰণৰ বিশিষ্টতাৰে পৰিপূর্ণ।

অসমৰ মধ্যম অংশৰব্রহ্মপুত্রৰ উত্তৰ পাৰে দৰং জিলা অৱস্থিত। জিলাখনৰ উত্তৰে ভূটান দেশ, পূবে পাঁচনৈ, দক্ষিণে ব্রহ্মপুত্র আৰু পশ্চিমে বৰনৈ। এই সীমাকে দৰঙী উপভাষাৰ সীমা বুলিব পাৰি।

৯.৪ দৰঙী উপভাষা ঃ ঐতিহাসিক পটভূমি

অতীতত বর্তমানৰ দৰং জিলা কোঁচৰাজ্যৰ অংগীভূত আছিল। তেতিয়া এই জিলা দৰং দেশ বা দৰং ৰাজ্য নামে জনাজাত আছিল। অৱশ্যে কোঁচ ৰজাৰ আগতে ইয়াত ভূঞাসকলৰ শাসন আছিল। কোঁচ ৰাজ্যৰ প্রতিস্থাপক ৰজা বিশ্বসিংহ। বিশ্বসিংহৰ পিছৰ ৰজাজন হ'ল নৰনাৰায়ণ। এই নৰনাৰায়ণ ৰজাই ভায়েক গোহাঁইকমলক আহোম ৰাজ্য আক্রমণার্থে কোঁচবেহাৰৰ পৰা দৰঙৰ মাজেৰে পৰশুৰামকুণ্ডলৈ এটা পথ নির্মাণ কৰিবলৈ নির্দেশ দিছিল আৰু তেতিয়াৰ পৰাই দৰং কোঁচ ৰাজ্যৰ অধীনলৈ গৈছিল। পৰৱর্তী সময়ত নৰনাৰায়ণে সোণকোষ নদীক সীমা কৰি ৰাজ্যৰ পূৱখণ্ড ৰঘুদেৱক আৰু পশ্চিমখণ্ড লক্ষ্মীনাৰায়ণক দিছিল। দুয়োজন ক্রমে নৰনাৰায়ণৰ ভতিজা আৰু পুত্র। পৰৱর্তী কালত দৰং ৰাজ্যত নানান ৰাজনৈতিক উত্থান পতন ঘটে আৰু ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে এই ৰাজ্য বৃটিছৰ অধীনলৈ যায়।

বৃটিছৰ ৰাজত্ব কালত ১৮৩৩ চনত পশ্চিমে বৰনৈৰ পৰা পূবে বিশ্বনাথলৈ এখন জিলা ঘোষণা কৰা হৈছিল আৰু ইয়াৰ নাম ৰখা হৈছিল দৰং জিলা। স্বাধীনতাৰ পিছত ১৯৮৩ চনত শোণিতপুৰ জিলা নাম দি পুৰণি দৰঙৰ একাংশক নতুন জিলাৰ মর্যাদা প্রদান কৰা হয়। আনহাতে, দৰং জিলাৰ পশ্চিম অংশৰ কিছু অঞ্চল পৰৱর্তী সময়ত বাক্সা জিলাৰ অন্তর্ভুক্ত হয়।

ঐতিহাসিক দৃষ্টিভঙ্গীৰে লক্ষ্য কৰিলে বিচাৰি পোৱা যায় যে ভূঞা ৰজাসকল আৰু কোঁচৰজা ধর্মনাৰায়ণৰ ৰাজত্ব কালৰ পৰাই দৰং অঞ্চলত একপ্রকাৰ স্বকীয় ৰাজনৈতিক, ভৌগোলিক আৰু সাংস্কৃতিক পৰিৱেশ গঢ় লৈ উঠিছিল। একে ৰাজনৈতিক ছত্রছায়া, ভৌগোলিক অৱস্থান আৰু সংস্কৃতিয়ে দৰঙী লোকসকলক একপ্রকাৰ সমৰূপতা প্রদান কৰিছিল আৰু এই

সমৰূপতা তেওঁলোকে ব্যৱহাৰ কৰা ভাষাটোৰ মাজতো দেখা পোৱা গৈছিল। ফলস্বৰূপে অতীজৰে পৰা অসমীয়া ভাষাৰ এক আঞ্চলিক ৰূপ হিচাপে দৰঙৰ অসমীয়া ভাষাটোৱে বিকাশ লাভ কৰি আজিৰ অৱস্থা লাভ কৰিছে। আজিৰ এই ৰূপটোকে আমি দৰঙী উপভাষা বুলি কওঁ।

৯.৫ দৰঙী উপভাষাৰ ভাষিক বৈশিষ্ট্য

৯.৫.১ দৰঙী উপভাষাৰ ধ্বনিতত্ত্ব

মান্য অসমীয়া ভাষাৰ দৰে দৰঙী উপভাষাত থকা বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা আঠটা। উচ্চাৰণৰ ধৰণ আৰু স্থান অনুযায়ী এই স্বৰধ্বনিকেইটাৰ ধ্বনিগুণ তলত দিয়া ধৰণৰ—

ই ঃ প্রান্তীয় উচ্চ বিবৃতৌষ্ঠ্য স্বৰধ্বনি
এ’ ঃ প্রান্তীয় উচ্চমধ্য বিবৃতৌষ্ঠ্য স্বৰধ্বনি
এ ঃ প্রান্তীয় নিম্নমধ্য বিবৃতৌষ্ঠ্য স্বৰধ্বনি
আ ঃ কেন্দ্রীয় নিম্ন সংবৃতৌষ্ঠ্য স্বৰধ্বনি
অ ঃ পশ্চ নিম্ন সংবৃতৌষ্ঠ্য স্বৰধ্বনি
অ’ ঃ পশ্ট সংবৃতৌষ্ঠ্য উচ্চমধ্য স্বৰধ্বনি
ও ঃ পশ্চ সংবৃতৌষ্ঠ্য উচ্চমধ্য স্বৰধ্বনি
উ ঃ পশ্চ উচ্চ সংবৃতৌষ্ঠ্য স্বৰধ্বনি

এই স্বৰধ্বনিসমূহ উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী তলত উল্লেখ কৰাৰ দৰে তালিকাভুক্ত কৰিব পাৰি—

প্রান্তীয় বিবৃতৌষ্ঠ্য	কেন্দ্রীয় সংবৃতৌষ্ঠ্য	পশ্চ সংবৃতৌষ্ঠ্য
উচ্চ	ই	উ
উচ্চমধ্য	এ’	ও
নিম্নমধ্য	এ	অ’
নিম্ন	আ	অ

এই স্বৰধ্বনিসমূহৰ প্রতিটোৱে শব্দৰ আদি, মধ্য আৰু অন্ত্য অৱস্থানত প্রয়োগ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ দৰঙী উপভাষাৰ স্বৰধ্বনিসমূহৰ ধ্বনিগুণ বর্ণনা কৰক। (১০০ শব্দৰ ভিতৰত)

.....

দৰঙী উপভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা বাইশটা। মান্য অসমীয়া ভাষাত থকা একৈশটা বিশিষ্ট ব্যঞ্জনৰ ঠাইত দৰঙীত অতিৰিক্তভাৱে এটা ব্যঞ্জনৰ বহুল প্রয়োগ বিচাৰি পোৱা যায়। সেই ব্যঞ্জনটো হৈছে উষ্ম মহাপ্রাণ দন্তমূলীয় ঘোষ *ঝ* ধ্বনি। তলত দৰঙী উপভাষাত ব্যৱহৃত প্রতিটো ব্যঞ্জনৰ উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী ধ্বনিগুণসমূহ উল্লেখ কৰা হ'ল—

পঃ নিয়ত অঘোষ অল্পপ্রাণ ঔষ্ঠ্য ব্যঞ্জনধ্বনি

ফঃ নিয়ত অঘোষ মহাপ্রাণ ঔষ্ঠ্য ব্যঞ্জন ধ্বনি

বঃ নিয়ত ঘোষ অল্পপ্রাণ ঔষ্ঠ্য ব্যঞ্জন ধ্বনি

ভঃ নিয়ত অঘোষ মহাপ্রাণ ঔষ্ঠ্য ব্যঞ্জন ধ্বনি

তঃ নিয়ত অঘোষ অল্পপ্রাণ দন্তমূলীয় ব্যঞ্জন ধ্বনি

থঃ নিয়ত অঘোষ মহাপ্রাণ ঔষ্ঠ্য ব্যঞ্জন ধ্বনি

দঃ নিয়ত ঘোষ অল্পপ্রাণ ঔষ্ঠ্য ব্যঞ্জনধ্বনি

ধঃ নিয়ত ঘোষ মহাপ্রাণ ঔষ্ঠ্য ব্যঞ্জন ধ্বনি

কঃ নিয়ত অঘোষ অল্পপ্রাণ পশ্চতালব্য ব্যঞ্জন ধ্বনি

খঃ নিয়ত অঘোষ মহাপ্রাণ পশ্চতালব্য ব্যঞ্জন ধ্বনি

গঃ নিয়ত ঘোষ অল্পপ্রাণ পশ্চতালব্য ব্যঞ্জন ধ্বনি

ঘঃ নিয়ত ঘোষ মহাপ্রাণ পশ্চতালব্য ব্যঞ্জন ধ্বনি

মঃ নাসিক্য ঔষ্ঠ্য ঘোষ ব্যঞ্জন ধ্বনি

নঃ নাসিক্য দন্তমূলীয় ঘোষ ব্যঞ্জন ধ্বনি

ঙঃ নাসিক্য পশ্চতালব্য ঘোষ ব্যঞ্জন ধ্বনি

চঃ উষ্ম অল্পপ্রাণ দন্তমূলীয় অঘোষ ব্যঞ্জন ধ্বনি

জঃ উষ্ম অল্পপ্রাণ দন্তমূলীয় ঘোষ ব্যঞ্জন ধ্বনি

ঝঃ উষ্ম মহাপ্রাণ দন্তমূলীয় ঘোষ ব্যঞ্জন ধ্বনি

সঃ উষ্ম অল্পপ্রাণ পশ্চতালব্য অঘোষ ব্যঞ্জন ধ্বনি

হঃ উষ্ম অল্পপ্রাণ কণ্ঠ্য ঘোষ ব্যঞ্জন ধ্বনি

ৰঃ কম্পিত ঘোষ দন্তমূলীয় ব্যঞ্জন ধ্বনি

লঃ পার্শ্বিক ঘোষ দন্তমূলীয় ব্যঞ্জন ধ্বনি

দৰঙী উপভাষাত থকা এই ব্যঞ্জন ধ্বনিসমূহ শব্দৰ আদি, মধ্য আৰু অন্ত্যস্থানত প্রয়োগ হয় যদিও মান্য অসমীয়া ভাষাৰ দৰে এই উপভাষাতো নাসিক্য ঘোষ পশ্চতালব্য ঙ ব্যঞ্জনটো শব্দৰ আদি স্থানত প্রয়োগ নহয়।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ দৰঙী উপভাষাত থকা দন্তমূলীয় ধ্বনিৰ সংখ্যা কেইটা? প্ৰতিটোৰে ধ্বনিগুণবোৰ বৰ্ণনা কৰক।

(১০০ শব্দৰ ভিতৰত)

.....

দৰঙী উপভাষাৰ স্বকীয় ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ দৰঙী উপভাষাৰ উল্লেখযোগ্য স্বকীয়তা হ'ল মহাপ্ৰাণ দন্তমূলীয় *ঝ* ব্যঞ্জনধ্বনিৰ প্ৰয়োগ। মান্য অসমীয়া ভাষাত অনুপস্থিত এই *ঝ* ব্যঞ্জনটো দৰঙী উপভাষাত ব্যাপকভাৱে প্ৰচলিত আৰু বিশিষ্ট ধ্বনিগুণ সম্পন্ন। *ঝ* ধ্বনিটো শব্দৰ আদি, মধ্য আৰু অন্ত্য তিনিও স্থানত প্ৰয়োগ হয় আৰু তিনিওটা স্থানতে ইয়াৰ বিৰোধী প্ৰয়োগ বিচাৰি পোৱা যায়। বিৰোধী প্ৰয়োগৰ উদাহৰণ তলত আগবঢ়োৱা হ'ল—

বিৰোধী প্ৰয়োগ	মান্য অসমীয়াত অৰ্থ
যাঁও	যাঁও
ঝাও	ডাঙৰ টো
ঝাকি	জাকি
জাকি	চাকি
জীয়া	জীৱিত
ঝীয়া	ছোৱালী
গাজেলি	গজালি
মাঝেলী	মজলীয়া
বাজ	এবিধ চৰাই
মাঝ	মাজ ইত্যাদি।

দৰঙী উপভাষাত শ্বাসাঘাতৰ স্থান নিৰ্দিষ্ট নহয়। এই কথিত ৰূপৰ কিছুমান শব্দত শ্বাসাঘাত মান্য অসমীয়াৰ দৰে উপধা অক্ষৰত পৰে আৰু কিছুমান শব্দত আদি অক্ষৰত পৰে। যেনে—

উপধা অক্ষৰৰ শ্বাসাঘাত ঃ চৰেই ঝিকেৰি মাঝেলী

আদি অক্ষৰৰ শ্বাসাঘাত ঃ ঝিলপি ঝিলকেনি ঝোলঙা ইত্যাদি।

দৰঙী উপভাষাত এক অক্ষৰযুক্ত শব্দৰ বাহিৰে অন্যান্য স্থানত মান্য অসমীয়া ভাষাৰ দ্বিস্বৰ *অ'ই* পৰিৱৰ্তন হৈ *এ'ই* হয়। কেতিয়াবা শব্দৰ আৰম্ভণিতে থকা *অ* অথবা *অ'* একক স্বৰ দ্বিস্বৰ *অ'ই* লৈ পৰিৱৰ্তিত হয়। যেনে—

খালৈ খালেই

আমৈ আমেই

আখৈ আখেই

চ'ত চৈত

বহাগ বৈহাগ ইত্যাদি।

মান্য অসমীয়া ভাষাৰ অল্পপ্রাণ ধ্বনি দৰঙী উপভাষাত প্ৰায়ে মহাপ্রাণ ধ্বনি ৰূপে উচ্চাৰিত হয়। যেনে—

ভাঁপ ভাঁফ

ভেটি ভেঠি

শুকান শুখান

দৰঙী উপভাষাত ত্রিঅক্ষৰযুক্ত শব্দত পদান্ত ই থাকিলে দ্বিতীয় অক্ষৰত থকা নিম্ন স্বৰধ্বনি *অ* বা *আ* প্ৰায়ে স্বৰলৈ পৰিৱৰ্তিত হয়। একেদৰে পৰৱৰ্তী অক্ষৰত নিম্ন স্বৰধ্বনি থাকিলে পূৰ্বৱৰ্তী উচ্চমধ্য, নিম্নমধ্য স্বৰ ক্ৰমে নিম্নমধ্য আৰু নিম্নস্বৰলৈ গতি কৰে। যেনে—

কচাৰি কচেৰি

চাকৰি চাকেৰি

বেঙেনা বাঙ্না

নিগনি নিঙ্নি

দৰঙৰ কথিত অসমীয়া ভাষাত কেতিয়াবা মান্য অসমীয়া ভাষাৰ কম্পিত দন্তমূলীয় *ৰ* আৰু নাসিক্য দন্তমূলীয় *ন* ব্যঞ্জন ধ্বনি পৰিৱৰ্তন লাভ কৰি পার্শ্বিক দন্তমূলীয় *ত* ধ্বনিৰূপে প্রয়োগ হয়। উদাহৰণ স্বৰূপে—

শৰীৰ শৰীল

নোম লুম

একেদৰে, মান্য অসমীয়া ভাষাৰ দ্বিঅক্ষৰীয় শব্দৰ দ্বিতীয় অক্ষৰত থকা *আ* স্বৰধ্বনি এই উপভাষাত কেতিয়াবা *অ* লৈ পৰিৱৰ্তন হয়। যেনে—

কঁঠাল কঠল

কপাল কপল

আকৌ কেতিয়াবা দ্বিতীয় অক্ষৰৰ *অ* স্বৰধ্বনি *আ এ* আৰু *ই* লৈ পৰিৱৰ্তন হয়। উদাহৰণ স্বৰূপে—

পায়স পায়াস

বিচনি বিচেনি

নিগনি নিঙিনি

৯.৫.২ দৰঙী উপভাষাৰ ৰূপতত্ত্ব

অসমীয়া ভাষাত বদ্ধৰূপবোৰক সর্গ বা প্রত্যয় বোলে। আনহাতে, যিবোৰ ৰূপ বা প্রাকৃতিক আশ্রয় কৰি তাৰ আগত বা পাছত নানান ৰূপ সংযুক্ত হৈ বিভিন্ন

অর্থবাচক ৰূপৰ সৃষ্টি কৰে, সেই কেন্দ্রীয় ৰূপবোৰকে মূলৰূপ বা প্রাকৃতি বোলে। মান্য অসমীয়া ভাষাৰ দৰে দৰঙী উপভাষাৰ সর্গসমূহকো অৱস্থানগত আৰু কার্যগতভাৱে দুটা ভাগত ভাগ কৰিব পাৰি। তলত ৰেখাচিত্রৰ সহায়ত এই সর্গবিভাজনৰ চিত্র প্রদান কৰা হৈছে—

দৰঙী উপভাষা

অৱস্থানগত			কার্যগত	
উপসর্গ বা অনুসর্গ				
	শব্দসাধনমূলক		বিভক্তিমূলক	
উপসর্গ	কৃৎ	তদ্ধিত	বাক্যবিন্যাসগত	বাকৰণগত অর্থ প্রকাশক
			কাৰক বিভক্তি	বচনসূচক লিঙ্গ
			ক্রিয়া বিভক্তি	লিঙ্গবাচক সর্গ
			সম্বন্ধ নির্দেশন সর্গ	নির্দিষ্টতাবাচক
			অসমাপিকা ক্রিয়া গঠন	অনির্দিষ্টতাবাচক

ওপৰৰ ৰেখাচিত্রত দৰঙী উপভাষাৰ সর্গসমূহক অৱস্থানগতভাৱে উপসর্গ বা পূর্বসর্গ আৰু অনুসর্গ বা পৰসর্গ এই দুটা ভাগত ভাগ কৰা হৈছে। তলত দুয়োবিধৰ উদাহৰণ আগবঢ়োৱা হৈছে—

উপসর্গ ঃ

অ	-	পথ	অপথ
অ	-	লৰ	অলৰ
অ	-	লগ	অলগ
অনা	-	অসমীয়া	অনাঅসমীয়া
বি	-	দেশী	বিদেশী
কু	-	বুদ্ধি	কুবুদ্ধি
নি	-	লগ	নিলগ
বে	-	চৰম	বেচৰম
বদ্	-	গুণ	বদগুণ
সু	-	নাম	সুনাম

পৰসর্গ বা অনুসর্গবোৰ গুণগত দিশৰ পৰা শব্দসাধনমূলক আৰু বিভক্তিমূলক এই দুই প্রকাৰৰ হ'ব পাৰে। তদুপৰি কার্য অনুসাৰে এইবোৰ প্রত্যয় বা বিভক্তি হয়। দৰঙী উপভাষাৰ পৰসর্গবোৰক কার্যানুসৰি প্রত্যয় আৰু বিভক্তি ৰূপে আলোচনা কৰিব পাৰি। এই উপভাষাৰ কেতবোৰ কৃৎ আৰু তদ্ধিত প্রত্যয়ৰ উদাহৰণ তলত দিয়া হ'ল—

কৃৎ প্রত্যয়

উল্ট্	-	আ	উল্টা
কাট্	-	আ	কাটা
বাজ্	-	আনা	বাজানা
বু	-	আনি	বুএনি
পোহ্	-	এনিয়া	পোহেনিয়া আদি।

তদ্ধিত প্রত্যয়

পোহ্	-	আ	পুহা
দীঘ্	-	আল	দীঘাল
মাঝ	-	উ	মাঝু
লাজ	-	উকা	লাজুকা
খখ্	-	উআ	খখুআ আদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ দৰঙী উপভাষাত কৃৎ আৰু তদ্ধিত প্রত্যয়ৰ প্রয়োগ বর্ণনা কৰক। (১০০ শব্দৰ ভিতৰত)

.....

শব্দ ঃ দৰঙী উপভাষাত ব্যৱহাৰ হোৱা শব্দবোৰক ৰূপতাত্ত্বিক দৃষ্টিকোণৰ ফালৰ পৰা মূলতঃ দুটা ভাগত ভাগ কৰিব পাৰি। এই ভাগ দুটা হ'ল - মৌলিক বা স্বয়ং সিদ্ধ শব্দ আৰু সাধিত বা যৌগিক শব্দ। এই উপভাষাত বহুতো মৌলিক শব্দৰ প্রচলন আছে। তেনে কিছুমান শব্দ হ'ল - হাত, ভৰি, চকু, ফুল, গছ, চৰেই, পানী, গৰাম, ইচ্‌কুল, ব'ল্লি, নাৰকল্ ইত্যাদি। একেদৰে এই উপভাষাত বহুতো সাধিত শব্দও আছে। এনে কিছুমান সাধিত শব্দ হ'ল- পেটুলা, পদুলি, গালুৰা, বেহুচ, নিলগ, হালা, গাম্ভুঢ়া, পোকালাগা ইত্যাদি।

দৰঙী উপভাষাত বহুতো অনুকাৰ শব্দ আৰু অনুৰূপ শব্দবো প্রচলন আছে। তলত দৰঙী উপভাষাত ব্যৱহাৰ হোৱা কেতবোৰ অনুকাৰ আৰু অনুৰূপ শব্দৰ উদাহৰণ তলত দিয়া হ'ল—

অনুকাৰ শব্দ

কুক্ কুক্ খাচ্ খাচ্ খট্ খট্ ঘক্ ঘক্ ঝল্ ঝল্
লেটি পেটি চটৌ বটৌ ঘচৌ মচৌ ঘুটুক মুটুক অৰং দৰং
পিৰ্ পিৰ্ ফাং ফুং ধপ্ ধপ্ মাজাং মিজিং মিৰ্ মিৰ্ আদি।

অনুৰূপ শব্দ

ঢাকন চাকন গছ চছ মাছ তাছ বাতি চাতি

আলু চালু গৰু চৰু ঝিয়া তিয়া লিকিৰা চিকিৰা
মান্হু তান্হু জল চল চাউল তাউল কুকুৰ তুকুৰ আদি।

পদ ঃ দৰঙী উপভাষাৰ পদসমূহক মান্য অসমীয়া ভাষাৰ দৰেই *অব্যয়* পদ আৰু *সব্যয়* পদ এই দুটা ভাগত ভাগ কৰিব পাৰি।

তলত দৰঙী উপভাষাৰ পদসমূহৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা হৈছে।

মান্য অসমীয়া ভাষাৰ দৰে সংযুক্ত হোৱা বিভক্তিৰ প্রকাৰ অনুযায়ী দৰঙী উপভাষাৰ সব্যয় পদক নামপদ আৰু ক্রিয়াপদ— এই দুটা ভাগত ভগাব পাৰি। আনহাতে, নামপদক সাধাৰণ নামপদ আৰু পুৰুষবাচক বিভক্তিবাচক নামপদ ৰূপে ভাগ কৰি আলোচনা কৰিব পাৰি। মান্য অসমীয়া ভাষাৰ দৰে দৰঙৰ কথিত অসমীয়া ভাষাতো জন্মসূত্রে, বৈবাহিকসূত্রে স্থাপিত সম্বন্ধবাচক নামপদবোৰত সম্বন্ধবাচক পুৰুষবাচক বিভক্তি যোগ হোৱাৰ পাছতহে কাৰক বিভক্তি যোগ হয়। যেনে—

পুৰুষ	প্রথম	দ্বিতীয়(তুচ্ছ)	দ্বিতীয় (মান্য)	তৃতীয়
পুৰুষ বিভক্তি	শূন্য	শূন্য	শূন্য	-এক
				-ক
সম্বন্ধবাচক শব্দ	পেহী	পেহী	পেহী	পেহীয়েক
	সাহু	সাহু	সাহু	সাহুয়েক
	দেউতা	দেউতা	দেউতা	দেউতাক

দৰঙী উপভাষাৰ সাধাৰণ নামপদসমূহক বিশেষ্য, সর্বনাম, বিশেষণ আৰু সংখ্যাবাচক শব্দ— এই চাৰিতা ভাগত ভাগ কৰিব পাৰি। তলত চাৰিও প্রকাৰ ভাগৰ আলোচনা আগবঢ়োৱা হৈছে।

বিশেষ্য পদ ঃ দৰঙী উপভাষাৰ বিশেষ্যপদসমূহক অর্থৰ ভিত্তিত পাঁচটা ভাগত ভাগ কৰিব পাৰি। এই ভাগসমূহ হ'ল—

সাধাৰণ সংজ্ঞাবাচক বিশেষ্য ঃ মান্হু চৰেই নদী পাহাৰ জাতি দেশ আদি।
বিশেষ সংজ্ঞাবাচক বিশেষ্য ঃ দৰং চিপাঝাৰ কুল্সি হৰেণ মৰা ব'ল্লি আদি।
সমূহ বা সমষ্টিবাচক বিশেষ্য ঃ সভা সমাজ কমিটি ৰাইজ পার্টি নামতি আদি।
বস্তুবাচক বিশেষ্য ঃ চকী লহা চাহ দাপেনি কাঠ পানী আদি।
গুণবাচক বিশেষ্য ঃ সদ্ সুখ ভাগৰ দুখ আৰাম আদি।

সর্বনাম পদ ঃ দৰঙী উপভাষাত থকা সর্বনামপদবোৰক সাত ভাগত ভগাই চিনাক্ত কৰিব পাৰি। তলত এই ভাগসমূহ উল্লেখ কৰা হ'ল—

ব্যক্তিবাচক সর্বনাম ঃ মই আমি তই সি তুমি আদি।
সাকল্যবাচক সর্বনাম ঃ সব গোটেই পুৰা আদি।
সঙ্গতিবাচক সর্বনাম ঃ যি যিহ আদি।
অনির্দিষ্টতাবাচক সর্বনাম ঃ একো কুম্বা কুম্বা আদি।

প্রশ্নবোধক সর্বনাম ঃ কোন কিহ্ কি আদি।
আত্মবাচক সর্বনাম ঃ নিজ্ আপনি আপোন আদি।
নির্দেশকবোধক সর্বনাম ঃ ই এই এইটো আদি।

বিশেষণ পদ ঃ মান্য অসমীয়া ভাষাৰ দৰে দৰঙী উপভাষাৰ বিশেষণ পদসমূহকো বিশেষ্যৰ বিশেষণ, ক্রিয়া বিশেষণ, বিশেষণীয় বিশেষণ আৰু সর্বনামীয় বিশেষণ -এই চাৰিটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। তলত বিশেষণৰ এই প্রতিটো ভাগৰ উদাহৰণ আগবঢ়োৱা হ'ল—

বিশেষ্যৰ বিশেষণ ঃ আজেলি ঝীয়া উটিয়া মানুহ চুৱাখাইতি তিৰি চেপ্টা বাতি ঘেঙুৰীয়া বুঢ়া আদি।
ক্রিয়া বিশেষণ ঃ তিৰ্তিৰকে সোনকাল্তে ভালকে সেন্কে এন্কে ইত্তা আদি।
বিশেষণীয় বিশেষণ ঃ এমান ডাঙৰ ঝলঝলীয়া চাফা বৰ উতুমা উতুমি আদি।
সর্বনামীয় বিশেষণ ঃ তাই আজেলি সি বইজ্জাত আদি।

মান্য অসমীয়া ভাষাত কিছুমান সর্বনাম শব্দ আৰু সর্বনাম মূলৰ পৰা সৃষ্ট বিশেষণ পোৱা যায়। এই বিশেষণবোৰক সর্বনামজাত বিশেষণ বুলি কোৱা হয়। দৰঙী উপভাষাতো সর্বনামজাত বিশেষণৰ প্রয়োগ আছে। সেইবোৰ নিম্নোক্ত ধৰণৰ—

গুণবাচক বিশেষণ ঃ এইচ্চা জেইচ্চা সেইচ্চা আদি।
পৰিমাণবাচক বিশেষণ ঃ এমান যেমান কেমান আদি।

দৰঙী উপভাষাত বিশেষণৰ তুলনা ঃ দৰঙী উপভাষাত দুটাৰ মাজত তুলনা বুজাবলৈ হ'লে যাৰ লগত তুলনা কৰা হয়, সেই প্রাণীবাচক বা অপ্রাণীবাচক শব্দটোৰ অধিকৰণ কাৰকৰ ৰূপৰ পিছত -কে প্রত্যয় যোগ দি তাৰ পিছত বিশেষণটো ব্যৱহাৰ কৰা হয়। যেনে—

অজিততকৈ বিৰাট বেছি চিপিৰাকাটা।
হাতীটোতকে মাখীটোৱেই ভাল।

কেতিয়াবা তুলনীয় ৰূপটোৰ পিছত -কেও যোগ হয়। যেনে—

দিল্লী গুৱাহাটীতকেও লেতেৰা।
সি তোতকেও চখা।

কেতিয়াবা তুলনীয় ৰূপটোৰ পিছত -ত যোগ দি তাৰ পিছত থাকি অনুপদ ব্যৱহাৰ কৰা হয়। যেনে—

গীতাত থাকি সীতাই গোম্থা।
লিকিৰাত থাকি ঝীয়াই ভাল।

বহুতৰ মাজত তুলনা কৰি এটাৰ উৎকর্ষ বা অপকর্ষ বুজাবলৈ *সকলো* আৰু *সব* শব্দৰ অধিকৰণ কাৰকৰ ৰূপৰ পিছত -কে আৰু কেতিয়াব *সব* শব্দত -সে যোগ

দি বিশেষণটো পিছত ব্যৱহাৰ কৰা হয়। তুলনীয় ৰূপটো অধিকৰণ কাৰকৰ আগতো বহে বা পিছতো বহে। যেনে—

ৰাম সকলোতকে বইজ্জাত।
সকলোতকে বীনা তেলীয়া।
ভোগেশ্বৰ সবতকে উটিয়া।
হৰি চিপাঝাৰৰ সবচে সাহী লিকিৰা।

অব্যয় পদ ঃ দৰঙী উপভাষাত ব্যৱহৃত অব্যয় পদসমূহ আলোচনাৰ খাতিৰত সাতটা ভাগত ভাগ কৰিব পাৰি। তলত অব্যয় পদৰ এই শ্রেণীসমূহ উদাহৰণসহ আগবঢ়োৱা হৈছে—

সংযোজক অব্যয় ঃ	আৰু	তবু	তেও	
পৃথকবোধক অব্যয় ঃ	বা	নাইতু	নহ'লি	
সন্দেহবোধক অব্যয় ঃ	যেদি	জানো	কিজেনি	
ভাববোধক অব্যয় ঃ	আই ঐ	আহ্হা	অ'আই	
	বাহ বাহ	উহ্	ইহ্ হি	
সম্বোধনবোধক অব্যয় ঃ	হেৰা	হেলেই	অ' হেৰা	
প্রশ্নবোধক অব্যয় ঃ	বোলে	কি	না	
সমিধানবোধক অব্যয় ঃ	অ	ওঁ	হুইছি	আছেই আদি।

মান্য অসমীয়া ভাষাত থকা আনুষঙ্গিক অব্যয়ৰ ব্যৱহাৰ দৰঙী উপভাষাতো আছে। মান্য অসমীয়া ভাষাৰ দৰে দৰঙী উপভাষাৰ এই আনুষঙ্গিক অব্যয়সমূহকো উপপদ অব্যয় আৰু অনুপদ অব্যয়— এই দুটা ভাগত ভাগ কৰিব পাৰি। অনুপদ অব্যয়ক ক্রমে বিশেষ্য বা নামবাচক অনুপদ আৰু ক্রিয়াবাচক অনুপদ এই দুটা ভাগত ভাগ কৰি দেখুৱাব পাৰি। উদাহৰণ ঃ

উপপদ অব্যয় ঃ উপৰাষ্ট্রপতি
সহ সম্পাদক আদি।

অনুপদ অব্যয় ঃ

(ক) বিশেষ্য বা নামবাচক অনুপদ ঃ তোৰ কাৰণে তাৰ লগত
কাৰ বাবে ্সিবা

(খ) ক্রিয়াবাচক অনুপদ ঃ বুলি ঃ সি মাৰবু বুলি জানছিলো
দেখোন ঃ তাই ঘৰত নাই দেখোন
চোন ঃ তই এটু খাই চাবিচোন

নামপদৰ বচন ঃ দৰঙী উপভাষাত মান্য অসমীয়া ভাষাৰ দৰেই বিশেষ্য, সর্বনাম, সংখ্যাবাচক শব্দ আৰু বিশেষণ নামপদৰ বচন পোৱা যায়। এই বচন দুই প্রকাৰৰ— একবচন আৰু বহুবচন। মান্য অসমীয়াৰ দৰেই এই কথ্য ৰূপতো কিছুমান

সর্বনাম আৰু বিশেষ্য পদৰ একবচন আৰু বহুবচন ৰূপৰ বাদে এক বচন নিৰপেক্ষ ৰূপ পোৱা যায়। তলত ইয়াৰ উদাহৰণ আগবঢ়োৱা হৈছে—

	একবচন	বহুবচন	বচন নিৰপেক্ষ ৰূপ	মান্য অসমীয়া
বিশেষ্য ঃ	ঝৌটু	ঝৌগিলা	ঝৌ	টৌ
	নিচিলা	নিচিলামখা	নিচিলা	মিছা মাছ
সর্বনাম ঃ	যিখন	যিমাখান	যি	যি
	এটো	এইমাখা	এই	এই

তলত দৰঙী উপভাষাত একবচনৰ অর্থ প্রকাশ কৰা বিভিন্ন প্রক্রিয়াসমূহ উদাহৰণসহ আগবঢ়োৱা হৈছে—

(ক) কেৱল সজ্ঞাবাচক বিশেষ্য তথা ব্যক্তিবাচক আৰু নির্দেশবোধক সর্বনামৰ স্বতন্ত্র ব্যৱহাৰৰ দ্বাৰা—

সীতা ক'লা
ৰমেনৰ মাক
সি কৰবো
তই খালি

(খ) এক সংখ্যা শব্দৰ লগত আৰু এক সংখ্যা শব্দৰ *এ* ৰ লগত জন, খান, ডাল আদি নির্দিষ্টতাবাচক সর্গ যোগ কৰি নামপদৰ আগত বা পিছত ব্যৱহাৰৰ দ্বাৰা—

একদিন
এককোব
এখন
গছ এডাল

(গ) বচন নিৰপেক্ষ ৰূপৰ পাছত নির্দিষ্টতাবাচক প্রত্যয় যোগৰ দ্বাৰা—

ঝিয়াটো
লৰুডাল
ইচ্‌কেলপাত
ঝিভাখান

দৰঙী উপভাষাত একবচনৰ পৰা বহুবচন সাধন কৰিবলৈ বহুবচনাত্মক প্রত্যয়ৰ প্রয়োগ কৰা হয়। এই বহুবচনাত্মক প্রত্যয়সমূহৰ ভিতৰত কিছুমান প্রত্যয় মান্য অসমীয়া ভাষাৰ বহুবচনাত্মক প্রত্যয়ৰ সৈতে একে যদিও সামান্য ধ্বনিতাত্ত্বিক পৰিৱর্তনৰ মাজেৰে ব্যৱহৃত হয়। অন্যান্য প্রত্যয়সমূহ দৰঙী উপভাষাৰ স্বকীয় প্রত্যয়। যেনে—

	দৰঙী উপভাষা	মান্য অসমীয়া
-গিলা ঃ	মানুহগিলা	-বোৰ

	কোনগিলা	
	ঠেনাগিলা	
-হঁত ঃ	ঝীহঁত	-হঁত
	মাহীহঁত	
	কুকুৰহঁত	
-হাঁত ঃ	সিহাঁত	-হঁত
	হৰিহাঁত	
	শর্মাহাঁত	
-মখা ঃ	অকণিমখা	-মখা
	আমমখা	
	পাখেৰিমখা	
-হোপা ঃ	টকাহোপা	-সোপা, -বোৰ
	ছাগালহোপা	
	নিঙিনিহোপা	আদি।

দৰঙী উপভাষাত সম্বন্ধবাচক একবচনাত্মক ৰূপৰ পিছত *-অঙ্ক -এঙ্কা* প্রত্যয যোগ দি বহুবচনাত্মক ৰূপ সাধন কৰা হয়। তদুপৰি *অংক* প্রত্যয় যোগ হ'লে তাৰ পিছত শব্দবিভক্তি *-ক -ৰ -ত* আদি যোগ হয়.। উদাহৰণ—

দৰঙী উপভাষা	মান্য অসমীয়া
ককাঙ্কৰ	ককাইহঁতৰ
বুৰমায়েঙ্কৰ	আইতাহঁতৰ
বনীয়েঙ্কৰ	ভনীহঁতৰ

সম্বন্ধবাচক একবচনাত্মক ৰূপৰ পিছত *-মোকৰ* প্রত্যয় যোগ দি দৰঙী উপভাষাত বহুবচনাত্মক ৰূপ কৰা হয়। *-মোকৰ* প্রত্যয় লগ লগালে সাধাৰণতে তাৰ পিছত শব্দবিভক্তি *-ক -ৰ -ত* আদি যোগ দিয়া হয়। উদাহৰণ—

দৰঙী উপভাষা	মান্য অসমীয়া
আমেইমোকৰক	আমৈহঁতক
তাৱেইমোকৰক	তাৱৈহঁতক

দৰঙী উপভাষাত *-থে* প্রত্যয় একবচনাত্মক শব্দৰ পিছত যোগ দি গোটেই পৰিয়ালটোক বুজোৱা হয়। যেনে—

দৰঙী উপভাষা	মান্য অসমীয়া
মুমিথেৰ	মোমাইহঁতৰ
বৈনীথেৰ	ভনীহঁতৰ

সংখ্যাবাচক শব্দৰ পাছত নির্দিষ্টতাবাচক প্রত্যয় যোগ দিও দৰঙী উপভাষাত

বহুবচন সাধন কৰা হয়। যেনে—

দৰঙী উপভাষা	মান্য অসমীয়া
চাট্টা মানুহ	চাৰিজন মানুহ
তিনডাল পেঞ্চুল	তিনিডাল পেঞ্চিল
তিনটা চৰেই	তিনিটা চৰাই
দুট্টামান ঝীয়া	দুজনীমান ছোৱালী

বহুবচনাত্মক বিশেষণৰ প্রয়োগৰ দ্বাৰাও দৰঙী উপভাষাত বহুবচনৰ অর্থ প্রকাশ কৰা হয়। উদাহৰণ—

দৰঙী উপভাষা	মান্য অসমীয়া
বেজাই মানুহ	বহুত মানুহ
ঢেৰ কথা	ঢেৰ কথা
এমান টকা	ইমান টকা
নাওমান নিমখ	অলপমান নিমখ

দৰঙী উপভাষাত বিভিন্ন পদৰ পুনৰুক্তিৰ দ্বাৰাও বহুবচনৰ অর্থ প্রকাশ কৰা হয়। যেনে—

দৰঙী উপভাষা	মান্য অসমীয়া
কুন কুন	কোন কোন
ভিজা ভিজা	ভিজা ভিজা

কোণাই কোণাই কোণে কোণে আদি।

লিঙ্গ ঃ মান্য অসমীয়া ভাষাৰ দৰেই দৰঙী উপভাষাতো কেৱল প্রাণীবাচক শব্দৰ ক্ষেত্রতহে পুংলিঙ্গ আৰু স্ত্রীলিংগ বিভাজন কৰা হয়। যিবোৰ প্রাণীবাচক শব্দৰ স্ত্রী বা পুৰুষ নির্ধাৰণ কৰিব নোৱাৰি সেইবোৰক উভয় লিঙ্গ বা লিঙ্গ নিৰপেক্ষ ৰূপত ধৰা হয়। মান্য অসমীয়া ভাষাৰ দৰেই দৰঙী উপভাষাতো বিভিন্ন প্রকাৰে লিঙ্গ নির্ধাৰণ কৰা হয়। তলত এই সম্পর্কে আলোচনা আগবঢ়োৱা হৈছে—

(ক) পুংলিঙ্গ আৰু স্ত্রীলিংঙ্গৰ অর্থ প্রকাশ কৰা ভিন্ ভিন্ শব্দৰ প্রয়োগৰ লিঙ্গ নির্ধাৰণ কৰা হয়। যেনে—

পুংলিঙ্গ	স্ত্রীলিঙ্গ
লিকিৰা	ঝীয়া
দাদা	বাইদ’
দৰা	কইনা
ভোবোৰা	ছাগেলী
দমৰা	কাল্লা আদি।

(খ) লিংগ নিৰপেক্ষ ৰূপৰ আগত মতা বা মাইকী শব্দৰ প্রয়োগৰ দ্বাৰা—

পুংলিঙ্গ	স্ত্রীলিঙ্গ	
মতা মানুহ	মাইকী মানুহ	
মতা চৰেই	মাইকী চৰেই	মাতি চৰেই
মতা হাথী	মাইকী হাথী	মাতি হাথী আদি।

(গ) দৰঙী উপভাষাত ভালেমান স্ত্রীপ্রত্যয় পোৱা যায়। এই প্রত্যয়বোৰৰ প্রয়োগৰ দ্বাৰাও স্ত্রীলিংগ নির্ধআৰণ কৰা হয়। যেনে—

প্রত্যয়	পুংলিঙ্গ	স্ত্রীলিঙ্গ
-ই	বুৰা	বুৰী
	পগলা	পাগেলী
	বোন্দা	বুন্দী
	ফেচা	ফেচী
-নী	চুৰ	চুৰুণী
	ডাক্তৰ	ডাক্তেৰণী
	মাষ্টৰ	মাষ্টেৰণী
	কুমাৰ	কুমান্নী
-ইনী	বাঘ	বাঘিনী
	গৰিয়া	গৈৰেণী
	ৰাইক্কহ	ৰাইক্কেহনী
-এনী	ভকত	ভকতেনী
	খখুৱা	খখুৱেনী
	কল্‌তা	কল্‌তেনী
-উনী	জখ	জখুনী
	ডুম	ডুমুনী
-তী	খাখাৰ খাৱা	খাখাৰ খাইতী
	গিৰিখাৱা	গিৰিখাইতী
	চুৱাখাৱা	চুৱাখাইতী

নির্দিষ্টতাবাচক প্রত্যয় ঃ দৰঙী উপভাষাত ব্যৱহৃত নির্দিষ্টতাবাচক প্রত্যয়সমূহৰ কেইটিমান প্রত্যয় মান্য অসমীয়া ভাষাৰ সৈতে একে যদিও অধিকাংশ নির্দিষ্টতাবাচক প্রত্যয় মান্য অসমীয়া ভাষাৰ লগত নিমিলে। দৰঙী উপভাষাত প্রয়োগ হোৱা নির্দিষ্টতাবাচক প্রত্যয়বোৰ হ'ল—

প্রত্যয়	উদাহৰণ	মান্য অসমীয়া
-কুৰা	জুইকুৰা	-কুৰা
-আখা	কলআখা	-আখা

-দখৰ	মাটিদখৰ	-টুকুৰা
-ছটা	কাঠছটা	-ছটা
-ডাল	এইডাল	-ডাল
-দাই	এইদাই	-টো
-হাল	মুইহাল	-হাল
-খিনি	বালাখিনি	-খিনি
-যোৰ	চৰেইযোৰ	-যোৰ
-চটা	কামিচটা	-চটা
-খৰ	জোকখৰ	-ডাল
-ঝাক	একঝাক	-জাক
-খুটৰ	মাছখুটৰ	-টুকুৰা
-খান	হাতখান	-খন
-হালি	নেমুহালি	চাৰিটা
-চোকল	আমচোকল	-চকল

কাৰক আৰু শব্দবিভক্তি ঃ মান্য অসমীয়া ভাষাৰ দৰেই দৰঙী উপভাষাতো ক্রিয়াপদৰ লগত অন্য নামপদৰ সম্বন্ধ কাৰকৰ জৰিয়তে সূচোৱা হয়। এই কাৰকৰ অর্থ শব্দ বিভক্তি আৰু অনুপদৰ ব্যৱহাৰৰ দ্বাৰা বুজোৱা হয়। দৰঙী উপভাষাৰ কাৰক আৰু সম্বন্ধ পদ অনুযায়ী শব্দ বিভক্তি আৰু অনুপদবোৰৰ তালিকাখন তলত দিয়া ধৰণৰ—

কাৰক	বিভক্তি	বিভক্তিৰ চিন	অনুপদ
	ব্যঞ্জনান্ত শব্দত	স্বৰান্ত শব্দত	
কর্তা	প্রথমা আৰু শূন্য	শূন্য -এ	-ই
কর্ম	দ্বিতীয়া আৰু শূন্য	শূন্য -অক	-শূন্য -ক
কৰণ	তৃতীয়া	-দি -এদি -ইদি	-দিহাতেনেই
নিমিত্ত	দ্বিতীয়া	-অক	-কলেগি, কেলি
অপাদান	পে, পেৰে,	পাই	অধিকৰণ
	সপ্তমী	-অত	-ত
সম্বন্ধ পদ	ষষ্ঠী	-অৰ	-ৰ

তলত প্রতিটো কাৰকৰ প্রয়োগৰ নমুনা দেখুওৱা হৈছে—

কর্তা কাৰক ঃ সি কামটু নকৰলা
দাদাই কথাটু মানছেই
ৰাজীৰে কি কলা
ছাৰে কুবালা

কর্ম কাৰক ঃ সি মোক নামাতলা

চন্দনে নমিতাক ক'ত ৰাখছিল
আমি ভাত খালো দে

কৰণ কাৰকঃ ৰাতি কিহেদি ভাত খালি
লিকিৰাটো ঘৰৰপে বাছেদি আইছি
তোৰ নাকটোদি তেজ ওলছি
তাৰ হাতেনেই আনবো দিলো

নিমিত্ত কাৰক ঃ আপুনি ক'ক যাবো
মই বজাৰ'ক যাম
এৰপে তাল্লেগি কিমান দূৰ
তাল্লেগি তোৰ ইমান দৰদ কিআ

অপাদান কাৰক ঃ তই কৰপে আইহিলি
মোৰপাই কিমান টকা পা
চিপাঝাৰৰপাই গুৱাহাটীল্লেগি যাবি

অধিকৰণ কাৰক ঃ কথাটো কিতাপত পাইছো
গাড়ীত উঠি যাবি
ভাতত পানী কম হৈছেই

ধাতু ঃ মান্য অসমীয়া ভাষাৰ দৰেই দৰঙী উপভাষাৰ ধাতুসমূহকো তিনিটা ভাগত ভগাই আলোচনা কৰিব পাৰি। এই ভাগ কেইটা হ'ল— মৌলিক ধাতু, সাধিত বা গৌণ ধাতু আৰু যৌগিক বা সংযুক্ত ধাতু। তলত তিনিও প্ৰকাৰ ধাতুৰ চানেকী আগবঢোৱা হৈছে।

মৌলিক ধাতু ঃ মান্য অসমীয়া ভাষাত ব্যৱহাৰ হোৱা প্ৰায় সকলোবোৰ মৌলিক ধাতুৰ প্ৰয়োগ দৰঙী উপভাষাতো হয়। কেৱল কিছু সংখ্যক সামান্য ধ্বনিগত পৰিৱৰ্তনৰ মাজেৰে ব্যৱহৃত হয়। এই উপভাষাত ব্যৱহৃত কেতবোৰ মৌলিক ধাতু হ'ল—

যা	ল	নে	দে	সুধ	ক	বহ	খা
মাত	ৰখ	নাচ	হাঁহ	কান্দ	ওলা	পেলা	ডাঙ
খেদ	বাজ	পেলা	বান্ধ	খোল	ছিঙ্	বিন্ধ	আন আদি।

সাধিত বা গৌণ ধাতু ঃ সাধিত বা গৌণ ধাতুক তিনিটা শ্ৰেণীত ভাগ কৰা হয়। এই শ্ৰেণীকেইটা হ'ল- পাঁচনি ধাতু, নাম ধাতু আৰু ধ্বন্যাত্মক ধাতু। আনক পাঁচি কাম কৰাবলৈ প্ৰয়োগ হোৱা ধাতুবোৰৰ নাম পাঁচনি ধাতু। মান্য অসমীয়াত মৌলিক ধাতুৰ পিছত -আ -উআ আৰু -ওআ প্ৰত্যয় যোগ দি পাঁচনি ধাতু গঠন কৰা হয়। দৰঙী উপভাষাত -আ আৰু -উআ প্ৰত্যয় দুটাৰ সংযোগেৰে পাঁচনি ধাতু গঠন কৰা হয়। যেনে—

নাচ - উআ - নাচুৱা

ধাৱ - আ - ধাৱা

দেখ - উআ - দেখুৱা

সাধাৰণতে মান্য অসমীয়া ভাষাত বিশেষ্য আৰু বিশেষণ শব্দৰ পিছত -আ -ইআ আৰু -উআ প্রত্যয় সংযোগ কৰি নামধাতু গঠন কৰা হয়। দৰঙী উপভাষাত -আ আৰু -উআ প্রত্যয় দুটা সংযোগ কৰি নামধাতু গঠন কৰা হয়। যেনে—

চৰ - আ - চৰা

আগ - উআ - আগুৱা

মান্য অসমীয়া ভাষাৰ দৰে দৰঙী উপভাষাতো কোনো ধ্বনিৰ অনুকৰণত সৃষ্ট হোৱা অভ্যাসজাত ধ্বন্যাত্মক শ্বদৰ পিছত কেতবোৰ প্রত্যয় যোগ দি ধ্বন্যাত্মক ধাতু গঠন কৰা হয়। যেনে—

পেনপেনা কেলকেলা ফুচফুচা পেকপেকা আদি।

পুৰুষ আৰু কাল ঃ দৰঙী উপভাষাত পুৰুষ আৰু কালৰ ধাৰণা মান্য অসমীয়াৰ দৰে একে। অর্থাৎ ইয়াতো পুৰুষ তিনিটা - প্রথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ আৰু কাল তিনিটা ক্রমে বর্তমান কাল, অতীত কাল আৰু ভৱিষ্যত কাল। ক্রিয়া বা কার্য সংঘটিত হোৱা সময়ৰ ব্যাপকতালৈ লক্ষ্য ৰাখি বর্তমান কাল আৰু অতীত কালক দুটা উপভাগত ভগোৱা হৈছে- নিত্য বর্তমান কাল আৰু স্বৰূপ বর্তমান কাল তথা সাধাৰণ অতীত আৰু অপূর্ণ অতীত। একেদৰে, দৰঙী উপভাষাত ক্রিয়া পদৰ ভাৱ দুই প্রকাৰৰ— নির্দেশক ভাৱ আৰু অনুজ্ঞা ভাৱ।

৯.৫.৩ দৰঙী উপভাষাৰ শব্দ সম্ভাৰ

উল্লেখযোগ্য যে অসমীয়া ভাষাত ব্যৱহৃত সকলো শব্দকে সামৰি পূর্ণাঙ্গ সংগ্রহ এটা এতিয়ালৈ প্রকাশ হোৱা নাই। সেয়েহে অসমীয়া ভাষাৰ প্রকৃত শব্দৰ সংখ্যা নির্ধাৰণ কৰিব পৰা নাযায়। অসমীয়া ভাষাৰ উপভাষাবোৰৰ ক্ষেত্রতো একেটা কথাই প্রযোজ্য। একেদৰে দৰঙী উপভাষাৰ স্বকীয় শব্দৰ সংখ্যাও অনির্ণিত। অৱশ্যে এই শব্দসমূহৰ গঠন আৰু প্রকাৰে দৰঙী উপভাষাৰ শব্দসম্ভাৰৰ বিশিষ্টতা আৰু স্বকীয়তাৰ সহজে উমান দিয়ে। তলত বিষয় অনুসাৰে দৰঙী উপভাষাৰ স্বকীয় শব্দ কিছুমান পৰিচয়ৰ অর্থে উল্লেখ কৰা হৈছে—

সম্বন্ধসূচক শব্দ—

দৰঙী উপভাষা	মান্য অসমীয়া
জৱেঁই	জোৱাই
আতা	ককাদেউতা
বুৰাপাই	ককাদেউতা

জেঠেই	জেঠাই
ঘজ্জিয়া	ঘৰ জোঁৱাই
বিয়েই	বিয়ৈ
মাহৈ	মাহী
বৈনাই	ভনী জোঁৱাই
বৈনী	ভনী
ভিনি	ভিনিহি
আমেই	আমৈ
লিকিৰা	ল'ৰা
ঘন্নী	ঘৈণী
ভাইজ্জা	ভতিজা
শুলালী	শুলশালী

অঙ্গ প্রত্যঙ্গ সম্পর্কীয় শব্দ—

কপল	কপাল
কাইতলি	কাষতলি
গেৰুৰা	গোৰোহা
চখু	চকু
ঝিভা	জিভা
তপিলা	তপিনা
নেঙুৰ	নেজ

পক্ষী সম্পর্কীয় শব্দ—

কুকুৱা	কুকুহা
কুপেতি	কপৌ
ঘুটুলুকা	হেতুলুকা
দলপুঙা	এবিধ চৰাই
পাওৰা	পাৰ
ব'গুলা	বগলী

শাক পাচলি সম্পর্কীয় শব্দ—

কাউৰমণি	কোৱামণি
কাকিৰল	কেৰেলা
চমাহা	এবিধ বন
পালাং	পালেং
পুঁইশাক	পুৰৈ শাক

বাঙানা	বেঙেনা
ভোলা বাঙানা	বৰ বেঙেনা
ম'চ্চা	মৰিচা

গছ গছনি, ফল-ফুল সম্পৰ্কীয় শব্দ—

অপ্রাজিত	অপৰাজিতা
আকন	আকন
আমাৰা	অমৰা
ইকিৰা	ইকৰা
ওকভেদেলি	ভেদাই লতা
কচ'ৰু	কেচেৰু
কৰাঁবন	এবিধ বন
কঠন্দা	কঠনা
কেঁহুৰি	কেহেৰু
খাগাৰা	খাগৰি
গেন্ধেইমালেতি নার্জি	
চজনা	চজিনা
চোঁৰত	চোঁৰাত
চেলেনি	শেলুৰৈ
জলপেই	জলফাই
ঝালা	জলকীয়া
ডুমৰু	ডিমৰু
তুলেহি	তুলসী
ধুৰফুৰি	হলফলি
নবকটেঙা	ৰবাবটেঙা
পদো	পদুম
পানীপিপেলী	শেৱালী ফুল
মধফল	অমিতা
শিমেলি	শিমলু

জীৱ জন্তু সম্পৰ্কীয় শব্দ—

কেচেই	কেঁচু
নিঙিনি	নিগনি
ভেকেলি	ভেকুলী
মুঁইহ	ম'হ
হাপা	হেপা

পোক পতঙ্গ সম্পৰ্কীয় শব্দ—

কাছো	কাছ
কুঢ়িয়া	কুৰ্হি
খলহানা	খলিহনা
গৰেই	গৰৈ
তিঙিৰা	শিঙৰা
নিচিলা	মিছামাছ
পাভোৱা	পাভ
বৰদৈয়া	এবিধ মাছ
বল্লিমাছ	বৰালি মাছ
মনকৰা	মণিকাৰা

খাদ্য বস্ত্র সম্পৰ্কীয় শব্দ—

আখাই	আখৈ
আপিণ্তা	অপেঁতা
উৰমাল	ৰুমাল
মোক্চা	গামোচা
ঝকৰা	কৰকৰা
ঝালুক	জালুক
ঝিলপি	জিলেপী
তাংখু	ধপাত
নুন	নিমখ
ৰ'হুন	নহৰু

অন্যান্য শব্দ—

অজামিল	বৰ দুষ্ট
অমুৰি	অশান্তি
অৰহনা	দক্ষিণা
আউধি	হুলস্থুল
আখাৰ	আখৰ
আঙাৰা	এঙাৰ
আজালা	অজলা
আন্ধু	এলান্ধু
উঝাট	উজুটি
উতিয়া	এলেহুৱা
কিচিম	প্রকাৰ

কেংমৰা	দুৰ্বল
খাখাৰ	খেকাৰ
খাখেৰি	খখুৰা
খুটুৰা	টুকুৰা
ঝোলঙা	জোলোঙা
ঠগি	নৈবৈদ্য
দামাল	দলং
মৈঝা	মজিয়া
লোতোমা	টেমুনা
বেলবুং	মুৰ্খ
পেঁক	বোকা
ভাখেৰি	ভঁৰাল ইত্যাদি।



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দৰঙী উপভাষাটো মূলতঃ দৰং জিলাজুৰি বিয়পি আছে।
- দৰঙৰ বুৰঞ্জী প্ৰাচীন আৰু ব্যাপক। অতীজতে ইয়াত ভূঞা আৰু কোঁচসকলৰ শাসন আছিল।
- ভৌগোলিক ভাৱে দৰঙী উপভাষাটো অসমৰ মধ্য অঞ্চলত আছে যদিও মধ্য অসমৰ উপভাষাৰ সৈতে ই ভালেমান ক্ষেত্ৰত পৃথক।
- দৰঙী উপভাষাটোত ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দসম্ভাৰগত নিজস্ব বৈশিষ্ট্য বিচাৰি পোৱা যায় ।



৯.৭ অধিক জানিবলৈ

অধ্যয়ন গ্ৰন্থ ঃ

১) কলিতা, মণিৰাম (২০০৭) ঃ *ডিমৰীয়া অঞ্চলৰ উপভাষা ঃ অসমীয়া ভাষাৰ এটি আঞ্চলিক ৰূপৰ বিশ্লেষণাত্মক অধ্যয়ন,* অপ্ৰকাশিত গৱেষণা গ্ৰন্থ। গুৱাহাটী বিশ্ববিদ্যালয়।

২) কাকতি, বাণীকান্ত (১৯৯৬) ঃ *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ,* অনু. বিশ্বেশ্বৰ হাজৰিকা, বৰপেটা সাহিত্য সভাৰ হৈ গুৱাহাটী ঃ বাণী প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্র নাথ (২০০৪) ঃ *অসমীয়া ভাষা আৰু উপভাষা*, গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৪) গোস্বামী, গোলোক চন্দ্র (১৯৯২) ঃ *ভাষা ভাষণিকা*, গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৫) দেউৰী মনেশ্বৰ (১৯৯৪) ঃ *মৰিগাঁও জিলাৰ লোকসংস্কৃতি*, আদৰণি সমিতি, ষাঠিতম্ অসম সাহিত্য সভা। মৰিগাঁও।

৬) দাস, মনোজ কুমাৰ (২০১৬) ঃ *দৰং আৰু মৰিগাঁও জিলাৰ কথিত অসমীয়া ভাষা ঃ এক তুলনামূলক অধ্যয়ন*, গুৱাহাটী বিশ্ববিদ্যালয়, অপ্রকাশিত গৱেষণা গ্রন্থ।

৭) নাথ, জীৱকান্ত (২০১৩) ঃ *মায়ঙীয়া উপভাষা*, মৰিগাঁও ঃ শ্বাশ্বত প্রকাশন।

৮) পাঠক, জীৱন চন্দ্র (২০১৭) ঃ *দৰঙী উপভাষা অধ্যয়ন*, গুৱাহাটী ঃ বনলতা।

৯) পাটগিৰি, দীপ্তি ফুকন (২০১০) ঃ *উপভাষা আৰু অসমৰ উপভাষা*, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়। গুৱাহাটী।

১০) মৰল, দীপঙ্কৰ (১৯৯৭) ঃ উপভাষা-বিজ্ঞান, গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'ৰ।

ইংৰাজী গ্রন্থ ঃ

১১) Goswami, Golok chandra (1982) : *Structure of Assamese*. Publication Department. Gauhati University. Guwahati.

১২) Kalita, D. B. & H. Sarmah (2010) : *The Tiwas (Lalungs) Profile of a Tribe*. Publication Committee, Department of History, Morigaon College. Morigaon.

১৩) Moral, Dipankar (1992) : *Phonology of Asamiya Dialects* : Contemporary Standard and Mayong. Ph.D. dissertation. Deccan College Post Graduate and Research Institute. Poona.

৯.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ দৰঙী উপভাষাৰ স্বৰধ্বনিবোৰ উল্লেখ কৰি একাদিক্রমে ধ্বনিগুণসমূহ তালিকাসহ লিখিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃদন্তমূলীয় ধ্বনিসমূহ উল্লেখ কৰি তালিকাসহ ধ্বনিগুণবোৰ লিখিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃকৃৎ প্রত্যয় আৰু তদ্ধিত প্রত্যয় কাক বোলে লিখি দৰঙী উপভাষাৰ পৰা উদাহৰণ দিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃনামপদ কাক বোলে উল্লেখ কৰি দৰঙী উপভাষাত থকা নামপদবোৰ বর্ণ কৰিব লাগিব।



৯.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ মান্য অসমীয়া ভাষাৰ সৈতে দৰঙী উপভাষাটোৰ কি কি পাৰ্থক্য আছে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ দৰঙী উপভাষাটোৰ স্বৰধ্বনিসমূহৰ পৰিচয় দি এখন তালিকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ দৰঙী উপভাষাটোত থকা বহুবচনাত্মক সৰ্গ সন্দৰ্ভত এটা বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ দৰঙী উপভাষাৰ ক্ৰিয়াৰূপৰ বিষয়ে উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ দৰঙী উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ দৰঙী উপভাষাত কাৰক বিভক্তিৰ ব্যৱহাৰ সম্পৰ্কে খৰচি মাৰি আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ দৰঙী উপভাষাটোৰ বিশেষণ পদ সম্পৰ্কে বৰ্ণনা কৰক।

প্ৰশ্ন ৮ ঃ ভাষাত শব্দসম্ভাৰৰ গুৰুত্ব সম্পৰ্কে বিচাৰ কৰি দৰঙী উপভাষাটোৰ শব্দসম্ভাৰৰ পৰিচয় প্ৰদান কৰক।

*** ***** ***

অধ্যায় ১০ ঃ অসমীয়া ভাষাৰ উপভাষাৰ তুলনা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ উপভাষা আৰু অসমীয়া ভাষাৰ উপভাষা
১০.৪ উজনি, মধ্য আৰু কামৰূপী উপভাষাৰ এটি তুলনাত্মক আলোচনা
১০.৫ কামৰূপী আৰু গোৱালপৰীয়া উপভাষাৰ তুলনা
১০.৬ দৰঙী উপভাষা আৰু মান্য অসমীয়াৰ লগত ইয়াৰ তুলনা।
১০.৭ কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰ মাজত তুলনা
১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৯ অধিক জানিবলৈ
১০.১০ অগ্রগতিৰ নিৰীক্ষণ (কেৱল ৰূপৰেখা)
১০.১১ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উপভাষা সম্পর্কে এটি সম্যক ধাৰণা লাভ কৰিব।
- অসমীয়া ভাষাৰ উপভাষাসমূহ সৃষ্টিৰ কাৰণ জানিব পাৰিব।
- অসমীয়া ভাষাৰ উপভাষিক ৰূপবোৰৰ মাজত থকা বিভিন্ন সাদৃশ্য-পার্থক্যৰ বিষয়ে অবগত হ'ব।

১০.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষান্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন তৃতীয় পাঠ্যবিষয়। এই পাঠ্যবিষয়ৰ এইটো দশম অধ্যায় যাৰ শিৰোনাম 'অসমীয়া ভাষাৰ উপভাষাৰ তুলনা।' সাধাৰণত অর্থত উপভাষা বুলিলে কোনো ভাষাৰ আঞ্চলিক ৰূপবোৰক বুজা যায়। অন্যান্য ভাষাৰ দৰে অসমীয়া ভাষাৰো বিভিন্ন আঞ্চলিক ৰূপ আছে। এই আঞ্চলিক ৰূপবোৰৰ মাজত বিভিন্ন সাদৃশ্য-বৈসাদৃশ্য দেখা যায়। প্রস্তাৱিত এই অধ্যায়ত অসমীয়া ভাষাৰ বিভিন্ন উপভাষাবোৰৰ মাজত এক তুলনামূলক আলোচনা আগবঢ়োৱা হ'ব।

১০.৩ উপভাষা আৰু অসমীয়া ভাষাৰ উপভাষা

সাধাৰণতে কোনো ভৌগোলিক পৰিৰেষ্টিত ভাষা এটা বিস্তৃত অঞ্চলত বিয়পি পৰাৰ পিছত ভৌগোলিক, ৰাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক কাৰণত সেই ভৌগোলিক

পৰিবেষ্টনীৰ ভাষাৰ এটা অঞ্চলৰ লগত আন এটা অঞ্চলৰ যোগাযোগৰ অভাৱৰ বাবে কিছুমান সুকীয়া ৰূপৰ সৃষ্টি হয়। এই ৰূপবোৰক উপভাষা বোলা হয়।

উপ-ভাষিক দৃষ্টিৰে চালে অসমীয়া ভাষাটোৰ প্ৰধান উপভাষা দুটা। সেইয়া হ'ল --- উজনিৰ উপভাষা আৰু নামনিৰ উপভাষা। বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ দুটা উপভাষাৰ উপস্থিতিৰ কথা কৈছে। সেই দুটা হ'ল -- পূব অসমৰ ভাষা আৰু পশ্চিম অসমৰ ভাষা। আনহাতে গোলোকচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষাৰ আৰু এটা উপভাষাৰ কথা উল্লেখ কৰিছে। সেইটো হ'ল -- মধ্য অসমৰ উপভাষা। উজনি অসমৰ উপভাষাটোক শিৱসাগৰীয়া আৰু নগএঞা এই দুটা ভাগত ভাগ কৰাৰ বিপৰীতে নামনি অসমৰ উপভাষাক কামৰূপী আৰু গোৱালপৰীয়া উপভাষা -- এই দুটা ভাগত ভগাব পাৰি। কামৰূপী উপভাষাক আকৌ চাৰিটা ভাগত ভাগ কৰা হৈছে -- ৰৱপেটীয়া, নলবৰীয়া, পাতিদৰঙীয়া আৰু ছয়গএঞা। ঠিক তেনেদৰে গোৱালপৰীয়া পূব গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া উপভাষা উপভাষা --- এই দুটা ভাগত ভগোৱা হৈছে। ৰেখাচিত্ৰত এই বিভাজনবোৰ এনেবোৰ দেখুৱাব পাৰি---

অসমীয়া উপভাষা

উজনি/মান্য	মধ্য	নামনি/কামৰূপী	
শিৱসাগৰীয়া	নগএঞা	কামৰূপী	গোৱালপৰীয়া
		পূব	পশ্চিম
ৰৱপেটীয়া	নলবৰীয়া	পাতি দৰঙীয়া	ছয়গএঞা

জানি থোৱা ভাল

গোলোকচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষাৰ ভৌগোলিক সীমা এনেধৰণে আগবঢ়াইছে - উজনিৰ উপভাষা দক্ষিণে বৰ্তমানৰ নগাওঁ জিলা আৰু উত্তৰে শোণিতপুৰ জিলালৈকে, নামনিৰ উপভাষা পশ্চিমে গোৱালপাৰা জিলাৰ পৰা পূবে কামৰূপ জিলাৰ গুৱাহাটীলৈ আৰু এই দুটা অঞ্চলৰ মাজৰ এলেকাটোৱেই হ'ল মধ্য অসমৰ উপভাষাৰ ঠাই। অৰ্থাৎ মধ্য অসমৰ উপভাষাৰ ভৌগোলিক সীমা এনেধৰণৰ -- উত্তৰে দৰং জিলা, দক্ষিণ-পূবে মৰিগাওঁ মৰিগাওঁ জিলা আৰু দক্ষিণ পশ্চিমে কামৰূপ জিলা।

অসমীয়া ভাষাৰ উপভাষা সৃষ্টিত বিভিন্ন কাৰকে ভূমিকা গ্ৰহণ কৰিছে। তলত সেইবোৰ পৰ্যায়ক্ৰমে আলোচনা কৰা হ'ল---

ক) অসমীয়া ভাষাৰ উপভাষা সৃষ্টিত মূলত ঃ ৰাজনৈতিক কাৰকে মুখ্য ভূমিকা গ্ৰহণ কৰিছে। উজনি আৰু নামনি অসম পৃথক-পৃথক শাসকৰ শাসনাধীন আছিল। নামনি অসমৰ কোচসকলৰ অধীনত থকাৰ বিপৰীতে উজনি অসমত আহোমসকলে ৰাজত্ব কৰিছিল। গতিকে স্বাভাৱিকতেই এনে পৰিস্থিতিত দুই অঞ্চলৰ মানুহৰ মিলামিছা খুব কম হৈছিল আৰু বৈবাহিক সম্বন্ধ হোৱা নাছিল বুলিব পাৰি। এনে পৰিৱেশে উপভাষা সৃষ্টিত সহায় কৰিছিল।

খ) উজনি আৰু নামনিৰ ভাষাৰূপৰ পাৰ্থক্য সৃষ্টিত জনবসতিৰ প্ৰক্ৰিয়াইও অৰিহণা যোগাইছিল। নামনি অসমত আহোম-চুতীয়া মানুহ প্ৰায় নাছিলেই। আহোমসকলে অসমীয়াক মাতৃভাষা হিচাপে গ্ৰহণ কৰাৰ পিছৰ পৰাই উজনিৰ ভাষাৰূপত এটা প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰিছিল।

গ) গোৱালপৰীয়া উপভাষা দৃষ্টিত ৰাজনৈতিক, ভৌগোলিক আৰু সাংস্কৃতিক কাৰকে প্ৰধান ভূমিকা লৈছিল। কোচ বংশৰ প্ৰত্যক্ষ শাসন, তিব্বত-বর্মীয় ভাষিক গোষ্ঠীৰ জনসংখ্যাৰ প্ৰাধান্য, অসমৰ পূবখণ্ডৰ সৈতে যাতায়তৰ অসুবিধা ইত্যাদি কাৰণত গোৱালপৰীয়া উপভাষাৰ সৃষ্টি হৈছিল।

ঘ) বর্তমান অসমৰ মান্য ভাষা শিৱসাগৰ অঞ্চলৰ কথিত ৰূপৰ ভিত্তিত গঢ় লোৱা। বৃটিছসকল অসমলৈ অহাৰ পূৰ্বে শিক্ষাৰ কেন্দ্ৰস্থল আছিল নামনি অসম। ১৮৩৬ চনত মিছনেৰীসকলে অসমত পদাৰ্পণ কৰি শিৱসাগৰক কৰ্মস্থল হিচাপে বাচি লৈ ভাষাটো আয়ত্ব কৰি অসমীয়া ব্যাকৰণ, অভিধান, আলোচনী আদি প্ৰকাশ কৰে। ১৮৪৬ চনত 'অৰুণোদই' বার্তালোচনী ওলোৱাৰ পিছত উজনিৰ ভাষা অসমৰ সামূহিক কাম-কাজ চলাবৰ বাবে মান্যৰূপ হিচাপে মর্যদা লাভ কৰে। হয়। এই সময়ছোৱাত কেইবাজনো আগশাৰীৰ লেখক উজনিৰ পৰা ওলায়। ফলত উজনিৰ ভাষাৰূপটোৱে পৰৱর্তী কালত মান্যভাষা হিচাপে স্বীকৃত হয়।



অগ্ৰগতি নিৰীক্ষণ

১. উপভাষা কাক বোলে? অসমীয়া ভাষাৰ উপভাষা সৃষ্টিৰ কাৰকসমূহ আলোচনা কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

১০.৪ উজনি, মধ্য আৰু কামৰূপী উপভাষাৰ এটি তুলনাত্মক আলোচনা

বাণীকান্ত কাকতিয়ে পশ্চিম অসমৰ ভাষাক দুটা ভাগত ভাগ কৰিছে ---

ক) অবিভক্ত কামৰূপ জিলাত প্ৰচলিত কামৰূপী উপভাষা

খ) অবিভক্ত গোৱালপাৰা জিলাত কথিত গোৱালপৰীয়া উপভাষা

আনহাতে, তেওঁ পূব অসমৰ ভাষা গুৱাহাটী পর্যন্ত একে বুলি কৈছে। কিন্তু সূক্ষ্ম দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে মধ্য অসমৰ ভাষাৰ সৈতে পূব অংশৰ উপভাষাৰ পার্থক্য আছে। সেয়েহে পোন প্ৰথমবাৰৰ বাবে গোলোক চন্দ্ৰ গোস্বামীয়ে মধ্য অসমৰ উপভাষাৰ বিষয়ে উল্লেখ কৰিছে। সি যি নহওক, তলত উজনি, মধ্য আৰু কামৰূপী উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ এটি তুলনাত্মক আলোচনা দাঙি ধৰা হ'ল---

ক) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

১. মধ্য অসমৰ উপভাষাত শ্বাসাঘাত শব্দৰ প্রথম নাইবা দ্বিতীয় অক্ষৰত পৰে। নামনিৰ শ্বাসাঘাত যিমান বলবান বা ক্ষিপ্র, মধ্য অসমৰ উপভাষাত কিন্তু শ্বাসাঘাত সিমান বলবান আৰু ক্ষিপ্র নহয়। মান্য অসমীয়াত শ্বাসাঘাত শব্দৰ শেষৰ আগৰ অক্ষৰত বা শব্দৰ মধ্যৱর্তী স্থানত পৰে। যেনে--

উজনি	মধ্য	কামৰূপী
এঙাৰ	আউৰাঁ	আঙাৰ
শুকান	শুকান	শুখ্না

২. উজনি অসমৰ উপভাষাত মধ্য স্তৰৰ ব্যৱহাৰ বেছি। মধ্য অসমৰ উপভাষাত কিন্তু নামনিৰ দৰে উচ্চ স্বৰৰ প্রাধান্যহে বেছি। যেনে ---

উজনি	মধ্য	কামৰূপী
সেৱ্ৰ	সিন্দূৰ	সিন্দূৰ
কাপোৰ	কাপুৰ	কাপুৰ

৩. মধ্য অসমৰ উপভাষাত উজনিৰ দৰে ওচৰা-ওচৰিকৈ দুটা 'আ'-ধ্বনি থাকিলে আগৰ 'অ'-ধ্বনিলৈ পৰিবর্তন হয় আৰু কেতিয়াবা নামনিৰ দৰে দুয়োটা 'আ'-ধ্বনি ৰক্ষিত হয়। যেনে ---

উজনি	মধ্য	কামৰূপী
ৰজা	ৰজা/ৰাজা	ৰাজা
চকা	চকা/চাকা	চাকা

৪. উজনিৰ উপভাষাৰ দ্বি-অক্ষৰযুক্ত শব্দৰ দ্বিতীয় অক্ষৰত থকা 'অ'-ধ্বনি মধ্য অসমৰ উপভাষাত কেতিয়াবা একেধৰণে আৰু কেতিয়াবা নামনিৰ উপভাষাৰ দৰে 'আ' বা 'এ' লৈ পৰিবর্তিত হৈ ব্যৱহাৰ হয়। যেনে--

উজনি	মধ্য	কামৰূপী
মিহল	মিহল / মিহাল	মিহাল
দীঘল	দীঘল / দীঘেল	দীঘাল

৫. উজনি আৰু নামনিৰ উপভাষাৰ শব্দৰ মধ্য অৱস্থানত থকা 'ঙ / ং' মধ্য অসমৰ উপভাষাত 'উঁ' বা 'ৱঁ' হয়। যেনে --

উজনি	মধ্য	কামৰূপী
আঙঠা	আউঁঠা	আঙ্ঠা
মাংস	মাউঁচ	মাংচ

৬. উজনিৰ উপভাষাৰ দ্বি অক্ষৰযুক্ত শব্দৰ দ্বিতীয় অক্ষৰৰ 'অ'-ধ্বনি মধ্য অসমৰ উপভাষাত নামনিৰ দৰে 'ও' হয়। যেনে--

উজনি	মধ্য	কামৰূপী
আগত	আগোত	আগোত
পাছত	পাছোত/ পিছোত	পাছোত

খ) ৰূপতাত্ত্বিক বৈশিষ্ট্য

মধ্য অসমৰ উপভাষাৰ ৰূপতাত্ত্বিক বিশেষত্ব কিছুমান উজনিৰ লগত আৰু কিছুমান কামৰূপী উপভাষাৰ লগত মিলে। তিনিও প্ৰকাৰৰ উপভাষাৰ মাজত বচন, লিংগ, প্ৰত্যয়, কাৰক, বিভক্তি আদিৰ ক্ষেত্ৰত সাদৃশ্য আৰু বৈসাদৃশ্য দেখা যায়। তলত তিনিও প্ৰকাৰৰ উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ এক তুলনামূলক আলোচনা দাঙি ধৰা হ'ল---

১. বহুবচনাত্মক প্ৰত্যয়বিলাক মধ্য অসমৰ উপভাষাত মান্য অসমীয়াতকৈ কিছু কিছু ক্ষেত্ৰত বেলেগ। এইবোৰৰ কিছুমান নামনি অসমৰ উপভাষাত লগত মিলে। যেনে--

উজনি	মধ্য	কামৰূপী
বোৰ / -বিলাক / -হঁত	গেলায় -গিলা / -গিলাক/	-গিলে /- ইগ্‌লে /
জাক য়- সকল / লোক /	-হন্তে /- হঁত / - হিন্তে / -সকল	- গুলা / - মাখা /
সোৰপা / -- মখা	- সকাল /- মখা/- মাখা /	-সকাল / - চোব
ইত্যাদি	- সোপা / -চোব / -চব	ইত্যাদি
	ইত্যাদি	

২. নিৰ্দিষ্টতাবাচক প্ৰত্যয়সমূহৰ ৰূপ মধ্য অসমৰ উপভাষাত কিছু সুকীয়া। এইবোৰত উজনি আৰু নামনিৰ কিছু বৈশিষ্ট্য দেখা যায়। অৱশ্যে এইবোৰত অৰ্থগত ভিন্নতা নাই।

৩. ধাতুৰূপ ক্ষেত্ৰত উজনিৰ উপভাষাৰ প্ৰথম পুৰুষৰ - 'ওঁ' বিভক্তি মধ্য অসমৰ উপভাষাত -- 'উঁ' বা '-ঙ' হয়। নামনিৰ উপভাষাতো এই বৈশিষ্ট্যই দেখা যায়। যেনে -- খাউঁ, যাউঁ, কৰম, কং, দিছিলুঁ আদি।

৪. উজনিৰ উপভাষাত ক্ৰিয়া ৰূপৰ লগত মধ্যম পুৰুষৰ তুচ্ছার্থ, মান্যার্থ আৰু অধিক মান্যার্থত বিভিন্ন কালত বিভিন্ন বিভক্তি যোগ হয়। মধ্য অসমৰ উপভাষাত কিন্তু নামনিৰ দৰে তুচ্ছার্থ-মান্যার্থৰ প্ৰভেদ ৰখা নহয়।

গ) শব্দমূলক বৈশিষ্ট্য

শব্দ ভাণ্ডাৰৰ ক্ষেত্ৰত মধ্য অসমৰ উপভাষাত উজনি আৰু নামনিৰ দৰে বহু সংখ্যক একেধৰণৰ শব্দ আছে যদিও কিছুমান নিজস্ব শব্দও ক্ষেত্ৰত আছে। যেনে ---

উজনি	মধ্য	কামৰূপী
গামোচা	গামুচা / ফালি	গাম্‌চা / মুক্‌চা
নাঁদ	নাঁদ / পাতিকি	পাত্‌কি / কুৰা
পৰুৰা	পিপৰা / পিপিৰা	পিপ্‌ৰা

মিছামাছ	নিচিলা	নিচ্‌লা
ঠাণ্ডা	ঠাণ্ডা	তেকি
কৰ্কৰা	ঝকৰা	জক্‌ৰা / ঝক্‌ৰা
দৰা	দৰা / বৰ	বৰ
ধঁপাত	তামাখু	তাংখু
টোপনি	টুপ্‌নি	ঘুম্‌টি
মধুৰী আম	মধিয়াম	সোইফ্‌ৰাম
অমিতা	অমৈতা	মোদ্‌ফল / মইত্‌ফল ইত্যাদি।

১০.৫ কামৰূপী আৰু গোৱালপৰীয়া উপভাষাৰ তুলনা

অসমৰ একেবাৰে পশ্চিম অঞ্চলত অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত উপভাষাক গোৱালপৰীয়া উপভাষা বোলা হয়। এই উপভাষাক ৰাজবংশী, ৰংপুৰী আৰু দেশী নামেৰেও জনা যায়। গোৱালপৰীয়া উপভাষাৰ প্ৰধান আঞ্চলিক ৰূপ দুটা -- পূব গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া । পূব গোৱালপৰীয়া উপভাষাটো ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বিলাসীপাৰাৰ পৰা আৰম্ভ কৰি দুধনৈলৈকে বিয়পি আছে। পশ্চিম গোৱালপৰীয়াই ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ দুয়োপাৰ জুৰি আছে। তলত গোৱালপৰীয়া আৰু কামৰূপী উপভাষাৰ এক তুলনাত্মক আলোচনা আগবঢ়োৱা হ'ল ---

ক) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

১. গোৱালপৰীয়া উপভাষাত দুটা 'আ' কামৰূপীৰ দৰে উচ্চাৰণ হোৱা দেখা যায়। যেনে --

উজনি	কামৰূপী	গোৱালপৰীয়া
কণা	কাণা	কাণা
ৰজা	ৰাজা	ৰাজা

২. মান্য অসমীয়াৰ শেষত থকা 'ই' গোৱালপৰীয়া কামৰূপী দৰে 'আ' হয়। যেনে --

উজনি	কামৰূপী	গোৱালপৰীয়া
ছাতি	ছাতা	ছাতা
গুড়ি	গুড়া	গুড়া

৩. মান্য অসমীয়াৰ আদি অক্ষৰৰ 'এ' গোৱালপৰীয়াত কামৰূপীৰ দৰে 'ই' হয়। যেনে--

উজনি	কামৰূপী	গোৱালপৰীয়া
সেন্দূৰ	সিন্দূৰ	সিন্দূৰ
এন্দূৰ	ইন্দূৰ	ইন্দূৰ

৪. মান্য অসমীয়াৰ 'ও' গোৱালপৰীয়াত কামৰূপীৰ দৰে 'উ' হয়। যেনে ---

উজনি	কামৰূপী	গোৱালপৰীয়া
কাপোৰ	কাপুৰ	কাপুৰ
তামোল	তামুল	তামুল

খ) ৰূপতাত্ত্বিক বৈশিষ্ট্য

ৰ. মান্য অসমীয়াৰ দৰে কামৰূপী আৰু গোৱালপৰীয়া উপভাষাত একবচন আৰু বহুবচন -- এই দুটা বচন পোৱা যায়। দুয়োটা উপভাষাৰ বচনবাচক প্রত্যয়বোৰ এনেধৰণৰ --

কামৰূপী	গোৱালপৰীয়া
- গিলা / - গিলাক / -গিলান /	-গুলান / - গুলা / - গিলান / গিদলা /
-হাত / - হানা / হুন /	- গেলা / - ৰা / - ঘৰ / - মাখা /
-আহুন / - মাখা / - সপা	- গিলাক ইত্যাদি।

ইত্যাদি।

২. কামৰূপী আৰু গোৱালপৰীয়াত মান্য অসমীয়াৰ দৰে কেইবাটাও উপায়েৰে লিংগ নির্ণয় কৰা হয় যদিও দুয়োটা উপভাষাৰে লিংগ নির্ণয়ত সংযোগ কৰা ৰূপবোৰ সুকীয়া-সুকীয়া। কামৰূপী উপভাষাত -- ই, - নী, -ৰী, -এনী, -ইনী, -উনী আদি স্ত্রী প্রত্যয়ৰ ব্যৱহাৰ থকাৰ বিপৰীতে গোৱালপৰীয়াত -ই, -নী, -আনী, -ইনী, -এনী আদি স্ত্রী প্রত্যয়ৰ ব্যৱহাৰ পোৱা যায়।

৩. নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ ---

কামৰূপী	গোৱালপৰীয়া
- টু / - ডাল / - খান / -খেন /	-খান / -চাকা / - টুক্ৰা / - ঝাক /
-খুৰ / -খোৰ / -খাজা /	- ঝোপা / - টা / - হাতা / - আৰ্টি /
-টুক্ৰা / - ডখাৰ / -ডখাৰা /	- সাজ / -জোৰা / - মুঠা / পাল
-চকাল ইত্যাদি	ইত্যাদি

৪. অসমীয়া ভাষাৰ এটা অন্যতম বৈশিষ্ট্য হৈছে সম্বন্ধবাচক বিশেষ্য পদৰ লগত সংযোগ হোৱা পুৰুষবাচক নির্দিষ্টতাবাচক প্রত্যয়। কামৰূপী উপভাষাৰ পুৰুষবাচক নির্দিষ্টতাবাচক প্রত্যয়কেইটা হ'ল ---

প্রথম পুৰুষ - ০

দ্বিতীয় পুৰুষ - -এ / -এৰে / -এৰ

তৃতীয় পুৰুষ - -অক / -আক / -এক

কিন্তু গোৱালপৰীয়া উপভাষাত সম্বন্ধবাচক বিশেষ্য পদত এই পুৰুষবাচক নির্দিষ্টতা বাচক প্রত্যয়ৰ প্রয়োগ পোৱা নাযায়।

গ) শব্দগত বৈশিষ্ট্য

শব্দ ভাণ্ডাৰৰ ক্ষেত্ৰত মান্য অসমীয়া, কামৰূপী আৰু গোৱালপৰীয়াৰ কেতবোৰ সাদৃশ্য আৰু বৈসাদৃশ্য দেখা যায়। যেনে --

উজনি	কামৰূপী	গোৱালপৰীয়া
চৰাই	চৰে	পোখি
নাৰ্জী	গেন্ধে	গেন্দা
বেঙেনা	বাঙ্না	বাইগল
কমলা	কম্লা	শন্তৰা / কমলা
জলকীয়া	ভইজলুক	মৰুছ
ছাগলী	ছাগাল	ছাগল
গৰু	গৰু	গোৰু
		ইত্যাদি।



অগ্রগতি নিৰীক্ষণ -

প্রশ্ন নং ২. কামৰূপী আৰু গোৱালপৰীয়া উপভাষাৰ এটি তুলনামূলক আলোচনা আগবঢ়াওক।

(২০০ টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৩. উজনি, মধ্য আৰু নামনি অসমৰ উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহৰ এটি তুলনাত্মক আলোচনা যুগুত কৰক।

(২০০ টা শব্দৰ ভিতৰত)

.....

১০. ৬ দৰঙী উপভাষা আৰু মান্য অসমীয়াৰ লগত ইয়াৰ তুলনা

বৰ্তমানৰ দৰং জিলা অতীতত দৰং ৰাজ্য নামেৰে পৰিচিত আছিল। পুৰণি অসমত যেতিয়া পূবে আহোমসকলে আৰু পশ্চিমে কোচসকলে শাসন কৰিছিল, তেতিয়া বৰ্তমানৰ দৰং অঞ্চলত অনেক সৰু-বৰ ভূঞাই একো একোখণ্ডত ৰাজত্ব কৰিছিল। দৰঙী উপভাষাৰ প্রাচীনতম নিদর্শন পোৱা যায় তাহানিৰ দৰং ৰাজ্যত ৰচিত অসমীয়া কবি-সাহিত্যিকসকল ৰচনাৰাজিত। সি যি নহওক দৰঙী উপভাষাৰ বৰ্তমান প্রচলিত ৰূপটোৰ বৈশিষ্ট্যসমূহ তলত পর্যায়ক্রমে উল্লেখ কৰি মান্য অসমীয়াৰ লগত এটি তুলনামূলক আলোচনা দাঙি ধৰা হ'ল ---

ক) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

১. দৰঙী উপভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি ২২ টা। মান্য অসমীয়া ভাষাৰ আটাইবোৰ বিশিষ্ট ব্যঞ্জন ধ্বনি দৰঙী উপভাষাত পোৱাৰ উপৰিও ইয়াত দন্তমূলীয় ঘৃষ্ট অঘোষ মহাপ্রাণ 'ঝ' ধ্বনি পোৱা যায়।

২. দৰঙী উপভাষাত শ্বাসাঘাতৰ কোনো নির্দিষ্ট স্থান নাই। মান্য অসমীয়া ভাষাত শ্বাসাঘাত শব্দৰ শেষৰ আগৰ অক্ষৰত বা শব্দৰ মধ্যৱর্তী স্থানত (বাণীকান্ত কাকতিৰ মতে শব্দৰ উপধা অক্ষৰত)

উজনি	দৰঙী
কোমোৰা	কুমুৰা
চোতাল	চোতাল
নোৱাৰে	ন'ৰেই

৩. দৰঙী উপভাষাত মহাপ্রাণ ধ্বনিৰ বহুল প্রয়োগ দেখা যায়। মান্য অসমীয়া ভাষাৰ অল্পপ্রাণ ধ্বনি কিছুমান দৰঙী উপভাষাত মহাপ্রাণ ধ্বনি ৰূপে উচ্চাৰিত হয়। যেনে --

উজনি	দৰঙী
ভাঁপ	ভাঁফ
শুকান	শুফুনা

৪. দৰঙী উপভাষাত এক অক্ষৰযুক্ত শব্দৰ বাহিৰে আন শব্দৰ শেষত দ্বিস্বৰ 'ঐ' পোৱা নাযায়। মধ্য অসমীয়া ভাষাৰ এক অক্ষৰযুক্ত শব্দৰ বাহিৰে আন শব্দৰ শেষত থকা দ্বিস্বৰ --'ঐ' ৰ ঠাইত দৰঙীত '-এই' হয়। যেনে --

উজনি	দৰঙী
আখৈ	আখেই
মিঠৈ	মিঠেই

৫. দৰঙী উপভাষাত কেতিয়াবা পূর্বৱর্তী অক্ষৰত থকা নিম্ন - মধ্য - স্বৰধ্বনি উচ্চ স্বৰধ্বনিলৈ গতি কৰা দেখা যায়। যেনে---

উজনি	দৰঙী
টিকনি	টিকিনি
নিগনি	নিঙিনি

খ) ৰূপতাত্ত্বিক বৈশিষ্ট্য

১. মান্য অসমীয়া আৰু দৰঙী উপভাষাত বহুবচন বুজাবলৈ ব্যৱহাৰ কৰা নির্দিষ্টতাবাচক প্রত্যয়বোৰৰ মাজত পার্থক্য দেখা যায়। যেনে ---

<u>উজনি</u>	<u>দৰঙী</u>
আখৈবোৰ	আখৈইগিলা
ককাইদেউহঁতৰ	কাকায়েংকৰ
মাহীহঁতৰ	মাহুইথেৰ

২. শব্দ বিভক্তিৰ ক্ষেত্রত কেতিয়াবা মান্য অসমীয়া ভাষাৰ চতুর্থী বিভক্তিৰ সলনি দৰঙী উপভাষাত দ্বিতীয়া '-ক' বিভক্তি যোগ হয়। যেনে --

উজনি	দৰঙী
মই এতিয়া টংলালৈ যাম।	মই ইতা টংলাক যাম।

৩. দৰঙী উপভাষাত চতুৰ্থী বিভক্তিৰ অৰ্থ সূচাবলৈ অঞ্চলবিশেষ মূল শব্দৰ পিছত '-ল্লে' যোগ কৰা হয়। যেনে --

উজনি	দৰঙী
মই ঘৰলৈ যাম।	মই ঘৰল্লে যাম।

৪. কোনো-কোনো অঞ্চলত দ্বিতীয়া বিভক্তিৰ চিন '-ক'ৰ পিছত '-লেগি' পৰসৰ্গ যোগ দিও নিমিত্ত কাৰক বুজোৱা হয়। যেনে ---

উজনি	দৰঙী
সি ঘৰলৈ গ'ল।	মই ঘৰলেগি যাম।

গ) শব্দগত বৈশিষ্ট্য

দৰঙী উপভাষাৰ শব্দ ভাণ্ডাৰৰ ক্ষেত্ৰতো এক সুকীয়া বৈশিষ্ট্য দেখা যায়। মান্য অসমীয়া ভাষাৰ সৈতে দৰঙী উপভাষাৰ শব্দমূলক পাৰ্থক্য অনেক। যেনে--

উজনি	দৰঙী
ককাদেউতা	বুৰাপাই / বুৰাপা / আতা
পদুম	পদো
মিঠা আলু	গৰিয়া আলু
পখিলা	চকৰি
জিলী	ডেওঘণ্টা
অপচয়	আলেনি
প্ৰথম ঋতুমতী	উৰণ হোৱা
বিচনি	চৰপটী
	আদি।

১০.৭ কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপবোৰৰ মাজত তুলনা

অসমীয়া ভাষাৰ এটি অন্যতম উপভাষা কামৰূপীৰ কিছুমান আঞ্চলিক ৰূপ আছে। সেই আঞ্চলিক ৰূপবোৰক পশ্চিম অঞ্চলৰ, মধ্য অঞ্চলৰ আৰু দক্ষিণ অঞ্চলৰ ভাষা ৰূপ এই তিনিটা ভাগত ভগোৱা হৈছে। বৰপেটা আৰু ওচৰ-পাজৰৰ ঠাইবোৰক লৈ পশ্চিম অঞ্চল, নলবাৰী আৰু ওচৰ-পাজৰৰ ঠাইবোৰক লৈ মধ্য অঞ্চল আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ ছয়গাওঁ-বকো অঞ্চলক লৈ দক্ষিণ অঞ্চল -- এই আঞ্চলিক ৰূপবোৰৰ মাজত চকুত পৰা পাৰ্থক্য আছে। তলত প্ৰথমে মধ্য অঞ্চল (নলবাৰী) আৰু পশ্চিম অঞ্চল (বৰপেটা)ৰ ভাষাগত পাৰ্থক্যৰ আলোচনা কৰা হ'ল ---

ক) ধ্বনিতাত্ত্বিক পাৰ্থক্য

১. মধ্য অঞ্চলৰ 'অ'-ধ্বনি পশ্চিম অঞ্চলত 'আ' বা 'উ' ৰূপে প্ৰয়োগ হোৱা দেখা যায়। যেনে --

নলবাৰী	বৰপেটা
বৰা	বাৰা
বতাহ	বাতাহ

খ) ৰূপতাত্ত্বিক বৈশিষ্ট্য

১. সৰ্বনামৰ তিৰ্যক ৰূপৰ ক্ষেত্ৰত মধ্য অঞ্চল আৰু পশ্চিম অঞ্চলৰ মাজত পাৰ্থক্য দেখা যায়। যেনে --

নলবাৰী	বৰপেটা
তুহনৰ / তেনেথেৰ ইহঁতৰ	তুহাৰ
আহ্না / এহ্না / আহান (ইহঁত)	আহুন

২. দুয়োটা অঞ্চলত প্ৰয়োগ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ পাৰ্থক্য দেখা যায়। যেনে --

নলবাৰী	বৰপেটা
ইখান	ইখেন
জোকখোৰ	জুকখৰ

৩. দুয়োটা অঞ্চলত ক্ৰিয়া বিশেষণসমূহ কিছু বেলেগ। যেনে --

নলবাৰী	বৰপেটা
অহয় / অহায়	অহে
সহয় / সহায়	সহে
তেংকে	তেন্কে

৪. পুৰুষবাচক ক্ৰিয়া বিভক্তি দুয়ো অঞ্চলত প্ৰয়োগ হোৱা দেখা যায়। যেনে --

নলবাৰী	বৰপেটা
তুমি খ	তুমি খাউৱা
তুমি য	তুমি যাউৱা

গ) শব্দগত বৈশিষ্ট্য

নলবাৰী	বৰপেটা
মেউক্ৰী	মেক্ৰী
পিপ্ৰা	পিপাৰ
কৰে (কেৰাহী)	পাইলা
কাকে	ফনি

কামৰূপী উপভাষাৰ মধ্য বা পশ্চিম অঞ্চলৰ ৰূপৰ লগত ছয়গাওঁ, বকো অঞ্চল অৰ্থাৎ দক্ষিণ অঞ্চলৰো কিছু পাৰ্থক্য আছে। এই পাৰ্থক্যবোৰৰ একাংশ তলত উল্লেখ কৰা হ'ল --

১. মধ্য অঞ্চলৰ শব্দৰ ঙ > ৱঁ য় হঁ, জ > ঝ আৰু ঠ > চ দক্ষিণ অঞ্চলত হোৱা দেখা যায়। যেনে ---

নলবাৰী	ছয়গাওঁ, বকো
টেঙা	টেৰাঁ
ৰাঙা	ৰাৱাঁ
জোক	ঝুক
জাল	ঝাল
মামাঠেৰ	মামাচেৰ

২. বহুবচনাত্মক সর্বনাম শব্দ কিছুমানৰ ক্ষেত্রতো দক্ষিণ অঞ্চলৰ ভাষা কিছু বেলেগ। যেনে ---

ইহঁত -- আহ্না / এহ্না	এম্ৰা / ইমিৰা
তহঁত / তোমালোক -- তোহনা	তুমিৰা / তিমিৰা

৩. ক্রিয়াৰ ক্ষেত্রতো পার্থক্য পৰিলক্ষিত হয়। যেনে --

নলবাৰী	ছয়গাওঁ, বকো
সি খালাক	সি খাল
সি কলাক	সি কল



১০.৮ অধ্যায়টিৰ আমি কি শিকিলোঁ

. উপভাষাৰ বিষয়ে এটি ধাৰণা লাভ কৰিলোঁ

. অসমীয়া ভাষাৰ বিভিন্ন উপভাষা আৰু এইবোৰ সৃষ্টিৰ কাৰণবোৰ জানিলোঁ।

. উজনি, মধ্য আৰু নামনি অসমৰ উপভাষাৰ সামগ্রিক বৈশিষ্ট্যৰ বিষয়ে অৱগত হ'লো।

. দৰঙী তথা গোৱালপৰীয়া উপভাষাৰ বিষয়ে শিকিলোঁ।

. কামৰূপী উপভাষাৰ বিভিন্ন স্থানীয় ৰূপ আৰু তাৰ বৈশিষ্ট্যৰ বিষয়ে জ্ঞান লাভ কৰিলোঁ।



১০.৯ অধিক জানিবলৈ

১. পাটগিৰি, দীপ্তি ফুকন (সম্পা.) ঃ *অসমীয়া ভাষাৰ উপভাষা*, বিশ্ববিদ্যালয় প্রকাশন বিভাগ, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, প্রথম প্রকাশ, ২০০৭ চন।

২. পাঠক, ৰমেশ ঃ *উপভাষা বিজ্ঞানৰ ভূমিকা*, অশোক বুক ষ্টল, গুৱাহাটী, তৃতীয় প্রকাশ, ২০১৩ চন।

৩. পাঠক, জীৱন (২০১৭) ঃ দৰঙী উপভাষা অধ্যয়ণ বনলতা, গুৱাহাটী

৪. ভট্টাচার্য, বসন্ত কুমাৰ ঃ *ভাষা বিজ্ঞান প্ৰৱেশ*, চন্দ্ৰ প্ৰকাশ, দ্বিতীয় প্ৰকাশ, ২০০৮ চন।
৫. ভট্টাচার্য, ভৰালী, বিভা (২০১৮), কামৰূপী উপভাষা, এটি অধ্যয়ণ ঃ ড° বৈকুণ্ঠ ৰাজবংশী, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী
৬. মৰল, দীপাংকৰ ঃ *উপভাষা বিজ্ঞান*, বনলতা, পাণবজাৰ, তৃতীয় প্ৰকাশ, ২০০৭ চন।
৭. হাকাচাম, উপেন ৰাভা ঃ *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা*, জ্যোতি প্ৰকাশন, পাণবজাৰ, দ্বিতীয় সংস্কৰণ, ২০১৪ চন।

১০.১০ অগ্ৰগতি খতিয়ান (কেৱল ৰূপৰেখা)

১. নং প্ৰশ্নৰ উত্তৰ - আৰম্ভণি - উপভাষাৰ সংজ্ঞা - উপভাষা সৃষ্টিৰ কাৰণসমূহ -- সামৰণি
২. নং প্ৰশ্নৰ উত্তৰ -- আৰম্ভণি -- কামৰূপী আৰু গোৱালপৰীয়া উপভাষাৰ পৰিচয় -- উভয়ৰে বৈশিষ্ট্যৰ তুলনা -- সামৰণি
৩ নং প্ৰশ্নৰ উত্তৰ -- আৰম্ভণি -- উজনি, মধ্য আৰু নামনি অসমৰ উপভাষাৰ পৰিচয় -- উপভাষা তিনিটাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ তুলনা -- সামৰণি

১০.১১ আৰ্হি প্ৰশ্ন

১. মধ্য অসমৰ উপভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যবোৰ আলোচনা কৰক।
২. দৰঙী উপভাষা কোনবোৰ ক্ষেত্ৰত মান্য অসমীয়াতকৈ পৃথক? ফঁহিয়াই লিখক।
৩. কামৰূপী উপভাষাৰ আঞ্চলিক ৰূপকেইটা কি কি? ৰূপকেইটাৰ ভাষিক বৈশিষ্ট্যৰ এটি আলোচনা আগবঢ়াওক।
৪. কামৰূপী উপভাষাৰ আৰু মান্য ভাষাৰ মাজত থকা পাৰ্থক্যবোৰ আলোচনা কৰক।

অধ্যায় ১১ ঃ অসমৰ জনগোষ্ঠীয় মূলৰ নৃগোষ্ঠীয় উপভাষা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ অসমৰ নৃগোষ্ঠীয় উপভাষাৰ চমু পৰিচয়

১১.৪ অসমৰ নৃগোষ্ঠীয় উপভাষা

১১.৪.১ ৰাভামিজ বা ৰাভা-অসমীয়া

১১.৪.২ তিৰামিজ বা তিৰা-অসমীয়া

১১.৪.৩ দেউৰীমিজ বা দেউৰী-অসমীয়া

১১.৪.৪ মিচিংমিজ বা মিচিং-অসমীয়া

১১.৪.৫ আহোমমিজ বা টাই-অসমীয়া

১১.৫ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

১১.৬ অধিক জানিবলৈ

১১.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১১.৮ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমৰ জনগোষ্ঠীয় মূলৰ নৃগোষ্ঠীয় উপভাষাৰ সম্পর্কে জানিব পাৰিব
- ৰাভামিজ, নৃগোষ্ঠী কেইটাৰ ধ্বনিতাত্বিক, ৰূপতাত্বিক, শব্দগত আদি বৈশিষ্ট্য সম্পর্কে জ্ঞাত হ'ব
- তিৰামিজ, নৃগোষ্ঠী এই কেইটাৰ কেতবোৰ কথিত ৰূপৰ বিষয়ে জানিব পাৰিব
- দেউৰীমিজ, এই নৃগোষ্ঠী কেইটাৰ মূলৰ বৈশিষ্ট্য সম্পর্কে পৰিচয় লাভ কৰিব
- মিচিংমিজ আৰু আহোমমিজ, এই নৃগোষ্ঠী কেইটাৰ সৈতে অসমীয়া ভাষাৰ সম্পর্কৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব।

১১.২ পৰিচয়

'উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা' পাঠ্যবিষয়ৰ এইটো একাদশ অধ্যায়। ইয়াত এটা আকর্ষণীয় বিষয়ৰ আলোচনা আগবঢ়োৱা হৈছে। অসমীয়া ভাষাৰ উপভাষাৰ উলোচনাত অসমৰ নৃগোষ্ঠীয় উপভাষা সমূহৰ ভূমিকা উল্লেখযোগ্য যে এই অধ্যায়টি অসমৰ তেনে কেইটামান উল্লেখযোগ্য নৃগোষ্ঠীৰ ভাষাৰ আলোচনা আগবঢ়োৱা হৈছে।

অসমত প্ৰধানত অষ্ট্ৰেলীয়, নেগ্ৰিটো, মঙ্গোলীয় আৰু ককেচীয়া এই চাৰিটা প্ৰধান নৃগোষ্ঠীয় প্ৰজাতিৰ লোকে পোৱা যায়। অৱশ্যে ইয়াৰে অধিকাংশ লোকেই হ'ল মংগোলীয় প্ৰজাতিৰ লোক। ভূৱনমোহন দাসৰ মতে অষ্ট্ৰেলীয়, নেগ্ৰিটো লোকসকলে প্ৰথম অৱস্থাত মঙ্গোলীয় আৰু পিছলৈ ককেচীয়া প্ৰজাতিৰ সৈতে সংমিশ্ৰণ ঘটি শেষত বিলীন হৈ যায়। অসমত বসবাস কৰা মঙ্গোলীয় প্ৰজাতিৰ লোকসকলৰ অধিকাংশই জাতিগতভাৱে মংগোলীয় প্ৰজাতিৰ লোক যদিও ভাষিক ক্ষেত্ৰত এওঁলোক চীন-তিব্বতী। ইয়াৰে আকৌ বিভাগ অনুসৰি কিছুসংখ্যক তিব্বত-বৰ্মীয় আৰু কিছু সংখ্যক শ্যামচীনীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত। শ্যামচীনীয় শাখাৰ টাই (আহোম) ভাষাৰ বাদে বাকী আলোচিত আটাইকেইটা নৃগোষ্ঠী উপভাষাৰ মূল ভাষা হ'ল তিব্বত-বৰ্মী।

নৃগোষ্ঠীয় উপভাষাৰ কেতবোৰ উমৈহতীয়া ভাষিক বৈশিষ্ট্য লক্ষ্য কৰা যায়। তিব্বত-বৰ্মীয় ভাষা বিশেষজ্ঞ উপেন ৰাভা হাকাচামে এনে ভাষিক বৈশিষ্ট্যৰাজিক এইদৰে নিৰ্দেশ কৰিছে— "নৃগোষ্ঠীয় উপভাষাত সাধাৰণতে দুটা ভাষাৰ ৰূপ কম-বেছি পৰিমাণে সাঙোৰ খাই থাকে। দুই বা ততোধিক ভাষাৰ সহ-অৱস্থানত (একেখন ভাষাগত ক্ষেত্ৰত) সৃষ্টি হোৱা এটা বিশেষ জনগোষ্ঠীৰ মাজত প্ৰচলিত উপভাষা (creole বা pidgin) হিচাপে ইয়াত মূল আধাৰ ভাষাৰ মৌলিক বৈশিষ্ট্য সম্পূৰ্ণৰূপে ৰক্ষিত থাকে। ইয়াৰ লগে লগে সেই বিশেষ জনগোষ্ঠীৰ প্ৰাচীন ৰূপ বা চলতি ৰূপৰ উপাদান (ধ্বনি-ৰূপ- শব্দ আৰু বাক্য গাঁথনি) সোমাই মূল ভাষাটোৰ কথিত ৰূপত এক স্বকীয়তা প্ৰদান নকৰাকৈ নাথাকে। .....ইয়াৰ আঞ্চলিক উপভাষাৰ দৰে একোটা স্থায়ী আৰু সুদৃঢ় ভেটি আছে যিটো সেই জনগোষ্ঠীৰ পূৰ্বৰ ভাষিক বৈশিষ্ট্যৰ দ্বাৰা সুনিয়ন্ত্ৰিত।"

অসম এখন বহু ভাষা-ভাষিক ৰাজ্য। বহু ভাষিক ৰাজ্য হিচাপে সেয়ে এনে পৰিৱেশত বিভিন্ন নৃগোষ্ঠীৰ লোকৰ মাজত ভাৱৰ আদান-প্ৰদানৰ উদ্দেশ্যে এটা আঞ্চলিক সংযোগী ভাষাৰ অতিকৈ প্ৰয়োজন। সুদূৰ অতীতলৈ ঘূৰি চালে দেখা যায় যে, ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা নানা নৃগোষ্ঠীয় মূলৰ লোকে নানা ভাষা পৰিয়ালৰ উপভাষা ব্যৱহাৰ কৰি নিজৰ দৈনন্দিন জীৱনৰ কাৰ্য চলাই আহিছে। এসময়ত ৰাজভাষা মৰ্য্যদা পোৱা অসমীয়া ভাষাই অসমৰ লগতে চুবুৰীয়া ৰাজ্যৰ পাহাৰে-ভৈয়ামে তথা বিভিন্ন ভাষা-ভাষী, জনগোষ্ঠীৰ মাজত সংযোগী ভাষা ৰূপে সেৱা আগবঢ়াইছিল। অতি সম্প্ৰতি অসমত প্ৰচলিত আহোমসকলৰ লগতে অসমীয়াৰ বিভিন্ন নৃগোষ্ঠীয় উপভাষা দেউৰী, ৰাভা, মিছিং, তিৱা, মৰাণ, খামতি আদিৰ মাজত কথিত অসমীয়া ৰূপত প্ৰৱৰ্তি আছে।

১১.৩ অসমৰ নৃগোষ্ঠীয় উপভাষাৰ চমু পৰিচয়

অসম তথা উত্তৰ পূৰ্বাঞ্চল ভাষাৰ ভূস্বৰ্গ স্বৰূপ। অসমীয়া অসমৰ ৰাজ্য ভাষা আৰু অসমত বসবাস কৰা অধিকাংশ লোকৰেই অসমীয়া হ'ল সংযোগী ভাষা। অসমত অসমীয়া ভাষাৰ বহুকেইটা নৃগোষ্ঠীয় উপভাষা আছে। তাৰ ভিতৰত 'ৰাভামিজ' (ৰাভা-অসমীয়া),

'তিৰামিজ' (তিৰা-অসমীয়া), 'দেউৰীমিজ' (দেউৰী-অসমীয়া), 'আহোমমিজ' (টাই-অসমীয়া), 'মিচিংমিজ' (মিছিং-অসমীয়া), সোণোৱাল কছাৰীসকলৰ কথিত অসমীয়া, 'মৰাণমিজ' (মৰাণ-অসমীয়া) আদিয়ে প্ৰধান বুলিব পাৰি।

'ৰাভামিজ' পাতি, বিতলিয়া, দোহাৰি চুঙা, টোটলা ৰাভাসকলৰ কথিত ভাষা। এই ভাষাটো বিশেষকৈ অসমৰ কামৰূপ, গোৱালপাৰা, শোণিতপুৰ আৰু মেঘালয়ৰ গাৰো পাহাৰত বসবাস কৰা ৰাভাসকলৰ মাজত বিশেষভাৱে প্ৰচলিত।

তিৰাসকলৰ কথিত তিৰা-অসমীয়াই হ'ল 'তিৰামিজ' ভাষা। অসমৰ মৰিগাঁও আৰু ইয়াৰ দাঁতি-কাষৰীয়া কামৰূপ, কাৰ্বি আংলং আৰু নগাঁও জিলাত বসবাস কৰা তিৰাসকলৰ মাজত 'তিৰামিজ' প্ৰচলিত। 'দেউৰীমিজ' (দেউৰী-অসমীয়া) দিবঙীয়া খেলৰ দেউৰীসকলৰ কথিত উপভাষা। দেউৰীসকলৰ মাজত চাৰিটা খেল আছে যদিও কেৱল দিবঙীয়া খেলৰ মাজত 'দেউৰীমিজ' (দেউৰী-অসমীয়া) প্ৰচলিত। উজনি অসমৰ শদিয়া, লক্ষীমপুৰ, শিৱসাগৰ, ডিব্ৰুগড় আদিত বসবাস কৰা দিবঙীয়া খেলৰ দেউৰীৰ মাজত এই উপভাষা বৰ্তি আছে।

সেইদৰে উজনি অসমত বাস কৰা আহোমসকলৰ কথিত উপভাষাই হ'ল 'আহোমমিজ' (টাই-অসমীয়া)। উজনি অসমৰ প্ৰায়বোৰ আহোম অঞ্চল বিশেষত এই উপভাষাৰ প্ৰভাৱ বিদ্যমান।

মিচিংসকলৰ কথিত মিচিং-অসমীয়াই হ'ল 'মিচিংমিজ'। উজনি অসমৰ শদিয়া, ডিব্ৰুগড়, লক্ষীমপুৰ, শিৱসাগৰ, যোৰহাট, শোণিতপুৰ, দৰং আদিৰ মিচিংসকলৰ মাজত এই উপভাষা প্ৰচলিত। সোণোৱাল কছাৰীৰ কথিত অসমীয়াই হ'ল 'সোণোৱালমিজ'। উজনি অসমৰ প্ৰায় ৩০৫ খন গাঁৱত বসবাস কৰা সোণোৱাল কছাৰীৰ মাজত এই উপভাষাৰ ৰূপ পোৱা যায়। নিজৰ বৈশিষ্ট্যপূৰ্ণ ভাষা-সংস্কৃতি থকা সত্বেও অসমীয়া ভাষা-সংস্কৃতিকে নিজৰ বুলি জ্ঞান কৰা সোণোৱালসকল হ'ল অসমৰ অন্যতম জনগোষ্ঠী।

মৰাণসকলৰ কথিত উপভাষাই হ'ল 'মৰাণমিজ' (মৰাণ-অসমীয়া)। উজনি অসমৰ তিনিচুকীয়া জিলাৰ শদিয়া, মাৰ্ঘেৰিটা আৰু তিনিচুকীয়া মহকুমা; ডিব্ৰুগৰ জিলাৰ ডিব্ৰুগৰ মহকুমা আৰু অৰুণাচলৰ নামচাই মহকুমাৰ প্ৰায় ২২৬ খন গাঁৱত মৰাণসকলৰ বসতি আছে।

সেইদৰে আৰ্য-ভিন্ন তিব্বত-বৰ্মী ভাষাৰ লগতে আৰ্যমূলীয় ভাষা যেনে-নেপালীসকলৰ 'নেপালী-অসমীয়া', কাছাৰৰ বাঙালীসকলৰ 'চিলেটীয়া (কছাৰী) অসমীয়া', অভিবাসী সম্প্ৰদায়ৰ 'উজানী' (দেশী) আৰু 'ভাটীয়া (মৈমনসিঙীয়া) অসমীয়া', শিক্ষিত আৰু অভিজাত বাঙালী পৰিয়ালৰ 'ঔপনিৱেশিক অসমীয়া', মহানগৰকেন্দ্ৰিক মাৰোৱাৰী সম্প্ৰদায়ৰ 'হিন্দী মিশ্ৰিত অসমীয়া'ৰ লগতে শিৱসাগৰৰ অসমীয়া, নগা গাঁৱৰ নগাসকলৰ মাজত প্ৰচলিত 'নাগামিজ' আদি কেতবোৰ নৃগোষ্ঠীয় বা সামাজিক শ্ৰেণী উপভাষা অসমত সম্প্ৰতি প্ৰচলন আছে।

১১.৪ অসমৰ নৃগোষ্ঠীয় উপভাষা

১১.৪.১ ৰাভামিজ বা ৰাভা-অসমীয়া

তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ এটি অন্যতম ভাষা গোষ্ঠী হ'ল ৰাভা জনগোষ্ঠী। ৰাভাসকল প্ৰধানকৈ অসমৰ কামৰূপ, গোৱালপাৰা, শোণিতপুৰ আৰু মেঘালয়ৰ গাৰো পাহাৰত বসবাস কৰি আছে। ৰাভাসকলৰ মাজত ৰংদানি, মায়তৰি, পাতি, বিতলিয়া, দোহাৰি চুঙা, টোটলা আৰু কোচা এই আঠটা ফৈদ আছে। ইয়াৰে ৰংদানি, মায়তৰি আৰু কোচা এই তিনিটা ফৈদৰ মাজত ৰাভা মাতৃভাষা হিচাপে প্ৰচলন থকাৰ বিপৰীতে বাকী কেইটাৰ মাজত অসমীয়া ভাষাৰ প্ৰচলন দেখা যায়।

'ৰাভামিজ' অসমীয়াৰ এটা নৃগোষ্ঠীয় উপভাষা। ৰাভা 'পিজিন' আৰু 'অসমীয়া ক্ৰেওল'-এই দুটা ৰূপত ক্ৰমে ৰাভা ভাষা কোৱা আৰু ৰাভা ভাষা পাহৰা এই দুই ফৈদৰ মাজত ৰাভামিজ প্ৰচলিত। ৰাভামিজৰ মূল ভিত্তি হ'ল অসমীয়া লগতে ইয়াৰ অৰ্বাচীন কথিত আৰু প্ৰাচীন লিখিত ৰূপ। অৱশ্যে, ৰাভামিজৰ ধ্বনিগত, ৰূপগত, শব্দগত, বাক্যগত আদিৰ দিশত ৰাভা ভাষাৰ প্ৰভাৱ বিদ্যমান। বিশেষকৈ ৰাভামিজৰ বাক্যৰ জতুৱা ঠাঁচ, খণ্ডবাক্যৰ গাঁঠনি আদিৰ ক্ষেত্ৰত এনে প্ৰভাৱ অতি স্পষ্ট। তলত ৰাভামিজৰ মাজত নিহিত হৈ থকা ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দগত আদি বিভিন্ন উপাদানৰ সম্বন্ধে আলোচনা দাঙি ধৰা হ'ল—

১। ধ্বনিতাত্ত্বিক উপাদান ঃ

(ক) ৰাভা আদি কৰি তিব্বত-বর্মীয় ভাষাত 'অ' ধ্বনিৰ প্ৰয়োগ নাই। সেয়েহে ধাৰ কৰা শব্দৰ ক্ষেত্ৰত অন্ত্য স্থানৰ 'অ' ধ্বনি 'অ' / 'ও' লৈ পৰিবৰ্ত্তন হয়, নহয় লোপ পায়। ৰাভাৰ দৰে ৰাভামিজতো এনে বৈশিষ্ট্য বিদ্যমান। যেনে- ক'ইনা (কইনা), আদ'ৰ (আদৰ), প'লো (পল), আছাৰ্ (আহাৰ) ইত্যাদি।

(খ) সাধাৰণতে ৰাভা ভাষাত অন্ত্য অৱস্থানত থকা 'অ' ধ্বনি প্ৰায়ে 'আ' হয়। ৰাভা ভাষাৰ দৰে ৰাভামিজতো এনে বৈশিষ্ট্য অতি প্ৰকট। যেনে-ৰাজা (ৰজা), পাথাৰ (পথাৰ), সোণা (সোণ), দেহা (দেহ), বেৰা (বেৰ), পুৰানা (পুৰণি) -ইত্যাদি।

(গ) শব্দত ওচৰা-ওচৰিকৈ দুটা 'আ' ধ্বনিৰ প্ৰয়োগ ৰাভা ভাষাৰ দৰে ৰাভামিজৰ আন এক বৈশিষ্ট্য। (কামৰূপী ভাষাতো এনে ধৰণৰ প্ৰয়োগ আছে। মান্য অসমীয়াত আকৌ এনে পৰিস্থিতিত 'আ'>এ হয়) যেনে— চাকা (চকা), ৰাজা (ৰজা), পাথাৰ (পথাৰ), কালা (ক'লা), ৰাঙা (ৰঙা), তাৰা (তৰা) ইত্যাদি।

(ঘ) ৰাভা ভাষাৰ দৰে ৰাভামিজত কণ্ঠ্য সঘোষ মহাপ্ৰাণ ধ্বনি 'হ' (h)ৰ ঠাইত কণ্ঠ্য অঘোষ মহাপ্ৰাণ ধ্বনি 'হ' (*h*)ৰ প্ৰয়োগ আছে। সেয়েহে দুয়োটা ভাষাতে স্ৱৰান্ত 'অ' যুক্ত 'হ' অক্ষৰৰ লোপ পায়, নহয় 'হা' (ha) হিচাপে উচ্চাৰিত হয়। যেনে- মছা (মহ), মাহ (মা/মাছ), বাৰা (বৰা/বৰাহ), চাহা (চাহ) ইত্যাদি।

(ঙ) ৰাভা ভাষাৰ দৰে ৰাভামিজতো শব্দৰ অন্ত্য অৱস্থানত 'জ' (dz) ধ্বনিৰ প্ৰয়োগ নাই। সেইদৰে অন্ত্য অৱস্থানত সঘোষ মহাপ্ৰাণ ধ্বনি 'ঘ', 'ধ', 'ভ' ৰ ঠাইত প্ৰায়ে অল্পপ্ৰাণ 'গ', 'দ', 'ব' বহে। যেনে- মাগ্ মাছ (মাঘ মাহ), বুদ্বাৰ

(বুধবাৰ, লাব্ (লাভ) -ইত্যাদি।

(চ) ৰাভামিজত মান্য অসমীয়া ভাষাৰ 'এ' (e) ধ্বনিৰ প্ৰয়োগ নাই। সেয়েহে ৰাভামিজত এ' > ই হয়। সেইদৰে দন্ত্য / মুৰ্ধন্য ধ্বনিৰ পৰিৱৰ্তে দন্ত্যমূলীয়, অনুনাসিক চন্দ্ৰ বিন্দু (ঁ)-ৰ ঠাইত নাসিক্য ৰূপে উচ্চাৰিত হয়। তদুপৰি 'ঢ়'/ 'ড়' পৰিৱৰ্তে 'ৰ', 'ঋ'-ৰ পৰিৱৰ্তে 'ৰি' ধ্বনি প্ৰয়োগ হয়। যেনে-ছিন্দুৰ (সিন্দুৰ), আঞ্চল (আঁচল), গাৰি (গাড়ী), কিৰপিন (কৃপন), বুৰা (বুঢ়া) ইত্যাদি।

২। ৰূপতাত্ত্বিক উপাদান ঃ

(ক) দ্বিৰুক্তিবাচক শব্দৰ প্ৰয়োগ ৰাভামিজ ভাষাৰ আন এক বিশেষত্ব। ৰাভামিজত প্ৰয়োগ হোৱা কেতবোৰ দ্বিৰুক্তিবাচক শব্দ হ'ল- বগা ফলফলা (ধকধকীয়া বগা), ৰাঙা টকটক (টিক্‌টিকীয়া ৰঙা), কালা কিটকিটা (কিচকিচীয়া ক'লা), ছেল-ছেলা (নিশকতীয়া),উপাক পাক (আগ গুৰি নোহোৱা কথা), লেতেতেৰ-পেতেতেৰ (অতি লেতেৰা), হাৰা জেং জেঙা (হাড়ে ছালে লগা), চিক-চিকা (চিকচিকীয়া), খাটাং-টাং (অতি চুটি) ইত্যাদি।

(খ) ভাষাৰ তিৰ্যক ৰূপ সকলো ভাষাৰে এক গুৰুত্বপূৰ্ণ বিষয় যদিও ৰাভামিজত এনে তিৰ্যক ৰূপৰ ব্যৱহাৰ অতি সীমিত।

(গ) ৰাভাৰ দৰে ৰাভামিজতো তৃতীয় পুৰুষত প্ৰয়োগ হোৱা নিৰ্দিষ্টতাবাচক একমাত্ৰ সম্বন্ধ পদ ব্ৰা / বাৰা প্ৰত্যয়ৰ প্ৰয়োগ আছে। বিশেষকৈ দুধনৈৰ পশ্চিম অঞ্চলত থকা পাতিৰাভাসকলৰ ৰাভামিজত এনে প্ৰত্যয়ৰ প্ৰয়োগ লক্ষ্য কৰা যায়। যেনে— দাদাবাৰা (ককায়েক), ভাইবাৰা (ভায়েক), বুইনিবাৰা (ভনীয়েক)।

(ঘ) ৰাভা ভাষাৰ দৰে ৰাভামিজতো কৃৎ আৰু তদ্ধিত প্ৰত্যয়ৰ সংখ্যা অতি তাকৰ। ৰাভামিজত বহুলভাৱে প্ৰয়োগ হোৱা এনে প্ৰত্যয়কেইটা হ'ল-আনি, -আৰু, -ঈয়া আৰু -উৱা প্ৰত্যয়। যেনে— ঘৰঘেৰাণি (মাঘ বিহুৰ উৰুকাত গৃহস্থৰ সকলোবিলাক

ঘৰ ঘেৰ দিয়া পৰ্ব)ঃ ঘৰ+ঘেৰ-আনি

হালুৱা (হালোৱা) ঃ হাল + উৱা,

বুনুৱা (বনৰীয়া) ঃ বুন + উৱা

মদাৰু (মদপী) ঃ মদ + আৰু

ঠগাৰু (ঠগ) ঃ ঠগ + আৰু ইত্যাদি।

(ঙ) '-লা', '-কা' আদি স্বাৰ্থিক প্ৰত্যয়ৰ সংযোগত বিভিন্ন ক্ৰিয়া বিশেষণ পদৰ গঠন ৰাভামিজৰ অন্যতম বৈশিষ্ট্য। যেনে— এলা (এতিয়া), তেলা (তেতিয়া), যেলা (যেতিয়া), নাইকা (নাইকিয়া) ইত্যাদি।

(চ) ৰাভামিজত কোনো ব্যক্তি-বিশেষক সম্বোধনৰ ক্ষেত্ৰত পুৰুষ-নাৰী ভেদে 'হে', 'হেৰ', 'হাৰ', 'ৰে' আদি প্ৰত্যয়ৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। যেনে- আইহে / বাবাহে, বাইৰে / দাদাৰে আদি।

৩। শব্দগত উপাদান ঃ

দেশী বা আর্যভিন্ন ভাষাৰ শব্দৰ প্রয়োগ ৰাভামিজৰ অন্যতম বৈশিষ্ট্য। ইয়াৰে বেছি সংখ্যকেই ৰাভাদি তীব্বতবর্মী ভাষাৰ সৈতে সাদৃশ্য আছে। শব্দগত উপাদানসমূহক আমি এনেদৰে আলোচনা কৰিব পাৰোঁ—

(ক) সম্বন্ধবাচক শব্দ ঃ সম্বন্ধবাচক শব্দ প্রয়োগৰ ক্ষেত্রত ৰাভা ভাষাৰ সৈতে প্রায় একে। ৰাভামিজত ব্যৱহৃত সম্বন্ধবাচক শব্দসমূহ হ'ল-আতা, আবু, আই, বাবা (আফা), আপা, আপী, ছোংগ্রা (তাৰৈয়েক), ছোংগ্রী (আমৈয়েক), বাই (বিবি), দাদা, দহো (দেওৰেকৰ ঘৈণীয়েক বা নন্দেকেৰ গিৰীয়েক) ইত্যাদি।

(খ) খাদ্য, সাজপাৰ সম্বন্ধীয় শব্দ ঃ জিমটেঙা (খৰিচা), ডিঙোৱা (চুঙা পিঠা), ভর্তা (পিটিকা), মাৰিভাত, ঝকৰাভাত, ছাংকা (শাক), পোংনা (ভাপত সিজোৱা পিঠা), ডিঙোৱা (চঙা পিঠা) ইত্যাদি।

(গ) জীৱ-জন্তু সম্পর্কীয় শব্দ ঃ ছগৰা (হৰিণ), জহামাল, হাপা, ভালিঙা (শৰ), কুৰাং (ৰাংকুকুৰ), লক্রা (কুকুৰনেচীয়া), ঘোং, মাছৰেঙা /মাছেলেক), ফেচুলুকা, চকেয়া (টোকোৰা), ছাৰুক (শালিকা), কানকুৰিকা, ডাউকি, প্রায়পক বা পায়পুৰিকি (বুলবুলি), মকৰা ইত্যাদি।

(ঘ) মাছ-কাছ সম্বন্ধীয় শব্দ ঃ নিচলা, কুকুলা, চেংভর্খা, পোংনা (পোনা), টেংনা (শিঙৰা), মঙা (মোৰা), টাকি (গৰৈ), ফৈলা (কান্দুলী) ইত্যাদি।

(ঙ) খাদ্য সম্বন্ধীয় শব্দ ঃ আমছিংৰি (টেঙেচি টেঙা), ঢেকীয়া, বিথুৰা (জিলমিল), জিমটেঙা (খৰিচা), পোংনা (ভাপত সিজোৱা পিঠা, ভর্তা (পিটিকা), ছুৰা দিয়া (পোৰা), ঝুগলী (এবিধ মদ), ছাংকা (শাক), ডিঙোৱা (চুঙা পিঠা), মাৰিভাত, আওতা (থপথপীয়াকৈ ৰন্ধা আঞ্জা), বাকৰা ভাত, খোলাত দিয়া আদি।

(চ) অন্যান্য শব্দ ঃ ছাম (উৰাল), কের্খা (নেওঠনী), খোলায় (খালৈ), জাখা (জাকৈ), গাৰি (টোলোঠা), চেপা, ডিঙৰি, নঙলা বা নঙল কিলাকুটি, নুনু (স্তন), গন্দুল (গৰাল), দামল (গড়-খাৰৈ), টাঙোন, জাখলা, জোং, বোথোলা (কুঁহিলা) ইত্যাদি।

(ছ) জতুঁৰা ঠাচ-খণ্ডবাক্য ঃ পুং-স্ত্রী লিংগ ভেদে ব্যৱহাৰ হোৱা সাধিত বিশেষণৰ উপস্থিতি ৰাভামিজৰ অন্যতম বিশেষত্ব। যেনে-খাবা নাপুৰা-খাবা নাপাইতী (ভোকাতুৰ), নাককাটা-নাককাটী (ডাংকাটী), তামিলা-তামিলী (পৰিপাটিকৈ থকা ব্যক্তি), বাখিনা-বাখিনী (বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী), তিৰী ভাৰুৱা (তিৰোতা হেৰুৱা), ছুল-ছুলী (লচপচী, তিৰীমুৰা বা ঝোৱামুখীয়া (তিৰোতা সুলভ আচৰণ কৰা), বিয়াতা ভাতাৰ (চপনীয়া চপা), কাণ থাৰেঙা (শহাকণীয়া)), মনে চিতে নিমিলা (অপছন্দ), বান্দৰ ঠগ দি (ব্রহ্মা ঠগ দি), ৰাঙা টক টক (তেজৰঙা), বনত পুৰিয়া মৰ (যৌৱন বিনিষ্ট হ), বেং সাৱটাদি (গবা মাৰি ধৰ), পকা দুপৰ (ভৰ

দুপৰীয়া), মামাৰ বেটী কালাই শাক (ৰাহি যোৰা) ইত্যাদি।

১১.৪.২ তিৰামিজ বা তিৰা-অসমীয়া

তিৰা (লালুং)সকল অসমৰ বিশেষকৈ মৰিগাঁও আৰু ইয়াৰ দাঁতি-কাষৰীয়া কামৰূপ, কার্বি আংলং আৰু নগাঁও জিলাত বসবাস কৰি আছে। তিৰা জনগোষ্ঠীৰ মাজত দুটা ফৈদ পোৱা যায়-পাহাৰীয়া তিৰা আৰু ভৈয়ামৰ তিৰা। ইয়াৰে ভৈয়ামৰ তিৰাসকলে নিজৰ মূল তিব্বত-বর্মীয় ভাষাটো পাহৰি পেলাইছে আৰু তাৰ পৰিৱর্তে অসমীয়া ভাষাৰ এটা নৃগোষ্ঠীয় ৰূপেৰে (তিৰামিজ) দৈনন্দিন জীৱনত প্রয়োগ তথা ভাৱ-বিনিময় কৰি আহিছে।

(১) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) ধ্বনিৰ এটা স্বৰৰ পৰিৱর্তে অন্য এটা স্বৰৰ প্রয়োগ তিৰামিজৰ অন্যতম বিশেষত্ব। যেনে- গৰৈ > গৰাই, কাৰৈ > কৰেই, জালুৰৈ > জালুৰাই, বিজুলী > বিজিলি, বিয়লি > বিয়ালি ইত্যাদি।

(খ) উচ্চ স্বৰৰ প্রতি প্রৱণতা তিৰামিজৰ আন এক বিশেষত্ব। যেনে-মোৰ > মুৰ, তোৰ > তুৰ, কোমোৰা > কুমুৰা, দেখোন > দেখুন, মনি > মুনি, কোঁৱৰ > কুঙৰ, উমনি > উমুনি ইত্যাদি। এ' / এ ধ্বনিৰ ক্ষেত্রত ই -ৰ পৰিৱর্তে এ' / এ অপৰিবর্তিত ৰূপত থাকে। যেনে- ইমান > এমান, কিমান > কেমান ইত্যাদি।

অৱশ্যে দুই এটা শব্দ ব্যতিক্রম নথকা নহয়। যেনে-তেতিয়া > তিতিয়া, এতিয়া > ইতা ইত্যাদি।

(গ) কামৰূপী উপভাষাৰ দৰে তিৰামিজতো 'অ' ধ্বনিৰ ঠাইত 'আ' ধ্বনিৰ প্রাধান্য মনকৰিবলগীয়া। যেনে— বেৰ > বেৰা, বাপ > বাপা, পোক > পকা আদি। অৱশ্যে ওচৰা-ওচৰিকৈ দুটা আ ধ্বনি থাকিলে উজনিৰ উপভাষাৰ দৰে প্রথমটো আ > এ / অ হয়। যেনে- ছাতা > ছতা (ছাতি), ছানা > ছেনা / ছনা (পোৱালি)।

(ঘ) এটা ব্যঞ্জনৰ পৰিৱর্তে আন এটা সমবর্গীয় ব্যঞ্জনৰ প্রয়োগ তিৰামিজৰ অন্য এক ধ্বনিগত বৈশিষ্ট্য। যেনে—

শ, ষ, স > হ / খ ঃ সাজি > খাজি, শিয়াল > হিয়াল, বৰষুণ > বৰখুন।

ল, ৰ > ন ঃ কেৰেলুৰা > কেৰেন্দা, ৰান্ধনী > নাধনী।

ঢ়, ড় > ৰ ঃ ধৰাবুড়ী > ধৰাবুৰী, জেলাবুঢ়া > জেলাবুৰা।

জ > ঝ / দ / ছ ঃ জগৰ, ঝগৰ, জীয়েক > ঝীয়েক, জেঠাই > দেঠাই, কাগজ > কাগছ।

অৱশ্যে দুই-এটা ব্যতিক্রম নথকা নহয়। যেনে- নখ > নক, বাঘা > বাক ইত্যাদি।

(ঙ) দ্বি-স্বৰৰ প্ৰাধান্য, বিশেষকৈ ই / ঈ / এ / ঐ আৰু অ,ও > ঔ কাৰান্ত শব্দৰ প্ৰাধান্য ইয়াৰ অন্য এক মনকৰিবলগীয়া দিশ। যেনে— পোহে > পুহৈ, মাহী > মাহৈ, যাব > যাবউ, নাচে > নাচৈ, হ'ব > হবউ ইত্যাদি।

(চ) আদ্য আৰু মধ্য স্থানত 'হ' ধ্বনিৰ আগম আৰু অন্ত্যস্থানত 'হ'-ৰ লোপ তিৰামিজৰ আন এক বিশেষত্ব। যেনে— বতাহ > বতা, সাহস > সাহ, উকিয়া > হকিয়া, সীয়া > সিহা, নিয়ৰ > নিহৰ ইত্যাদি।

সেইদৰে অন্ত্য অৱস্থানত 'ক' ধ্বনিৰ আগম তিৰামিজৰ অন্যতম বৈশিষ্ট্য। যেনে- জামু > জামুক, ধেনু > ধেনুক, আধা > আধক ইত্যাদি।

২। ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) মান্য অসমীয়াৰ দৰে তিৰামিজতো -ঈ, -ইনী -অনী -উনী -নী, -ৰী, -তী আদি প্ৰত্যয় সংযোগৰ দ্বাৰা স্ত্ৰী লিংগ সাধন কৰা হয়। যেনে- বগা-বগী, সখা-সখী, বৰুৱা-বৰুৱানী, কলা-কালৰী, ভকত-ভকতানী।

(খ) মান্য অসমীয়াৰ দৰে তিৰামিজতো সম্বন্ধবাচক পুৰুষবাচক ৰূপৰ প্ৰয়োগ আছে। এনে ৰূপ দুটা ঃ -অক <-এক / ক আৰু -অৰ<-এৰ / ৰ (-এৰা / ৰা)। যেনে- ভনীয়ক (ভনীয়েক), ককায়ক (ককায়েক), ভায়ৰ (ভায়েক), ঝীয়ক (জীয়েক)।

(গ) অনুনাসিক যুক্ত -ওঁ, -ইছোঁ, -ইলোঁ, -ইছিলোঁ, -ওঁতে-ওঁতা আদি প্ৰত্যয়সমূহ কাল অনুসৰি যথাক্ৰমে—অং / -ঙ, -ইছং / -ইছুং, -ইলং / -ইলুং, -ইছিলং / -ইছিলুং, -অংতে / -ঙতে, -অংতা / -অংতী আদি হয়। যেনে—

-অং ঃ যাং (যাওঁ), কং (কওঁ)

-ইছুং ঃ খাইছুং (খাইছোঁ)

-ইলুং ঃ বান্ধিলুং (বান্ধিলোঁ)

-ইছিলুং ঃ খাইছিলুং (খালোঁ অৰ্থত)

-অংতে ঃ যাংতে (যাওঁতে)

-অংতা ঃ খাঙতা (খাওঁতা) ইত্যাদি।

(ঘ) বহুবচনাত্মক প্ৰত্যয় ব্যৱহাৰৰ ক্ষেত্ৰতো সুকীয়া বৈশিষ্ট্য লক্ষ্য কৰা যায়। যেনে- মানুমখা (মানুহবোৰ), এখৰা (এসোপা), এগেলা (এইবোৰ, এইবিলাক), ইন্তে (ইহঁতে), সিন্তে (সিহঁতে), ইন্তৰ (ইহঁতৰ), সিন্তৰ (সিহঁতৰ), ল'ৰাহিন্তে (ল'ৰাহঁতে) ইত্যাদি।

(ঙ) ইচ্ছাবোধক, প্ৰশ্নবাচক, অনুজ্ঞা, বিস্ময়সূচক আদি ক্ৰিয়াৰ বিভিন্ন ভাৱ-প্ৰকাশৰ ক্ষেত্ৰত তিৰামিজত কোনো সুকীয়া ৰূপ নাই। মান্য অসমীয়া ভাষাৰ ৰূপটোকে ধ্বনিগত কিছু বিকৃতি ঘটাই ব্যৱহাৰ কৰি আহিছে।

(৩) শব্দগত বৈশিষ্ট্য ঃ

(ক) মূল (সং.) শব্দৰ স্বকীয় ৰীতি ঃ সংস্কৃত মূলৰ শব্দসমূহ স্বকীয় ৰীতিৰে

বিকাশ সাধন তিৱামিজৰ শব্দৰ অন্যতম দিশ। যেনে- ত্রিফলা তিফলা (আমলখি), ব্রত বৰত, কপোতী কুবুতি (কপৌ চৰাই), গ্রাম গাং (গাঁও), শিফা শিয়া (শিপা), খাত খান্দি (খাল, কুঁৱা), কাক কাঅ উৰ (কাউৰী), দুগ্ধ দুদু (স্তন), পশু পহু (গাহৰি-ৰাতিখোৱা সম্প্রদায়ৰ মাজত প্রচলিত), সন্ধ্যা (সাজ -ৰাতি খোৱা সম্প্রদায়ৰ মাজত প্রচলিত) ইত্যাদি।

(খ) নামনি অসমত প্রচলিত কেতবোৰ উপভাষাগত শব্দৰ লগতে স্বকীয় শব্দৰ প্রয়োগ ঃ যেনে— খৰং (খোৰোং), হৰপতি (জুমুঠি), হংকলা হৰকলা (নঙলা, শলখা), ভেৰেন্দি (ভেণ্ডি), ঘাগৰ (খেকাৰ), ঘৈঙা (ঘৰ জোঁৱাই), সৰে সৰে (অনুসাৰে, লেখীয়া), তিতি (হাঁহক মতা নাম) ইত্যাদি।

(গ) তিৱা ভাষাৰ শব্দৰ প্রয়োগ ঃ যেনে— গমনা (গগনা), পুচনা (কেঁচুৱা), পাস্থাই-খৰলা (ডেকা-গাভৰু), ঝাপ (ধান আদিৰ ছয় মুঠি), আলমৰা (কিবা কামৰ চম্ভালা), হেদাৰি (সমজুৱা শ্রমদান) সৰুজেলা (সৰু বিষয়া), জেলা (গোত্র বিশেষ), ছা-ছাজ (সতি-সন্ততি), জুগুলি (এবিধ মদ), আমচিকুল (গোত্র বিশেষ), পাই পুলক (বুলবুলি), চামাদি (ডেকা চাং) ইত্যাদি।

(ঘ) তিৱা সংস্কৃতিৰ লগত জড়িত শব্দ ঃ যেনে— থানগিৰি (থলদেৱতা), কামাইখা (কামাখ্যা), ৰঙা-ৰাঙলী (দেৱ-দেৱী বিশেষ), বৰতপূজা (ওৱাবৰত, ভদীয় পৰত), ছিৰি আঙুঠি (বিয়াত পিন্ধোৱা আঙুঠি), সুংগুৰিপীৰা (বৰতৰ থাপনাত পতা পীৰা), বদল মাজি (দেৱতা বিশেষ), জংকং পূজা (প্রধান উপাস্য দেৱতা), বাটোৱালি (দেৱী বিশেষ), দাতাল-ছিঙাল (দেৱতা বিশেষ), অগ্নিগড় (বৰত পূজা প্রজ্বলিত কৰা জোঁৰ), লালি-হিলালি গীত, লালিলাং গীত, চাংদলৈ (ডেকা চাং) ইত্যাদি।

(ঙ) সংযুক্ত বা সাধিত শব্দ ঃ যেনে— জীয়ামাছ (কাৱৈ), মম টকলা (বৰ টোকোলা), হাৰুৱা কুবুতি (এবিধ কপৌ), বৰবেং (বামুণ ভেকোলা), মিঠা টেঙা (কলমা টেঙা), গাজ টেঙা (খৰিচা), বাঘিনীৰ আলু (হালধিজাতীয় বনৌষধি), মন গমাৰি (এবিধ কচুজাতীয় বনৌষধি), ধেনা বা ধূনা ছালি (এবিধ লতাজাতীয় গছ), আতনা কঠাল (আচলচ), চাল কুমুৰা (কোমোৰা), মৌ-কুমুৰা (ৰঙা লাউ), লেৰাহাত (বাওঁহাত), খাৰ ঘাঁঠি (সৰু গাঁঠি), পানী খখলি (তলপেট), হুলাবাৰি (হোলোঙা) ইত্যাদি।

(চ) যুৰীয়া শব্দৰ প্রয়োগ ঃ যেনে— ভৰ্ ভৰ্ (হোৰ হোৰকৈ), হা-হুকুম, আয়তী-বায়তী, দাতাল-ছিঙাল (দাঁত-শিং যুক্ত দেৱতা), উপঙি-জুপঙি (ফেনে-ফুটুকাৰে), হাৱা-বতা (বতাহ-বৰষুণ), খাবা-জীবা নোৱাৰং (খাবলৈ জীৱল সক্ষম নহয়), নালি পুলি (সতি-সন্ততি) ইত্যাদি।

(ছ) জতুঁৱা ঠাচ-খণ্ডবাক্য ঃ না কৰ্ (বাধা দি), দেহা দি (মনে প্রাণে সঁপি দি), লেঠা ছিং (দায় মৰিষণ কৰ্), হাউছ লাগ্ (ফুর্তি লাগ), সাত-পাঁচ ভাৰ (বহু

ভাৱনা চিন্তা কৰ্), বাঁৰী চাই বৰলাগ দি (ৰাহি যোৱা চাই বিয়া পাতি দি), দৰাল দি (এৰাল দি), হাত লেম্তা কৰ (লাই দি), ফুল পৰ (ঘাত মাখিয়ে কণী পাৰ), গিৰি মাৰ (গালি পাৰ), গহিতা খা (গৰিহণা খা) ইত্যাদি।

১১.৪.৩ দেউৰীমিজ বা দেউৰী-অসমীয়া

দেউৰীসকল অসমৰ এটা অন্যতম জনগোষ্ঠী। মূলতঃ তিব্বত-বর্মীয় বড়ো শাখাৰ অন্তর্গত দেউৰী ভাষীসকলৰ সৰহ সংখ্যকে আর্যমূলীয় অসমীয়া ভাষাৰে দৈনন্দিন জীৱনৰ কার্য চলাই আহিছে। মংগোলীয় মূলৰ এই জনগোষ্ঠীটোৰ দিবঙীয়া, টেঙাপনীয়া, বৰগঞা আৰু পাতৰ গঞা নামেৰে চাৰিটা খেল আছে যদিও কেৱল দিবঙীয়া খেলেহে দেউৰী ভাষাটো পূর্ণমাত্রে অব্যাহত ৰাখিছে। বাকী তিনিটা খেলে কেৱল সামাজিক আৰু সাংস্কৃতিক জীৱনত ব্যৱহৃত যেনে উৎসৱ-পার্বন, ৰীতি-নীতি কেন্দ্রিক নতুবা পাৰিবাৰিক সম্বন্ধযুক্ত কেতবোৰ শব্দক মূল অনুসৰি প্রৱর্তাই ৰাখিছে।

অসমীয়াৰ আন আন নৃগোষ্ঠীয় উপভাষাৰ দৰে দেউৰীসকলৰ মুখৰ কথিত অসমীয়াক 'দেউৰীমিজ' বোলা হয়। দেউৰীমিজ ভাষাৰ কেতবোৰ ধ্বনিতাত্বিক, ৰূপতাত্বিক আৰু শব্দগত বৈশিষ্ট্য আছে। বিশেষকৈ দেউৰীসকলৰ দিবঙীয়া খেলৰ মাজত এনে বৈশিষ্ট্য লক্ষণীয়। সেই বৈশিষ্ট্যসমূহ এনে ধৰণৰ—

(১) ধ্বনিতাত্বিক বৈশিষ্ট্য ঃ

(ক) সাধাৰণতে মান্য অসমীয়া ভাষাৰ নিম্ন স্বৰধ্বনি দেউৰীমিজত উচ্চ স্বৰধ্বনি হয়। যেনে- তুম (টোম), জুৰ (জোৰ), পিহী (পেহী), তামুল (তামোল), কুমুৰা (কোমোৰা), কাপুৰ (কাপোৰ) আদি।

(খ) মান্য অসমীয়াৰ 'এ' ধ্বনি দেউৰীমিজত 'অ', 'আ' আদি ধ্বনিলৈ পৰিবর্তন হয়। যেনে- ছেদা (চাদা), মেথা (মাথা), এনাচৰী (অনাচাৰী), ক্ষেমিবা (ক্ষমিবা), নেচাং (নাচাওঁ)।

(গ) মান্য অসমীয়াৰ 'ও' কাৰ দেউৰীমিজত প্রায়ে 'উ' কাৰ হয়। যেনে- জঙাই (জোঁৱাই), খালুং (খালোঁ)।

(ঘ) মান্য অসমীয়াৰ অনুনাসিক ধ্বনি দেউৰীমিজত 'ঙ' হয়। যেনে- খাং (খাওঁ), যাং (যাওঁ), গাং (গাঁও)।

(ঙ) কোনো কোনো ক্ষেত্রত মান্য অসমীয়াৰ শব্দৰ মহাপ্রাণ ধ্বনি দেউৰীমিজত অল্পপ্রাণ হয়। অর্থাৎ খ > ক, ঘ > গ, থ > ত, ধ > দ, প > ফ, ব > ভ হয়। যেনে- ৰকিয়া (ৰখীয়া), বাল (ভাল), কতা (কথা), বগবান (ভগৱান) ইত্যাদি। অৱশ্যে এনে বিশেষত্ব কেৱল দিবঙীয়া খেলৰ ভাষাতহে লক্ষ্য কৰা যায়।

(চ) মান্য অসমীয়াৰ 'ৰ', 'ৱ' ব্যঞ্জন দেউৰীমিজত যথাক্রমে 'ল', 'ব' নতুবা 'উ', 'ই' ধ্বনি হয়। যেনে— দেৱ্‌তা / দেউ্‌তা (দেৱতা), দেউ্‌ (দেৱ), জীৱ্‌ (জীৱ), জীৱ্‌ন (জীৱন) ইত্যাদি।

(ছ) মান্য অসমীয়াৰ 'শ', 'ষ', 'স' ধ্বনি প্রায়ে 'হ' হয়। যেনে-হালিকা (শালিকা), হৰু (সৰু), হি (সি), হাওন (শাওন), ইত্যাদি।

(জ) কেতিয়াবা ষ > চ / ছ / খ হয়। যেনে— ছেছ (শেষ), বর্খা (বর্ষা), বাৰিখা (বাৰিষা), মনিচ (মনুষ্য), বৰখুন (বৰষুণ) ইত্যাদি।

(ঝ) সেইদৰে অন্ত্য অৱস্থানৰ 'জ' ধ্বনি প্রায়ে 'ছ' হয়। যেনে— কাগছ (কাগজ), তেছপাত (তেজপাত)।

২। ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) দেউৰীমিজত কর্তাকাৰক 'এ' বিভক্তি প্রয়োগৰ ক্ষেত্রত মান্য অসমীয়াৰ সৈতে বিষম প্রয়োগ, কিন্তু অকর্মত ইয়াৰ প্রয়োগ লক্ষণীয়।

(খ) ক্রিয়া বিভক্তি প্রয়োগৰ ক্ষেত্রত মান্য অসমীয়াৰ সৈতে প্রায় একেই। কেৱল মাথো প্রথম পুৰুষৰ ৰূপত -ওঁ, -ইছোঁ, -ইলোঁ, ইছিলোঁৰ ঠাইত আং / ঙ, -ইছু, -ইলুং, -ছিলুং হয়।

(গ) মান্য অসমীয়াৰ 'পৰা' পৰসর্গৰ ঠাইত দেউৰীমিজত 'পেৰা' বা 'পেআ' হয়। যেনে- ক'ৰ পেৰা / পেআ (ক'ৰ পৰা), বজাৰৰ পেৰা / পেআ (বজাৰৰ পৰা) ইত্যাদি।

(ঘ) ষষ্ঠী বিভক্তি 'ৰ' / -অৰ ঠাইত দেউৰীমিজত -অ / -অৰ হয়। যেনে- মিনুচিঅ / মিনুচিঅৰ ঘৰ (মিনুচিৰ ঘৰ), মিনুচিঅ / মিনুচিঅৰ চুলা (মিনুচিৰ চোলা) ইত্যাদি।

(ঙ) ইচ্ছা বা অভিপ্রায়সূচক বুজাবলৈ মান্য অসমীয়াৰ '-ওক / -অক' ৰ অনুৰূপে '-ওক / -উক' ক্রিয়া ৰূপৰ প্রয়োগ দেখা যায়। যেনে-খক (খাওক), হউক (হওক) ইত্যাদি।

(চ) নঞৰ্থক ক্রিয়াসূচক 'ন' প্রয়োগৰ ক্ষেত্রত মান্য অসমীয়া তথা উজনিৰ কেতবোৰ অঞ্চলৰ কথিত ৰূপৰ সৈতে প্রায় একে। যেনে- যাবি-নেযাবি, দেং-নেদেং, জাং-নেজাং ইত্যাদি।

(ছ) দেউৰীমিজত 'যা' আদি ধাতুৰ তির্যক ৰূপ (গ') নাই। যেনে- যালে (গ'লে), যালং (গ'লোঁ), যাইছে (গৈছে) আদি।

৩। শব্দমূলক বৈশিষ্ট্য ঃ

(ক) সম্বন্ধবাচক শব্দ ঃ আবৈ (আইতা), এজাই বা আজাই (ককা), বাই (বাইদেউ), দৌ (ভগ্নী), এপা বা আপা (মাকৰ বায়েক), ইয়ং (মা), বাং (দেউতা), গেমি (ভিনিহি), আজি (জোঁৱাই), কাই (ককাই), বুঝি (নবৌ), দাই (দদাই), পেই (পেহী), মোমাই, মাই (মাহী), বৈনাই, মায়ুং (বৰমা), পায়ুং (বৰদেউতা), সই বা হই (সখি) ইত্যাদি।

(খ) খাদ্য সম্বন্ধীয় শব্দ ঃ চঁজে (মদ), পেৰ কুৰিচি (মদ-পিঠা), চচ্চা (শুকান মাছৰ গুৰি), গুৱা-চালি (তামোল), জেলেপ (জলফাই), চিলান (চিৰাল), মধুআম (মধুৰি আম), ৰঙা কুমুৰা (ৰঙালাও), লেকেতু (লেতেকু), কেতেকী কথাল (মাটি কঁঠাল), পানী কুমুৰা (কোমোৰা), মেমেধু (ধনীয়া), বেদাই (ভেদাইলতা), চকামৰা (চেংমৰা), পচতি (পচতিয়া), নেপাপু (নেফাফু), মেচিমুতু (টিকনি বৰুৱা), জবৰা (শাক) ইত্যাদি।

(গ) আ-অলংকাৰ, সাজপাৰ সম্বন্ধীয় শব্দ ঃ কঁকাল মেদা (কঁকালত বন্ধা কাপোৰ), কঁকাল বন্ধা (কঁকালত নাৰীয়ে পিন্ধা ঠেক কাপোৰ), চ্চুতুগা বাইগা (অবিৱাহিত নাৰীয়ে বুকুত লোৱা কাপোৰ), গাতিগি (বিৱাহিত নাৰীয়ে মূৰত লোৱা কাপোৰ), ইগু বা এঁগু (মেখেলা), হাচ'মৰা (গামখাৰু), কতুং (কেৰু), জকাচ্চিবা (বোকোচাত লোৱা কাপোৰ), বাইগা (মেঠনি), এঁকু বা ইকুঁ (চুৰিয়া), জিমা (চোলা) ইত্যাদি।

(ঘ) দেৱ-দেৱী সম্বন্ধীয় শব্দ ঃ কুণ্ডিমামা, গিৰা-গিৰাচি, পিচাডেমা, গোসাঁনী, বলিয়াবাবা, হৰিচন গোসাঁই, জলদেউ (বৰুণ), স্বৰ্গদেউ (ইন্দ্র), চেংকোঁৰৰ (কুণ্ডিমামাৰ কটকী), কালিমায়া, গাতিদেও (ডাঙৰীয়া), আইদেউ, নোমলি কুঁৱৰী (কামিমাৰ কটকী), চাৰিশাল গোসাঁনী, মহামায়া ইত্যাদি।

(ঙ) জীৱ-জন্তু সম্বন্ধীয় শব্দ ঃ দুফাদু (মতা কুকুৰা), চিৰকালি (শিয়াল), পাখি (পক্ষী, চৰাই), ছাগ (ছাগলী), লেখেদু (ছাগলী), ডাকুৱা কুকুৰা (ডাক্‌দিয়া কুকুৰা) আদি।

(চ) অন্যান্য শব্দ ঃ টোপোলা দিয়া (বুকুত মেঠনি মৰা অনুষ্ঠান), এলেং ঘৰ (ডেকা চাং), বেলা (বেলি), লুইতু (লুইত), নাংগলে-যুংগলি (নাঙল-যুৱলি), বাহিৰ (গৰুক বাওঁহাতে ঘূৰিবলৈ দিয়া নির্দেশ), ভিতৰ (গৰুক সোঁ-হাতে ঘূৰিবলৈ দিয়া নির্দেশ), দুপৰ বেলা (দুপৰীয়া), দংগাওতা (ডাঙি ধৰোঁতা), জুকুৰা-জুকুৰি (জোকোৱা-জুকি), জুবুলা-জুবুলি (জুটুলি-পুতুলি), চুক-চুকা (নিচুকা), ৰমক-ঝমক (ৰমক-জমক), আওঁতা (আওখাল), কেনি (কোনপিনেদি), মেগেলাবন (এবিধ তৃণ), উকত্‌ (খান্দ), নিন্দাইছে (নিন্দা কৰিছে) ইত্যাদি।

(ছ) জতুঁৱা ঠাঁচ-খণ্ডবাক্য ঃ মেঠাত ভৰাই লং (মূৰ পাতি লওঁ), কুতনি লাগিলে (কটকী লাগিলে), বাট চাই আছিলং (বাট চাই আছিলোঁ), হাজাৰ দায় লাগ (হেজাৰ অপৰাধ কৰ), পুন মাৰ (পোন্ধ মাৰ), হাক দে (মানাকৰ) ইত্যাদি।

১১.৪.৪ মিচিংমিজ বা মিচিং-অসমীয়া

বৃহত্তৰ অসমীয়া জাতিগঠন প্রক্রিয়াত মিচিং জনগোষ্ঠীৰ অৱদান অনস্বীকার্য্য। মিচিংসকলৰ নিজা ভাষা আছে যদিও ইয়াৰে কিছু সংখ্যকে মহাপুৰুষীয় ধর্মীয়

আদর্শত আন্তৰিকতাৰে বান্ধ খাই অসমীয়া ভাষাকে মাতৃভাষা হিচাপে জ্ঞান কৰি নিজ ভাষা সমূলি পাহৰি পেলালে। তেনে ফৈদৰ ভিতৰত বিবিয়া, বেবেজীয়া, বংকোৱাল, চামগুৰীয়া, তামাৰসকল অন্যতম। অন্যহাতে কিছুসংখ্যক মিচিঙে আকৌ ঘৰুৱা তথা সংস্কৃতিগত বিভিন্ন উৎসৱ-পার্বনত মিচিং ভাষা ব্যৱহাৰ কৰি অন্য ৰাজহুৱা ঠাইত অসমীয়া ভাষাটোক দ্বিতীয় মাতৃভাষা ৰূপে গ্ৰহণ কৰি দৈনন্দিত জীৱনৰ কাম চলাই আহিছে। সংস্কৃতিগত এনে প্ৰভাৱে তেওঁলোকৰ মুখত অসমীয়া ভাষাটোৱে এক সুকীয়া ৰূপ পৰিগ্ৰহণ কৰিছে। ভাষাটো উচ্চাৰণ ৰীতি, শব্দসম্ভাৰ, ৰূপতত্ব আদিৰ সকলো দিশতে এক স্বতন্ত্ৰতা পৰিদৃষ্ট হয়। মিচিংসকলৰ এনে নৃগোষ্ঠীয় অসমীয়া উপভাষাত পৰিস্ফুট হোৱা ভাষিক বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল—

(১) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) মান্য অসমীয়া ভাষাৰ আঠোটা বিশিষ্ট স্বৰধ্বনিৰ ঠাইত মিচিংমিজত অ, আ, ই, উ আৰু এ এই পাঁচোটা ধ্বনিৰহে বহুল প্ৰয়োগ লক্ষ্য কৰা যায়। বাকী স্বৰধ্বনি বিলাক (অ', এ', ও) নিকটস্থানীয় স্বৰধ্বনিলৈ ৰূপান্তৰিত হয়।

(খ) মিচিংমিজত অঘোষ মহাপ্ৰাণ ধ্বনিৰ উচ্চাৰণ নাই। ফলস্বৰূপে ফ, ভ, খ, ঘ, থ, ধ আদি মহাপ্ৰাণ ধ্বনি- সমূহ সমবর্গীয় অল্পপ্ৰাণ ধ্বনিলৈ ৰূপান্তৰিত হয়। যেনে— চাংঘৰ > চাংগৰ, ইফাল > ইপাল, ভোমোৰা > বুমুৰাং, খা > কা, পিঠা > পিতাং ইত্যাদি।

(গ) মিচিংমিজত মান্য অসমীয়াৰ দৰে দন্তমূলীয় অঘোষ-অল্পপ্ৰাণ ধ্বনিৰ 'চ' (ts) আৰু দন্তমূলীয় সঘোষ মহাপ্ৰাণ ধ্বনি 'ঝ'ৰ উচ্চাৰিত নহয়। সেইদৰে অন্ত্যস্থানত 'জ' (dz) -ৰ ব্যৱহাৰ নাই। এনে পৰিৱেশত জ > ছ লৈ পৰিবর্তন ঘটে। যেনে— বেজ > বেছ, কাজ > কাছ ইত্যাদি।

(ঘ) মান্য অসমীয়াৰ দৰে মিচিংমিজতো অনুনাসিক্যই বিশিষ্ট ধ্বনি হিচাবে স্বীকৃত হৈছে। অৱশ্যে ই প্ৰায়ে নাসিক্য 'ঞ' বা 'ঙ' ধনিলৈ পৰিৱর্তিত হয়। যেনে— হাঁহ > আঞ, যাওঁ > যাং, কওঁ > কং ইত্যাদি।

(২) ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) সর্বনামৰ মান্য-তুচ্চৰ ভেদা-ভেদ হীনতা মিচিংমিজৰ অন্যতম বৈশিষ্ট্য। সৰু-ডাঙৰ সকলোকে একবচনত তুই (তই) আৰু বহুবচনত তআতি (তহঁতি) সর্বনাম বৱহাৰ কৰে। যেনে— আপুনি ক'ৰ পৰা আহিলে > তুই ক'ৰ পৰা আয়িলি।

(খ) মিচিংমিজত কেতবোৰ সুকীয়া নির্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ আছে। যেনে— ছব বা ইহোপা (সকলো বিলাক বা এইসোপা), বাতো (বাঁহডাল), মঙতুকুৰ (মঙহডোখৰ বা মঙহ টুকুৰা) ইতাদি।

(গ) মিচিংমিজত কৈ > কে, লৈ > লে, ওঁতে > উংতে আদি পৰসর্গৰ ব্যৱহাৰ আছে। যেনে— কাবলে (খাবলৈ), কাঅতে (খাওঁতে), উংতে (শোওঁতে) ইত্যাদি।

(ঘ) মিচিংমিজত ক্রিয়া বিভক্তি উচ্চাৰণৰ ক্ষেত্রত মান্য অসমীয়াতকৈ যথেষ্ট তাৰতম্য আছে। প্রথম পুৰুষত '-ওঁ' -ৰ সলনি '-অং', '-উং' আদি ক্রিয়াবিভক্তি প্রয়োগ হয়। যেনে-মুই যাং (মই যাওঁ), মই তাকুং (মই থাকো), আমি খালুং (আমি খালোঁ), আমি কৰিলুং (আমি কৰিলোঁ) ইত্যাদি।

(৩) শব্দগত বৈশিষ্ট্য ঃ

(ক) মিচিংমিজত প্রচলিত মিচিং মূলীয় শব্দ ঃ

(১) সম্বন্ধবাচক শব্দ ঃ মা, আবু / বাঃবু (দেউতা), আত / তাঃত (ককাদেউতা), আয়/ য়াঃয় (আইতা), আকৃঃ কাঃকৃ (পেহা / মোমাই / শহুৰ), আঞি / এঞাঃঞি (পেহী / মামী, / শাহু), মাঃম (নবৌ), মাগ্ৰ (ভিনিহি), য়িগ (খুলশালী) ইত্যাদি।

(২) আ-অলংকাৰ, সাজপাৰ সম্বন্ধীয় শব্দ ঃ এগে (মেখেলা), ৰিঃবি গাচীং (মেখেলা-চাদৰ), চেগ্বুং (ৰিহা), মিবু গালুগ (বুকুচোলা), দগ্নৌ (মণি), তাক্পৰ্ (কুণ্ডল), দকচিৰিঃ কেনতু (কেৰু), কংগে (খাৰু) আদি।

(৩) খাদ্য সম্বন্ধীয় শব্দ ঃ আপং, (মদ), ইয়ুব (খৰিছা), পুৰাং ইত্যাদি।

(৪) অন্যান্য শব্দ ঃ মাত্চিগ্ (মিতদা), কাতক (কটাৰী), য়কতুং (দা), কুয়াব (কোৰ), অগুং (কুঠাৰ), পৰাগ (নৰছিগা বিহু),আইনিঃতম, আলি আই লৃগাং, পেম্পা (পেপা), গুংগাং (গগণা), দুমদুম (ঢোল), কুৰুলি (বাঁহী), বাৰেগাম (গাঁওবুঢ়া), দঃঞি-পল (চন্দ্র-সূর্য দেৱতা)।

(খ) মিচিংমিজত প্রচলিত উমৈহতীয়া শব্দ ঃ আই, ককাই, ছেলেং (চেলেং), জাম্পাই (জাংফাই), দূগ্দুকিঃ (দূগ্দুগী), খলিঅনা (খলিহনা), জেউৰা (জেওৰা), তুলুতাং (টোলোঠা), দোপতি (দোৰেপতি), মাকং (মাকো), ৰিঅ (ৰিহা), পদুমাং (পদিনা), তেন্তেলি (তেতেলী), তেঙেচি (টেঙেচি), তিয়ং (তিয়হ), লপা (লফা), তিকনি (টিকনি), জঅ (জহা), গুয়ে (গুৱা, তামোল), এমনাং (আমনা ধান), গৰকাং (গৰকামাৰি) আকল (আখল), উৰুকাং (উৰুকা), জকলা (জখলা), জুলুকি (জুলুকি), জেউৰা (জেওৰা), তুকাৰিঃ (টোকাৰি) ইত্যাদি।

(গ) মিচিংমিজত তৎসম, দেশী আৰু বিদেশী শব্দ ঃ যেনে— বাংচি (বংশী), সৱ (সর্ব), আকাচ (আকাশ), তাকাৰ (তাৰকা ইত্যাদি।

(ঘ) মিচিংমিজৰ বাক্য ৰীতি ঃ মিচিংসকলৰ বাবে অসমীয়া ভাষাটো দ্বিতীয় মাতৃভাষা স্বৰূপ। মিচিংমিজৰ বাক্য অতি সৰল আৰু পোনপটীয়া। দীঘল বা জটিল চর্তবাচক বাক্য সাধাৰণতে মিচিংমিজত পোৱা নাযায়। কর্ম আৰু সম্প্রদান

কাৰকৰ অভিন্ন প্রয়োগ এই উপভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য। বাক্যত দ্বিৰুক্তি বা পুনৰুক্তি অতি প্রবল।

১১.৪.৫ আহোমমিজ বা টাই-অসমীয়া

অসমত বসবাস কৰা মংগোলীয় জনগোষ্ঠীৰসকলৰ ভিতৰত এক অন্যতম জনগোষ্ঠী হ'ল টাই আহোমসকল। অসমত প্রচলিত টাই মূলীয় ভাষা-ভাষীসকলৰ বাবে অসমীয়া দ্বিতীয় মাতৃভাষা স্বৰূপ। ঘৰুৱা তথা ধর্মীয় পৰিৱেশত টাই ভাষা ব্যৱহাৰ কৰে যদিও অন্য লোকৰ সৈতে ভাৰ বিনিময় কৰোঁতে অসমীয়াৰ আঞ্চলিক ৰূপকে ব্যৱহাৰ কৰি আহিছে। এইবোৰৰ বিশেষ এটা ৰূপ নাই যদিও ভাষাটো ব্যৱহাৰৰ ক্ষেত্রত কেতবোৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দগত আদি বৈশিষ্ট্য পৰিদৃষ্ট হয়। তেওঁলোকৰ কথিত অসমীয়া ৰূপৰ (নৃগোষ্ঠীয় উপভাষা) ক্ষেত্রত ৰক্ষিত হৈ থকা উক্ত উমৈহতীয়া বৈশিষ্ট্যসমূহৰ বিষয়ে তলত আলোচনা দাঙি ধৰা হ'ল—

১। ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) মান্য অসমীয়াৰ সঘোষ স্পর্শ ধ্বনি আহোমমিজত আদ্য অৱস্থানৰ বাদে অন্য অৱস্থানত অঘোষ ধ্বনি হয়। অর্থাৎ ঘ, ধ, ভ / গ, দ, ব > ক, ত, ব হয়। যেনে— নগৰ > নগ, গগৈ > ককৈ, ভাগ্য > ভাইক, হিচাব হিচাপ, মেঘ > মেগ, পাকঘৰ > পাকঘ ইত্যাদি।

(খ) টাই ভাষাত উচ্চাৰণ অনুযায়ী শ, ষ, স-ৰ ঠাইত 'হ' হয়। যেনে— শূল > হুল, জুইশাল > জুহাল, শক্তি > হকতি, সোনকালে > হোনকাল, শিয়াস > হিঞাল ইত্যাদি। অন্যহাতে সংযুক্ত ধ্বনি হ'লে শ, ষ, স ছ / খ হয়। যেনে- ষষ্ঠ > হছথ, কৃষ্ণ > কিছন, তৃষা > তিৰ্খা, কৃষি > কিখি ইত্যাদি।

(গ) টাই ভাষাৰ বৈশিষ্ট্যানুযায়ী আহোমমিজতো মান্য অসমীয়াৰ 'ৰ' ধ্বনিৰ প্রয়োগ নাই। 'ৰ' লোপ পায়, নহয় সমবর্গীয় লন লৈ পৰিবর্তন হয়। যেনে- ৰুমাল > উমাল, ৰ'দ > অদ, ৰাতিপুৱা > আতিপুৱা, বাহিৰ > বাহি, ৰঙা > লঙা, দূৰণি > দুঅনি, তাৰপৰা > তা-পা ইত্যাদি।

(ঘ) অনুনাসিক 'ঞঁ' ধ্বনি প্রায়ে ঙ / ং হয়। যেনে- যাওঁ > জাং, দিওঁতা > দিংতা, খালো > খালোং, গাওঁ > গাং, জোৰাই > জঙাই ইত্যাদি।

(ঙ) সেইদৰে মান্য অসমীয়াৰ জ / য ধ্বনি প্রায়ে 'য' হয়, নহয় লোপ পায়। যেনে— যাওঁ > জাং / য়াং, বুজিছা > বুয়িছা ইত্যাদি।

২। ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ ৰূপতাত্ত্বিক দিশত আহোমসকলৰ কথিত অসমীয়াত কেতবোৰ বৈশিষ্ট্য দৃষ্টিগোচৰ হয়। অৱশ্যে টাই আহোম ভাষাৰ বৈশিষ্ট্য তেওঁলোকৰ মুখৰ অসমীয়াতো পূর্ণমাত্রাই বিদ্যমান। তেনে কিছুমান ৰূপগত বৈশিষ্ট্য হ'ল এনে ধৰণৰ—

(ক) মান্যার্থক ৰূপ ঃ এনে ৰূপৰ প্ৰয়োগৰ ক্ষেত্ৰত আহোমসকলৰ কথিত ভাষাৰ ৰূপ মনকৰিবলগীয়া। মধ্যযুগীয় অসমীয়া ভাষাত প্ৰয়োগ হোৱা সম্বোধন সূচক যেনে-ককাদেউতা, স্বৰ্গদেউ, ফুকনদেউ আদি মান্যৰূপৰ অনুৰূপে আহোমীয়া ৰূপতো পুথাদেউ (ককাদেউতা), চাওফা (স্বৰ্গদেউ), ফুকনদেউ, বাইচাও (বৰজা), নিচাও বা নিচাদেউ (মোমাইদেউ) আদিৰ প্ৰয়োগ আছে।

(খ) নির্দিষ্টতাবাচক প্রত্যয়ৰ বহুল প্রয়োগ ঃ আহোমসকলে কথিত অসমীয়াত প্ৰয়োগ কৰা নির্দিষ্টতাবাচক প্ৰত্যয়সমূহ হ'ল- ভয়িতু (ভৰিটো), পথাখন (পথাৰখন), মাংছটু (মঙহ টুকুৰা বা ডোখৰ), কাগছখিলা (কাগজখিলা), ঘতু (ঘৰটো) ইত্যাদি।

(গ) নঞৰ্থক ক্রিয়াৰ ব্যৱহাৰ ঃ মান্য অসমীয়া ভাষাত প্ৰয়োগ হোৱা ন-কৰে > নকৰে, ন-চিনে > নিচিনে, ন-বুজে > নুবুজে, ন-পঢ়ে > নপঢ়ে আদি নঞৰ্থক ক্ৰিয়াৰ নিচিনাকৈ আহোমসকলৰ কথিত অসমীয়াতো এইদৰে প্ৰয়োগ আছে। যেনে- না-পাই > নেপাই, ন-পাৰোঁ > নোৱাউং, ন-গেল > নেগেল, ন-খেল > নেখেল, না-খাই > নেখাই ইত্যাদি।

৩। শব্দতাত্ত্বিক বৈশিষ্ট্য ঃ

(ক) সম্বন্ধবাচক শব্দ ঃ গোহাঁই (দেৱৰ স্থানীয়), নিচাও বা নিচাদেউ (দেউতাকৰ ককায়েক বা মাকৰ ককায়েক), কুকৈ (সৰুজনক মতা সম্বোধন), দদৌ বা দৌতি (ককা), আপাদেউ (দেউতাক-মাকৰ বায়েক), আনাই বা এনাইদেউ (মাকৰ মাকক), পুথাও (মাকৰ দেউতাকক), বাইচাও বা বাইদেউ (পত্নীৰ বায়েকক), ককাই, বাই, ভনী বা ভণ্টি, ননদ, দ' (সমনীয়া বন্ধুক), আপুচাদৌ (শহুয়েক) ইত্যাদি।

(খ) খাদ্যসম্বন্ধীয় শব্দ ঃ ফেঁহু (গাখীৰ), চেংমৰা, তিতাকচি, মৰাশাক, টিকনি বৰুৱা, মেচেকী, লাইজাবৰি, নামলাও (সাজঁপানী), জগলি লাও (পানী নিদিয়া আৰু নচকা সাজঁ), হুৰুম, মাহকৰাই, শুকতি (শুকান মাছৰ গুৰি), কৰাইগুৰি, চেৰা দিয়া ভাত (ভাপত সিজোৱা বৰা ভাত), জোঙালাও (মৃতকক অর্পন কৰা সাজঁপানী), টোপোলা ভাত, মোমাই তামোল, চা-পাত (চাহপাত), আউনি পান ইত্যাদি।

(গ) জীৱ-জন্তু সম্বন্ধীয় শব্দ ঃ ৰাংকুকুৰ, চাকচন (কুমলীয়া জিলি), নিমচাপ বা ককমা (পঁইতাচোৰা), কেমটাই (বনৰৌ) ইত্যাদি।

(ঘ) দ্বিৰুক্তিবাচক শব্দ ঃ কুৰুং-কাৰাং (গা-লৰা), পিংপিং-পাংপাং (ইফাল-সিফাল কৰি ফুৰা), চুন চুন-চান চান (ইটো-সিটো বিচাৰি ফুৰা), থুং থুং-থাং থাং (কাজিয়া লগা), ফান ফান (খেলি মেলি), বাঙ বাঙ (অনাই বনাই), থান থান-বান বান বা লাঙ লাহ-থাঙ থাঙ (আথানি-আবানি), ৰাই জাই (কি কৰো, কি নকৰো লগা অৱস্থা), যাই লাং-থাকে লাং (হয় পিঠি যাব, নহয় পিঠি থাকিব) ইত্যাদি।

(ঙ) সাজ-পাৰ, বাচন-বৰ্তন সম্বন্ধীয় শব্দ ঃ চেলেং, ফচৌ (এবিধ ফটুৰৈ চোলা), তাও কাপোৰ, চাপকন (পুৰুষৰ চোলা), পৌকাণি (মহিলাই কঁকালত পিন্ধা এবিধ কাপোৰ), মতং, তৰু, মখা (ডিঙি চুটি এবিধ ডাঙৰ কলহ), মাইহাং (খুৰা যুক্ত এবিধ কাঁহী), পিকদানি ইত্যাদি।

(চ) অন্যান্য শব্দ ঃ বুৰঞ্জী, মৈদাম, লাইখুটা, চাং, ৰাইদাং, ডাং, পাক, মিট (দা), বিতং, নঙলা বা নাংলাং, হিলৈ, কটকিনা (কৃপন), চিকতা (কৃপন), হেংদাং, দেউধাই, লিগিৰা, লিকচৌ, চাউদাং, তুই (গাহৰিক মতা নাম), কুটি-কুটি (কুকুৰক মতা নাম), মেদাম-মেফি, ৰিক্‌খন্‌ (আয়ুস তোলা পূজা), ৰংঘৰ, কাৰেং ঘৰ, কাফাঁই, চকলং, খিন (অপশক্তি), বিভিন্ন উপাধি যেনে- চাংমাই, মহন, বাইলং, হাজৰিকা, শইকীয়া, ভৰালী, বুঢ়াগোহাঁই, বৰগোহাঞি, বৰুৱা, বৰগোহাঁই, খুমটাই, চিৰিং, ফুকন ইত্যাদি।

৪। আহোমমিজৰ বাক্যৰ নমুনা ঃ

(ক) আমি জানি ছিলোং নহয়, সি কথাটো তেনেকে ক'ব।

(খ) মই নেজাং, তই যা যদি যা।

(গ) নেখাং মই ভাত যা।

(ঘ) কথাটো হয় না নহয় ক'ব নোৱাউং হ'লে দেই মই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমত প্রধানত কোন কেইটা নৃগোষ্ঠীয় লোকে বসবাস কৰি আছে?

.....

প্রশ্ন নং ২ ঃ ৰাভাসকলৰ কোনকেইটা ফৈদৰ মাজত প্রধানত ৰাভামিজ প্রচলিত?

.....

প্রশ্ন নং ৩ ঃ দেউৰীসকলৰ কোনটো খেলৰ মাজত দেউৰীমিজ প্রচলিত?

.....

প্রশ্ন নং ৪ ঃ তিৰাসকলৰ মাজত কেইটা ফৈদ আছে? ইয়াৰে কোনটো ফৈদৰ মাজত তিৰামিজ প্রচলিত?

.....

প্রশ্ন নং ৫ ঃ শ্যামচীনীয় শাখাৰ অন্তর্গত এটা ভাষাৰ নাম উল্লেখ কৰক।

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমত প্ৰধানত অষ্ট্ৰেলীয়, নেগ্ৰিটো, মঙ্গোলীয় আৰু ককেচীয়া এই চাৰিটা প্ৰধান নৃগোষ্ঠীয় প্ৰজাতিৰ লোকে বসবাস কৰি আছে আৰু ইয়াৰে অধিকাংশ লোকেই হ'ল মংগোলীয় প্ৰজাতিৰ লোক।
- নৃগোষ্ঠীয় উপভাষাত সাধাৰণতে দুটা ভাষাৰ ভাষিক ৰূপ কম-বেছি পৰিমাণে সংপৃক্ত হৈ থাকে। তদুপৰি ইয়াৰ একোটা স্থায়ী তথা সুদৃঢ় ভেটি আছে, যিটোক মূল জনগোষ্ঠীটোৰ পূৰ্বৰ ভাষিক বৈশিষ্ট্যই সততে সুনিয়ন্ত্ৰিত কৰে।
- মংগোলীয়সকল ভাষিক ক্ষেত্ৰত চীন-তিব্বতী। ইয়াৰে আকৌ বিভাগ অনুসৰি কিছুসংখ্যক তিব্বত-বর্মীয় আৰু কিছু সংখ্যক শ্যামচীনীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত। শ্যামচীনীয় শাখাৰ টাই (আহোম) ভাষাৰ বাদে বাকী আলোচিত আটাইকেইটা নৃগোষ্ঠী উপভাষাৰ মূল ভাষা হ'ল তিব্বত বর্মী।
- বিভিন্ন নৃগোষ্ঠীৰ লোকৰ মাজত ভাবৰ আদান-প্ৰদানৰ উদ্দেশ্যে দুটা ভাষাৰ সংমিশ্ৰণত সৃষ্ট ভাষাই হ'ল সংযোগী ভাষা।
- অসমত বসবাস কৰা অধিকাংশ লোকৰেই অসমীয়া হ'ল সংযোগী ভাষা। অসমত প্ৰচলিত অসমীয়াৰ নৃগোষ্ঠীয় উপভাষাৰ ভিতৰত 'ৰাভামিজ' (ৰাভা-অসমীয়া), 'তিৰামিজ' (তিৰা-অসমীয়া), 'দেউৰীমিজ' (দেউৰী-অসমীয়া), 'আহোমমিজ' (টাই-অসমীয়া), 'মিছিংমিজ' (মিছিং-অসমীয়া), সোণোৱাল কছাৰীসকলৰ কথিত অসমীয়া, 'মৰাণমিজ' (মৰাণ-অসমীয়া) আদিয়ে প্ৰধান।
- আৰ্য-ভিন্ন তিব্বত-বর্মী ভাষাৰ উপৰি আৰ্যমূলীয় ভাষা যেনে— নেপালীসকলৰ 'নেপালী-অসমীয়া', কাছাৰৰ বঙালীসকলৰ 'চিলেটীয়া (কছাৰী) অসমীয়া', শিক্ষিত আৰু অভিজাত বাঙালী পৰিয়ালৰ 'ঔপনিৱেশিক অসমীয়া', মহানগৰকেন্দ্ৰিক মাৰোৱাৰী সম্প্ৰদায়ৰ 'হিন্দী মিশ্ৰিত অসমীয়া' আদি কেতবোৰ নৃগোষ্ঠীয় বা সামাজিক শ্ৰেণী উপভাষা অসমত সম্প্ৰতি প্ৰচলন আছে।
- ৰাভাসকল তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ এটি অন্যতম ভাষা গোষ্ঠী। ৰাভাসকলৰ আঠটা ফৈদৰ ভিতৰত পাতি, বিতলিয়া, দোহাৰি, চুঙা, টোটলা এইকেইটাৰ মাজত কেৱল 'ৰাভামিজ' প্ৰচলিত। ৰাভা 'পিজন' আৰু 'অসমীয়া ক্ৰেওল'-এই দুটা ৰূপত ক্ৰমে ৰাভা ভাষা কোৱা আৰু ৰাভা ভাষা পাহৰা এই দুই ফৈদৰ মাজত 'ৰাভামিজ' প্ৰচলিত।
- দেউৰীসকল অসমৰ এটা অন্যতম জনগোষ্ঠী। মংগোলীয়মূলৰ এই জনগোষ্ঠীটোৰ দিবঙীয়া, টেঙাপনীয়া, বৰগঞা আৰু পাতৰ গঞা নামেৰে চাৰিটা খেল আছে যদিও

কেৱল দিবঙীয়া খেলৰ দেউৰীসকলৰ মাজত 'দেউৰীমিজ' (দেউৰী-অসমীয়া) প্ৰচলিত। বাকী তিনিটা খেলে কেৱল সামাজিক আৰু সাংস্কৃতিক জীৱনত ব্যৱহৃত যেনে উৎসৱ-পাৰ্বন, ৰীতি-নীতি কেন্দ্ৰিক নতুবা পাৰিৱাৰিক সম্বন্ধযুক্ত কেতবোৰ শব্দক মূল অনুসৰি প্ৰৱৰ্তাই ৰাখিছে।

- তিৱা জনগোষ্ঠীৰ মাজত দুটা ফৈদ পোৱা যায়-পাহাৰীয়া তিৱা আৰু ভৈয়ামৰ তিৱা। ইয়াৰে ভৈয়ামৰ তিৱাসকলৰ মাজত তিৱামিজ প্ৰচলিত।
- অসমত বসবাস কৰা মংগোলীয় জনগোষ্ঠীসকলৰ ভিতৰত টাই আহোমসকল অন্যতম। টাই মূলীয় ভাষা-ভাষীসকলৰ বাবে অসমীয়া দ্বিতীয় মাতৃভাষা স্বৰূপ। ঘৰুৱা তথা ধৰ্মীয় পৰিৱেশত টাই ভাষা ব্যৱহাৰ কৰে যদিও অন্য লোকৰ সৈতে ভাৰ বিনিময় কৰোঁতে অসমীয়াৰ আঞ্চলিক ৰূপকে ব্যৱহাৰ কৰি আহিছে।
- বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত মিচিংসকলৰ অৱদান অনস্বীকাৰ্য্য। বহুতে মহাপুৰুষীয় ধৰ্মীয় আদৰ্শত আন্তৰিকতাৰে বান্ধ খাই অসমীয়া ভাষাকে মাতৃভাষা হিচাপে জ্ঞান কৰি নিজ ভাষা সমূলি পাহৰি পেলালে। তেওঁলোকে ঘৰুৱা তথা সংস্কৃতিগত বিভিন্ন উৎসৱ-পাৰ্বনত মিচিং ভাষা আৰু অন্য ৰাজহুৱা ঠাইত অসমীয়া ভাষাটোক দ্বিতীয় মাতৃভাষা ৰূপে গ্ৰহণ কৰি দৈনন্দিত জীৱনৰ কাম চলায়।
- আলোচিত ৰাভামিজ, তিৱামিজ, দেউৰীমিজ, মিচিংমিজ আৰু আহোমমিজ এই আটাইকেইটা নৃগোষ্ঠীয় উপভাষাৰ কেতবোৰ স্বকীয় ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দগত বৈশিষ্ট্য আছে। যিবোৰ বৈশিষ্ট্যই দুয়োটা ভাষাৰ সংযোগ স্থাপনতে কেৱল সহায়ক হোৱাই নহয়, সমন্বয় সাধনতো অৱদান যোগাইছে।



১১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, পুষ্প (১৯৮৯) ঃ আহোমীয়া অসমীয়া, অসমীয়া ভাষালৈ তাই ভাষাৰ অৱদান, তাই ভাষা আৰু সাহিত্য।

২) চেতিয়া, তোষেশ্বৰ (সম্পা.) (২০০৩) ঃ *বৃহত্তৰ অসমীয়া জাতি গঠনত মিচিং জনগোষ্ঠীৰ অৱদান*।

৩) দেউৰী, বিদ্যাভূষণ (২০১৫) ঃ *দেউৰী জাতিৰ বুৰঞ্জী আৰু সংস্কৃতি*, ডিব্ৰুগড় ঃ কৌস্তুভ প্ৰকাশন।

৪) পাদুন, নাহেন্দ্ৰ (১৯৮৯) ঃ *মিচিং অসমীয়া পাঠ*।

৫) পাদুন, নাহেন্দ্র (সম্পা.) (১৯৯৩) ঃ *ভাষাৰ তত্ত্বকথা*, শিৱসাগৰ কলেজ।

৬) বৰুৱা, ভীমকান্ত (১৯৮৯) ঃ *অসমৰ ভাষা*, ডিব্রুগড় ঃ ষ্টুডেণ্ট্চ এম্প'ৰিয়াম।

৭) বড়া সন্দিকৈ, নিবেদিতা (২০১৪) ঃ *সোনোৱাল কছাৰীৰ লোক-সংস্কৃতি*, কিৰণ প্রকাশন।

৮) ভৰালী, বিভা, চক্রৱর্তী বর্ণালি (সম্পা.) (২০১৩) ঃ *অসমৰ ভাষা*, গুৱাহাটী ঃ বনলতা।

৯) ৰাভা হাকাচাম, উপেন (২০১৭) ঃ *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা*, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

১১.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ অসমত প্রধানত অষ্ট্রেলীয়, নেগ্রিটো, মঙ্গোলীয় আৰু ককেচীয়া এই চাৰিটা প্রধান নৃগোষ্ঠীয় প্রজাতিৰ লোকে বসবাস কৰি আছে।

২নং প্রশ্নৰ উত্তৰ ঃ পাতি, বিতলিয়া, দোহাৰি, চুঙা, টোটলা এইকেইটাৰ মাজত 'ৰাভামিজ' প্রচলিত।

৩নং প্রশ্নৰ উত্তৰ ঃ দিবঙীয়া খেলৰ মাজত।

৪নং প্রশ্নৰ উত্তৰ ঃ তিৰা জনগোষ্ঠীৰ মাজত দুটা ফৈদ পোৱা যায়-পাহাৰীয়া তিৰা আৰু ভৈয়ামৰ তিৰা। ইয়াৰে ভৈয়ামৰ তিৰাসকলৰ মাজত তিৰামিজ প্রচলিত।

১নং প্রশ্নৰ উত্তৰ ঃ টাই (আহোম) ভাষা।

১১.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমৰ জনগোষ্ঠীয় মূলৰ নৃগোষ্ঠীয় উপভাষা- এই সম্পর্কে এটি আলোচনা যুগুত কৰক।

প্রশ্ন ২ ঃ অসমৰ যিকোনো দুটা জনগোষ্ঠীয় মূলৰ নৃগোষ্ঠীয় উপভাষাৰ সম্বন্ধে বহলাই আলোচনা কৰক।

প্রশ্ন ৩ ঃ অসমৰ নৃগোষ্ঠীয় উপভাষাত ৰূপতাত্ত্বিক দিশ— এই বিষয়ে এটি টোকা লিখক।

প্রশ্ন ৪ ঃ অসমৰ নৃগোষ্ঠীয় উপভাষাত ৰূপতাত্ত্বিক দিশ— এই সম্বন্ধে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৫ ঃ চমুটোকা লিখক ঃ

(১) ৰাভামিজ

(২) তিৰামিজ

(৩) দেউৰীমিজ

(৪) মিচিংমিজ

(৫) আহোমমিজ

*** ***** ***

অধ্যায় ১২ ঃ অসমীয়া জাতিগত উপভাষা

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ অসমীয়া জাতিগত উপভাষা
    ১২.৩.১ চিলেটীয়া
    ১২.৩.২ ভাটিয়া
    ১২.৩.৩ সাদানি
    ১২.৩.৪ নেপালি অসমীয়া
    ১২.৩.৫ দেহান
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১২.৭ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জাতিগত উপভাষাৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব
- অসমৰ জাতিগত উপভাষা আৰু ইয়াৰ পটভূমি সম্পৰ্কে ধাৰণা লাভ কৰি সেইবোৰৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰিব পাৰিব
- অসমৰ জাতিগত উপভাষাসমূহৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰৰ লগত পৰিচিত হৈ সিবোৰৰ প্ৰয়োগ বিশ্লেষণ কৰিব পাৰিব
- সামাজিক উপভাষা হিচাপে জাতিগত উপভাষাৰ প্ৰয়োগ বিশ্লেষণ কৰিব পাৰিব।

১২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষান্মাসিকৰ ভাষা শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা এইখন তৃতীয় পাঠ্যবিষয় 'উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা'। পাঠ্যবিষয়ৰ দ্বাদশ অধ্যায়ৰ শিৰোনাম 'অসমীয়া জাতিগত উপভাষা' এই অধ্যায়টোৰ মাজেদি ছাত্ৰ-ছাত্ৰীসকলে অসমৰ জাতিগত উপভাষাৰ পৰিচয় লাভ কৰিব।

উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম ৰাজ্য অসম প্ৰদেশত প্ৰচলিত ৰাজ্যিক ভাষাটোৱে হ'ল

অসমীয়া। আর্যমূলীয় অসমীয়া ভাষাটো অসমৰ সকলো জাতি-জনগোষ্ঠীৰ লোকে দৈনন্দিন জীৱনেই হওক বা আনুষ্ঠানিক ক্ষেত্রতেই হওক ব্যৱহাৰ কৰে। অসমীয়া ভাষাটো জাতি বিশেষে, শ্রেণী বিশেষে কিছু পৃথক ৰূপ লাভ কৰিছে। অসমীয়া ভাষাৰ সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়নৰ পৰা এই দিশসমূহ পোহৰলৈ আহিছে। বেদৰ সময়ৰপৰা আমি চাৰি জাতিৰ (ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র) উল্লেখ শুনি আহিছো। এই চাৰি জাতিৰ মাজত থকা জাতিভেদে তেওঁলোকৰ মাজত দূৰত্ব আনি দিছিল, যাৰ ফলত তেওঁলোকে ব্যৱহাৰ কৰা ভাষাৰূপটোত স্বকীয় বৈশিষ্ট্য প্রকট হৈ উঠে। ইয়াৰোপৰি অসম প্রদেশত বসবাস কৰা বিভিন্ন জাতি-জনজাতিৰ কথিত ৰূপত অসমীয়া ভাষাটোৱে কিছু পৃথক ৰূপ লাভ কৰিছে। অসমত বসবাস কৰা এই জাতি-জনগোষ্ঠীৰ মাজত প্রচলিত অসমীয়া ভাষাই হ'ল অসমৰ জাতিগত উপভাষা বা অসমৰ সামাজিক জাতিগত উপভাষা। এই অধ্যায়ত অসমৰ সামাজিক জাতিগত উপভাষাৰ বিভিন্ন দিশসমূহৰ আলোচনা আগবঢ়োৱা হ'ব।

১২.৩ অসমীয়া জাতিগত উপভাষা

ঊনবিংশ শতিকাত উদ্ভূত বিদ্যায়তনিক ক্ষেত্র সমাজভাষাবিজ্ঞানত সমাজ আৰু ভাষাৰ পাৰস্পাৰিক সম্পর্কৰ অধ্যয়ণ কৰি ভাষাৰ স্বৰূপ বিশ্লেষণ কৰা হয়। ইয়াৰ পৰিসীমাত সমাজত বসবাস কৰা বিভিন্ন শ্রেণী আৰু জাতিৰ মাজত থকা ভাষাগত প্রভেদৰ ভিত্তিত সামাজিক শ্রেণীগত উপভাষা আৰু জাতিগত উপভাষা হিচাপে চিহ্নিত কৰি তাৰ অধ্যয়ন কৰা হয়।

ভাৰতীয় হিন্দু সমাজত কর্মৰ ভিত্তিত কৰা জাতিবিভাজন প্রথা আজিও প্রচলিত। হিন্দু ধর্মত বেদৰ সময়তে চাৰি জাতিৰ বিভাজন কৰা হৈছিল— ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র। পৰৱর্তী সময়তো জাতিসমূহৰ মাজত ভেদভাব প্রথা প্রচলিত আছিল। তেওঁলোকৰ মাজত সামাজিক ভেদভাব বা দূৰত্ব আজিও বর্তি আছে। একেখন সমাজতে বসবাস কৰি প্রত্যেকটো বর্ণ বা জাতিয়ে নিজৰ নিজৰ কৰণীয় নীতি-নিয়মৰ লগতে নিজস্ব ভাষা-সংস্কৃতিক বান্ধি ৰাখে। সামাজিক দূৰত্ব বা ব্যৱধানৰ কাৰণে সৃষ্টি হয় সামাজিক জাতিগত উপভাষা। ভাৰতবর্ষৰ বিভিন্ন প্রান্তলৈ লক্ষ্য কৰিলে দেখা যায় যে দক্ষিণ আৰু উত্তৰ ভাৰতত ব্রাহ্মণ আৰু অব্রাহ্মণ লোকসকলৰ মাজত থকা সামাজিক ব্যৱধানে তেওঁলোকৰ মাজত ব্যৱহৃত কথিত ভাষাত যথেষ্ট প্রভাৱ পেলাইছিল আৰু তেনেদৰেই সামাজিক জাতিগত উপভাষাৰ সৃষ্টি হৈছিল। এই সামাজিক জাতিগত উপভাষাৰ ক্ষেত্রত ভাষাৰ চাৰিটা (ধ্বনি, ৰূপ, শব্দ আৰু বাক্য) প্রণালীতে ভাষাগত ভিন্নতা থকা দেখা যায়। ভাৰতৰ আন ৰাজ্যৰ তুলনাত অসমত জাতিগত ভেদভাবৰ তাৰতম্য কিছু কম। সামাজিক জাতিভেদৰ কটকটীয়া বান্ধোন অসমত নাই বাবে অসমত জাতিগত উপভাষাৰ সৃষ্টিত বিশেষ প্রভাৱ পেলাব পৰা নাই যদিও অসমীয়া সমাজত ব্রাহ্মণ, কৈৱর্ত, হীৰা, মৰিয়া, বণিয়াকে আদি কৰি কেইটামান সামাজিক জাতিৰ মাজত দুই-এটা স্বকীয়ভাষাগত বিশেষত্ব লক্ষ্য কৰা যায়। সেইদৰে অসম প্রদেশত সুদূৰ অতীতৰে পৰা বসবাস

কৰি থকা তথা সময়ে সময়ে আহি অসমভূমিৰ স্থায়ী বাসিন্দা হৈ পৰা অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা কথিত অসমীয়া ভাষাক সামাজিক জাতিগত উপভাষাৰ শাৰীত ধৰিব পাৰি। অসমত প্ৰচলিত কেইটামান সামাজিক জাতিগত উপভাষা হ'ল— ভাটিয়া, সাদানি, চিলেটীয়া, দেহান, নেপালী অসমীয়া আদি। তলত অসমৰ এই সামাজিক জাতিগত উপভাষাসমূহৰ আলোচনা আগবঢ়োৱা হ'ল।

১২.৩.১ চিলেটীয়া

প্ৰাচীন শ্ৰীহট্ট/Syllet অঞ্চলত আৰু বৰ্তমান অসমৰ বৰাক উপত্যকাত প্ৰচলিত বঙ্গ উপভাষাৰ পূৰ্বী বা দক্ষিণ-পূবৰ কথিত অসমীয়া ভাষাই চিলেটীয়া উপভাষা। চিলেটীয়া উপভাষা অবিভক্ত কাচাৰ জিলাত প্ৰচলিত। চিলেটীয়া উপভাষা বাংলাৰ উপভাষা যদিও ইয়াত কোল-কুণ্ডা আৰু বড়োমূলীয় ভাষাৰ প্ৰভাৱ অনস্বীকাৰ্য।

ইয়াৰোপৰি অসমৰ চাৰিসীমাত থকা চিলেটীয়া উপভাষাৰ গঢ়ত অসমীয়া ভাষাৰ গোৱালপৰীয়া বা ৰাজবংশী উপভাষাৰ সৈতে সম্পৰ্ক থকা দেহান উপভাষাৰো বৰঙণি নুই কৰিব নোৱাৰি। অসমীয়া আৰু বাংলা উভয়ে আৰ্যমূলীয় ভগ্নী ভাষা হোৱা বাবে ইহঁতৰ মাজত ভাষাগত সাদৃশ্য আছে। সেয়ে বাংলা উপভাষাৰ কথ্য ৰূপ হিচাপে আৰু অসমীয়া ভাষাৰ উপভাষা গোৱালপৰীয়া বা ৰাজবংশী উপভাষাৰ সৈতে অতি ওচৰ সম্পৰ্কত থকা কাৰণে চিলেটীয়া উপভাষাত নামনি অসমৰ কথ্য ৰূপৰ সৈতে থকা সাদৃশ্য স্পষ্ট। চিলেটীয়া উপভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দগত আৰু বাক্য গাঁথনিগত পাৰ্থক্যই ইয়াকে প্ৰমাণ কৰে।

তাহানিৰ চিলেট (শ্ৰীহট্ট, Syllet) অঞ্চলৰ সৈতে অসম আৰু অসমীয়াৰ সামাজিক আৰু ৰাজনৈতিক সম্বন্ধ আছিল। প্ৰশাসনিক বিষয়া বেণুধৰ ৰাজখোৱাই তেওঁৰ ক্ষুদ্ৰ কলেবৰৰ Notes on the sylhetee Dialect নামৰ গ্ৰন্থত এই উপভাষাটো অসমীয়াৰ প্ৰাচীন ৰূপ কামৰূপীৰ সৈতে অতি নিকট সম্পৰ্কীয় বুলি যুক্তিসংগতভাৱে সাব্যস্ত কৰিছে। তেওঁৰ টোকাত পোৱা কথাখিনি উপেন ৰাভা হাকাচামে উল্লেখ কৰা ধৰণে তলত দাঙি ধৰা হ'ল—

"চিলেট অঞ্চলতো অসমৰ দৰে প্ৰাতঃস্নান কৰি মেজি জ্বলাই চুঙা-পিঠা আৰু অন্যান্য পিঠা-পনাৰে মাঘ বিহু উদ্‌যাপন কৰা, পথাৰত নৰাবিলাক ৰৈ যোৱাকৈ মুঠি বান্ধি (গুৰিৰ পৰা কাটি আঁটি বন্ধাৰ বিপৰীতে) ধান দোৱা-চপোৱা কৰা, আই-বাইসকলৰ নাম গোৱা (সংকীৰ্তন) আদি দেখা যায়। বিভিন্ন জাতি, বৃত্তি, খেল, ফৈদৰ বা বিষয়বাবৰ লগত জড়িত উপাধি (শৰ্মা, দাস, ডোম, পাটনি); চিলেটৰ প্ৰাচীন নাম গোৰ (গৌড়)ৰ লগত অসমীয়া মুছলমানসকলক সূচোৱা গৰিয়া শব্দৰ সাদৃশ্যতা, ফা প্ৰত্যয়ান্ত ৰাজবংশী লোকৰ নামৰ সমাহাৰ (স্বধৰ্ম্মফা, জনকফা, ৰত্নফা); সাধাৰণ

লোকৰ নামকৰণত ৰাম শব্দৰ সমাহাৰ (জয়ৰাম, কালীৰাম, কানাইৰাম, লখাইৰাম, বলৰাম); অসমীয়াৰে বিশ্লেষণ কৰিবপৰা স্থান নামৰ প্রাধান্য (বুঢ়া-গোহাঁই বা বুড়া গোয়াইৰ লগত জড়িত গোয়াইন ঘাট, কোঁৱৰৰ লগত জড়িত কুয়ৰগড়, হাজাৰিকীয়া বা হাজৰিকাৰ লগত জৰিত হাজাকী অঞ্চল, বৰুৱাৰ লগত জড়িত বৰুৱা ((পাহাৰ), অসম বা আসামৰ লগত জড়িত আসাম-পাড়া, আসামপুৰ আদি স্থান, বগা বা বোকা আৰু পানীৰ লগত জড়িত বগাপানী ইত্যাদি স্থানৰ নাম) অসমীয়াৰ সৈতেহে তুলনীয়, বাংলা বা অইন ভাষা-গোষ্ঠীৰ লগত নহয়।"

অসমৰ সামাজিক জাতিগত উপভাষা হিচাপে প্রতিপন্ন কৰিব পৰাকৈ চিলেটীয়া কথ্য ৰূপৰ ভাষাগত বৈশিষ্ট্যবোৰ তলত দাঙি ধৰা হ'ল।

ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

অসমীয়া ভাষাৰ দৰে চিলেটীয়াতো বাংলা ভাষাৰ ঝ, জ-ৰ দৰে উচ্চাৰিত হয়। যেনে ঃ মাঝে ঃ মাজে, ওঝা ঃ ওজা আদি।

চিলেটীয়া উপভাষাত অসমীয়া ভাষাৰ দৰে ৱ (ও/য়) ধ্বনিৰ উচ্চাৰণ আছে। অর্থাৎ চিলেটীয়াত বাংলাৰ দৰে ৱ-ৰ ঠাইত ব উচ্চাৰণ নহয়। যেনে— নৱাৰ (নবাব নহয়)।

কামৰূপী উপভাষাৰ দৰে চিলেটীয়া উপভাষাতো ও ধ্বনিক উৰ দৰে উচ্চাৰণ কৰে। যেনে ঃ চোৰ ঃ চুৰ।

চিলেটীয়া উপভাষাত অসমীয়াৰ দৰে ৰ আৰু ড়ৰ মাজত পার্থক্য নাই। যেনে ঃ বড় ঃ বৰ।

কামৰূপীৰ দৰে চিলেটীযাতো অপিনিহিতিৰ প্রয়োগ সর্বাধিক; যিটো বাংলাৰ লগত নিমিলে। যেনে— বেইল (অসমীয়া ঃ বেলি, বাংলা ঃ বেলা)।

ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

ৰূপতাত্ত্বিক দিশত অসমীয়া বা বাংলাতকৈ চিলেটীয়া বা কাছাৰী বহুখিনি ভিন্ন। বচন, শব্দ ৰূপ, ক্রিয়া-ৰূপ আদি প্রায়বোৰ দিশতে ইয়াত স্বকীয়তা ৰক্ষিত হৈছে. ইয়াৰোপৰি সমমূলীয় ভাষা বা উপভাষা হিচাপে চিলেটীয়া বা কাছাৰী ৰূপ সাধনত অসমীয়া নতুবা বাংলা ভাষাৰ লগতো সাদৃশ্য পৰিলক্ষিত হয়। এই উপভাষাত অসমীয়াৰ সৈতে বিশেষ সাদৃশ্য থকা বা অসমৰ জাতিগত উপভাষা হিচাপে অসমীয়া ভাষাৰ বৈশিষ্ট্য কেনেদৰে দেখা যায় তলত উল্লেখ কৰা হ'ল।

অসমীয়া ভাষাৰ প্রথম পুৰুষৰ ভৱিষ্যৎ কালৰ ৰূপ -ই /-স (যাম, কৰিম) ৰূপৰ লগত চিলেটীয়া উপভাষাৰ -ইমু / -সু ৰূপৰ সাদৃশ্য আছে। যেনে ঃ যাইমু ঃ যাম, কৰিমু ঃ কৰিম আদি। সেইদৰে দ্বিতীয় আৰু তৃতীয় পুৰুষৰ ৰূপৰ ক্ষেত্রতো অসমীয়া ভাষাৰ লগত চিলেটীয়া উপভাষাৰ সাদৃশ্য আছে।

চিলেটীয়া উপভাষা ৰূপত অপিনিহিতিৰ দ্বাৰা যৌগিক ক্রিয়া ৰূপ গঠন কৰাৰ বেলিকা অসমীয়া ভাষাৰ সৈতে সাদৃশ্য আছে। যেনে ঃ বাইচ্ছা লওয়া (বাছি লোৱা),

উইট্যা যাওৱা (উঠি যোৱা) আদি।

অসমীয়াত বহুবচন বুজোৱা 'সকল' ৰূপৰ সৈতে চিলেটীয়া উপভাষাৰ 'হকল' ৰূপৰ সাদৃশ্য আছে।

কাছাৰীত সম্বন্ধপদৰ -অৰ/-ৰ বিভক্তি বাংলাৰ (-এৰ/-ৰ) বিপৰীতে অসমীয়াৰ (-অৰ/ -ৰ) সৈতে হুবহু একে। যেনে ঃ ঘৰৰ, কন্যাৰ আদি।

অসমীয়া আৰু চিলেটীয়া উভয় ভাষাতে সর্বনাম আৰু সর্বনামীয় ৰূপৰ সাদৃশ্য দেখা যায়। যেনে ঃ মুই/মই আদি।

চিলেটীয়া উপভাষাত অসমীয়াৰ দৰে অধিকৰণ কাৰকৰ -অত/ -ত বিভক্তিৰ অবিকল প্রয়োগ আছে। যেনে ঃ গাউত (গাঁৱত), বাড়ীত (ঘৰত) আদি।

অসমীয়াত অনা- /এনা- অব্যয়ৰ সমতুল্য ৰূপ চিলেটীয়াত (-আনা) প্রয়োগ আছে। যেনে ঃ অনা-কাৰণে ঃ অনাহকত আদি

চিলেটীয়া উপভাষাত জোৰ বুজোৱা স্বার্থিক প্রত্যয় -গিৰ সৈতে অসমীয়া গৈৰ বিশেষ সাদৃশ্য মন কৰিবলগীয়া। যেনে ঃ গেল গি ঃ গলগৈ আদি।

অর্থহীন আৰু অর্থপূর্ণ সদৃশ শব্দৰ সংযোগত যুৰীয়া শব্দৰ গঠন চিলেটীয়া আৰু অসমীয়া উভয়তে বিদ্যমান। যেনে ঃ চা-চাকৰ (চাকৰ- বাকৰ), বা-বাতাস (বা -বতাহ) আদি।

শব্দগত বৈশিষ্ট্য ঃ

চিলেটীয়া উপভাষাৰ শব্দাৱলীৰ বাংলা আৰু অসমীয়া ভাষাৰ শব্দাৱলীৰ সৈতে যথেষ্ট সাদৃশ্য আছে। বাংলা আৰু অসমীয়া উভয় ভাষাৰ লগত সাদৃশ্য থকা শব্দাৱলীৰ লগতে পৰিৱর্তন হৈ নতুন ৰূপত ব্যৱহাৰ হোৱা শব্দও পোৱা যায়। যেনেঃ

বাংলা	অসমীয়া	চিলেটীয়া
বৈশাখ	ব'হাগ	বৈহাগ
বিড়াল	মেকুৰী	মেকুৰ
মেয়ে	ছোৱালী	ছাওৱাল
নর্দমা	খলা	খোলা
সূতা	সূতা বতিয়া	বাত্তি ইত্যাদি।

চিলেটীয়া উপভাষাত বাংলা আৰু অসমীয়া ভাষাৰ সৈতে সাদৃশ্য নথকা কিছুমান সুকীয়া শব্দৰ প্রয়োগ আছে। তলত তেনে কিছুমান শব্দৰ উদাহৰণ দাঙি ধৰা হ'ল— ঝাপি (পাণ-বটা), শালিস (গাঁওসভা), ছালি (ছাই), যচু (কল), হন (তাত), তাইন (সি, তেওঁ) ইত্যাদি।

বাক্যতাত্ত্বিক বৈশিষ্ট্য ঃ

বাক্যতাত্ত্বিক ক্ষেত্রত দেখা যায় যে অসমীয়া আৰু বাংলা ভাষাৰ বাক্য গঠন প্রণালীৰ সৈতে চিলেটীয়া উপভাষাৰ বাক্য গঠন প্রণালীৰ সাদৃশ্য আছে। অৱশ্যে

অসমীয়া আৰু বাংলা উভয় ভাষাৰ বাক্য গঠন প্ৰণালীৰ সৈতে সাদৃশ্য থাকিলেও চিলেটীয়া উপভাষাৰ বাক্যৰ গাঁথনি বা বাক্যত ব্যৱহৃত শব্দাৱলীৰ কিছু সুকীয়া বিশেষত্ব আছে। চিলেটীয়া উপভাষাৰ বাক্যতাত্ত্বিক দিশত বাংলা আৰু অসমীয়া ভাষাৰ প্ৰভাৱ থাকিলেও চিলেটীয়া উপভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ বাবে বাক্যবোৰ কিছু আচহুৱা যেন লাগে। চিলেটীয়া উপভাষাৰ বাক্য গাঁথনিৰ নমুনাঃ

১। হে গেল সি (সি গ'লগৈ)

২। খাইতাই নি (খাবি নে)

৩। কৰিবাৰ মন নাই (কৰিবৰ/কৰিবলৈ মন নাই)

চিলেটীয়া গদ্যৰ নমুনা ঃ বৰং বিষয় থাকিয়া খেতৰ কামত বেশী মন দেওয়া ভাল (বৰঞ্চ চাকৰিতকৈ খেতিৰ কামত বেছি মনোযোগ দিয়াটো ভাল)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ চিলেটীয়া উপভাষাত কি কি ভাষাৰ প্ৰভাৱ আছে? (৩০টা মান শব্দৰ ভিতৰত)

.....

১২.৩.২ ভাটিয়া

অসম তথা প্ৰাচীন কামৰূপলৈ ত্ৰয়োদশ শতিকাৰ পৰা সপ্তদশ শতিকালৈ ৰাজনৈতিক কাৰণবশতঃ অহা কিছুসংখ্যক মুছলমান লোক অসমত স্থায়ীভাৱে ৰৈ গৈছিল। ইয়াৰোপৰি প্ৰাচীন অসমভূমিত বিভিন্ন কাৰণত বিভিন্ন জনগোষ্ঠীয় লোক ধৰ্মান্তৰিত হৈ ইছলামধৰ্মী হৈছিল সেই কথাৰো বুৰঞ্জীয়ে সাক্ষী দিয়ে। অসমত যুদ্ধবন্দী হিচাপে ৰৈ যোৱা আৰু ইছলাম ধৰ্ম গ্ৰহণ কৰা স্থানীয় মুছলমান অৰ্থাৎ গৰিয়া-মৰিয়াসকলৰ উপৰিও অসমৰ চৰ-চাপৰি অঞ্চলত বসবাস কৰা পমুৱা শ্ৰেণীৰ বা অভিভাসী সম্প্ৰদায়ৰ মিঞা মুছলমান আছে। ঊনবিংশ শতিকাৰ শেষৰফালে পূৰ্ববঙ্গৰ পৰা ১৮৮১ চনৰ ব্ৰিটিছৰ মৈমনসিঙীয়া আমদানি নীতি আৰু ১৮৮৬ চনত প্ৰৱৰ্তন কৰা Groth more food নীতিৰ দোহাই দি পূৰ্ববঙ্গৰ লোকে অসমলৈ ঢাপলি মেলিছিল। ইয়াৰোপৰি ১৮৯৭ চনৰ বৰভূঁইকপ আৰু ১৯১৫ চনৰ ভয়ংকৰ দুৰ্ভিক্ষৰ বাবে বহুতো মুছলমান লোক অসমলৈ আহিছিল। অসমৰ চৰ অঞ্চল (বিশেষকৈ গোৱালপাৰা জিলাৰ লুইতৰ চৰ) আৰু বৰপেটাৰ আশে-পাশে থকা দ আৰু দুৰ্গম অঞ্চলত মৈমনসিঙীয়া মুছলমান খেতিয়কেৰে ভৰি পৰে। পৰৱৰ্তী সময়ত অসমৰ

প্রায়কেইখন জিলাতে এওঁলোক সিঁচৰতি হৈ পৰে। মূলতঃ কৃষিজীৱী এইসকল লোক বৰ্তমান নগৰীয়া অঞ্চলত বিভিন্ন সৰু-সুৰা কৰ্ম যেনে ঃ ৰিক্সাৱালা, ঠেলাৱালা, মিস্ত্রী, ব্যৱসায় আদি কৰি জীৱন নিৰ্বাহ কৰে।

দীৰ্ঘদিন ধৰি অসমভূমিত জীৱন অতিবাহিত কৰা মিঞা লোকসকল অসমৰ জাতি গঠন প্ৰক্ৰিয়াৰ অবিচ্ছেদ্য অংগ হৈ পৰে। তেওঁলোকে অসমীয়াৰ মাত-কথা, ভাষা-সংস্কৃতি গ্ৰহণ কৰি অসমীয়া জাতিৰ বৃহত্তৰ অংগ হৈ পৰে। সেইদৰে এওঁলোকৰ মুখৰ ভাষা বাংলা, বঙ্গৰ মৈমনসিঙীয়া সৈতে প্ৰায়ে অভিন্ন যদিও অসমীয়া ভাষাৰ সাৰ্বজনীন ৰূপৰ প্ৰভাৱত কিছু স্বকীয় ৰূপ লাভ কৰি ই অসমীয়াৰ এটা সামাজিক জাতিগত উপভাষাৰ মৰ্যাদা লাভ কৰিছে। বৰ্তমান সময়ত মিঞামিজ বা ন অসমীয়া হিচাপে অভিহিত এই জাতিগত উপভাষাটোৰ ভাষাতাত্ত্বিক বিশেষত্ব সমূহ উপেন ৰাভা হাকাচামে দেখুওৱা ধৰণে তলত দাঙি ধৰা হ'ল—

ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

১। সঘোষ মহাপ্ৰাণ ধ্বনিসমূহ (ঘ, ঝ, ঢ, ধ, ভ) কণ্ঠনালীয় স্পৰ্শ মিশ্ৰ ধ্বনিৰূপে উচ্চাৰিত হয়। যেনে— ঘা- > গা, বাঘ > ৰাগ ইত্যাদি।

২। অঘোষ মহাপ্ৰাণ ধ্বনিসমূহ (খ, ঠ, থ, ফ) শব্দৰ আদিত অপৰিৱৰ্তিত থাকে যদিও কেতিয়াবা মধ্য স্থানত কণ্ঠনালীয় মিশ্ৰ ধ্বনি ৰূপে উচ্চাৰিত হোৱা দেখা যায়। যেনে— খাওয়া, ঠাকুৰ আদি।

৩। স্বৰ মধ্যৱৰ্তী ক কেতিয়াবা অঘোষ উষ্ম ধ্বনি (x) বা জিহ্বামূলীয়, ঘোষীভৱন বা মহাপ্ৰাণতা হ [h] হিচাপে উচ্চাৰিত হয়। যেনে ঃ ঢাকা > ড'খো ~ ড্'াগা ~ ড্'া ইত্যাদি।

৪। স্বৰমধ্যৱৰ্তী ট বা ঠ সদায় ঘোষ ড হয়; বাংলাৰ অন্য উপভাষাত হোৱাৰ দৰে কেতিয়াও ড় নহয়। যেনে— ছুটী > ছুড়ী, চিঠি > চি'ডি ইত্যাদি।

৫। ড়, ঢ় মাত্ৰে ৰ হয়। যেনে ঃ দেঢ় > দে'ৰ ইত্যাদি।

৬। খ কেতিয়াবা হ হয়। যেনে— এখন > অহন, দেখ > √দেহ ইত্যাদি

৭। ও-কাৰ উ-ৰা হিচাপে উচ্চাৰিত হয়। যেনে— চোৰ > চুৰ, কোন > কুন ইত্যাদি।

৮। এ-কাৰ প্ৰায়ে আ-কাৰ হিচাপে উচ্চাৰিত হয়। যেনে— দেশ > দ্যাশ, লেখা > ল্যাকা ইত্যাদি।

৯। অঘোষীভৱনৰ দৃষ্টান্ত আছে। যেনে— থাক্‌ব > থাক্‌প (থাকিব) ইত্যাদি।

১০। সমীভৱনৰ উদাহৰণ আছে। যেনে— কৰিয়া > কইৰ‍্যা (কৰি), ৰাতি > ৰাইত ইত্যাদি।

নব্য ভাৰতীয় আৰ্য ভাষা অসমীয়া আৰু বাংলা উভয় ভগ্নী ভাষাৰ পৰা গঢ় লোৱা চিলেটীয়া উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যত পূৰ্ববংগৰ উপভাষাৰ সৈতে অসমীয়াৰ বিশেষকৈ কামৰূপী আৰু গোৱালপৰীয়াৰ বিশেষ মিল দেখা যায়। ইয়াৰে অসমত প্ৰচলিত মৈমনসিঙীয়া মূলীয় ভাটীয়াৰ উপভাষাৰ তুলনাত গোৱালপৰীয়াৰ

উজনীয়া বা দেশী ৰূপৰ ধ্বনিতাত্ত্বিক মিল তুলনামূলকভাৱে কিছু বেছি। উজনীয়াত ভাটীয়া বা বংগৰ মৈমনসিঙীয়াও নোপোৱা অনুনাসিকতাৰো অসমীয়াৰ দৰে বিৰোধী প্রয়োগ আছে। যেনে— গাওঁ 'গাওঁ' ঃ গাও 'শৰীৰ' ইত্যাদি।

ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

অসমৰ চৰ-চাপৰিত প্রচলিত মৈমনসিঙীয়াৰ ভাটীয়া বা উজনীয়াত উপভাষাত অসমীয়া আৰু তিব্বত-বর্মীয় বড়ো, ৰাভা আদি ভাষাৰ উপাদান যথেষ্ট দেখা যায়। উদাহৰণ—

বঙ্গৰ মৈমনসিং উপভাষা (বাংলা)	ভাটীয়া	উজানীয়া (অসমীয়া)
খাইতে/খাইবাৰ (খেতে)	খাইবেৰ নিগে	খাইবেৰ/খাপৰ জইনে (খাবলৈ)
তুমাৰ বাইওে কয়জন	তুগোং/তগো বাইওে	তোৰ বাৰীত কয়জন
আমাৰ বাপ (আমাৰ-বাবা)	আমোগা/আংগো (ৰ)বাপ	মৰ বাবা (মোৰ দেউতা)

১। ক্রিয়াৰূপৰ ক্ষেত্রত মৈমনসিঙীয়া উপভাষাই বাংলা আৰু অসমীয়া ভাষাৰ ৰূপ প্রকট কৰে। অর্থাৎ ভাটিয়া উপভাষাত ভৱিষ্যৎ কালৰ ৰূপত অসমীয়াৰ { -ইম/-ম } ৰ সমতুল্য { -ইম /-মু }, তৃতীয় পুৰুষৰ ভৱিষ্যৎ কালৰ ৰূপত অসমীয়াৰ { ইব/-ব } ৰ সমতুল্য { -ইব/-ব } ৰূপৰ সাদৃশ্য যেনেদৰে বিদ্যমান, তেনেদৰে প্রথম পুৰুষৰ অতীত কালৰ {-ইলাম } ইত্যাদি ৰূপত বাংলাৰ সৈতে অধিক সাদৃশ্য আছে। সেইদৰে তিনিওটা পুৰুষতে ভাটিয়া উপভাষাৰ সৈতে বাংলা আৰু অসমীয়াৰ সাদৃশ্য অধিক মাত্রাত প্রকট হয়।

২। ভাটিয়া উপভাষাত অসমীয়াৰ দৰে {-উৱা}, {-ইয়া} আদি শব্দ সাধনৰ প্রত্যয়ৰ অবিকল ৰূপত প্রয়োগ আছে, যিটো বাংলা ভাষাত অভিশ্রুতিৰ ফলত যথাক্রমে {-ও} আৰু {-এ} হয়। যেনে ঃ

ভাটিয়া/পূর্ববংগ	অসমীয়া	বাংলা
জালিয়া	জালুৱৈ (জালোৱা)	জেলে
থলুৱা/থলুৱা	থলুৱা	থলো ইত্যাদি।

৩। বিভিন্ন লিংগবাচক প্রত্যয়ৰ লগতে ভিন্ ভিন্ অর্থত প্রয়োগ হোৱা কৃৎ আৰু তদ্ধিত প্রত্যয়ৰ কিছু সুকীয়া প্রয়োগ পোৱা যায়। যেনে ঃ লিংগবাচক প্রত্যয় -ঈ/-এনীঃ দাদা> দাদী (আইতা, দেউতাকৰ মাক), কালা > কালী (কলী) -ওন/ -উন ঃ ৰান্ধ > ৰান্ধন/ৰান্ধুন, -নি ঃ খাট্ > খাটনি ইত্যাদি। সেইদৰে -ওনা/-উনা, -আনি/-আইনে, -উইয়া, -আল, -লা, -ইলা, -ওৱালী আদি প্রত্যয়ৰ ক্ষেত্রত ভাটিয়া উপভাষাত কিছু আছুতীয়াকৈ প্রয়োগ হোৱা দেখা যায়।

৪। ক্রিয়াবাচক আৰু নামবাচক বিভিন্ন অর্থত প্রয়োগ হোৱা স্বার্থিক প্রত্যয়ৰ ব্যৱহাৰ আছে, যি কিছু ক্ষেত্রত অসমীয়াৰ সৈতে সাদৃশ্য থকা। যেনে— -নিঃ ঘাইয়োনি (যাবিগৈ), নিবোগ্যা ঃ (তোমাক নিবগৈ) ইত্যাদি।

শব্দতাত্ত্বিক বৈশিষ্ট্য ঃ

অসমীয়া আৰু বাংলা উভয় ভাষাৰ লগত সাদৃশ্য থকা এনে কিছুমান শব্দ আছে যিবোৰ ভাষাগত ক্ষেত্রৰ উমৈহতীয়া ফচল বুলিব পাৰি। সেইদৰে অসমীয়া আৰু ইয়াৰ বিভিন্ন আঞ্চলিক আৰু জনগোষ্ঠীয় উপভাষাৰ শব্দৰ লগত সাদৃশ্য থকা শব্দবোৰ ভাটিয়া উপভাষাত বহুল প্রয়োগ আছে। যেনে—

বাংলা	ভাটীয়া	অসমীয়া
উৰি (সিস/ছিম)	উৰি	ৰাভা ঃ কুৰছিং ঃ বৰো ঃ গৰছি
কুইয়াৰ (আখ)	কুইয়াৰ	(কুঁহিয়াৰ) ইত্যাদি।

ইয়াৰোপৰি ভাষা বিশেষে থকা কালিকা স্বৰূপ জতুৰা ঠাঁচ-খণ্ডবাক্য, সংস্কৃতিৰ লগত জড়িত শব্দ, অন্যান্য খেল-ধেমালি বিষয়ক শব্দ, অন্যান্য উৎসৱ-পার্বণৰ নাম, ধর্মৰ লগত জড়িত শব্দ আৰু আচাৰ-বিচাৰজনিত শব্দ, সামাজিক অনুষ্ঠান, বিধি-ব্যৱস্থাৰ লগত জড়িত শব্দ, স্থান-নাম, ব্যক্তিৰ নাম, উপাধি, সম্বন্ধবাচক শব্দ, লোক সাহিত্যৰ সমল, সাজ-পাৰ, আ-অলংকাৰ, ঘৰ-দুৱাৰ, অস্ত্র-শস্ত্র, সা-সামগ্রী, গালি-শপনিবাচক আদি বিভিন্ন শ্রেণীৰ শব্দৰ লগত অসমীয়াৰ বিশেষ সাদৃশ্য দেখা যায়।

সংস্কৃতিৰ লগত জড়িত শব্দ ঃ বাইচা (নাওবৈচা), চৰনদাৰ ববাতী (নাওখেলৰ গীত গোৱা মানুহ) ঘৰ-দুৱাৰ, অস্ত্র-শস্ত্র, সা-সামগ্রী ঃ বাংলাঘৰ- (চ'ৰা-ঘৰ), ধাৰি/তালাই (ঢাৰি), তাইতা (চুট্‌লি) আদি।

ব্যক্তিৰ নাম, উপাধি আদি ঃ আহমেদ, আলি, চুলতান/চুলতানা, নুৰুল, হজৰত, বেগম, আব্দুল আদি।

বাক্যতাত্ত্বিক বৈশিষ্ট্য ঃ

বাক্যতাত্ত্বিক দিশত অসমীয়াৰ লগতে বাংলাৰ মৈমনসিঙীয়া উপভাষাৰ সৈতে যথেষ্ট সাদৃশ্য আছে। ভাটিয়া ঔপভাষিক উপভাষাত ৰূপত অসমীয়া ভাষাৰ বাক্য গাঁথনিগত বৈশিষ্ট্য সোমাই সুকীয়া ৰূপ লাভ কৰে। অসমীয়া আৰু বাংলা ভাষাৰ লগত সাদৃশ্য থকা শব্দাৱলীৰে সুকীয়া উচ্চাৰণ তথা অসমীয়া আৰু বাংলা উভয় ভাষাতে নথকা শব্দাৱলীৰ প্রয়োগে ভাটিয়া ঔপভাষিক ৰূপৰ বাক্য গাঠনিৰ প্রভাৱিত কৰিছে। মুঠতে ভাটিয়া উপভাষাৰ বাক্যগত দিশত কিছু স্বকীয় বিশেষত্ব লক্ষ্য কৰা যায়।

১২.৩.৩ সাদানি

সম্প্রতি কোল মুণ্ডা, চাওতালি, ওৰাং আদি জনগোষ্ঠীৰ মাজত হিন্দী, বাংলা আৰু অসমীয়াৰ সৈতে সাদৃশ্য থকা এটা মিশ্রিত ভাষাই গোটেই ভাৰতবর্ষত (বিশেষকৈ বিহাৰ, উৰিষ্যা, পশ্চিমবঙ্গ, অসম, ঝাড়খণ্ড, মধ্যপ্রদেশ) জনপ্রিয়তা লাভ কৰিছে, যাক সাদৰি বা সাদানি ভাষা বুলি কোৱা হয়। কিন্তু বিশেষজ্ঞসকলৰ মতে সাদৰি বা সাদানি ভাষা বিশেষজ্ঞসকলৰ মতে ই এটা স্বতন্ত্র আৰু পুর্ণাংগ ভাষা, ই কাৰো মিশ্রিত ভাষা নহয়। সেইবাবে তেওঁলোকে সাদৰি ভাষাক বাংলা, উড়িআ আৰু অসমীয়া ভাষাৰ লগত সাদৃশ্য থকালৈ লক্ষ্য কৰি আর্যমূলীয় এই ভাষাসমূহৰ ভগ্নীভাষা বুলি ক'ব বিচাৰে।

ব্রিটিছসকলে চাহ উদ্যোগত কাম কৰিবলৈ ভাৰতবর্ষৰ বিহাৰ, উৰিষ্যা, মধ্যপ্রদেশ, উত্তৰ প্রদেশ আদি ঠাইৰ পৰা নতুন এদল বৃত্তিয়াল অসমলৈ লৈ আনে। এই ঠাইবোৰৰ পৰা চাওঁতাল, কুর্মি, মোছহৰ, মুণ্ডা, তেলেঙা, হো, ভূমিজ, ওৰাং, তাঁতী, লোহাৰ আদি অসমৰ চাহ উদ্যোগৰ অপৰিহার্য কর্মীৰূপে অসমত বর্তি থাকিল। কালক্রমত এইসকলেই নিজৰ কৃষ্টি-সংস্কৃতি কিছু সংৰক্ষণ কৰি হ'লেও অসমীয়াৰ মাত-কথা গ্রহণ কৰাৰ লগতে থলুৱা লোকৰ আচাৰ নীতি, সাজ-পাৰ আদি গ্রহণ কৰি কালৰ সাঁচত অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ হৈ পৰিল। পৰৱর্তী সময়ত তেওঁলোকে লগত লৈ অহা নিজস্ব ভাষাটোৰ অসমীয়া ভাষাৰ সৈতে সংমিশ্রণ ঘটিছিল আৰু তেওঁলোকৰ পূর্বৰ মাতৃভাষাৰ ভাষাগত বৈশিষ্ট্যৰ লগত অসমীয়া ভাষাৰ উপাদান সোমাই পৰিল। সম্প্রতি সাদানি বা বাগানীয়া কথিত ভাষাত অসমীয়া ভাষাৰ ভাষাগত উপাদানেই বেছি। বর্তমান সময়ত অসমৰ এক উল্লেখযোগ্য সামাজিক জাতিগত উপভাষা হিচাপে বিবেচিত সাদানি ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ তলত দাঙি ধৰা হ'ল।

ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

সাদানি ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া, উড়িআ আদি কোনোটো আর্যমূলীয় ভাষাৰ স্বৰ-ব্যঞ্জনৰ সংখ্যাই সাদানি ভাষাৰ সৈতে তুলনা নহয়। তথাপি সাদানি ভাষাত পোৱা বিশিষ্ট স্বৰধ্বনি সাতটা আৰু বিশিষ্ট ব্যঞ্জন ধ্বনি ২৮ টাই ইয়াক বাংলাৰ সমতুল্য বুলি ভাবিবৰ যথেষ্ট অৱকাশ দিয়ে।

নব্য ভাৰতীয় ভগ্নী ভাষাসমূহৰ শব্দত এটা ধ্বনিৰ পৰিৱর্তে আন এটা ধ্বনিৰ প্রয়োগ অন্যতম মন কৰিবলগীয়া দিশ। সেইদৰে সাদানি ভাষাতো আগম, লোপ আদিৰ উদাহৰণেৰে এই ভাষাৰ ধ্বনি-ৰীতি বৈশিষ্ট্যময়।

আগমৰ উদাহৰণ ঃ পীৰিতি (প্রীতি), পৰব (পর্ব), কোচ্‌ৰা (কাঁচা), চান্দা (চান্দ/চাঁদ), পোকা (পোক) ইত্যাদি।

লোপৰ উদাহৰণ ঃ নিজন (নির্জন), বুধি (বুদ্ধি), গাম্ছা/গামছা (গামোছা), আমাস (অমাৱস্যা), ঠিন/ঠাঁন (স্থান, গোই (গৌৰী), বাদলী (বাদুলী) ইত্যাদি।

অপিনিহিতিৰ প্রাচুর্য সাদৰি ভাষাৰ বিশেষ বৈশিষ্ট্য। এই বৈশিষ্ট্যই ইয়াক অনন্য মাত্রা প্রদান কৰিছে। যেনে— বিপাইত (বিপত্তি), কাইল (কালি), লাইত (লাঠি) কুইল (কুলি চৰাই), বাইলজা (কলিজা) ইত্যাদি।

ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

সাদানি বা বাগানীয়া উপভাষাৰ ৰূপগত দিশত কিছুমান স্বকীয় বিশেষত্ব আছে। অৱশ্যে আর্যমূলীয় অসমীয়া, বাংলা, হিন্দী আদি সঁজাতীয় ভগ্নী ভাষাসমূহৰ সৈতে সাদানি ভাষাৰ যথেষ্ট মিল আছে।

১। সাদানি ভাষাত বচন দুবিধ— একবচন আৰু বহুবচন। একবচন বুজাবলৈ শূন্য প্রত্যয় যোগে অর্থাৎ কোনো প্রত্যয় যোগ নকৰাকৈ নতুবা শব্দৰ শেষত -ঝন ~ — কে ~— গো ~ -টা ~ -ঠো ~ -গুছা ~ - গুছি শব্দাংশ বা নির্দিষ্টতাবাচক প্রত্যয় যোগে আৰু শব্দৰ আগত 'য়েক' (এক) সংখ্যা আৰু ইয়াৰ প্রত্যয়ান্ত ৰূপৰ সংযোগত ৰূপ -মান, ~ -মন, ~ -হাৰ, -ৰা ~ -দেৰ প্রত্যয় (প্রাণীবাচক-অপ্রাণীবাচক সকলো শব্দৰ লগতে) আৰু শব্দৰ আগত দুই বা ততোধিক সংখ্যা আৰু সিহঁতৰ প্রত্যয়ান্ত ৰূপ নতুবা বহুত, গদ্দা, ইন্তা তু হিন্দী ঃ ইত্না, ছবব/সোব আদি সমষ্টিবাচক শব্দৰ ব্যৱহাৰ হয়। কোনো কোনো অঞ্চলত কামৰূপী উপভাষাৰ -গিলা / - গুলা প্রত্যয়ৰো প্রয়োগ আছে।

বাংলা-অসমীয়াৰ অনুৰূপে একাকী ৰূপ আৰু দ্বিত্ব ৰূপ বা দ্বিৰুক্তিৰ দ্বাৰা যেনেদৰে বাক্য বিশেষে বহুবচন বুজোৱা হয় তেনেদৰে বহুবচন বুজোৱা ৰূপো বাক্য বিশেষে একবচনত প্রয়োগ হয়। সাদানিত দুটা বহুবচন ৰূপ একত্রে প্রয়োগ হ'ব পাৰে। যেনে ঃ উচাঁ উচাঁ পাহাৰ (ওখ ওখ পাহাৰ) আদি।

২। ভগ্নীভাষা অসমীয়া আৰু বাংলাৰ দৰে সাদানিতো লিংগ আংশিকভাৱে এটা ব্যাকৰণগত বিষয়— হিন্দী ভাষাৰ দৰে পূর্ণৰূপত পোৱা ব্যাকৰণগত বিষয় নহয়। অর্থাৎ সাদানি উপভাষাত লিংগভেদে ক্রিয়াৰূপৰ বা কাৰক বিভক্তিৰ তাৰতম্য নহয়, অৱশ্যে বিশেষণৰ লিংগভেদে বেলেগ বেলেগ ৰূপ হয়। সাদানিত বাংলা-অসমীয়াৰ দৰে তিনিটা উপায়েৰে পুংলিংগৰ পৰা স্ত্রীলিংগ সাধন কৰা হয়। যেনে— ঈ ~ -ইন, ~ -আইন প্রত্যয় যোগে ঃ কাকা (খুৰা) -কাকী (খুৰী), খেলড়া-খেলড়ী (খেলুৰৈ), ইত্যাদি

৩। সাদানি উপভাষাত বাংলা, হিন্দীৰ দৰে সর্বনামৰ কোনো লিংগভেদ নাই, যিটো অসমীয়াৰ লগত নিমিলে। অৱশ্যে কিছু ক্ষেত্রত প্রাচীন অসমীয়া বা বাংলা ৰূপৰ লগতহে মিলে। অসমীয়া আৰু বাংলা ভাষাৰ দৰে দ্বিতীয় পুৰুষৰ সর্বনামৰ মান্য-তুচ্ছৰ পার্থক্য নাই। প্রয়োজন সাপেক্ষে আপ্নি/আপুনি সম্ভ্রমসূচক সর্বনামৰ পৰিৱর্তে মহাশয়/মহাশয়া অর্থসূচক 'ৰৌৰে' শব্দৰ ব্যৱহাৰ কৰা হয়। যেনে ঃ সাদানি

উপভাষাত প্রচলিত কিছুমান ব্যক্তিবাচক সর্বনাম হ'ল— ইদেৰ/ইমান (ইহঁত), তোহৰে/তোৰা/ তোদেৰ/তোহৰে মানে (তহঁত) ইত্যাদি। সেইদৰে আন আন শ্রেণীৰ সর্বনাম শব্দসমূহৰ ব্যৱহাৰতো বিশেষত্ব লক্ষ্য কৰা যায়।

৪। সাদানি উপভাষাত কাৰক বিভক্তিৰ বোধ জন্মাবলৈ কেতবোৰ বিভক্তি আৰু পৰসর্গৰ প্রয়োগ আছে। তলত এইবোৰৰ উল্লেখ কৰা হ'ল—

ক) কর্তা কাৰকত কোনো বিভক্তিৰ প্রয়োগ নাই। যেনে- ফেচা গগায়া (ফেঁচাই কুৰুলিয়ায়)। কিন্তু অনির্দিষ্টতাবাচক কর্তাৰ লগত -এ বিভক্তিৰ প্রয়োগ হয়। যেনে- ৰাম হৰিকে হাকায় (ৰামে হৰিক মাৰে) ইত্যাদি।

খ) কর্মকাৰকত কেতিয়াবা শূন্য বিভক্তি নতুবা -কে বিভক্তিৰ প্রয়োগ আছে। কেতিয়াবা -সে বিভক্তিৰো প্রয়োগ হয়। উদাহৰণ— হৰি গীত মন শুনথে (হৰি গীতবোৰ শুনিছে), উকে সউৰ বাত- কইহোঁ (তেওঁক সকলো কথা কৈছোঁ), মোঁয় ঝান মে পুছবুঁ (মই আটাইকেইজনকে সুধিম)।

গ) সাদানি উপভাষাত কৰণ কাৰক বুজাবলৈ -সে বিভক্তি ব্যৱহাৰ কৰা হয়। যেনে ঃ আঁইখসে দেখিল, কাণসে শুনিল্ (চকুৰে দেখিলে, কাণেৰে শুনিলে)।

ঘ) নিমিত্ত কাৰকত মুখ্যতঃ -কে বিভক্তিৰ প্রয়োগ হয়; যদিও -লে, -লাই, -লেগিন, -খাতিৰ আদিৰো প্রয়োগ আছে। সাদানি উপভাষাত -ৰ কাৰণে, -জন্যে আদি পৰসর্গ যোগেও নিমিত্ত কাৰকৰ বোধ হয়। যেনে- লছমীৰ কাৰণে আনেছি (লছমীলৈ আনিছোঁ)।

ঙ) সাদানি উপভাষাত আপাদান কাৰকত -লে আৰু -সে বিভক্তিৰ প্রয়োগ হয়। যেনে- গছলে ফল গিৰলক (গছৰ পৰা ফল সৰিল)।

চ) অধিকৰণ কাৰকত -এ আৰু হিন্দী -মে বিভক্তিৰ প্রয়োগ কৰা হয়। যেনে ঃ আন্ধাৰে কতনো না দিশেল (এন্ধাৰত একো দেখা নগ'ল), সমুন্দৰ কা পানিমে নোন আহে (সমুদ্রৰ পানীত নিমখ আহে)।

৫। সাদানি উপভাষাত সমাপিকা আৰু অসমাপিকা উভয়বিধ ক্রিয়া ৰূপৰ সাধন কৰা হয়। ক্রিয়াৰ বিভক্তি ভাব, দশা আৰু কাল বুজাবলৈ পুৰুষ সাপেক্ষে ভিন্ ভিন্ বিভক্তিৰ প্রয়োগ আছে। যেনে ঃ

সাধাৰণ বর্তমান ঃ

পুৰুষ	একবচন	বহুবচন
উত্তম পুৰুষ	-ওন/-ওনা/-অন	-ইল/-ইলা
মধ্যম পুৰুষ	-ইস/-ইসলা	-আল/-আলা
মধ্যম পুৰুষ সম্ভ্রম	—	-ইল/-ইলা
নাম পুৰুষ	য়েল/-য়েলা	-য়েন/-য়েনা
নাম পুৰুষ সম্ভ্রম	-ইল/-ইলা	-ইল/-ইলা

৬। সাদানি উপভাষাত ধ্বন্যাত্মক শব্দ আৰু নাম শব্দৰ লগত -আ/-ইয়া/-উয়া/-ওয়া ইত্যাদি প্রত্যয় যোগে যথাক্রমে ধ্বন্যাত্মক ধাতু আৰু নাম ধাতু গঠন কৰা হয়। যেনে- ঠন ঠন + আ > ঠন ঠনা, ডৰ + আ > ডৰা - (ভয় খা) ইত্যাদি)

৭। সাদানিক উপভাষাত অন্যান্য মাগধীয় ভাষাৰ দৰে বিভিন্ন অর্থসূচক বিশেষকৈ কাৰকসূচক পৰসর্গ বা অনুপদৰ বহুল ব্যৱহাৰ আছে। যেনে- লাগিন/লেগিন, কৰতে, নিচে ইত্যাদি। সেইদৰে বিভিন্ন অর্থত প্রয়োগ হোৱা পূর্বসর্গও (সংস্কৃত উপসর্গকে ধৰি) আছে। যেনে ঃ আধ ঃ আধক চৰা, সহ-ঃ সৈতীন আদি।

শব্দতাত্ত্বিক বৈশিষ্ট্য ঃ সাদানি উপভাষাত ব্যৱহাৰ হোৱা শব্দাৱলীৰ মূল অসমীয়া বাংলা, হিন্দী আদি আর্যমূলীয় সঁজাতীয় ভাষাসমূহ। আর্যমূলীয় শব্দসমূহ সাদানি উপভাষাত ব্যৱহাৰ হয় যদিও উচ্চাৰণ বা ধ্বনিগত, ৰূপগত দিশত থকা বিশেষত্বৰ বাবে শব্দসমূহ কিছু পৃথক যেন লাগে। বর্তমান অসমীয়া ভাষাৰ সৈতে সাদানি ভাষাৰ নিবিড় সম্পর্ক আছে কাৰণে অসমীয়া ভাষাৰ শব্দাৱলীৰ প্রভাৱ সাদানি উপভাষাত অধিক হোৱা দেখা যায়।

বাক্যতাত্ত্বিক বৈশিষ্ট্য ঃ সাদানি ভাষাৰ বাক্যসমূহ পূর্বতে চুটি চুটি সৰল বাক্যৰ (কর্তৃবাচ্য আৰু পৰোক্ষ উক্তিৰ) আছিল যদিও বর্তমান সময়ত দীঘল হৈ জটিল বা যৌগিক বাক্যলৈ ৰূপ সলোৱাৰ লগতে কর্ম-ভাববাচ্য নতুবা পৰোক্ষ উক্তিৰ বাক্যলৈ ঢাল খাইছে। যেনে ঃ

সৰল বাক্য ঃ ঝুঠাহাক কেউ বিশাল কি কৰেন।

জটিল বাক্য ঃ জে ঝুঠ বোলেন, উকে কেউ বিশাস নি কৰেন।

কর্তৃবাচ্য ঃ উ কিতাব পইঢ়হে।

কর্মবাচ্য ঃ উকেৰ সে কিতাপ- পঢ়ল যাইহে। তেওঁৰ দ্বাৰা কিতাপ পঢ়া হৈছে (হ'ল)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ সাদানি ভাষাৰ আর্যমূলীয় কি কি ভাষাৰ সৈতে সাদৃশ্য আছে? (৩০টা মান শব্দৰ ভিতৰত)

.....

১২.৩.৪ নেপালী অসমীয়া

অসমৰ দাঁতিকাষৰীয়া নেপালৰ পৰা নেপালীসকলে বিভিন্ন সময়ত বিভিন্ন কাৰণত চামে চামে আহি অসমভূমিত স্থায়ীভাৱে বা অস্থায়ীভাৱে বসবাস কৰিবলৈ লৈছিল। সংখ্যাগৰিষ্ঠভাৱে বসবাস কৰা নেপালীসকলে নিজৰ মাতৃভাষাকে

ব্যৱহাৰ কৰে যদিও প্ৰতিবেশী ভাষাৰ প্ৰতিহে তেওঁলোকৰ দুৰ্বলতা বেছি। অসমত বসবাস কৰা নেপালীসকলে তেওঁলোকৰ নিজস্ব মাতৃভাষাটো ব্যৱহাৰ কৰে যদিও প্ৰতিবেশী অসমীয়া ভাষাৰ প্ৰতি থকা দুৰ্বলতাৰ বাবে তেওঁলোকৰ কথিত ভাষাৰূপত অসমীয়া ভাষাৰ ভাষাগত উপাদানে বৰপিৰা পাৰি লৈছে আৰু ভগ্নমিশ্ৰ অসমীয়া ভাষা ৰূপে আত্মপ্ৰকাশ কৰিছে যাক নেপালী অসমীয়া ভাষা বুলি কোৱা হয়। ১৯৯১ চনৰ লোকপিয়ল অনুসৰি অসমত নেপালী ভাষী লোকৰ সংখ্যা ৪,৩২,৫১৯ জন।

পুৰাণ আৰু মহাকাব্যৰ যুগৰ পৰাই ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তীয় ৰাজ্যৰ দৰে প্ৰাচীন কামৰূপ বা প্ৰাগজ্যোতিষপুৰৰ লগত নেপালৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক আছিল। অসমীয়া ভাষাৰ বিশেষকৈ চৰ্যাপদ ৰচিত হোৱা কালতে নেপালী ভাষাৰ সৈতে সমন্বয় গঢ়ি উঠিছিল। উপেন্দ্ৰনাথ গোস্বামীয়ে অসমীয়া, বিশেষকৈ কামৰূপী উপভাষাৰ সৈতে সাদৃশ্য থকা বহু নেপালী শব্দৰ উল্লেখ কৰিছে। সাম্প্ৰতিক অসমীয়া ভাষাতো নেপালী ভাষাৰ বহুতো শব্দই ঠাই পাইছে। অসমীয়া ভাষাৰ প্ৰভাৱ সম্বলিত নেপালী উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰে নেপালী ভাষা-সংস্কৃতিৰে প্ৰভাৱপুষ্ট অসমৰ এটি জাতিগত উপভাষা হিচাপে 'নেপালী অসমীয়া' উপভাষাক প্ৰতিপন্ন কৰিছে। তলত 'নেপালী অসমীয়া' উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ দাঙি ধৰা হ'ল।

ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

১। মান্য অসমীয়া ভাষাৰ ৮টা স্বৰধ্বনি আৰু ২৩টা ব্যঞ্জনধ্বনিৰ (অৰ্ধস্বৰ দুটা ধৰি) বিপৰীতে নেপালী ভাষাত ৬টা স্বৰধ্বনি আৰু ২৯টা ব্যঞ্জনধ্বনি (অৰ্ধস্বৰ দুটা ধৰি পোৱা যায়। অসমীয়াতকৈ নেপালী ভাষাত কম স্বৰধ্বনি থকাৰ বাবে নেপালী ভাষী লোকৰ মুখত অসমীয়াৰ কিছু স্বৰধ্বনি কিছু ভিন্ন ৰূপত উচ্চাৰিত হয়। প্ৰধানকৈ নেপালিসকলৰ কথিত অসমীয়াত আদ্য বা অন্ত্য আ/a/> অ'/লী/ আৰু আদ্য বা অন্ত্য ও/o/> উ /u/ হিচাপে উচ্চাৰিত হয়। যেন ঃ আন্ধাৰ ঃ অ'ন্ধাৰ, আইনা ঃ অ'ইনা, ওখ ঃ উখ, নাও ঃ নাউ ইত্যাদি।

২। নেপালী অসমীয়াত ব্যঞ্জনান্ত অসমীয়া শব্দ প্ৰায়ে স্বৰান্ত (ই/অ' কাৰান্ত) হয়। যেনে- জাৰ ঃ জাড়', কলস/কলহ ঃ কলচি, কায ঃ কাখি ইত্যাদি।

৩। নেপালী অসমীয়াত অনুনাসিক্য ধ্বনিৰ প্ৰাবল্য বেছি আৰু য'তে সম্ভৱ হয় ত'তে স্বতঃ অনুনাসিকীভৱন হয়। (বিশেষকৈ নাসিক্য ধ্বনিৰ সন্নিকট স্বৰধ্বনি মাত্ৰৰে উচ্চাৰণ হয়)। যেনে ঃ নাক ঃ নাঁক, বান্দৰ ঃ বাঁদৰ ইত্যাদি।

৪। নেপালী অসমীয়া ভাষাত স্বৰৰ হ্ৰস্ব দীৰ্ঘৰ পাৰ্থক্য নাই।

৫। নেপালী-অসমীয়াত-নেপালী ভাষাৰ কণ্ঠ্য উষ্ম স /x/ ৰ উচ্চাৰণ নাই বাবে অসমীয়াৰ

এনে ধ্বনি নেপালীৰ দৰে পশ্চ দণ্ডমূলীয় উষ্ম স/s/ হিচাপে উচ্চাৰণ কৰাৰ প্ৰৱণতা দেখা যায়। যেনে ঃ চামল (চাউল), ঝ'ল (জোল), বলছি (বৰশি) ইত্যাদি।

৬। নেপালী-অসমীয়াত স্বৰ মধ্যৱৰ্তী হ লোপ আৰু আদ্য স্থানত হ আগম হোৱাৰ উদাহৰণ আছে। যেনে- খৰাহি; খৰাই, আমি > হামি, চিয়াহী ঃ চিয়াঞি ইত্যাদি।

ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

নেপালী অসমীয়া উপভাষাত ৰূপতাত্ত্বিক দিশত বেছি পাৰ্থক্য চকুত নপৰে। অৱশ্যে অসমীয়া ভাষাৰ নিভাঁজ ৰূপ অসমীয়া কোৱাত অনভ্যস্ত নেপালীসকলৰ মুখত পৰাপক্ষত ৰক্ষিত হোৱা দেখা নাযায়। নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ স্বকীয়তা ৰক্ষাৰ ক্ষেত্ৰত (সংখ্যাবাচক আৰু সম্বন্ধবাচক উভয়তে) কিম্বা বিভিন্ন বচন আৰু লিংগবাচক ৰূপৰ লগতে কাৰক আৰু বিভক্তিৰ যথাযথ প্ৰয়োগত কিছু খেলি-মেলি নোহোৱাও নহয়। তদুপৰি কিছুমান নেপালী সৰ্বনাম, বিশেষণ, ক্ৰিয়া বিশেষণ, অব্যয় বা স্বাৰ্থিক প্ৰত্যয়ৰ প্ৰয়োগেৰে তেওঁলোকৰ কথ্য অসমীয়া বৈশিষ্ট্যময় হৈ উঠিছে। তাৰে কেইটামান উদাহৰণ তলত দাঙি ধৰা হ'ল—

ক) বাপ, বাপেৰ, বাপেৰা,বাপেক বা মা, মাৰা, মাক আদি ৰূপৰ ঠাইত নেপালীসকলৰ কথিত অসমীয়া সচৰাচৰ মুৰ/তুৰ/আপ্পাৰ/তাৰ বাউ /ba-u/ বা মাউ /ma-u/ ৰূপৰ প্ৰয়োগ হয়।

খ) নিদেৰ্শক সৰ্বনামৰ লগত বোৰ/বিলাক/সকল আদি বহুবচনৰ ৰূপৰ ঠাইত অকল সব/ছব ৰূপৰ বিস্তৃত প্ৰয়োগ ইয়াৰ অন্যতম মনকৰিবলগীয়া দিশ, তদুপৰি নেপালী অসমীয়াত বহুবচনৰ ৰূপ কিছুমান যেনে ঃ সমষ্টিবাচক ঢেৰ, কতিমান (কেইটামান), ছব (সব)ৰ লগতে হৰু/ৰু/ৰোঁ/ৰী (তিস্রো/তিস্রী- তোমাৰ, শিক্ষক হৰু, ইত্যাদিৰো কম-বেছি পৰিমাণে প্ৰয়োগ হয়।

গ) লিংগ নিৰ্ণায়ক স্বতন্ত্ৰ শব্দ বা পুং-স্ত্ৰীবাচক সুকীয়া শব্দৰ পৰিৱৰ্তে নেপালী-অসমীয়াত -ঈ/-নী আদি স্ত্ৰীপ্ৰত্যয়ৰ বহুল প্ৰয়োগ হয়। যেনে ঃ মতা কুকুৰা, মাইকী কুকুৰা কিন্তু কুখুৰা-কুখুৰী, দেওৰ-জা কিন্তু দেৱৰ দেৱৰণী ইত্যাদি।

ঘ) কাৰক বিভক্তিৰ ক্ষেত্ৰত নেপালী ভাষী লোকসকলে অসমীয়াত বৰ বেছি ভুল নকৰে। নেপালী অসমীয়াত কৰ্তা কাৰকত শূন্য বিভক্তি -এ বিভক্তি প্ৰয়োগ নকৰে আৰু কৰ্ম আৰু সম্প্ৰদান কাৰকত অভিন্ন ৰূপত লৈ তু নেপালী-লাই/লাইকন বিভক্তিৰ প্ৰয়োগেৰে কিছু জাতিগত উপভাষাৰ বৈশিষ্ট্য প্ৰৱৰ্তাই ৰাখিছে।

শব্দতাত্ত্বিক বৈশিষ্ট্য ঃ নেপালী আৰু অসমীয়া দুয়োটাই সংস্কৃতমূলীয় ভাষা হোৱা স্বত্বেও দুই পৃথক ভাষাগত ক্ষেত্ৰত (Linguistic area) আৰু সুকীয়া সুকীয়া সংস্কৃতিধাৰী জাতি-জনগোষ্ঠীৰ ভাষা-সম্প্ৰদায়ৰ (Speech Communities) মাজত প্ৰচলন হৈ আহিছে বা দুই এটা শব্দৰ স্বতন্ত্ৰতা বজাই ৰাখিবলৈ সক্ষম হৈছে উদ্ভৱকালীন সময়ছোৱাৰ ভাষাৰ লগত।

ক) সম্বন্ধবাচক শব্দ ঃ মিত আমা (আমৈ), ছাৰ দাজু (পত্নীৰ ভিনিহিয়েক), বইনী (ভনী, খুলশালীয়েকৰ পত্নী) নানা (সৰু ল'ৰা)- নানী (সৰু ছোৱালী) ইত্যাদি।

খ) বৃত্তিৰ লগত জড়িত শব্দ (মাছ মৰা, চিকাৰ, কৃষি, পশুপালন ইত্যাদি) ঃ খুকুৰী, চিৰুপাতে (উলু খেৰপতীয়া চানেকিৰ খুকুৰী) খাঁড়ো (খড়্গ), তল'ৱাৰ (তৰোৱাল) হলি/খেতিৱাৰি (খেতিয়ক) ইত্যাদি।

গ) ঘৰ-গৃহস্থালিৰ লগত জড়িত শব্দ ঃ ঢাপ (ঢাপ), কলছি (কলহ) চমুৱা (চৰিয়া), থৈলো (থৈলা), ভেলচি (মাৰলি), থাল (কাঁহী) আদি।

ঘ) খাদ্য আৰু লোক- ব্যঞ্জন ঃ সিজানা চাউল (সিজোৱা-চাউল), চিউৰা (চিৰা), চগুনপানী (লাওপানী), ৰুকচি (মদ), মুৰই (মুৰি) ইত্যাদি।

ঙ) সাজপাৰা আৰু আ-অলংকাৰ ঃ ভাওগাঁউলৈ (তৰাখচিত টুপী), চুন (সোণৰ গহনা), বাই/বাহী (সোণ বা ৰূপৰ খাৰু) বাজু/বাজুমালা (বাহুৰ অলংকাৰ), চিৰানে (গাৰু) ইত্যাদি।

বাক্যতাত্ত্বিক বৈশিষ্ট্য ঃ

নেপালী অসমীয়া ভাষাত হিন্দী, অসমীয়া আদি আৰ্যমূলীয় ভাষাৰ বাক্যতাত্ত্বিক উপাদান কিছুমান সোমাই পৰিছে। নেপালীসকলৰ কথিত অসমীয়া উপভাষাত সদৰ্থক বাক্যত আঁছু, আছে বা হঁউ, হোৱা, হয়। নঞৰ্থক বাক্যত নাই, নহঁউ, নহয় আদি ৰূপৰ সংযোগেৰে ইয়াৰ সমান্তৰাল ৰূপত প্রয়োগ হোৱা দেখা যায়। যেনেঃ

মুৰ ঘৰত এউৰি বইনী আৰো দুইজনা ভাই আছে;

তু. মেৰো ঘৰমা একজনা বাহিনী ৰো দুইজনা ভাই ছন।

মুই একজনা নেপালী গুৱালা হঁউ; তু. ম এক নেপালী গুৱালা হুঁ

হামাৰ এই কানচী সবছে সুন্দৰী আছে/হয়ে;

তু. হাম্রো মাইলো ছাইলো ভন্দা পঢ়নো মা অসল ছো।

নেপালী-অসমীয়াত নেপালী ভাষাত প্রচলিত বহুতো জতুৱা-ঠাঁচ, খণ্ডবাক্য আৰু প্রবাদ পটন্তৰ আদিৰ অবিকলভাৱে নতুবা অনুবাদগত ধাৰা যোগে ব্যৱহাৰ হোৱা দেখা যায়। যেনে- ক) জতুৱা ঠাঁচ, খণ্ডবাক্য ঃ

হাতৰ মলি তু. হাতকা মৈলা হুনু

হাত চলা তু. হাত ছোড়ন্ধ (মাৰ্)

হাত খজুৱা তু. হাত চিলাউনু (মাৰিবলৈ উদ্যত হ)

খ) প্রবাদ-পটন্তৰ ঃ

একজনা ৰিত্তো দুইজনা ঠিক্ক। (এজনৰ শূন্য দুজনৰ ঠিক)

একপথ দুই কাম তু. এক পন্থ দুই কাম (আইৰো বার্তা গংগাৰো যাত্রা)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ নেপালী অসমীয়া ভাষাৰ স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ বিষয়ে লিখা। (১০০টা মান শব্দৰ ভিতৰত)

.....

১২.৩.৫ দেহান

অসমৰ বৰাক উপত্যকাত বসবাস কৰা কোচ-ৰাজবংশীসকলৰ কথিত ভাষাই হ'ল দেৱান / দেহান। কছাৰৰ কোচ-ৰাজবংশী বা দেৱান (দেহান/ধেয়ান) সকলৰ কথিত ভাষা পূৰ্বীয় আৰু দক্ষিণ পূৰ্বীয় বঙ্গ উপভাষাৰ অন্তৰ্গত যদিও এই বাক্যৰূপত অসমীয়া ভাষাৰ বৈশিষ্ট্য ৰক্ষিত হৈ আছে। বৰাক উপত্যকাত বসবাস কৰা কোচ-ৰাজবংশী বা ধেৱানসকল ১৮ টা পৰিয়ালত বিভক্ত আছিল। সেইবোৰ হ'ল— ১। বড়পাত্র, ২। ডেকাপাত্র, ৩। সেনাপতি, ৪। উৰি, ৫। ৰাজ, ৬। শ্যাম ভাণ্ডাৰী, ৭। কাবি ভূইয়ো (কবিগান গোৱা দল), ৮। দাৰ (ধর্মগুৰু), ৯। দেউৰী, ১০। পুৰকাইত (লিখক), ১১। চানাদাৰ (সনাইবাদক), ১২। বাগদাৰ (বাগযন্ত্র বাদক), ১৩। কোমাৰ লস্কৰ (অস্ত্র-শস্ত্র প্রস্তুতকাৰী), ১৪। ভেৰুয়া লস্কৰ (ভেৰী বাদক), ১৫। ধুলিয়া লস্কৰ (ঢোলবাদক), ১৬। সুনাপাত্র (সোণাৰী), ১৭। ভৰি (সোণ-ৰূপৰ ব্যৱসায়ী)।

বাংলা ভাষা (চিলেটীয়া)ৰ সৈতে কোচ-ৰাজবংশী বা দেহানসকলৰ কথিত ভাষাৰ ওচৰ সম্পর্ক আছে যদিও অসমীয়াৰ সৈতেহে মিল বেছি আৰু সেইবাবে ই অসমীয়াৰহে এটা উপভাষা। তলত এই উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য দাঙি ধৰা হ'ল।

ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

১। দেহান উপভাষাত স > হ হয়। যেনে ঃ

দেহান	অসমীয়া/ৰাজবংশী	বাংলা
ছান	সান	মাখ্
হি	সি	সে
পিহি	পেহী	পিসী

২। দেহান উপভাষাত হ লোপ হয়। যেনে ঃ

হকল	অসমীয়া/ৰাজবংশী	বাংলা
হকল	সকল	সমস্ত/সকল
মানু	মানুহ/মানু (ৰাভামিজ)/ মাহনু (কামৰূপী)	মানৱ/মানুষ

ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

ৰূপতত্ত্বৰ দিশত দেহান উপভাষা গোৱালপাৰা অঞ্চলত প্ৰচলিত ৰাজবংশীতকৈ কোনো ক্ষেত্ৰতে বেলেগ নহয়। অৱশ্যে ৰাজবংশীৰ লগত নিমিলা কিছু বাংলা (চিলেটীয়া) আৰু অসমীয়াৰ (মধ্য অসমৰ, মৰিগঞা বা দৰঙীয়া উপভাষা) উপাদানো পোৱা গৈছে।

১। সম্বন্ধবাচক নির্দিষ্টবাচক প্ৰত্যয়ৰ আংশিক/অনিয়মিত প্ৰয়োগ দেখা যায়; যিটো ৰাজবংশী বা বাংলাত অনুপস্থিত। যেনে- তুমি বাপেৰেক বুলিবিয়াল যে (তোমালোকে বাপেৰাক ক'বা যে)

২। দেহান উপভাষাত কাৰকৰ ব্যৱহাৰ এনেদৰে দেখা যায়—

কৰ্তা কাৰক ঃ বেটায়ে বুলে ময় কিছ্য নেদেখঙ (পুতেকে বোলে মই একো নেদেখোঁ)

তু. বেটাই কয় মুই কিচ্ছু নাদেখে (ৰাজবংশী)

কৰ্ম কাৰক ঃ ইটাকে লবলাই আইছ (এইটো ল'বলৈ/নিবলৈ আহিছে);

তু. এইটা (কে) নিবাৰ আসিছে (ৰাজবংশী)

কৰণ কাৰক ঃ মায়ে খবৰ পেঠাছেই আমাক (মায়ে আমাৰ দ্বাৰা খবৰ পঠাইছে);

তু. মাওৰে আমাৰ হাতে খবৰ পঠাইছে (ৰাজবংশী)

সম্প্ৰদান কাৰক ঃ কোন দিগি নিলে ডিঙি মুচুৰি (কোনপিনে ক'লৈ নিলে ডিঙি মুচুৰি);

তু. কুন দিকে নিলে গালা মুচোৰে/মুচোৰিয়া (ৰাজবংশী)।

অপাদান কাৰক ঃ তই কৰ পেনা আইলি (তই ক'ৰ পৰা আহিলি)

তু. তুই কোন থাকিয়া আসিলু (ৰাজবংশী)।

সম্বন্ধ পদ ঃ মৰ কাণে-মুড়ে নুহমায় (মোৰ কাণে-মূৰে নোসোমায়);

তু. মোৰ কাণত-মাথায় নাসোন্দায়/নাচুকে (ৰাজবংশী)।

অধিকৰণ কাৰক ঃ কত গছলি (ক'ত/ক'লৈ গৈছিলি);

তু. কত/কুণ্ডি গেছিলু (ৰাজবংশী)।

৩। সাদানি উপভাষাত প্ৰথম পুৰুষত -ওং/-উং/-অং (নিত্য বৰ্তমান) আৰু তাৰ সম্প্ৰসাৰিত ৰূপা /ই /লং/লং (পূৰ্ণ ভূতকাল) প্ৰয়োগ হয়। সেইদৰে ৱাই + গে (স্বৰূপ বৰ্তমান) ৰো প্ৰয়োগ আছে। যেনে—

মুই নাচিবলাই জানং (মই নাচিব জানো);

তু. মুই নাচিৰ জানোং (ৰাজবংশী)।

৪। সাদানি উপভাষাত ভৱিষ্যৎ কালত -ইম/-ম/-ৱাই + গে ৰূপৰ প্ৰয়োগ হয়। যেনে- দিম দিম দিম পিঠা আনি দিম। মই জাৱাইগে (মই যামগৈ)।

৫। সাদানি উপভাষাত অসমাপিকা ৰূপ সাধাৰণ -ই/-ইয়া এনেদৰে ব্যৱহাৰ হয়—

পঞ্চামৃত ব্যঞ্জন ৰান্ধি খোৱায়-বোৱায় দিলে (পঞ্চামৃত ব্যঞ্জন ৰান্ধি খুৱাই-বুৱাই দিলে)

তুমুনন্ত -ল্লাই / -বলায় ঃ

ঘৰত যাবলায় বুলছেই (ঘৰলৈ যাবলৈ কৈছে);

তুমুনন্ত-বাৰ ঃ

তে তাৰা কুনমতে লাঙ্গল তুলাবৰ নাৰৈ

বাক্যতাত্ত্বিক বৈশিষ্ট্য ঃ দেহান উপভাষাত সকলো শ্রেণীৰ বাক্য আছে— সৰল, জটিল বা যৌগিক, সদর্থক বা নঞর্থক, ইচ্ছাবোধক-আশ্চর্যবোধক-প্রশ্নবোধক, কর্তৃবাচ্য-কর্মবাচ্য, প্রত্যক্ষ-পৰোক্ষ। এই বাক্যবোৰ দেহান উপভাষাৰ কথ্য ৰূপৰ গদ্য আৰু লোকগীত আদিত (পদ্যত) পোৱা যায়। গাঠনিক দিশৰ পৰা ইয়াৰ কোনো স্বকীয়তা নাই। তলত তেনে কিছুমান বাক্যৰ নমুনা দাঙি ধৰা হ'ল—

ক) গদ্যৰ নমুনা ঃ "শিৰ ফিৰি আয়ি হনে পাউ ধূয় উয় হনে পঞ্চামৃত ব্যঞ্চেন ৰান্ধি খোয়ায় দিলে। তয়দে শুদ্ধ না জান বিশুদ্ধ না জান। ঠাকুৰ বুলে মৰ কানে মুড়ে নুহমায়। ময় না জানং। আছিল এক হলিল দুই হইতে হইতে হলিল চাৰ, ভিখাৰ- ভাতে পেট ন ভাৰ, যদি কৃষি কৰি হেন, তে কি জানি পেট ভৰলে হেন।"

খ) গীত-মাত ঃ পুতলা বিয়াত গোৱা গীত—

"কইনামতী আই ঐ চাম্পাফুল ফুটিছে
মাৰেৰে বুকু জ্বলিছে
তৰাইচে নৰাই
ধৰা-নৰা গঙ্গাইতে ধৰা
আবা বা... উ... উ.... উ...।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ দেহানসকল কেইটা পৰিয়ালত বিভক্ত আৰু কি কি? (৫০টা মান শব্দৰ ভিতৰত)

.....



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজ এখনত থকা বিভিন্ন জাতিৰ মাজত দূৰত্ব বা ব্যৱধানে জাতি বিশেষৰ মাজত

আনি দিয়া ভাষাগত বৈশিষ্ট্যৰ ভিত্তিত সৃষ্টি হয় সামাজিক জাতিগত উপভাষা। অসমত প্রচলিত কেইটামান সামাজিক জাতিগত উপভাষা হ'ল— ভাটিয়া, নেপালী অসমীয়া, চিলেটীয়া, সাদানি আদি

- চিলেটীয়া উপভাষা অবিভক্ত কাছাৰ জিলাত প্রচলিত অসমৰ এটি সামাজিক জাতিগত উপভাষা। চিলেটীয়া উপভাষাত কোল-মুণ্ডা, বডোমূলীয় আৰু অসমীয়া ভাষাৰ গোৱালপৰীয়া বা ৰাজবংশী উপভাষাৰ সৈতে সাদৃশ্য লক্ষ্য কৰা যায়। চিলেটীয়া উপভাষাৰ ভাষাগত বৈশিষ্ট্যবোৰ অধ্যায়টিত আলোচনা কৰা হৈছে।
- ব্রিটিছ চৰকাৰৰ আমদানি নীতি অনুসৰি অসমলৈ অহা মৈমনসিঙীয়া মুছলমান সম্প্রদায়ৰ লোকে ব্যৱহাৰ কৰা তেওঁলোকৰ মুখৰ ভাষা বাংলাৰ বঙ্গৰ মৈমনসিঙীয়া উপভাষাৰ সৈতে প্রায়ে অভিন্ন যদিও অসমীয়া ভাষাৰ সার্বজনীন ৰূপৰ প্রভাৱত কিছু স্বকীয় ৰূপ লাভ কৰি ই অসমীয়াৰ এটা সামাজিক জাতিগত উপভাষাৰ মর্যাদা লাভ কৰিছে। ভাটিয়া উপভাষাৰ ভাষাগত বৈশিষ্ট্যবোৰ অধ্যায়টিত আলোচনা কৰা হৈছে।
- ব্রিটিছসকলে চাহ উদ্যোগত কাম কৰিবলৈ অনা লোকসকলে তেওঁলোকৰ নিজৰ লগত লৈ অহা ভাষাটোৰ অসমীয়া ভাষাৰ সৈতে সংমিশ্রণ ঘটিছিল আৰু তেওঁলোকৰ পূর্বৰ মাতৃভাষাৰ ভাষাগত বৈশিষ্ট্যৰ ঠাইত অসমীয়া ভাষাৰ ভাষাগত উপাদান সোমাই সময়ৰ সোঁতত অসমৰ এটি উল্লেখযোগ্য সামাজিক জাতিগত উপভাষা হিচাপে বিবেচিত হৈছে। অধ্যায়টিত সাদানি উপভাষাৰ ভাষাগত বৈশিষ্ট্যবোৰৰ আলোচনা আগবঢ়োৱা হৈছে।
- অসমৰ সীমামূৰীয়া নেপালৰ পৰা বিভিন্ন সময়ত চামে চামে আহি অসমভূমিত স্থায়ীভাৱে বসবাস কৰা নেপালীসকলে তেওঁলোকৰ নিজৰ জনগোষ্ঠীৰ মাজত তথা অন্যান্য জনগোষ্ঠীৰ লোকৰ মাজত ভাবৰ আদান-প্রদান কৰিবলৈ অসমীয়া ভাষাটো ব্যৱহাৰ কৰাৰ সমান্তৰালভাৱে তেওঁলোকৰ মাজত পূর্বৰ মাতৃভাষাটোৰো প্রচলন আছে। ফলত তেওঁলোকে ব্যৱহাৰ কৰা কথিত ভাষাৰূপত অসমীয়া ভাষাৰ ভাষাগত বৈশিষ্ট্যই বৰপিৰা পাৰি লৈছে। এই ভাষাৰ উপাদানবোৰৰ বিষয়ে অধ্যায়টোত আলোচনা কৰা হৈছে।
- অসমৰ বৰাক উপত্যকাত বসবাস কৰা কোচ-ৰাজবংশীসকলৰ মাজত প্রচলিত কথিত অসমীয়া ভাষাই হ'ল দেহান। দেহান বা কোচ-ৰাজবংশীসকল ১৮টা পৰিয়ালত বিভক্ত। বর্তবান বৰাক উপত্যকাৰ কেইবাখনো গাঁৱত বসবাস কৰা দেহানসকলৰ কথিত ভাষাত অসমীয়া ভাষাৰ ভাষাগত উপাদান কেনেদৰে পোৱা যায় অধ্যায়টিত আলোচনা কৰা হৈছে।



১২.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১। দাস, বিশ্বজিৎ (২০১৫) ঃ *সমাজ ভাষাবিজ্ঞান*; নগাঁও, Books and Beyond।

২। বৰুৱা, ভীমকান্ত (১৯৯৭) ঃ *অসমীয়া ভাষা*; ডিব্ৰুগড়, বনলতা

৩। মৰল, দীপংকৰ (১৯৯১) ঃ *উপভাষা বিজ্ঞান*, গুৱাহাটী মণি-মাণিক প্ৰকাশ।

৪। ৰাভা হাকাচাম, উপেন (২০১৪) ঃ *অসমীয়া আৰু অসমৰ ভাষা উপভাষা*; গুৱাহাটী, জ্যোতি প্ৰকাশন।



১২.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ চিলেটীয়া উপভাষাত বাংলা... প্ৰভাৱ অনস্বীকাৰ্য। ইয়াৰোপৰি অসমীয়া ভাষাৰ.... বৰঙণি নুই কৰিব নোৱাৰি।

২নং প্ৰশ্নৰ উত্তৰ ঃ সাদানি ভাষাৰ আৰ্যমূলীয় হিন্দী..... সাদৃশ্য আছে। এই সাদৃশ্যলৈ.....ভগ্নীভাষা বুলি ক'ব বিচাৰে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ নেপালী ভাষাত.....আৰু ২৯টা.....। অসমীয়াতকৈ নেপালী ভাষা..... ভিন্ন ৰূপত উচ্চাৰিত হয়। প্ৰধানকৈ.....আৰু আদ্য বা অন্ত্য.....হিচাপে উচ্চাৰিত হয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ দেহানসকল ১৮ টা.....। সেইকেইটা হ'ল.....।



১২.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ সামাজিক জাতিগত উপভাষা কি?

প্ৰশ্ন ২ ঃ চিলেটীয়া উপভাষা ক'ত প্ৰচলিত?

প্ৰশ্ন ৩ ঃ চিলেটীয় উপভাষাৰ অসমীয়া ভাষাৰ কোনটো উপভাষাৰ সৈতে সাদৃশ্য অধিক আলোচনমা কৰক?

প্ৰশ্ন ৪ ঃ Groth more food নীতি কিমান চনত প্ৰৱৰ্তন কৰা হয়?

প্ৰশ্ন ৫ ঃ ভাটিয়া লোকসকল বৰ্তমান অসমৰ কোন অঞ্চলত বসবাস কৰে?

প্রশ্ন ৬ ঃ ব্রিটিছসকলে চাহ উদ্যোগত কাম কৰিবলৈ ক'ৰ ক'ৰপৰা মানুহ আনিছিল তাৰ বিৱৰণ দিয়ক?

প্রশ্ন ৭ ঃ সাদানি উপভাষাত বর্তমান সময়ত কোনটো ভাষাৰ উপাদান বেছি পোৱা যায় আলোচনা কৰক?

প্রশ্ন ৮ ঃ নেপালীসকল ক'ৰপৰা অসমলৈ আহিছিল আলোচনা কৰক?

প্রশ্ন ৯ ঃ দেহান উপভাষাৰ কোনটো ভাষাৰ সৈতে ওচৰ সম্পর্ক আছে আলোচনা কৰক?

প্রশ্ন ১০ ঃ চিলেটীয়া উপভাষাৰ ভাষাগত বৈশিষ্ট্য সম্পর্কে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ১১ ঃ ভাটিয়া উপভাষাৰ ভাষাগত বৈশিষ্ট্য সম্পর্কে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ১২ ঃ সাদানি বা বাগানীয়া উপভাষাৰ বিষয়ে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ১৩ ঃ নেপালী অসমীয়া ভাষাৰ ভাষাগত বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্রশ্ন ১৪ ঃ দেহান উপভাষাৰ ভাষাগত বৈশিষ্ট্যবোৰৰ বিষয়ে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ১৫ ঃ চমুটোকা লিখক ঃ

ক) সাদানি উপভাষা

খ) ভাটিয়া উপভাষা

গ) নেপালী অসমীয়া

ঘ) দেহান উপভাষা

ঙ) চিলেটীয়া উপভাষা

চ) অসমৰ সামাজিক জাতিগত উপভাষা

*** ***** ***

অধ্যায় ১৩ ঃ অসমৰ সংযোগী ভাষা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ সংযোগী ভাষা ঃ চমু পৰিচয়
১৩.৪ অসমৰ সংযোগী ভাষা
১৩.৪.১ নাগামিজ
১৩.৪.২ নেফামিজ বা অৰুণাচলী-অসমীয়া
১৩.৪.৩ ৰাভামিজ
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংযোগী ভাষাৰ তাত্ত্বিক দৃষ্টিকোণ সম্পর্কে বিশ্লেষণ কৰিব পাৰিব
- অসমত প্রচলিত সংযোগী ভাষাবোৰৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমীয়া ভাষাক কেন্দ্র কৰি গঢ় লোৱা ৰাভামিজ, নাগামিজ, নেফামিজ আদি সংযোগী ভাষাৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমত প্রচলিত ৰাভামিজ আৰু নাগালেণ্ড আৰু অৰুণাচলত প্রচলিত নাগামিজ আৰু নেফামিজ ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰৰ লগত পৰিচিত হৈ সেই বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব।

১৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যাণ্মাষিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় পাঠ্যবিষয় 'উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা'ৰ এইটো ত্রয়োদশ অধ্যায়। অধ্যায়টিৰ শিৰোনাম 'অসমৰ সংযোগী ভাষা' আৰু আর্যমূলীয় অসমীয়া ভাষাটো ভাৰতৰ উত্তৰ-পূব প্রান্তৰ এটি উল্লেখযোগ্য ভাষা। অসমৰ ৰাজ্যিক ভাষা অসমীয়া। অসমত বসবাস কৰা সকলো লোকে অসমীয়া ভাষা কয় আৰু বুজে। কিন্তু বহুজাতিক অসম প্রদেশৰ সকলো ঠাইতে অসমীয়া

ভাষাৰূপটো একে নহয় অর্থাৎ ঠাই বিশেষ অসমীয়া ভাষাটোৰ বিভিন্ন ঔপভাষিক ৰূপ আছে। অসমীয়া ভাষাৰ অঞ্চলভেদে থকা এই ঔপভাষিক ৰূপবোৰৰ উপৰিও অসমত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীয়ে নিজ নিজ জনগোষ্ঠীয় ভাষাটো ব্যৱহাৰ কৰাৰ উপৰিও অসমীয়া ভাষাটো বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ কৰে। অসমৰ প্ৰতিটো জনগোষ্ঠীয়ে নিজ নিজ জনগোষ্ঠীয় লোকৰ লগত নিজৰ ভাষাটো ব্যৱহাৰ কৰাৰ লগতে অন্যান্য জনগোষ্ঠীয় লোকৰ লগত ভাৱৰ আদান-প্ৰদান কৰিবলৈ আৰু বিভিন্ন চৰকাৰী কাম-কাজত অসমীয়া ভাষাটো ব্যৱহাৰ কৰে। দুটা ভাষা সমান্তৰালভাৱে ব্যৱহাৰ কৰাৰ ফলস্বৰূপে তেওঁলোকে ব্যৱহাৰ কৰা অসমীয়া ভাষাৰ ৰূপটোৱে কিছু সুকীয়া ৰূপ পৰিগ্ৰহণ কৰে। অসমৰ এনে ভাষিক পৰিস্থিতিত অসমীয়া ভাষাই অন্যান্য জনগোষ্ঠীয় লোকৰ বাবে সংযোগী ভাষা হিচাপে কাম কৰে। ইয়াৰোপৰি অসমৰ বাহিৰৰ নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ সীমামূৰীয়া অঞ্চলত অসমীয়া ভাষাক কেন্দ্ৰ কৰি ক্ৰমে নাগামিজ আৰু নেফামিজ নামৰ দুটা সংযোগী ভাষাৰ সৃষ্টি হৈছে। একেদৰে অসমত বসবাস কৰা জনজাতীয় ৰাভাসকলে ব্যৱহাৰ কৰা অসমীয়া ভাষাৰ সুকীয়া ৰূপটোৱে হ'ল ৰাভামিজ। এই অধ্যায়ত এই তিনিটা সংযোগী ভাষা ৰূপৰ বিষয়ে আলোচনা কৰা হ'ব।

১৩.৩ সংযোগী ভাষা ঃ চমু পৰিচয়

কেতিয়াবা একোটা অঞ্চলত বিভিন্ন ভাষা-ভাষীলোক একেলগে বসবাস কৰি থাকিলে যদি এটা জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠীৰ ভাষা নুবুজে তেতিয়া ভাবৰ আদান-প্ৰদান কৰাটো অসম্ভৱ হৈ পৰে। দীৰ্ঘদিন ধৰি বহুভাষিক অঞ্চলত বসবাস কৰাৰ ফলস্বৰূপে এটাই আনটো ভাষাৰ সংস্পৰ্শলৈ আহিবলৈ বাধ্য হয়। এনে পৰিস্থিতিত দুটা বা ততোধিক ভাষাৰ উপাদানৰ সংমিশ্ৰণত একোটা নতুন ভাষাৰূপ গঢ় লৈ উঠে। ভাষাৰ এই মিশ্ৰিত ৰূপক পিজিন বা ক্ৰেওল নামেৰে জনা যায়। ভাষাৰ মিশ্ৰিত ৰূপ বহুভাষিক অঞ্চল এটাত বসবাস কৰাৰ ফলস্বৰূপেও সৃষ্টি হ'ব পাৰে অথবা দুটা ভিন্ন ভাষা ব্যৱহাৰ কৰা দুখন ঠাইৰ সীমামূৰীয়া বা মধ্যৱৰ্তী অঞ্চলক কেন্দ্ৰ কৰি গঢ় লৈ উঠিব পাৰে। মিশ্ৰিত ৰূপৰ এই ভাষাই হ'ল সংযোগী ভাষা। সংযোগী ভাষাই এটা বা তাতকৈ অধিক জনগোষ্ঠীৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰে।

কেতিয়াবা একেখন ঠাইতে বসবাস কৰাৰ কাৰণেই হওক বা বিভিন্ন ব্যৱসায়-বাণিজ্যৰ কাৰণেই হওক দুটা ভিন্ ভিন্ জনগোষ্ঠীৰ লোক পৰস্পৰে পৰস্পৰৰ সংস্পৰ্শলৈ আহিবলৈ বাধ্য হয়। এনে ক্ষেত্ৰত তেওঁলোকৰ ভাষা বেলেগ বেলেগ হোৱা বাবে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। এনে পৰিস্থিতিত দুয়োটা জনগোষ্ঠীৰ লোকে ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত কিছু মিলামিছা কৰিবলগীয়া হয়। এনে মিলামিছা কৰিবলৈ যাওঁতে শক্তিশালী ভাষাটোক ভিত্তি হিচাপে লৈ তাৰ কিছু সৰল ৰূপৰ সৃষ্টি হয় আৰু দুৰ্বল ভাষাটোৰপৰা ধ্বনি, সুৰলহৰ আৰু শব্দ গঠনজনিত কিছু বৈশিষ্ট্য সংযোগ হৈ এক নতুন ভাষা ৰূপৰ সৃষ্টি হয়। কেতিয়াবা আকৌ দুৰ্বল ভাষাটোৰপৰা ধ্বনি, ৰূপ আদি নুসুমুৱাকৈয়ে মূল ভাষাৰ ভগ্নৰূপতে ধ্বনি আৰু ৰূপমূলক কিছু সলনা-সলনি হয়। এনেকৈ কম-বেছি পৰিমাণে দুটা ভাষাৰ উপাদান সংযোগ কৰি বিভিন্ন সামাজিক কাম-

কাজ চলাবলৈ উলিয়াই লোৱা ভাষাকে পিজিন বুলি কোৱা হয়। পিজিন ভাষাৰূপ সামাজিক পৰিস্থিতি বা প্ৰয়োজনীয়তাৰ খাতিৰতহে গঢ় লৈ উঠে। তেনে ভাষাৰূপৰ সাধাৰণতে স্থায়িত্ব নাথাকে। কিন্তু কেতিয়াবা একোটা বৃহৎ অঞ্চলক সামৰি প্ৰয়োজনৰ তাগিদাত সৃষ্টি হোৱা এনে ভাষাই স্থিৰ ৰূপ পৰিগ্ৰহণ কৰে, সি বহুদিন ধৰি সেই অঞ্চলত মুখ্য কথিত ভাষাৰ মৰ্যাদা লাভ কৰে। সেই অঞ্চলত প্ৰচলিত ভগ্ন মিশ্ৰ ভাষাকে মাতৃভাষা হিচাপে আহৰণ কৰি আপোন ভাষা হিচাপে লয় আৰু তেওঁলোকে মূল ভাষা দুটাৰ এটা ভাষাকো মাতৃভাষা হিচাপে ব্যৱহাৰ নকৰে। এটা ভাষাই স্থায়ী ৰূপ লাভ কৰাৰ পিছত কেতিয়াবা চৰকাৰী কৃপাদৃষ্টি লাভ কৰি শিক্ষণীয় বিষয় হোৱাৰ লগতে শিক্ষাৰ মাধ্যম হৈ পৰে আৰু চৰকাৰী কাম-কাজ চলোৱাৰ বিকল্প মাধ্যম হৈ পৰে। এনে পৰিস্থিতিত মিশ্ৰিত ভাষাৰূপ এটাই পিজিন হৈ নাথাকে। তেতিয়া সি ক্ৰেওল নাম পায়। উত্তৰ-পূব ভাৰতৰ অন্যতম উল্লেখযোগ্য অসমীয়া ভাষাটোক মূল হিচাপে লৈ সৃষ্টি হোৱা নাগামিজ (নাগালেণ্ড) আৰু নেফামিজ বা অৰুণাচলী অসমীয়া দুটা উল্লেখযোগ্য পিজিন ৰূপৰ সংযোগী ভাষা। ভাষাতত্ত্বৰ ভূ-স্বৰ্গ উত্তৰ-পূব ভাৰতৰ এই সংযোগী ভাষাসমূহে শতাধিক জাতি-জনগোষ্ঠীৰ মাজত সামাজিক-সাংস্কৃতিক সমন্বয় সেঁতু নিৰ্মাণ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পিজিন আৰু ক্ৰেওল বুলিলে কি বুজে?

(৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

১৩.৪ অসমৰ সংযোগী ভাষা

ভাৰতৰ সংবিধানৰ অষ্টম অনুসূচিত অন্তৰ্ভুক্ত সংবিধান স্বীকৃত এটি প্ৰধান চৰকাৰী ভাষা হ'ল অসমীয়া। অসমীয়া ভাষা অসমৰ ৰাজ্যিক ভাষা। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে অসমীয়া ভাষা প্ৰচলিত। ভাষাৰ ভিত্তিত ৰাজ্য বিভাজনৰ পূৰ্বে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত অসমীয়া ভাষা মাতৃভাষা হিচাপে ব্যৱহাৰ হোৱাৰ উপৰিও সংযোগী ভাষা হিচাপেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছিল। কিন্তু স্বাধীনতাৰ পৰৱৰ্তী কালত ভাষাৰ ভিত্তিত ৰাজ্য বিভাজন হোৱাৰ পিছত ব্ৰহ্মপুত্ৰ উপত্যকাৰ গোটেই কেইখন জিলাৰ লগতে বৰাক উপত্যকাৰ কেইখনমান জিলাৰ ভিতৰত অসমীয়া ভাষা সীমাবদ্ধ হৈ পৰে।

অসমক ভাষাৰ যাদুঘৰ বুলি কোৱা হয়। অসমত বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত শতাধিক ভাষা-উপভাষা চলে। অসমৰ বহুজাতিক ক্ষেত্ৰখনত বসবাস কৰা শতাধিক ভাষা ব্যৱহাৰ কৰা প্ৰতিটো জাতি-জনগোষ্ঠীয়ে প্ৰত্যেকে প্ৰত্যেকৰ ভাষা শিকি সামাজিক যোগাযোগ স্থাপন কৰাটো সম্ভৱ নাছিল। তেওঁলোকৰ বাবে এটা উমৈহতীয়া সংযোগী ভাষাৰ দৰকাৰ হৈছিল। এনে পৰিস্থিতিত আৰ্যমূলীয়া প্ৰভাৱশালী অসমীয়া ভাষাটোকে সকলোৱে উমৈহতীয়া ভাষা

হিচাপে গ্রহণ কৰিলে। প্রতিটো সম্প্রদায়ে নিজ নিজ গোষ্ঠীৰ মাজত নিজস্ব ভাষাটো জীয়াই ৰখাৰ লগতে অসমীয়া ভাষাৰ মাধ্যমেৰে ভিন্ ভিন্ ভাষিক সম্প্রদায়ৰ লোকৰ মাজত ভাবৰ আদান-প্রদান কৰিবলৈ লয়। সেয়ে অবিভাজিত অসম বা উত্তৰ-পূর্বাঞ্চলৰ মেঘালয়, নাগালেণ্ড, অৰুণাচলকে লৈ এই গোটেই অঞ্চলৰ উমৈহতীয়া ভাষাটো আছিল অসমীয়া। এই উমৈহতীয়া অসমীয়া ভাষা থকা কাৰণেই আহোমে আহোম ভাষাৰে, ব্রাহ্মণ-ক্ষত্রিয়ই সংস্কৃতেৰে আৰু মুছলমানসকলে ভাব-বিনিময় কার্যত অসমীয়া ভাষা ব্যৱহাৰ কৰে। বিভিন্ন ভাষা-ভাষী লোকে ওচৰ-চুবুৰীয়া অসমীয়াসকলৰ লগত সামাজিক-সাংস্কৃতিক সম্বন্ধ গঢ়োতে, বেহা,-বেপাৰ কৰোতে অসমীয়া ভাষাটোৰ ধ্বনি আৰু ৰূপমূলক কিছু সলনা-সলনি নকৰাকৈ ভঙা ভঙা ৰূপত অসমীয়া ভাষাটো ব্যৱহাৰ কৰে। দীর্ঘদিন ধৰি ব্যৱহাৰ কৰা অসমীয়া পিজিন ভাষাৰূপত জনজাতীয় নিজস্ব ভাষাৰ ধ্বনিগত, সুৰলহৰজনিত আৰু শব্দগঠনজনিত কিছু বৈশিষ্ট্য সোমাই অসমীয়া ভাষাৰ একো একোটা নৃগোষ্ঠীয় উপভাষা বা পিজিন হিচাপে আত্ম প্রকাশ কৰে। অসমীয়া ভাষাক মূল হিচাপে লৈ গঢ় লোৱা এনে দুটা পিজিন-নাগামিজ আৰু নেফমিজ ভাৰতৰ উত্তৰ-পূর্বাঞ্চলৰ উল্লেখযোগ্য সংযোগী ভাষা। সেইদৰে অসমৰ ভৈয়াম অঞ্চলত বসবাস কৰা ৰাভাসকলে ব্যৱহাৰ কৰা ভঙা ভঙা ৰূপৰ মিশ্রিত ভাষা বা পিজিন হ'ল ৰাভামিজ। তলত নাগামিজ, নেফামিজ বা অৰুণাচলী অসমীয়া আৰু ৰাভামিজ এই তিনিওটাৰ বিষয়ে চমু আলোচনা কৰা হৈছে।

১৩.৪.১ নাগামিজ

অসমৰ উত্তৰ-পূব প্রান্তৰত অৱস্থিত নগাভূমিক ১৯৬৩ চনত সুকীয়া ৰাজ্য হিচাপে ঘোষণা কৰা হয়। নাগালেণ্ড নগাসকলৰ বাসভূমি। নগাভূমিত বসবাস কৰা নগাসকলক সাধাৰণতে নগা জনজাতি বুলি কোৱা হয় যদিও প্রকৃততে নগা নামটো বহুতো নগা গোষ্ঠীৰ এটা সমূহীয়া নামহে। নাগালেণ্ডত বসবাস কৰা নগাসকলৰ চৈধ্যটা প্রধান উপগোষ্ঠী আছে আৰু এই উপগোষ্ঠীসমূহৰ মাজতো কিছুমান সৰু সৰু ঠাল পোৱা যায়। নাগালেণ্ডত কুৰিটাতকৈ অধিক সম্প্রদায় আৰু প্রায় একুৰি ছটামান ভাষাৰ ঠাল আছে। এই ঠালবোৰৰ ভিতৰত আকৌ প্রত্যেকৰে উপভাষাগত পার্থক্য আছে। পাৰস্পৰিক বোধগম্যতাহীন হোৱা বাবে এটা ভাষা সম্প্রদায়ৰ ভাষা আন এটা ভাষা সম্প্রদায়ে নুবুজে। প্রতিটো ভাষা সম্প্রদায়ে নিজ নিজ সম্প্রদায়ৰ মাজত ভাবৰ আদান-প্রদান কৰিবলৈ নিজৰ নিজৰ ভাষাটোৰ ব্যৱহাৰ কৰে যদিও ভাষিক পার্থক্যৰ বাবে নিকটৱর্তী ভাষা-সম্প্রদায়ৰ সান্নিধ্যলৈ আহিব পৰা নাছিল। ভাষিক পার্থক্য এওঁলোকৰ বাবে এই ক্ষেত্রত বিৰাট প্রাচীৰ হৈ পৰিছিল।

নাগালেণ্ডত চৰকাৰী প্রশাসনীয় শাসন ব্যৱস্থাই গা কৰি উঠাৰ ফলস্বৰূপে বহিৰাগত বা অন্যভাষী লোকৰ লগত নগাসকলৰ ভাবৰ আদান-প্রদানৰ সমস্যা আহি পৰিল। এইখিনিতে উল্লেখনীয় যে বিভিন্ন কাৰণবশতঃ ভৈয়ামৰ অসমীয়াসকলৰ

লগত পাহাৰীয়া নগাসকলৰ দীৰ্ঘদিন ধৰি সম্পৰ্ক আছিল। নাগালেণ্ডৰ পশ্চিমৰ নগাসকলে উৎপাদন কৰা জলকীয়া, আদা, কপাহ আৰু পূবৰ নগাসকলে তেওঁলোকৰ নিমখ বিক্রি কৰিবলৈ দুৰ্গম পথ অতিক্রম কৰি ভৈয়ামলৈ আহিছিল আৰু ভৈয়ামৰপৰা যাওঁতে হাঁহ-কুকুৰা, চাউল আদি যাৱতীয় সামগ্রী লৈ গৈছিল। ভৈয়ামৰ লগত নগাসকলৰ বাণিজ্যিক সম্পৰ্কৰ প্রতি লক্ষ্য ৰাখি বৃটিছ চৰকাৰে ডিমাপুৰত এখন হাট বহুৱায়। এনেদৰে বাণিজ্যিক কাৰণবশতঃ ভৈয়ামৰ নগাসকলৰ সৈতে ভৈয়ামৰ অসমীয়াসকলৰ ভাবৰ আদান-প্রদান হৈছিল। ভাবৰ আদান-প্রদান কৰিবলৈ বিভিন্ন ঠালৰ নগাসকলে অসমীয়া ভাষাটো আয়ত্ব কৰিছিল। ফলস্বৰূপে নগাসকলৰ মুখত অসমীয়া ভাষাটোৱে এটা নতুন ৰূপ পাইছিল। ভঙা ভঙা ৰূপত ব্যৱহাৰ কৰা পিজিন বা মিশ্রিত ভাষাটোৱেই হ'ল নাগামিজ। প্রয়োজনীয়তাৰ খাতিৰত এই নাগামিজ ভাষাটো নাগালেণ্ডৰ শিক্ষিত আৰু অশিক্ষিত ভেদে সকলোৱে ব্যৱহাৰ কৰিবলৈ লয়। নাগামিজ ভাষাৰ দ্রুত সম্প্রসাৰণৰ ফলতে নাগালেণ্ডৰ ভাষিক সমস্যা আঁতৰ হয় আৰু প্রত্যেকটো সম্প্রদায়ে এটাই আনটোৰ ওচৰ চাপি আহিল।

নাগামিজ ভাষাটো সমগ্র নাগালেণ্ডত বিয়পি পৰা কাৰণে ভাষাটোৰ ব্যৱহাৰত প্রধানকৈ তিনিটা ৰূপ লক্ষ্য কৰা হয়। ভীমকান্ত বৰুৱাই উল্লেখ কৰা অনুসৰি এই তিনিটা ৰূপ হ'ল—

(ক) অসমীয়া শব্দৰ ধ্বনি পৰিৱর্তন হৈ ব্যৱহাৰ হোৱা নাগামিজ ভাষা।

(খ) নগাসকলৰ থলুৱা ভাষাৰ প্রচুৰ শব্দৰ প্রয়োগত ব্যৱহাৰ হোৱা নাগামিজ।

(গ) ইংৰাজী ভাষাৰ শব্দ প্রয়োগ কৰি কোৱা নাগামিজ ভাষা।

লক্ষণীয় যে এই তিনিওটা ৰূপৰ নাগামিজ ভাষাৰে উচ্চাৰণ পদ্ধতি আৰু কথনভংগীয়ে সম্পুর্ণৰূপে থলুৱা ৰূপ লাভ কৰিছে।

ধ্বনি, ৰূপ, শব্দ, বাক্য, সাহিত্য সম্পদ আদি সকলো দিশতে একেটা ভাষাৰে বিশেষত্ব লক্ষ্য কৰা যায়। নাগামিজ ভাষাটোৰ এই আটাইকেইটা দিশতে আলোচনা কৰাৰ যথেষ্ট থল আছে। তলত এই আটাইকেইটা দিশৰে চমু আলোচনা কৰা হ'ল।

নাগামিজ ভাষাত ২৯ টা বর্ণ পোৱা যায়। তাৰ ভিতৰত ৬ টা স্বৰবর্ণ আৰু ২৩ টা ব্যঞ্জনবর্ণ। স্বৰবর্ণকেইটা হ'ল /ই, উ, এ', ও, অ, আ/। অসমীয়া ভাষাৰ /এ/ আৰু /অ/স্বৰবর্ণ দুটা নাগামিজ ভাষাত পোৱা নাযায়। উল্লেখনীয় যে নাগামিজ ভাষাত উচ্চ স্বৰধ্বনিৰ ব্যৱহাৰ সর্বাধিক। নাগামিজ ভাষাত পোৱা ব্যঞ্জন বর্ণসমূহ হ'ল —/ প, ব, ত দ, ক, গ, ফ, ভ, থ, ধ, খ, ঘ, শ, জ, চ, হ, ম, ন, ঙ, ল, ৰ, য়, ৱ/। অসমীয়া ভাষা লিখোতে ব্যৱহাৰ কৰা 'ক্ষ' আৰু 'ঢ়' ৰ উচ্চাৰণ নাগামিজ ভাষাত 'খ' আৰু 'ৰ' ৰূপেহে পোৱা যায়।

নাগামিজ ভাষাত বিশেষ্য, বচন, লিংগ, প্রত্যয়, সর্বনাম, ক্রিয়া, কাৰক আদি ৰূপতাত্ত্বিক দিশতো স্বকীয়তা আছে। অসমীয়া ভাষাৰ ৰূপবিলাক নাগামিজ ভাষাত ধ্বনিগত পৰিৱর্তন হৈ নতুন যেন হৈ পৰে। যেনে ঃ অসমীয়া ভাষাত মান্যার্থত ব্যৱহাৰ হোৱা বহুবচনৰ প্রত্যয় '—লোক' নাগামিজত '—লুক' হিচাপে ব্যৱহাৰ কৰা হয়। সেইদৰে তৃতীয় পুৰুষৰ 'তাই' সর্বনাম পদটো পুৰুষ স্ত্রী উভয়কে বুজাবলৈ ব্যৱহাৰ কৰা হয়।

নাগামিজ ভাষাৰ শব্দ ভাণ্ডাৰলৈ লক্ষ্য কৰিলে দেখা যায় যে তৎসম, তদ্ভৱ, দেশী, বিদেশী, থলুৱা নগা শব্দৰে নাগামিজ ভাষা পৰিপুষ্ট। অসমীয়া ভাষাক কেন্দ্র কৰি সৃষ্টি হোৱা কাৰণে অসমীয়া ভাষাৰ শব্দমালাই নাগামিজ ভাষাত সর্বাধিক যদিও অসমীয়া ভাষাৰ তৎসম, তদ্ভৱ, দেশী, বিদেশী আদি শব্দবোৰ নগাসকলৰ কথিত ভাষাত ধ্বনিগত পৰিৱর্তন হৈ সৰলীকৃত ৰূপত ব্যৱহাৰ হোৱা দেখা যায়। মনকৰিবলগীয়া যে কিছুমান তদ্ভৱ শব্দ নাগামিজ ভাষাত এটা বাক্য হিচাপে কোৱা হয়।

নাগামিজ ভাষাটো নাগালেণ্ডৰ অফিচ, কাছাৰী, বিদ্যালয়, মহাবিদ্যালয় আদিত প্রয়োজন নাই যদিও এতিয়াও বৃহত্তৰ নাগালেণ্ড আৰু ইয়াৰ সীমান্তৱর্তী অঞ্চলত ভাষাটোৰ ব্যৱহাৰ অপৰিসীম। বর্তমান সময়ত এই সংযোগী ভাষাটোৰ বিষয়ে যথেষ্ট অধ্যয়ন হৈছে আৰু ভালেমান গ্রন্থও প্রকাশিত হৈছে। বিগত শতিকাৰ অন্তিম দশকত নাগামিজ ভাষাৰ দৃশ্য-শ্রব্য এলবাম আদিও নির্মাণ হৈছে। এইবোৰৰ পৰা ভাষাটোৰ গুৰুত্ব তথা নাগামিজ ভাষাটোৱে যে আজিও নাগালেণ্ডৰ এটি উল্লেখযোগ্য সংযোগী ভাষা হৈ আছে সেই কথা অনুমান কৰিব পৰা যায়।

১৩.৪.২ নেফামিজ বা অৰুণাচলী-অসমীয়া

ভাৰতৰ উত্তৰ-পূব প্রান্তৰ অৰুণাচল প্রদেশ জনজাতি অধ্যুষিত বহুভাষিক ঠাই। পূর্বতে অৰুণাচল প্রদেশ অসমৰ অন্তর্ভুক্ত আছিল আৰু নর্থ-ইষ্ট ফ্রণ্টিয়াৰ এজেন্সি বা চমুকৈ নেফা নামেৰে পৰিচিত আছিল যদিও বর্তমান ১৬ খন জিলাত বিভক্ত ভাৰতৰ এখন অংগৰাজ্য। নাগালেণ্ডৰ বহুভাষিক পৰিস্থিতিত আন্তঃভাষিক যোগাযোগৰ মাধ্যম হিচাপে অসমীয়া ভাষাক কেন্দ্র কৰি গঢ় লোৱা নাগামিজ পিজিনৰ জন্ম হোৱাৰ দৰে অৰুণাচলৰ বহুভাষিক পৰিস্থিতিতো ব্যৱসায়িক প্রয়োজনীয়তা তথা উমৈহতীয়া ভাষাৰ তাগিদাতে অসমীয়া ভাষাৰ ভগ্ন ৰূপত অৰুণাচলী-অসমীয়া বা নেফামিজ পিজিনৰ জন্ম হৈছিল। উচ্চাৰণ পদ্ধতিত সামান্য থলুৱা ভাষাৰ প্রলেপ থাকিলেও অৰুণাচলী অসমীয়া ভাষাটো মূল অসমীয়া ভাষাৰ অধিক ওচৰ চপা; যিটো নাগামিজ ভাষাৰ ক্ষেত্রত দেখা যায়।

ভাষাতাত্ত্বিক দৃষ্টিকোণৰপৰা আলোচনা কৰিলে দেখা যায় যে অৰুণাচলী-অসমীয়া ভাষা ৰূপটো যিহেতু এটা পিজিনহে গতিকে ইয়াৰ নিজস্ব বৈয়াকৰণিক ৰূপ বা স্থিতি সুদৃঢ় নহয়। তথাপি ভাষাবিদ আৰু আলোচকসকলে কৰা আলোচনাৰ সহায়ত অৰুণাচলী অসমীয়া ভাষাটোৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ দাঙি ধৰা হ'ল—

১। উচ্চ স্বৰধ্বনিৰ পৰিৱর্তে নিম্ন স্বৰধ্বনিৰ প্রয়োগ হয়।

২। মহাপ্রাণ ধ্বনিৰ ঠাইত অল্পপ্রাণ ধ্বনিৰ প্রয়োগ দেখা যায়।

৩। 'টো' নির্দ্দিষ্টতাবাচক প্রত্যয়ৰ বহুল প্রয়োগ হোৱা দেখা যায়।

৪। অসমীয়া ভাষাৰ চতুর্থী বিভক্তি 'লৈ'ৰ ঠাইত সপ্তমী বিভক্তি 'ত'ৰ ব্যৱহাৰ হয়।

৫। বাক্যৰ শেষত সহায়কাৰী ক্রিয়া হিচাপে 'হ'ৰ প্রয়োগ। যেনে ঃ এইটো কাৰ বস্তু হয়?

৬। বিপৰীত অর্থ বুজাবলৈ 'তো'ৰ ব্যৱহাৰ হয়। যেনে ঃ মইভী জাগা-জাগোতে যাবলৈ আছিলো তো নাপাৰিলোঁ।

৭। জোৰ বুজাবলৈ 'ভী' ৰূপৰ বহুল ব্যৱহাৰ হোৱা দেখা যায়। যেনেঃ তাতো ভী নাপাবা।

৮। অসমীয়া ভাষাৰ কৰণ আৰু অধিকৰণ কাৰকৰ পার্থক্য অৰুণাচলী অসমীয়া ভাষাত নাই।

অৰুণাচলী-অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰলৈ চালে দেখা যায় যে ভাষাটোত ব্যৱহাৰ হোৱা কিছুমান অসমীয়া শব্দ ধ্বনিগত পৰিৱর্তন হৈ নতুন ৰূপ লাভ কৰিছে। সেইদৰে অৰুণাচলৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্রচলিত অনেক ভাষাৰ শব্দমালাই পিজিনটোত ঠাই পাইছে। নিজ নিজ জনগোষ্ঠীয় ভাষাৰ ধ্বনি, সুৰলহৰ, শব্দ আদিয়ে ঠাই পোৱা বাবে প্রতিটো জনগোষ্ঠীৰ মাজতে অৰুণাচলী অসমীয়া ভাষাই স্বকীয়তা লাভ কৰা দেখা যায়।

বর্তমান অৰুণাচলত হিন্দী ভাষাৰ সর্বগ্রাহী প্রভাৱত অৰুণাচলী-অসমীয়া ভাষাৰ প্রভাৱ লাহে লাহে কমি আহিছে। ইয়াৰোপৰি ভাষাৰূপটোৰ বিস্তৃত অধ্যয়নো হোৱা নাই আৰু লিখিত সাহিত্যও নাই। মৌখিক সাহিত্যৰ বিষয়ে জনাৰ সম্ভাৱনা আছে যদিও হৈ উঠা নাই। তথাপি উত্তৰ-পূর্বাঞ্চলৰ এটা সংযোগী ভাষা হিচাপে অৰুণাচলী-অসমীয়া ভাষাৰ বিশেষ মূল্য আছিল আৰু এতিয়াও আছে।

১৩.৪.৩ ৰাভামিজ

অসমৰ এটি অন্যতম নৃগোষ্ঠীয় উপভাষা হ'ল ৰাভামিজ। ৰাভামিজ ভাষা

নামনি অসমৰ কেইবাখনো জিলাত বসবাস কৰা ৰাভা জনগোষ্ঠীৰ মাজত প্ৰচলিত। জিলাকেইখন হ'ল— ধুবুৰী, গোৱালপাৰা, বঙাইগাওঁ আৰু কোকৰাঝাৰ। ৰাভামিজ ভাষা কোৱা ৰাভাসকলক দুটা ভাগত ভাগ কৰিব পাৰি- ৰাভা ভাষা কোৱা ৰাভা আৰু ৰাভা ভাষা নোকোৱা ৰাভা। ৰাভা জনগোষ্ঠীৰ ৰংদা (ৰংদানি), ময়তা (ময়তৰি) আৰু ছোংগা (কোচা)— এই তিনিটা ফৈদৰ মাজত ৰাভা ভাষা প্ৰচলিত। ৰাভাসকলৰ পাতি, দাহৰি, টোটলা, বিটলীয়া আৰু হানাই ফৈদৰ মাজত ৰাভা ভাষাৰ প্ৰচলন নাই, তেওঁলোকে দৈনন্দিন জীৱনৰ কথা বতৰাত অকল অসমীয়া ভাষাটো ব্যৱহাৰ কৰে।

ৰাভাসকলৰ মাজত প্ৰচলিত ৰাভামিজ ভাষাক দুটা প্ৰধান শাখাত ভাগ কৰিব পাৰি— ৰাভা পিজিন আৰু অসমীয়া ক্ৰেঅল। ৰাভা জনগোষ্ঠীৰ ৰংদানি, ময়তৰি, ছোংগা ফৈদৰ মাজত প্ৰচলিত ৰাভামিজ ভাষাটো এটা পিজিন বা মিশ্ৰিত ভাষা যাক তেওঁলোকে অন্যান্য জনগোষ্ঠীৰ লগত ভাব বিনিময় কৰোতে ব্যৱহাৰ কৰে। ৰাভা ভাষা নোকোৱা ফৈদৰ ৰাভাসকলৰ মাজত প্ৰচলিত ক্ৰেঅল ৰূপটোৰ সৈতে অসমীয়া ভাষাৰ আঞ্চলিক ৰূপৰ বৰ বেছি পাৰ্থক্য নাই যদিও ইয়াতো ৰাভা ভাষাৰ প্ৰভাৱ যথেষ্ট পৰিমাণে পৰিছে। অসমীয়া ভাষাৰ আঞ্চলিক ৰূপৰ ওপৰত ভিত্তি কৰি গঢ় লোৱা ৰাভামিজ উপভাষাটোৰ এই আঞ্চলিক ৰূপৰ সৈতে প্ৰভেদ থকাৰ উপৰিও দাহৰি, টোটলা, পাতি ৰাভাসকলৰ মাজত প্ৰচলিত উপভাষাটোৰ আকৌ ফৈদ সাপেক্ষেও পাৰ্থক্য দেখা যায়।

ৰাভা পিজিন আৰু অসমীয়া ক্ৰেঅল— এই দুই ৰূপৰ ৰাভামিজ উপভাষাৰূপ ৰাভাসকলৰ মাজত প্ৰচলিত হোৱাৰ উপৰিও ভিন্ ভিন্ ফৈদ আৰু অসমীয়া ভাষাৰ স্থানীয় ৰূপ সাপেক্ষেও ৰাভামিজ ভাষাৰূপৰ প্ৰচলন দেখা যায়। গতিকে ৰাভামিজ ভাষাৰ এটা উমৈহতীয়া ৰূপ নিৰূপণ কৰাটো কঠিন হৈ পৰে যদিও ৰাভামিজ ভাষাটোৰ উমৈহতীয়া গাঁথনিক সংহতি থকা পৰিলক্ষিত হয়। এনে সংগতিৰ ভিত্তিত ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দজনিত আৰু বাক্যতাত্ত্বিক এই আটাইকেইটা দিশত কিছুমান বিশেষত্ব নিৰূপণ কৰা হৈছে। ভাষাবিদ উপেন ৰাভা হাকাচামৰ আলোচনাত ৰাভামিজৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ এইদৰে প্ৰকাশ পাইছে—

ধ্বনিগত উপাদান ঃ

১। ৰাভামিজত অ' স্ৱৰধ্বনি পৰিৱৰ্তন হয়, নহয় লোপ হয়। যেনেঃ কৈনা/কইনা (কইনা) প'লো (পল)

২। ৰাভামিজত ওচৰা-ওচৰিকৈ দুটা 'আ' স্ৱৰধ্বনিৰ ব্যৱহাৰ হয়। যেনে ঃ কাতিমাহা (কাতিমহীয়া), নাজানা (নজনা)।

৩। ৰাভামিজত ঐ আৰু ঔ স্ৱৰধ্বনি ক্ৰমে আয়/এ/উই আৰু আউ/উউ হিচাপে ব্যৱহাৰ হয়।

৪। কণ্ঠ্য অঘোষ মহাপ্রাণ ধ্বনি হিচাপে হ/h/ৰ ব্যৱহাৰ হয়।

৫। ৰাভামিজ ভাষাত অন্ত্য অৱস্থাত জ/dz/ ধ্বনিৰ প্রয়োগ নাই।

৬। এ' ধ্বনিৰ প্রয়োগ নাই। এনে পৰিবেশত এ'> ই হয়।

৭। ড়, ঢ় আৰু ঋ ক্রমে ৰ আৰু ঋ হিচাপে ব্যৱহাৰ হয়।

ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

ৰাভামিজ ভাষাৰ কিছুমান স্বকীয় বৈশিষ্ট্য পোৱা যায়। তলত এই ৰূপতাত্ত্বিক বিশেষত্বসমূহ দাঙি ধৰা হ'ল—

১। ৰাভামিজত তীর্যক ৰূপৰ ব্যৱহাৰ যথেষ্ট কম হোৱা দেখা যায়। যেনে ঃ অজলা-আজলী, তুইসকল/তুহা/তহঁত।

২। ৰাভামিজত ক্রিয়া বিভক্তিবোৰ পুৰুষ আৰু বচন সাপেক্ষে ব্যাকৰণগত নহয় আৰু পুৰুষৰ মান্যার্থ-তুচ্ছার্থ ভেদ কৰিবলৈ ব্যৱহাৰ কৰা ক্রিয়া বিভক্তিৰ প্রয়োগ যথেষ্ট কম হোৱা দেখা যায়।

৩। নির্দিষ্টতাবাচক প্রত্যয় ব্রা/বাৰা-ৰ ব্যৱহাৰ হয়। তৃতীয় পুৰুষত প্রয়োগ হোৱা একমাত্র সম্বন্ধবাচক নির্দিষ্টতাবাচক প্রত্যয়ৰ— বাৰা -ৰ অবিকল প্রয়োগ আছে যেনে ঃ ভাইবাৰা (ভায়েক), দাদাবাৰা (ককায়েক)। সেইদৰে পুৰুষ-স্ত্রীভেদে -ৰে, -হে,-হেৰ, -হাৰ আদি প্রত্যয় ব্যৱহাৰ মনকৰিবলগীয়া। যেনে ঃ আইহাৰ/বাবাহাৰ।

৪। ৰাভামিজত দ্বিৰুক্তি যোগে শব্দ গঠন কৰা হয়। যেনে ঃ ৰাঙা টকটক (টকটকীয়া ৰঙা), বগা ফলাফল (ধকধকীয়া বগা) ইত্যাদি।

৫। ৰাভামিজত কৃৎ আৰু তদ্ধিত প্রত্যয়ৰ ব্যৱহাৰ যথেষ্ট কম।

৬। সুকীয়া স্বার্থিক প্রত্যয়ৰ ব্যৱহাৰ ৰাভামিজ নৃগোষ্ঠীয় উপভাষাৰ এক স্বকীয় বৈশিষ্ট্য। —কা/—লা স্বার্থিক প্রত্যয়ৰ যোগ কৰি ক্রিয়া বিশেষণ শব্দ গঠন কৰা হয়। সেইদৰে -বা স্বার্থিক প্রত্যয় অনির্দিষ্ট অর্থত ব্যৱহাৰ কৰা হয়। যেনে ঃ কায়বা, কুনবাবেলা ইত্যাদি।

শব্দগঠনৰ বৈশিষ্ট্য ঃ ৰাভামিজ ভাষাৰ শব্দভাণ্ডাৰলৈ লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰ শব্দসমূহ মূল ভাষাৰ অর্থৰপৰা কেতিয়াবা বিস্তাৰ হয়, কেতিয়াবা সংকোচন হয় আৰু কেতিয়াবা একে ৰূপত থাকে। ৰাভামিজ ভাষাৰ শব্দভাণ্ডাৰ সম্পর্কে উপেন ৰাভা হাকাচামে সুন্দৰভাৱে লিখিছে—

'ৰাভামিজত তৎসম শব্দৰ প্রয়োগ আছে যদিও প্রত্যয়ান্ত তৎসম শব্দৰ সমূলি প্রয়োগ নাই। বীৰত্ব, সৌন্দর্য, অভূতপূর্ব, মহত্ব, প্রেমিক-প্রেমিকা, কাপুৰুষালি আদি শব্দৰ প্রয়োগ ৰাভামিজত নাই। সেইদৰে আশীর্বাদসূচক, সৌহার্দসূচক বা মৰমজ্ঞাপক শব্দৰ দীনতা আৰু গালি-গালাজ, শাওপাত, অপমান, নিন্দাসূচক শব্দৰ প্রাচুর্য ৰাভামিজৰ প্রধান বৈশিষ্ট্য। উদাহৰণস্বৰূপে— চৌখিন বা লাহতী, বাকসজ্জা বা অভিসাৰিকা আদি অর্থসূচক স্ত্রীলিংগত প্রয়োগ হোৱা শব্দৰ ভিতৰত

বাখানি/বাখান, চুহুৰি/চুহুৰি, চ'খমেলি/চ'খশ্বৰী, চিকুন, তেম্‌নি আৰু ব'ইতানি/নাকাটি, নটী/ভাতাৰ ফালিঙি আদি অন্যতম।'

বাক্যতত্ত্ব ঃ ৰাভামিজ ভাষাৰ বাক্য গাঁথনিৰ স্থিৰ ৰূপ পোৱা নাযায়। বাক্যত কর্তা, ক্রিয়াৰ স্থান নির্দিষ্ট হয়। তলত ৰাভা ভাষাৰ বাক্য গাঁথনিৰ উদাহৰণ দাঙি ধৰা হ'ল—

লাখৰ গীত ঃ বাং বাং অ' নলিতাং অ'
চিচাবাং অ' গুলি
কৰবা চাওৱা অ' কাৰবা ঘৰত অ'
ভৈছৰ লাখৰ অ ছলি।'
(৫৭৪ হাকাচাম)

ৰাভা ভাষা কোৱা ৰাভাসকলৰ বাবে ৰাভামিজ ভাষা এটা পিজিন যদিও ৰাভা ভাষা নোকোৱাসকলৰ বাবে ৰাভামিজেই মাতৃভাষা স্বৰূপ। মাতৃভাষা হিচাপে ব্যৱহাৰ কৰা ৰাভা লোকৰ সংখ্যাও কম নহয়। সেয়ে জনগোষ্ঠীটোৰ ভঙা ভঙা ৰূপৰ অসমীয়া ভাষাটোৱে ক্রেঅলৰ মর্যাদা লাভ কৰিছে। অসমৰ বিভিন্ন প্রান্তত সিঁচৰতি হৈ থকা ৰাভাসকলৰ এই ভাষিক ৰূপে অসমীয়া ভাষাৰ গঠনত বৰঙণি যোগোৱাৰ লগতে বৃহত্তৰ অসমীয়া জাতিগঠন প্রক্রিয়াতো অৰিহণা যোগাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ উত্তৰ-পূব ভাৰতৰ সংযোগী ভাষা হিচাপে নাগামিজ, নেফামিজ আৰু ৰাভামিজ ভাষাৰ গুৰুত্ব সম্পর্কে আলোচনা কৰক। (৫০টা শব্দৰ ভিতৰত)

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ উত্তৰ-পূব দিশত অৱস্থিত ৰাজ্যসমূহত বসবাস কৰা শতাধিক জাতি-জনগোষ্ঠীৰ মাজত অসমীয়া ভাষাক কেন্দ্র কৰি অনেক সংযোগী ভাষাৰূপৰ সৃষ্টি হৈছে।
- অসমৰ বহুভাষিক পৰিস্থিতিত অসমত বসবাস কৰা প্রতিটো জাতি-জনগোষ্ঠীয়ে

বিভিন্ন প্ৰয়োজনীয়তাৰ খাতিৰত প্ৰভাৱশালী অসমীয়া ভাষাটো ভঙা ভঙা ৰূপত ব্যৱহাৰ কৰিছিল। ইয়াৰোপৰি অসমৰ বাহিৰতো ভাষাৰ এক ভঙা ভঙা ৰূপ সকলো জনগোষ্ঠীয়ে সংযোগী ভাষা হিচাপে ব্যৱহাৰ কৰিছিল। অসমীয়া ভাষাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা এই পিজিন আৰু ক্ৰেঅল ভাষাৰূপেই হ'ল— নাগামিজ (নাগালেণ্ড), অৰুণাচলী অসমীয়া বা নেফামিজ আৰু ৰাভামিজ।

- নাগালেণ্ডত বসবাস কৰা বিভিন্ন ঠালৰ নগাসকলৰ মাজত প্ৰচলিত ভঙা ভঙা ৰূপৰ অসমীয়া ভাষাই হ'ল নাগামিজ। ভাষাতাত্ত্বিক দিশত থকা নাগামিজ ভাষাৰ স্বকীয়তা অধ্যায়টিত আলোচনা কৰা হৈছে।
- অৰুণাচলত প্ৰচলিত অসমীয়া ভাষাৰ কথিত ৰূপটোৱে হ'ল অৰুণাচলী অসমীয়া ভাষা। নাগালেণ্ডৰ দৰে অৰুণাচলৰ বিভিন্ন ভাষা-ভাষী লোকেও পাৰস্পৰিক ভাব-বিনিময় কাৰ্যত অৰুণাচলী-অসমীয়া বা নেফামিজ ভাষাটোৰ ভাষাতাত্ত্বিক দিশত থকা স্বকীয়তা অধ্যায়টিত আলোচনা কৰা হৈছে।
- অসমৰ ৰাভা জনগোষ্ঠীৰ মাজত প্ৰচলিত অসমীয়া ভাষাৰূপটোৱেই হ'ল ৰাভামিজ। ৰাভা পিজিন আৰু অসমীয়া ক্ৰেঅল হিচাপে ব্যৱহাৰ হোৱা ৰাভামিজ পিজিন ৰূপটো ৰাভা ভাষা কোৱা ৰাভাসকলৰ মাজত প্ৰচলিত আৰু অসমীয়া ক্ৰেঅল ৰূপটো ৰাভা ভাষা নোকোৱা ৰাভাসকলৰ মাজত প্ৰচলিত। ৰাভামিজ ভাষাৰ ভাষাতাত্ত্বিক বিশেষত্বসমূহ অধ্যায়টিত আলোচনা কৰা হৈছে।



১৩.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ডেকা সেন, খগেশ (সম্পা) ঃ *ভাষা চিন্তা বিচিত্ৰা*; গুৱাহাটী ঃ পুবেৰুণ।

২) বৰুৱা, ভীমকান্ত; (২০০৯) ঃ *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) বৰুৱা, ভীমকান্ত; (২০০২) ঃ *ভাষা-জিজ্ঞাসা*; গুৱাহাটী ঃ বনলতা।

৪) বৰুৱা, ভীমকান্ত; (২০১০) ঃ *অসমৰ ভাষা* গুৱাহাটী ঃ বনলতা।


৫) দত্তবৰুৱা, ফনীন্দ্ৰ নাৰায়ণ; (২০০৬) ঃ *আধুনিক ভাষা বিজ্ঞান পৰিচয়*; ডিব্ৰুগড় ঃ বনলতা।

৬) ৰাভা, হাকাচাম, উপেন; (২০১১) ঃ *ৰাভা ভাষা আৰু সাহিত্য*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৭) ৰাভা হাকাচাম উপেন; (২০১৩) ঃ *অসমীয়া আৰু অসমৰ জাতি-জনগোষ্ঠী ঃ প্ৰসঙ্গ-*

অনুসঙ্গ; ধেমাজি ঃ কিৰণ প্ৰকাশন।

৮) ৰাভা হাকাচাম উপেন; (২০১৪) ঃ *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।



১৩.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰউত্তৰ ঃ মূল ভাষাৰ.....কম-বেছি.....সৃষ্টি.....বোলা হয়। মূল ভাষাই....স্থিৰ....লিখিত পৰম্পৰাত.....ক্ৰেঅল বোলা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভাষাতত্ত্বৰ ভূস্বৰ্গ.....উত্তৰ-পূব.....নাগালেণ্ডৰ নগা.....অৰুণাচলৰ বিভিন্ন জনগোষ্ঠা.....ভাবৰ.....সেইদৰে.....অসমৰ ৰাভাসকলে.....অসমীয়া ভাষটো.....গতিকে বিভিন্ন জনগোষ্ঠীৰ .....সংযোগ সেতু.....।



১৩.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ সংযোগী ভাষাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ সামাজিক-সাংস্কৃতিক সমন্বয় সাধনত সংযোগী ভাষাৰ গুৰুত্ব ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ নাগামিজ ভাষাৰ উৎপত্তি সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ নাগামিজ ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ অৰুণাচলী অসমীয়া বা নেফামিজ ভাষাৰ ভাষাতাত্ত্বিক বিশেষত্বসমূহ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ ৰাভামিজ ভাষাৰ ভাষাতাত্ত্বিক বিশেষত্বসমূহ আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ চমুটোকা লিখাক ঃ

(ক) পিজিন

(খ) ক্ৰেঅল

(গ) সংযোগী ভাষা

(ঘ) অৰুণাচলী অসমীয়া বা নেফামিজ

(ঙ) নগা জনজাতি

*** ***** ***

অধ্যায় ১৪ ঃ অসমীয়া ভাষাৰ সমকালীন ৰূপ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ অসমীয়া ভাষাৰ সমকালীন ৰূপ ঃ চমু পৰিচয়

১৪.৪ অসমীয়া ভাষাৰ সমকালীন ৰূপ ঃ

১৪.৪.১ ধ্বনিতাত্ত্বিক আলোচনা

১৪.৪.২ ৰূপতাত্ত্বিক আলোচনা

১৪.৪.৩ শব্দতাত্ত্বিক আলোচনা

১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৬ অধিক জানিবলৈ

১৪.৭ অগ্রগতিৰ নিৰীক্ষণ (কেৱল ৰূপৰেখা)

১৪.৮ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি--

- বর্তমান সময়ত অসমীয়া ভাষাত বিভ্রাট আৰু অস্তিত্বৰ সংকট কিদৰে আহি পৰিছে সেই বিষয়ে বিচাৰ-বিশ্লেষণ কৰিব পাৰিব।
- সমকালীন বা বর্তমান সময়ত প্রচলিত অসমীয়া ভাষাত দেখা দিয়া বিভ্রাট বা পৰিৱর্তনবোৰক প্রভাৱিত কৰা কাৰকবোৰৰ বিষয়ে জানিব পাৰিব।।
- বর্তমান অসমীয়া ভাষাত পশ্চিমীয়া তথা ভাৰতীয় আন আন ভাষাৰ প্রভাৱৰ বিষয়ে জানিব পাৰিব।
- সমকালীন অসমীয়া ভাষাত দেখা পোৱা স্বকীয় ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক , শব্দতাত্ত্বিক আৰু বাক্যতাত্ত্বিক বৈশিষ্ট্যবোৰৰ বিষয়ে জানিব পাৰিব।

১৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষান্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা ‘উপভাষা বিজ্ঞান আৰু অসমীয়া উপভাষা’ৰ এইটো চতুর্দশ তথা শেষ অধ্যায়। অধ্যায়টোৰ শিৰোনাম ‘অসমীয়া ভাষাৰ সমকালীন ৰূপ’। অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে বিস্তীর্ণ অঞ্চল ব্যাপি অসমীয়া ভাষা প্রচলিত। অসমৰ উত্তৰ-পূর্বাঞ্চলৰ অসম প্রদেশৰ ৰাজ্যিক ভাষা অসমীয়ালৈ সামগ্রিকভাৱে লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰ ভাষা-ৰীতিত যথেষ্ট নতুনত্ব আহিছে। এই

ক্ষেত্ৰত বিভিন্ন কাৰকৰ প্ৰভাৱ মন কৰিবলগীয়া। ছ'চিয়েল মিডিয়া, বিশ্বায়ন, অসচেতনতা তথা 'আনৰটো ভাল' বুলি বিবেচনা কৰা আদি কাৰণৰ বাবে অসমীয়া ভাষাই নৱ-প্ৰজন্মৰ মুখত এক মিশ্ৰিত ৰূপ পাইছে। বৰ্তমানৰ নৱ-প্ৰজন্মৰ মুখত প্ৰচলিত অসমীয়া ভাষাত এনেকুৱা বাক্য গাঁথনি বা শব্দৰ ব্যৱহাৰ আছে যিবোৰৰ অৰ্থ অসমীয়া অভিধানত বিচাৰি পোৱা নাযায় আৰু ব্যাকৰণৰ নীতি-নিয়মেৰেও বান্ধিব নোৱাৰি।

১৪.৩ অসমীয়া ভাষাৰ সমকালীন ৰূপ ঃ চমু পৰিচয়

অসমৰ বিস্তীৰ্ণ ভূমিত প্ৰচলিত অসমীয়া ভাষাই এক সুদীৰ্ঘ কাল অতিক্ৰম কৰি সাম্প্ৰতিক ৰূপ পৰিগ্ৰহণ কৰি অসমভূমিত বিকশিত হোৱা অসমীয়া ভাষাই মূল সংস্কৃত ভাষাৰ পৰা স্বাভাৱিক বিকাশ প্ৰক্ৰিয়াৰে জন্ম লাভ কৰি সুদীৰ্ঘ কাল ধৰি নিজস্ব অস্তিত্বক বজাই ৰাখিছে। সাধাৰণতে ভাষাৰ ক্ষেত্ৰত দেখা পোৱা বিভ্ৰাট কোনো অস্বাভাৱিক বা নতুন পৰিঘটনা নহয়। সময়ৰ লগে লগে ভাষা বিভ্ৰাটে ভাষাৰ স্বাভাৱিক গতি প্ৰক্ৰিয়াক প্ৰভাৱিত কৰে। বৰ্তমান সময়ত নৱ-প্ৰজন্মৰ মাজত ব্যৱহৃত অসমীয়া ভাষাটোৰ ক্ষেত্ৰতো বিভ্ৰাট ঘটিবলৈ লৈছে; ই অসমীয়া ভাষাৰ অস্তিত্বলৈকো সংকট আনি দিছে। বিশ্বায়নৰ প্ৰভাৱ তথা বিভিন্ন কাৰকৰ প্ৰভাৱত ভাষা-সংস্কৃতিৰ মুক্ত ব্যৱহাৰৰ মানসিকতা মানুহৰ মনত গঢ় লৈ উঠিছে। এই মুক্ত বা উদাৰ মানসিকতাৰ ধাৰণাৰ ফলতে নৱ-প্ৰজন্মই নিজস্ব ভাষা-সংস্কৃতি পৰম্পৰাগত হোৱাৰ বাবে পশ্চিমীয়া সভ্যতা-সংস্কৃতি অন্ধভাৱে অনুকৰণ কৰি ভালপোৱা হৈছে। অসমীয়া ভাষাটোত দুই এটা ইংৰাজী শব্দ বা দেশীয় অন্যান্য ভাষাৰ শব্দ মিলাই ক'ব নোৱাৰিলে 'গাঁৱলীয়াটো ক'ৰবাৰ' বা 'স্মাৰ্ট' নহয় বুলি ধাৰণাৰ বশৱৰ্তী হোৱা নৱ প্ৰজন্মই নিজস্ব ভাষাৰ শুদ্ধ আৰু সঠিক ব্যৱহাৰৰ প্ৰতি সচেতন নহয়।

আধুনিক যুগ বিজ্ঞানৰ যুগ বুলি কোৱা হয়। বৰ্তমান সময়ত চাৰিওদিশে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ৰাজত্ব চলিছে। ইণ্টাৰনেট সংলগ্ন ম'বাইল, কম্পিউটাৰ, ছ'চিয়েল মিডিয়া আদিয়ে মানুহক এটা কোঠাৰ ভিতৰত থাকি সমগ্ৰ দেশ-বিদেশ পৰিদৰ্শন কৰাৰ চাক্ষুস অভিজ্ঞতা প্ৰদান কৰিছে। গতিকে সদায় এনে সামগ্ৰীৰ ব্যৱহাৰ কৰা নৱ-প্ৰজন্মক পশ্চিমীয়া ধ্যান-ধাৰণাক নিজৰ মাজত প্ৰতিপালন কৰাত সহায় কৰিছে। 'পশ্চিমৰ মানেই ভাল' বুলি বিবেচনা কৰা নৱ-প্ৰজন্মৰ বাবে ইণ্টাৰনেট বা ছ'চিয়েল মিডিয়াত ব্যৱহাৰ হোৱা পশ্চিমীয়া শব্দ, বাক্য গাঁথনি আদি অসমীয়া ভাষাত ব্যৱহাৰ কৰাৰ প্ৰতি আগ্ৰহী হৈছে। দূৰদৰ্শনৰ প্ৰাইভেট চেনেল, ম'বাইল ফোন, আৰু বাতৰি কাকত আলোচনী আদিয়েও এই ক্ষেত্ৰত অৰিহণা যোগোৱা নাই বুলি ক'ব নোৱাৰি।। বৰ্তমান অসমৰ অসমীয়া ভাষাত অকল ইংৰাজী ভাষাৰ প্ৰভাৱে নহয়, প্ৰান্তীয় আন আন ভাষাৰো (বিশেষকৈ হিন্দী আৰু বাংলা) প্ৰভাৱ পৰিছে। এনেবোৰ কাৰণতে অসমীয়া ভাষাত হিন্দী-ইংৰাজী-বাংলা মিশ্ৰিত ৰূপৰ ব্যৱহাৰ দেখিবলৈ পোৱা গৈছে।

বৰ্তমান নৱ প্ৰজন্মই ব্যৱহাৰ কৰা অসমীয়া ভাষাৰ কিছুমান শব্দৰ অভিধান মেলি অৰ্থ উলিয়াব নোৱাৰি। কিছুমান শব্দ বা বাক্য গাঁথনি অসমীয়া ভাষাৰ ব্যাকৰণৰ নিয়মেৰেও বান্ধিব নোৱাৰি। অথচ অতি সুন্দৰ ৰূপত অনানুষ্ঠানিক ক্ষেত্ৰত প্ৰচলিত হৈ আহিছে। অৱশ্যে এই ক্ষেত্ৰত নৱ-প্ৰজন্মই দৈনন্দিন জীৱনত লাভ কৰা অভিজ্ঞতায়ো প্ৰভাৱিত কৰিছে। বৰ্তমান সময়ত

ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ সংখ্যা বাঢ়িছে। অভিভাৱক সকলেও দুগুণ ধন খৰচ কৰি হ'লেও ইংৰাজী মাধ্যমৰ বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিবলৈ দিলে ল'ৰা-ছোৱালীক 'স্মাৰ্ট' হোৱা বুলি ধাৰণা কৰে। ইংৰাজী বিদ্যালয়ৰ ল'ৰা-ছোৱালীয়ে সদায় ব্যৱহাৰ কৰা কপি, বুক, হোমৱৰ্ক, ক্লাছ, টিছাৰ, ৰাটাৰ, আদি শব্দৰ লগত এনেদৰে পৰিচিত হৈ পৰে যে তাৰ অসমীয়া শব্দটো কি তেওঁলোকৰ বহুতেই নাজানে। তদুপৰি ইংৰাজী পঢ়ি অভ্যস্ত হোৱা ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া ভাষা কওঁতে এনেদৰে ইংৰাজী ব্যৱহাৰ কৰে যে এটা বাক্যত প্ৰায় আধাখিনি শব্দই ইংৰাজী। ইয়াৰোপৰি ঘৰুৱা পৰিৱেশত ম'বাইল, দূৰদৰ্শন, কম্পিউটাৰ আদিত কার্টুন তথা অন্যান্য ভিডিঅ' গেম আদিৰ লগত ল'ৰা-ছোৱালীৰ একাত্ম বেছি। ল'ৰা-ছোৱালীয়ে আকৰ্ষণীয় এই মনোৰঞ্জনৰ সামগ্ৰীবোৰত ব্যৱহৃত বুজাবলৈ ব্যৱহাৰ হোৱা শব্দবোৰৰ লগত ইমান গভাৰতাৰে সম্বন্ধ স্থাপন কৰে যে কথা-বতৰা পাতোতেও অসচেতনভাৱে সেইবোৰ শব্দ তেওঁলোকৰ মুখৰ পৰা ওলাই আহে। ঘৰুৱা পৰিবেশতেই হওক বা হাট-বজাৰতেই হওক অসচেতনভাৱে শুনি শুনি কম-বেছি পৰিমাণে সেইবোৰ বুজি পোৱাটোও সম্ভৱপৰ হৈছে।



অগ্ৰগতিৰ নিৰীক্ষণ ঃ

প্ৰশ্ন নং ১ ঃ অসমীয়া ভাষাত কেতিয়াৰ পৰা ভাষা-বিভ্ৰাট ঘটিবলৈ ধৰে?

(১৫০ টা শব্দৰ ভিতৰত)

.....

১৪.৪ অসমীয়া ভাষাৰ সমকালীন ৰূপ

নৱপ্ৰজন্মৰ মাজত প্ৰচলিত অসমীয়া ভাষাৰ সমকালীন ৰূপটোত ত্ৰনেদৰে বিভ্ৰাট হৈছে যে সে বিষয়ে সুকীয়াকৈ আলোচনা নকৰিলে নহয়। এই অৰ্বাচীন ৰূপটোৰ বিষয়ে ভাষাতাত্ত্বিক আলোচনা হোৱাটো অত্যন্ত প্ৰয়োজন।

ক) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

১. অসমীয়াভাষী নৱ-প্ৰজন্মৰ মুখত অসমীয়া ভাষাৰ নিভাঁজ উচ্চাৰণ ৰীতি প্ৰায় শুনা নাযায়। লাহে লাহে শ-ষ-স ৰ উচ্চাৰণ পশ্চতালব্য অসৃষ্ট /s/-ৰ পৰিৱৰ্তে দন্তমূলীয় অঘোষ সৃষ্ট /x/- ৰ প্ৰতি প্ৰৱণতা বৃদ্ধি পাইছে। অৱশ্যে, এনে বৈশিষ্ট্যৰ ইংৰাজী বা বাংলা, হিন্দীৰ মাজেদি জনপ্ৰিয়তা লাভ কৰা নতুন শব্দৰ ক্ষেত্ৰতহে বেছি প্ৰযোজ্য। বহুক্ষেত্ৰত দেখা যায় যে একোটা শব্দৰ দুই ধৰণৰ উচ্চাৰণ হয় আৰু সেই অনুযায়ী নতুন বাক্-ভংগীত সাম্প্ৰতিক কালত প্ৰচলিত অৰ্থ প্ৰকাশ পায়। উদাহৰণ --

পূৰ্বৰ উচ্চাৰণ	সাম্প্ৰতিক উচ্চাৰণ
বিকাশ ঃ /Bikax/	/Bikas/
সাগৰ ঃ /Xagar/	/Sagar/

সমিৰণ ঃ /Xamiran/	/Samiran/
শর্মা ঃ /Xarma/	/Sarma/
দাস ঃ /Dax/	/Das/

খ) ৰূপতাত্ত্বিক বৈশিষ্ট্য

অসমীয়া ভাষাৰ কিছুমান সর্বনামৰ প্রয়োগ নাইকিয়া হৈছে। বিশেষকৈ অসমীয়াৰ নির্দেশবোধক মান্যার্থক তেখেতে, এখেত আদি ৰূপৰ ব্যৱহাৰ প্রায় লোপ পাইছে। সেইদৰে সি, তাই, তেওঁৰ ব্যৱহাৰ জানিলেও অন্ত্য কাৰকযুক্ত ৰূপত অলক তা -- (তাক, তাৰ, তাৰপৰা)ৰ ব্যৱহাৰ কৰে। ক'লৈ, কেলৈ, কাহানি, তাহানি, যেনেকৈ / যেনেকুৱা, তেনেকৈ/তেনেকুৱা আদিৰ প্রয়োগ ৰহিত হৈ যথাক্রমে ক'ত, কিয়, কেতিয়া, তেতিয়া, যেনেকে / যেনকা, তেনেকে / তেনকে / সেনকে / সেনকা আদিৰ বহুল ৰূপত ব্যৱহাৰ হ'বলৈ ধৰিছে।

নতুন নতুন ক্রিয়া বিশেষণৰ প্রয়োগ হ'বলৈ ধৰিছে। অসমীয়া কৈ, ৰূপে, ভাবে আদি প্রত্যায়ান্ত ৰূপৰ পৰিৱর্তে হিন্দী সে (ছে) ৰূপৰ বহুল ব্যৱহাৰ হ'ব ধৰিছে। যেনে ঃ কমছে কম (অতি কমেও, নহ'লেও, অন্যথা), আৰামছে (ধীৰে সুস্থিৰে) ইত্যাদি

নতুন দ্বিৰুক্তিবাচক শব্দ নির্মিত হৈছে বাংলা-হিন্দীৰ প্রভাৱত। যেনে -- সিধা-সিধি (পোনপটীয়াকৈ), গৰমা -- গৰম, লগালগ (তৎমূহূর্তে), ফোনা-ফোনি (ফোনৰ পিছত ফোন কৰি) ইত্যাদি।

অসমীয়াৰ বহুতো নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ বর্তমানৰ যুৱ প্রজন্মই কৰিব নাজানে আৰু কেৱল টা য় -টো য় (-টু) প্রত্যয়েৰে সেই কার্য সমাধা কৰে। মান্যার্থক গৰাকী য় -জনা, স্ত্রীলিংগবোধক -জনী, ক্ষুদ্রার্থবোধক -টি য় -খান য় - জুপি আদিৰ মুঠেই ব্যৱহাৰ নকৰে। যেনে -- তুমি এটা বেল, সি য় তাই এটা বেলেগ বস্তু বে, আমি দুটাই ঠাণ্ডা বনাই দিছু, চকাটু পমছাৰ হ'ল, ভাতটু সিজা নাই, ইত্যাদি।

কাৰক বিভক্তিৰ ক্ষেত্রত দেখা যায় যে কিছুমান কাৰকৰ ব্যৱহাৰ সম্পূর্ণৰূপে উঠি গৈছে।

আনকি ক্রিয়া বিশেষণত প্রয়োগ হোৱা ভৱিষ্যৎ কালসূচক -লৈৰ প্রয়োগো অসমীয়াত নোহোৱা হৈ যাব ধৰিছে। এনে অর্থত দুয়োটা ক্ষেত্রতে অধিকৰণ কাৰকৰ -অত / -অতে (-ত / -তে) বিভক্তিৰ প্রয়োগেৰে চকুত পৰা হৈ আহিব ধৰিছে। ব্যক্তিবাচকৰ ক্ষেত্রত বিকল্পে কর্মকাৰকৰ -অক / -ক বিৰক্তিৰ প্রয়োগ হ'ব ধৰিছে। যেনে -- আমি প্রায়েই চিলং যাওঁ।

খ) সেইদৰে কর্মকাৰকৰ -ক / -ক বিভক্তিৰো প্রয়োগ প্রায় উঠি গৈছেই বুলিব লাগিব। যেনে - পুলিচ (অক) দেখাৰ লগে লগে সব ভাগিল।

গ) অধিকৰণ কাৰকৰ -এ প্রত্যয় বা কৈ য় কে পৰসর্গযোগে গঠিত দ্বিৰুক্তিবাচক ক্রিয়া বিশেষণৰ পৰিৱর্তে প্রত্যয় বা পৰসর্গ অবিহনে বর্তমান এই ভাব বুজোৱা হয়। যেনে - দিন - ৰাত (দিনে-ৰাতি) মেহনত কৰে।

পূর্ণ-অপূর্ণ ভূতকালৰ -ইছিলে য় -ইলে য় -লে আদি বিভক্তি সকর্মক দৰে অকর্মক ক্রিয়াতো নতুন প্রজন্মই ৰৰকৈ ব্যৱহাৰ কৰিবলৈ লৈছে। যেনে - সি আহিলে ভাল আছিলে।

ইংৰাজী বা হিন্দীত যেনেকৈ সদর্থক বাক্যতো be verb-ৰ বাধ্যমূলকভাৱে প্রয়োগ হয়, আজিৰ নৱ প্রজন্মই বিশেষকৈ ইংৰাজী মাধ্যমত পঢ়া ছাত্র-ছাত্রীয়ে অসমীয়াতো আছে বা হয় ক্রিয়াৰ বৰকৈ প্রয়োগ কৰে। যেনে --- এইটো মোৰেই (হয়)।

জোৰকৈ কোৱা বা ধৰাৰ সময়ৰ নতুনকৈ -না স্বার্থিক প্রত্যয়ৰ বহুলভাৱে প্রয়োগ হ'ব ধৰিছে। যেনে -- বলানা ফুৰি আহ (ব'লাচোন)

অসমীয়াৰ নিজস্ব শব্দ সাধনৰ প্রত্যয় কিছুমানৰ পৰিৱর্তে হিন্দী, বাংলা আদি শব্দৰ নুকৰণত কেতবোৰ শব্দৰ সাধন কৰি লোৱা হৈছে আৰু এইবোৰ সর্বত্রতে প্রয়োগ হৈ আহিছে। যেনে - দুষ্টামি (দুষ্টালি), পাগলামি (বলিয়ালি), ওস্তাদি (পণ্ডিতালি)।

সাম্প্রতিক কালত একোটা নৱাগত দেশী বা বিদেশী শব্দৰ পৰাই অসমীয়া বা সংস্কৃতমূলীয় চিনাকি প্রত্যয় যোগে অসমীয়াকৰণ (nativization) কৰি লোৱা হয়। যেনে -- বেংগুলী (ইং Bengal -ষ্ট) ইংৰাজী (হিন্দী ঃ অংৰেজ / ইংৰাজ + ঈ) ইত্যাদি।

গ) শব্দতাত্ত্বিক বৈশিষ্ট্য ঃ

নৱ-প্রজন্মৰ শিক্ষিত-অর্দ্ধশিক্ষিত গুৱাহাটীকে ধৰি নগৰীয়া অঞ্চলত ঘূৰি ফুৰা বেকাৰ বা স্ব-উপার্জনক্ষম লোকৰ মুখত প্রথমে জনপ্রিয়তা লাভ কৰা শব্দসমূহ ক্রমান্বয়ে গাঁৱে-ভূঁয়ে সকলোতে প্রথমতে যুৱ-প্রজন্মৰ মুখত আৰু শেষত প্রায় সকলো নতুন ধ্যান-ধাৰণাত অভ্যস্ত লোকৰ মাজতে এনে শব্দ ইচ্ছাকৃত বা অনিচ্ছাকৃতভৱে সোমাই পৰে।

১. নিজস্ব শৈলীত কিছু উচ্চাৰণৰ বিকৃতি ঘটাই চিনাকি য় প্রচলিত শব্দৰ কিছু যুৰীয়া অর্থত প্রয়োগ হয়। যেনে --- Item ঃ উপপাদ্য বিষয় বা কার্যসূচীৰ ঠাইত আকাংক্ষিত সামগ্রী য় নাৰী। ছিয়ানা ঃ সাংঘাতিক ধৰণৰ চালাক চতুৰ, উদাহৰণ -- সি কমতি চিয়ানা নহয়; গুৰা (চূর্ণ-বিচূর্ণ) গাড়ী একেবাৰে গুৰা।

২. ইংৰাজী শব্দ আৰু বাক্যাংশ যেনে আছে তেনে ৰূপত (as it is) বা অসমীয়াৰ ঠাঁচত (Nativitized Assamese) গঢ়ি লোৱা হয়। যেনে ---- চেলেঞ্জ (challenge), বিল (bill), ব্লেক মেইল (blackk mail), কিডনি (kidney), ট্রেফিক জাম (traffic jam), শ্ল'গান (slogan), ফিট (fit) ইত্যাদি।

৩. কিছুমান ইংৰাজী শব্দ সংক্ষপ্ত ৰূপত ব্যৱহাৰ হয়। যেনে ঃ ফ্রিজ (refrigertor), ফোন (telephone), ছেলফোন (cellphone), এড্ (ad.<advertisement)।

৪. অলংকৃত আৰু নৱনির্মিত শব্দগুচ্ছৰ ক্ষেত্রত বিশেষ বিশেষ অর্থত পুৰণি শব্দত নতুন অর্থ আৰোপ কৰি বা দুই-তিনিটা শব্দৰ আদ্যাক্ষৰকেইটা লগলগাই বা প্রথমৰ আদি অংশ আৰু পিছৰ শেষ অংশৰ সংযোগ ঘটাই প্রয়োগ হয়। যেনে --- Assamese Silk (মুগা), আলফা (United Liberation Front of Assam)ৰ আর্হিত SULFA (Surrendered অর্থাৎ আত্মসমর্পণকাৰীৰ), আছু / AASU (All Assam Students Union) ইত্যাদি।

৫. হিন্দী আৰু হিন্দীৰ মাজেদি অহা আৰবী, ফার্চী আদি ভাষাৰ শব্দ বা বাক্যাংশ চল্‌তি অসমীয়াত আত্মীকৃত কৰি ব্যৱহাৰ কৰা হয়। যেনে -- জামানা (কাল, যুগ) পাগ্লা (পাগল),

কামানি (আয়, আর্জন), বৰবাদ (নষ্ট), মামুলী (সাধাৰণ), মতলব (তাৎপর্য, উদ্দেশ্য), মানা (বাধা, নিষেধ) ইত্যাদি।

৬. অন্যান্য মূল উলিয়াব নোৱাৰা বা মূলৰ অর্থ বিকৃতি ঘটা শব্দ অসমীয়াত অপৰাধ জগত, ফেশ্বন শ্ব, হোটেল মেনেজমেণ্ট আদিৰ লগত জড়িত হিন্দী চিনেমাৰ মাজেদি অহা বুলি সহজে ধাৰণা কৰিব পাৰি। উদাহৰণ ঃ বেহুদা (বেয়া অর্থত, wrost মূল-ফার্চী ঃ অশিষ্ট অশিষ্টাকাৰী), পেট্টি (টকাৰ বাণ্ডল), গান্ধীগিৰি / গান্ধীৰাজ (অহিংসাবাদী), বেল (বেলবুঙৰ সংক্ষিপ্ত ৰূপ, বুর্বক) মডেলিং (Modelling), মেক-আপ (Make-up), ফাইটিং (Fighting), মীল (Meal), চালাদ (Salad, ফ্রেন্সমূলীয়), শ্বপিং মল (Shopping) ইত্যাদি।

৭. বিভিন্ন ভাষাৰ শব্দ অকলে বা অসমীয়া ৰূপৰ লগত ভিন্ ভিন্ অর্থত (ব্যঞ্জনা বা লক্ষণা অর্থত) প্রয়োগ কৰাটো চল্তি অসমীয়াৰ অন্যতম বৈশিষ্ট্য। যেনে -

ইংৰাজী System (প্রথা, পদ্ধতি)ৰ নতুন অর্থ চৰকাৰী প্রশাসন যন্ত্র (System Failure) হৈছে ; ৰং বা প্রকৃতি (কি system -ৰ বস্তু, কি system -ৰ মানুহ) আদিত আৰোপিত হৈছে।

ইংৰাজী 'gear' এবিধ গাড়ীৰ বেগ নিয়ন্ত্রণৰ সঁজুলি। কিন্তু, বর্তমান নিজৰ মন ভাল থকা অৱস্থা বুজাবলৈ ব্যৱহাৰ হয়। যেনে --- সি কালি ফুল গিয়াৰত আছিল।

তাৰ কিবা হেড অফিচৰ গণ্ডগোল আছে নেকি?

৮. কিছুমান বিশ্লেষণ অতি সাম্প্রতিক কালত বাংলা, হিন্দী, ইংৰাজী আদি ভাষাৰ পৰা ধাৰ লৈ কিছু সুকীয়া ভাৱে প্রয়োগ কৰে। যেনে -- ফাটা-ফাটি ৰিজাল্ট, হাই-ফাই ফেমিলী Superlative degree -ত সর্বনিকৃষ্ট / সর্বোকৃষ্ট বুজাবলৈ - নক নম্বৰৰ ছয়তান / ছয়তানেৰে গোৰা / হাৰামী; সবতছে / সবছে ভাল / বেয়া / সস্তা; তামাম / মস্ত ধুনীয়া / ভাল / ছিয়ানা / ফাকি ;

বম (ইংৰাজীত bombastic অর্থাৎ অতিৰঞ্জিত সূচায় কিন্তু বর্তমান সর্বাধিক, অতি বেছি, ডাঙৰ সূচায়) ঃ বম ফাকি, বম কামোৰ বে।

৯. কিছুমান ক্রিয়া বিশেষণৰ বাংলা, ইংৰাজী আদি ভাষাৰ পৰা হুবহু ৰূপত বা সংকৰ শব্দৰ ৰূপত বা প্রয়োগ হয়। যেৱে -- একদম (মুঠেই) ঃ একদম ভাল হোৱা নাই।

পটাপট য় ফটাফট (বেগাই য় তপৰাই) ঃ কচোন পটাপট।

জান-প্রাণ দি (প্রাণে-পণে) ঃ জান-প্রাণ দি লাগিছে।

১০. অর্বাচীন কালত প্রচলিত অত্যাধুনিক গৃহ সজ্জাৰ সামগ্রী, খাদ্য, সাজ-পাৰ, আচবাব আদি ঃ টয়লেট (toilet), টালিছ (tiles), জেলী (jelly), ফাষ্টফুড (fast food), মেকছি (maxi, দীঘল skirt), ফ্রক (frock, ফ্রন্সমূলীয়) টপ (top) ইত্যাদি।

ঘ) বাক্যতাত্ত্বিক বৈশিষ্ট্য ঃ

১. পুৰণি জতুৰা ঠাঁচ-খণ্ডবাক্যৰ ঠাইত নতুন নতুন ইংৰাজী, হিন্দী, বাংলা আদি শব্দৰ সৈতে অসমীয়া ধাতু যোগে সাধিত জতুৰা ঠাঁচ আৰু খণ্ডবাক্যৰ প্রয়োগ হোৱা দেখা যায়। মাৰ, দি, খা, লাগ, হু, কৰ্ আদি ধাতু যোগে এনে সংযুক্ত ক্রিয়া গঠন কৰা হয়। যেনে--

কাট্ মাৰ (বক্রোক্তি কৰ্);

হাচিল কৰ (হস্তগত কৰ)।

২. অসমীয়া বা হিন্দী, ইংৰাজী আদি শব্দৰ সৈতে সাম্প্রতিক কালৰ জনপ্রিয় বনা য় বানা, কামা য় কমা আদি ধাতুৰ যোগে নতুন ভাব-ভাষা প্রকাশ কৰা বহু সংযুক্ত ধাতুৰ সৃষ্টি কৰা হৈছে। যেনে -- লাইফ বনা (উন্নতি কৰা), ঘৰ বনা (তৈয়াৰ কৰা, সজা), মাল য় টাকা কামা) উপার্জন) কৰ); নাম কামা (সুনাম অর্জন কৰ) ইত্যাদি।

৩. অসমাপিকা ক্রিয়াৰ ৰূপত 'দি' ধাতুৰ সংযোগেৰ 'গেলা'ৰ বিকল্পে স্বার্থিক প্রত্যয় হিচাপে বৰকৈ প্রয়োগ হয়। যেনে -- সি কামাল কৰি দিলে (পেলালে);

তই মানুহ মাৰি দিবি বে (পেলালি) ইত্যাদি।

৪. 'কি' সর্বনামেৰে বাক্যেৰ আৰম্ভণি কৰা হয় অথচ প্রশ্নবোধক বাক্য নহয়। যেনে --

কি যে মজ্জা (লাগিব);

কি পাল্লাত পৰিলু; (ইত্যাদি)।

৫. সম্পর্কবাচক সর্বনামৰ সুকীয়া প্রয়োগ (ক্রিয়াবিহীন বাক্যত বাক্যাংশৰ দৰে)।

যেনে -- যাৰ য'ত ইণ্টাৰেষ্ট;

যা-তা মানুহক মাতি নানিবি; ইত্যাদি।

৬. 'আদি' ক্রিয়াৰে বাক্যৰ আৰম্ভণি আৰু কর্মৰে বাক্যৰ সামৰণি সাম্প্রতিক কালৰ জনপ্রিয় বাক্যসজ্জা। যেনে ---

যাৰ গুলি তাৰ কথা / তাক,

পাবি নহয় গম / মজাটো ইত্যাদি।

৭. 'ওচৰত' অর্থাৎ নিকট, সান্নিধ্য অর্থত সাম্প্রতিক কালত 'আগত / সাম্নত' পৰসর্গৰ বহুল প্রয়োগ হয়। যেনে--

সি মোৰ আগত টকাৰ গৰম দেখুৱায় বে;

আপুনি - কাৰ আগত কথা কৈছে ইত্যাদি।

৮. চলতি অসমীয়া বাক্যত আবে য় বে য় বেই, আবে বাবা য় ভাই, ওকে বাবা, না, নো, যে, কি, মা কচম, বৈদ্য, ছালা / ছাল্লা, ধুইত ছালা, আয় গুৰু, অ'ছাৰ, যাৰ / ইয়াৰ, হা, ঠিক আছে আদি হিন্দী, বাংলা আদি ৰূপৰ অব্যয়বাচক বাক্যংশ বা শব্দাংশৰ সমান প্রয়োগ পোৱা যায়। যেনে --

আৰ্বে বাব, তাক কৰিব দেনা;

কি লেবেল বে

চা না, ই বে লেবেল দিব যায় ইত্যাদি।

৯. অর্থবোধক সুস্পষ্টতাৰ বাবে ইংৰাজী, হিন্দী আদিৰ পৰা ঋণ কৰা শব্দ বা শব্দগুচ্ছৰ সমান্তৰালভাৱে সমার্থক।

ই) গালি-গালাজ, শাও-শপনিৰ নমুনা ঃ

ঃ বুঢ়াই চাল্লা জেং কৰিছে বে'।

মাৰি তিক্তা বনাই

জিন্দেগী চুটাই দিম, হু কেয়াৰ মি ষ্টুপিত, ননচেন্স।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমীয়া ভাষাত কোনবোৰ সর্বনামৰ প্রয়োগ ৰহিত হৈছে?

(১৫০ টা শব্দৰ ভিতৰত)

.....



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

● ভাষাৰ ক্ষেত্রত দেখা পোৱা বিভ্রাট কোনো অস্বাভাৱিক বা নতুন পৰিঘটনা নহয়। প্রভাৱশালী ভাষাৰ প্রভাৱত সৰু সৰু ভাষাত বিভ্রাট ঘটাটো বর্তমান সময়ত স্বাভাৱিক যেন হৈ পৰিছে। অসমীয়া ভাষী বর্তমানৰ নৱ প্রজন্মৰ মাজত ব্যৱহৃত অসমীয়া ভাষাটোত এনেদৰে ভাষা বিভ্রাট ঘটিছে যে তাৰ ফলত অসমীয়া ভাষালৈ অস্তিত্বৰ সংকট বা প্রত্যাহ্বান আহিছে।

● অসমীয়া ভাষাৰ ক্ষেত্রত দেখা পোৱা বিভ্রাটৰ আঁৰত কেইবাটাও কাৰকে ক্রিয়া কৰি আছে। বিশ্বায়নৰ প্রভাৱ, ইণ্টাৰনেট সংলগ্ন ম'বাইল, কম্পিউটাৰ, ছ'চিয়েল মিডিয়া তথা হিন্দী, ইংৰাজী ভাষাৰ প্রভাৱৰ কাৰণে অসমীয়া ভাষাত বাহিৰা ভাষাৰ ভাষাগত দিশৰ প্রব্রজন ঘটিছে।

● অসমীয়া ভাষাত ভাষাগত বিভ্রাট ঘটিবলৈ আৰম্ভ কৰে ১৯৯০ চন মানৰ পৰা। প্রায় তিনিটা দশক ধৰি হোৱা ভাষা বিভ্রাটে অসমীয়া ভাষাক নৱ প্রজন্মৰ মাজত ইংৰাজী হিন্দী-বঙলা মিশ্রিত খিচুৰি ৰূপৰ গঠনত ইন্ধন যোগাইছে।

● অসমীয়া ভাষাত ভাষা বিভ্রাটে কেনেদৰে ঘটিছে তাৰ দেখুৱাবলৈ আলোচ্য পাঠটিত ভাষাগত বৈশিষ্ট্যবোৰ দাঙি ধৰা হৈছে।



১৪.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১. বৰুৱা, ভীমকান্ত (২০১৫) ঃ *অসমৰ ভাষা*, ডিব্রুগড়, বনলতা।

২. ৰাভা হাকাচাম, উপেন (২০১৩) ঃ *অসমীয়া আৰু অসমৰ ভাষা উপভাষা* ; পাণবজাৰ, জ্যোতি প্রকাশন।



১৪.৬ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত ভাষা বিভ্রাট হ'বলৈ আৰম্ভ কৰা চনটো লিখিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ ভাষা বিভ্রাটৰ বাবে অসমীয়া ভাষাত কোনবোৰ সর্বনাম শব্দৰ প্রয়োগ প্রায় নোহোৱা হৈছে সেইবোৰৰ বিষয়ে উদাহৰণসহ আলোচনা কৰিব লাগিব।



১৪.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভাষা বিভ্রাটে কি কৰে?

প্রশ্ন ২ ঃ অসমীয়া ভাষাত ভাষা বিভ্রাট ঘটাৰ কাৰণ ফঁহিয়াই আলোচনা কৰক।

প্রশ্ন ৩ ঃ নৱ-প্রজন্মৰ মাজত প্রচলিত অসমীয়া ভাষাৰ সমকালীন ৰূপটোৰ ধ্বনিতাত্ত্বিক দিশৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ৪ ঃ নৱ-প্রজন্মৰ মাজত প্রচলিত অসমীয়া ভাষাৰ সমকালীন ৰূপটোৰ ৰূপতাত্ত্বিক দিশৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ৫ ঃ অসমীয়া ভাষাৰ সমকালীন বা চল্‌তি ৰূপটোৰ বাক্যতাত্ত্বিক দিশৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ৬ ঃ অসমীয়া ভাষাৰ সমকালীন ৰূপটোৰ ভাষাৰ নমুনা দাঙি ধৰক।



প্ৰসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) কাকতি, বাণীকান্ত (১৯৯৬) ঃ *অসমীয়া ভাষাৰ গঠন আৰু বিশাল;* অনু, বিশ্বেশ্বৰ হাজৰিকা, বৰপেটা সাহিত্য সভাৰ হৈ বাণী প্ৰকাশ, গুৱাহাটী।

২) কোঁৱৰ, অৰ্পনা (১৯৯৭) ঃ *ভাষা সাহিত্যৰ বিবিধ চিন্তা*।

৩) কলিতা, মণিৰাম (২০০৭) ঃ ডিমৰীয়া অঞ্চলৰ উপভাষা ঃ অসমীয়া ভাষাৰ এটি আঞ্চলিক ৰূপৰ বিশ্লেষণাত্মক অধ্যয়ন, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়।

৪) কাকতি, বাণীকান্ত (১৯৯৬) ঃ অসমীয়া ভাষাৰ গঠন আৰু বিকাশ, অনু. বিশ্বেশ্বৰ হাজৰিকা। বৰপেটা সাহিত্য সভাৰ হৈ বাণী প্ৰকাশ, গুৱাহাটী।

৫) খাখলাৰী, জ্ঞান শংকৰ; অনিল দাস অনিল (সম্পা.) (১৯৯১); *আগলতি;* অসম সাহিত্য সভাৰ সপ্তপঞ্চাশতম দুধনৈ অধিৱেশনৰ স্মৃতিগ্ৰন্থ।

৬) খাঁ চৌধুৰী, আমানতউল্লা; (১৯৩৬) *কোচবিহাৰৰ ইতিহাস;* (প্ৰথম খণ্ড)

৭) গগৈ, পুষ্প (১৯৮৯) ঃ আহোমীয়া অসমীয়া, অসমীয়া ভাষালৈ তাই ভাষাৰ অৱদান, তাই ভাষা আৰু সাহিত্য।

৮) গোস্বামী, উপেন্দ্ৰনাথ (১৯৬৪) ঃ *ভাষা বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৯) গোস্বামী, উপেন্দ্ৰনাথ (১৯৮৬) ঃ *অসমীয়া ভাষা আৰু উপভাষা;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

১০) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯২) ঃ *ভাষা ভাষণিকা;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১১) গোস্বামী, পৃথ্বীশ নাৰায়ণ (১৯৯৩); *ঐতিহ্যমণ্ডিত গোৱালপাৰা;* কোকৰাঝাৰ, এন. এল. পাব্লিকেশ্যন্চ।

১২) গোস্বামী, পৃথ্বীশ নাৰায়ণ (১৯৯৭); *গোৱালপৰীয়া সংস্কৃতিৰ ইতিহাসত এভুমুকি;* কোকৰাঝাৰ, এন. এল. পাব্লিকেশ্যন্চ।

১৩) গুহ, অমলেন্দু; (১৯৯৬) *বৈষ্ণৱবাদৰ পৰা মায়ামৰীয়া বিদ্ৰোহলৈ*

১৪) চৰকাৰ, অম্বিকাচৰণ (সম্পা.) (১৯৭৭); *স্মৃতিগ্ৰন্থ;* অসম সাহিত্য সভাৰ ৪৪তম অভয়াপুৰী অধিৱেশনৰ স্মৃতিগ্ৰন্থ।

১৫) চৌধুৰী, অম্বিকাচৰণ; (১৯৯৩) *কোচ ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি;*

১৬) চেতিয়া, তোষেশ্বৰ (সম্পা.) (২০০৩) ঃ বৃহত্তৰ অসমীয়া জাতি গঠনত মিচিং জনগোষ্ঠীৰ অৱদান।

১৭) ডেকা সেন, খগেশ (সম্পা) ঃ 'ভাষা চিন্তা বিচিত্ৰা; গুৱাহাটী ঃ পুবেৰুণ।

১৮) দাস, বিশ্বজিৎ (২০১৫) ঃ *সমাজ ভাষা বিজ্ঞান;* নগাঁও ঃ Books and Beyond.

১৯) দত্ত, বীৰেন্দ্র নাথ (১৯৮২); *গোৱালপাৰীয়া লোকসংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অৱদান;* ধুবুৰী, ভোলানাথ কলেজ শিক্ষক গোট।

২০) দত্ত, বীৰেন্দ্র নাথ (১৯৮৮); *ভাষা সাহিত্যৰ জলঙাইদি;* গুৱাহাটী, গ্রন্থপীঠ।

২১) দাস, ধীৰেন (১৯৯৪); *গোৱালপাৰীয়া লোক-সংস্কৃতি আৰু লোকগীত;* গুৱাহাটী, চন্দ্রপ্রকাশ।

২২) দাস, মনোজ কুমাৰ (২০১৬) ঃ *দৰং আৰু মৰিগাঁও জিলাৰ কথিত অসমীয়া ভাষা ঃ এক তুলনামূলক অধ্যয়ন*। গুৱাহাটী বিশ্ববিদ্যালয়। অপ্রকাশিত গৱেষণা গ্রন্থ।

২৩) দত্তবৰুৱা, ফনীন্দ্র নাৰায়ণ; (২০০৬) ঃ *আধুনিক ভাষা বিজ্ঞান পৰিচয়;* ডিব্রুগড় ঃ বনলতা।

২৪) দাস, ভুবন মোহন; (১৯৭৪) *জনগোষ্ঠীত প্রজাতীয় উপাদান, অসমীয়া জাতিৰ ইতিবৃত্ত,* গিৰিধৰ শর্মা (সম্পা.) যোৰহাটী, অসম সাহিত্য সভা।

২৫) দেউৰী মনেশ্বৰ (১৯৯৪) ঃ *মৰিগাঁও জিলাৰ লোকসংস্কৃতি*। আদৰণি সমিতি, ষাঠিতম্ অসম সাহিত্য সভা, মৰিগাঁও।

২৬) দেউৰী, বিদ্যাভূষণ (২০১৫) ঃ *দেউৰী জাতিৰ বুৰঞ্জী আৰু সংস্কৃতি,* ডিব্রুগড় ঃ কৌস্তুভ প্রকাশন।

২৭) নাথ, ডম্বৰুধৰ; (১৯৯৬) *অসম বুৰঞ্জী;*

২৮) নাথ, দ্বিজেন (২০০৮); *গোৱালপৰীয়া লোক-সংস্কৃতি;* গুৱাহাটী, বনলতা।

২৯) নাথ, জীৱকান্ত (২০১৩) ঃ মায়ঙীয়া উপভাষা, মৰিগাঁও ঃ শ্বাশ্বত প্রকাশন।

৩৯) পাঠক, ৰমেশ (২০০৮) ঃ *উপভাষা বিজ্ঞানৰ ভূমিকা;* ডিব্রুগড় ঃ বনলতা।

৪০) পাঠক, ৰমেশ; (১৯৯০) *অসমীয়া ভাষাৰ ইতিহাস;* নলবাৰী, জার্ণাল এম্প'ৰিয়াম।

৪১) পাটগিৰি, দীপ্তি ফুকন (২০১০) ঃ *উপভাষা আৰু অসমৰ উপভাষা,* অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী।

৪২) পাঠক, জীৱন চন্দ্র (১৯৯২) ঃ *দৰঙী উপভাষা*। গুৱাহাটী বিশ্ববিদ্যালয়। অপ্রকাশিত গৱেষণ গ্রন্থ।

৪৩) পাদুন, নাহেন্দ্র (১৯৮৯) ঃ *মিচিং অসমীয়া পাঠ*।

৪৪) পাদুন, নাহেন্দ্র (সম্পা.) (১৯৯৩) ঃ *ভাষাৰ তত্ত্বকথা,* শিৱসাগৰ কলেজ।

৪৫) বৰুৱা, ভীমকান্ত (১৯৯৭) ঃ *অসমীয়া ভাষা;* ডিব্রুগড় ঃ বনলতা।

৪৬) বৰুৱা, গুণাভিৰাম; (১৯৭২) *আসাম বুৰঞ্জী;* গুৱাহাটী, অসম প্রকাশন পৰিষদ।

৪৭) বড়া সন্দিকৈ, নিবেদিতা (২০১৪) ঃ *সোনোৱাল কছাৰীৰ লোক-সংস্কৃতি,* কিৰণ প্রকাশন।

৪৮) বর্মন, শান্ত (২০০৯); *গোৱালপাৰীয়া জন ইতিহাস;* গুৱাহাটী, অশোক পাব্লিকেশ্যন্চ।

৪৯) বৰুৱা, ভীমকান্ত; (২০০৯) ঃ *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা;* গুৱাহাটী ঃ

জ্যোতি প্রকাশন।

৫০) বৰুৱা, ভীমকান্ত; (২০০২) ঃ *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

৫১) ভৱালী, বিভা (২০০৪); *কামৰূপী উপভাষা ঃ এটি অধ্যয়ন;* গুৱাহাটী, প্রাগজ্যোতিষ মহাবিদ্যালয়।

৫২) ভৱালী, বিভা আৰু কল্পনা তালুকদাৰ (সম্পা.) (২০০৯); *গোৱালপৰীয়া উপভাষা ঃ ৰূপ-বৈচিত্র্য;* ডিব্রুগড়, চন্দ্র প্রকাশ।

৫৩) মৱল, দীপঙ্কৰ (১৯৯৭) ঃ *উপভাষা বিজ্ঞান;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টৰ্ছ্।

৫৪) ৰাভা হাকাচাম, উপেন (২০১৪) ঃ *অসমীয়া আৰু অসমৰ ভাষা উপভাষা;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৫৫) ৰাভা, হাকাচাম, উপেন; (২০১১) ঃ *ৰাভা ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৫৬) ৰাভা হাকাচাম উপেন; (২০১৩) ঃ *অসমীয়া আৰু অসমৰ জাতি-জনগোষ্ঠী ঃ প্রসঙ্গ-অনুসঙ্গ;* ধেমাজি ঃ কিৰণ প্রকাশন।

৫৭) শর্মা, নলিনী (সম্পা.) *চান্দৰ ডিঙা;* অসম সাহিত্য সভাৰ ৬৩তম বিলাসীপাৰা অধিৱেশনৰ স্মৃতিগ্রন্থ।

ইংৰাজী গ্রন্থ ঃ

১) Barua, K. L; (1988) *Early History of Kamrupa;* Guwahati, LBS.

২) Choudhury Anima, *Goalpara Dialects A Critical Study;* Unpublished Thesis, G.U.

৩) Choudhury Anima, *Goalpara Dialects A Critical Study;* Unpublished Thesis, G.U.

৪) Das, Dhirendra, *The Dialects of Goalpara and Kamrup : A Comparative Analysis;* Unpublished Thesis, G.U.

৫) Gait, Edward; (1990) *A History of Assam;* Guwahati, LBS.

৬) Goswami, U. N; (1970) *A Study on Kamrupi : A Dialect of Assamese;* Gauhati, DHAS.

৭) Grierson, G. A; (1963) *The Linguistic Survey of India;* Vol. V, Part I, Delhi, MBD.

৮) Goswami, Golok chandra (1982) : *Structure of Assamese*. Publication Department. Gauhati University. Guwahati.

৯) Kakati, Banikanta; (1941) *Assamese, Its Formation and*

Development; Gauhati, DHAS.

১০) Kalita, D. B. & H. Sarmah (2010) : *The Tiwas (Lalungs) Profile of a Tribe*. Publication Committee, Department of History, Morigaon College. Morigaon.

১১) Moral, Dipankar (1992) : *Phonology of Asamiya Dialects* : Contemporary Standard and Mayong. Ph.D. dissertation. Deccan College Post Graduate and Research Institute. Poona.